au'-dit, *n.* হিচাব-পৰীক্ষা ; *v.* হিচাব পৰীক্ষা কৰা। au'-dit-or, *n.* হিচাব পৰীক্ষক।

au'-ger, *n.* বিন্ধোৱা যন্ত্ৰ।

aught (*ät*), *n.* যি কোনো বস্তু।

aug'-ment, *n.* বৃদ্ধি। aug-ment', *v.* বৃদ্ধি কৰা, বঢ়োৱা। aug-men-ta'-tion, *n.* বৃদ্ধি।

au'-gur, *n.* (L.) ভবিষ্যৎ বক্তা, চৰাই বোৰৰ চিঞৰ আৰু উৰণ আদি দেখি যোনে ভবিষ্যতৰ ভাল বেয়া কব পাৰে ; *v.* ভবিষ্যত গণনা কৰা। au'-gury, *n.* চৰাই আদিৰ চিঞৰ, উৰণ আদি চিনৰ পৰা ভবিষ্যত কব পৰা বিস্থা।

Au'-gust, *n.* ইংৰাজী বছৰৰ অষ্টম মাহ।

au-gust', *adj.* শ্ৰীমন্ত, মহিমান্বিত, মহৎ।

aunt, *n.* খুড়ী, পেহী, মাহী, মামী, জেঠাই।

au-ric'-u-lar, *adj.* গোপনকৈ কোৱা, কাণে-কাণে কোৱা।

au-ro'-ra, *n.* দোকমোকালি, ঊষা। au-ro'-ra bo-re-a'-lis, *n.* (L.) পৃথিবীৰ উত্তৰ কেন্দ্ৰীয় ঊষা।

aus'-pice, *n.* চৰাইবোৰৰ চিঞৰ আদিৰ পৰা ভবিষ্যতৰ কোনো লক্ষণ ; *pl.* তত্বাবধান, আশ্ৰয়, পৃষ্ঠপোষকতা। aus-pi'-cious (*-pi'-shus*), *adj.* শুভ লক্ষণযুক্ত, শুভ।

aus-tere', *adj.* কঠোৰ, উগ্ৰ। aus-ter'-i-ty, *n.* তপস্যা, তপ, উগ্ৰতা।

au-then'-tic (*th* as in *thin*), *adj.* প্ৰকৃত, আচল, যথাৰ্থ। au-then'-ti-cate, *v.* প্ৰকৃত বা যথাৰ্থ বুলি প্ৰমাণ কৰা। au-then-tic'-i-ty (*-tis'-*), *n.* যাথাৰ্থ্য, সত্য।

au'-thor, *n.* (*f.* -ess), গ্ৰন্থকৰ্ত্তা, উদ্ভাবক, প্ৰথম আৰম্ভ কৰোঁতা।

au'-thor-ize, *v.* ক্ষমতা বা ভাৰ দিয়া।

au-thor'-i-ty, *n.* প্ৰভুত্ব, শাসন, আইন-সঙ্গত ক্ষমতা।

au'-to-crat, *n.* স্বেচ্ছাচাৰী ৰজা। au-toc'-ra-cy, *n.* স্বেচ্ছাচাৰীৰ ৰাজত্ব।

au-to-bi-og'-ra-phy, *n.* আত্ম-জীৱন চৰিত।

au'-to-graph, *n.* নিজৰ হাতৰ লেখা, চহী।

au-to-mat'-ic (-al), *adj.* আপোনা আপুনি চলা, অজ্ঞাত সাৰে যোৱা ; au-to-mat'-i-cal-ly, *adv.* au-tom'-a-tion, *n.* (*pl.* -tons or -ta) যি যন্ত্ৰ আপোনা আপুনি চলে।

au-to-mo'-bile (*-beel*), *adj.* ঘোঁৰা আদিৰ সহায় নোহোৱাকৈ চলা ; *n.* মোটৰ গাড়ী।

au-ton'-o-mous (*-mus*), *adj.* স্বায়ত্ব-শাসনমূলক। au-ton'-om-y, *n.* স্বায়ত্ব শাসন।

au'-tumn (*-tum*), *n.* শৰৎকাল। au-tum'-nal, *adj.* শাৰদীয়।

aux-il'-i-a-ry, *adj.* সহায়কাৰী ; *n.* সহায়, মিত্ৰ।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

491/40 29258

a-vail', *v.* উপকাৰত লগা, লাভজনক বা সুবিধাজনক হোৱা, কোনো উদ্দেশ্য সিদ্ধি হোৱা ; *n.* উপকাৰ, শক্তি, মূল্য, ফল। a-vail'-a-ble, *adj.* কামত ব্যৱহাৰ কৰিব পৰা, পাব পৰা, প্ৰাপ্তব্য।

av'-a-lanche (*-ā-lansh*), *n.* পৰ্ব্বতৰ পৰা পৰা বৰফৰ দ'ম।

av'-a-rice (*-ris*), *n.* ধনৰ লোভ, লাভৰ আকাঙ্ক্ষা। av-a-ri'-cious (*-shus*), *adj.* লোভী। কৰক।

a'-ve, *int.* (L.) বাটত ঈশ্বৰে তোমাৰ মঙ্গল

a-venge', *v.* প্ৰতিশোধ লোৱা। a-ven'-ger, *n.* প্ৰতিশোধ লওঁতা।

av'-e-nue, *n.* গছৰ শাৰীৰ মাজেদি যোৱা বাট।

a-ver', *v.* ডাঠি কোৱা, নিশ্চয়কৈ কোৱা।

av'-er-age, *n.* গড় হিচাব।

a-verse', *adj.* অনিচ্ছুক, বিণ থকা। a-ver'-sion, *n.* ঘৃণা, অভক্তি, বিতৃষ্ণা।

a-vert', *v.* দূৰ কৰা, নিবাৰণ কৰা, বাধা দিয়া।

a'-vi-ar-y, *n.* (*pl.* a'-vi-a-ries), চৰাইৰ সজা, চৰাই চিৰ্কতি ৰখা ঠাই।

a'-vi-a-tion, *n.* আকাশী যানত চৰা বিদ্যা। a'-vi-a-tor, *n.* যোন আকাশী যানত যোৱাত পটু।

a-vid'-i-ty, *n.* হেপাহ, লোভ, আগ্ৰহ।

av-o-ca'-tion, *n.* ব্যবসায়, জীৱিকাৰ বাবে যি কাম কৰা হয়।

a-void', *v.* আঁতৰত ৰখা, এৰা। a-void'-ance, *n.* এৰা কাৰ্য্য।

a-vow', *v.* স্পষ্টভাবে স্বীকাৰ কৰা। a-vow'-al, *n.* স্বীকাৰ। a-vowed', *adj.*

a-wait', *v.* বাট চোৱা, আশা কৰা, অপেক্ষা কৰা।

a-wake', *adj.* সাৰে থকা, জাগি থকা ; *v.* (also a-wak'-en), সাৰ পোৱা, জগোৱা।

a-ward', *v.* দিয়া, বিচাৰ কৰি দণ্ড দিয়া ; *n.* শেষ নিষ্পত্তি, আদেশ।

a-ware', *adj.* সতৰ্ক, সাৱধান, বিদিত।

awe (*ä*), *n.* সম্ভ্ৰম, ভয় ; *v.* আনৰ ভয় লগোৱা। aw'-ful, *adj.* ভয় লগা।

a-while', *adv.* অলপ সময়ৰ বাবে।

awk'-ward, *adj.* কুৎসিৎ, অশুৱনী, আপচু। awk'-ward-ness. *n.* অসুবিধা।

awl, *n.* মুচিয়ে ছালবিন্ধা কৰা বেজী।

awn'-ing, *n.* ছায়া-মৰা, ৰভা।

a-wry' (*-ri'*), *adv.* বেঁকা বেঁকিকৈ, চকু-কেৰাহিকৈ।

axe, *n.* কুঠাৰ।

ax'-i-om (*-i-um*), *n.* স্বতঃ সিদ্ধ।

ax'-is, *n.* (*pl.* ax'-es), মেৰুদণ্ড।

ax'-le, *n.* ধুৰা, য'ত চাকা ঘূৰে।

ay (*ī*), *int.* এৰা বা হয়।

aye (*ā*), *adv.* সদায়, সৰ্ব্বদা।

a'-zure (*ā'-zhūr* or *azh'-ūr*), *adj.* নীলবৰণীয়া, মেঘ নোহোৱা ; *n.* আকাশৰ নীলিমা, নীলবৰণীয়া আকাশ।

B

bab'-ble, *v.* চেল চেলকৈ কথা কোৱা, টপ্ টপোৱা ; *n.* অৰ্থশূন্য কথা। bab'-bler, *n.* চেলেপু মানুহ, অসাৰ কথা বেচিকৈ কোৱা মানুহ।

ba'-bel, *n.* (H.) মহা গোলমাল, গোলমালৰ ভিতৰত কোৱা কথা।

ba-boon', *n.* এবিধ ডাঙৰ জাতৰ বান্দৰ।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ba'-by (*or* babe), *n.* কেঁচুৱা লৰা বা ছোৱালী। ba'-by-hood, *n.* কেচুৱা অৱস্থা।
bach'-e-lor, *n.* বিয়া নকৰোৱা মতা, বিশ্ববিদ্যালয়ৰ প্ৰথম (B.A.) উপাধি ধাৰী বা ধাৰিণী।
back, *n.* পিঠি, পাছফাল ; *adv.* উলটি, পিছ পিনে ; *v.* সমৰ্থন কৰা, সহায় কৰা ; *adj.* পিছত থকা, বাকী পৰা। back'-bite, *v.* অনুপস্থিতিত নিন্দা কৰা, পিছত কামোৰা। back'-bone, *n.* ৰাজহাড়। back'-ground, *n.* ছবিৰ অস্পষ্ট অংশ। back'-ward, *adj.* পিছ, উন্নতিহীন। back'-wards, *adv.* পিছ ফালে।
ba'-con, *n.* লোণ-সনা গাহৰিৰ শুকান মঙহ।
bad, *adj.* বেয়া, অহিতকৰ, অসৎ।
badge, *n.* চিন, চাপৰাচ্।
badg'-er (*baj'-*), *n.* গাঁতখনা এবিধ সৰু চাৰিঠেঙীয়া জন্তু ; *v.* বেজাৰ বা দিগদাৰ দিয়া, বিৰক্ত কৰা।
baf'-fle, *v.* ব্যৰ্থ কৰা, নিষ্ফল কৰা।
bag, *n.* থৈলা, মোনা, জোলোঙা ; *v.* মাৰি থৈলাত ভৰোৱা, চিকাৰ কৰা, ঢিলাকৈ আঁৰি থোৱা। bag'-pipe, *n.* এবিধ বাদ্য যন্ত্ৰ।
bag'-gage, *n.* সৈন্যৰ মাল বস্তু ; টালি টোপোলা।
bail (*bāl*), *n.* জামিন, জামিন হওঁতা ; *v.* জামিনত খালাছ দিয়া বা কৰা, পানী (নাওৰ) সিঁচি পেলোৱা। bail-a'-ble, *adj.*
bai'-liff (*bā'-*), *n.* পিয়াদা, বা তেনেকুৱা কৰ্ম্মচাৰী।
bairn, *n.* সন্তান, শিশু।
bait, *n.* টোপ, প্ৰলোভন ; *v.* টোপ পেলোৱা, প্ৰলোভিত কৰা, বাটত ঘোঁৰাক খুওৱা।
baize, *n.* এবিধ নোমৰ মোটা কাপোৰ।
bake, *v.* ৰ'দ বা জুইত দি শুকোৱা বা সেকা। ba'-ker, *n.* ৰুটি কৰা মানুহ। bake'-house, *n.* ba'-ker-y, *n.* ৰুটি কৰা ঘৰ।
bal'-ance, *n.* তুলাচালনী, পাল্লা, জমা-খৰছৰ বাকী ; *v.* জোখ কৰা, বাদ কটা। জমা আৰু খৰছ সমান কৰা।
bal'-ance-sheet, *n.* সংক্ষিপ্ত হিচাব পত্ৰ।
bal'-co-ny, *n.* বাৰাণ্ডা।
bald (*bäld*), *adj.* টকলা, টপামূৰা, লঠৰা মূৰা। bald'-ness, *n.* টকলা ৰোগ।
bale, *n.* বস্তা, দুখকষ্ট।
bale (*or* bail), *v.* (পানী) সিঁচি পেলোৱা।
bale'-ful, *adj.* অনিষ্টকৰ, শোচনীয়, মাৰাত্মক।
balk (*bäk*), *n.* ছটি ; *v.* বাধা দিয়া, ব্যৰ্থ কৰা।
ball, *n.* খেলা কৰা ঘূৰণীয়া বস্তু ; গুলি।
bal'-lad, *n.* সঙ্গীত, গল্পৰ কবিতা।
bal'-last, *n.* খালি জাহাজ থিৰেৰে ৰাখিবলৈ দিয়া শিল, বালি আদিৰ বোজাই ; *v.* গধুৰ বস্তু বোজাই দিয়া, থিৰেৰে ৰাখা।
bal-loon', *n.* ব্যোমযান।
bal'-lot, *n.* টিকেট আদিৰে গোপনে 'ভোট' দিয়া কাৰ্য্য ; *v.* গোপনে 'ভোট' দিয়া।
balm (*bäm*), *n.* প্ৰলেপ, ঔষধ, সুগন্ধি আৰক। balm'-y, *adj.* শান্তিকৰ, সুগন্ধি।
bal'-sam, *n.* তেলৰ নিচিনা, সুগন্ধি এবিধ গছৰ আৰক, মলম।
bam-boo', *n* বাঁহ।
ban, *n.* শাও, নিষেধ হুকুম, প্ৰকাশ্য ঘোষণা ; *v.* (banned', ban'-ning) নিষেধ কৰি হুকুম দিয়া, শাওঁপাত দিয়া।
ba-na'-na, *n.* কল।
band, *n.* বন্ধন বা গাঁঠি, যিহেৰে বন্ধা হয় ;

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

দল, সৈন্য বা বাদ্য বজাওঁতাৰ দল ; *v.* দলবান্ধা। band'-age, *n.* ঘা আদিত দিয়া কাপোৰৰ বান্ধ ; *v.* ঘা আদিত কাপোৰ বান্ধি দিয়া।

ban'-dit, *n.* ডকাইত, লুটপাট কৰোঁতা।

ban'-dy, *adj.* বেঁকা ; *v.* বাক্‌যুদ্ধ কৰা, আন্দোলন কৰা, কোবাই ইফালে সিফালে পঠিওৱা। ban-dy-legged', *adj.* ভাজলগা ভৰিৰ।

bane, *n.* ধ্বংস, অনিষ্ট, ক্ষতি, বিষ। bane'-ful, *adj.* অনিষ্টজনক, বিষ-যুক্ত।

bang, *n.* ডাঙৰ আঘাত, হঠাৎ উঠা চিঞৰ বা আটাহ, ঝন্ ঝন্ শব্দ ; *v.* জোৰেৰে আঘাত কৰা বা শব্দ কৰা।

ban'-gle, *n.* বালা।

ban'-ish, *v.* নির্ব্বাসিত কৰা, দূৰ কৰা। ban'-ish-ment, *n.* নির্ব্বাসন।

ban'-jo, *n.* বেহেলাৰ নিচিনা এবিধ বাদ্য যন্ত্র।

bank, *n.* পাৰ, দাঁতি, (বেঙ্ক) য'ত মানুহে টকা জমা থয়। ban'-ker, *n.* মহাজন, বেঙ্কৰ গৰাকী।

bank'-rupt, *n.* and *adj.* দেউলিয়া। bank'-rupt-cy, *n.* দেউলিয়া অৱস্থা।

ban'-ner, *n.* যুদ্ধৰ নিচান, পতাকা।

banns, *n. pl.* কোনো বিয়াৰ জাননী।

ban'-quet (*-kwet*), *n.* ভোজ ; *v.* ভোজ খুওৱা।

ban'-tam, *n.* এবিধ সৰু জাতৰ কুকুৰা চৰাই।

ban'-ter, *v.* ঠাট্টা কৰা, উপহাস কৰা ; *n.* ঠাট্টা, উপহাস।

ban'-yan (*banian*), *n.* বৰ গছ।

bap-tise', *v.* খৃষ্টীয় ধর্ম্মত দীক্ষিত কৰা। bap'-tism, *n.* খৃষ্টীয় ধর্ম্মত দীক্ষা। bap'-tist, *n.* সৰুতে দীক্ষাৰ বিৰোধী প্রটেষ্টাণ্ট খৃষ্টিয়ান।

bar, *n.* ডাং, চালিনাৰি, নদীৰ মোহনাত বালিৰ দ'ম, যি হে প্রতিবন্ধক বা বাধা জন্মায়, বান্ধ, আচামী থিয় হোৱা কাঠৰ বেৰ, বিচাৰকৰ আগত উকীল আদি বহিবৰ ঠাই, উকীল ব্যাৰিষ্টাৰ, মদৰ দোকান ; *v.* দুৱাৰত ডাং দিয়া, সোমাবলৈ বাধা দিয়া।

barb, *n.* শৰ, ঝাঁড় আদিৰ জোং ; *v.* জোঙাল কৰা।

bar-ba'-ri-an, *adj.* অসভ্য ; *n.* অসভ্য মানুহ। bar'-bar-ism, *n.* অসভ্য-অৱস্থা। bar'-bar-ous, *adj.* অসভ্য, জংঘলী, অশিষ্ট, নিষ্ঠুৰ। bar-bar'-i-ty, *n.* নিষ্ঠুৰ কার্য্য।

bar'-ber, *n.* নাপিত।

bard, *n.* স্তুতিপাঠক, কবি, গায়ক-কবি।

bare, *adj.* খোলা, নাঙঠ, উলঙ্গ, সাধা-সিধা, সৰল, সামান্য ; *v.* বিবস্ত্র কৰা, নাঙঠ কৰা। bare'-ness, *n.* উলঙ্গ বা নাঙঠ অৱস্থা।

bar'-gain (*-bâr'-gin*), *n.* কিনা-বেচাৰ বন্দোবস্ত, লাভজনক বেপাৰ ; *v.* বেপাৰৰ বন্দোবস্ত কৰা, বিক্রী কৰা।

barge, *n.* খেল নাও, কেলি নাও।

bar'-i-tone (bar'-y-tone), *n.* মতা-মানুহৰ উচ্চ কণ্ঠস্বৰ।

bark, *n.* গছৰ বাকলি, তিনি ডাল মাস্তুল থকা সৰু জাহাজ, কুকুৰৰ ভুকনি ; *v.* ভুকা, গছৰ বাকলি এৰিওৱা।

bar'-ley, *n.* যব ধান।

barm (*bârm*), মদৰ বা তাড়িৰ ফেণ।

barn, *n.* শস্য থোৱা ভঁৰাল ঘৰ।

bar'-na-cle, *n.* এবিধ সৰু শামুক।

ba-rom'-e-ter, *n.* বায়ুমান যন্ত্র।

bar'-on, *n.* (*f.* -ess), ইংলণ্ডৰ এশ্রেণী সম্ভ্রান্ত লোকৰ উপাধি, (লর্ড) তকৈ তল খাপৰ।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

bar'-on-et, *n.* 'বেৰন' উপাধিৰ তল খাপৰ উপাধি।

bar'-racks, *n.* সৈন্যথকা ঠাই, ছাউনী।

bar'-rage (*-āj*), *n.* পানী তুলিবলৈ দিয়া নদীৰ বান্ধ।

bar'-rel, *n.* পিপা, বন্দুকৰ নল।

bar'-ren, *adj.* সাৰ নথকা, থৰ্থৰীয়া, অসাৰুৱা, বন্ধ্যা, বাজা, ভাবহীন।

bar-ri-cade', *n.* শত্ৰুৰ গতিৰোধ কৰাৰ বাবে অস্থায়ীকৈ তৈয়াৰ কৰা, দুৰ্গ বা প্ৰাচীৰ বা বেৰা ; *v.* বেৰা দি আগুৰা, বা বাটমাৰা।

bar'-ri-er, *n.* বেৰা, সীমা।

bar'-ri-er-reef, *n.* উপকূলৰ সমান্তৰাল হৈ থকা প্ৰবাল দ্বীপপুঞ্জ।

bar'-ris-ter, *n.* বাৰিষ্টৰ।

bar'-row, *n.* এটা চাকাৰ গাড়ী ; মাটীৰ টিপ।

bar'-ter, *n.* সলনা-সলনি বেপাৰ ; *v.* সলনা-সলনি কৰা।

base, *n.* ভিত্তি, পাদদেশ, তলি (পৰ্ব্বত আদিৰ) ; *adj.* অধম, নীচ, অকামিলা। base'-less, *adj.* ভিত্তিহীন, অমূলক। base'-ment, *n.* পকিঘৰৰ তলৰ তালা।

bash'-ful, *adj.* লাজুকীয়া, লাজকুৰীয়া, লজ্জাশীল।

ba'-sin (*bā'-sn*), *n.* বহলমুখৰ পাত্ৰ, অবাবাহিকা, দুয়ো কাষৰ যিখিনি ঠাইৰ পানী নদীত পৰে।

ba'-sis, *n.* ভিত্তি। *pl.* ba'-ses.

bask, *v.* ৰ'দ লোৱা, তাপ লোৱা।

bas'-ket, *n.* খৰাহি, পাচি।

bass (*bās*), *n.* মতা মানুহৰ আটাইত কৈ তলৰ সুৰ, 'খাদ'।

bas'-tard, *n.* জহৰা বা জাৰজ সন্তান।

baste, *v.* ভাজোৰ সময়ত অলপ অলপ কৈ তেল বা ঘিউ দি থকা, দীঘল কোৰ মাৰি সিয়া, লাঠিৰে মাৰা।

bas'-ti-on, *n.* কিল্লাৰ বুৰুজ।

bat, *n.* বাদুলী, ক্ৰিকেট খেলা হাঠা, ডোখৰীয়া ইটা।

batch, *n.* একেলগে প্ৰস্তুত হোৱা সকলো কটি, দল বা জাক।

bath, *n.* স্নান, গা ধোৱা ঘৰ, গা ধোৱা পানীৰ পাত্ৰ।

bathe (*th*ৰ দ উচ্চাৰণ), *v.* গা ধুৱা বা ধুওৱা।

bat'-on, *n.* পদৰ চিন স্বৰূপে লোৱা লাঠি।

bat-tal'-ion (*-yun*), *n.* ডাঙৰ সৈন্যৰ দল।

bat'-ten, *v.* মোটা হোৱা।

bat'-ter, *v.* বাৰে বাৰে আঘাত কৰা, কোবোৱা, অস্ত্ৰেৰে আক্ৰমণ কৰা ; *n.* ডিমা পানী, ময়দা আদি ঘাটি তৈয়াৰ কৰা মিহলি বস্তু।

bat'-ter-y, *n.* ভীষণ আক্ৰমণ, যুঁজলৈ সাজু ৰখা কামান সমূহ, দুৰ্গ, বিদ্যুৎ উৎপাদক যন্ত্ৰ।

bat'-tle, *n.* যুদ্ধ, যুঁজ ; *v.* যুদ্ধ কৰা। bat'-tle-ment, *n.* দুৰ্গৰ প্ৰাচীৰ বা ওখ বিন্ধা থকা দেওৱাল। bat'-tle-axe, *n.* যুদ্ধৰ অস্ত্ৰ।

bau'-ble (*bä'-bl*), লৰাছোৱালীৰ খেলাৰ বস্তু, দেখাত ভাল, কম মূল্যৰ বস্তু।

bawl, *n.* চিঞৰ, আটাহ ; *v.* চিঞৰা, আটাহ পাৰা।

bay, *n.* উপসাগৰ, অখাত ; ডালচিনি জাতীয় এবিধ গছ, এই গছৰ পাতেৰে গাঠা জয়মালা ; *adj.* ৰংচুৱা মুগা ; *v.* কুকুৰে ভুকা।

bay'-on-et, *n.* বন্দুকৰ মূৰত লগোৱা জোঙা অস্ত্ৰ।

ba-zaar' (*-zär*), বজাৰ, বস্তু কিনা বেচা ঠাই।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

be (was, be'-ing, been), *v.* হোৱা। **be'-ing**, *n.* প্ৰাণী, জীৱন, স্থিতি।

beach (*bēch*), *n.* সাগৰ বা হ্ৰদৰ দাঁতি; *v.* জাহাজ পাৰত তুলি থোৱা।

bea'-con, *n.* বিপদৰ জাননী দিবলৈ ওখঠাইৰ পোহৰ বা আন চিন।

bead, *n.* কাচৰ ঘুৰণীয়া মণি, জপৰ মালা; *v.* মণি পিন্ধা, মালা লোৱা।

bea'-dle, *n.* আদালত, গীৰ্জ্জা বা বিদ্যালয়ৰ সৰু কৰ্ম্মচাৰী।

beak, *n.* চৰাইৰ ঠোঁট, ঠোঁটৰ নিচিনা জোঙা আগ থকা বস্তু।

beak'-er, *n.* এবিধ কাচৰ পাতল পাত্ৰ।

beam, *n.* চ'টি, পাল্লাৰ দাঁৰি বা দাণ্ডি, নাঙলৰ ডিলা, জাহাজৰ যিপিনে বেচি বহল, পোহৰৰ ৰশ্মি; *v.* পোহৰ দিয়া।

bean, *n.* উৰহী।

bear (*bār*) (bore, bear'-ing, borne and born), *v.* ধাৰণ কৰা, বৈ নিয়া, জন্ম দিয়া, সহ্য কৰা। bear'-a-ble, *adj.* বৈ নিব পৰা, সহ্য কৰিব পৰা। bear'-er, *n.* বৈ নিওঁতা। bear'-ing, *n.* ব্যৱহাৰ, আচৰণ।

bear (*bār*), *n.* ভালুক। bear'-ish, *adj.* ভালুকৰ নিচিনা রুক্ষ স্বভাৱৰ।

beard, *n.* দাড়ি; *v.* দাড়িত ধৰা, যুঁজ কৰিবলৈ মাতা।

beast, *n.* পশু, অসভ্য লোক। beast'-ly, *adj.* পশুৰ নিচিনা।

beat (beat, beat or beat'-en, beat'-ing), *v.* মাৰা, প্ৰহাৰ কৰা, আঘাত কৰা, পৰাস্ত কৰা, বজোৱা বাজনাত তালৰ সঙ্কেত কৰা; *n.* বাজনা বা কোবৰ শব্দ, নাড়ীৰ স্পন্দন, পুলিছ বা ৰখীয়া আদিৰ ঘূৰিব লগা ঠাই।

be-at'-i-fy (*-i-fī*), *v.* সুখী কৰা; স্বৰ্গসুখ হওক বুলি কোৱা। be-a-tif'-ic, *adj.* সুখজনক। be-at-i-fi-ca'-tion, *n.* be-at'-i-tude, *n.* স্বৰ্গসুখ।

beau (*bō*), *n.* (F.) ফুলবাবু।

beau'-ty (*bū'-*), *n.* সৌন্দৰ্য্য, শোভা, কান্তি, লাবণ্য; সুন্দৰী তিৰোতা। beau'-te-ous, beau'-ti-ful, *adj.* সুন্দৰ, ধুনীয়া। beau'-ti-fy, *v.* সৌন্দৰ্য্য বঢ়োৱা।

bea'-ver, *n.* বিবৰ, এবিধ চাৰিঠেঙীয়া জন্তু, বিবৰৰ লোম বা তাৰে তৈয়াৰী টুপী, আপদ নিবাৰণ কৰিবলৈ পিন্ধা পাগুৰীৰ মুখৰ ঢাকনি।

be-cause', *conj.* কাৰণ, যি হেতু।

beck, *n.* সৰু নৈ, মূৰ বা আঙুলিৰ দ্বাৰাই কৰা সঙ্কেত। beck'-on, *v.* সঙ্কেত বা ইঙ্গিত কৰা, মূৰ জোকাৰি বা আঙুলিৰে ঠাৰ দি মাতা।

be-come', *v.* হোৱা, উপযুক্ত হোৱা, যোগ্য হোৱা। be-com'-ing, *adj.* উপযুক্ত, যোগ্য।

bed, *n.* বিছনা, সাগৰ বা নৈৰ বুক বা তলৰ মাটি, ফুলবোৱা ঢাপ। bed'-cham-ber, *n.* bed'-room, *n.* শোৱা কোঠালি। bed'-ding, *n.* বিছনাৰ কাপোৰ আদি। bed'-rid (-den), *adj.* শয্যাশায়ী, শয্যাগত। bed'-stead, *n.* খাট, পালেঙ।

bed'-lam, *n.* পগলা ৰখা ঠাই; হাই উৰুমিৰে পৰিপূৰ্ণ ঠাই।

Bed'-ou-in (*-ōō-*), *n.* টম্বুত বাসকৰা অৰবী আৰব দেশীয় এক কৈদৰ মানুহ।

bee, *n.* মৌ-মাখি। bee'-hive, *n.* মৌ-চাক।

beech, *n.* এ বিধ ডাঙৰ গছ।

beef, *n.* গৰুৰ মঙহ। beeves (*bēvs*), *n. pl.* বলদ গৰুবোৰ। beef'-steak (*-stāk'*), *n.* গৰুৰ মঙহ ডোখৰ।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

beer, *n.* এবিধ মদ।

beet, *n.* পালেঙ শাক।

bee'-tle, *n.* গোবৰা পোক, মুদ্গৰ ; *v.* ওলমি থকা, আগ বাঢ়ি থকা।

be-fall' (be-fell', be-fall'-ing, be-fall'-en), *v.* (ভাগ্যত) ঘটা, ওপৰত পৰা।

be-fore', *prep.* আগত, সম্মুখত ; *adv.* আগেয়ে। be-fore'-hand, *adv.* আগেয়ে, আগৰ পৰাই।

beg, *v.* ভিক্ষা খোজা, অনুৰোধ বা প্ৰাৰ্থনা কৰা। beg'-gar, *n.* ভিকহু। beg'-gar-ly, *adj.* ভিকহুৰ নিচিনা, নীচ।

be-gin' (*-gin'*) (be-gan', be-gin'-ning, be-gun'), *v.* আৰম্ভ কৰা। be-gin'-ning, আৰম্ভ। be-gin'-ner, *n.* আৰম্ভ কৰোঁতা।

be-gone', *v.* (*imperative*) গুচি যোৱা, দুৰ হোৱা।

be-grudge', *v.* হিংসা কৰা।

be-guile' (*-gīl'*), *v.* ঠগোৱা, প্ৰতাৰণা কৰা, ধেমালিত সময় কটোৱা বা অবাবত নষ্ট কৰা। be-guile'-ment, *n.*

be-half', *n.* পক্ষ, হক, উপকাৰ।

be-have' (*-hāv'*), *v.* ব্যৱহাৰ কৰা, আচৰণ কৰা, কাম কৰা। be-hav'-iour (*-yĕr*), *n.* ব্যৱহাৰ, আচৰণ।

be-head', *v.* মুৰ কটা।

be-hest', *n.* আদেশ, হুকুম, কামৰ ভাৰ।

be-hind', *prep.* and *adv.* পিছফালে।

be-hold', *v.* দেখা। be-hold'-er, *n.* দৰ্শক। be-hold'-en, *adj.* ধৰুৱা, ঋণী, কৃতজ্ঞ (কাৰো ওচৰত)।

be-hoof', *n.* উপকাৰ, লাভ, মঙ্গল।

be-hove' (*-hōv'*), *v.* উপযুক্ত হোৱা, আৱশ্যক হোৱা ('it'ৰে সৈতে ব্যৱহৃত হয়)।

be-la'-bour, *v.* বৰকৈ প্ৰহাৰ কৰা বা মাৰা।

be-la'-ted, *adj.* (কোনো লোকৰ) ৰাতি হৈ যোৱা, বৰ পলম হোৱা।

belch, *v.* উগাৰ এৰা।

be-lea'-guer (*-gĕr*), *v.* অৱৰোধ কৰা।

bel'-fry (*-fri*), *n.* গীৰ্জ্জাৰ ওপৰত ঘণ্টা থোৱা ঘৰ।

be-lie' (*-lī'*), *v.* মিছা প্ৰমাণ কৰা, (কাৰো) মিছা কথা কোৱা, মিছা বৰ্ণনা কৰা।

be-lief' (*-lēf'*), *n.* প্ৰত্যয়, পতিয়ন, বিশ্বাস।

be-lieve' (*-lēv'*), *v.* সঁচা বুলি বিশ্বাস কৰা, (কোনো লোকক) বিশ্বাস কৰা। be-liev'-er, *n.* বিশ্বাস কৰোঁতা। be-liev'-a-ble, *adj.* বিশ্বাস কৰিব লগীয়া।

be-lit'-tle, *v.* সৰু বা তুচ্ছ বুলি ধৰা।

bell, *n.* ঘণ্টা, ঘণ্টাৰ নিচিনা কোনো বস্তু ; *v.* ঘণ্টা আৰি দিয়া বা বান্ধা। bell'-man, *n.* ঘণ্টা বজাই ঘোষণা কৰোঁতা।

belle, *n.* ৰূপহী গাভৰু, ফুলবাবুৱনী।

bel'-li-cose, *adj.* যুঁজিবলৈ ইচ্ছুক, যুদ্ধপ্ৰিয়, দন্দুৱা।

bel-lig'-er-ent (*-lij'-*), *adj.* যুঁজত লাগি থকা ; *n.* যুদ্ধত ৰত থকা জাতি।

bel'-low, *v.* নদিওৱা ; *n.* নাদ, ডাঙৰ শব্দ।

bel'-lows (*-lōz*), *n. pl.* কমাৰৰ ভাতি।

bel'-ly, *n.* পেট। -ful, *n.* এপেট।

be-long', *v.* অধিকাৰত থকা, অন্তৰ্গত হোৱা, অধিবাসী হোৱা। be-long'-ings, *n. pl.* অধিকাৰত থকা বস্তু।

be-loved' or **be-lov'-ed**, *adj.* অতি মৰমৰ।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

be-low', *prep.* and *adv.* তলৰ পিনে।

belt, *n.* কোমৰ বান্ধনি, কোমৰ বা কঁকালত বন্ধা কাপোৰ বা চামৰা ; *v.* বান্ধোনৰ দ্বাৰা আগুৰা।

be-moan', *v.* বিলাপ কৰা, ৰৰকৈ দুখ কৰা।

bench, *n.* এক প্ৰকাৰ বহা আসন, বিচাৰকৰ দল। bench'-er, *n.* প্ৰধান উকীল বা উকীল সকলৰ নেতা।

bend (bent, bend'-ing, bent), *v.* বেঁকা কৰা বা হোৱা, ভাঁজ লগোৱা বা হোৱা, দমন কৰা ; *n.* ভাঁজ। bent, *adj.* বেঁকা ; *n.* মনৰ ইচ্ছা বা প্ৰবৃত্তি। bend'-ed, *adj.* নত।

be-neath', *prep.* তলত ; *adv.* তলৰ পিনে।

ben'-e-dict, *n.* নতুন কৈ বিয়া কৰোৱা মানুহ।

ben-e-dic'-tion, *n.* আশীৰ্ব্বাদ, মঙ্গল কামনা।

ben-e-fac'-tion, *n.* উপকাৰ। ben-e-fac'-tor, *n.* উপকাৰী লোক।

ben'-e-fice (*-fis*), *n.* ধৰ্ম্মযাজকৰ ব্যৱসায়।

be-nef'-i-cence (*-i-sens*), *n.* পৰোপকাৰ, দয়া। be-nef'-i-cent, *adj.* পৰোপকাৰী, দয়ালু।

ben'-e-fit, *n.* উপকাৰ, হিত, লাভ, সুবিধা। ben-e-fi'-cial (*-fi-shal*), *adj.* উপকাৰী, হিতকৰ।

be-nev'-o-lence, *n.* হিতৈষিতা, দানশীলতা, পৰোপকাৰিতা। be-nev'-o-lent, *adj.* দানশীল, পৰোপকাৰী।

be-night'-ed, *adj.* বাটত ৰাতি হোৱা, জ্ঞানহীন, অন্ধকাৰত ডুব গৈ থকা।

be-nign' (*-nīn'*), *adj.* দয়ালু, হিতকাৰী, উপকাৰী। be-nig'-nant (*-nig'-*), *adj.* সদয়। be-nig'-ni-ty, *n.* সহৃদয়তা।

be-numb' (*-num'*), *v.* অজ্ঞান কৰা, অনুভৱ শক্তি হ্রাস কৰা, জঠৰ কৰা, অৱশ কৰা।

be-queath' (*-kwēth'*), *v.* মৰাৰ আগেয়ে 'উইল' কৰি দান কৰা। be-quest' (*-kwest'*), *n.* উইল কৰি দিয়া দান।

be-reave' (be-reaved', be-reav'-ing, be-reft'), *v.* বঞ্চিত কৰা, মৃত্যুত বিচ্ছেদ ঘটা, কাঢ়ি লোৱা। be-reave'-ment, *n.* বঞ্চনা।

ber'-ry, *n.* জাম বা তেনে দৰৰ ৰসাল ফল।

berth, *n.* জাহাজ লঙ্গৰ কৰা ঠাই, জাহাজত শোৱা কোঠা ; কাম বা পদ।

be-seech' (be-sought', be-seech'-ing, be-sought'), *v.* অনুনয় কৰা, হাতে ভৰিয়ে ধৰা।

be-set', *v.* বেঢ়ি ধৰা, আগুৰি ধৰা, বাটত আগুৰি পেলোৱা। be-set'-ting, *adj.* সদায় অভ্যাস থকা।

be-side', *prep.* ওচৰত, কাষত। be-sides', *adv.* তদুপৰি, তাত বাজেও, তাৰ উপৰিও।

be-siege' (*-sīj'*), *v.* অৱৰোধ কৰা, সৈন্যেৰে আগুৰা।

be'-som (*-zum*), *n.* গছৰ ঠানিৰ বাঢ়নী।

be-speak', *v.* আগেয়ে কৈ থোৱা, বন্দোবস্ত কৰা বা নিযুক্ত কৰা।

best, *adj.* (superl. of *good*), আটাইতকৈ ভাল, শ্ৰেষ্ঠ ; *adv.* (superl. of *well*), আটাইতকৈ ভাল দৰে।

be-stir', *v.* লৰোৱা, উদগাই দিয়া।

be-stow' (*-stō'*), *v.* দান কৰা, দিয়া। be-stow'-al, *n.* দান।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

be-strew' (*-stroo'*), *v.* ওপৰত ছটিয়াই দিয়া।

be-stride', *v.* ওপৰেদি দীঘল দীঘল খোঁজ দি যোৱা।

bet, *n.* বাজি, পণ; *v.* বাজি থোৱা বা ৰখা। bet'-ter, or -tor, *n.* যোনে বাজি ৰাখে।

be-take', *v.* (only with *self*), লৈ যোৱা (কোনো ঠাইলৈ), অবলম্বন কৰা, আশ্ৰয় লোৱা।

be-think', *v.* ভাবি মনত সুমৰা বা স্মৰণ কৰা।

be-tide', *v.* ঘটা, উপস্থিত হোৱা।

be-times', *adv.* সোণকালে, থিক সময়ত।

be-to'-ken, (-kened, -ken-ing), *v.* চিনৰ দ্বাৰা বুজোৱা।

be-tray', *v.* বিশ্বাসঘাতকতা কৰা, আপোন জনক শত্ৰুৰ হাতত দিয়া, কুপথলৈ নিয়া, বিশ্বাসৰ কথা প্ৰকাশ কৰা। be-tray'-al, *n.* বিশ্বাসঘাতকতা।

be-troth', *v.* বিয়া দিম বুলি কথা দিয়া, বাগ্দান দিয়া। be-troth'-al, *n.*

bet'-ter, *adj.* (compar. of *good*) দুটাৰ ভিতৰত ভাল; *adv.* (compar. of *well*) আন এটাতকৈ ভাল দৰে; *v.* উন্নতি কৰা। bet'-ters, *n. pl.* গুৰুজন। bet'-ter-ment, *n.* উন্নতি, সম্পত্তিৰ মূল্য বৃদ্ধি।

be-tween', **be-twixt'**, *prep.* দুটাৰ মাজত।

bev'-el, *n.* মিস্ত্ৰিৰ কোণ জোখা যন্ত্ৰ; *adj.* টেৰা; *v.* টেৰা বা এধলীয়া ভাবে কটা।

bev'-er-age, *n.* মদ।

bev'-y, *n.* চৰাইৰ জাক, মহিলাৰ দল।

be-wail', *v.* শোক কৰা, দুখ কৰা।

be-ware', *v.* সাবধান হোৱা, সতৰ্ক হোৱা।

be-wil'-der, *v.* গোলমাল লগোৱা, বিবুধি কৰা, ঠিক বাট ভুল কৰি অবাটে নিয়া। be-wil'-der-ment, *n.*

be-witch', *v.* মন্ত্ৰ আদিৰে মুগ্ধ বা বশ কৰা, মোহিত কৰা। be-witch'-ing, *adj.* মোহন।

Bey (*bā*), *n.* তুৰস্ক দেশৰ প্ৰাদেশিক শাসনকৰ্ত্তা।

be-yond', *prep.* and *adv.* আন ফালে, দূৰৈত, বাহিৰ, অতীত।

bi'-as, *n.* এক ফালে হোৱা টান, পক্ষপাত, ইচ্ছা বা প্ৰবৃত্তি; *v.* পক্ষপাত কৰা, এফালে ঢাল খোৱা।

bib, *n.* মুখৰ লালেৰে কাপোৰ নিভিজাৰ বাবে কেঁচুৱাৰ বুকত বন্ধা এবিধ কাপোৰ; *v.* অলপ অলপকৈ পিয়া। bib'-ber, *n.* মদপী।

Bi'-ble, *n.* খৃষ্টিয়ান সকলৰ ধৰ্ম্মগ্ৰন্থ। bib'-li-cal, *adj.* বাইবেল সম্বন্ধীয়।

bi'-ceps (*-seps*), *n.* বাহুৰ ও পৰত থকা মাংসপেশী।

bick'-er, *v.* দন্দ্‌ খৰিয়াল কৰা; বেগেৰে বৈ যোৱা।

bi'-cy-cle (*-si-*), *n.* দুই চকাৰ ভৰিৰে চলোৱা গাড়ী।

bid (bade, bid or bid'-den, bid'-ding), *v.* অনুৰোধ কৰা বা নিমন্ত্ৰণ কৰা; প্ৰাৰ্থনা কৰা, আদেশ দিয়া, মূল্য দিবলৈ খোজা। bid'-ding, *n.* আদেশ।

bide, *v.* থকা, বাস কৰা, সহ্য কৰা, বাট চোৱা বা অপেক্ষা কৰা।

bi-en'-ni-al, *adj.* দুই বছৰ ব্যাপি বা দুই বছৰত একবাৰ হোৱা, দুবছৰীয়া; *n.* দুই বছৰ জীয়াই থকা উদ্ভিদ্।

bier (*bēr*), *n.* মৰা শ বৈ নিয়া চাঙী।

big, *adj.* ডাঙৰ। big'-ness, *n.* স্থূলতা।

big'-a-my, *n.* এজনী স্ত্ৰী বা এজন স্বামী

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

থাকোঁতে আন এজনী স্ত্রী বা আন এজন স্বামী লোৱাৰ অপৰাধ।

bight (*bīt*), *n.* সৰু উপসাগৰ; জৰীৰ বেৰ।

big'-ot, *n.* গোড়া, ধৰ্ম্মান্ধ। big'-ot-ry, *n.* গোড়ামি।

bile, *n.* পিত্ত, খঙাল স্বভাব, খঙ। bil'-i-ous, *adj.* পিত্তপ্ৰধান, খঙাল।

bill, *n.* চৰাইৰ ঠোঁট, বেচা মালৰ হিচাব বা ফৰ্দ্দ, আইনৰ পাণ্ডুলিপি।

bil'-let, *n.* টোকা চিঠি, নিয়োগপত্ৰ, পদৱী বা চাকৰী, থকা বাঁহা; *v.* গৃহস্থৰ ঘৰত সৈন্য বাহা দিয়া; *n.* কাঠৰ সৰু টুকুৰা।

bill'-i-ards (*-yards*), *n. pl.* মেজৰ ওপৰত, সৰু মাৰি আৰু 'বলে'ৰে খেলা এবিধ খেল।

bil'-low, *n.* ডাঙৰ ঢৌ। bil'-low-y, *adj.* ঢৌথকা।

bin, *n.* শস্য, মদ আদি ৰখা পাত্ৰ।

bind (bound, bind'-ing), *v.* বান্ধা, আটক কৰা, বাধ্য কৰা। bind'-ing, *n.* কিতাপ বান্ধা কাম; *adj.* বাধ্যতামূলক, এবাব নোৱাৰা।

bin'-na-cle (bin'-), *n.* জাহাজৰ দিক্ নিৰূপণ যন্ত্ৰৰ বাকচ।

bi'-no-cle, bi-noc'-u-lar (*bī-*), *n.* দুই চকুৰে চোৱা দূৰবীক্ষণ যন্ত্ৰ; *adj.* দুই চকুৰেদি একে লগে চাব পৰা।

bi-og'-ra-phy, *n.* জীৱন চৰিত। bi-og'-ra-pher, *n.* জীৱন চৰিত লেখক। bi-o-graph'-ic (-al), *adj.* জীৱন চৰিত সম্বন্ধীয়।

bi-ol'-o-gy (*bī-ol -o-ji*), *n.* জীৱনবিজ্ঞান।

bi'-o-scope (*bi'-*), *n.* বায়স্কোপ্।

bi'-ped (*bī-*), *n.* দুঠেঙীয়া জন্তু; *adj.* দুঠেঙীয়া।

birch, *n.* ভূৰ্জ্জ বৃক্ষ; শাস্তি দিয়া মাৰি; *v.* কোবোৱা।

bird, *n.* চৰাই। bird's-nest'-ing, *n.* চৰাইপোৱালী পাৰি অনা কাম। bird'-fan-cier, *n.* চৰাই পোহোঁতা।

birth, *n.* জন্ম, যি জন্ম পায়, বংশ, উৎপত্তি, আৰম্ভ। birth'-day, *n.* জন্মদিন, জন্মতিথি। birth'-right, *n.* জন্মস্বত্ব।

bis'-cuit (*-kit*), *n.* বিস্কুট্।

bi-sect' (*bī-*), *v.* সমানে দুই খণ্ড কৰা। bi-sec'-tion, *n.*

bish'-op, *n.* খৃষ্টিয়ান সকলৰ এশ্ৰেণীৰ ডাঙৰ ধৰ্ম্মযাজক। bish'-op-ric, *n.* 'বিছপ'ৰ পদ বা অধিকাৰ।

bi'-son, *n.* বাঁড়জাতীয় এবিধ বনৰীয়া জন্তু।

bit, *n.* ডোখৰ, সৰু মুদ্ৰা, ঘোৰাৰ লেকামৰ যি অংশ মুখত থাকে।

bite (bit, bit or bit'-ten, bi'-ting), *v.* কামোৰা, কামোৰ মৰা, দংশন কৰা, কষ্ট বা দুখ দিয়া; *n.* দংশন, কামোৰ। bit'-ing, *adj.* কষ্টদায়ক, কৰ্কশ।

bit'-ter, *adj.* তিতা, কটু; শোকজনক, কষ্টজনক, কঠোৰ। bit'-ter-ness, *n.* মনৰ কষ্ট।

bit'-tern, *n.* বগলি জাতীয় এবিধ চৰাই।

bi-tu'-men, (*bit-ū'-* or *bit'-ū-*), শিলাজতু, এবিধ জ্বলাব পৰা খনিজ বস্তু। bi-tu'-min-ous, *adj.*

biv'-ou-ac (*-oo-ak*), *n.* ৰাতি মুকলি পথাৰত সৈন্যৰ অবস্থান, ৰণ-ক্ষেত্ৰত ৰাতি-জাগৰণ; *v.* মুকলি পথাৰত ৰাতি কটোৱা।

black, *adj.* ক'লা, মলিন, ভীষণ, বিষাদযুক্ত, বেয়া; *n.* ক'লা ৰং, শোকৰ চিন স্বৰূপে পিন্ধা কাপোৰ, কাফ্ৰী; *v.* ক'লা কৰা, অপৰিষ্কাৰ কৰা। black'-ness, *n.*; black'-en, *v.*; black'-a-moor, *n.*

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

কাফ্ৰী। black'-berry, *n.* ক'লা জাম। black'-bird, *n.* কুলি। black'-cock, *n.* বনৰীয়া কুকুৰা চৰাই। black'-guard (*blag'- rd*), *n.* অশ্লীল কথা কওঁতা ইতৰ লোক। black'-ing, *n.* জুতাৰ কালি। black'-smith, *n.* কমাৰ। black'-thorn, *n.* সৰু কাঁইটীয়া জোপাবন। black'-mail, *n.* ভয় দেখুৱাই অন্যায়কৈ আদায় কৰা ধন, *v.*; black'-sheep, *n.* চৰিত্ৰহীন মানুহ।

blad'-der, *n.* মূত্ৰকোষ, বায়ু পূৰ্ণ সৰু থৈলা।

blade, *n.* ঘাঁহ আদিৰ চেপেটা পাত, ছুৰি কটাৰী আদিৰ ছটা, ব'ঠাৰ চেপেটা অংশ; বিলাসী ডেকা।

blain, *n.* ফোহোঁৰা।

blame, *n.* দোষ, নিন্দা; *v.* দোষ দিয়া, নিন্দা কৰা। blam'-a-ble, *adj.* নিন্দনীয়, দোষৰ উপযুক্ত। blame'-less, *adj.* দোষশূন্য, নিৰ্দ্দোষ।

blanch, *v.* বগা কৰা, বগা হোৱা, ভয়ত বিবৰ্ণ হোৱা।

bland, *adj.* কোমল, মিহি, নম্ৰ, ভদ্ৰ। blan'-dish, *v.* মিঠা কথা কোৱা, খোছামোদ কৰা। blan'-dish-ment, *n.*

blank, *adj.* শুদা, শূন্য, নেলেখা, অমিত্ৰাক্ষৰ (ছন্দ); *n.* শুদা ঠাই।

blank'-et, *n.* কম্বল, ঘোঁৰাৰ গাত দিয়া ঢাকোন।

blare, *v.* ঢাকৰ নিচিনা শব্দ কৰা, গৰ্জ্জন কৰা, বৰকৈ চিঞৰা; *n.* ডাঙৰ চিঞৰ বা আটাহ।

blas-pheme' (*-fēm'*), *v.* ঈশ্বৰক বা স্বৰ্গীয় বস্তুক নিন্দা কৰা। blas-phe'-mer, *n.* দেব-দ্বেষী, পাষণ্ড। blas'-phe-mous, *adj.* ধৰ্ম্ম বিষয়ে অশ্ৰদ্ধাযুক্ত। blas'-phe-my, *n.* ঈশ্বৰ-নিন্দা, দেব-নিন্দা।

blast, *n.* বতাহৰ বেগ, খাৰ বাৰুদ জুই লগাৰ শব্দ, গছ আদি শুকাই যোৱা ৰোগ, বাদ্যযন্ত্ৰৰ ডাঙৰ শব্দ; *v.* অতি ঠাণ্ডা বতাহত (শস্য) নষ্ট কৰা, শুকাই মাৰা, ৰোগ লাগি নষ্ট কৰা, নিষ্ফল কৰা, খাৰবাৰুদেৰে উৰাই দিয়া বা ভাঙ্গা।

bla'-tant, *adj.* গোলমালকাৰী, চিঞৰ বাখৰ লগাওঁতা।

blaze, *n.* জুইৰ আঙনি, পোহৰ দীপ্তি, আকস্মিক প্ৰকাশ; *v.* জ্বলি উঠা, পোহৰ দিয়া, প্ৰচাৰ কৰা। bla'-zer, *n.* জ্যাকেট।

bleach, *v.* বগা কৰা, বগা হোৱা।

bleak, *adj.* অতি ঠাণ্ডা, ঠাণ্ডাৰ কাৰণে কষ্টকৰ, শুকান, নীৰস, আনন্দহীন।

bleat, *v.* ভেৰাই ব্যা ব্যা কৰা, ভেৰাৰ নিচিনাকৈ চিঞৰা; *n.* ব্যা ব্যা শব্দ।

bleed, *v.* তেজ ওলোৱা, তেজ পৰা, তেজ উলিওৱা, হত হোৱা। bleed'-ing, *n.* তেজ ওলোৱা।

blem'-ish, *n.* দাগ, কলঙ্ক, দোষ; *v.* কলঙ্কিত কৰা, দোষ দিয়া।

blend, *v.* মিহলি কৰা বা হোৱা; *n.* সান-মিহলি, সানমিহলি বস্তু।

bless, *v.* সুখী কৰা, আশীৰ্ব্বাদ কৰা, মঙ্গল কামনা কৰা। bless'-ed (bless'-ed or blest), *adj.* সুখী, ধন্য। bless'-ing *n.* আশীৰ্ব্বাদ, সুখ।

blight (*blīt*), *n.* (গছ আদিৰ) শুকাই যোৱা ৰোগ, যি শুকাই যায়, লেৰেলি মৰি যায়; *v.* নষ্ট কৰা।

blind, *adj.* অন্ধলা, তেনেই নেদেখা, নজনা, জ্ঞানহীন; *v.* অন্ধলা কৰা, কণা কৰা, নেদেখা কৰা, মণিৰ নোৱাৰা; *n.* ঢাকোন। blind'-ness, *n.* অন্ধতা। blind'-fold, *v.* কাপোৰেৰে চকু বন্ধা; *adj.* চকুত ঢাকোন থকাৰ বাবে নেদেখা।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

bliss, *n.* সুখ, স্বৰ্গীয় আনন্দ। bliss'-ful, *adj.* সুখময়, ধন্য।

blis'-ter, *n.* পানীজোলা ; পানীজোলা উঠা লেপ ; *v.* পানীজোলা উঠাবলৈ লেপ দিয়া।

blithe (*blīth*), blithe'-some, *adj.* প্ৰফুল্ল, আনন্দিত।

bliz'-zard, *n.* শীতকালত বৰফ পৰা ঠাণ্ডা বতাহ।

bloat, *v.* ফুলি উঠা, ফুলোৱা, অহঙ্কাৰী কৰা বা হোৱা।

block, *n.* গধুৰ শিলৰ বা কাঠৰ টুকুৰা, ঘৰৰ শাৰী, মূৰ কাটিবলৈ কৰা কাঠৰ কাটৰা, বাধা ; *v.* বাট আগুৰি ধৰা, বন্ধ কৰা। block-ade', *n.* জাহাজ বা সৈন্যেৰে কোনো নগৰ বা দুৰ্গৰ অবৰোধ ; *v.* এইদৰে অবৰোধ কৰা। block'-head, *n.* মহামূৰ্খ, জধামূৰ্খ।

blood, *n.* ৰক্ত, তেজ, বংশ, উচ্চকুল, ৰক্তপাত বা নৰহত্যা, মনৰ তেজ, বা তেজী মানুহ। blood'-y, *adj.* তেজেৰে ৰাঙলি, নিষ্ঠুৰ, ঘৃণিত, নৰহত্যা কৰিবলৈ ইচ্ছুক। blood'-shed, ৰক্তপাত, নৰহত্যা। blood'-hound, *n.* চিকাৰী কুকুৰ।

bloom, blos'-som, *n.* ফুলৰ কলি, ফুল ; *v.* ফুলা, যৌবন কালৰ তেজ ধৰা, শোভা, শ্ৰী আদিৰে পূৰ্ণ হোৱা।

blot, *n.* দাগ, কলঙ্ক ; *v.* কলঙ্কিত কৰা, চেকা বা দাগ লগোৱা, মচি পেলোৱা।

blotch, *n.* ছালৰ ওপৰত পৰা ক'লা দাগ বা চেকা ; *v.* ক'লা ক'লা দাগ বা চেকা লগোৱা।

blouse (*blouz*), *n.* (F.) তিৰোতাৰ (ওপৰ ভাগত) পিন্ধা ছোলা।

blow (*blō*) (blew, blow'-ing, blown), *v.* (বতাহ) বলা, বতাহ দিয়া, ফু দিয়া, ফুকিওৱা, শব্দ বাহিৰ কৰা, ফুলা ; *n.* ভুকু, হাতৰ মুঠিৰে মৰা খুন্দা, আঘাত, আকস্মিক বিপদ। blow'-pipe, *n.* বতাহৰ বেগৰ দ্বাৰা তাপ জন্মোৱা এবিধ যন্ত্ৰ।

blub'-ber, *n.* তিমি মাছ আদিৰ চৰ্ব্বি ; *v.* মুখ ওকন্দাই কন্দা, চিঞৰি চিঞৰি কন্দা।

bludge'-on (*bluj'-un*), *n.* এফালে ডাঙৰ, ছুটি লাঠি।

blue, *n.* নীল বৰণ, (আকাশৰ) নীলিমা ; *adj.* নীলা, নীল বৰণীয়া। blue'-bell, *n.* ৰজনীগন্ধাৰ নিচিনা এবিধ নীল বৰণীয়া ফুল। blu'-ish, *adj.* ঈষৎ নীলা।

bluff, *adj.* সবল, স্পষ্টবাদী, খোলামনৰ, কোনো নিয়ম আদি নামানি কথা কোৱা, অকৃত্ৰিম ; *n.* খিয় পাৰ (সাগৰ বা নদীৰ পিনে আগহালা)।

blun'-der, *n.* ডাঙৰ ভুল ; *v.* ডাঙৰ ভুল কৰা।

blun'-der-buss, *n.* এবিধ সৰু বন্দুক।

blunt, *adj.* ভোতা, ধাৰ পৰা, মোটা বুদ্ধিৰ, স্পষ্টবাদী ; *v.* ভোতা কৰা, ধাৰ নষ্ট কৰা, মনৰ বুদ্ধি নষ্ট কৰা।

blur, *n.* চেকা, দাগ, কলঙ্ক ; *v.* দাগ লগোৱা, কুৎচ কৰা।

blush, *n.* লাজৰ কাৰণে গালৰ ৰঙা বৰণ ; *v.* লাজত গাল ৰঙা পৰা, লজ্জিত হোৱা।

blus'-ter, *v.* বতাহৰ হো হোৱনিৰ নিচিনা শব্দ কৰা, তৰ্জ্জনগৰ্জ্জন কৰা, বৰ কথা কোৱা ; *n.* তৰ্জ্জনগৰ্জ্জন, বৰ কথা।

bo'-a, *n.* এবিধ ডাঙৰ সাপ, অজগৰ, (bo'-a-con-strict'-or, ঢেকী সাপ) ; মহিলা সকলৰ গলত মেৰিয়াই লোৱা এবিধ লোমৰ কাপোৰ।

boar, *n.* গাহৰি। boar'-ish, *ad*.

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

board, *n.* তক্তা, সভা, মেজ, খোৱা বস্তু ; কিতাপ বন্ধা কাঠ-বাকলা ; *v.* কাঠবাকলাৰে আগুৰা, জাহাজ বা বেলগাড়ীত সোমোৱা, টকা দি খোৱা, বা টকা লৈ খুওৱা। board′-er, *n.* যোনে মাহিলি টকা দি আহাৰ আৰু বাস কৰে।

boast, *v.* অহঙ্কাৰ কৰা, ডাঙ্কোপ মৰা, বৰ কথা কোৱা ; *n.* মিছা অহঙ্কাৰ, দম্ভ। boast′-ful, *adj.* বৰকথীয়া, গপাল।

boat, *n.* নাও।

boat-swain (sometimes *bō′-sn*), *n.* জাহাজৰ সৰু নাও আৰু ৰচি আদিৰ ভাৰ পোৱা কৰ্ম্মচাৰী।

bob′-bin, *n.* কাঠৰ মহুৰা বা টাকুৰি।

bode (bo′-ded, bo′-ding), *v.* ভবিষ্যতৰ শুভাশুভ কোৱা বা দেখুৱা, ভবিষ্যতৰ ফল আগেয়ে সূচনা কৰা।

bod′-ice, *n.* তিৰোতাৰ কঁকাললৈ পিন্ধা আটিল ছোলা।

bod′-kin, *n.* ভোতা বেজী।

bod′-y, *n.* শৰীৰ, দেহ, কলেৱৰ, গা, বস্তুৰ সমষ্টি, দল, জাক। bod′-i-ly, *adj.* শাৰীৰিক।

Boer (*boor*), *n.* দক্ষিণ আফ্রিকাৰ ডাচ্ কৃষক।

bog, *n.* পিতনি। bog′-gy, *adj.*

boil, *v. intr.* তাপত উতলা ; *tr.* উতলোৱা, তাপ দিয়া, পানীত সিজোৱা ; *n.* ফোঁহোৰা। boil′-er, *n.* এঞ্জিনৰ যি ঠাইত বাষ্প গোট খায়, পানী তপত কৰা বা কোনো বস্তু সিজোৱা ডাঙৰ পাত্ৰ।

bois′-ter-ous (*-us*), *adj.* কোঢ়ালকাৰী, কোলাহলপূৰ্ণ, ধুমুহাযুক্ত, ডাঙৰ হাইযুক্ত।

bold, *adj.* সাহসিক, সাহিয়াল, অশিষ্ট, স্পষ্ট, থিয়। bold′-ness, *n.* সাহস। bold′-ly, *adv.* সাহেৰে।

bol′-ster, *n.* দীঘলীয়া গাৰু, গাদি; *v.* ঠেকনা দি ৰখা, ধৰি ৰখা।

bolt, *n.* কাঁড়, শৰ, লোৰ শলা, বজ্ৰ ; *v.* লোৰ শলাৰে বন্ধ কৰা, কাঁড়-পাত যেন বেগেৰে যোৱা, তাৰাতাৰিকৈ গিলি পেলোৱা, চালনীত চালা।

bomb (*bom* or *bum*), bomb′-shell, *n.* বোমা, জুই লগাই দিলে ফাটি যায় এনে বস্তুৰে ভৰা লোৰ ঘূৰণীয়া গুলি। bom-bard′, *v.* বোমা বা বৰতোপৰ গুলিৰে উৰাই দিয়া ; *n.* গুলি বৰ্ষণ। bom-bard′-ment *n.* বোমা বা বৰতোপৰ গুলিৰে উৰাই দিয়া কাৰ্য্য।

bom′-bast, *n.* ডাঙৰ ডাঙৰ শব্দ ব্যৱহাৰ কৰা ভাষা, টান শব্দপূৰ্ণ বচনা। bom-bas′-tic, *adj.* টান শব্দপূৰ্ণ।

bond, *n.* বান্ধ, বান্ধোন, খত, দলিল, বাধ্যতা, *pl.* দাসত্বৰ শিকলি, দাসত্ব। bond′-age, *n.* দাসত্ব, বন্দিত্ব। bond′-man, *n.* দাস, গোলাম। bonds′-man, *n.* যোন আন এজনৰ জামিন থাকে।

bone, *n.* অস্থি, হাড় ; *v.* কাটা, হাড়ৰ পৰা মঙহ এৰোৱা। bo′-ny, *adj.*

bon′-fire, *n.* উৎসবাগ্নি।

bon′-net, *n.* তিৰোতাই মূৰত পিন্ধা কাপোৰ।

bo′-nus, *n.* অংশীদাৰৰ অতিৰিক্ত লভ্যাংশ, কৰ্ম্মচাৰীৰ দৰ্ম্মহাৰ উপৰি দিয়া পুৰস্কাৰ ; বিশেষ পুৰস্কাৰ।

book, *n.* গ্রন্থ, পুথি, বহি, কিতাপৰ অধ্যায় বা সৰ্গ ; *v.* খাতাত জমা খৰচ কৰা, টিকেট কিনোতা বুলি নাম লিখি ৰখা। book′-ish, *adj.* অধ্যয়নশীল। book′-keep-ing, *n.* কোনো কাৰবাৰৰ হিচাব ৰখা। book′-keep-er, *n.* যোনে কাৰবাৰৰ হিচাব ৰাখে। book′-worm,

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

n. কিতাপৰ পোক ; অতি অধ্যয়নশীল লোক।

boom, *n.* পাল টনা দীঘল মাৰি, জাহাজৰ গতিৰোধ কৰিবলৈ নদীৰ ইপাৰৰ পৰা সিপাৰলৈ বন্ধা শিকলি বা কাঠ, গিৰিম গিৰিম শব্দ, হঠাৎ বজাৰ উঠা, হঠাৎ দাম চৰি যোৱা ; *v.* (বৰতোপ বা ঢৌ) গৰ্জ্জন কৰা, ডাঙৰ শব্দ কৰা, হঠাৎ দাম চৰা।

boon, *n.* প্ৰাৰ্থনা, বৰ, অনুগ্ৰহ ; *adj.* প্ৰফুল্ল, আনন্দিত।

boor, *n.* অশিষ্ট লোক, চহা, অসভ্য। boor'-ish, *adj.*

boot, *n.* বুট জোতা, গাড়ীত মাল থোৱা ঠাই ; *v.* উপকাৰ দিয়া, লাভ দিয়া, ফল দিয়া ; *n.* সুবিধা, লাভ। to boot, অধিকন্তু, তাৰ উপৰিও। boot'-less, *adj.* নিষ্ফল।

booth (*booth*), *n.* অস্থায়ী ঘৰ বা চালি।

boot'-y, *n.* যুদ্ধত লুট্ কৰি অনা বস্তু, লুটি অনা মাল।

bo'-rax, *n.* সুৱাগা।

bor'-der, *n.* দাঁতি, কাষ, দাঁতিত থকা ঠাই, সীমান্ত ৰেখা, পাৰি ; *v.* ওচৰ চপা, দাঁতিত থকা, পাৰি দিয়া। bor'-der-er, *n.* সীমান্তবাসী।

bore, *v.* বিন্ধা দিয়া, বিৰক্ত কৰা, দিগ্‌দাৰ কৰা ; *n.* বিন্ধা, ফুটা, বন্দুকৰ নলৰ ব্যাস-পৰিমাণ, দিগ্ বা বেজাৰ দিওঁতা মানুহ। bore'-dom, *n.* বিৰক্তিৰ ভাব।

bor'-ough (*bur'-ō*), *n.* কৰ্পোৰেচন থকা বা পাৰ্লামেণ্টলৈ প্ৰতিনিধি পঠাব পৰা নগৰ।

bor'-row, *v.* ধাৰ কৰা।

bos'-om (*bŏŏz'-um*), *n.* বুকু, হৃদয় ; *adj.* অতিপ্ৰিয়, মৰমৰ।

boss, *n.* ওখ হৈ থকা অংশ (অলঙ্কাৰ, ঢাল আদিৰ), বেটু ; *v.* উঠঙ্গাকৈ ফুলকটা অলঙ্কাৰেৰে ভূষিত কৰা।

bot'-a-ny, *n.* উদ্ভিদ্ বিদ্যা। bo-tan'-ic (-al), *adj.* উদ্ভিদ্ সম্বন্ধীয়। bot'-an-ist, *n.* উদ্ভিদ্ বিদ্যা জনা পণ্ডিত।

botch, *n.* তাপলি, কোনো ৰকমে জোৰা দি কৰা কাৰ্য্য ; *v.* তাপলি মৰা, জোৰা ফন্দা দি কোনো ৰকমে কৰা। [দিগ্ দিয়া।

both'-er (*both'-*), বেজাৰ দিয়া, কষ্ট দিয়া,

bot'-tle, *n.* বোটল ; *v.* বোটলত ভৰোৱা, (ক্ৰোধ) সম্বৰণ কৰা।

bot'-tom, *n.* তলি, ভেটি। bot'-tom-less *adj.* অতল, অগাধ।

bou'-doir (*boo-dwâr'*), *n.* (F.) তিৰোতাৰ সজাই ৰখা নিৰ্জ্জন খোটালি।

bough (*bow*), *n.* গছৰ ডাল বা ঠালি।

boul'-der (*bōl'-*), *n.* ডাঙৰ শিল।

bounce, *v.* হঠাৎ জাপ মৰা, গপ মৰা, অতিৰঞ্জিত কৰা। boun'-cing, *adj.*

bound, *v.* জপিওৱা, সীমাবদ্ধ কৰা, দমন কৰা ; *n.* জাপ, সীমা ; *p.p.* কোনো ঠাইলৈ যাব ধৰা। bound'-a-ry, *n.* সীমা। bound'-less, *adj.* অসীম, অনন্ত।

bound'-en, *adj.* এৰাব নোৱাৰা।

boun'-ty, *n.* বদান্যতা, দানশীলতা। boun'-ti-ful, *adj.* দানশীল। boun'-te-ous, *adj.* উদাৰ, প্ৰচুৰ।

bou-quet' (*boo-ka'*), *n.* (F.) ফুলৰ চাকি, ফুলৰ থোপা।

bourn *or* **bourne** (*bōrn*), *n.* সীমা।

bout, *n.* বিবাদ, মদখোৱা উৎসৱ।

bo'-vine, *adj.* গোজাতিসম্বন্ধীয়।

bow (*bou*), *v.* হলোৱা, বেঁকা কৰা, নত কৰা বা হোৱা, প্ৰণাম বা নমস্কাৰ কৰা ; *n.* গা হলোৱা, নমস্কাৰ বা প্ৰণাম, জাহাজৰ সন্মুখৰ ভাজলগা ভাগ।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

bow (*bō*), *n.* ধনু, বামধনু, বেহেলা আদি বাদ্য যন্ত্ৰৰ ধনু। bow'-man, *n.*

bow'-els, *n. pl.* নাড়ী ভুঁৰি, অন্ত্ৰ। (*fig*) দয়া, মৰম।

bow'-er, *n.* কুঞ্জ।

bowl (*bōl*), *n.* মদখোৱা এবিধ বাটী। ডাঙৰ পাত্ৰ, মাটিত ঘূৰা কাঠৰ ঘূৰণীয়া খেলাৰ বস্তু; *v.* মাটিত ছোচৰাই দিয়া, ক্ৰিকেট খেলত 'বল' দিয়া। bowl'-ing-green, *n.* বনেৰে আগুৰা সমান পথাৰ।

box, *n.* এবিধ টান কাঠৰ গছ, পেৰা, বাকচ, গাড়ীৰ ওপৰত চালক বহা ঠাই, মূৰত হাতৰ মুঠিৰে মৰা আঘাত; *v.* হাতৰ মুঠিৰে আঘাত কৰা, বাহুযুদ্ধ কৰা।

boy, *n.* লৰা, পুত্ৰ। boy'-hood, *n.* বাল্য-কাল। boy'-ish, *adj.* লৰাৰ নিচিনা।

boy'-cott, *v.* আলাগকৈ থোৱা, একঘৰীয়া কৰা, কোনো বস্তু বৰ্জ্জন কৰা।

brace, *n.* বান্ধোন, পটী, জোৰা; *v.* আঁটি বন্ধা, সবল বা দৃঢ় কৰা। bra'-cing, *adj.*

brace'-let, *n.* খাৰু, বালা, হাতত পিন্ধা অলঙ্কাৰ।

brack'-et, *n.* ঢকা; *pl.* বন্ধনী, বেষ্টন-ৰেখা।

brack'-ish, *adj.* লুণীয়া।

brag, *v.* নিজৰ গুণ বখানা, অহঙ্কাৰ কৰা, নিজৰ কথা বঢ়াই কোৱা। brag'-gart, *n.* যোনে নিজৰ কথা বঢ়াই কয়।

braid, *v.* গোঁঠা, বচি, চুলি আদি পকাই বন্ধা; *n.* চুলিৰ খোপা বা বেণী, পকাই বন্ধা বচি বা ফিটা।

brain, *n.* মস্তিষ্ক, মগজু; (*usu. in pl.*) বুদ্ধি; brain'-less, *adj.* বুদ্ধিহীন।

brake, *n.* বননি, জঙ্গল; গাড়ীৰ গতি বন্ধ কৰা এবিধ যন্ত্ৰ; *v.* বেগ বন্ধ কৰা।

bram'-ble, *n.* কাঁইটীয়া সৰু গছ।

bran, *n.* তুঁহ, ভুঁচি।

branch, *n.* গছৰ ঠানি, কোনো বিষয় বা ব্যবসায়ৰ বিভাগ বা শাখা; *v.* ঠানি আদিৰে বিস্তৃত হোৱা।

brand, *n.* আধা পোৰা কাঠ, তপত লোৰে দাগ দিয়া চিন, কলঙ্কৰ চিন, শিল্পজাত বস্তুৰ বেলেগ বেলেগ চিন, তৰোৱাল; *v.* তপত লোৰে দাগ দিয়া, কলঙ্কৰ দাগ দিয়া। brand'-new *or* bran'-new, *adj.* একেবাৰে নতুন।

brand'-ish, *v.* (অস্ত্ৰ, লাঠি বা মুগ্দৰ) শূন্যত ঘূৰোৱা।

brand'-y, *n.* এবিধ পৰিস্কৃত মদ।

brass, *n.* পিতল, তামা আৰু দস্তা মিহলি ধাতু। braze, *v.* পানীৰে জোৰা দিয়া, জালা। bra'-zen, *adj.* পিতলেৰে নিৰ্ম্মিত, অভেদ্য, লাজহীন।

brave, *adj.* সাহসিক, সাহিয়াল; *v.* সাহ কৰি সম্মুখীন হোৱা, অগ্ৰাহ্য কৰা। bra'-ve-ry, *n.* সাহ, বীৰত্ব। bra-va'-do (*-vä'-*), কৃত্ৰিম সাহ, দম্ভ, বঢ়া কথা। bra'-vo (*brä-*), *n.* গুণ্ডা; *interj.* বেচ্!

brawl, *n.* দন্দ, হাইকাজিয়া; *v.* চিঞৰি চিঞৰি দন্দ কৰা।

brawn, *n.* গাহৰিৰ মঙহ, মাংসপেশী, শক্তি, বল। braw'-ny, *adj.* মাংসপেশীযুক্ত, সবল।

bray, *n.* গাধৰ মাত, কৰ্কশ শব্দ; *v.* গাধৰ নিচিনা শব্দ কৰা, খুন্দনিত গুৰি কৰা।

breach, *n.* ভঙ্গ, লঙ্ঘন, বিন্ধা, বেৰ ভাঙ্গি কৰা সৰঙ্গা, দন্দকাজিয়া।

bread, *n.* কটি, খাদ্য, জীবিকা।

breadth, *n.* বহলফাল, পথালিৰ জোখ।

break (broke *or* brake, break'-ing, bro'-ker), *v.* বলেৰে ডোখৰ ডোখৰ কৰি ভঙ্গা, ভঙ্গা, বশীভূত কৰা, পোহ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

মনোৱা, দোকমোকালি হোৱা, লজ্জন কৰা, (খবৰ) দিয়া, বাধা দিয়া। **break'-age**, *n.* ভাঙ্গন, ফাটন। **break'-down**, *n.* পতন, ব্যৰ্থতা। **break'-fast** *n.* আগবেলাৰ প্ৰথম ভোজন ; *v.* আগবেলা প্ৰথমে ভোজন কৰা।

breast, *n.* বুকু, হৃদয়, তিৰোতাৰ স্তন ; *v.* বুকেৰে বাধা দিয়া।

breath (*breth*), *n.* উশাহ নিশাহ, জীৱন। breath'-less, *adj.* উশাহ নিশাহ হীন, মৃত।

breathe (*brēth*), *v.* উশাহ নিশাহ লোৱা, জীয়াই থকা, জিৰণি লোৱা বা থামা, নবম ভাবে কোৱা।

breech, *n.* তলৰ কাল, বন্দুক আদিৰ পিছৰ ভাগ।

breed (bred, breed'-ing, bred), *v.* (সন্তান) জন্মোৱা, জন্ম দিয়া, লালন পালন কৰা, শিক্ষা দিয়া, পোহা ; *n.* জাতি, সন্ততি। breed'-ing, *n.* শিক্ষা, আচৰণ।

breeze, *n.* মৃদু বতাহ, বিৰবিৰকৈ বলা শীতল বায়ু ; দন্দ হাই। bree'-zy, *adj.*

brev'-i-ty, *n.* সঙ্ক্ষেপ।

brew (*broo*), *v.* কোনো উপায়েৰে মদ তৈয়াৰ কৰা। brew'-er, *n.* মদ তৈয়াৰ কৰোঁতা। brew'-er-y, *n.* মদ তৈয়াৰ কৰা ঠাই।

bribe, *n.* ভেঁটী ; *v.* ভেঁটী দিয়া। bri'-ber-y, *n.* ভেঁটী দিয়া কাৰ্য্য।

brick, *n.* ইটা। brick'-lay-er, *n.* ইটাৰ কাম কৰা মিস্ত্ৰি।

bride, *n.* কন্যা। bri'-dal, *adj.* কন্যা সম্বন্ধীয় ; *n.* বিয়া বা বিয়াৰ ভোজ। bride'-groom, *n.* বৰ।

bridge, *n.* দলং, সাঁকো ; এবিধ তাচৰ খেলা ; *v.* দলং দিয়া।

bri'-dle, *n.* লেকাম ; *v.* লেকাম লগোৱা দমন কৰা, সংযত কৰি ৰখা।

brief, *adj.* সংক্ষিপ্ত, চুটি ; *n.* (উকিলৰ হাতত) মোকৰ্দ্দমাৰ চুটি বৰ্ণনা। brief'-ly, *adv.* সংক্ষেপে। brev'-i-ty, *n.*

bri'-er *or* **bri'-ar**, *n.* বনৰীয়া কাঁইটীয়া গোলাপ। bri'-er-y, *adj.* কাঁইটীয়া।

brig, *n.* দুডাল মাস্তুল থকা সৰু জাহাজ।

brig-ade', *n.* সৈন্যৰ দল। কোনো কাম কৰিবলৈ একেটা হৈ গোট খোৱা মানুহৰ দল। brig-a-dier' (*-dēr'*), *n.* সৈন্যদলৰ নেতা।

brig'-and, *n.* ডকাইত, লোটনীয়াৰ।

bright, *adj.* উজ্জ্বল, চকচকীয়া, ফৰকাল, প্ৰফুল্ল, বুদ্ধিমান। bright'-en, *v.* উজ্জ্বল কৰা বা হোৱা। bright'-ness, *n.* উজ্জ্বলতা। bright'-ly, *adv.*

bril'-li-ant, *adj.* দীপ্তিমান, উজ্জ্বল, বুদ্ধিমান। bril'-liance, *n.* bril'-lian-cy, *n.* দীপ্তি, পোহৰ।

brim, *n.* দাঁতি, কান ; *v.* পৰিপূৰ্ণ হোৱা, ভৰা। brim'-ful, *adj.* কান সমান।

brim'-stone, *n.* গন্ধক।

brine, *n.* লুণীয়া পানী, লোণৰ পানী, সাগৰ, চকুৰ পানী। bri'-ny, *adj.* লুণীয়া।

bring (brought, bring'-ing), *v.* অনা ; -forth, প্ৰসব কৰা, জন্ম দিয়া ; -about, -on, ঘটোৱা ; -home, সপ্ৰমাণ-কৰা ; -round, ফিৰোৱা, আৰোগ্য কৰা ; -up, পালন কৰা, ডাঙৰ দীঘল কৰা, শিক্ষা দিয়া ; -under, বশীভূত কৰা।

brink, *n.* দাঁতি, কাষ, কান।

brisk, *adj.* উৎসাহপূৰ্ণ, কাৰ্য্যদক্ষ, চতুৰ, চটফটীয়া ; *v.* brisk'-ly, *adv.*

bris'-tle (*bris'-l*), *n.* গাহৰি আদি পিঠিৰ শকত নোম ; *v.* নোম থিয় কৰা বা হোৱা, (নোম) শিয়ঁৰি উঠা।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

brit'-tle, *n.* ঠুনুকা, চনচনীয়া।

broach (*brōch*), *v.* পিপাত বিন্ধা দিয়া, পিপা খোলা, বিন্ধা দিয়া, ভেদ কৰা, আৰম্ভ কৰা (কোনো বিষয়) ; *n.* লোৰ কাঠি।

broad, *adj.* বহল, মুকলি বা খোলা, উদাৰ। broad'-en, *v.* বহল কৰা বা হোৱা। broad'-cast, *adj.* ছিটোৱা, বিস্তৃতভাবে সিচ্ৰতি কৰি দিয়া।

broil, *v.* সেঁকা বা ভাজা ; *n.* দন্দখৰিয়াল।

bro'-ker, *n.* দালাল, যোনে বোনাচ লৈ আনৰ সলনি কিনা বেচা কৰে। bro'-ker-age, *n.* দালালি।

bron-chi'-tis (*-ki-*), *n.* এবিধ শ্বাসৰ বেমাৰ।

bronze, *n.* তাম আৰু টিনৰ মিহলি ধাতু।

brooch (*brōch*), *n.* তিৰোতাৰ বুকৰ কাপোৰ টানি ৰখা এবিধ ধুনীয়া পিন।

brood, *v.* (কণিত) উম দিয়া, একান্ত মনে চিন্তাত মগ্ন থকা। কোনো বিষয়ে ভবা ; *n.* এবাঁহ পোৱালী।

brook (*brŏŏk*), *n.* সৰু নৈ ; *v.* সহ্য কৰা, ভুগা। brook'-let, অতি সৰু নৈ।

broom, *n.* বনৰীয়া ঝাউ গছ, বাঢ়নী।

broth, *n.* ঝোল (মাংসৰ)।

broth'-er, *n.* ভাই বা ককাই, একে শ্ৰেণীৰ কাম কৰা মানুহ। broth'-er-ly, *adj.* ভাই-ককাই-সম্বন্ধীয়। broth'-er-hood, *n.* ভ্ৰাতৃত্ব।

brow (*brou*), *n.* কপাল, চেলাউৰি, পৰ্ব্বতৰ দাঁতি।

brown, *n.* or *adj.* মুগা বৰণ বা বৰণীয়া।

browse (*brouz*), *v.* (জন্তুৱে) সৰু গছৰ গজালি পাত আদি খোৱা।

bruise (*brooz*), *v.* থেঁতেলোৱা, মোহাৰি পেলোৱা ; *n.* গধুৰ বা ভোতা বস্তুৰে মাৰা কোব বা খুন্দা।

bruit (*broot*), *n.* গোলমাল, সংবাদ ; *v.* শব্দ কৰা, খবৰ দিয়া।

brunt, *n.* আক্ৰমণ বা আঘাতৰ চোট্।

brush, *n.* বুৰুজ, সামান্য যুঁজ, শিয়ালৰ নেজ ; *v.* বুৰুজ দিয়া, যাওঁতে লাহেকৈ চুই যোৱা। brush'-wood, *n.* একে লগে ঘনকৈ গজা সৰু গছ।

brusque (*brusk*), *adj.* বৰ্ব্বৰ স্বভাৱৰ। brusque'-ly, *adv.*

brute (*broot*), *n.* পশু, নৰপশু, অসভ্য মানুহ। bru'-tal, *adj.* পশু-স্বভাৱী, নিষ্ঠুৰ। bru-tal'-i-ty, *n.* bru'-tish, *adj.* পশু প্ৰকৃতিৰ।

bub'-ble, *n.* পানীৰ বুৰবুৰণি, অসাৰ বস্তু ; *v.* পানীৰ বুৰবুৰণি উঠা, কুল কুল শব্দ কৰা।

buck, *n.* ছাগলি, পহু আদিৰ মতা ; ফুলবাবু।

buck'-et, *n.* বাল্টি।

buck'-le, *n.* ককাঁলৰ পেটী, জোতা আদি টানি ধৰা এবিধ ধাতুৰ বস্তু ; *v.* ইয়াৰে পেটী আদি বন্ধা।

buck'-ler, *n.* ঢাল।

bu-col'-ic, *adj.* গাওঁলীয়া।

bud, *n.* গছৰ নতুকৈ ওলোৱা শাখা, কলি ; *v.* ফুলৰ কলি ওলোৱা, (গছৰ) কলম বন্ধা।

budge (*buj*), *v.* আতৰ হোৱা, নিলগ হৈ যোৱা, আতৰ বা নিলগ কৰা, লৰচৰ হোৱা।

budg'-et, *n.* থৈলা, বোকোচা, সম্ভাবিত বছৰেকীয়া আয় ব্যয়ৰ হিচাব।

buff, *n.* ম'হৰ পৰিষ্কৃত ছাল, সৈন্যৰ খাকি পোছাক ; *adj.* পাতল হালধীয়া বৰণৰ।

buff'-a-lo, *n.* ম'হ।

buf'-fer, *n.* আঘাত বা ঢাক্কাৰ চোট নিবাৰণ কৰা কৌশল।

buf'-fet, *n.* যোচা, কিল, চৰ, ভুকু।

buf-foon', *n.* ভাৱৰীয়া, বহুৱা ; buf-foon'-er-y, *n.* বহুৱালি।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

bug, *n.* উৰহ।

bu'-gle, *n.* শিঙা, এবিধ যুদ্ধত বজোৱা বাজনা, বিকুল।

build (built, build'-ing), *v.* সজা, নিৰ্ম্মাণ কৰা। build'-ing, *n.* সজা কাম, পকাঘৰ। build'-er, *n.* নিৰ্ম্মাণ কৰোঁতা।

bulb, *n.* পিয়াজৰ নিচিনা মূল বা আলু।

bulge, *v.* ফুলি উঠা, ওফন্দি উঠা।

bulk, *n.* আয়তন, আকাৰ, অধিক ভাগ। bulk'-y, *adj.* আয়তনত ডাঙৰ, গা শকত।

bull, *n.* বলদ, ষাঁড়; পোপৰ আদেশ পত্ৰ। bul'-lock, *n.* bull'-dog, *n.* কুকুৰ।

bull, *n.* বজাৰ দৰ বাঢ়িলে বেচিব, এই আশা কৰি যোনে কোম্পানীৰ কাগজ আদি কিনে।

bul'-let, *n.* বন্দুক বা পিস্তলৰ গুলি।

bul'-let-in, *n.* খবৰৰ সংক্ষিপ্ত বিবৰণ (কৰ্ত্তৃপক্ষই দিয়া।)

bull'-ion (*-yun*), সোণৰ বা ৰূপৰ টিন।

bul'-ly, *n.* হাইউৰুমি কৰা বৰকথীয়া মানুহ, টকা পয়চা দি নিযুক্ত কৰা গুণ্ডা; *v.* কথাৰে দন্দ কৰা।

bul'-rush, *n.* এবিধ দীঘলীয়া পানীত হোৱা নল বা খাগৰি।

bul'-wark (*bool'-wŭrk*), *n.* দুৰ্গ, কোনো ঠাইৰ ৰক্ষাৰ বাবে দিয়া চাৰিও পিনৰ বেৰ, আশ্ৰয়ৰ স্থান।

bump, *n.* ডাঙৰ আঘাত বা তাৰ শব্দ, শব্দেৰে আঘাত কৰা। bum'-per, *n.* মুখলৈকে ভৰা এ বাটি বা এ গিলাচ।

bump'-kin, *n.* বহুৱা, গাওঁলীয়া মূৰ্খ মানুহ।

bun, bunn, *n.* চহ্‌পা, এবিধ মিঠা বস্তু।

bunch, *n.* থোক, থোপা, জোটা।

bun'-dle, *n.* আঁটি; *v.* আঁটি বন্ধা।

bung, *n.* ডাঙৰ ঠিলা বা সোপা (বোটলৰ মুখত দিয়া)।

bun'-ga-low, *n.* বাংলা।

bun'-gle, *v.* কোনো কাম কুৎসিত ভাবে কৰা; *n.* কুৎসিত ভাবে কৰা কাম।

bunk, *n.* জাহাজৰ কোঠা।

bun'-ting, *n.* নিচানৰ পাতল কাপোৰ; এবিধ চৰাই।

buoy (*boy*), *n.* পানীৰ তলত থকা বস্তুৰ স্থিতি নিৰূপণ কৰিবলৈ শিকলিৰে বন্ধা থকা এবিধ ওপঙা বস্তু, বই; *v.* উটাই ৰখা, আনন্দিত কৰা, 'বই'ৰে চিন উলিওৱা। buoy'-ant, *adj.* ভাহি থকা, প্ৰফুল্ল, স্ফূৰ্ত্তিযুক্ত। buoy'-an-cy, *n.*

bur'-den, *n.* বোজা, ভাৰ, গীতৰ দিহা, 'কোৰাচ'; *v.* বোজাই দিয়া, উৎপীড়ন কৰা, জুলুম কৰা। bur'-den-some, *adj.* দুৰ্ব্বহ।

bu-reau' (*bū-rō'*), *n.* (*pl.* -reaux') (*-rōs'*), *n.* কাকত পাতি থবলৈ টনা বাকচ থকা, লিখা ডেস্ক বা মেজ; কাৰ্য্যালয়।

bu-reau'-cra-cy, *n.* বিভাগতন্ত্ৰ ৰাজ্য শাসন। -crat, *n.* এনে শাসনতন্ত্ৰবাদী।

bur'-gess (*-jes*), *n.* স্বাধীন নগৰীয়া, নিৰ্ব্বাচনত মত দিবলৈ অধিকাৰী গৃহস্থ।

bur'-glar, *n.* সিন্ধি দি চুৰ কৰা চোৰ। bur'-glar-y, *n.* সিন্ধি দি কৰা চুৰি। bur-gla'-ri-ous, *adj.*

burke, *n.* উশাহ ৰোধ কৰি কৰা হত্যা।

bur-lesque' (*-lesk'*), *adj.* অতিপাতকৈ হাঁহি উঠা, অতি ধেমেলীয়া; *n.* বহুৱালি (লিখা, কোৱা আদিত); *v.* বিদ্ৰূপ কৰা, বহুৱালি কৰা, বৰকৈ হাঁহি উঠা কৰি তোলা।

bur-ly, *adj.* থুলন্তৰ।

burn (burned *or* burnt, burn'-ing, burnt), *v.* পোৰা, জুইলগাই দিয়া, পোৰণি ধৰা; *n.* পোৰা ঘা বা চিন, সৰু নৈ। burn'-ing, *adj.*

bur'-nish, *v.* দেখিবলৈ উজ্জ্বল কৰা,

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ঘহি ঘহি মিহি কৰা, মাজা ; *n.* উজ্জলতা ; চকচকীয়া ৰং।

burr, *n.* হৰ্ হৰ্ শব্দ।

bur'-row (*-rō*), *n.* শহাপহু আদিৰ গাঁত ; *v.* গাঁত খনা।

burst (burst, burst'-ing, burst), *v.* ফাটি-যোৱা, ফাটা, ভাঙ্গা ; *n.* হঠাৎ ভাঙ্গি যোৱা।

bur'-y (*bĕr'-i*) (bur'-ied, bur'-y-ing, bur'-ied), *v.* মৰা শ পোতা বা কবৰ দিয়া, মাটিৰে পুতি থোৱা। bur'-i-al (*bĕr'-*), *n.* পোতা কাম।

bush, *n.* জোপাবন। bush'-y, *adj.*

busi'-ness (*bis'-*), *n.* কাম কাজ, ব্যবসায়, কাৰবাৰ।

bust, *n.* মানুহৰ শৰীৰৰ কঁকালৰ পৰা ওপৰ ভাগ, মানুহৰ শৰীৰৰ ওপৰ ভাগৰ মূৰ্ত্তি।

bus'-tle (*bus'-l*), *n.* কোলাহল, হাইউৰুমি, উথলমাথল ; *v.* দৌৰাদৌৰিকৈ কাম বন কৰা, হাইউৰুমি কৰা।

bus'-y (*bis'-i*), *adj.* কামত ব্যস্ত, আজৰি নোহোৱা ; *v.* ব্যস্ত ৰখা বা কৰা। bus'-y-bod-y, *n.* যোনে (আনৰ) লাগিব নলগা কামত লাগে। bus'-i-ly, *adv.*

butch'-er (*booch'-er*), *n.* কচাই, মাংস বিক্ৰেতা, নিষ্ঠুৰ ভাবে হত্যাকাৰী। butch'-er-y, *n.* নিষ্ঠুৰ হত্যা।

but'-ler, *n.* মদ আৰু খাদ্যবস্তুৰ ভাৰপোৱা চাকৰ, খান্সামা।

butt, *v.* শিঙেৰে খুচিওৱা, মূৰেৰে খুন্দামৰা ; *n.* লক্ষ্য, হাঁহিয়তৰ পাত্ৰ, মদৰ ডাঙৰ পিপা।

but'-ter, *n.* মাখন। but'-ter-cup, *n.* দেখিবলৈ বাটিৰ নিচিনা এবিধ বনৰীয়া ফুল। but'-ter-fly, *n.* পখিলা।

but'-ton, *n.* গুদাম ; *v.* গুদাম মৰা।

but'-tress, *n.* বেৰৰ ঢকা ; *v.* ঢকা দিয়া।

buy (*bī*) (bought', buy'-ing, bought'), *v.* কিনা। buy'-er, *n.* কিনোঁতা।

buzz, *v.* গুণ্ গুণ্ শব্দ কৰা ; *n.* গুণ্ গুণ্ শব্দ।

by, *prep.* ওচৰত, ওচৰেদি, দ্বাৰা, অনুসাৰে ; *adj.* ওচৰত থকা। by and by (*or* bye and bye), *adv.* অনতি-বিলম্বে ; সোণকালে। by'-gone, *adj.* অতীত। by'-path, by'-lane, *n.* সৰু বাট, ডাঙৰ ৰাস্তাৰ পৰা যোৱা বাট। by'-stand-er, *n.* দৰ্শক। by'-way, *n.* সকলোৰে যাবলৈ নহয়, এনে বাট। by'-word, *n.* সকলোৰে মুখত চলিত কথা।

C

cab, *n.* এটা ঘোঁৰাৰে টনা দুই বা চাৰি চকাৰ ভৰালৈ দিয়া গাড়ী।

ca-bal', *n.* ষড়যন্ত্ৰ, ষড়যন্ত্ৰত লিপ্ত থকা মানুহৰ সৰু দল ; *v.* ষড়যন্ত্ৰ কৰা।

cab'-bage, *n.* বন্ধা কবি।

cab'-in, *n.* কুটীৰ, সৰু খোটালি, জাহাজৰ কোঠা। cab'-i-net, *n.* সৰু কোঠা, মন্ত্ৰণা ঘৰ, পাৰ্লামেণ্টৰ প্ৰধান মন্ত্ৰীসকলৰ সভা, দেৰাজ থকা বাকচ।

ca'-ble, *n.* ডাঙৰ ৰচি বা শিকলি, জাহাজৰ লঙ্গৰ বন্ধা ৰচি, পানীৰ তলেদি যোৱা টেলিগ্ৰাফৰ তাৰ, পানীৰ তলেদি পঠোৱা টেলিগ্ৰাম ; *v.* পানীৰ তলেৰে নিয়া তাৰেৰে খবৰ পঠোৱা।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ca-ca'-o (*ká-kā'-o*, *ká-kā'-o*), *n.* আমেৰিকাৰ এবিধ গছ।

cack'-le, *n.* কুকুৰাৰ বা হাঁহৰ মাত; *v.* কুকুৰাই বা হাঁহে মতা, চেল্‌চেল্‌কৈ কথা পতা। cack'-ler (-ling), *n.*

cad, *n.* নীচ, কুৎসিত স্বভাৱৰ মানুহ। cad'-dish, *adj.* ca-dav'-er-ous, *adj.*

cad'-dy, *n.* চাহ ৰখা সৰু বাকচ।

ca'-dence (*kā'*), *n.* কথা কোৱাত বা পঢ়াত মাতৰ বিৰাম, গানৰ সুৰৰ ঢৌ।

ca-det', *n.* কনিষ্ঠ পুত্ৰ, সামৰিক বা নৌ বিদ্যালয়ৰ ছাত্ৰ।

caf'-e (*-ā*), *n.* (F.) কফি আৰু চাহ খোৱাৰ ঠাই, জলপান কৰিবৰ দোকান।

cage, *n.* চৰাইৰ সজা।

cairn, *n.* শিলৰ দ'ম (কবৰৰ ওপৰত বা সীমাত)।

cajole, *v.* খোছামোদেৰে ঠগা, মিঠা কথাৰে ভুলোৱা। [টান কৰা।

cake, *n.* পীঠা; *v.* পীঠাৰ দৰে বা তেনে

ca-lam'-i-ty, *n.* ডাঙৰ দুৰ্ভাগ্য, বিপদ, দুৰ্দশা। ca-lam'-i-tous, *adj.* বিপদ-জনক, শোচনীয়।

cal-cine' (*-sīn'*), *v.* (তাপেৰে) গুৰি কৰা বা হোৱা, পুৰি ছাই কৰা বা হোৱা। cal-ci-na'-tion, *n.*

cal'-cu-late, *v.* গণনা কৰা, ভাবা। cal'-cu-la-ble, *adj.* cal-cu-la'-tion, *n.* গণনা, হিচাব, ভবিষ্যত আশা।

cal'-dron *or* **caul'-dron** (*căl'-*), *n.* ডাঙৰ কেৰাহি।

cal'-en-dar, *n.* দিন, বাৰ মাহ আদি থকা সংক্ষেপ পঞ্জিকা।

cal'-en-der, *v.* ইস্ত্ৰি কৰা; *n.* ধোবাই কাপোৰ ইস্ত্ৰি কৰা এবিধ আহিলা।

calf, *n.* দামুৰি বা গৰু ম'হৰ পোৱালি, হাতীৰ পোৱালি; কলাফুল বা ভৰিৰ ডিমা। *pl.* calves.

cal'-i-bre (*-bĕr*), *n.* কামান বা বন্দুকৰ নলৰ বিস্তাৰ ব্যাস; বুদ্ধিশক্তি।

cal'-i-co, *n.* (*pl.* cal'-i-coes), কপাহী কাপোৰ।

call, *v.* মতা, নাম ধৰি চিঞৰা; *n.* সাক্ষাত, নিমন্ত্ৰণ, আহ্বান, চিঞৰ। call'-ing, *n.* ব্যৱসায়। [অনুভূতিশূন্য।

cal'-lous, *adj.* উদাসীন, দয়ামায়াহীন,

cal'-low, *adj.* পাখি নগজা, অনভিজ্ঞ।

calm (*câm*), *adj.* স্থিৰ, শান্ত, নীৰৱ, নিস্তব্ধ, ধুমুহাবতাহ শূন্য; *v.* নিস্তব্ধ বা শান্ত কৰা বা হোৱা; *n.* নিস্তব্ধতা, শান্তভাব। calm'-ly, *adv.*

cal'-um-ny, *n.* মিছা দোষাৰোপ, মিছা অপবাদ, নিন্দা। ca-lum'-ni-ate, *v.* মিছাকৈ নিন্দা কৰা, কুচ্ছা ৰটনা কৰা। ca-lum'-ni-ous, *adj.* কুচ্ছাপূৰ্ণ।

ca'-lyx, *n.* ফুলৰ বাহিৰৰ ঢাকনি।

cam'-bric (*kām'-*), *n.* কপাহী মিহি কাপোৰ।

cam'-el, *n.* উট। ca-mel'-o-pard, (*-pārd*), *n.* জিৰাফ।

cam'-e-o, *n.* বেলেগ বেলেগ ৰঙৰ শিলত কটা উঠঙ্গাকৈ ছবি।

cam'-e-ra, *n.* ছবি তোলা যন্ত্ৰ। in camera, গোপনে, মনে মনে।

cam'-o-mile, *n.* ঔষধত ব্যৱহাৰ হোৱা তিতা ফুলৰ এবিধ লতা।

camp, *n.* তম্বু, ছাউনী, য'ত সৈন্যবিলাক তম্বু তৰি থাকে।

cam-paign' (*-pān'*), *n.* যুদ্ধযাত্ৰা, অভিযান, যি সময়ত সৈন্য যুদ্ধক্ষেত্ৰত থাকে।

can, *n.* ধাতুৰে নিৰ্মিত নাল থকা এবিধ পাত্ৰ; *v.* পৰা।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ca-nal', *n.* কটা খাল।
ca-na'-ry, *n.* কেনাৰী দ্বীপৰ পৰা অনা মদ আৰু চৰাই।
can'-cel, *n.* কাটি দিয়া, তুলি দিয়া, ৰহিত কৰা।
can'-cer, *n.* এবিধ কেঁকোৰা, কৰ্কট ৰাশি, এবিধ মাৰাত্মক ঘা। can'-cer-ous, *adj.*
can'-did, *adj.* খোলামনৰ, সৰল, উদাৰ, অপক্ষপাতী। can'-did-ly, *adv.* । can'-dour, *n.* অকপটভাব, উদাৰভাব।
can'-di-date, *n.* কোনো কাম বা পদৰ প্ৰাৰ্থী, পৰীক্ষাৰ্থী। can'-di-da-ture, *n.*
can'-dle, *n.* মোমবাতি, পোহৰ। can'-dle-stick, *n.* মোমবাতি ধৰি ৰখা যতন।
can'-dy, *n.* মিছিৰি। can'-died, *adj.*
cane, *n.* বেত, লাঠি; *v.* বেত মাৰা।
ca'-nine, *adj.* কুকুৰৰ নিচিনা, কুকুৰ সম্বন্ধীয়।
can'-ker, *n.* এবিধ খাই নিয়া আৰু বিয়পি পৰা ঘা; *v.* বিষাক্ত কৰা, পোকে ধৰা। can'-ker-ous, *adj.* can'-ker-worm, *n.* গছৰ পাত, ফুল নাশ কৰা এবিধ পোক।
can'-ni-bal, *n.* মানুহৰ মঙহ খাওঁতা, ৰাক্ষস। can'-ni-bal-ism, *n.* অত্যন্ত নিষ্ঠুৰতা।
can'-non, *n.* (*pl.* can'-non and can'-nons), কামান, বৰতোপ। can-non-ade', *n.* অসংখ্য গুলি বৰ্ষণ; *v.*
ca-noe' (*-noo'*), *n.* বঠাৰে চলোৱা সৰু নাও।
cant, *n.* সাঙ্কেতিক ভাষা; *v.* সাঙ্কেতিক ভাষাৰে কথা কোৱা।
can'-o-py, *n.* চন্দ্ৰতাপ; *v.* চন্দ্ৰতাপ দিয়া।
can-teen', *n.* এবিধ ধাতুৰ পাত্ৰ, ছাউনীৰ আহাৰ আৰু পানীৰ ভঁৰাল।
can'-ter, *n.* ঘোঁৰাৰ কদম খোজ; *v.* কদমত যোৱা।
can'-to, *n.* (*pl.* -tos), সৰ্গ (কাব্যৰ), কবিতাৰ অধ্যায়।
can-ton', *n.* দেশৰ সৰু বিভাগ (বিশেষকৈ সুইজাৰলেণ্ডৰ)। can-ton'-ment, *n.* সৈন্যৰ অস্থায়ী থকা ঠাই বা আড্ডা।
can'-vas, *n.* জাহাজৰ পালৰ এবিধ মোটা কাপোৰ, কেন্‌ভাচ কাপোৰ। can'-vass, *v.* নিৰ্ব্বাচনত মত সংগ্ৰহ, ব্যৱসায়ত গ্ৰাহক সংগ্ৰহ, ইত্যাদিৰ বাবে চেষ্টা কৰা।
cap, *n.* টুপি; *v.* টুপি পিন্ধা।
ca'-pa-ble, *adj.* সমৰ্থ, সক্ষম, নিপুণ, উপযুক্ত। ca-pa-bil'-i-ty, *n.* সামৰ্থ্য, যোগ্যতা।
ca-pa'-cious (*-shus*), *adj.* ডাঙৰ, বহল। ca-pac'-i-ty (*-pas'-*), *n.* মানসিক শক্তি, ক্ষমতা, দক্ষতা, ধাৰণা শক্তি, কোনো পাত্ৰত যি ধৰে।
ca-par'-i-son, *n.* ঘোঁৰাৰ আবৰণ-কাপোৰ, পোছাক আৰু অলঙ্কাৰ।
cape, *n.* অন্তৰীপ, কোট ছোলাৰ লগত থকা কান্ধ আগুৰা কাপোৰ।
ca'-per, *v.* জপিয়াই ফুৰা, আনন্দত নাচি ফুৰা; *n.* জাপ, নাচন।
ca-pil'-la-ry, *adj.* চুলিৰ নিচিনা সূক্ষ্ম, চুলিৰ নিচিনা সৰু বিন্ধাযুক্ত; *n.* তেজ-বোৱা অতি সূক্ষ্ম শিৰ।
cap'-i-tal, *n.* ৰাজধানী, মূলধন, স্তম্ভৰ মূৰভাগ; *adj.* প্ৰধান, শ্ৰেষ্ঠ, মূৰ সম্বন্ধীয়। cap-'i-tal-ist, *n.* টকা থকা মানুহ, মহাজন।
cap-i-ta-tion, *n.* মানুহৰ সংখ্যা, মূৰ গণি নিৰ্দ্ধাৰিত কৰা কৰ।
ca-pit'-u-late, *v.* কোনো সৰ্ত্ত বা কবুল কৰি আত্ম বা দুৰ্গ সমৰ্পণ কৰা।
ca'-pon, *n.* মতা হাঁহ কুকুৰা আদি ঘৰচীয়া চৰাই।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ca-price' (*-prees'*), *n.* অকস্মাৎ হোৱা মনৰ ভাবৰ পৰিবৰ্ত্তন, খামখেয়ালী, মনৰ চঞ্চলতা। ca-pri'-cious (*-shus*), *adj.* চঞ্চলচিত্ত।

cap-size', *v.* ওলোটাই দিয়া, তলফাল ওপৰ কৰা বা হোৱা।

cap'-stan, *n.* লঙ্গৰ তোলা যন্ত্ৰ বিশেষ।

cap'-sule, *n.* বীজকোষ, বোতলৰ মুখত দিয়া ধাতুৰ ঢাকনি।

cap'-tain (*-tin*), *n.* জাহাজৰ অধ্যক্ষ, সৈন্যাধ্যক্ষ, কাপ্তান, খেল আদিৰ নায়ক; *v.* নায়কত্ব কৰা।

cap'-tion, *n.* দোষ অন্বেষণ। cap'-tious (*-shus*), *adj.* ছিদ্ৰ অন্বেষী, খুঁত বা দোষ ধৰিবলৈ বিচৰা।

cap'-tive, *n.* বন্দী, কাটেকিয়াল, যোন ৰূপত মুগ্ধ হয়। cap-tiv'-i-ty, *n.* দাসত্ব, বন্দী-অৱস্থা। cap'-ti-vate, *v.* মোহিত কৰা। cap'-ture, *v.* বন্দী কৰা, ধৰা, গ্ৰেপ্তাৰ কৰা, বলেৰে লোৱা; *n.*

car, *n.* গাড়ী।

car-a-van' (*kar'-a-*), *n.* বেপাৰী আদি পথিকৰ দল আৰু নিবিলাকৰ যান বাহন।

car'-bine (*-bīn*), অশ্বাৰোহী সৈন্যৰ সৰু বন্দুক। car-[a]-bin-eer', *n.* সৰু বন্দুক লোৱা সৈন্য।

car'-bon, *n.* এঙ্গাৰ।

car'-bun-cle (*-bung-kl*), *n.* নাৰেঙ্গা, এবিধ ঘা। [মৰা শ।

car'-case *or* **car'-cass**, *n.* জন্তুৰ

card, *n.* তাচ, কাৰ্ড; *v.* ধূনা।

car'-di-nal, *adj.* প্ৰধান, মুখ্য; *n.* পোপৰ থিক তলৰ পদত থকা ধৰ্ম্মযাজক।

care, *n.* মনোযোগ, যত্ন, চিন্তাভাবনা, সতৰ্কতা; *v.* যত্ন লোৱা, উৎকণ্ঠিত হোৱা, চিন্তা কৰা, ভাবা। care'-ful, *adj.* সাৱধান, সতৰ্ক। care'-less, *adj.* অমনোযোগী, অসাৱধান।

ca-reer', *n.* জীৱনৰ গতি, ব্যৱসায়, দৌৰ; *v.* বেগাই যোৱা বা দৌৰা।

ca-ress', *v.* আদৰ কৰা, মৰম কৰা, মৰমেৰে হাত বুলোৱা; *n.* আদৰ।

car'-go, *n.* (*pl.* car'-goes), জাহাজত বোজাই কৰা মাল।

car'-i-ca-ture (*-i-ka-*), *n.* ব্যঙ্গচিত্ৰ, হাঁহি তুলিবলৈ অঁকা চিত্ৰ। হাঁহি তুলিবলৈ কোৱা বা লিখা বিবৰণ; *v.* বিদ্ৰূপ বা ঠাট্টা কৰা, অতিৰঞ্জিত কৰা।

car'-mine (*-min* or *-mīn*), *n.* গাঢ় ৰঙা বৰণ।

car'-nage, *n.* হত্যা, বধ।

car'-nal, *adj.* তেজ মঙহ সম্বন্ধীয়, দৈহিক, সাংসাৰিক, ইন্দ্ৰিয়পৰায়ণ, কামুক বা কামাসক্ত।

car'-ni-val, *n.* আনন্দৰ উৎসৱ, আনন্দেৰে পান আৰু ভোজন; ৰোমান খৃষ্টান্ সকলৰ এটা উৎসৱ।

car-niv'-o-ra, *n. pl.* মাংসভোজী জন্তু। car-niv'-o-rous, *adj.* মাংসভোজী।

car'-ol (*kar'-ul*), *n.* আনন্দৰ গান বা গীত; *v.* আনন্দেৰে গান বা গীত গোৱা।

ca-rouse' (*-rouz'*), *v.* হাই উৰুমিৰে মদ খোৱা; *n.* হাই উৰুমি কৰি মদখোৱা উৎসৱ।

carp, *n.* এবিধ মাছ; *v.* খুঁত বিচৰা, দোষ বিচৰা। carp'-er, *n.* যোনে দোষ বিচাৰে।

car'-pen-ter, *n.* বাঢ়ৈ, কাঠৰ কাম কৰা মিস্ত্ৰি। car'-pen-try, *n.*

car'-pet, *n.* দলিচা। car'-pet-ing, *n.*

car'-ri-on, *n.* গেলা বা পঁচা মঙহ।

car'-rot, *n.* গাজৰ।

car'-ry (-ried, -ry-ing), *v.* বৈ নিয়া,

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

কঢ়িওৱা, স্থানান্তৰ কৰা, অধিকাৰ কৰা (যেনে দুৰ্গ), আচৰণ কৰা, সম্পন্ন কৰা। car'-riage (-*rij*), *n.* বৈ নিয়া কাৰ্য্য, মাল কঢ়িওৱাৰ খৰছ, গাড়ী, ব্যৱহাৰ বা আচৰণ। car'-ri-er, *n.* মাল বৈ নিওঁতা।

cart, *n.* দুই চাকাৰ গাড়ী। car'-ter, *n.* গাড়োৱান্।

car'-ti-lage, *n.* উপাস্থি, কোমল অস্থি।

car-toon', *n.* আমোদৰ ছবি।

car'-tridge (-*trij*), *n.* বন্দুকৰ বাবে খাৰবাৰুদপূৰ্ণ খোহা।

carve, *v.* কাটি বাহিৰ কৰা, ডোখৰ ডোখৰ কৰা, খোদিত কৰা, (শিল আদিত) কোনো আখৰ বা মূৰ্ত্তি কটা, বাঁটি দিয়া বা ভগাই দিয়া। car'-ver, *n.* মূৰ্ত্তিকটা খণিকৰ। car'-ven, *adj.*

cas-cade', *n.* জলপ্ৰপাত, নিজৰা।

case, *n.* ঢাকোন, খোহা, বাকচ, ঘটনা, মোকৰ্দমা, ৰোগী। in case, যদি।

case'-ment, *n.* কজা থকা খিড়িকি।

cash, *n.* নগদ টকা; *v.* নোট্ বা চেক ভঙ্গোৱা। cash-ier', *n.* ধন ভঁৰালী; *v.* পদচ্যুত কৰা।

ca-si'-no (-*se'*), *n.* (I.) ৰাজহুৱা নাচ-ঘৰ।

cask, *n.* মদৰ পিপা।

cas'-ket, *n.* সৰু বাকচ, অলঙ্কাৰ থোৱা সৰু পেৰা।

casque (*cask*), *n.* মূৰৰ আবৰণ।

cas'-sock, *n.* ধৰ্ম্ম-যাজকে লোৱা এবিধ ছোলা।

cast (cast, cast'-ing), *v.* দলিয়াই পেলোৱা, নিক্ষেপ কৰা, সাঁচত ঢালা, গণনা কৰা; *n.* সাঁচ, নিক্ষেপ। cast'-a-way, *n.* সমাজে এৰি থোৱা মানুহ, পানীত ডুবা জাহাজৰ মানুহ।

caste, *n.* জাতি, সামাজিক বেলেগ বেলেগ শ্ৰেণী।

cas'-tle, *n.* অট্টালিকা, দুৰ্গ।

cas'-u-al (*kash'-*), *adj.* দৈবিক, আকস্মিক, cas'-u-al-ty, *n.* দুৰ্ঘটনা, হঠাৎ ঘটা ঘটনা। *pl.* cas'-u-al-ties, যুঁজত মৰা আৰু জখম হোৱা মানুহৰ সংখ্যা।

cat, *n.* মেকুৰী। cat's-eye, *n.* এবিধ মণি।

cat'-a-logue, *n.* কিতাপৰ তালিকা; *v.* কিতাপৰ তালিকা কৰা, কিতাপ তালিকা-ভুক্ত কৰা। [যন্ত্ৰ।

cat'-a-pult, *n.* শিলগুটি দলিওৱা এবিধ

cat'-a-ract, *n.* জলপ্ৰপাত, চকুত জাল পৰা বেমাৰ।

ca-tarrh' (-*târ*), *n.* পানীলগা বেমাৰ।

ca-tas'-tro-phe (-*fi*), *n.* ডাঙৰ বিপদ, দুৰ্ঘটনা।

catch (caught, catch'-ing, caught), *v.* ধৰা, বুজা, গ্ৰেপ্তাৰ কৰা, মুগ্ধ কৰা; *n.* ধৰা কাৰ্য্য, যি ধৰা হয়, বেলেগ বেলেগ অংশ বেলেগ বেলেগ মানুহে গোৱা এবিধ গান। catch'-y, *adj.* আকৰ্ষক, টান।

cat'-e-chism (-*kizm*), *n.* প্ৰশ্নৰ উত্তৰৰ দ্বাৰা শিক্ষাদান বা তেনে কিতাপ। cat'-e-chize, *v.* প্ৰশ্নৰ উত্তৰেৰে শিক্ষা দিয়া, প্ৰশ্ন কৰা, সোধা। cat'-e-chist, *n.* যোনে...।

cat'-e-chu (-*shū*), *n.* খয়াৰ।

cat'-e-gor-y, *n.* শ্ৰেণী, ভাগ; ন্যায়-শাস্ত্ৰৰ বিভাগ। cat-e-gor'-i-cal, *adj.* স্বতন্ত্ৰ, নিশ্চিত।

ca'-ter, *v*, খোৱা বস্তু বা আন আৱশ্যকীয় বস্তু যোগোৱা। ca'-ter-er, *n.* যোনে...।

cat'-er-pil-lar, *n.* পলু, গছৰ পাত খোৱা এবিধ পোক।

ca-the'-dral, *n.* খৃষ্টান্ সকলৰ প্ৰধান গীৰ্জ্জা (য'ত বিচপৰ আসন থাকে)।

cath'-o-lic, *adj.* উদাৰ, উদাৰমতাবলম্বী, খৃষ্টান্ সকলৰ এটা সম্প্ৰদায়। cath-ol'-i-cism, *n.*

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

cat'-tle, *n.* গৰু ম'হ আদি ঘৰচীয়া জন্তু।

caul'-i-flow-er, *n.* ফুল কবি।

caulk *or* **calk** (*käk*), *v.* নাও বা জাহাজৰ তক্তাৰ জোৰাৰ মুখ বন্ধ কৰা।

cause, *n.* যুক্তি, কাৰণ, উৎপত্তি স্থান, মোকৰ্দ্দমা ; *v.* ঘটোৱা, কাৰণ হোৱা, জন্মোৱা। cau-sa'-tion, *n.*

cause'-way, *n.* ওখ ডাঙৰ আলি।

caus'-tic, *adj.* দাহকাৰী, পুৰি নিয়া, তীক্ষ্ণ ; *n.* দাহক বস্তু (ঔষধ)।

cau'-ter-ize, *v.* তপত লোৰে বা দাহক ঔষধেৰে পোৰা।

cau'-tion, *n.* সতৰ্কতা, সাৱধানতা, উপদেশ ; *v.* সাৱধান কৰা, সতৰ্ক কৰা। cau'-tious, *adj.* সতৰ্ক। cau'-tious-ly, *adv.*

cav-al-cade', *n.* অশ্বাৰোহীৰ দল।

cav-a-lier' (*-leer'*), *n.* অশ্বাৰোহী বীৰ। cav'-al-ry, *n* অশ্বাৰোহী সৈন্যদল।

cave, *n.* গাঁত, গহ্বৰ, পৰ্ব্বতৰ গুহা। cav'-ern, *n.* ডাঙৰ গহ্বৰ। cav'-i-ty, *n.* গাঁত।

cav'-il, *v.* সামান্য খুঁত বা দোষ ধৰা। cav'-il-ler, *n.* খুঁত বা দোষ ধৰোঁতা।

cease (*sēs*), *v.* শেষ হোৱা, থামা। cease'-less, *adj.* অনবৰত, নেবানেপেৰা।

ce'-dar, *n.* এবিধ সদায় সেউজীয়া পাত থকা ডাঙৰ গছ, দেবদাৰু।

cede (*sēd*), *v.* শত্ৰুক সমৰ্পণ কৰা, এৰি দিয়া।

ceil'-ing (*seel'-*), *n.* আড়াল, খোটালিৰ ওপৰত দিয়া আবৰণ।

cel'-e-brate (*sel'-*), *v.* উৎসব সম্পন্ন কৰা, গুণ বা যশ প্ৰচাৰ কৰা, প্ৰশংসা কৰা। cel'-e-bra-ted, *adj.* বিখ্যাত, নামজ্বলা। cel-e-bra'-tion, *n.* সম্পন্ন কৰা কাৰ্য্য। ce-leb'-ri-ty, *n.* প্ৰতিষ্ঠা, যশস্যা, খ্যাতি, সুনাম, নামজ্বলা মানুহ। cel'-e-brant, *n.*

ce-ler'-i-ty (*sē-ler-*), *n.* বৰ বেগ, গতিৰ প্ৰখৰতা।

cel'-e-ry, *n.* এবিধ শাক।

ce-les'-ti-al, *adj.* স্বৰ্গীয়।

cel'-i-ba-cy (*-i-ba-si*), *n.* বিয়া নকৰোৱা অৱস্থা। cel'-i-bate, *n.* বিয়া নকৰোৱা মানুহ, উদাসীন লোক।

cell, *n.* (কাটেকৰ) সৰু কোঠা, গাঁত ; তপস্যা কৰা কুটীৰ ; কোষ বা খোহা। cel'-lu-lar, *adj.* কোষেৰে নিৰ্ম্মিত।

cel'-lar, *n.* মাটিৰ তলত কৰা ভঁৰাল ঘৰ।

ce-ment', *n.* জোৰা লগোৱা এবিধ বস্তু, চূণ চুৰকী ; একতাৰ বান্ধোন ; *v.* চূণচুৰকীৰ দ্বাৰা গাঁঠা, জোৰা লগোৱা, মিল কৰা।

cem'-e-te-ry, *n.* মৰা শ পোতা ঠাই, শ্মশান।

cen'-sor, *n.* যোনে দোষ উলিয়ায় বা নিন্দা কৰে, যি চৰ্কাৰী কৰ্ম্মচাৰীয়ে প্ৰবন্ধ বা কিতাপ আদি ছপা কৰাৰ আগেয়ে আপত্তি জনক হয় নে নহয় তাক পৰীক্ষা কৰি চায়। cen-so'-ri-ous, *adj.* খুঁত বা দোষ ধৰা (মানুহ)।

cen'-sure, *v.* তিৰস্কাৰ কৰা, নিন্দা কৰা, গৰিহণা দিয়া; *n.* তিৰস্কাৰ, নিন্দা, গৰিহণা।

cen'-sus, *n.* মানুহ গণনা।

cent, *n.* এশ ; আমেৰিকা দেশৰ এবিধ মুদ্ৰা। ডলাৰৰ এশ ভাগৰ এভাগ।

cen'-ten-ar-y, *n.* এশ বছৰেকীয়া উৎসব ; *adj.* শ বছৰেকীয়া। cen-ten-a'-ri-an, এশ বছৰীয়া মানুহ।

cen'-ti-grade, *adj.* এশ ভাগত বিভক্ত।

cen'-ti-pede, *n.* বিছা আদি এশ ঠেং থকা জীৱ।

cen'-tre, *n.* সোঁমাজ, কেন্দ্ৰ। cen'-tral, *adj.* সোমাজত থকা, কেন্দ্ৰত থকা (অৱস্থিতিৰ), সুবিধা থকা।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

cen-tu-ry (*-chu-ri*), *n.* শতিকা, শতাব্দী।

ce'-re-al, *adj.* শস্য সম্বন্ধীয়। ce'-re-als, *n. pl.* ধান, যব আদি শস্য।

cer'-e-bral, *adj.* মস্তিষ্ক সম্পৰ্কীয়।

cer'-e-mo-ny, *n.* উৎসব, ধৰ্ম্মকাজৰ অনুষ্ঠান, পূজা পাতল আদি কৰম, আড়ম্বৰ, শিষ্টাচাৰ, সন্মান আদি দেখুৱা ক্ৰম। cer-e-mo'-ni-al, *adj.* উৎসব, অনুষ্ঠান আদি সম্বন্ধীয়; *n.* ধৰ্ম্মকাজৰ অনুষ্ঠান বোৰ। cer-e-mo'-ni-ous, *adj.* শিষ্টাচাৰ পূৰ্ণ।

cer'-tain (*-tin*), *adj.* কোনো এক, নিশ্চিত, সঠিক। cer'-tain-ty, *n.* নিশ্চয়তা।

cer-tif'-i-cate, *n.* প্ৰশংসা পত্ৰ। cer'-ti-fy, *v.* প্ৰশংসা কৰা, স'চা বুলি লিখা, প্ৰশংসা পত্ৰ দিয়া, জনোৱা।

ces-sa'-tion, *n.* বিৰাম, সমাপ্তি।

ces'-sion (*sesh'-un*), *n.* শত্ৰুৰ হাতত সমৰ্পণ বা এৰি দিয়া কাৰ্য্য।

chafe, *n.* ঘঁহি ক্ষয় কৰা, খঙত গৰম হোৱা, খঙ দেখুৱা।

chaff, *n.* তুঁহ, চোকোলা আদি, অসাৰ বস্তু।

cha-grin', *n.* বিৰক্তি বা বেজাৰৰ ভাব, মনৰ বেজাৰ বা দুখ; *v.* বিৰক্ত কৰা, মনত বেজাৰ বা দুখ দিয়া।

chain, *n.* শিকলি, শাৰী বা শ্ৰেণী, যিহেৰে বন্ধা হয়; *v.* শিকলিৰে বন্ধা।

chair, *n.* মাইছা, চকী, সভাপতি, অধ্যাপক আদিৰ আসন; *v.* আনন্দ বা উলাহেৰে বৈ নিয়া। chair'-man, *n.* সভাপতি।

chalk, *n.* খড়ী মাটি; *v.* চিহ্নিত কৰা, দাগ দিয়া।

chal'-lenge, *v.* যুঁজলৈ আহ্বান কৰা, জুৰী সম্বন্ধে আপত্তি কৰা; *n.*

cham'-ber, *n.* শোৱা খোটালি, সভা ঘৰ।

cham'-ber-lain, *n.* ৰজাৰ বা আন বৰ লোকৰ ঘৰ চাওঁতা, ধনভঁৰালী।

cha-me'-le-on (*ka-*), *n.* বৰণ সলাই থকা এবিধ জেঠী জাতীয় জন্তু, বহুৰূপী।

cham'-ois (*sham'-wa*), *n.* ওখ পৰ্ব্বতত থকা ছাগলিৰ নিচিনা এবিধ সৰু পহু।

cham-pagne' (*sham-pān'*), *n.* ফ্ৰান্স দেশীয় এবিধ মদ।

cham'-pi-on, *n.* যোনে আন সকলোকে হৰুৱাইছে এনে বীৰ; পৰৰ কাৰণে যুঁজা লোক; *v.* আনৰ হকে যুঁজ কৰা।

chance, *n.* ভাগ্য, সুযোগ, সুবিধা, সম্ভাবনা; *v.* হঠাৎ ঘটা।

chan'-cel, *n.* গীৰ্জ্জাৰ পুব ফাল।

chan'-cel-lor, *n.* ইংলণ্ডৰ প্ৰধান ৰাজস্ব সচিব বা প্ৰধান বিচাৰক, বিশ্ববিদ্যালয়ৰ অধ্যক্ষ।

chan'-cer-y, *n.* ইংলণ্ডৰ প্ৰধান বিচাৰালয়ৰ যি বিভাগত কেবল ন্যায় অন্যায় বিষয়ে বিচাৰ হয়।

chan-de-lier' (*shai-de-leer'*), *n.* ঝাৰ, চাকি দিবলৈ কাচৰ এবিধ যতন।

chan'-dler, *n.* মোমবাতিৰ কাৰবাৰ কৰা মানুহ।

change, *v.* পৰিবৰ্ত্তন কৰা, এটা বস্তুৰ সলনি আন এটা বস্তু দিয়া, সলনা সলনি কৰা, টকা আদি ভঙোৱা; *n.*। change'-a-ble, *adj.* পৰিবৰ্ত্তন কৰিব পৰা, অথিৰ।

chan'-nel, *n.* প্ৰণালী, নদীৰ বুক বা সোঁত।

chant, *v.* সুৰ লগাই পাঠ কৰা, গান কৰা; *n.* স্তোত্ৰ পাঠ, গান, গীত।

cha'-os (*ka'-*), *n.* বিশৃঙ্খলা, আটি গুৰি নথকা অৱস্থা, বিশৃঙ্খল ভাবে থকা বস্তু বা বিষয়। cha-ot'-ic, *adj.*

chap, *n.* গাৰ ছালত কটা বা ফটাৰ চিন, ল'ৰা বা মানুহ; *v.* ফটা বা ফটোৱা।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

chap'-el, *n.* উপাসনাৰ ঠাই।

chap'-lain, *n.* সৰু মন্দিৰ; খৃষ্টানৰ পুৰোহিত বা ধৰ্ম্মোপদেশক।

chap'-let, *n.* মালা।

chap'-ter, *n.* অাধ্যা, অধ্যায়; ধৰ্ম্মযাজক সকলৰ সজ্ঘ বা সভা।

char *or* **chare,** *n.* ঠিকা কাম, দিন হাজিৰা কাম; *v.* দৈনিক খাটা। char'-woman, *n.* ঠিকা কৰি দৈনিক কাম কৰা চাকৰাণী।

char, *v.* আংশিক ভাবে পোৰা; charred, *adj.* আধা পোৰা। char'-coal, *n.* এঙাৰ।

char'-ac-ter (*kar'-*), *n.* দাগ, চিন, আখৰ, হাতৰ আখৰ, লক্ষণ, স্বভাৱ, চৰিত্ৰ, যশ, নাটক উপন্যাসৰ নায়ক নায়িকা আদি চৰিত্ৰ। char-ac-ter-is'-tic (-al), *adj.* বিশেষত্ব থকা। char'-ac-ter-ize, *v.* বিশেষত্ব বা স্বভাৱ বৰ্ণনা কৰা।

charge, *v.* ভাৰ দিয়া, আদেশ দিয়া, খাজা, আক্ৰমণ কৰা, দোষাৰোপ কৰা, কাৰো হিচাবত খৰছ লিখা, মূল্য ধৰা; *n.* charge'-a-ble, *adj.* দায়ী।

charg'-er, *n.* যুদ্ধৰ ঘোঁৰা।

char'-i-ot, *n.* ৰথ, চাৰি চকাৰ ডাঙৰ গাড়ী। char-i-o-teer', *n.* সাৰথি।

char'-i-ty, *n.* দানশীলতা, বদান্যতা, দয়া। char'-i-ta-ble, *adj.* দাতব্য, দয়ালু, বদান্য।

char'-la-tan (*shar'-*), *n.* ডাক্কোপ মৰা অজ্ঞ চিকিৎসক, ভণ্ড।

charm, *n.* সৌন্দৰ্য্য, যাদুমন্ত্ৰ, মোহিনীশক্তি; *v.* মোহিত কৰা, মুগ্ধ কৰা। charm'-ing, সুন্দৰ, মনোহৰ। charm'-er, *n.* যাদুকৰ।

char'-nel (*char'-*), *adj.* মৰা শ সম্বন্ধীয়। char'-nel-house, *n.* শ্মশানৰ অস্থি আদি ৰখা ঘৰ।

chart, *n.* মানচিত্ৰ (সাগৰ বা সাগৰৰ পাৰ আদিৰ), কোনো ঘটনা বা বিষয়ৰ তালিকা।

char'-ter, *n.* চুক্তি পত্ৰ, ৰজাই ক্ষমতা বা অধিকাৰ আদি লিখি দিয়া কাগজ; *v.* চুক্তি-পত্ৰ লিখি জাহাজ আদি কেৰেয়া লোৱা।

chase, *v.* পিছে পিছে খেদা, অনুসৰণ কৰা; *n.* চিকাৰৰ পিছে পিছে খেদা কাৰ্য্য, চিকাৰৰ ঠাই।

chasm (*kasm*), *n.* (মাটিত) গহ্বৰ বা ডাঙৰ ফাট।

chaste, *n.* পবিত্ৰ, সাধু বা সতী, দোষলেশ-শূন্য, সংযত। chas'-ti-ty, *n.* সতীত্ব, নিৰ্ম্মলতা। chas'-ten (*-en*), *v.* শাস্তি দিয়া, পবিত্ৰ কৰা। chas'-ten-ed, *adj.* বিনীত।

chas-tise' (*-tiz'*), *v.* শুধৰাবলৈ শাস্তি দিয়া। chas-tise'-ment, *n.*

chat, *v.* বাজে কথা পতা; *n.* বাজে কথা।

cha-teau' (*shâ-to'*), *n.* দুৰ্গ, ডাঙৰ অট্টালিকা।

chat'-ter, *v.* বান্দৰৰ দৰে কিচ্ কিচ্ কৰা, মিছাতে বেচি কথা পাতি থকা, ভয়ত বা জাৰত দাঁতে দাঁতে লাগি যেনে শব্দ হয় তেনে শব্দ কৰা।

chat'-tel, *n.* (*usually in pl.* chat'-tels), অস্থাবৰ সম্পত্তি।

chauf-feur' (*shō-fur'*), *n.* (F.) মটৰ গাড়ী চলাওঁতা।

cheap, *adj.* সস্তা। cheap'-en, *v.* দাম সস্তা কৰা। cheap'-ness, *n.*

cheat, *v.* ঠগা, প্ৰতাৰণা কৰা; *n.* ঠগ, প্ৰবঞ্চক।

check, *v.* থমোৱা বা বেগ কম কৰা, দমন কৰা, সংযত কৰা, হিচাব মিলোৱা বা পৰীক্ষা কৰা, গালি পৰা; *n.* বাধা, সংযম।

cheek, *n.* গাল, ধৃষ্টতা।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

cheer, *v.* আনন্দিত কৰা, উৎসাহ দিয়া, প্ৰশংসা কৰা ; *n.* আনন্দধ্বনি, আনন্দ। cheer'-ful, *adj.* প্ৰফুল্ল, হৃষ্ট। cheer'-ful-ness, *n.* প্ৰফুল্লতা।

cheese, *n.* ছানা।

chem'-ist (*kem'-*), *n.* ৰসায়ন শাস্ত্ৰবিদ্ পণ্ডিত, ঔষধ বিক্ৰেতা। chim'-is-try, *n.* ৰসায়ন শাস্ত্ৰ।

cheque (*chek*), *n.* চেক, টকা দিবলৈ আদেশ পত্ৰ।

cher'-ish, *v.* যত্ন আৰু মৰম কৰা, মৰমৰ চকুৰে চোৱা, মনত (কোনোভাৱ) পোষণ কৰা।

cher'-ry, *n.* ৰঙা ৰঙা ফল ধৰা এবিধ গছ ; *adj.* ৰঙা।

cher'-ub, *n.* (*pl.* cher'-u-bim *or* cher'-ubs), স্বৰ্গীয় দূত, সুন্দৰ শিশু।

chess, *n.* দবা খেল।

chest, *n.* পেৰা, বুকু।

chest'-nut (*ches'-*), *n.* বনৰীয়া বাদাম গছ, ইয়াৰ ফল ; *adj.* বংচুৱা মুগা।

chev-a-lier' (*shev-*), *n.* অশ্বাৰোহী বীৰ পুৰুষ।

chew, *v.* চোবোৱা, চিন্তা কৰা বা ভবা।

chick, **chick'-en**, *n.* কুকুৰাৰ পোৱালী। chicken-hearted, *adj.* ভীৰু।

chic'-o-ry, *n.* এবিধ সৰু গছ ইয়াৰ শুকান শিপা গুৰি কৰি 'কফিৰ' লগত ব্যৱহাৰ কৰা হয়।

chide, *v.* (chid, chid'-ing, chid'-den), তিৰস্কাৰ কৰা, নিন্দা কৰা।

chief, *n.* প্ৰধান লোক ; *adj.* প্ৰধান। chief'-ly, *adv.* প্ৰধানকৈ। chief'-tain, *n.* ফৈদৰ নেতা বা প্ৰধান লোক।

chil'-blain, *n.* জাৰত ফটা ৰোগ।

child, *n.* (*pl.* chil'-dren), সন্তান, লৰা বা ছোৱালী। child'-hood, *n.* শৈশৱ কাল। child'-ish, *adj.* চলিৰ নিচিনা।

chill, *n.* ঠাণ্ডা ; *adj.* ঠাণ্ডা, নিৰুৎসাহজনক ; *v.* ঠাণ্ডা কৰা, নিৰুৎসাহ কৰা। chil'-ly, *adj.*

chil'-li, *n.* এবিধ ভজলুক, জলকীয়া।

chime, *n.* কেতবোৰ ঘণ্টাৰ মিলিত ধ্বনি ; কথাৰ মিল ; *v.* একে সুৰে বজোৱা বা উচ্চাৰণ কৰা।

chim'-ney, *n.* চিমনী, ধোঁৱা ওলোৱা নলী।

chi'-na, *n.* চীনা মাটিৰ বাচন।

chink, *n.* সৰু ফাট বা বিন্ধা ; টকাৰ বাজনা।

chintz, *n.* ছিট্ কাপোৰ।

chip, *n.* কাঠৰ সৰু ডোখৰ ; *v.* সৰু ডোখৰ কৰা।

chirp, *n.* চৰাই বা উৰি ফুৰা পোকৰ খিচ্ খিচ্ মাত ; *v.* তেনে শব্দ কৰা।

chis'-el, *n.* বটালী ; *v.* বটালীৰে কটা।

chiv'-al-ry (*shiv-*), *n.* দুৰ্ব্বলক সহায় কৰা বীৰসকলেৰে গঠিত 'নাইটহুড' নামৰ পুৰণি কালৰ এক সম্প্ৰদায় ; বীৰত্ব, সাহ, পৰাক্ৰম। chiv'-al-rous (*-rus*), *adj.* উচ্চমনা, সাহসিক, সাহিয়াল, বীৰত্বপূৰ্ণ। chiv'-al-ric, *adj.*

chlo'-ro-form (*klo-*), *n.* অজ্ঞান কৰি পেলোৱা এবিধ জুলীয়া ঔষধ ; *v.*

choice, *n.* বাচিলোৱা কাৰ্য্য, পছন্দ, বি বাচি লোৱা হয় ; *adj.* বঢ়িয়া, ভাল।

choir (*kwir*), *n.* গীৰ্জ্জাৰ গায়কদল ; গীৰ্জ্জাত গায়কদল বহা ঠাই।

choke, *v.* উশাহ বন্ধ কৰা বা হোৱা, গলত টিপা মাৰি মাৰা।

chol'-er (*kol'-*), *n.* খং। chol'-er-ic, *adj.* খঙাল।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

chol'-er-a, *n.* হাইজা বেমাৰ।

choose (choose, choos'-ing, chos'-en), *v.* বাচি লোৱা, পছন্দ কৰা।

chop, *v.* কটা, কাটি ডোখৰ ডোখৰ কৰা; *n.* কটা ডোখৰ। [তাৰ।

chord (*kord*), *n.* বেহেলা আদি বাদ্যযন্ত্ৰৰ

cho'-rus (*ko-*), *n.* একেলগে সুৰ ধৰি গোৱা গায়কৰ দল, একেলগে সুৰ ধৰি গোৱা গান। chor'-is-ter, *n.*

Christ, *n.* যীশু খৃষ্ট। Chris'-ti-an (*kris'-*), *n.* খৃষ্টধৰ্ম্মী। Chris'-ten (*kris'-en*), *v.* নাম ৰখা, খৃষ্টীয় ধৰ্ম্মত দীক্ষিত কৰা। Chris'-ti-an-i-ty, *n.* খৃষ্টই প্ৰচাৰ কৰা ধৰ্ম্ম। Christ'-mas (*kris'-mas*), *n.* খৃষ্টৰ জন্মোৎসৱ (২৫ ডিচেম্বৰ), বৰ দিনৰ উৎসৱ। [স্থায়ী।

chron'-ic, *adj.* বহুত দিনীয়া, দীৰ্ঘকাল

chron'-i-cle (*kron'-*), *n.* সময়ৰ ক্ৰম অনুসাৰে লিখা ইতিহাস; *v.* সময়ৰ ক্ৰম অনুসাৰে লিখা।

chro-nol'-o-gy (*kro-, ji*) *n.* সময় নিৰূপণ বিদ্যা।

chro-nom'-e-ter (*kro-*), *n.* ঠিক সময় ৰখা ঘড়ি (বিশেষকৈ জাহাজৰ)।

chuck'-le, *v.* মুখ টিপি হাঁহা; *n.* আনন্দৰ চিপা হাঁহি।

church, *n.* উপাসক মণ্ডলী, গীৰ্জ্জা। church'-yard, *n.* গীৰ্জ্জাৰ প্ৰাঙ্গনত থকা কবৰ দিয়া ঠাই।

churl, *n.* চহা, অশিক্ষিত সাধাৰণ শ্ৰেণীৰ লোক। churl'-ish, *adj.* অভদ্ৰ, অসভ্য, অৰ্থলোভী।

churn, *v.* মথা, মন্থন কৰা; *n.* মন্থন কৰা যন্ত্ৰ।

ci'-der (*si-*), *n.* আপেল ফলৰ ৰসেৰে তৈয়াৰী এবিধ মদ।

ci-gar' (*si-*), *n.* তামাখু মেৰিয়াই কৰা চুৰট। ci-gar-ette', *n.* কাকতেৰে মেৰিয়াই কৰা সৰু চুৰট।

cin'-der, *n.* এঙ্গাৰ।

cin-e-ma *or* **cin-e-mat'-o-graph** (*sin-*), *n.* বায়স্কোপত গতিশীল চিত্ৰ দেখুৱা যন্ত্ৰ।

cin'-na-mon, *n.* দালচেনি।

ci'-pher (*si'-fer*), *n.* গণিতৰ শূন্য (০), অকামিলা মানুহ, এবিধ সাঙ্কেতিক লিখা-প্ৰণালী; *v.* অঙ্ক কৰা।

cir'-cle, *n.* বৃত্ত, পৰিধি; *v.* চাৰিওফালে আগুৰা, প্ৰদক্ষিণ কৰা, ঘূৰণীয়া হৈ থিয় হোৱা। cir'-cu-lar, *adj.* ঘূৰণীয়া; *n.* সকলোৰে চাব লগা আদেশৰ কাকত।

cir'-cuit (*-kit*), *n.* ভ্ৰমণ, বৃত্তৰ মাজৰ ঠাই; পৰিধি, বিচাৰ কাৰ্য্যত মফচল ভ্ৰমণ। cir-cu'-it-ous, *adj.* ঘূৰাবেঁকা।

cir-cu'-late, *v.* জনোৱা, প্ৰচাৰ কৰা, চলা, ঘোৱা। cir-cu-la'-tion, *n.* প্ৰচাৰ, প্ৰচলন, গতি (যেনে তেজৰ)।

cir-cum'-fer-ence, *n.* পৰিধি, বেৰ।

cir-cum'-lo-cu-tion, *n.* ঘূৰাই পকাই কথা কোৱাৰ ধৰণ।

cir-cum-nav'-i-gate, *v.* জাহাজেৰে পৃথিৱীৰ চাৰিওপিনে ঘূৰা।

cir-cum-scribe', *v.* চাৰিওফালে ৰেখা আঁকা, বা ক্ষেত্ৰ আঁকা, বেৰা, সীমাবদ্ধ কৰা।

cir'-cum-spect, *adj.* চাৰিওপিনে চকু ৰখা, সতৰ্ক, সাৱধান।

cir'-cum-stance, *n.* অৱস্থা, ঘটনা; *pl.* আৰ্থিক অৱস্থা। cir-cum-stan'-tial (*-shal*), *adj.* আনুষঙ্গিক, সবিশেষ।

cir-cum-vent', *v.* চাৰিওপিনে আগুৰা, ঠগি লাভৱান হোৱা, বিমোৰত পেলোৱা।

cir'-cus, *n.* চাৰ্কাচ।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

cis'-tern, *n.* পানী থোৱা ডাঙৰ পাত্ৰ।

cit'-a-del, *n.* নগৰৰ ভিতৰত বা ওচৰত থকা দুৰ্গ।

cite (*sīt*), *v.* মাতা, বিচাৰালয়ত উপস্থিত হবলৈ মাতা, উদ্ধৃত কৰা। ci-ta'-tion, *n.*

cit'-y, *n.* ডাঙৰ নগৰ। cit'-i-zen, *n.* নগৰীয়া।

civ'-ic, *adj.* নগৰবাসী বা নগৰ সম্বন্ধীয়। civ'-ics, *n. pl.* যি শাস্ত্ৰই নগৰবাসীৰ ৰাজনৈতিক অধিকাৰৰ বিষয় আলোচনা কৰে।

civ'-il, *adj.* নগৰ বা ৰাজ্য সম্পৰ্কীয়, শিষ্ট, ভদ্ৰ। ci-vil'-i-an, সৈনিক বা ধৰ্ম্মযাজক নহয়, এনে কৰ্ম্মচাৰী। ci-vil'-i-ty, *n.* ভদ্ৰতা, শিষ্টাচাৰ। civ'-il-ize, *v.* অসভ্য অবস্থাৰ পৰা, সভ্য সমাজলৈ অনা, সুশিক্ষিত কৰা। civ-il-i-za'-tion, *n.*

clack, *v.* হঠাৎ আঘাতেৰে শব্দ কৰা ; *n.*

clad, *adj.* পোছাক পিন্ধা, পিন্ধা ; পোছাক আদিৰে সজা।

claim, *v.* দাবী কৰা ; *n.* দাবী দাওৱা, হক। claim'-ant, *n.* দাবীকাৰী।

clam'-ber, *v.* কষ্টেৰে বগোৱা বা উঠা।

clam'-my, *adj.* সেমেকা, এঠাযুক্ত আৰু ঠাণ্ডা, এঠাল।

clam'-our, *n.* গোলমাল, চিঞৰ, হাই ; *v.* গোলমাল কৰা, চিঞৰা, হাই কৰা, অসন্তোষ প্ৰকাশ কৰা। clam'-or-ous, *adj.* গোলমালকাৰী, চিঞৰ বা হাই পূৰ্ণ।

clan, *n.* ফৈদ, জাতি, বংশ।

clan'-des-tine (*-tin*), *adj.* গোপনীয়, গুপ্ত, অন্যায়পূৰ্ণ।

clang, *n.* ঝন্ ঝন্ শব্দ ; *v.* ঝন্ ঝন্ শব্দ কৰা।

clank, *n.* ভৰিৰ শিকলিৰ ঝন্ ঝন্ শব্দ ; *v.*

clap, *n.* চাপৰি, প্ৰশংসাসূচক হাততালি ; *v.* চাপৰি বজোৱা, হাততালি দিয়া।

clar'-et, *n.* ৰঙা বৰণৰ এবিধ মদ।

clar'-i-fy, *v.* নিৰ্ম্মল বা পৰিষ্কাৰ কৰা।

clar'-i-on, *n.* এবিধ মুখেৰে বজোৱা বাদ্য যন্ত্ৰ, শিঙা। clar'-i-[o]-net, *n.* বিকুল।

clash, *n.* ঠেকাঠেকি লাগি হোৱা শব্দ, সজ্বৰ্ষ ; *v.* ঠেকাঠেকি লাগি শব্দ হোৱা, সজ্বৰ্ষ হোৱা, অমিল হোৱা, হস্তক্ষেপ কৰা।

clasp, *n.* আলিঙ্গন, সাবট ; *v.* আলিঙ্গন কৰা, সাবট মাৰি ধৰা।

class, *n.* শ্ৰেণী, ভাগ ; *v.* বেলেগ বেলেগ শ্ৰেণীত ভাগ কৰা। clas'-si-fy, *v.* বেলেগ বেলেগ শ্ৰেণীত ভাগ কৰি থোৱা। clas-si-fi-ca'-tion, *n.* শ্ৰেণী বিভাগ।

clas'-sic, *adj.* clas'-si-cal, *adj.* প্ৰথম বা আটাইতকৈ উচ্চ শ্ৰেণীৰ, প্ৰাচীন ; ল্যাটিন-গ্ৰীক সংস্কৃত আদি প্ৰাচীন সাহিত্য আৰু প্ৰাচীন শিল্প কলা সম্বন্ধীয়।

clat'-ter, *n.* ঘড়্ ঘড়্ শব্দ ; *v.* ঘড়্ ঘড়্ শব্দ কৰা।

clause, *n.* বাক্যাংশ, দলিল, উইল আদিৰ অংশ বা দফা।

claw, *n.* হাতোৰা ; *v.* হাতোৰাৰে ধৰা বা আঁচৰা।

clay, *n.* এঠাল মাটি, বোকা, পেঁক।

clean, *adj.* পৰিষ্কাৰ, নিকা, নিৰ্ম্মল, পবিত্ৰ, নিখুঁত, নিপুণ ; *v.* পৰিষ্কাৰ কৰা, নিৰ্ম্মল কৰা। clean'-ly (*klen'-*), *adj.* সদায় পৰিষ্কাৰ, পবিত্ৰ বা নিৰ্ম্মল হৈ থকাৰ অভ্যাস যুক্ত। clean'-li-ness, *n.* পৰিষ্কাৰ পৰিচ্ছন্নতা। cleanse (*klenz*), *v.* পৰিষ্কাৰ কৰা, মলি গুচোৱা।

clear, *adj.* ফটফটীয়া, পবিত্ৰ, পৰিষ্কাৰ, নিৰ্ম্মল, স্পষ্ট ; *v.* পৰিষ্কাৰ কৰা, চাফা কৰা, দোষৰ পৰা মুক্ত কৰা, খালি কৰা, লাভ কৰা। clear'-ly, *adv.* clear'-ance, *n.* চাফা, খালাছ, বন্দৰৰ পৰা লৈ যোৱাক

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

অনুমতি। clear'-ing, *n.* বন কটা, চাফ কৰা মাটি।

cleave (clove *or* cleft, cleav'-ing, clov'-en), *v.* ফালা, ভাগ কৰা, কাটা, ফাটা, চিৰা, লাগি ধৰা, অনুৰক্ত হোৱা। cleav'-age, *n.* cleav'-er, *n.* মাংস বিক্রেতাৰ মাংস কটা অস্ত্র। cleft, *n.* ফাট। clov'-en, *adj.* ফটা।

clem'-a-tis, *n.* এবিধ সুন্দৰ লতা।

clem'-en-cy (*-si*), *n.* নম্রতা, ক্ষমাশীলতা, কোমলপ্রকৃতি, কৰুণা, দয়া। clem'-ent, *adj.* ক্ষমাশীল, দয়ালু, কোমল প্রকৃতিৰ।

clench *or* **clinch**, *v.* খামোচ মাৰি ধৰা, মুঠিমাৰি ধৰা ; *n.* খামোচ, মুঠি।

cler'-gy, *n.* খৃষ্টীয় যাজকমণ্ডলী।

cler'-i-cal, *adj.* ধৰ্ম্ম-যাজক সম্বন্ধীয়, কেৰাণী সম্বন্ধীয়।

clerk (*klârk*), *n.* পাহুৰী, বিদ্বান লোক, কেৰাণী। clerk'-ly, *adj.* and *adv.*

clev'-er, *adj.* বুধিয়ক, চতুৰ, কাৰ্য্যদক্ষ। clev'-er-ness, *n.* চতুৰতা।

clew *or* **clue**, *n.* সূতাৰ গুলি, গুলিৰ সূতা, কোনো কথাৰ গুং, গুংসূত্র।

click, *n.* টিক্ টিক্ শব্দ, দুৱাৰৰ খিলা ; *v.* টিক্ টিক্ শব্দ কৰা।

cli'-ent, *n.* মোক্কেল, গ্রাহক।

cliff, *n.* ওখ, থিয় পাহাৰ। cliff'-man, *n.*

cli'-mate, *n.* জল-বায়ু। clime, *n.* জল-বায়ু, দেশ বা ঠাই।

cli'-max, *n.* চৰম সীমা, শীৰ্ষবিন্দু।

climb (*clīm*), *v.* গছত উঠা, পৰ্ব্বত বগোৱা, উঠা। climb'-er, *n.*

cling (clung, cling'-ing, clung), *v.* সংলগ্ন কৰা বা হোৱা, লাগি ধৰা, লাগি থকা।

clink, *n.* ঠং ঠং শব্দ ; *v.* ঠং ঠং শব্দ হোৱা। clink'-er, *n.* ঠং ঠং শব্দকাৰী, ভালকৈ পোৰা ইটা।

clip, *v.* সাবট মাৰি ধৰা ; চুটিকৈ কটা, সংক্ষেপ কৰা ; *n.* (এবাৰত) চুটিকৈ কাটি পোৱা ভেৰাৰ লোম। clip'-per, *n.* কেচি, বেগবান জাহাজ।

clique (*kleek*), *n.* (কোনো অসৎ উদ্দেশ্যলৈ) বন্ধা দল ; *v.* দল বন্ধা। cli'-quish, *adj.*

cloak *or* **cloke**, *n.* হলোছোলা, ছল, ঢাকোন ; *v.* লুকাই ৰখা, ঢাকনি লোৱা, ছদ্মবেশ ধাৰণ কৰা।

clock, *n.* ডাঙৰ ঘড়ী। clock'-tower, *n.*

clod, *n.* মাটিৰ চপৰা ; *v.* চপৰা কৰা, চপৰা দলিওৱা। cold'-dish, *adj.* clod'-hop-per, *n.* চহা, মোটা বুদ্ধিৰ মানুহ।

clog, *v.* ধূলি বালি আদি গোট খোৱা বা গোট খাই গতি বন্ধ কৰা, বাধা দিয়া ; *n.* বাধা, প্রতিবন্ধক, কাঠৰ তলা দিয়া জোতা।

clois'-ter *n.* খৃষ্টান্ সকলৰ মঠ, বেৰৰে আগুৱা বা আন ৰকমৰ নিৰ্জ্জন ঠাই, ছাঁযুক্ত বাট।

close, *v.* বন্ধ কৰা, শেষ কৰা ; *adj.* ওচৰত থকা, ঠেক, বতাহ যাবলৈ বাট নথকা, দৃঢ় ; *n.* বন্ধ, শেষ, সামৰণি ; আগুৰি ৰখা ঠাই। clo'-sure (*-zhûr*), *n.* বন্ধ কৰা কাৰ্য্য, শেষ। close'-fisted, *adj.* টান মুঠিৰ, কৃপণ। close'-ly, *adv.*

clos'-et (*kloz'-*), *n.* সৰু ভিতৰুৱা কোঠা ; *v.* আবুৰত ৰখা।

clot, *n.* গোট মৰা তেজৰ কোহা ; *v.* কোহা বন্ধা। clotted hair, জটা।

cloth, *n.* কাপোৰ।

clothe (*klōth*—ক্লোদ) (clothed, cloth'-ing, clad), *v.* কাপোৰেৰে আবৃত কৰা,

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

কাপোৰ পিন্ধোৱা, কাপোৰ দিয়া। **clothes**, *n. pl.* পোছাক। **cloth'-ier** (-*yer*), *n.* কাপোৰৰ ব্যবসায় কৰা মানুহ। **cloth'-ing**, *n.* কাপোৰ কানি।

cloud, *n.* মেঘ, আকাশত উৰা ধোঁৱা বা ধুলিৰ সমষ্টি, মলিনতা, কলঙ্ক, সংশয়, সমষ্টি ; *v.* মেঘেৰে বা এন্ধাৰেৰে ঢকা। **cloud'-y**, *adj.* ডাৱৰীয়া। **cloud'-less**, *n.* মেঘ শূন্য।

clove (*klōv*), *n.* লং।

clo'-ver, *n.* গৰু আদিৰ খাদ্য, এবিধ ঘাঁহ।

clown *n.* চহা, অশিক্ষিত হোজা মানুহ ; বহুৱা। **clown'-ish**, *adj.* [খোৱা।

cloy, *v.* হেঁপাহ পলাই খোৱা, পেটভৰাই

club, *n.* ডাঙৰ লাঠি ; সভা ; *v.* লাঠিৰে কোবোৱা, একে লগ হোৱা, লগ হৈ সভা কৰা। **club'-headed**, চহা। [কৰা।

clue, see **clew**.

clump, *n.* গছৰ জোপা বা চোপ ; *v.* থোপা

clum'-sy (-*zi*), *adj.* কুৎসিৎ, কদাকাৰ, দেখাত অশুৱনী।

clus'-ter, *n.* কোচা, থোক, থোপনা, সমষ্টি ; *v.* থোক হোৱা, গোট কৰা বা হোৱা।

clutch, *v.* খামোচ মাৰি ধৰা, আক্ৰমণ কৰা, কাঢ়ি লোৱা ; *n.* দৃঢ়মুষ্টি।

clut'-ter, *n.* গোলমাল ; *v.*

coach, *n.* চাৰিটা চকাৰ গাড়ী, গৃহ-শিক্ষক, ব্যায়াম-শিক্ষক ; *v.* কোনো পৰীক্ষাৰ কাৰণে প্ৰস্তুত কৰিবলৈ শিক্ষা দিয়া। **coach'-man**, *n.* গাড়োৱান।

co-ad-ju'-tor (-tant), *n.* সহায়কাৰী।

co-ag'-u-late, *v.* গাথীৰ জমোৱা বা জমা, ঘন হোৱা বা কৰা।

coal, *n.* এঙ্গাৰ, কয়লা ; *v.* কয়লা যোগোৱা। **coal'-field**, *n.* যি ঠাইত মাটিৰ তলত কয়লা পোৱা যায়।

co-al-esce' (-es), *v.* একে লগে জন্মা, লগ-লগা, সম্মিলিত হোৱা। **co-al-es'-cence**, *n.* **co-a-li'-tion** (*lish'-un*), *n.* মিলন, একে লগ হোৱা।

coarse, *adj.* মোটা, হুটা, অশিষ্ট, হোজা। **coarse'-ness**, *n.*

coast, *n.* দাঁতি, সাগৰ বা উপসাগৰৰ পাৰ ; *v.* সাগৰৰ পাৰৰ ওচৰেদি জাহাজ নিয়া। **coast'-er**, *n.* যি জাহাজ সাগৰৰ দাঁতিৰেদি অহা-যোৱা কৰে। **coast'-guard**, *n.* কৰ নিদিয়াকৈ যাতে জাহাজৰ মাল উঠোৱা নমোৱা কৰিব নোৱাৰে তাৰ বাবে ৰখীয়া। **coast'-ing**, *n.*

coat, *n.* কোট ছোলা, ঢাকনি ; *v.* ঢকা, লেপ দিয়া, ৰং দিয়া। **coat'-ing**, *n.* ঢাকনি, লেপ ; কোট ছোলাৰ কাপোৰ।

coax, *v.* লোভ দেখুৱাই বা খোছামোদ কৰি বশ কৰা, মিঠা কথাৰে ভুলোৱা।

cob, *n.* এবিধ বলী সৰু ঘোৰা, মকৰা।

cob'-ble, *n.* জোতাত তাপলি মৰা বা জোতা মেৰামত কৰা। **cob'-bler**, *n.* ফটা জোতা মেৰামত কৰা মুচি ; লেতেৰা কাৰিকৰ।

cob'-ra, *n.* গোম সাপ।

cob'-web, *n.* মকৰাৰ জাল, ফান্দ।

cock, *n.* মতা কুকুৰা, কুকুৰা, নলীৰ মুখ, বন্দুকৰ ঘোঁৰা ; *v.* বন্দুকৰ ঘোঁৰা টনা।

cock-a-too', *n.* কাকাতুৱা চৰাই।

cock-eyed, *n.* টেৰা।

cock'-le, *n.* সাগৰত থকা এবিধ শামুক ; *v.* কোঁচ খোৱা বা কোঁচোৱা।

cock'-loft, *n.* ঘৰৰ ওপৰৰ তলা, আতালৰ ওপৰৰ কোঠা।

cock'-ney, *n.* লণ্ডন নগৰত থকা মানুহৰ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

অবজ্ঞাসূচক নাম, তিৰোতা মুখীয়া মানুহ, নগৰীয়া।

cock'-pit, *n.* কুকুৰা যুঁজাবলৈ আগুৰা ঠাই, আহত লোকক চিকিৎসা কৰিবলৈ যুদ্ধৰ জাহাজৰ তলৰ খোটালি।

cock'-roach, *n.* পঁইতা চোৰা।

cock'-sure, *adj. & adv.* নিঃসন্দেহ।

co-coa' (*kō'-kō*), *n.* ককো গছৰ গুটি; ককো গছৰ গুটিৰে তৈয়াৰ কৰা এবিধ পানীয়।

co-coa'-nut, *n.* নাৰিকল।

co-coon', *n.* এড়ী বা মুগাৰ লেতা।

cod, *n.* বেচি তেল থকা এবিধ সাগৰৰ মাছ।

cod'-dle, *v.* আদৰ কৰা।

code, *n.* আইনৰ নিয়মাবলী। cod'-i-fy, *v.* নিয়মবদ্ধ কৰা।

co-erce', *v.* বাধ্য কৰা, জোৰেৰে কৰোৱা, জোৰেৰে দমন কৰা। co-er'-cion, *n.* জোৰ-জুলুম, জোৰেৰে দমন। co-er'-cive, *adj.*

cof'-fee, *n.* কফি, তাৰে তৈয়াৰ কৰা চাহৰ নিচিনা এবিধ পানীয়।

cof'-fer, *n.* মূল্যবান বস্তু থোৱা পেৰা।

cof'-fin, *n.* মৰা শ ৰখা বাকচ।

cog, *n.* চকাৰ দাঁত; *v.* ঠগোৱা।

co'-gent, *adj.* জোৰ থকা, অকাট্য, বলবান্। co'-gen-cy, *n.* অকাট্যতা।

cog'-i-tate (*koj'-*), *v.* দকৈ চিন্তা কৰা, গভীৰ চিন্তাত মগ্ন হোৱা। cog'-i-ta-tive, *adj.* cog'-i-ta-ble, *adv.*

cog'-nate, *adj.* একে জাতৰ, সগোত্ৰ।

cog'-ni-zant (*kon'-i-zant* or *kog'-ni'*), *adj.* (কোনো বিষয়ে) জ্ঞান থকা বা জনা। cog-ni'-tion, *n.* cog'-nize, *v.* cog'-ni-zance (*-sance*), *n.* জ্ঞান, চিন। cog'-ni-za-ble, *adj.*

co-here', *v.* একে লগ লগা, সংযুক্ত হৈ থকা, কামোৰ খাই ধৰা। co-he'-rence, *n.* যুক্তি বা বৰ্ণনাৰ সামঞ্জস্য ভাব। co-he'-sion, *n.* সংযোগ। co-he'-rent, *adj.* পৰস্পৰ সম্বন্ধ থকা, সংযুক্ত। co'-hort, *n.* অশ্বেৰে সৈতে সাজু সৈন্যদল।

coil, *n.* জ'ৰীৰ বা তেনে বস্তুৰ কোধোৱা বা মেৰ, হাই উৰুমি, জঞ্জাল; *v.* মেৰাই ধৰা, কোধোৱা পকোৱা।

coin, *n.* মুদ্ৰা. টকা পইচা আদি; *v.* মুদ্ৰা তৈয়াৰ কৰা, নতুনকৈ আবিষ্কাৰ কৰা, উলিওৱা। coin'-age, *n.* মুদ্ৰা তৈয়াৰ কৰা কাৰ্য্য, আবিষ্কাৰ।

co-in-cide', *v.* ঠিকে ঠাকে মিলি যোৱা, একে সময়তে ঘটা। co-in'-ci-dence *n.* co-in'-ci-dent (-al), *adj.*

coir, *n.* নাৰিকলৰ বাকলিৰ আঁহ।

coke, *n.* এবিধ কয়লা; *v.* পোৰা কয়লা কৰা।

cold, *adj.* ঠাণ্ডা, চেঁচা, উৎসাহহীন; *n.*

col-lapse', *n.* আকস্মিক পতন, ধ্বংস, সম্পূৰ্ণ বিফলতা বা ব্যৰ্থতা, জীৱনী শক্তিৰ অতিশয় হ্ৰাস, অবসন্নতা; *v.* পতন হোৱা, ভাঙ্গি পৰা, ধ্বংস হোৱা, সম্পূৰ্ণভাৱে নিষ্ফল বা ব্যৰ্থ হোৱা; জীৱনী-শক্তি তেনেই কম হোৱা। col-laps'-i-ble, *adj.*

col'-lar, *n.* গলত পিন্ধা 'কলাৰ'; *v.* ডিঙ্গিত ধৰা, গলত আঁটি ধৰা।

col-late', *v.* মিলাই চোৱা, তুলনা কৰা, ধৰ্ম্মযাজক আদি পদত নিযুক্ত কৰা। col-la'-tion, *n.* ধৰ্ম্মযাজক-নিয়োগ, জলপান।

col'-league (*-leeg*), *n.* সহযোগী।

col-lect', *v.* সংগ্ৰহ কৰা, গোটোৱা, আদায় কৰা, সিদ্ধান্ত কৰা, গোট খোৱা বা একে লগ হোৱা। col-lec'-tion, *n.* col-lec'-tor, *n.* আদায়কাৰী। col-lec'-tive, *adj.*

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

col'-lect, *n.* চুটি প্ৰাৰ্থনা।

col'-lege (*-lej* or *-lij*), *n.* কলেজ, বিদ্বান লোকৰ সমাজ বা সঙ্ঘ। col-le'-gi-ate, *adj.*

col-lide', *v.* ঠেকাঠেকি লগা বা হোৱা। col-li'-sion (*-shun*), *n.* ঠেকাঠেকি, সংঘৰ্ষ।

col'-li-er, *n.* কয়লা খানোঁতা বা কয়লাৰ কাৰবাৰ কৰা মানুহ; কয়লাৰ জাহাজ। col'-li-er-y, *n.* কয়লাৰ খনি।

col'-li-gate, *v.* একত্ৰ কৰা, যুক্ত কৰা। col-li-ga'-tion, *n.*

col'-lop, *n.* মঙহৰ ডোখৰ।

col'-lo-quy (*-kwi*), *n.* কথাবতৰা। col-lo'-qui-al, *adj.* সদায় কথাবতৰাত চলিত।

col-lude', *v.* কুমন্ত্ৰণা কৰা, চক্ৰান্ত কৰা।

col-lu'-sion (*-zhun*), *n.* প্ৰতাৰণাৰ বাবে কৰা কুমন্ত্ৰণা বা চক্ৰান্ত। col-lu'-sive, *adj.*

colo'-nel (*kur'-nel*), *n.* ফৌজৰ নায়ক বা সেনাপতি।

col-on-nade' (*-nād'*), *n.* স্তম্ভৰ শাৰী।

col'-o-ny, *n.* উপনিবেশ, যি ঠাইত আন দেশৰ পৰা মানুহ গৈ নিগাজীকৈ বসতি কৰে। co-lo'-ni-al, *adj.* col'-o-nize, *v.* উপনিবেশ স্থাপন কৰা বা উপনিবেশত পৰিণত কৰা। col-o-ni-za'-tion, *n.* col'-o-nist, *n.* উপনিবেশত থকা মানুহ।

co-los'-sus, *n.* ডাঙৰ মূৰ্ত্তি, যি আকৃতিত ডাঙৰ। co-los'-sal, *adj.* ডাঙৰ, মস্ত।

col'-our (*kul'-er*), *n.* বৰণ, ৰং, চেহেৰা, ছল; (*pl.*), ৰঙবোৰ, নিচান; *v.* ৰং দিয়া। col'-our-a-ble, *adj.* দেখাত সুন্দৰ বা ঠিক। col'-our-ing, *n.*

colt, *n.* ঘোঁৰাৰ পোৱালী, কম বয়সৰ বুদ্ধিহীন মানুহ। colt'-ish, *adj.*

col'-umn (*-um*), *n.* স্তম্ভ, যিহে ধৰি ৰাখে, সৈন্যদলৰ প্ৰধান ভাগ এটা। কিতাপৰ বা খবৰৰ কাকতৰ ওপৰৰ পৰা তললৈ লিখা ভাগ।

co'-ma, *n.* তন্দ্ৰা, সম্পূৰ্ণ অজ্ঞান অৱস্থা। co'-ma-tose, *adj.* গাত চুৰ্ত্তি বা হুচ নথকা।

comb (*kōm*), *n.* ফণি, কাকৈ, কুকুৰাৰ মূৰৰ ঝ, মৌ-বিচনী; *v.* মূৰচুঁচা, ফণিওৱা।

com'-bat, *n.* যুঁজ; *v.* যুঁজ কৰা, বাধা দিয়া। com'-bat-ant, *n.* যুঁজাৰু। com'-bat-ive, *adj.* যুঁজপ্ৰিয়।

com-bine', *v.* সংযোগ কৰা, লগ লগা বা হোৱা, মিল হোৱা। com-bi-na'-tion (*-bi-*), *n.* লগ, মিল।

com-bus'-ti-ble, *adj.* দহনীয়, দাহ্য। com-bus'-tion, *n.* দহন।

come (came, come, com'-ing), *v.* অহা। com'-er, *n.* আগন্তুক।

com'-e-dy, *n.* হাস্যৰসৰ নাটক, যি নাটকৰ শেষত মিলন হয়। come'-di-an, *n.* এনে নাটকৰ লিখক বা অভিনেতা।

come'-ly, *adj.* সুন্দৰ, ধুনীয়া, আনন্দদায়ক। come'-li-ness, *n.*

com'-et, *n.* ধূমকেতু।

com'-fort (*kum'-furt*), *n.* আৰাম, সুখ, সান্ত্বনা; *v.* আৰাম বা সুখ দিয়া, সান্ত্বনা দিয়া। com'-fort-a-ble, *adj.* আৰামজনক। com'-fort-er, *n.* আশ্বাসদাতা, সান্ত্বনা কৰোঁতা, গলবন্ধা।

com'-ic, *adj.* হাঁহি তোলা, হাস্যোদ্দীপক। com'-ic-al, *adj.*

com'-i-ty, *n.* শিষ্টাচাৰ।

com-mand', *v.* আদেশ দিয়া, হুকুম দিয়া,

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

অধীনত ৰখা ; *n.* আদেশ, হুকুম। com-man-dant', *n.* com-man'-der, *n.* সেনাপতি। com-mand'-ment, *n.* আদেশ। com-mand'-ing, *adj.* হুকুম দিয়া, হৃদয়গ্ৰাহী।

com-mem'-o-rate, *v.* মনত সোঁৱৰোৱা, কোনো বিশেষ অনুষ্ঠানৰ দ্বাৰা সোঁৱৰা। com-mem-o-ra'-tion, *n.*

com-mence', *v.* আৰম্ভ কৰা বা হোৱা। com-mence'-ment, *n.* আৰম্ভ।

com-mend', *v.* প্ৰশংসা কৰা, ভাল বোলা, কাৰো হাতত ৰক্ষাৰ বাবে অৰ্পণ কৰা, কাৰো তত্ত্বাবধানত দিয়া। com-men'-da-ble, প্ৰশংসা কৰিবৰ যোগ্য। com-men-da'-tion, *n.* প্ৰশংসা।

com'-ment, *v.* টীকা বা টিপ্পনী লিখা, টোকা লিখা, নিন্দা বা প্ৰশংসা কৰা ; *n.* com'-men-ta-ry, *n.* টীকা বা টিপ্পনী com'-men-ta-tor, *n.* টীকাকাৰ।

com'-merce, *n.* বাণিজ্য। com-mer'-cial (*-shal*), *adj.* বাণিজ্য সম্বন্ধীয়।

com-mis'-er-ate, *v.* পুতৌ কৰা, আনৰ দুখত দুখ বা সহানুভূতি দেখুৱা। com-mis-er-a'-tion, *n.* পুতৌ, সহানুভূতি, দয়া, আনৰ দুখত দুখ অনুভৱ।

com'-mis-sa-ry, *n.* যাক কোনো কাৰ্য্যৰ ভাৰ দিয়া হয়, সৈন্যৰ খাদ্য যোগোৱা কৰ্ম্মচাৰী। com-mi-sa'-ri-at, *n.* সৈন্যদলৰ ৰচদ যোগোৱা বিভাগ।

com-mis'-sion (*-mish'-un*), *n.* (ভুল, অপৰাধ আদি) কৰা কাম, কোনো কামৰ বা বিশ্বাসৰ ভাৰ সমৰ্পণ, ক্ষমতাপত্ৰ দান, যুদ্ধ বিভাগৰ কোনো কৰ্ম্মচাৰীৰ পদত নিযুক্ত কৰা নিয়োগপত্ৰ, কোনো বিশেষ কাম কৰিবলৈ নিযুক্ত কৰা সভা, কোনো কাম কৰি দিয়াৰ বাবে প্ৰাপ্য বেনাচ বা 'কমিচন'; *v.* কোনো কামৰ ভাৰ দিয়া, ক্ষমতা দিয়া। com-mis'-sion-er, *n.* ভাৰ পোৱা কৰ্ম্মচাৰী, প্ৰদেশৰ বিভাগীয় কৰ্ম্মচাৰী। com-mis-sion-aire', *n.* দূত, সংবাদ বাহক।

com-mit', *v.* ভাৰ অৰ্পণ কৰা, গতাই দিয়া, কৰা (দোষ, চুৰি, অপৰাধ আদি), বিচাৰলৈ বা ফাটেকলৈ পঠিওৱা, প্ৰতিজ্ঞা কৰা। com-mit'-ment, *n.* com-mit'-al, *n.*

com-mit'-tee, *n.* সমিতি।

com-mo'-di-ous, *adj.* সুবিধাজনক, উপযুক্ত আহল বহল।

com-mod'-i-ty, *n.* বেপাৰৰ বস্তু, ব্যৱহাৰৰ উপযুক্ত বস্তু।

com'-mo-dore, *n.* যুদ্ধৰ জাহাজৰ অধ্যক্ষ।

com'-mon, *adj.* সাধাৰণ, ৰাজহুৱা, নীচ, তুচ্ছ ; *n.* সৰ্ব্বসাধাৰণে ব্যৱহাৰ কৰিব পৰা খোলা পথাৰ। com'-mon-ly, *adv.* সাধাৰণতঃ। com'-mon-er, *n.* সাধাৰণ তৰপৰ মানুহ। com'-mon-al-ty, *n.* জনসাধাৰণ। Com'-mons, *n.* ইংলণ্ডৰ ৰাজসভাৰ ভিতৰৰ সৰ্ব্বসাধাৰণৰ প্ৰতিনিধি-সভা। com'-mon-weal, *or* com'-mon-wealth, *n.* সাধাৰণতন্ত্ৰ শাসন।

com-mo'-tion, *n.* আন্দোলন, উত্তেজিত অৱস্থা, হাই-উৰুমি, হাঙ্গামা।

com-mune', *v.* আলাপ কৰা, কথা-বতৰা পতা, মনে মনে পৰামৰ্শ কৰা। com-mu'-nal, *adj.* জনসাধাৰণ সম্বন্ধীয়। com-mu'-ni-on (*-nyun*), *n.* কথাবতৰা বা আলাপ, খৃষ্টৰ শেষৰ ভোজন নামৰ পৰ্ব্ব। com-mu'-ni-cant, *n.* এই পৰ্ব্বত যোগ দিওঁতা। com-mu'-ni-cate, *v.* দিয়া (খবৰ আদি), সংযুক্ত বা সংলগ্ন কৰা। com-mu-ni-ca'-tion, *n.* খবৰ আদি

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

দিয়া কাৰ্য্য, চিঠিপত্ৰৰ আদান প্ৰদান, যাতায়াতৰ উপায়। com-mu'-ni-ca-tive, *adj.* খবৰ দিবলৈ সাজু। com'-mu-nism, *n.*

com-mu'-ni-ty, *n.* সমাজ, সম্প্ৰদায়।

com-mute', *v.* পৰিবৰ্ত্তন কৰা, কম কৰা। com-mu-ta'-tion, *n.*

com-pact', *adj.* টান, দৃঢ়, সংক্ষিপ্ত ; *v.* সদৃঢ় আৰু আঁটিল কৰা ; *n.* চুক্তিপত্ৰ।

com-pan'-ion (*-yun*), *n.* সঙ্গী, লগ। com'-pa-ny, *n.* সঙ্গ, দল।

com-pare', *v.* মিলাই চোৱা, তুলনা কৰা, ভাল বেয়া বিচাৰ কৰা। com-par'-a-tive, *adj.* তুলনামূলক। com-par'-i-son, *n.* তুলনা, সাদৃশ্য, উপমা।

com-part'-ment, *n.* ভাগ, কোঠা।

com'-pass (*kum'-*), *n.* বেৰ, পৰিধি, চৌহদ, সীমা, আয়তন, দিগ্‌দৰ্শন যন্ত্ৰ ; *v.* বেঢ়ি ধৰা, আক্ৰমণ কৰা, কোনো উদ্দেশ্য সিদ্ধ কৰা। com'-pass-es, *n. pl.* বৃত্ত অঁকা কম্পাচ যন্ত্ৰ।

com-pas'-sion (*-pash'-un*), *n.* পুতৌ, সহানুভূতি, দয়া। com-pas'-sion-ate, *adj.* দয়ালু, পৰৰ দুখত দুখিত।

com-pat'-i-ble, *adj.* সঙ্গত, উপযোগী, অনুযায়ী। com-pat-i-bil'-i-ty, *n.*

com-pel', *v.* বাধ্য কৰা।

com-pen'-di-um, *n.* সংক্ষিপ্ত বিৱৰণ, সাৰ সংগ্ৰহ। com-pen'-di-ous, *adj.* সংক্ষিপ্ত, চুটি।

com'-pen-sate, *v.* ক্ষতি পূৰণ কৰা, লোকচানি দিয়া। com-pen-sa'-tion, *n.* ক্ষতিপূৰণ। com-pen'-sa-to-ry, *adj.*

com-pete', *v.* অৰিয়া অৰি কৰা, প্ৰতিযোগিতা কৰা। com-pe-ti'-tion, *n.* অৰিয়া অৰি, প্ৰতিযোগিতা। com-pet'-i-tor, *n.* প্ৰতিযোগী, অৰিয়া অৰি কৰোঁতা। com-pet'-i-tive, *adj.* প্ৰতিযোগিতা-মূলক।

com'-pe-tent, *adj.* উপযুক্ত, কাৰ্য্যদক্ষ, সক্ষম। com'-pe-tence, *n.* com'-pe-ten-cy, *n.* উপযুক্ততা, যোগ্যতা, কাৰ্য্য-দক্ষতা।

com-pile', *v.* সঙ্কলন কৰা, সংগ্ৰহ কৰি লিখা। com-pi-la'-tion, *n.* সংগ্ৰহ। com-pil'-er, *n.* সংগ্ৰহ কৰোঁতা।

com-pla'-cent, *adj.* সন্তুষ্ট। com-pla'-cence, *n.* com-pla'-cen-cy, *n.* সন্তোষ, আত্মতুষ্টি।

com-plain', *v.* অভিযোগ কৰা, দোষ বা খুঁত ধৰা, আসোঁৱাহ ধৰা, ভদ্ ভদ্ কৰা, অসন্তোষ প্ৰকাশ কৰা। com-plain'-ant, *n.* অভিযোগ কৰোঁতা, বাদী, গুচৰীয়া। com-plain'-er, *n.* দোষ বা খুঁত ধৰোঁতা। com-plaint', *n.* অভিযোগ, মোকৰ্দ্দমা, বেমাৰ।

com-plai'-sance, *n.* ভদ্ৰ ব্যৱহাৰ, শিষ্টাচাৰ। com-plai'-sant, *adj.* ভদ্ৰ।

com'-ple-ment, *n.* পূৰক ; *v.* পূৰণ কৰা। com-ple-men'-ta-ry, *adj.*

com-plete', *v.* শেষ কৰা, সম্পূৰ্ণ কৰা ; *adj.* সম্পূৰ্ণ। com-ple'-tion, *n.*

com'-plex, *adj.* জটিল, কুট। com-plex'-i-ty, *n.* জটিলতা।

com-plex'-ion (*-plek'-shun*), *n.* ছালৰ বৰণ, চেহেৰা।

com'-pli-cate, *v.* জটিল কৰা, পাক লগোৱা। com-pli-ca'-tion, *n.* জটিলতা, পাক। com'-pli-ca-ted, *adj.*

com-plic'-i-ty (*-plis'-*), *n.* কু কামত সহায়তা বা সহযোগিতা।

com'-pli-ment, *n.* অভিবাদন, প্ৰণাম,

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

আদৰ বা সম্মানৰ সম্ভাষণ ; *v.* com-pli-men'-ta-ry, *adj.* সম্মানসূচক।

com-ply', *v.* মত দিয়া, মান্তি হোৱা। com-pli'-ant, *adj.* সেও, নম্র বা শিষ্টাচাৰ-পূর্ণ। com-pli'-ance, *n.* সম্মতি।

com-po'-nent, *adj.* গঠনকাৰী।

com-port', *v.* মিল হোৱা, আচৰণ কৰা।

com-pose', *v.* ৰচনা কৰা, গঠন কৰা, গোটোৱা, শান্ত কৰা। com-posed', *adj.* শান্ত। com'-po-site (*-zit*), *adj.* অংশেৰে গঠিত। com-po-si'-tion, *n.* ৰচনা, গঠন। com-pos'-i-tor, *n.* ছাপাখানাত আখৰ বাচি সজোৱা মানুহ। com-po'-sure, *n.* শান্তভাব, স্থিৰভাৱ।

com'-pound, *adj.* মিহলি বা মিশ্র, যৌগিক ; *n.* মিহলি বস্তু, যৌগিক শব্দ, সমাস কৰা পদ, বেড়ি ৰখা ঠাই। com-pound', *v.* মিহলি কৰা, নানা বস্তুৰে তৈয়াৰ কৰা, দন্দ মিতোৱা বা ৰফা কৰা।

com-pre-hend', *v.* বুজা, ধৰা, অন্তর্গত কৰা। com-pre-hen'-si-ble, *adj.* বুজিব পৰা। com-pre-hen'-sion, *n.* বোধ, বুজা শক্তি, বহুতো ভিতৰ কৰি লোৱা কার্য্য। com-pre-hen'-sive, *adj.* বহুতো ভিতৰ কৰি লোৱা, বিস্তৃত।

com-press', *v.* কোঁচ খুওৱা, চেপি সৰু কৰা। com-pres'-sion, *n.*

com-prise', *v.* ধৰা, অন্তর্ভুক্ত কৰা, ভিতৰ কৰা।

com'-pro-mise, *v.* আপোচত ৰফা কৰা বা মীমাংসা কৰা ; *n.* আপোচ-নিষ্পত্তি, ৰফা।

com-pul'-sion, *n.* বাধ্যতা, বল। com-pul'-so-ry, *adj.* বাধ্যতামূলক।

com-punc'-tion, *n.* অনুতাপ, বেয়া কাম কৰাৰ বাবে ওপোজা মনত দুখৰ ভাব।

com-pute', *v.* গণনা কৰা, হিচাব কৰা। com-pu-ta'-tion, *n.* হিচাব, গণনা।

com'-rade, *n.* লগৰীয়া, সঙ্গী।

con'-cave, *adj.* ভিতৰ কোঁপোলা।

con, *v.* আৱৰা, মুখস্থ কৰা।

con-ceal', *v.* লুকাই ৰখা, ঢাকি ৰখা, গোপন কৰা। con-ceal'-ment, *n.* লুকাই ৰখা কার্য্য। con-cealed', *adj.*

con-cede', *v.* এৰি দিয়া, মানি লোৱা, স্বীকাৰ কৰা। con-ces'-sion, *n.* অনুগ্রহ, অনুগ্রহৰ দান, যি এৰি দিয়া হয়। con-ces'-sive, *adj.*

con-ceit' (*-seet*), *n.* মিছা অহঙ্কাৰ বা গৌৰব, নিজক ডাঙৰ বুলি ভবা, কাল্পনিক ভাব। con-ceit'-ed, *adj.* গপাল, অহঙ্কাৰী।

con-ceive' (*-seev'*), *v.* মনতে ভবা, কল্পনা কৰা, অনুভব কৰা, চিন্তা কৰা, বুজা, গর্ভধাৰণ কৰা। con-ceiv'-a-ble, *adj.* বুজিব পৰা, কল্পনা কৰিব পৰা। con-cep'-tion, *n.* গর্ভধাৰণ, কল্পনা।

con'-cen-trate (*-sen'-*), *v.* একেটা বিন্দু লৈ (কেন্দ্র লৈ) অনা বা একে লগ কৰা, একে ঠাইত লগোৱা। con-cen-tra'-tion, *n.* কেন্দ্রীকৰণ, একাগ্রতা।

con-cern' (*-sern'*), *v.* সম্পর্ক বা সম্বন্ধ ৰখা, চিন্তিত কৰা ; *n.* সম্বন্ধ, প্রয়োজন, ব্যবসায় বা কাৰবাৰ, চিন্তা-ভাবনা, মনৰ উদ্বিগ্নতা। con-cern'-ing, *prep.* সম্বন্ধে, বিষয়ে।

con-cert', *n.* ঐক্য ভাব, মিল ভাব, কোনো কাজ কৰিবলৈ মতৰ মিল। কেইবাজনো মানুহে এক সুৰত বাজনা বজোৱা কার্য্য ; *v.* একে লগে পৰামর্শ কৰা, বন্দোবস্ত কৰা।

conch (*konk*), *n.* শঙ্খ।

con-cil'-i-ate (*-sil'-*), *v.* সন্তুষ্ট কৰা, মিল কৰা, শান্ত কৰা। নিজ পক্ষলৈ অনা, নহি

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

কৰা। con-cil'i-a-to-ry, *adj.* শান্ত কৰিব পৰা, সন্ধিৰ অনুকূল। con-cil-i-a'-tion, *v.* মিলন।

con-cise' (*-sīs'*), *adj.* সংক্ষিপ্ত। con-cise'-ly, *adv.* সংক্ষেপে। con-ci'-sion, *n.*

con'-clave, *n.* ধৰ্ম্মযাজক সকলৰ সভা; গোপনে পতা সভা।

con-clude', *v.* শেষ কৰা বা হোৱা, সিদ্ধান্ত কৰা। con-clu'-sion, *n.* শেষ, অন্ত, শেষ সিদ্ধান্ত। con-clu'-sive, *adj.* সামৰণি মৰা, শেষ নিষ্পত্তি বা সিদ্ধান্ত-কাৰী।

con-coct', *v.* হজম কৰা, বুদ্ধি সজা, উদ্ভাবন কৰা। con-coc'-tion, *n.*

con-com'-i-tant, *adj.* আনুষঙ্গিক; *n.* লগৰীয়া সঙ্গী। con-com'-i-tance, *n.*

con'-cord, *n.* মিলভাব, মিলন, একমত। con-cor'-dant, *adj.* মিলভাব থকা। con-cor'-dance, *n.* মিলভাব, কিতাপত (বিশেষকৈ বাইবেলত) থকা শব্দৰ সূচী।

con'-course, *n.* মানুহৰ হেন্দোলনি জনতা, সভা।

con'-crete, *adj.* ইন্দ্ৰিয়গ্ৰাহ্য বস্তুবাচক বা সম্বন্ধীয়; *n.* এবিধ চূণচুৰকী।

con-cur', *v.* মতৰ মিল হোৱা, মান্তি হোৱা, সম্মত হোৱা। con-cur'-rent, *adj.* & *n.*

con-cus'-sion (*kush'-un*), *n.* খুন্দা, ৰবকৈ লগা ঠেকা, খুন্দা বা ঠেকা লাগি উৎপন্ন হোৱা কঁপনি।

con-demn' (*-dem'*), *v.* দোষাৰোপ কৰা, নিন্দা কৰা, দোষী বুলি থিৰ কৰা, শাস্তি দিয়া। con-dem-na'-tion, *n.*

con-dense', *v.* ঘন কৰা, আকাৰত কম কৰা, বাষ্পীয় বস্তুক তৰল কৰা, সংক্ষিপ্ত কৰা। con-den-sa'-tion, *n.*

con-de-scend' (*-send'*), *v.* তললৈ নমা, হীনতা স্বীকাৰ কৰা, প্ৰসন্ন হোৱা বা মান্তি হোৱা। con-de-scen'-sion, *n.* বিনয়, প্ৰসন্নতা।

con-dign' (*-dīn'*), *adj.* উপযুক্ত, যথোপযুক্ত।

con'-di-ment, *n.* আঞ্জাৰ মছলা।

con-di'-tion, *n.* অবস্থা, সৰ্ত্ত, পদবী। con-di'-tion-al, *adj.* সৰ্ত্ত অনুযায়ী।

con-dole', *v.* আনৰ শোকত শোক প্ৰকাশ কৰা, আনৰ দুখত সহানুভূতি প্ৰকাশ কৰা। con-do'-lence, *n.* আনৰ দুখত বা শোকত, দুখ বা শোক প্ৰকাশ।

con-done', *v.* ক্ষমা কৰা, (দোষ) দেখিও নেদেখা। con-do-na'-tion, *n.* ক্ষমা।

con'-dor, *n.* এবিধ শগুণ।

con-duce', *v.* বৃদ্ধি কৰা, সহায় কৰা। con-du'-cive, *adj.* উপকাৰী।

con-duct', *v.* বাট দেখুৱা, চলাই নিয়া, চলন ফুৰণ বা ব্যৱহাৰ দেখুৱা। con'-duct, *n.* ব্যৱহাৰ, আচৰণ, স্বভাৱ, চৰিত্ৰ। con-duc'-tion, *n.* con-duc'-tor, *n.* পৰি-চালক, নেতা।

con-duit (*-dit*), *n.* পানী-যোৱা ডাঙৰ খাল বা নলা।

cone, *n.* এবিধ গছৰ গুটি।

con-fab'-u-late, *v.* গপ কৰা। con-fab-u-la'-tion, *n.*

con-fec'-tion, *n.* মিঠাই। con-fec'-tion-er, *n.* মিঠাই কৰোঁতা বা বেচোঁতা। con-fec'-tion-er-y, *n.* মিঠাইৰ দোকান, মিঠাই।

con-fed'-er-ate, *v.* সন্ধি সূত্ৰত বন্ধা থকা; *adj.* সন্ধি সূত্ৰত আবদ্ধ, সম্মিলিত; *n.* মিত্ৰ; কুকাজৰ সঙ্গী। con-fed-er-a'-tion, *n.* con-fed'-er-a-cy, *n.* পৰস্পৰক

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সহায় কৰিবলৈ লগ হোৱা মানুহ, ৰাজ্য বা জাতিবোৰ।

con-fer', *v.* পৰামৰ্শ কৰা, দান কৰা, অৰ্পণ কৰা। con'-fer-ence, *n.* পৰামৰ্শ সভা বা সম্মিলন। con-fer'-ra-ble, *adj.*

con-fess', *v.* (দোষ আদি) স্বীকাৰ কৰা, ধৰ্ম্মযাজকৰ ওচৰত পাপৰ কথা প্ৰকাশ কৰা। con-fes'-sion (*-fesh'-un*), *n.* দোষ-স্বীকাৰ। con-fes'-sion-al, *adj.*

con-fide', *v.* বিশ্বাস স্থাপন কৰা, বিশ্বাস কৰা, পতিওৱা। con'-fi-dence, *n.* বিশ্বাস, প্ৰত্যয়, পতিয়ন। con'-fi-dent, *adj.* con-fi-den'-tial (*-shal*), *adj.* গোপনীয়। con'-fi-dant, *n. m.* (*f.* -dante) যাক বিশ্বাস কৰা হয়, বিশ্বাসী, গোপনে ৰাখিব লগীয়া।

con-fine', *v.* আটক কৰা, বন্দী কৰা, সীমাৰ ভিতৰত ৰখা। con'-fine (*usually in pl.*), *n.* সীমা। con-fine'-ment, *n.* আটক, কাৰাবাস।

con-firm', *v.* দৃঢ় কৰা, সমৰ্থন কৰা। con-fir-ma'-tion, *n.* con-firmed', *adj.*

con'-fis-cate, *n.* দণ্ড স্বৰূপে চৰ্কাৰী কৰা বা বাজেয়াপ্ত কৰা। con-fis-ca'-tion, *n.*

con-fla-gra'-tion, *n.* ব্যাপক অগ্নিকাণ্ড।

con-flict', *v.* যুঁজ কৰা, বিৰোধী হোৱা; con'-flict, *n.* যুঁজবাগৰ, বিৰোধ, সংঘৰ্ষ।

con'-flu-ence, *n.* নদীৰ সঙ্গম স্থল, পৰস্পৰৰ মিলন। con'-flu-ent, *adj.*

con-form', *v.* একে কৰা, উপযোগী কৰা, মানি চলা। con-form'-a-ble, *adj.* con-for-ma'-tion, *n.* আকৃতি। con-form'-i-ty, *n.* সাদৃশ্য, মিল।

con-found', *v.* বিবুদ্ধি কৰা, বিচুতি খোৱা, বিশৃঙ্খল কৰা। con-found'-ed, *adj.* কিংকৰ্ত্তব্যবিমূঢ়।

con-front', *v.* সন্মুখীন হোৱা, বাধা দিয়া।

con-fuse', *v.* সানমিহলি কৰা, বেমেজালি কৰা, বিমোৰত পেলোৱা, বিবুদ্ধি কৰা, লজ্জিত কৰা। con-fu'-sion, বিমোৰ, বেমেজালি, বিশৃঙ্খলা, লজ্জা। con-fused', *adj.*

con-fute', *v.* মিছা বুলি প্ৰমাণ কৰা।

con-geal' (*jēl'*), *v.* গোট মৰা, ঘন হোৱা। con-gel-a'-tion, *n.*

con-ge'-ni-al, *adj.* উপযুক্ত, মনোমত।

con-gen'-i-tal, *adj.* আজন্ম।

con-gest', *v.* জমাট হোৱা, বেচিকৈ জমা কৰা। con-ges'-tion, *n.* শৰীৰৰ কোনো অংশত বেচিকৈ তেজ জমা; অতি জনতা।

con-glom'-er-ate, *v.* ঘূৰণীয়া বস্তুহে গোট খোৱা; *n.* ঘূৰণীয়া অংশেৰে গঠিত শিল। con-glom-er-a'-tion, *n.*

con-grat'-u-late, *v.* অভিনন্দন কৰা, আনৰ উন্নতিত আনন্দ প্ৰকাশ কৰা। con-grat-u-la'-tion, *n.* অভিনন্দন, আনন্দ প্ৰকাশ।

con'-gre-gate, *v.* একে লগ হোৱা, গোট খোৱা, জুম বন্ধা। con-gre-ga'-tion, *n.* জুম সভা, পূজা-উপাসনা আদিৰ বাবে গোট খোৱা লোক সকল।

con'-gress, *n.* মহাসভা (ৰাজনৈতিক)।

con'-gru-ence, *n.* মিল, সঙ্গতি। con'-gru-ent, con'-gru-ous, *adj.*

con-jec'-ture, *n.* অনুমান; *v.* অনুমান কৰা। con-jec'-tu-ral, *adj.*

con-join', *v* একেলগ কৰা, সংযুক্ত কৰা। con-joint', *adj.* সংযুক্ত, লগ লগা।

con'-ju-gal, *adj.* দাম্পত্য, বিয়া সম্বন্ধীয়।

con'-ju-gate, *v.* ধাতুৰূপ কৰা; *adj.* জোৰ হোৱা। con-ju-ga'-tion, *n.*

con-junc'-tion. *n.* সংযোজক, অব্যয়।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

con-jure' (*kon-joor'*), *v.* ধৰ্ম্মৰ দোহাই দি কোৱা, শপত দি অনুৰোধ কৰা। con-ju-ra'-tion, *n.*

con'-jure (*kun'-jĕr*), *v.* মন্ত্ৰ উচ্চাৰণ কৰি (ভূত) মাতা, মন্ত্ৰেৰে মোহিত কৰা, যাদুবিদ্যা বা বাজি দেখুৱা। con'-jur-er, *n.* যাদুকৰ।

con-nect', *v.* সংযুক্ত কৰা, লগ লগোৱা। con-nec'-tion *or* con-nex'-ion, *n.* সংযোগ, সম্বন্ধ। con-nec'-tive, *adj.*

con-nive', *v.* (কোনো দোষ) দেখিও নেদেখা। con-niv'-ance, *n.*

con'-quer (*kong'-ker*), *v.* জয়লাভ কৰা, পৰাস্ত কৰা। con'-quer-or, *n.* বিজেতা। con'-quest, *n.* জয়, যি ঠাই জয় কৰা হয়।

con'-science (*-shens*), *n.* বিবেক, হিতাহিত জ্ঞান, কৰ্ত্তব্য জ্ঞান। con-sci-en'-tious (*-shi-en'-shus*), *adj.* বিবেকৰ মতে চলা। কৰ্ত্তব্যপৰায়ণ।

con'-scious (*-shus*), *adj.* জ্ঞাত, সচেতন। con'-scious-ness, *n.* চেতনা, জ্ঞান।

con'-script, *n.* যাক আইনেৰে সৈন্য বা নৌ-বিভাগত কাজ কৰিবলৈ বাধ্য কৰে। con-scrip'-tion, *n.*

con'-se-crate, *v.* পবিত্ৰ কাৰ্য্যত বা দেবতাৰ উদ্দেশে উছৰ্গা কৰা। con-se-cra'-tion, *n.*

con-sec'-u-tive, *adj.* ক্ৰমিক। con-sec'-cu-tive-ly, *adv.* ক্ৰমান্বয়ে। con-se-cu'-tion, *n.*

con-sent', *v.* সন্মত হোৱা, মান্তি হোৱা; *n.* সন্মতি। con-sen-ta'-ne-ous, *adj.*

con'-se-quence, *n.* পৰিণাম, ফল, গুৰুত্ব। con'-se-quent, *adj.* আনুষঙ্গিক। con-se-quen'-tial (*-shal*), *adj.* গপাল, আত্ম-অভিমানী।

con-serve', *v.* ৰক্ষা কৰা, ফল আদি নপচাকৈ ৰখা; *n.* নপচাকৈ ৰখা ফল আদি। con-ser'-va-tive, *adj.* ৰক্ষণ-শীল। con-ser'-va-tism, *n.* ৰক্ষণশীলতা। con-ser-va'-tion, *n.* con-ser-va'-to-ry, *n.* গছ ৰখা ঘৰ।

con-sid'-er, *v.* বিবেচনা কৰা, ভৰা। con-sid-er-a'-tion, *n.* বিবেচনা। con-sid'-er-able, *adj.* ভালেখিনি, বহুত। con-sid'-er-ate, *adj.* বিবেচক। con-sid'-er-ing, *prep.* বিবেচনা কৰিলে।

con-sign' (*-sīn'*), *v.* (কাকো) দিয়া বা কাৰো ওচৰলৈ পঠিওৱা, বেচিবলৈ ভাৰ দিয়া। con-sign'-ment, *n.* প্ৰতিনিধিৰ ওচৰলৈ বেচাৰ কাৰণে পঠোৱা বস্তু, চালানৰ কাগজ। con-sign-ee', *n.* যাৰ ওচৰলৈ পঠিওৱা হয়। con-sign'-or, *n.* যোনে বেচিবলৈ বস্তু পঠিয়ায়।

con-sist', *v.* গঠিত হোৱা, ধৰা। con-sist'-ence, con-sist'-en-cy, *n.* দৃঢ়তাৰ পৰিমাণ, ঐক্যভাৱ। con-sist'-ent, *adj.* সঙ্গত, মিল থকা। con-sist'-or-y, *n.* খৃষ্টান যাজক সম্প্ৰদায়।

con-sole', *v.* সান্ত্বনা দিয়া। con-so-la'-tion, *n.* সান্ত্বনা। con-sol'-a-to-ry, *adj.* সান্ত্বনাপূৰ্ণ।

con-sol'-i-date, *v.* দৃঢ় কৰা, একে লগ কৰা, গোটোৱা। con-sol-i-da'-tion, *n.*

con'-so-nance, *n.* সুৰৰ মিল, ঐক্য ভাব। con'-so-nant, *adj.* সুৰৰ মিল থকা, একে সুৰত বজা; *n.* ব্যঞ্জন বৰ্ণ।

con-sort', *v.* লগ লাগি থকা। con'-sort, *n.* স্বামী বা স্ত্ৰী (বিশেষকৈ ৰজা বা ৰাণীৰ), সঙ্গী।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

con-spec'-tus, *n.* সাৰ কথা, চুম্বক।
con-spic'-u-ous, *adj.* ফটফটীয়া, স্পষ্ট। con spi-cu'-i-ty, *n.*
con-spire', *v.* কুমন্ত্রণা কৰা, চক্রান্ত কৰা। con-spir'-a-cy, *n.* ষড়যন্ত্র, কুমন্ত্রণা। con-spir'-a-tor, *n.* ষড়যন্ত্রকাৰী।
con'-sta-ble, *n.* শান্তিৰক্ষক। con-stab'-u-la-ry, *adj.* & *n.*
con'-stant, *adj.* স্থিৰ, অলৰ, অটল। con'-stan-cy, *n.* স্থিৰতা। con'-stant-ly, *adv.* সদায়।
con-stel-la'-tion, *n.* নক্ষত্ৰৰ সমষ্টি।
con'-ster-nate, *v.* ভীত কৰা। con-ster-na'-tion, *n.* ভয় (অকস্মাৎ ওপজা)।
con'-sti-pate, *v.* কোষ্ঠবদ্ধ কৰা। con-sti-pa'-tion, *n.*
con'-sti-tute, *v.* গঠন কৰা। con-sti-tu'-tion, *n.* গঠন, কোনো ভাল দৰে গঠিত শাসনতন্ত্র। con-stit'-u-en-cy, *n.* নিৰ্ব্বাচনকাৰী লোকৰ দল। con-stit'-u-ent, *adj.* গঠনকাৰী; *n.* যিহে গঠন কৰে। প্রতিনিধি নিৰ্ব্বাচনত মত দিওঁতা। con-sti-tu'-tion-al, *adj.* গঠনমূলক, শাৰীৰিক বা মানসিক, বৈধ, আইন সঙ্গত। con'-sti-tu-tive, *adj.* গঠনশীল।
con-strain', *v.* বাধ্য কৰা, বন্ধ কৰা, আটক কৰা। con-straint', *n.* বাধা, আটক। con-strained', *adj.*
con-strict', *v.* সঙ্কুচিত কৰা। con-stric'-tive, *adj.* con-strict'-or, *n.* মাংস পেশী সঙ্কোচনকাৰী, এবিধ সাপ।
con-stringe', *v.* সঙ্কুচিত কৰা।
con-struct', *v.* নিৰ্ম্মাণ কৰা, সজা, অঙ্কন কৰা। con-struc'-tion, *n.* নিৰ্ম্মাণ। con-struc'-tive, *adj.*

con-strue', *v.* অন্বয় কৰা, অৰ্থ কৰা, ব্যাখ্যা কৰা।
con'-sul, *n.* বাণিজ্য ৰক্ষাৰ বাবে বিদেশত ৰখা ৰজাৰ কৰ্ম্মচাৰী। con'-su-lar, *adj.*
con-sult', *v.* পৰামৰ্শ কৰা। con-sul-ta'-tion, *n.* পৰামৰ্শ।
con-sume', *v.* খাই পেলোৱা, খৰচ কৰা, ধ্বংস কৰা, নাশ কৰা, পোৰা। con-sump'-tion, *n.* ধ্বংস, ক্ষয়, নাশ, ব্যয়, খৰচ, ক্ষয়-কাহ।
con-sum'-mate, *adj.* সম্পূৰ্ণ। con'-sum-mate, *v* সম্পূৰ্ণ কৰা, সমাধা কৰা। con-sum-ma'-tion, *n.*
con'-tact, *n.* স্পৰ্শ, মিলন, সংযোগ।
con-ta'-gion (*-jun*), স্পৰ্শৰ দ্বাৰা সংক্রামণ, চুৱা দোষত বিয়পি পৰা বেমাৰ বা বিহ। con-ta'-gious (*-jus*), *adj.* সংক্রামক।
con-tain', *v.* ধাৰণ কৰা, ধৰা। con'-tents, *n.* ভিতৰত থকা বস্তু বা বিষয়, কিতাপৰ সূচী।
con-tam'-i-nate, *v.* অপবিত্র কৰা, মলিন বা দূষিত কৰা, কলুষিত কৰা। con-tam-i-na'-tion, *n.*
con-temn' (*-tem'*), *v.* তুচ্ছ বুলি ভবা, ঘিণ কৰা, অবহেলা কৰা। con-tem'-ner, *n.*
con'-tem-plate, *v.* একান্ত মনে ভবা, ধ্যান কৰা, মনত ভবা। con-tem-pla'-tion, *n.* একাগ্ৰতীয়া চিন্তা, ধ্যান।
con-tem'-po-ra-ry, *adj.* সমসাময়িক; *n.* সহযোগী। con-tem'-po-rize, *v.*
con-tempt' (*-temt'*), *n.* আওহেলা, ঘৃণা, তুচ্ছ-জ্ঞান। con-temp'-ti-ble, হেয়, ঘৃণনীয়, তুচ্ছ। con-temp'-tu-ous, *adj.* ঘৃণাপূৰ্ণ।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

con-tend', *v.* প্ৰতিযোগিতা কৰা, কাজিয়া কৰা, তৰ্ক-বিতৰ্ক কৰা। con-ten'-tion, *n.* con-ten'-tious (*-shus*), *adj.* কাজিয়া ভাল পোৱা, তৰ্ক-বিতৰ্ক-প্ৰিয়।

con-tent', *adj.* সন্তুষ্ট ; *n.* সন্তোষ ; *v.* সন্তুষ্ট কৰা। con-tent'-ment, *n.* সন্তোষ। con-tent'-ed, *adj.*

con'-test, *n.* দ্বন্দ্ব, তৰ্ক-বিতৰ্ক, যুঁজ। con-test', *v.* প্ৰতিবাদ কৰা, পাবলৈ চেষ্টা কৰা, যুঁজ কৰা। con-test'-a-ble, *adj.*

con'-text, *n.* কোনো বাক্যৰ লগত সম্বন্ধ থকা আগৰ বা পিছৰ অংশ, প্ৰসঙ্গ।

con-tig'-u-ous, *adj.* নিচেই ওচৰত থকা, চুই থকা। con-ti-gu'-i-ty, *n.*

con'-ti-nence, *n.* আত্মদমন, ব্ৰহ্মচৰ্য্য। con'-ti-nent, *adj.*

con'-ti-nent, *n.* মহাদেশ। con-ti-nent'-al, *adj.* মহাদেশ সম্বন্ধীয়।

con-tin'-gent (*-jent*), *adj.* হঠাৎ ঘটিব পৰা, আকস্মিক ; *n.* আকস্মিক ঘটনা, এদল সৈন্য। con-tin'-gen-cy, *n.* যি হঠাৎ ঘটিব পাৰে।

con-tin'-ue, *v.* ক্ৰমান্বয়ে চলি থকা, কোনো কাৰ্য্য ক্ৰমান্বয়ে কৰি থকা। con-tin'-u-al, *adj.* নেৰানেপেৰা। con-tin'-u-ance, *n.* স্থায়িত্ব। con-tin'-u-al-ly, *adv.* একেৰাহে। con-tin-u-a'-tion, *n.* con-ti nu'-i-ty, *n.* বাধা নোহোৱাকৈ চলি থকা কাৰ্য্য। con-tin'-u-ous, *adj.* নেৰা নপৰা, ধাৰাসাৰ।

con-tort', *v.* কোঁচ খোৱা, মোটকা। con-tor'-tion [-ist], *n.*

con'-tra-band, *adj.* বাধা থকা, বেআইনি ; *n.* নিষেধ থকা মাল। con'-tra-ban-dist, *n.*

con'-tract, *n.* ঠিকা, চুক্তি-পত্ৰ। con-trac'-tion, *n* con-trac'-tor, *n.* ঠিকাদাৰ। con-tract', *v.* বন্দোবস্ত কৰা, কোঁচ খোৱা, কোঁচ খুওৱা, সৰু কৰা, সংক্ষেপ কৰা।

con-tra-dict', *v.* প্ৰতিবাদ কৰা, বিৰুদ্ধে কোৱা বা তৰ্ক কৰা। con-tra-dic'-to-ry, *adj.* অসঙ্গত, বিপৰীত। con-tra-dic'-tion, *n.*

con'-tra-ry, *adj.* ওলটা, বিপৰীত। con'-tra-ri-ly, con'-tra-ri-wise, *adv.*

con-trast', *v.* বিভিন্নতা দেখুৱাই তুলনা কৰা। con'-trast, *n.* বিভিন্নতা দেখুৱাবলৈ কৰা তুলনা।

con-tra-vene', *v.* বাধা দিয়া। con-tra-ven'-tion, *n.* বাধা।

con-trib'-ute, *v.* আনৰ লৈতে দান কৰা, আংশিক হিচাবে সহায় কৰা। con-tri-bu'-tion, *n.* বৰঙনি, খবৰৰ কাকতলৈ পঠোৱা প্ৰবন্ধ। con-trib'-u-tive, *adj.* con-trib'-u-tor, *n.* যোনে ...... । con-trib'-u-tory, *adj.* সহায় হোৱা।

con'-trite, *adj.* অনুতপ্ত। con-tri'-tion, *n.* অনুতাপ।

con-trive', *v.* বুদ্ধি সজা, কৌশল কৰা, উদ্ভাবন কৰা বা উলিওৱা। con-triv'-ance, *n.* উদ্ভাবন, কৌশল।

con-trol', *v.* চলোৱা, শাসন কৰা, দমন কৰা, বাধা দিয়া ; *n.* শাসন, দমন। con-trol'-ler (*or* comp-), *n.* হিচাব পৰীক্ষা কৰা কৰ্ম্মচাৰী।

con'-tro-vert, *v.* তৰ্ক-বিতৰ্ক কৰা, আপত্তি কৰা, বিৰুদ্ধে যুক্তি দেখুৱা। con-tro-ver'-ti-ble, *adj.* con'-tro-ver-sy, *n.* তৰ্ক-বিতৰ্ক, বিবাদ। con-tro-ver'-sial (*-shal*), *adj.* তৰ্ক-বিতৰ্ক-মূলক, বিবাদ মূলক, বিচাৰৰ যোগ্য।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

con'-tu-ma-cy, *n.* চৰ্কাৰৰ আদেশ নমনা, অবাধ্যতা। con'-tu-me-ly, *n.* অবজ্ঞা, অশিষ্টতা। con-tu-ma-cious, *adj.*

con-tuse', *v.* থেতেলোৱা। con-tu'-sion (*-shun*), *n.*

co-nun'-drum, *n.* চুটি সাঁথৰ।

con-va-les'-cence, *n.* বেমাৰৰ পিছত লাহে লাহে স্বাস্থ্যলাভ। con-va-les'-cent, *adj.* বেমাৰৰ পিছত অলপ বল-পোৱা।

con-vec'-tion, *n.* তাড়িত সঞ্চালন।

con-vene', *v.* একে লগ হবলৈ মাতা, (সভা) পতা। con-ven'-tion, সভা, কিছু দিনলৈ যুদ্ধ স্থগিত ৰখাৰ সন্ধিপত্ৰ।

con-ve'-ni-ent, *adj.* সুবিধাজনক। con-ve'-ni-ence, *n.* সুবিধা।

con'-vent, *n.* সন্ন্যাসিনী সকলৰ আশ্ৰম বা মঠ। con-ven'-tu-al, *adj.*

con-verge', *v.* এক বিন্দুলৈ যোৱা। con-ver'-gence, *n.* con-ver'-gent, *adj.*

con-verse', *v.* আলাপ কৰা, কথাবতৰা পতা। con-ver-sa'-tion, *n.* কথাবতৰা। con'-ver-sant, *adj.* পৰিচিত, অভিজ্ঞ। con'-verse, *n.* কথাবতৰা, বিপৰীত প্ৰতিজ্ঞা; *adj.* বিপৰীত, ওলটা।

con-vert', *v.* এক অবস্থাৰ পৰা আন অবস্থালৈ পৰিবৰ্ত্তন কৰা, আন ধৰ্ম্মত বা মতত দীক্ষিত কৰা। con-ver'-sion, *n.* con'-vert, *n.* আনৰ ধৰ্ম্মত বা মতত দীক্ষিত লোক। con-vert'-i-ble, *adj.*

con'-vex, *adj.* কাছঁ পিঠীয়া, বাহিৰৰ ফালে ঘূৰণীয়া। con-vex'-i-ty, *n.*

con-vey' (*-vā'*), *v.* ডাঙ্গি লৈ যোৱা, বৈ নিয়া, ধাৰণ কৰা; con-vey'-ance, *n.* যান, বাহন।

con-vict', *v.* দোষী প্ৰমাণ কৰা, অপৰাধীয়া বুলি ধৰা। con'-vict, *n.* শাস্তিপোৱা দোষী বা অপৰাধীয়া। con-vic'-tion, *n.* দোষী বা অপৰাধীয়া বুলি ধৰা কাৰ্য্য, শাস্তিৰ আদেশ, দৃঢ় বিশ্বাস।

con-vince', *v.* প্ৰত্যয় মনোৱা, যুক্তিৰে সন্দেহ গুচোৱা। con-vinc'-ing, *adj.*

con-viv'-i-al, *adj.* উৎসৱেৰে পূৰ্ণ, ধেমেলীয়া, সামাজিক।

con-voke', *v.* গোট খাবলৈ মাতা। con-vo-ca'-tion, *n.* সভা, ধৰ্ম্মযাজক সকলৰ বা বিশ্ববিদ্যালয়ৰ সভা।

con-volve', *v.* মেৰিওৱা। con-vo-lu'-tion, *n.* con'-vo-lu-ted, *adj.*

con-voy', *v.* ৰখীয়া হৈ লগত যোৱা। con'-voy, *n.* লগত যোৱা ৰখীয়া, যিহৰ লগত ৰখীয়া হৈ যোৱা যায়।

con-vulse', *v.* ৰৰকৈ কঁপোৱা, মোৰ ধৰা, মাংসপেশী কোঁচ খোৱা। con-vul'-sion, *n.* মাংসপেশী আপোনা আপুনি কোঁচ খোৱা, মোৰ। con-vul'-sive, *adj.*

cook, *n.* ৰান্ধনী; *v.* ৰন্ধা, পাক কৰা। cook'-er-y, *n.* ৰন্ধা কাজ।

cool, *adj.* ঠাণ্ডা, চেঁচা, আগ্ৰহশূন্য, উদাসীন; *n.* ঠাণ্ডা সময়; *v.* চেঁচা বা শান্ত কৰা। cool'-ness, *n.* cool'-ly, *adv.*

cool'-ie, *n.* কাম কৰোঁতা।

coop, *n.* কুকুৰা ৰখা সজা; *v.* আগুৰি ৰখা।

coop'-er, *n.* পিপা তৈয়াৰ কৰোঁতা।

co-op'-er-ate, *v.* সহযোগিতা কৰা, আনৰ লগত একে লগে কাম কৰা। co-op-er-a'-tion, *n.* সহযোগিতা। co-op'-er-a-tive, *adj.* co-op-er-a'-tor, *n.*

co-opt', *v.* থকা সভ্য সকলৰ মতলৈ নিৰ্ব্বাচন কৰা। cō-op-ta'-tion, *n.*

co-or'-di-nate, *adj.* একে শ্ৰেণী বা পদৰ;

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

v. সমান শ্ৰেণীত ভুক্ত কৰা ; *n.* সমান শ্ৰেণীৰ লোক বা বস্তু ।

cope, *v.* প্ৰতিযোগিতা কৰা, অবিয়া অবি কৰা ; *n.* যাজকৰ পৰিচ্ছদ ।

co'-pi-ous, *adj.* যথেষ্ট, প্ৰচুৰ ।

cop'-per, *n.* তাম, তামৰ মুদ্ৰা, এঞ্জিনৰ য'ত বাষ্প গোট খায় ; *v.* তামৰ পাতেৰে ঢকা ।

cop'-pice *or* **copse,** *n.* সৰু গছৰ জোপা ।

cop'-y, *n.* নকল, অনুকৰণ, আদৰ্শ-লিপি, কিতাপৰ এখন ; *v.* নকল কৰা, অনুকৰণ কৰা । cop'-y-right, *n.* কিতাপ আদি ছপোৱাৰ নিজা অধিকাৰ ; *v.* cop'-y-ist, *n.* যোনে নকল কৰে ।

co-quet' (*-ket'*) (co-quet'-ted, co-quet'-ting), *v.* কৃত্ৰিম ভাবভঙ্গী দেখুৱাই মন আকৰ্ষণ কৰা, ভাল-পোৱা ভাও জোৰা । co-quette' (*-ket'*), *n.* ভাল-পোৱাৰ ভাও ধৰা তিৰোতা । co-quet'-tish, *adj.*

cor'-al, *n.* পোৱাল । cor'-al-line, *adj.*

cord, *n.* ৰছী, জ'ৰী ; *v.* জ'ৰীৰে বন্ধা । cord'-age, *n.* জ'ৰীবোৰ ; জাহাজৰ মাস্তুল আৰু পালৰ ৰছী ।

cor'-di-al, *adj.* আন্তৰিক, সৰল, অকপট ; *n.* এবিধ তৃপ্তিকৰ পানীয় । cor-di-al'-i-ty, *n.* আন্তৰিকতা, সৰল প্ৰীতি-ভাব ।

cor'-don, *n.* বেঢ়ি থকা সৈন্য দল, সীমা বা বেৰ ।

core, *n.* কোনো বস্তুৰ ভিতৰৰ অংশ, হৃদয়, অন্তৰ ।

cork, *n.* কঁাক, এবিধ সোঁপা ; *v.* কঁাকেৰে বা সোঁপাৰ মুখ বন্ধ কৰা ।

corn, *n.* শস্য । corn'-field, শস্যক্ষেত্ৰ ।

cor'-ner, *n.* কোণ, নিৰ্জ্জন ঠাই ; *v.* এচুকত ঠেলি থোৱা, বিপদত পেলোৱা, একচেতীয়া কৰা ।

cor'-net, *n.* পিতলৰ শিঙা ।

co-rol'-la-ry, *n.* সিদ্ধান্ত, ফল ।

cor-o-na'-tion, *n.* ৰজাক মুকুট পিন্ধোৱা অভিষেক উৎসৱ । co-ro'-nal [-nate], *adj.*

cor'-o-ner, *n.* অপমৃত্যুৰ কাৰণ অনুসন্ধান কৰোঁতা কৰ্ম্মচাৰী ।

cor'-o-net, *n.* মুকুট ।

cor'-po-ral, *adj.* শাৰীৰিক ; *n.* পদাতিক সৈন্যৰ তলৰ থাপৰ সেনাপতি ।

cor-po'-real, *adj.* দেহ থকা ।

cor-po-ra'-tion, *n.* আইন অনুসাৰে গঠিত সভা, ডাঙৰ নগৰৰ স্বাস্থ্য, যাতায়াতৰ সুবিধা আদি চাওঁতা সভা । cor'-po-rate, *adj.* আইন অনুসাৰে গঠিত ।

corps (*kōr*), *n.* (*pl.* corps (*kōrz*), ফৌজ, সৈন্যৰ দল ।

corpse, *n.* (*pl.* corps'-es), মৰা শ ।

cor'-pu-lent, *adj.* শকত আৱত, লোধোমা, মোটা, হৃষ্টপুষ্ট । cor'-pu-lence, *n.* স্থূলতা ।

cor-rect', *adj.* শুদ্ধ, নিৰ্ভুল, সঁচা ; *v.* শুদ্ধ কৰা, সংশোধন কৰা, শাস্তি দিয়া । cor-rec'-tion, *n.* ভুল শুধৰণি । সংশোধন । cor-rec'-tive, *adj.*

cor'-re-late, *v.* ইটোৰে সিটোৰে সম্বন্ধ থকা । cor-rel'-a-tive, *adj.*

cor-res-pond', *v.* মিলা, লেখালেখি কৰা । cor-res-pond'-ence, *n.* চিঠি লিখালিখি । cor-res-pond'-ent, *adj.* মিল থকা ; *n.* যোনে চিঠিৰ দ্বাৰা খবৰ পঠিয়ায় ।

cor'-ri-dor, *n.* ঘৰৰ ভিতৰত খোটালি বোৰলৈ যোৱা বাট, বাৰেণ্ডা ।

cor'-ri-gible, *adj.* শুধৰাবৰ যোগ্য, শুধৰাব পৰা ।

cor-rob'-o-rate, *v.* সমৰ্থন কৰা, নিশ্চয় কৰা । -ra'-tion, *n.* সুনিশ্চয়, সমৰ্থন ।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

cor-rode′, *v.* ক্ৰমে ক্ৰমে ক্ষয় কৰা, মামৰে ধৰা। cor-ro′-sion, *n.* ক্ষয়। cor-ro′-sive, *adj.* ক্ৰমে ক্ৰমে ক্ষয়কাৰী ; *n.*

cor′-ru-gate, *v.* কোঁচ খোৱা, কোঁচ খোৱাৰ বাবে ঢৌ উঠা।

cor-rupt′, *adj.* পচা, নষ্ট, ভ্ৰষ্ট, অপবিত্ৰ ; *v.* পচোৱা, নষ্ট কৰা, ভ্ৰষ্ট কৰা, অপবিত্ৰ কৰা, ভেঁটি আদিৰ দ্বাৰা কৰ্ত্তব্যৰ পৰা পিচ-লোৱা, দূষিত কৰা বা হোৱা। cor-rup′-tion, *n.* cor-rup′-ti-ble, *adj.* দূষিত হোৱাৰ সম্ভাবনা থকা।

cor′-sair, *n.* জলদস্যু ; দস্যুৰ জাহাজ।

cor′-set, *n.* তিৰোতাৰ এবিধ আঁটিল চোলা।

cor-tege′ (*-tāzh*), *n.* (F.) শোভাযাত্ৰা।

cor′-vine, *adj.* কাউৰী সম্বন্ধীয়।

cos-met′-ic, *adj.* সৌন্দৰ্য্যবৰ্দ্ধক।

cos′-mos (*koz′-*), *n.* বিশ্ব, জগৎ। cos′-mic, *adj.*

cos-mo-pol′-i-tan, *n.* যোনে সকলো দেশকে নিজৰ দেশ বুলি ভাবে ; *adj.* সকলোতে দেখিবলৈ পোৱা।

Cos′-sacks, *n. pl.* ৰুচিয়াৰ এটা বীৰ জাতি, অশ্বাৰোহী সৈন্য।

cost, (cost, cost′-ing, cost), *v.* খৰচ কৰা, খৰচ লগা, দাম পৰা ; *n.* মূল্য, খৰচ। cost′-ly, *adj.* দামী, বহুমূলীয়া।

cos′-tume, *n.* পোছাক, পোছাক পিন্ধাৰ ধৰণ।

cot, cot′-tage, *n.* পঁজা, কুটীৰ, জুপুৰী ঘৰ।

cot′-ton, *n.* কপাহ, কপাহী কাপোৰ।

couch, *n.* বিছনা, জিৰণিৰ ঠাই ; *v.* শুৱা, বিছনাত (নিজক) পেলোৱা, (জাঠি) শত্ৰুলৈ থিক কৰা, মাটিৰে সৈতে মিলি লুকাই থকা, নত হোৱা বা কৰা।

cough (*kof*), *n.* কাহ ; *v.* কাহা।

coun′-cil, *n.* পৰামৰ্শ-সভা। coun-cil′-lor, *n.* সভ্য বা সদস্য।

coun′-sel, *n.* উপদেশ, বেৰিষ্টাৰ ; *v.* উপদেশ দিয়া। coun′-sel-lor, *n.* উপদেশ দিওঁতা, আইন আদি সম্বন্ধে পৰামৰ্শ-দাতা।

count, *n. m.* ইংলণ্ডৰ 'আৰ্ল' ; পদৱী বিশেষ। count′-ess, *n. f.*

count, *v.* লেখ কৰা, গণনা কৰা, বিবেচনা কৰা, গণ্য হোৱা ; *n.* গণনা। count′-less, *adj.* অসংখ্য, অগণন।

coun′-ten-ance, *n.* মুখ, চেহেৰা ; *v.* উৎসাহ দিয়া, অনুমোদন কৰা, সহায় কৰা।

coun′-ter, *n.* গণনাকাৰী, টকা গণা মেজ ; *adv.* বিপক্ষে, বিৰুদ্ধে।

coun-ter-act′, *v.* বাধা দিয়া, পৰাস্ত কৰা।

coun-ter-bal′-ance, *v.* সমান ভৰ, শক্তি বা জোৰেৰে বাধা দিয়া, সমান ওজনৰ কৰা।

coun′-ter-blast, *n.* বিৰুদ্ধাচৰণ, (বিশেষকৈ বাক্যেৰে)।

coun′-ter-feit, *v.* জাল কৰা, ঠগিবলৈ অনুকৰণ কৰা ; *n.* জাল, ঠগিবলৈ কৰা অনুকৰণ।

coun′-ter-foil, *n.* ৰছিদ বা চেকৰ কাটি ৰখা অংশ।

coun-ter-mand′, *v.* আগৰ আদেশ ৰদ বা ৰহিত কৰা।

coun′-ter-part, *n.* অনুলিপি, নকল।

coun′-ter-sign, *v.* আকৌ চহী দিয়া ; *n.* সাঙ্কেতিক চিন বা বাক্য।

coun′-try (*kun′-tri*), *n.* দেশ, গাঁৱলীয়া ঠাই, জন্মভূমি ; *adj.* গাঁৱলীয়া। coun′-try-man, নিজ দেশৰ মানুহ, গাঁৱলীয়া মানুহ, খেতিয়ক।

coun′-ty, *n.* (গ্ৰেট ব্ৰিটেনৰ) দেশৰ সৰু ভাগ।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

coup (*koo*), *n.* (F.), ঠেলা, শেষ খুন্দা।

cou'-ple (*cup'-pl*), *n.* জোৰ, যুগল, মতা আৰু মাইকী; *v.* লগ কৰা, সংযুক্ত কৰা।

coup'-let (*cup'-*), *n.* পদ্যৰ পৰস্পৰ মিল থকা দুই পাঁতি।

cour'-age (*kur'-ij*), *n.* সাহ। cour-a'-geous (*-jus*), *adj.* সাহিয়াল।

cou'-ri-er (*koo'-*), *n.* দূত, খবৰ অনা-নিয়া কৰা অনুচৰ।

course (*kōrs*), *n.* দৌৰ, গতি, যোৱা-বাট; সোঁত, একো একো বাৰত দিয়া খাদ্য, জীৱনৰ গতি; *v.* পিছে পিছে খেদা। cour'-ser, *n.* বেগী ঘোঁৰা।

court, *n.* চোতাল, ৰজাৰ হাউলি, ৰাজ সভা আৰু পাৰিষদ সকল, খোছামোদ, বিচাৰালয় বা আদালত, বিচাৰক; *v.* খোছামোদ কৰা, প্ৰণয় প্ৰাৰ্থনা কৰা। court'-e-ous (*kurt'-*), *adj.* শিষ্ট, ভদ্ৰ। court'-e-sy (*kurt'-sy*), *n.* ভদ্ৰতা, নম্ৰতা। court'-i-er (*kōrt'-*), *n.* পাৰিষদ। court'-ship, *n.* প্ৰণয় বিচাৰি অহা-যোৱা কৰা কাৰ্য্য।

court-mar'-tial (*-shal*), *n.* সামৰিক আদালত।

cous'-in (*kus'-n*), *n.* সহোদৰ ভাই-ভনীৰ বাহিৰে আন, সম্বন্ধীয় ভাই-ভনী।

cov'-e-nant (*kuv'-*), *n.* চুক্তিপত্ৰ, নিয়ম; *v.* প্ৰতিজ্ঞাত বদ্ধ হোৱা।

cov'-er (*kuv'-*), *v.* ঢাকি ৰখা, আবৃত কৰা, লুকাই ৰখা, ৰক্ষা কৰা; *n.* ঢাকোন। cov'-er-ing, *n.* cov'-ert, *n.* ঘনকৈ হোৱা গছনি, গুপ্ত স্থান; *adj.* লুকাই থকা, গোপনে থকা।

cov'-et (*kuv'-*), *v.* বাঞ্ছা কৰা, লোভ কৰা। cov'-e-tous, *adj.* লুভীয়া। cov'-e-tous-ness, *n.*

co'-vey (*kuv'-i*), *n.* এবাহ চৰাই পোৱালী।

cow, *n.* (*pl.* cows *or* kine), *n.* গাই গৰু, গৰু; *v.* ভয় লগোৱা, নিৰাশ কৰা, পৰাস্ত কৰা।

cow'-ard, *n.* কাপুৰুষ, ভীৰু। cow'-ard-ly, *adj.* ভীৰু। cow'-ard-ice, *n.* ভীৰুতা।

cow'-er, *v.* ভয়ত কোঁচ মোঁচ খোৱা, মাটিত-দীঘল দি পৰা।

cowl, *n.* সন্ন্যাসী ধৰ্ম্মযাজকৰ মূৰৰ এবিধ ঢাকোন; চিম্‌নীৰ মূৰ।

cow'-rie, *n.* কড়ি।

cow'-slip, *n.* এবিধ বনৰীয়া গোলাপ জাতীয় গছ আৰু ফুল।

cox'-swain, *n.* নাওবীয়া।

coy, *adj.* লাজকুৰীয়া; *v.* গাত হাত বুলাই মৰম কৰা। coy'-ness, *n.*

coz'-en (*kus'-n*), *v.* ঠগোৱা।

co'-zy *or* **co'-sy**, *adj.* আৰামদায়ক।

crab, *n.* কেঁকোৰা। crab'-bed, *adj.* খঙিয়াল, খিট্‌খিটীয়া স্বভাৱৰ।

crack, *v.* ভঙা, ফালা, ফটা, ফটাৰ নিচিনা শব্দ কৰা; *n.* ফাট, ফটাৰ নিচিনা শব্দ। crack'-le, *v.* ফট্‌ফট্ শব্দ কৰা।

cra'-dle, *n.* কেচুৱা লৰা-ছোৱালীৰ দুলনী বিছনা, উৎপত্তি স্থান, জিৰণি লোৱা এবিধ সজুলি, শৈশৱ কাল; *v.* দুলনী বিছনাত থোৱা বা দুলোৱা।

craft, *n.* শিল্প-কৌশল, ব্যৱসায়, টেঙৰালি, ধূৰ্ত্ততা। craf'-ty, *adj.* টেঙৰ, ধূৰ্ত্ত। craf'-ti-ly, *adv.* craf'-ti-ness, *n.* crafts'-man, *n.* কাৰিকৰ, শিল্পী।

craft, *n.* সৰু জাহাজ, নাও।

crag, *n.* খলা-বমা থিয় শিল বা পাহাৰ। crag'-gy, *adj.* খলাবমা।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

cram, *v.* ঠাহি ভৰোৱা, বোজাই দিয়া, পৰীক্ষাৰ কাৰণে নুবুজাকৈ মুখস্থ কৰা।

cramp, *n.* মাংসপেশী সঙ্কুচন, খিলামুৰি; *v.* সৰু ঠাইত আটক বা বন্ধ কৰা, খিলামুৰি ধৰা।

crane, *n.* বগলি, গধুৰ বস্তু তোলা এবিধ যন্ত্ৰ; *v.* 'ক্ৰেণ' যন্ত্ৰেৰে তোলা, গল মেলি দিয়া।

crank, *n.* খামখিয়ালি, বিশেষত্ব; *adj.* বেঁকা, দুৰ্ব্বল, বেমাৰী, চঞ্চল; *v.* মোটোকা।

cran'-ny, *n.* কাট, গুপ্তস্থান।

crape, *n.* এবিধ মিহি ৰেচমী কাপোৰ।

crash, *n.* ভঙ্গাৰ শব্দ; *v.* হৰ্ হৰ্ কৰি ভাঙ্গি পৰা, হৰ্ হৰ্ কৰি ভঙ্গা, গুৰি হোৱা।

crass, *adj.* স্থূল, মোটা, ডাঠ, বুদ্ধিহীন।

crate, *n.* বস্তু পঠোৱা মুখ খোলা বাকচ।

cra'-ter, *n.* আগ্নেয় গিৰিৰ মুখৰ গাঁত।

cra-vat', *n.* পুৰুষৰ গলবন্ধা।

crave, *v.* নম্ৰতা দেখুৱাই, ভিক্ষা কৰা, প্ৰাৰ্থনা কৰা, অভিলাষ কৰা। cra'-ving, *n.* অভিলাষ, আকাঙ্ক্ষা।

cra'-ven, *n.* কাপুৰুষ, ভীৰু; *adj.* তেজহীন।

crawl, *v.* বুকেৰে যোৱা, চুচৰি যোৱা, লাহে লাহে যোৱা।

craw'-fish *or* **cray'-fish**, *n.* শিঙৰা মাছ।

cray'-on, *n.* নানা ৰঙৰ খড়ীমাটিৰ পেঞ্চিল; *v.* খড়ীমাটিৰ পেঞ্চিলেৰে অঁকা।

craze, *v.* পগলা কৰা; *n.* মতিভ্ৰম, বলিয়া অৱস্থা। cra'-zy, *adj.* দুৰ্ব্বল, বেয়া স্বাস্থ্যৰ, বলিয়া।

creak, *n.* কৰ্কশ শব্দ কৰা।

cream, *n.* গাখীৰৰ সৰ, বস্তুৰ সাৰ অংশ; *v.* সৰ তোলা। cream'-er-y, *n.* মাখন, ঘিউ আদি বেচা ঠাই।

crease, *n.* কাগজ আদি জাপা চিন; *v.* তেনে চিন কৰা।

cre-ate', *v.* সৃজন কৰা, জন্ম দিয়া, উৎপন্ন কৰা, নিৰ্ম্মাণ কৰা, কৰা। cre-a'-tion, *n.* সৃষ্টি। cre-a'-tor, *n.* সৃষ্টিকৰ্ত্তা।

cre-a'-ture (*kree'-tshur*), *n.* প্ৰাণী, অধীনত থকা মানুহ।

creche (*krāsh*) *n.* (F), লৰা ছোৱালীক ডাঙৰ দীঘল কৰা ঠাই।

cre'-dence, *n.* বিশ্বাস, শ্ৰদ্ধা।

cre-den'-tials (*-shals*), *n.* বিশ্বাস-জনক প্ৰশংসাপত্ৰ, ক্ষমতাপত্ৰ।

cred'-i-ble, *adj.* বিশ্বাসৰ যোগ্য। cred-i-bil'-i-ty, *n.*

cred'-it, *n.* বিশ্বাস, শ্ৰদ্ধা, সুনাম, যশস্যা; *v.* বিশ্বাস কৰা, (কাৰো নামত) জমা কৰা, বিশ্বাসত ধাৰে বেচা। cred'-i-tor, *n.* মহাজন। cred'-i-ta-ble, *adj.* প্ৰশংসনীয়।

cre-du'-li-ty, *n.* সহজতে পতিয়ন যোৱা গুণ, সোণকালে কৰা বিশ্বাস। cred'-u-lous, *adj.* সোণকালে প্ৰত্যয় মানোঁতা।

creed, *n.* ধৰ্ম্মমত।

creek, *n* পানী ওলোৱা জান।

creep (crept, creep'-ing, crept), *v.* বুকেৰে বগোৱা, লাহে লাহে যোৱা, গোপনে বা চুৰ কৰি সোমোৱা, ভয়ত কঁপা। creep'-er, *n.* লতা।

cre-mate', *v.* মৰা শ পোৰা। cre-ma'-tion, *n.* মৰা শ পোৰা কাৰ্য্য। cre'-ma-to-ry, *n.* মৰা শ পোৰা ঠাই, শ্মশান; *adj.* cre-ma-to'-ri-um, *n.* শ্মশান।

cre'-ole, *n.* আমেৰিকাত জন্মা বা অধিবাসী-ৰূপে গণ্য হোৱা ইউৰোপীয় সন্তান।

cres'-cent, *n.* অঁউসীৰ পিছত ক্ৰমে বঢ়া চন্দ্ৰকলা, কাঁচি জোন; তুৰস্ক দেশৰ পতাকা; *adj.* কাঁচি জোনৰ দৰে।

cress, *n.* পানীত আৰু থলত হোৱা এবিধ শাক।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

crest, *n.* কিৰীটি, টিং, কুকুৰা আদিৰ মূৰত হোৱা ঝুঁ, ঢৌৰ ফেণযুক্ত উপৰিভাগ, ঢালৰ উপৰত অঁকা মূৰ্ত্তি। crest'-fallen, *adj.* উৎসাহহীন।

crev'-ice, *n.* ফাট, ছিদ্ৰ, ফুটা, ঠেক বাট।

crew (*croo*), *n.* জাহাজৰ নাবিক সকল, দল।

crib, *n.* জন্তুৰ খোৱা পাত্ৰ বা চৈবা ; গৰু আদি ৰখা গোহালি, জুপুৰী ঘৰ, শস্য আদি ৰখা সৰু ঘৰ, লৰাছোৱালীৰ খাট ; *v.* সৰু ঘৰত আটক বা বন্ধ কৰা, সৰু বস্তু চুৰি কৰা।

crick'-et, *n.* উই চিৰিঙ্গা, এবিধ খেল।

crime, *n.* দোষ, অপৰাধ। crim'-i-nal, *adj.* ফৌজদাৰী, অপৰাধ সম্বন্ধীয় ; *n.* দোষী, অপৰাধী। crim'-i-nate, *v.* অপ-ৰাধী কৰা, দোষাৰোপ কৰা।

crimp, *n.* কেকোৰা আৰু ঠুনুকা ; *v.* মোটোকা, ভাঁজলগোৱা।

crim'-son (*-zn*), *adj.* & *n.* ডাঠ ৰঙা বৰণ, টিকটিকীয়া ৰঙা ; *v.* ডাঠ ৰঙা বৰণীয়া কৰা বা হোৱা।

cringe, *v.* লুটি খাই পৰা, নীহভাবে কাকুতি মিনতি কৰা, খোছামোদ কৰা।

crin'-kle, *v.* কোঁচ খুওৱা, পাক খুৱা।

crip'-ple, *n.* খোৰা ; *v.* খোৰা বা অকৰ্ম্মণ্য কৰা।

cri'-sis, *n.* (*pl.* cri'-ses), শঙ্কটৰ অৱস্থা, সন্ধিক্ষণ, সমস্যা।

crisp, *adj.* ঘন আৰু কেকোৰা, ঠুনুকা, নতুন (যেনে বতাহ) ; *v.* কেকোৰা কৰা, ঢৌউঠা কৰা। crisp'-y, *adj.* কেকোৰা।

cri-te'-ri-on (*pl.* -ri-a), *n.* প্ৰমাণ (বিচাৰৰ), মাপ-কাঠি।

crit'-ic, *n.* দোষগুণৰ বিচাৰ কৰোঁতা, সমালোচক। crit'-i-cal, *adj.* সাঙ্ঘাতিক, সমালোচনা-মূলক, খুঁত বা আঁসোৱাহ বিচৰাত পকা, দায় ধৰাত পটু। crit'-i-cize, *v.* দোষগুণ বিচাৰ কৰা, সমালোচনা কৰা। crit'-i-cism, *n.* সমালোচনা। cri-tique', *n.* লিখিত সমালোচনা।

croak, *n.* ভেকুলি বা কাউৰীৰ কৰ্কশ মাত ; *v.* তেনে শব্দ কৰা, অমঙ্গল সূচনা কৰা। croak'-er, *n.*

cro'-chet (*shā*), *n.* আগবেকা বেজীৰে কৰা ধুনীয়া কাম ; *v.*

crock, *n.* এবিধ মাটিৰ পাত্ৰ, কলহ ; *v.* crock'-er-y, *n.* চীনামাটিৰ বাচন।

croc'-o-dile, *n.* ঘৰিয়াল। crocodile tears—কপট কান্দোন।

cro'-cus, *n.* ৰজনীগন্ধা জাতিৰ এবিধ ফুল, অপাকৈত চিকিৎসক।

croft, *n.* সৰু খেতি-পথাৰ।

crone, *n.* লাপৰি বুঢ়ী। cro'-ny, *n.* বহুদিনীয়া চিনাকী বন্ধু।

crook, *n.* ভাঁজ, এমূৰে ভাঁজ থকা লাঠি। crook'-ed, *adj.* বেঁকা, ভাঁজ লগা, কুটিল, টেঙৰালিৰে ভৰা।

croon, *v.* গুণ্ গুণ্ স্বৰে গোৱা ; *n.* গুণগুণনি।

crop, *n.* শস্য, শস্যৰ গুটি, চাবুক ; *v.* চুটিকৈ কটা (চুলি আদি), (*with* up *or* out), ঠেলি ওপৰলৈ উঠা, দেখা দিয়া। crop'-per, *n.* ছেদন যন্ত্ৰ।

cro'-quet (*-kā*), *n.* ঘাঁহৰ ওপৰত খেলা এবিধ খেল।

cro'-si-er *or* **cro'-zi-er** (*-shi-er*), ধৰ্ম্মযাজক 'বিচপ'ৰ লাঠি বা দণ্ড।

cross, *n.* শাস্তি দিয়া এবিধ যন্ত্ৰ, (ক্ৰচ্), কোনো কোণত পৰস্পৰে কটা ৰেখা, তেনে অলঙ্কাৰ, যিহে কটাকটি কৰে ; *v.* 'ক্ৰচ'ৰ চিন কৰা, কটাকটি কৰা, কটা, আমনি কৰা, পাৰ হোৱা ; *adj.* আশাৰ বিপৰীত,

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

খিট্‌খিটীয়া স্বভাৱৰ। cross′-examine, *v.* সাক্ষীক জেৰা কৰা। cross′-wise, *adv.* পথালি ভাৱে। cross′-ing, *n.* কেইবাটা ও ৰাস্তাৰ মূৰ।

crotch′-et, *n.* হাকোঁটা, খামখিয়ালি, [ ] বন্ধনী। crotch′-e-ty, *adj.* মইমত।

crouch, *v.* লুটি খাই পৰা, দীঘল দি পৰা, খোচামোদ কৰা। [কাহ।

croup (*kroop*), *n.* গলত ঘৰঘৰণি ধৰা

crow (crowed *or* crew, crow′-ing, crowed), *v.* কুকুৰাই মতা, অহঙ্কাৰ কৰা, আনন্দ ধ্বনি কৰা ; *n.* কাউৰী, কুকুৰাৰ মাত।

crowd, *n.* মানুহৰ জুম বা দল ; *v.* মানুহেৰে ভৰি পৰা, মানুহৰ জুম বন্ধা।

crown, *n.* ৰাজ মুকুট, ৰজা, কোনো বস্তুৰ ওপৰ ভাগ, মূৰৰ ওপৰ ভাগ, পূৰ্ণতা, এবিধ ৰূপাৰ মুদ্ৰা ; *v.* ৰাজমুকুট পিন্ধোৱা, সফল কৰা, পূৰ্ণ কৰা। Crown-Prince, *n.* জৰ্ম্মাণীৰ যুৱৰাজ।

cru′-ci-al, *adj.* 'ক্ৰচ' সম্বন্ধীয়, টান, কঠোৰ।

cru′-ci-fy, *v.* 'ক্ৰচ্' যন্ত্ৰত দি মৰা। cru′-ci-fix, *n.* 'ক্ৰচ'ত বিন্ধা যীশু খৃষ্টৰ মূৰ্ত্তি। cru-ci-fix′-ion (*-fik-shun*), *n.* 'ক্ৰচ'ত খৃষ্টৰ দেহত্যাগ।

crude, *adj.* কেঁচা, স্বাভাবিক অৱস্থাৰ, মোটা বা পৰিষ্কাৰ নকৰা, অসম্পূৰ্ণ, ভালদৰে বিবেচনা নকৰা। cru′-di-ty, *n.*

cru′-el, *adj.* নিষ্ঠুৰ, নিৰ্দ্দয়, নিদাৰুণ, নিমৰমিয়াল। cru′-el-ty, *n.* নিষ্ঠুৰতা।

cruise (*kroos*), *v.* জাহাজেৰে ইফালে সিফালে ফুৰা শত্ৰুৰ অনুসন্ধান লৈ ফুৰা ; *n.* জাহাজেৰে ইফালে সিফালে ফুৰা কাৰ্য্য। crui′-ser, *n.* বেগী যুদ্ধৰ জাহাজ।

crumb, *n.* ৰুটিৰ টুকুৰা বা কোমল অংশ। crum′-ble, *v.* ডোখৰ ডোখৰ কৰা বা হোৱা।

crum′-ple, *v.* কোঁচ খুওৱা। crump, *adj* কোঁচ-খোৱা।

crunch, *v.* জোৰেৰে চোবোৱা।

crup′-per, *n.* জিন বান্ধিবলৈ ঘোৰাৰ নেজত দিয়া বান্ধনী।

cru-sade′, *n.* মুছলমানৰ হাতৰ পৰা খৃষ্টৰ জন্মভূমি 'জেৰুজেলম' উদ্ধাৰ কৰিবলৈ কৰা ধৰ্ম্মযুদ্ধ। সাহেৰে আৰু আগ্ৰহেৰে কৰা আক্ৰমণ বা চেষ্টা। cru-sa′-der, *n.* ধৰ্ম্মযুদ্ধৰ যুজাৰু।

crush, *v.* দমন কৰা, হৰুৱা, গুৰি কৰা, দলি বা পিহি পেলোৱা ; *n.*

crust, *n.* ওপৰৰ টান খলপ বা ঢাকোন, ৰুটিৰ ডোখৰ ; *v.* (টান খলপেৰে) ঢকা বা আবৃত কৰা। crus′-ty, *adj.* টান আবৰণ-যুক্ত, খিট-খিটীয়া স্বভাৱৰ।

crutch, *n.* খোৰা মানুহে কাষলতিত দি খোৱা লাঠি, ঠেকনা। [বিষয়।

crux, *n.* 'ক্ৰচ্', টান বা সহজে বুজিব নোৱাৰা

cry (cried, cry′-ing, cried), *v.* আটাহ পাৰা, চিঞৰা, কান্দা, ঘোষণা কৰা ; *n.* আটাহ, চিঞৰ, কান্দোন, জয়ধ্বনি, ঘোষণা। cri′-er, *n.* ঘোষণাকাৰী, আদালতৰ পিয়াদা। cry′-ing, *adj.*

crypt, *n.* মাটিৰ তলত থকা গুপ্ত কোঠা, গীৰ্জ্জাৰ তলৰ শ পোতা কোঠা। cryp′-tic, *adj.* গুপ্ত।

crys′-tal (*kris′-*), *adj.* ফটিকৰ নিচিনা ৰগা, নিৰ্ম্মল, ফটফটীয়া ; *n.* ফটিক, এবিধ ফটফটীয়া কাচ। crys′-tal-lize, *v.*

cub, *n.* সিংহৰ পোৱালি, কোনো কোনো জন্তুৰ পোৱালি। cub′-bing, *n.* শিয়ালৰ পোৱালি চিকাৰ।

cube, *n.* ঘনফল। cu′-bic (-al), *adj.*

cu′-bit, *n.* হাত (জোখ)।

cuck′-oo (*kü-kü*), *n.* কুলি।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

cu'-cum-ber, *n.* তিয়ঁহ।

cud, *n.* গৰু আদিয়ে পাগুলা ঘাঁহৰ লুৰা।

cud'-dle, *v.* আলিঙ্গন কৰা, বুকুত সাবটা।

cud'-gel (*-jĕl*), *n.* গধুৰ লাঠি, টাঙ্গোন ; *v.* টাঙ্গোনেৰে কোবোৱা।

cue (*kū*), *n.* নেজৰ নিচিনা টিকনী, চুলিৰ খোপা, কোনো অভিনেতাৰ বচনৰ শেষ কথা, বিলিয়াৰ্ড খেলা লাঠি।

cuff, *n.* ভুকু, চৰ, ছোলাৰ আস্তিন, হাত-কৰিয়া ; *v.* চৰ মৰা, ঘুচিওৱা।

cui-rass' (*kwē-*), *n.* এবিধ বুকুত পিন্ধা বৰ্ম্ম। cui-ras-sier' (*-seer'*), *n.* বৰ্ম্ম পিন্ধা অশ্বাৰোহী সৈন্য।

cu'-lin-a-ry, *n.* ৰান্ধোন সম্পৰ্কীয়।

cui-sine', *n.* ৰান্ধনি ঘৰ, ৰান্ধোন প্ৰণালী।

cull, *v.* সংগ্ৰহ কৰা, গোটোৱা, বাচি লোৱা।

cul'-mi-nate, *v.* আটাইতকৈ ওখবিন্দুলৈ উঠা ; চৰম সীমাত উঠা। cul-mi-na'-tion, *n.* চৰম সীমা, আটাইতকৈ ওখ বিন্দু।

cul'-pa-ble, *adj.* নিন্দাৰ যোগ্য, অপৰাধ-জনক। cul-pa-bil'-i-ty, *n.*

cul'-prit, *n.* দোষী, আচামী। [ধৰ্ম্মমত।

cult, *n.* পূজা, ধৰ্ম্ম-কাৰ্য্যৰ পদ্ধতি, বিশেষ

cul'-ti-vate, *v.* চহ কৰা, খেতি কৰা, চৰ্চ্চা কৰা, উৎকৰ্ষ সাধন কৰা, অৰ্জ্জা। cul-ti-va'-tion, *n.* cul'-ti-va-tor, *n.* খেতিয়ক।

cul'-ture, *n.* উন্নতি, উৎকৰ্ষ-সাধন ; *v.*

cul'-vert, *n.* পানী যাবলৈ সৰু সাঁকো বা দলং।

cum'-ber, *v.* মিছাকৈ দিগ্ দিয়া, বাধা দিয়া, ভাৰ বা বোজা, জাপা। cum'-ber-some, cum'-brous (*-brus*), *adj.* গধুৰ, লেদলেদীয়া।

cu'-mu-late, *v.* সঞ্চয় কৰা, জমোৱা। cu'-mu-la-tive, *adj.* ক্ৰমে সৰহকৈ দম বন্ধা, গোটখোৱা।

cun'-ning, *adj.* টেঙৰ, ধূৰ্ত্ত, চতুৰ ; *n.* টেঙৰালি, চতুৰালি, শঠতা। [এ পিয়লা।

cup, *n.* পিয়লা, (বাটি) ; cup'-ful, *n.*

cup'-board (*kub'-urd*), *n.* কাঁহি বাটি আদি আৰু খোৱা-বস্তু থোৱা এবিধ যতন। [ধনতৃষ্ণা।

cu'-pid, *n.* মদন। cu-pid'-i-ty, *n.* কাম,

cur, *n.* নীহজাতৰ ভতুৱা কুকুৰ, নীহ, অকামিলা মানুহ। cur'-rish, *adj.* নীচপ্ৰকৃতিৰ।

cu'-rate, *n.* গাওঁৰ যাজকৰ প্ৰতিনিধি বা সহকাৰী। cu'-ra-cy, *n.* যাজকৰ পদ বা অধিকাৰ। cu-ra'-tor, *n.*

curb, *n.* লেকামৰ যি অংশ মুখত থাকে, বাধা, সংযমন ; *v.* সংযত কৰা, দমন কৰা।

curd, *n.* দৈ গাখীৰ। cur'-dle, *v.* দৈ জমোৱা ; জমা বা ঘন হোৱা।

cure, *v.* আৰোগ্য কৰা, বেমাৰৰ পৰা ভাল কৰা, (লোণ আদি দি) ন পঁচাকৈ ৰখা ; *n.* আৰোগ্য, স্বাস্থ্য উন্নত কৰিবলৈ চিকিৎসা, পৌৰোহিত্য। cu'-ra-ble, *adj.* আৰোগ্য কৰিব পৰা। cu'-ra-tive, *adj.*

cur'-few, *n.* ইংলণ্ডৰ গীৰ্জ্জাত সন্ধ্যাবেলা দিয়া ঘণ্টা, জুই নুমাবলৈ বজোৱা ঘণ্টা।

cu'-ri-ous, *adj.* আচৰিত, জানিবলৈ ইচ্ছুক। cu-ri-os'-i-ty, *n.* ব্যগ্ৰতা, কৌতুহল। cu'-ri-ous-ly, *adv.* ব্যগ্ৰ হৈ, বৰ ধাউতিৰে। cu'-ri-o, *n.* দুষ্প্ৰাপ্য শিল্প বস্তু।

curl, *n.* কেকোৰা চুলি ; *v.* কেকোৰা কৰা। cur'-ly, *adj.*

cur'-rant, *n.* শুকান আঙুৰ, মোনাক্কা।

cur'-rent, *n.* সোঁত ; *adj.* চলিত, এতিয়াৰ বা আজিকালিৰ। cur'-ren-cy, *n.* চল্তি, প্ৰচলিত মুদ্ৰা।

cur-ric'-u-lum, *n.* নিৰ্দ্দিষ্ট পাঠ্য।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

cur'-ry, *n.* আঞ্জা ; *v.* ছাল পৰিষ্কাৰ কৰা, ঘোৰাৰ গা পিহি দিয়া আৰু বুৰুজ দিয়া, অনুগ্ৰহ পাবলৈ বিচৰা। cur'-ri-er, *n.*

curse, *v.* শাও দিয়া, শাপ দিয়া, শপত কাঢ়া ; *n.* শাও, শাপ, শপত। cur'-sed *or* curst, *adj.* জঘন্য, অভিশপ্ত।

cur'-sive, *adj.* খৰ (হাতৰ লেখা)।

cur'-so-ry, *adj.* অসাবধান, লৰালৰি।

curt, *adj.* থকুছা, চুটি, সংক্ষিপ্ত।

cur-tail', *v.* কাটি কম কৰা, সংক্ষেপ কৰা। cur-tail'-ment, *n.*

cur'-tain (*-tin*), *n.* পৰ্দ্দা, যবনিকা ; *pl.* মহাৰি, আঠুৰা ; *v.*

curt'-sy *or* **curt'-sey**, *n.* (*pl.* curt'-sies) আঠুকাঢ়ি দেখুৱা সন্মান ; *v.*.

curve, *n.* বেঁকা ৰেখা ; *v.* বেঁকা কৰা। curv-ed, *adj.* cur'-va-ture, *n.*

cush'-ion (*kush'-un*), *n.* তুলি, গাৰু।

cus'-tard, *n.* গাখীৰ আৰু ডিমাৰ মিহলি পীঠা।

cus'-to-dy, *n.* তত্বাবধান, জিম্মা, আটক। cus-to'-di-an, *n.* ৰক্ষক, যাৰ তত্বাবধানত ৰখা হয়।

cus'-tom, *n.* প্ৰথা, দস্তুৰ, অভ্যাস, বস্তু কিনা। cus'-toms, *n. pl.* আমদানি আৰু ৰপ্তানি বস্তুৰ ওপৰত নিৰ্দ্ধাৰিত কৰ। cus'-tom-a-ry, *adj.* চলিত, প্ৰথা অনুযায়ী। cus'-tom-er, *n.* গ্ৰাহক, কিনোঁতা। cus'-tom-house, *n.* যত 'কৰ' আদায় কৰে।

cut (cut, cut'-ting, cut), *v.* কটা, ফলা, আঘাত বা জখম কৰা, মনত বা অনুভব শক্তিত আঘাত কৰা ; *n.* জখম বা আঘাত, ঘা, কটা খাল। cut'-ting, *n.* যি অংশ কটা হয় ; খবৰৰ কাগজৰ পৰা কটা অংশ ; *adj.* তীক্ষ্ণ, মৰ্ম্মভেদী ;

cut-throat, *n.* হত্যাকাৰী, বদমাযেচ্।

cute, *adj.* তীক্ষ্ন, চালাক। cute'-ness, *n.*

cu'-ti-cle, *n.* গাৰ পাতল ছাল।

cut'-ler, *n.* চুৰি কটাৰী আদি অস্ত্ৰ বেচোঁতা বা তৈয়াৰ কৰোঁতা। cut'-ler-y, *n.* চুৰি, কটাৰী আদি অস্ত্ৰবোৰ বা তাৰ ব্যবসায়।

cut'-let, *n.* ৰন্ধাৰ বাবে মঙহৰ সৰু ডোখৰ।

cut'-ter, *n.* যোনে কাটে, কটা যন্ত্ৰ, এডাল মাস্তুলৰ বেগী জাহাজ।

cut'-wa-ter, *n.* জাহাজৰ আগ ভাগৰ যি অংশই পানী কাটে।

cy'-cle (*sy'-kl*), *n.* 'কালচক্ৰ', ভৰিৰে চলোৱা দুই চকাৰ বাহন, 'চাইকেল' ; *v.* চাইকেলত উঠি যোৱা। cy'-clist, *n.* যোনে...। cy'-clic, *adj.*

cy'-clone, *n.* ডাঙৰ ঘূৰণীয়া বতাহ।

cy-clo-pe'-di-a (*or* -pæ-) *n.* জ্ঞানৰ ভঁৰাল, অভিধান, বিশ্বকোষ।

cyl'-in-der, *n.* দীঘলীয়া আৰু ঘূৰণীয়া গোটা বস্তু ; তেনে আকৃতিৰ ফোঁপোলা চুঙ্গা বা নলী।

cym' bal (*sim'-ble*), *n.* তাল।

cyn'-ic, *n.* যি দাৰ্শনিকে বিশ্বাস কৰে, যে মানুহে কেৱল স্বাৰ্থলৈ কাম কৰে, মানৱ বিদ্বেষী দাৰ্শনিক। cyn'-i-cism,, *n.* cyn'-i-cal, *adj.* মানৱ বিদ্বেষী, কঠোৰ স্বভাৱৰ।

cy'-press, *n.* এবিধ সদায় সেউজীয়া পাত থকা গছ।

Czar *or* **Tsar** (*sär*), *n.* ৰুচিয়াৰ সম্ৰাটৰ উপাধি। Czar-i'-na (*-ee'-*), *or* Tsar-it'-sa, *n.* ৰুচিয়াৰ সম্ৰাজ্ঞী। Czar'-e-witch (*sär-e-vich*), *n.* ৰুচিয়াৰ সম্ৰাটৰ জ্যেষ্ঠপুত্ৰ। Czar-ev'-na, *n.* 'জাৰৰ' কন্যা।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

D

dab, *n.* হাতেৰে বা কোনো কোমল বস্তুৰে লাহে লাহে কৰা আঘাত, এবিধ মাছ; *v.* লাহে লাহে আঘাত কৰা, লাহে লাহে থপৰিওৱা। dab′-ber, *n.*

dab′-ble, *v.* পানী ছটিয়াই দিয়া, পানীত ধেমালি কৰা, আনৰ কামত হাত দিয়া, কোনো কাৰ্য্য অৱহেলাকৈ কৰা।

da-coit′, *n.* ডকাইত।

dad′-dle, *v.* থৰক্‌বৰক্‌কৈ খোজ কাঢ়া, হেলেকপেলেককৈ যোৱা।

da′-do, *n.* বেৰৰ তলৰ অংশত চাবিও-ফালে কৰা ফুলৰ গুণা।

daf′-fo-dil, *n.* (হালধীয়া ফুলৰ) এবিধ ফুল।

dag′-ger, *n.* বুকত বহুৱা ছুৰি, এবিধ চুটি তৰোৱাল। † এই চিন। [লোৱা।

dag′-gle, *v.* বোকাত লেটিয়া বা লেটি

dahl′-ia (*dāl′-ya*), *n.* বাগীছাত ৰোৱা এবিধ ডাঙৰ গছ।

dai′-ly, *adj.* & *adv.* দৈনিক, দিনে দিনে, নিতৌ; *n.* দৈনিক খবৰৰ কাগজ।

dain′-ty, *adj.* সুস্বাদু, ৰুচিকৰ, কোমল, পৰিষ্কাৰ; *n.* সোৱাদ-লগা খাদ্য।

dai′-ry, *n.* (*pl.* dai′-ries), ঘিউ মাখন আদি তৈয়াৰ কৰা ঘৰ।

da′-is (*dā′-is*), *n.* ওখ আসন, মঞ্চ।

dai′-sy (*-si*), *n.* এবিধ বসন্তকালত ফুলা ফুল।

dale, *n.* দীঘল উপত্যকা।

dal′-ly, *v.* মিছাতে আমোদ প্ৰমোদ কৰি কাল কটোৱা, বিলাসত মজা, ধেমালি কৰা, মিছাতে পলম কৰা। dal′-li-ance, *n.* ৰঙ্গ-বিলাস। dal′-li-er, *n.*

dam, *n.* জন্তু আদিৰ মাক, ভেটা, বান্ধ; *v.* ভেটা বা বান্ধ দি পানী বা শত্ৰুৰ জাহাজ বন্ধ কৰা।

dam′-age, *n.* ক্ষতি, হানি, লোকচান; *v.* ক্ষতি কৰা, হানি কৰা, লোকচান কৰা।

dam′-ask, *n.* ফুল বচা কাপোৰ; ডাঠ গোলাপী বৰণ।

dame, *n.* ভদ্ৰ মহিলা, গৃহিণী, শিক্ষয়িত্ৰী।

damn, *v.* শাও দিয়া, নিন্দা কৰা।

damp, *adj.* তিতা, ভিজা, সেমেকা; *v.*

dam′-sel (*-sel*), *n.* কুমাৰী, বিয়া নিদিয়া ছোৱালী।

dance, *v.* নাচা; *n.* নাচন।

dan′-dle, *v.* লৰা-ছোৱালীক হাতত তুলি আদৰ কৰা।

dand′-ruff, *n.* উখি।

dan′-dy, *n.* লাহ-বিলাহ ভালপোৱা মানুহ।

dan′-ger (*dān′-jĕr*), *n.* বিপদ। dan′-ger-ous, *adj.* বিপদজনক।

dan′-gle (*dang′-gle*), *v.* ঢুলনি দিয়া, ওলোমা। dan′-gler, *n.* তিৰোতাৰ সমাজ ভাল পোৱা মানুহ।

Dan′-iel, *n.* ন্যায়বান বিচাৰক।

dank, *adj.* ভিজা। dank′-ish, *adj.*

dap′-per, *adj.* পৰিষ্কাৰ পৰিচ্ছন্ন, খৰতকীয়া।

dap′-ple, *adj.* dap′-pled, *adj.* ফুটুক ফুটুকী।

dare, (dared *or* durst dared, da′-ring), *v.* সাহ কৰা, যুদ্ধলৈ আহ্বান কৰা। da′-ring, *n.* দুঃসাহস। *adj.* সাহিয়াল, দুঃসাহসিক।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

dark, *adj*. এন্ধাৰ, ক'লা, অস্পষ্ট, গোপনীয়, নিষ্ঠুৰ, অজ্ঞ। dark'-ness, *n*. dark'-en, *v*. ক'লা কৰা, এন্ধাৰ কৰা, কলঙ্কিত কৰা। dark'-ey, *n*. নিগ্ৰো।

dar'-ling, *n*. মৰমৰ জন, বাচা ; *adj*. মৰমৰ, চেনেহৰ।

darn, *v*. সূতা তুলা, চিলাই কৰা।

dart, *n*. কাঁড়, সৰু যাঠি, শৰ ; *v*. হঠাৎ নিক্ষেপ কৰা, বেগেৰে যোৱা।

dash, *v*. বেগেৰে আহি পৰা, আঘাত কৰা বা নিক্ষেপ কৰা, ভাঙি পেলোৱা, ব্যৰ্থ কৰা, ধ্বংস কৰা ; *n*. ভাঙৰ কোব বা আঘাত ; (—) এই চিন। dash'-ing, *adj*. উৎসাহী।

das'-tard, *n*. কাপুৰুষ, নীচমনা দুষ্ট মানুহ। das'-tard-ly, *adj*. ভীৰু, কাপুৰুষৰ উপযুক্ত।

da'-ta, *n*. (L.) (*pl*. *of* da'-tum), যি দিয়া আছে।

date, *n*. তাৰিখ, খেজুৰ ; *v*. তাৰিখ দিয়া।

daub, *v*. ঘুঁহোৱা, ঘুঁহাই দিয়া, মোটামুটিকৈ ৰং দিয়া ; *n*. ঘুঁহাই দিয়া কাৰ্য্য, লেপ। daub'-er [-ster], *n*. মোকা চিত্ৰকৰ।

daugh'-ter (*daw'-tĕr*), *n*. দুহিতা, জী। daughter-in-law, *n*. বোৱাৰী।

daunt, *v*. ভয় লগোৱা, নিৰুৎসাহ কৰা। daunt'-less, *adj*. নিৰ্ভীক, সাহসিক।

daw'-dle, *v*. অবাবত কাল কটোৱা।

dawn, *n*. উষা, ৰাতিপুৱা সময়, আৰম্ভ ; *v*. ৰাতি পুওৱা, ফৰকাল হোৱা, মনত উদয় হোৱা।

day, *n*. দিন। dai'-ly, *adj*. day'-break, *n*. প্ৰাতঃকাল। day'-dream, *n*. অসম্ভৱ কল্পনা।

daze, *v*. অজ্ঞান কৰা, সংজ্ঞা লোপ কৰা, বিবুদ্ধি কৰা।

daz'-zle, *v*. (চকুত) চাট মাৰি ধৰা, ঝলমল কৰা।

dea'-con, *n*. তল থাপৰ ধৰ্ম্মযাজক।

dead (*ded*), *adj*. মৃত, নীৰস, নিৰ্জীৱ, প্ৰফুল্লতাহীন, থিৰ ; *n*. *pl*. মৃত লোক সকল। dead'-ly, *adj*. মাৰাত্মক, ভয়ানক। dead'-en, *v*. লাঘৱ বা নাশ কৰা, নিৰ্জীৱ কৰা। dead'-head, *n*. যোনে পয়ছা নিদিয়াকৈ গাড়ীত যায় বা অভিনয় আদি চায়। dead'-letter, *n*. যি চিঠিৰ ঠিকনা নেথাকে ; যি নিয়ম আৰু নচলে। dead'-lock, *n*. এনে গোলমলীয়া অৱস্থা যে আৰু অগ্ৰসৰ হব নোৱাৰি।

deaf (*def*), *adj*. কলা, কাণে নুশুনা। deaf'-en, *v*. কলা কৰা, শুনা-শক্তি হীন কৰা। deaf'-ness, *n*. কাণে নুশুনা অৱস্থা।

deal (dealt, deal'-ing, dealt), *v*. বিতৰণ কৰা, বাঁটি দিয়া ; বেপাৰ কৰা, ব্যবহাৰ কৰা ; *n*. বিতৰণ, বাঁটি দিয়া কাৰ্য্য ; দেৱদাৰু কাঠ। deal'-er, *n*. কাৰবাৰী। deal'-ings, *n*. লেন-দেন, ব্যৱহাৰ, আচৰণ।

dean, *n*. প্ৰধান প্ৰধান গীৰ্জ্জাৰ পুৰোহিত।

dear, *adj*. মৰমৰ, মৰগীয়া ; *n*.

dearth (*dĕrth*), *n*. মৰগ, দুৰ্ভিক্ষ, আকাল।

death (*deth*), *n*. মৃত্যু, মৰণ। death'-less, *adj*. অমৰ।

de-ba'-cle (*de-bā-kl*), *n*. (F.) হঠাৎ বৰফৰ নদী আদি বলা ; আকস্মিক পলায়ন।

de-bar' (de-barred', de-bar'-ring, de-barred'), *v*. বঞ্চিত কৰা, এৰা।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

de-base', *v.* হীন কৰা, নীচ কৰা, ভেজাল দিয়া।

de-bate', *v.* তর্ক-বিতর্ক কৰা, আলোচনা কৰা ; *n.* de-bat'-a-ble (*-bāt'*), *adj.* তর্ক-বিতর্ক কৰিব পৰা।

de-bauch', *v.* চৰিত্ৰ ভ্ৰষ্ট কৰা, কু বাটে নিয়া, অত্যন্ত মদপী হোৱা। de-bauch'-er-y', *n.* ব্যভিচাৰ, লম্পট স্বভাৱ।

de-ben'-ture, *n.* কোনো কোম্পানীয়ে ধন ধাৰ কৰা দলিল।

de-bil'-i-ty, *n.* শাৰীৰিক দুৰ্ব্বলতা, স্নায়বিক দুৰ্ব্বলতা। de-bil'-i-tate, *v.* দুৰ্ব্বল কৰা।

deb'-it, *n.* ধাৰ, খৰছ ; *v.* (কাৰো নামত) খৰছ লিখা।

de-bris' (*dā-brē'*), *n.* (F.) ভগ্নাবশেষ।

debt (*det*), *n.* ঋণ, ধাৰ। debt'-or, *n.* ধৰুৱা।

de-but' (*dā-bū'*), *n.* (F.) প্ৰথম চেষ্টা, অভিনেতা সকলৰ প্ৰথম অভিনয়।

dec'-ade, *n.* দহ বছৰ কাল।

de-ca'-dence, *n.* ধ্বংসৰ অৱস্থা। de-ca'-dent, *adj.* পতনশীল।

dec'-a-logue (*-log*), *n.* বাইবেলত লিখা ঈশ্বৰৰ দহোটা আদেশ।

de-camp', *v.* হঠাৎ গুচি যোৱা বা পলোৱা। de-camp'-ment, *n.*

de-cant', *v.* এটা পাত্ৰৰ পৰা আন এটা পাত্ৰত লাহে লাহে ঢালা যাতে গেৰা তলত ৰয়। de-can'-ter, *n.* ঢালি ৰাখিবলৈ মদৰ পাত্ৰ।

de-cap'-i-tate, *v.* মূৰ কটা, শিৰশ্ছেদ কৰা। de-cap-i-ta'-tion, *n.* শিৰশ্ছেদ।

de-cay', *v.* ধ্বংস হোৱা, নষ্ট হোৱা ; *n.*

de-cease', *v.* মৰি যোৱা ; *n.* মৃত্যু, মৰণ। de-ceased', *adj.* মৃত।

de-ceive' (*-seev*), *v.* ফাঁকি দিয়া, ঠগা, প্ৰতাৰণা কৰা, প্ৰবঞ্চনা কৰা। de-ceit' (*-seet'*), *n.* প্ৰবঞ্চনা, প্ৰতাৰণা। de-ceit'-ful, *adj.* de-cep'-tion (*-sep'-*), *n.* প্ৰতাৰণা, ছলনা।

De-cem'-ber (*-sem'-*), *n.* ইংৰাজী বছৰৰ শেষ মাহ।

de'-cent (*-sent*), *adj.* উপযুক্ত, উচিত, ভদ্ৰ, সভ্য, চাফচিকোন। de'-cen-cy, *n.* ভদ্ৰতা, চাফচিকুনতা।

de-cide', *v.* নিৰ্ণয় কৰা, স্থিৰ কৰা, সঙ্কল্প কৰা। de-ci'-ded, *adj.* নিশ্চিত। de-ci'-sion (*-sizh'-un*), *n.* সিদ্ধান্ত, মীমাংসা। de-ci'-sive, *adj.* নিশ্চিত, চূড়ান্ত।

dec'-i-mal (*des'-*), *adj.* দশমিক ; *n.* দশমিক ভগ্নাংশ ; দহভাগৰ এ ভাগ। dec'-i-mate, *v.* দহভাগৰ এ ভাগ লোৱা ; দহভাগৰ এ ভাগ মানুহ ধ্বংস কৰা।

de-ci'-pher (*-si-fer*), *v.* ৰহস্য ভেদ কৰা, অৰ্থ উলিওৱা, সঙ্কেতে লিখাৰ অৰ্থ উলিওৱা।

deck, *v.* আবৃত কৰা, ঢাকা, শোভিত কৰা, ভূষিত কৰা ; *n.* জাহাজৰ 'ডেক'।

de-claim', *v.* সকলোৰে আগত ৰচনা পাঠ বা বক্তৃতা কৰা, নিন্দা কৰা। dec-la-ma'-tion, *n.*

de-clare', *v.* ঘোষণা কৰা, কথাত প্ৰকাশ কৰা, নিজৰ মত প্ৰকাশ কৰা। dec-la-ra'-tion, *n.* ঘোষণা, উক্তি। de-clar'-ant, *n.*

de-clen'-sion, *n.* অবনতি, অস্বীকাৰ, ধাতুৰূপ।

de-cline', *v.* অস্বীকাৰ কৰা (নম্ৰভাবে), অবনতিৰ ফালে যোৱা, শব্দৰূপ কৰা ; *n.* অবনতি, অধঃপতন। dec-li-na'-tion *n.*

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

de-cliv'-i-ty, *n.* তলৰ পিনে এঢলীয়া ঠাই। de-cli'-vous, *adj.* আওঢলীয়া।
de-coct', *v.* সিজোৱা, পগাই কহ তোলা; de-coc'-tion, *n.* ক্বাথ, পাঁচন।
de-com-pose', *v.* নিহলি বস্তুৰ উপাদান বেলেগ বেলেগ কৰা, ধ্বংস হোৱা, পঁচি যোৱা।
dec'-o-rate, *v.* ভূষিত কৰা, সুশোভিত কৰা, সজোৱা। dec-o-ra'-tion, *n.* সজোৱা কাম, সম্মানসূচক চিন (পদক আদি)। dec'-o-ra-tive, *adj.*
de-co'-rous (*-rus*), *adj.* উপযুক্ত, শিষ্টাচাৰ বা ভদ্ৰতাৰ উপযুক্ত, ভদ্ৰোচিত। de-co'-rum, *n.* উপযুক্ত ব্যৱহাৰ বা আচৰণ, শিষ্টাচাৰ।
de-coy', *v.* প্ৰলোভন দি জালত বা ফান্দত পেলোৱা; *n.* প্ৰলোভন, যোনে বা যিহে ভুলাই নি জালত বা ফান্দত পেলায়।
de-crease', *v.* কমা বা কম হোৱা; *n.* হ্ৰাস, কম, কমতি।
de-cree', *n.* বিচাৰকৰ হুকুম, নিয়ম বা বিধান; *v.* বিচাৰ কৰি হুকুম দিয়া। de-cree ni'-si (*nī-sī*), *n.* বিয়াৰ বান্ধোন ছিগা আদালতৰ হুকুম।
de-crep'-it, *adj.* জৰাজীৰ্ণ, বুঢ়া। de-crep'-i-tude, *n.* বাৰ্দ্ধক্য।
de-cry', *v.* নিন্দা কৰা, নিৰুৎসাহ কৰা।
ded'-i-cate, *v.* উছৰ্গা কৰা, সঁপি দিয়া। ded-i-ca'-tion, *n.* উছৰ্গা।
de-duce', *v.* অনুমান কৰা, যুক্তিৰে উলিওৱা। de-du'-ci-ble, *adj.* যুক্তিৰে উলিয়াব পৰা।
de-duct', *v.* বিয়োগ কৰা, বাদ কটা। de-duc'-tion, *n.* অনুমান, সিদ্ধান্ত, যিখিনি কটা হয়, কৰ্ত্তন। de-duc'-tive, *adj.*
deed, *n.* কাৰ্য্য, কাম, দলিল।
deem, *v.* ভবা, বিবেচনা কৰা, মীমাংসা কৰা, অনুমান কৰা।
deep, *adj.* দ, গভীৰ, ডাঠ; *n.* সাগৰ। deep'-en, *v.* ডাঠ কৰা বা হোৱা।
de-face', *v.* বিৰূপ কৰা, কুৎসিৎ কৰা, মচি পেলোৱা। de-face'-a-ble, *adj.*
de-fal'-cate, *v.* তহবিল আত্মসাৎ কৰা। de-fal-ca'-tion, *n.*
de-fame', *v.* সুনাম নষ্ট কৰা, দুৰ্যশ ৰটা, নিন্দা কৰা। def-a-ma'-tion, *n.* মানহানি, গ্লানি। de-fam'-a-to-ry, *adj.*
de-fault', *n.* ত্ৰুটি, ব্যতিক্ৰম (টকাকড়ি দিয়া আদিত); *v.* অৱহেলা কৰা, ত্ৰুটি কৰা। de-fault'-er, *n.* হাজিৰ নথকা লোক, যাৰ দিবলৈ (টকাকড়ি আদি) বাকী আছে।
de-feat', *v.* পৰাস্ত কৰা, ব্যৰ্থ কৰা; *n.* পৰাজয়, ব্যৰ্থতা।
de-fect', *n.* ত্ৰুটি, দোষ, খুঁত, অসম্পূৰ্ণতা। de-fec'-tive, *adj.* অসম্পূৰ্ণ, দোষ বা খুঁত থকা। de-fec'-tion, *n.*
de-fence', *n.* আত্মৰক্ষা, সমৰ্থন। de-fend', *v.* ৰক্ষা কৰা, বিপদৰ পৰা বচোৱা, সমৰ্থন কৰা। de-fend'-ant, *n.* বিবাদী। de-fen'-sive, *adj.* ৰক্ষাৰ বাবে ব্যৱহৃত; *n.* আত্মৰক্ষা।
de-fer', *v.* স্থগিত কৰা, পলম কৰা, আনৰ মতক অপেক্ষা কৰি কাম কৰা। def'-er-ence, *n.* শ্ৰদ্ধা, সম্মান। def-er-en'-tial, *adj.* শ্ৰদ্ধাপূৰ্ণ।
de-fi'-cient (*-fish'-ent*), *adj.* কম, তাকৰ, অসম্পূৰ্ণ। de-fi'-cien-cy, *n.* কমতি, ত্ৰুটি, যি অসম্পূৰ্ণ থাকে। def'-i-cit, *n.* টকাপয়চাৰ কমতি।
de-file', *v.* শাৰী পাতি যোৱা, অপবিত্ৰ বা

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

অশুচি কৰা, কলুষিত কৰা; *n.* শিলৰ ওপৰেদি যোৱা ঠেক বাট। de-file'-ment, *n.*

de-fine', *v.* সীমা নিৰূপণ কৰা, ব্যাখ্যা কৰা। def'-i-nite (*-nit*), *adj.* নিৰ্দ্দিষ্ট, থিক, নিশ্চিত। def-i-ni'-tion, *n.* সূত্ৰ, সংজ্ঞা। def'-i-nite-ly, *adv.*

def'-la-grate, *v.* দপ কৰি জ্বলি উঠা। def-la-gra'-tion, *n.*

de-flect', *v.* আচল বাট এৰা, কাষ কাটি যোৱা। de-flec'-tion, *n.*

de-form', *v.* বিকৃত কৰা, কুৰূচ্ কৰা, বিৰূপ কৰা। de-for-ma'-tion, *n.* de-for'-mi-ty, *n.* কুৎসিৎ আকাৰ। de-formed', *adj.* বিকৃত, বিৰূপ।

de-fraud', *v.* প্ৰবঞ্চনা কৰা, ঠগা।

de-fray', *v.* (খৰচ) যোগোৱা বা চলোৱা। de-fray'-al, *n.*

deft, *adj.* কাৰ্য্যদক্ষ, চতুৰ, টেঙৰ। deft'-ly, *adv.* দক্ষতাৰে, চতুৰালিৰে।

de-funct', *adj.* মৃত, মৰা; *n.* মৃত লোক।

de-fy', *v.* স্পৰ্দ্ধা দেখুৱাই অগ্ৰাহ্য কৰা বা নমনা, যুঁজলৈ আহ্বান কৰা। de-fi'-ance, *n.* স্পৰ্দ্ধা, যুঁজলৈ আহ্বান। de-fi'-ant, *adj.*

de-gen'-er-ate, *v.* তললৈ নমা, হীন হোৱা; *adj.* নীহ, অধম। de-gen-er-a'-tion, *n.* অধঃপতন।

de-grade', *v.* তলৰ থাপলৈ নমাই দিয়া, অপমান কৰা, অসম্ভ্ৰম কৰা, তললৈ নমা। deg-ra-da'-tion, *n.* অপমান, অবনতি। de-gra'-ded, *adj.*

de-gree', *n.* উপাধি, থাপ, পৰিমাণ, বৃত্তৰ ৩৬০ ভাগৰ এভাগ।

de'-i-fy, *v.* দেৱত্ব আৰোপণ কৰা। de-i-fi-ca'-tion, *n.* দেৱত্ব আৰোপণ।

deign (*dān*), *v.* অনুগ্ৰহ কৰি কৰা, সুপ্ৰসন্ন হোৱা।

de'-i-ty, *n.* দেৱতা, ঈশ্বৰ।

de-ject', *v.* নিৰুৎসাহ কৰা, নিৰাশ কৰা। de-ject'-ed, *adj.* নিৰাশ, নিৰুৎসাহ। de-jec'-tion, *n.*

de-late', *v.* অভিযুক্ত কৰা।

de-lay (de-layed', de-lay'-ing, de-layed'), *v.* পিছলৈ পেলাই ৰখা, পলম কৰা; *n.* পলম।

de-lec'-ta-ble, *adj.* মনোহৰ, আনন্দ-জনক। de-lec-ta'-tion, *n.*

del'-e-gate, *v.* প্ৰতিনিধিৰূপে পঠোৱা, আনৰ গাত (কোনো ভাৰ) অৰ্পণ কৰা; *n.* প্ৰতিনিধি।

de-lete', *v.* বাদ দিয়া। de-le'-tion, *n.*

del-e-te'-ri-ous, *adj.* অনিষ্টজনক।

de-lib'-er-ate, *v.* মনত ভালকৈ ভৰা, ভালকৈ বিবেচনা কৰা, নিৰ্ণয় কৰাত দ্বিধা কৰা; *adj.* সুচিন্তিত। de-lib-er-a'-tion, *n.* তৰ্ক বিতৰ্ক। de-lib'-er-a-tive, *adj.*

del'-i-cate, *adj.* ধুনীয়া, সুন্দৰ, সূক্ষ্ম, অতি সৰু, কোমল, দ্বিধাযুক্ত, দুৰ্ব্বল (স্বাস্থ্য বিষয়ত); চকুত লাজ-লগা। del'-i-ca-cy, *n.* চকুৰ লাজ, সূক্ষ্মতা, তৃপ্তিকৰ বা সোৱাদ লগা বস্তু।

de-li'-cious (*-lish'-us*), *adj.* সোৱাদ লগা, ভাল লগা, মধুৰ।

de-light' (*-līt'*) *n.* আনন্দ; *v.* আনন্দ দিয়া। de-light'-ed, *adj.* de-light'-ful, *adj.* আনন্দিত।

de-lim'-it, *v.* সীমা নিৰ্দ্দিষ্ট কৰি দিয়া।

de-lin'-e-ate, ৰেখা টানি অঁকা, বৰ্ণনা কৰা, চিত্ৰিত কৰা। de-lin-e-a'-tion, *n.* ছবি অঁকা, বৰ্ণনা।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

de-lin'-quent, *n.* দোষী, অপৰাধী। de-lin'-quen-cy, *n.* দোষ, অপৰাধ।

de-lir'-i-um, *n.* জ্বৰৰ বিকাৰ, প্ৰলাপ, বুদ্ধিৰ অস্থিৰতা। de-lir'-i-ous, *adj.* জ্বৰৰ বিকাৰত অস্থিৰ।

de-liv'-er, *v.* মুকলি বা মুক্ত কৰা, উদ্ধাৰ কৰা, দিয়া, খালাচ কৰা, বক্তৃতা দিয়া। de-liv'-er-er, *n.* যোনে...। de-liv'-er-ance, *n.* de-liv'-er-y, *n.* দিয়া কাম, বক্তৃতাৰ প্ৰণালী, সন্তান প্ৰসৱ।

dell, *n.* পৰ্ব্বতৰ গুহা, ঠেক উপত্যকা।

del'-ta, *n.* ব-দ্বীপ। del'-toid, *adj.*

de-lude', *v.* ভুলোৱা, ছলনা কৰা, প্ৰতাৰণা কৰা। de-lu'-sion, *n.* প্ৰতাৰণা, মতি-বিভ্ৰম। de-lu'-sive, *adj.*

del'-uge, *n.* ডাঙৰ বাণপানী ; *v.* বাণপানীৰে উটোৱা বা ওপচাই পেলোৱা।

delve, *v.* খনা।

dem'-a-gogue (*-gog*), *n.* সৰ্ব্বসাধাৰণৰ প্ৰিয় নেতা।

de-mand', *v.* দাবী কৰা ; *n.* দাবী। de-mand'-ant, *n.*

de-mar-ca'-tion, *n.* সীমা থিৰ কৰা কাৰ্য্য, বিভাগ।

de-mean', *v.* নিজৰ আচৰণ বা ব্যৱহাৰ দেখুৱা, নিজক নীহ কৰা। de-mean'-our (*-ur*), *n.* ব্যৱহাৰ বা আচৰণ।

de-ment'-ed, *adj.* বলিয়া, পগলা। de-men'-ti-a (*-shi-a*), *n.* উন্মাদ অৱস্থা।

de-mer'-it, *n.* দোষ।

de-mesne' (*-mēn'*), *n.* সম্পত্তি।

de-mise' (*-mīs'*), *n.* (ডাঙৰ মানুহৰ) মৃত্যু, মৰণ, মৃত্যুত ৰাজ্য বা পদবী উত্তৰাধিকাৰীত সমৰ্পণ ; *v.* মৃত্যুত (ৰাজ্য বা পদ) আনৰ হাতত দিয়া।

de-mit', *v.* পদত্যাগ কৰা।

de-moc'-ra-cy, *n.* প্ৰজাতন্ত্ৰ শাসন। dem'-o-crat, *n.* প্ৰজাতন্ত্ৰ শাসনবাদী। dem-o-crat'-ic, *adj.*

de-mol'-ish, *v.* ভাঙ্গি পেলোৱা, ধ্বংস কৰা, নষ্ট কৰা। dem-o-li'-tion, *n.*

de'-mon, *n.* দানৱ, পিশাচ। de-mo'-ni-ac, *adj.* পৈশাচিক ; *n.* ভূতে পোৱা মানুহ। de-mon-ol'-a-try, *n.* ভূত পূজা।

dem'-on-strate, *v.* দেখুৱাই দিয়া, প্ৰমাণ কৰা, পৰিষ্কাৰকৈ দেখুৱাই দিয়া। dem-on-stra'-tion, *n.* dem'-on-stra-tor, *n.* যোনে...। de-mon'-stra-tive, *adj.*

de-mor'-al-ize, *v.* চৰিত্ৰ নষ্ট কৰা, সৈন্য আদিৰ বিশ্বাস নষ্ট কৰা। de-mor-al-i-za'-tion, *n.*

de-mur', *v.* দ্বিধা কৰা, আপত্তি কৰা ; *n.* দ্বিধাভাৱ। de-mur'-rage, *n.* ঠিক সময়ত মাল খালাচ নহলে যি অতিৰিক্ত মাচুল লাগে।

de-mure' (*-mūr'*), *adj.* গম্ভীৰ, শান্ত-স্বভাৱী, ধীৰ, নম্ৰ।

den, *n.* বনৰীয়া জন্তুৰ গুহা, গাঁত, কোনো গৰ্হিত কামৰ বাবে গোপনীয় স্থান।

den'-i-zen, *n.* অধিবাসী (যি কোনো প্ৰাণী), নগৰীয়া।

de-nom'-i-nate, *v.* নাম দিয়া, কোনো নাম ধৰি মাতা। de-nom-i-na'-tion, *n.* নাম, কোনো সম্প্ৰদায়। de-nom'-i-na-tor, *n.* নাম দিওঁতা, ভগ্নাংশৰ হৰ বা ভাজক। de-nom'-i-na-tive, *adj.*

de-note', *v.* বুজোৱা, দেখুৱাই দিয়া, সলনি বহা। de-no-ta'-tion, *n.*

de-nounce', *v.* সকলোৰে আগত দোষী বুলি কোৱা, নিন্দা কৰা, ভয় দেখুৱা। de-nounce'-ment, *n.* de-nun-ci-a'-tion, *n.*

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

dense', *adj.* ঘন, গাঢ়। den'-si-ty, *n.*

dent, *n.* খাঁজ, সৰু খাল; *v.* খাঁজ কটা।

den'-tal, *adj.* দাঁত সম্বন্ধীয়, দন্ত্য। den'-tist, *n.* দাঁতৰ বেমাৰ চিকিৎসক। den'-tist-ry, *n.* দন্তচিকিৎসা।

de-nude', *v.* নাঙ্গঠ কৰা, বিবস্ত্ৰ কৰা। de-nu-da'-tion, *n.*

de-ny', *v.* নুই কৰা, অস্বীকাৰ কৰা, আসৈ মতা, প্ৰতিবাদ কৰা, সম্বন্ধ ত্যাগ কৰা। de-ni'-al, *n.* de-ni'-a-ble, *adj.*

de-part', *v.* প্ৰস্থান কৰা, গুচি যোৱা, যাত্ৰা কৰা, মৰা। de-part'-ed, *adj.* গত, মৃত। de-par'-ture, *n.* প্ৰস্থান।

de-part'-ment, *n.* বিভাগ।

de-pend', *v.* নিৰ্ভৰ কৰা, ওলমা, অবলম্বন কৰা, বিশ্বাস কৰা। de-pend'-a-ble, *adj.* de-pend'-ant, *n.* আশ্ৰিত লোক, চাকৰ। de-pen'-dence, *n.* নিৰ্ভৰতা, অবলম্বন, আশ্ৰয়। de-pend'-ent, *adj.* ওলমি থকা, পৰৰ মুখলৈ চাওঁতা, তলতীয়া বা অধীন।

de-pict', *v.* বৰ্ণনা কৰা, চিত্ৰিত কৰা।

de-plete', *v.* শূন্য কৰা, কম কৰা। de-ple'-tion, *n.* de-ple'-to-ry, *adj.*

de-plore', *v.* শোক কৰা, দুখ কৰা। de-plo'-ra-ble, *adj.* শোচনীয়, শোকজনক।

de-ploy', *v.* বহল কৰা, সৈন্য শাৰী কৰা বা পতা।

de-pop'-u-late, *v.* জনসংখ্যা নোহোৱা কৰা। de-pop-u-la'-tion, *n.*

de-port', *v.* নিৰ্ব্বাসিত কৰা। de-por-ta'-tion, *n.* নিৰ্ব্বাসন।

de-port'-ment, *n.* আচৰণ, ব্যৱহাৰ।

de-pose', *v.* পদচ্যুত কৰা, সিংহাসনৰ পৰা নমোৱা (ৰজা ভাঙ্গা), সাক্ষীয়ে 'জবানবন্দি' দিয়া। de-po-si'-tion (*-zi-shun*), *n.* পদচ্যুত কৰা কাৰ্য্য, সাক্ষীৰ 'জবানবন্দি'।

de-pos'-it, *v.* (ধন) গোটোৱা বা গোটাই থোৱা, (ব্যাঙ্কত) টকা জমা থোৱা; *n.* যি (ধন) জমা থোৱা হয়।

dep'-ot (*dep'-ō*), *n.* (F.) ভঁৰাল, পল্টন বা কুলিৰ আড্ডা, মাল ৰখা আড্ডা।

de-prave', *v.* চৰিত্ৰ নষ্ট কৰা বা বেয়া কৰা। de-praved', *adj.* de-prav'-i-ty, *n.*

dep'-re-cate, *v.* নিন্দা কৰা। dep-re-ca'-tion, *n.* নিন্দা। dep'-re-ca-tive, dep'-re-ca-to-ry, *adj.*

de-pre'-ci-ate (*-shi-*), *v.* মূল্য কম কৰা, মূল্য কম হোৱা, অনাদৰ কৰা, কম মূল্যৰ বা তুচ্ছ বুলি ধৰা। de-pre-ci-a'-tion, *n.* de-pre'-ci-a-to-ry, *adj.*

dep'-re-date, *v.* লুট কৰা, ধ্বংস কৰা। dep-re-da'-tion, *n.* লুট, ধ্বংস।

de-press', *v.* নিৰাশ বা নিৰুৎসাহ কৰা, অবসন্ন বা দুখিত কৰা, মূল্য কম কৰা, বেয়া কৰা (বেপাৰ বাণিজ্য)। de-pres'-sion, *n.* বিষাদ ভাব, গহ্বৰ। de-pressed', *adj.*

de-prive', *v.* বঞ্চিত কৰা, কাঢ়ি লোৱা। dep-ri-va'-tion, *n.* বঞ্চনা, ক্ষতি।

depth, *n.* গভীৰতা।

de-pute', *v.* প্ৰতিনিধিৰূপে নিযুক্ত কৰা বা পঠোৱা। dep-u-ta'-tion, *n.* প্ৰতিনিধি বা প্ৰতিনিধিৰ দল। dep'-u-ty, *n.* প্ৰতিনিধি।

de-rail', *v.* লাইনচ্যুত কৰা বা হোৱা।

de-range', *v.* বিশৃঙ্খল কৰা, ওলট পালট কৰা। de-ranged', *n.* বিশৃঙ্খল, অপ্ৰকৃতিষ্ঠ। de-range'-ment, *n.*

der'-e-lict, *adj.* পৰিত্যক্ত। der-e-lic'-tion, *n.*

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

de-ride', *v.* ঠাট্টা কৰা, উপহাস কৰা, ইতিকিং কৰা। de-ri'-sion (*-ri'-zhun*), *n.* ঠাট্টা, ইতিকিং। de-ri'-sive, *adj.* ঠাট্টাপূৰ্ণ।

de-rive', *n.* পোৱা, উলিয়োৱা, শব্দৰ প্ৰকৃতি-প্ৰত্যয় উলিয়োৱা। der-i-va'-tion, *n.* de-riv'-a-tive, *adj.*

der'-o-gate, *v.* নীচ হোৱা, হ্ৰাস কৰা। de-rog'-a-to-ry, *adj.* অপমানজনক, নিন্দাসূচক, হীনতাজনক।

de-scend' (*-send'*), *v.* (ওখ ঠাইৰ পৰা) নামা, জন্ম লাভ কৰা। de-scent', *n.* নামা কাৰ্য্য, জন্ম। de-scend'-ant, *n.* সন্তান-সন্ততি।

de-scribe', *v.* বৰ্ণনা কৰা, অঙ্কিত কৰা। de-scrip'-tion, *n.* বৰ্ণনা। de-scrip'-tive, *adj.* বৰ্ণনামূলক।

des'-e-crate, *v.* অপবিত্ৰ বা অশুচি কৰা। des-e-cra'-tion, *n.*

de-sert' (*-zert'*), *v.* ত্যাগ কৰা, এৰি পলোৱা। de-sert'-ed, *adj.* পৰিত্যক্ত, জনশূন্য, উজাৰ। de-ser'-tion, *n.* নিজৰ দল পৰিত্যাগ কৰা কাৰ্য্য, পলায়ন। de-sert'-er, *n.* পলাই যোৱা সৈন্য বা নাবিক।

des'-ert (*dez'-*), *n.* মৰুভূমি, উজাৰ বা গছ গছনি নাইকিয়া ঠাই, বন।

de-serve' (*-zerv'*), *v.* পাবলৈ উপযুক্ত হোৱা। de-serts', *n. pl.* যি কোনোৱে পাবৰ যোগ্য। de-serv'-ing, *adj.*

des'-ic-cate, *v.* শুকোৱা।

de-sid'-er-ate, *v.* পাবলৈ অভিলাষ কৰা। de-sid-er-a'-tum, *n.* (*pl.* -ta), পাবলৈ অভিলাষ কৰা বস্তু, যি বস্তুৰ অতি অভাব বোধ কৰা হয়।

de-sign' (*-zin'*), *v.* নক্চা অঁকা, ইচ্ছা কৰা, মনতে পাঙা বা স্থিৰ কৰা ; *n.* নক্চা, উদ্দেশ্য। de-sign'-ed-ly, *adv.* ইচ্ছা কৰি। de-sign'-ing, *adj.* ধূৰ্ত্ত, চক্ৰান্তকাৰী।

des'-ig-nate (*dez'-*), *v.* দেখুৱাই দিয়া, নাম কৰা বা দিয়া। des-ig-na'-tion, *n.* পদ, নাম।

de-sire' (*-zir'*), *v.* ইচ্ছা বা আকাঙ্ক্ষা কৰা, প্ৰাৰ্থনা কৰা ; *n.* ইচ্ছা। de-si'-ra-ble (*-zi'-*), *adj.* বাঞ্চনীয়, আনন্দদায়ক। de-si'-rous, *adj.* ইচ্ছুক।

de-sist', *v.* বিৰত হোৱা, ক্ষান্ত হোৱা। de-sis'-tance, *n.*

des'-o-late, *adj.* জনশূন্য ; *v.* জনশূন্য কৰা, মানুহ নাইকিয়া কৰা। des-o-la'-tion *n.* মানুহ দুনুহ নাইকিয়া হোৱা অৱস্থা।

des-pair', *n.* নৈৰাশ্য ; *v.* হতাশ হোৱা, নিৰাশ হোৱা। des'-per-ate, *adj.* হতাশ, নিৰ্ভয়, মৰা-বৰ্ত্তা-মুগুণা। des-per-a'-tion, *n.*

des-patch' *or* **dis-patch'**, *v.* পঠোৱা, সোণকালে কৰি এটোৱা, তাৰাতাৰি শেষ কৰা, প্ৰাণ সমাধা কৰা ; *n.* পঠোৱা চিঠি আদি ; খবৰ দি পঠোৱা চৰ্কাৰী কাগজ-পত্ৰ আদি।

des-pise' (*-piz'*), *v.* ঘৃণা কৰা, অবহেলা কৰা, তুচ্ছ বুলি ধৰা। des'-pi-ca-ble, *adj.* হেয়, তুচ্ছ।

de-spite', *n.* বিদ্বেষ, ঘৃণা ; *v.* অবজ্ঞা বা ঘিণ কৰা ; *prep.* তথাচ, তেনে হোৱাতো। de-spite'-ful, *adj.*

de-spoil', *v.* বঞ্চিত কৰা, জোৰেৰে কাঢ়ি লোৱা, লুট কৰা।

de-spond', *v.* হতাশ হোৱা। de-spond'-ence, *n.* de-spond'-ent, *adj.* নিৰাশ, হতাশ।

des'-pot, *n.* স্বেচ্ছাচাৰী ৰজা বা শাসন-

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

কৰ্ত্তা, অত্যাচাৰী মানুহ। des-pot'-ic, *adj.* স্বেচ্ছাচাৰী, অত্যাচাৰী। des'-pot-ism, *n.* স্বেচ্ছাচাৰ শাসন।

des-sert' (*de-zert'*), *n.* ভোজনৰ শেষত দিয়া মিঠাই ফল আচাৰ আদি।

des'-tine (*-tin*), *v.* (ভাগ্যই) নিৰ্দ্দিষ্ট কৰা, কিহবাৰ কাৰণে নিযুক্ত কৰা বা ৰাখি থোৱা। des'-ti-ny, *n.* অদৃষ্ট, ভাগ্য। des-ti-na'-tion, *n.* উদ্দেশ্য বা লক্ষ্য, গন্তব্য স্থান।

des'-ti-tute, *adj.* বৰ-অভাবত-পৰা, অসহায়, হীন, একো নথকা। des-ti-tu'-tion, *n.* দৰিদ্ৰতা, একো নোহোৱা অৱস্থা।

de-stroy', *v.* ধ্বংস কৰা, নষ্ট কৰা, নাশ কৰা। de-struc'-tion, *n.* ধ্বংস, নাশ, de-struc'-tive, *adj.* নাশকাৰী।

des'-ul-to-ry, *adj.* বিশৃঙ্খল, চঞ্চল, অপৰিপাটি, উলোমুলো, উপকৰা।

de-tach', *v.* বেলেগ কৰা, বিভিন্ন কৰা, বিশেষ কাৰ্য্যলৈ পঠোৱা। de-tach'-ment, *n.* পৃথকতা। বিশেষ কাৰ্য্যলৈ পঠোৱা এদল সৈন্য বা যুদ্ধৰ জাহাজ। de-tach'-a-ble, *adj.*

de-tail', *v.* সবিশেষ বিৱৰণ দিয়া, বিশেষ কাৰ্য্যলৈ সৈন্য নিৰ্ব্বাচন কৰা। de'-tail, *n.* সবিশেষ বিবৰণ। de-tailed', *adj.*

de-tain', *v.* আটক ৰখা, আবদ্ধ ৰখা। de-ten'-tion, *n.* আটক, বন্ধ।

de-tect', *v.* ধৰা, দোষ উলিওৱা, অনুসন্ধান লৈ উলিওৱা। de-tec'-tion, *n.* de-tec'-tive, *n.* গুপ্ত পুলিছ।

de-ter', *v.* নিষেধ কৰা, হাক দিয়া, বাধা কৰা (বিশেষকৈ ভয় বা বেয়াফল দেখুৱাই)। de-ter'-rent, *adj.* বাধাপূৰ্ণ; *n.* নিষেধ, বাধা।

de-te'-ri-o-rate, *v.* তললৈ নমা, বেয়া হোৱা। de-te-ri-o-ra'-tion, *n.* অবনতি।

de-ter'-mine, *v.* মনস্থ কৰা, স্থিৰ কৰা। de-ter-mi-na'-tion, *n.* দৃঢ়প্ৰতিজ্ঞা, দৃঢ়-সংকল্প। de-ter-mined', *adj.*

de-test', *v.* অতি ঘিণ কৰা। de-tes-ta'-tion, *n.* ঘৃণা। de-test'-a-ble, *adj.* ঘৃণণীয়।

de-throne', *v.* সিংহাসনৰ পৰা নমোৱা বা ৰজা ভঙা।

de-tract', *v.* (গুণৰ) নিন্দা কৰা, দুৰ্ণাম কৰা। de-trac'-tion, *n.* নিন্দা।

det'-ri-ment, *n.* ক্ষতি, লোকচান, অনিষ্ট। det-ri-men'-tal, *adj.* অনিষ্টকৰ।

deuce, *n.* চয়তান, ভুত।

dev'-as-tate, *v.* ধ্বংস কৰা, উচ্ছন্ন কৰা, লুট কৰা। dev-as-ta'-tion, *n.*

de-vel'-op, *v.* বাঢ়া, বৰ্দ্ধিত কৰা। de-vel'-op-ment, *n.* বৃদ্ধি, ক্ৰমোন্নতি।

de'-vi-ate, *v.* বিপথে যোৱা, অবাটে যোৱা, ভুল কৰা, অন্যায় আচৰণ কৰা। de-vi-a'-tion, *n.* de'-vi-ous, *adj.* অবাটে-যোৱা।

dev'-il, *n.* ভুত, চয়তান। dev'-il-ish, *adj.*

de-vise' (*-vīz'*), *v.* উদ্ভাৱন কৰা, বুদ্ধি সজা, ভাবি থিৰ কৰা, উইল কৰি দান কৰা। de-vice', *n.* উপায়, কৌশল বা বুদ্ধি, কোনো পদৰ চিন, নীতিবচন।

de-void', *adj.* হীন, শূন্য, নথকা।

de-volve', *v.* পিছৰ বংশক দিয়া, আনত বৰ্ত্তা, কৰ্ত্তব্য কাম হিচাবে আনৰ ওপৰত পৰা। dev-o-lu'-tion, *n.*

de-vote', *v.* উৎসৰ্গ কৰা, সমৰ্পণ কৰা, দেৱতা আদিৰ উদ্দেশ্যে ৰখা। de-vo'-tion, *n.* অনুৰাগ, ভক্তি। dev-o-tee', *n.* ভক্ত। de-vo-ted', *adj.* অনুৰক্ত।

de-vour', *v.* গিলি পেলোৱা, খাই পেলোৱা, খৰছ কৰা, নষ্ট কৰা।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

de-vout', *adj.* ধাৰ্ম্মিক, নৈষ্ঠিক।
dew, *n.* নিয়ৰ। dew'-y, *adj.*
dex'-ter-ous, *adj.* নিপুণ, দক্ষ, চতুৰ, পটু। dex-ter'-i-ty, *n.* পটুতা।
di-a-bol'-ic (-al), *adj.* পৈশাচিক।
di'-a-dem, *n.* ৰাজমুকুট, ৰজাৰ মূৰৰ ভূষণ।
di-ag-no'-sis, *n.* ৰোগ নিৰ্ণয়। di-ag-nose', *v.* ৰোগ নিৰ্ণয় কৰা।
di-ag'-o-nal, *n.* চতুৰ্ভুজ ক্ষেত্ৰৰ কৰ্ণ। -ly, *adv.* কোণাকোণি ভাবে।
di'-a-gram, *n.* অঁকা ক্ষেত্ৰ, ৰেখাৰ চিত্ৰ। di-a-gram-mat'-ic, *adj.*
di'-al, *n.* ঘন্টা আৰু মিনিটৰ কাঁটা থকা ঘৰিৰ মুখ।
di'-a-lect, *n.* কথিত ভাষা।
di'-a-logue (*-log*), *n.* কথোপকথন।
di-am'-e-ter, *n.* ব্যাস। di-a-met'-ri-cal-ly, *adv.* ঠিক বিপৰীত ফালে।
di'-a-mond, *n.* হীৰা, তাচৰ ৰহিতন।
di'-a-per, *n.* ফুল ৰচা কাপোৰ।
di-ar-rhœ'-a *or* **di-ar-rhoe'-a** (*dī-a-ree'-a*), *n.* উদৰাময়, পেট চলা ৰোগ।
di'-a-ry, *n.* দৈনিক ঘটনাৰ বিবৰণ। di'-a-rist, *n.* যোনে...। di'-a-rize, *v.*
di'-a-tribe, *n.* গালাগালি বৰ্ষণ।
dic-tate', *v.* কি কৰ বা লিখিব লাগে তাক কৈ দিয়া, আদেশ দিয়া। dic'-tate, *n.* বিধি, আদেশ। dic-ta'-tion, *n.* dic-ta'-tor, *n.* সৰ্ব্বময় আদেশকৰ্ত্তা।
dic'-tion, *n.* কথা কোৱা ধৰণ, বাক্য-বিন্যাসৰ ৰীতি।
dic'-tion-a-ry, *n.* অভিধান।
die, *n.* (*pl.* dice), পাশা খেলৰ গুটি। die, *n.* (*pl.* dies), মুদ্ৰা আদি মাৰা সাঁচ।
die (died, dy'-ing, died), *v.* মৰা, নিৰ্জ্জীৱ আৰু শুকান হোৱা, লোপ হোৱা।
di'-et, *n.* পথ্য, খাদ্য; জাৰ্ম্মাণ-সম্ৰাটৰ মন্ত্ৰণা-সভা; *v.* ব্যৱস্থা অনুসাৰে পথ্য দিয়া।
dif'-fer, *v.* বেলেগ হোৱা, বিভিন্ন হোৱা, বেলেগ মত হোৱা। dif'-fer-ent, *adj.* বেলেগ, বিভিন্ন। dif'-fer-ence, *n.* বিভিন্নতা, মতৰ অমিল।
dif-fi-cult', *adj.* টান, কঠিন। dif'-fi-cul-ty, *n.* কষ্ট।
his'-to-ry, *n.* বুৰঞ্জী, ইতিহাস, বিবৰণ। his-tor'-ic, *adj.* his-tor'-i-cal, *adj.* ঐতিহাসিক, বুৰঞ্জীমূলক। his-to'-ri-an, *n.* বুৰঞ্জী লিখক।

hit (hit, hit'-ting, hit), *v.* খুন্দা মৰা, আঘাত কৰা, কোনো লক্ষ্য ঢুকি পোৱা।

hitch, *v.* বন্ধা, জোটা, হোক্‌চাকৈ টনা; *n.* প্ৰতিবন্ধক, বিঘিনি, গাঁঠি।

hith'-er, *adv.* ইয়ালৈ, এই ঠাইলৈ। hith'-er-to, *adv.* এই সময়লৈ।

hive, *n.* মৌচাক, মৌচাকত থকা মৌমাখি, *v.* একেলগে বাস কৰা।

hoar (*hōr*), *adj.* বগা। hoar'-y, *adj.* পকা (যেনে চুলি), বগা। hoar—frost, *adj.* গোটমৰা নিয়ঁৰৰ কণা।

hoard (*hōrd*), *n.* গোপনে সাঁচা ধনৰ ভৰাঁল; *v.* সাঁচা, ভঁৰাল কৰা।

hoarse (*hōrs*), *adj.* ঠেন্‌ঠেনীয়া, ঘৰ্ঘৰীয়া।

hoax (*hōx*), *n.* পৰিহাস, ঠাট্টা, ফাঁকি, প্ৰবঞ্চনা; *v.* ফাঁকি দিয়া, ঠগা।

hob'-ble, *v.* খোৰাৰ নিচিনাকৈ যোৱা, খোৰোৱা, জন্তুৰ ঠেং গোটাই বান্ধি দিয়া, জুটিয়া মৰা, হাড়িমৰা; *n.*

hob'-by, *n.* মজলীয়া আকৃতিৰ বলী ঘোঁৰা; জিৰণিৰ সময়ত কৰা কোনো প্ৰিয় কাম। hob'-by—horse, *n.* খেলাৰ কৃত্ৰিম ঘোঁৰা।

hob'-gob-lin, *n.* ভূত, অনিষ্টকাৰী অপদেৱতা।

hock'-ey, *n.* (বল) লাঠিৰে কোবাই খেলা এবিধ খেল।

ho'-cus, *n.* হতবুদ্ধি কৰা, প্ৰবঞ্চনা কৰা, ঠগা। hocus—pocus, *n.* ভেল্কী বাণ।

hoe, *n.* কোদাল, কোৰ; *v.* কোৰ মৰা।

hog, *n.* গাহৰি। hog'-sty, *n.* গাহৰিৰ খোৱাৰ। hog'-gish, *adj.* নীচ, খকুৱা।

hogs'-head, *n.* ডাঙৰ মদৰ পিপা।

hoist, *v.* ওপৰলৈ দাঙ্গা, থিয় কৰা (ওপৰলৈ তোলা)।

hold (held, hold'-ing, held), *v.* হাতেৰে ধৰি ৰখা, ধৰা, ৰক্ষা কৰা, অধিকাৰ বা দখল কৰা, দমন কৰা, বাধা দিয়া, আবদ্ধ কৰা, সমবেত কৰা, বিবেচনা কৰা, পালন কৰা, লাগি থকা; *n.* ধৰা কাৰ্য্য, অধিকাৰ, দখল, দুৰ্গ, জাহাজৰ গৰ্ভ।

hole, *n.* গাঁত; *v.* গাত খনা।

hol'-i-day, *n.* বন্ধৰ দিন।

hol'-low, *n.* ফোঁপোলা, শূন্য, কপটীয়া; *v.* গাঁতখনা, ফোঁপোলা কৰা; *n.* গাঁত, গহ্বৰ, খোন্দ, খোলোং। hol'-low-ness, *n.* কপটতা, প্ৰতাৰণা।

hol'-ly, *n.* এবিধ জোপাবন।

hol'-o-caust, *n.* ইহুদীসকলৰ হোম, বিপজ্জনক অগ্নিকাণ্ড।

hol'-ster (*hol'-*), *n.* ঘোঁৰাৰ জিনৰ লগত বন্ধা পিস্তল থোৱা পিতলৰ খোহা।

ho'-ly, *adj.* শুচি, পবিত্ৰ, নিষ্পাপ, ধাৰ্ম্মিক। ho'-li-ness, *n.* পবিত্ৰতা, ধৰ্ম্মনিষ্ঠা; নিষ্পাপ অৱস্থা।

hom'-age, *n.* পূজা, সেৱা, প্ৰজাই দেখুৱা ৰাজসম্মান।

home, *n.* ঘৰ, থকা ঠাই, জন্মভূমি, স্বদেশ, আশ্ৰয়। home'-ly, *adj.* সৰল, ঘৰ সম্বন্ধীয়। home'-spun, *adj.* ঘৰবোৱা; *n.* ঘৰবোৱা মোটা পচনী কাপোৰ। home'-stead, *n.* থকা ঘৰবাৰী। home'-wards, *adv.* ঘৰৰ পিনে।

hom-e-op'-a-thy (*or* -mœ-), *n.* হোমিওপ্যাথিক চিকিৎসা।

hom'-i-cide, *n.* নৰহত্যা, আত্মৰক্ষাৰ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

বাবে আক্ৰমণকাৰীৰ প্ৰাণনাশ, নৰহত্যা-কাৰী। hom'-i-ci-dal, *adj*.

hom'-i-ly, *n*. ধৰ্ম্মোপদেশ, ধৰ্ম্মবিষয়ক বক্তৃতা।

ho-mo-ge'-ne-ous, *adj*. একে জাতৰ, সমান ধৰ্ম্মবিশিষ্ট।

hone, *n*. ছুৰি কটাৰী আদি ধাৰোৱা শিল; *v*. শিলত ধাৰোৱা।

hon'-est, *adj*. সাধু, সৰল, অকপটীয়া, ন্যায়পৰায়ণ, ধাৰ্ম্মিক। hon'-es-ty, *n*. সাধুতা, সৰলতা।

hon'-ey (*hun'-i*), *n*. মৌ, মধু, মধুৰতা। hon'-ey-comb (*-kom*), *n*. মৌচাক। hon'-ey-combed, *adj*. মৌচাকৰে দৰে বিন্ধা থকা।

hon'-ey-suck-le, *n*. এবিধ সুগন্ধি লতা-ফুল।

hon'-our (*on'-ur*), *n*. সম্মান, মান, মৰ্য্যাদা, মহত্ব, গৌৰব, চৰিত্ৰৰ উৎকৰ্ষ, তিৰোতাৰ সতীত্ব, উচ্চপদ, যশস্যা, সম্মানৰ চিন বা উপাধি; *v*. সম্মান কৰা, পূজা কৰা, দায়িত্ব স্বীকাৰ কৰা। hon'-our-a-ble, *adj*. মাননীয়। hon'-o-ra-ry, *adj*. সম্মান কৰি দিয়া, অবৈতনিক।

hood, *n*. মূৰৰ আবৰণ, তিৰোতাৰ মূৰত লোৱা কাপোৰ, সাপৰ ফণা। hood'-wink, *v*. চকু বন্ধ কৰা, প্ৰতাৰণা কৰা, ঠগা।

hoof, *n*. (*pl*. hoofs), *n*. খুৰা।

hook, *n*. লো আদি ধাতুৰে নিৰ্ম্মিত হাঁকোটা, বৰশী; *v*. হাঁকোটাৰে ধৰা, বৰশীৰে বিন্ধা, শিঙেৰে খুঁচা।

hoo'-li-gan, *n*. ৰাস্তাত গোলমাল কৰোঁতা ডাকু মানুহ।

hoop, *n*. লৰাছোৱালীয়ে খেলা কৰা সৰু চাকা, আঙুঠি, বেৰী।

hoo'-poe, *n*. গোবৰ খোচৰা চৰাই।

hoot, *v*. (ফেঁচাই) মতা বা 'নিউ নিউ' কৰা, অবজ্ঞা বা তুচ্ছ জ্ঞান কৰি চিঞৰা, *n*. ফেঁচাৰ মাত, অবজ্ঞাসূচক চিঞৰ।

hop, *v*. এখন ঠেঙেৰে জপিওৱা, খোৰাই যোৱা, নাচা; *n*. জাপ, নাচন, মদ আৰু ঔষধত ব্যবহাৰ কৰা এবিধ ফুল।

hope, *v*. আশা কৰা, ভৰসা কৰা; *n*. আশা, ভৰসা। hope'-ful, *adj*. আশা-জনক। hope'-less, *adj*. আশাহীন, হতাশ।

hop'-ple, *n*. বাণ্ডা; *v*. বাণ্ডা মৰা, দুই ঠেং গোটাই বন্ধা, গুটিয়া মৰা।

horde, *n*. ঘূৰি পকি ফুৰা জাতি, উশৃঙ্খল জনতা; *v*. তম্বুত বাস কৰা, জুম বন্ধা।

ho-ri'-zon, *n*. দিগন্ত, দিঙ্মণ্ডল। hor-i-zon'-tal, *adj*. দিগন্তৰে সৈতে সমান্তৰাল ভাবে থকা।

horn, *n*. শিং, শিঙা। horn'-y, *adj*. শিঙাল, টান। horn'-pipe, *n*. নাবিকবিলাকৰ এবিধ নাচ।

hor'-net, *n*. বোৰোল, কোদো।

hor'-o-scope, *n*. সোঁৱৰণী, কোষ্ঠী।

hor'-ror, *n*. ত্ৰাস, অতিশয় ভয়। hor'-ri-ble, *adj*. ভীষণ, ভয়ানক। hor'-rid, *adj*. ভয়ানক, বিকটমূৰ্ত্তি। hor'-ri-fy, *v*. ত্ৰাস লগোৱা।

horse, *n*. ঘোঁৰা, অশ্বাৰোহী সৈন্য। Horse Guards, *n*. লণ্ডনত ইংৰাজ সৈন্যৰ প্ৰধান আড্ডা।

hor'-ti-cul-ture, *n*. ফুল বা ফলৰ বাগীছা পতা বিদ্যা। hor-ti-cul'-tu-ral, *adj*. hor-ti-cul'-tur-ist, *n*. বাগীছা পতাত নিপুণ লোক।

ho-san'-na (*-zăn'-*), *int*. (H.) কাকুতি কৰিছোঁ ৰক্ষা কৰা! *n*. ঈশ্বৰৰ স্তুতি।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

hose (*hōz*), *n.* মোজা, পানীবোৱা এবিধ নল। ho'-sier (*-zyer*), *n.* মোজা বেচোঁতা। ho'-sier-y, *n.* মোজা গেঞ্জি আদি কাপোৰ, মোজা বেচোঁতাৰ ব্যবসায়।

hos'-pit-a-ble, *adj.* অতিথি আলহীৰ সোধপোছকাৰী, দয়ালু। hos-pi-tal'-i-ty, *n.* অতিথি সেবা, আতিথ্য।

hos'-pice (*pees*), *n.* আল্প্‌চ্‌ গিৰিসঙ্কটত জিৰণিৰ ঠাই।

hos'-pi-tal, *n.* চিকিৎসাৰ বাবে ৰোগী ৰখা ঠাই ; হাস্পাতাল।

host, *n.* (*fem.* hos'-tess) *n.* অতিথি-সেবক, আশ্ৰয়দাতা, সৈন্যদল, বহুত সংখ্যা, সমূহ।

hos'-tel *or* **hos'-tel-ry**, *n.* বাটৰুৱা আলহী থকা ঘৰ, ছাত্ৰাবাস।

hos'-tage, *n.* মানুহ জামিন, যি মানুহক জামিন স্বৰূপে ৰাখে।

hos'-tile, *adj.* বিৰোধী, বিপক্ষীয়। hos-til'-i-ty, *n.* শত্ৰুতা, বিৰোধ, বৈৰিতা।

hos'-tler (*hos'-lĕr*), *n.* পান্থশালাৰ অশ্ব-ৰক্ষক।

hot, *adj.* তপত, ব্যগ্ৰ, উগ্ৰ। hot'-ly *adv.* বৰ ব্যগ্ৰভাবে।

hotch—potch *or* **hodge—podge**, *n.* সান-মিহলি।

ho-tel', *n.* হোটেল।

hound, *n.* চিকাৰী কুকুৰ, নীচ মনৰ মানুহ ; *v.* চিকাৰ কৰা, পিছে পিছে খেদা, কুকুৰ জপাই দিয়া।

hour (*our*), *n.* ঘণ্টা, আঢ়ৈ দণ্ড।

house, *n.* ঘৰ, পৰিয়াল বৰ্গ, বংশ, সভাঘৰ, ব্যবসায়ৰ ঠাই, থিয়েটাৰ ঘৰ, শোতৃমণ্ডলী ; *v.* (*houz*), আশ্ৰয় দিয়া, থকা ঘৰ দিয়া, বাস কৰা, মাল (ঘৰত) থোৱা। house'-hold, *n.* পৰিয়াল ; *adj.* house'-wife (*hous'-wīf* or *huz'-if*), *n.* গৃহিণী, বেজী সূতা আলপিন আদি ৰখা সৰু পেৰা।

hov'-el, *n.* পঁজা, কুটীৰ।

hov'-er, *v.* উৰি ফুৰা, ভঁৰৰি ফুৰা, ওচৰত ঘূৰি ফুৰা।

how'-ev-er, *adv.* যি হওক ; *conj.* তথাপি, কিন্তু।

how'-it-zer, *n.* সৰু কামান।

howl, *v.* কুকুৰ নেচীয়া বাবৰ নিচিনা শব্দ কৰা ; *n.* howl'-ing, *adj.*

hub *n.* চাকাৰ নাই বা কেন্দ্ৰ, লক্ষ্য।

hub'-bub, *n.* কোৰ্হাল, হাই, গোলমাল।

hubble-bubble, *n.* হোকা।

huck'-ster, *n.* খুচুৰাকৈ বস্তু বেচোঁতা ; *v.* বস্তুৰ দৰ খেলোৱা।

hud'-dle, *v.* ঠেচাঠেচিকৈ থকা বা ৰখা ; খেলিমেলিকৈ গোটাই থোৱা ; *n.* খেলি-মেলিকৈ গোটাই থোৱা বস্তু, জনতা, জুম।

hue, (*hū*), *n.* ৰং, বৰণ, চিঞৰ। hue and cry—চিঞৰবাথৰ।

hug, *v.* সাবটি ধৰা, আলিঙ্গন কৰা।

huge (*hūj*), *adj.* প্ৰকাণ্ড, বৰ ডাঙৰ।

Hu'-gue-not (*-ge-nō* or *not*), *n.* ষোড়শ শতিকাৰ কৰাচী প্ৰোটেষ্টাণ্ট, খৃষ্টান বা ধৰ্ম্মসংস্কাৰক দল।

hulk, *n.* মাস্তুল আদি নথকা জীৰ্ণ জাহাজ।

hull, *n.* চোকোৰা, বাকলি, জাহাজৰ খোলা ; *v.* বাকলি গুচোৱা, কামানেৰে জাহাজৰ খোলা ফুটোৱা।

hum, *v.* গুণগুণ কৰা, গুণগুণকৈ গীত বা গান গোৱা ; *n.* গুণগুণনি।

hu'-man, *adj.* মানুহ জাতি সম্বন্ধীয়। hu'-mane, *adj.* দয়ালু। hu-man'-i-ty, *n.* মানুহ জাতি, মানব প্ৰকৃতি, মনুষ্যত্ব, দয়া, মানসিক উন্নতি। hu-man'-ize, *v.* দয়ালু কৰা, কোমল কৰা।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

hu-man-i-ta'-ri-an, *adj. n.* যীশুৰ মনুষ্যত্ব মাথোন স্বীকাৰ কৰোঁতা, মানুহৰ সেৱাত লগা লোক।

hum'-ble, *adj.* বিনীত, নম্র, ভদ্র, হীন ; *v.* নত কৰা, খৰ্ব্ব কৰা, অধীন কৰা। hum'-bly, *adv.* বিনীত ভাবে।

hum'-bug, *n.* মিছা কথা, ফাঁকি, চালাকি, প্ৰতাৰক ; *v.* ফাঁকি দিয়া, ঠগা।

hum'-drum, *adj.* একে ৰকমৰ, আমনি লগা, বিৰক্তিজনক, নীৰস, নিৰ্ব্বোধ ; *n.* আমনি লগা সুৰ, বক্তা বা মানুহ।

hu'-mid, *adj.* ভিজা, আৰ্দ্ৰ। hu-mid'-i-ty, *n.* আৰ্দ্ৰতা, বায়ুত পানীৰ বাষ্পৰ পৰিমাণ।

hu-mil'-i-ate, *v.* নত কৰা, নীহ কৰা, দৰ্প ভঙ্গ কৰা। hu-mil-i-a'-tion, *n.* অৱমানন, দৰ্প ভঙ্গ, হীনতা। hu-mil'-i-ty, বিনয়, নম্রতা।

hum'-ming bird, *n.* এবিধ ধুনীয়া সৰু চৰাই।

hu'-mour (*hū'-mur*), *n.* ৰস, মানসিক ভাব বা প্ৰকৃতি, হাঁহিতোলা কথা : *v.* তুষ্ট কৰা। hu'-mor-ous, *adj.* হাস্যৰস পূৰ্ণ, আমোদজনক, ৰসাল। hu'-mor-ist, *n.* যোনে কৌতুক কৰে বা হাস্য-ৰসপূৰ্ণ কথা কয়।

hump, *n.* কুঁজ। hump'-back, *n.* কুঁজা মানুহ। hump'-backed, *adj.*

hunch, *n.* কুঁজ।

hun'-dred, *n,* শ, পুৰণি ইংলণ্ডৰ এশ পৰিয়াল থকা জিলাৰ সৰু ভাগ ; *pl.* শই শই মানুহ ; *adj.*। hun'-dred-fold, *n.* এশ গুণ। hun'-dred-weight, *n.* হন্দৰ।

hun'-ger, *n.* ভোক, প্ৰবল আকাঙ্ক্ষা ; *v.* ভোক লগা, ৰবৰৈ ঈৰ্ষা কৰা। hun'-gry, *adj.* ক্ষুধাৰ্ত্ত, ভুকীয়া।

hunt, *v.* চিকাৰ কৰা, মৃগয়া কৰা, অনুসন্ধান কৰা ; *n.* চিকাৰ, মৃগয়া, অনুসন্ধান, চিকাৰী কুকুৰৰ দল, যোনে যোনে চিকাৰ কৰিবলৈ গোট খায়। hunt'-er, *n.* (*fem.* hunt'-ress), *n.* চিকাৰী। hunts'-man, *n.* চিকাৰী, চিকাৰী কুকুৰবোৰ যাৰ তত্ত্বাবধানত থাকে।

hur'-dle, *n.* গছৰ ঠানিৰ বা লোৰ মাৰিৰ বেৰা।

hurl, *v.* বেগেৰে নিক্ষেপ কৰা, বলেৰে দলি মাৰি দিয়া।

hurly-burly, *n.* গোলমাল।

hur-rah' *or* **hur-ra',** *int. n.* জয়ধ্বনি।

hur'-ri-cane, *n.* ধুমুহা।

hur'-ry, *n.* তাৰাতাৰি, লৰালৰি ; *v.* তাৰাতাৰি কৰা। hur'-ried-ly, *adv.*

hurt (hurt, hurt'-ing, hurt), *v.* : *n.* শৰীৰত কষ্ট দিয়া, ক্লেশ দিয়া, জখম কৰা, নষ্ট কৰা, হানি কৰা। hurt'-ful, *adj.* অনিষ্টজনক।

hurt'-le, *v.* ঠেকা ঠেকি লগা, খুন্দা মৰা।

hus'-band (*huz'-*), *n.* স্বামী, পতি, বিয়াকবোৱা মতা ; *v.* ভালকৈ চলোৱা, নিয়ম মতে খৰচ কৰা। hus'-band-man, *n.* খেতিয়ক কৃষক। hus'-band-ry, *n.* কৃষিকৰ্ম্ম, গৃহস্থালি, মিতব্যয়িতা।

hush, *int.* চুপ্, মনে মনে থাক ; *v.* নীৰব কৰা বা হোৱা। hush-money, *n.* মনে মনে ৰবলৈ দিয়া ভেঁটি।

husk, *n.* তুঁহ, চোকোৰা ; *v.* ধান বানা, চোকোৰা বা ছাল গুচোৱা। husk'-y *adj.* খহখহীয়া, ঘৰ্ঘৰীয়া (মাত)।

hus-sar', *n.* কম অস্ত্ৰেৰে সজ্জিত অশ্বাৰোহী সৈন্য।

hus'-tings, *n.* পুৰণি পাৰ্লমেণ্টত সভা

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

নিৰ্ব্বাচন কৰা ঠাই, বক্তৃতা দিবলৈ সজা মঞ্চ।

hus'-tle (*hus'-l*), *v.* (মানুহৰ জুমৰ ভিতৰত) ঠেলাঠেলি কৰা, ঠেলা মৰা।

hut, *n.* পঁজা।

hutch, *n.* পেৰা, বাকচ।

hy'-a-cinth (*-sinth*), *n.* এবিধ সুগন্ধি ফুল।

hy'-brid, *n.* খচ্চৰ, দুটা বেলেগ জাতৰ মিলনত উৎপন্ন জন্তু বা উদ্ভিদ ; *adj.*

hy'-dra, *n.* বহু ফণাযুক্ত নাগ। hydra-headed, *adj.* বহুত মূৰ থকা।

hy'-drant, *n.* পানী তোলা নল, পানী তোলা নলৰ মুখ।

hy-draul'-ic (*-drawl'-*), *adj.* পানী তোলা, পানীৰে পৰিচালিত।

hy'-dro, *n.* জল-চিকিৎসাৰ বন্দোবস্ত থকা উচ্চ শ্ৰেণীৰ আবাস-স্থান।

hy'-dro-gen, *n.* জলজান বাষ্প।

hy-drop'-a-thy, *n.* জলচিকিৎসা। hy-dro-path'-ic, *adj.* জলচিকিৎসা সম্বন্ধীয়।

hy-dro-pho'-bi-a (*-fō'-*), *n.* জলাতঙ্ক বেমাৰ ; বলিয়া কুকুৰে কামোৰা বাবে উন্মত্ততা।

hy-e'-na *or* **hy-æ'-na**, *n.* ঘোং।

hy'-gi-ene (*-ji-een*), *n.* স্বাস্থ্য বিজ্ঞান। hy-gi-en'-ic, *adj.* স্বাস্থ্যৰক্ষা সম্বন্ধীয়।

hy'-men, *n.* বিয়াৰ দেৱতা, প্ৰজাপতি, বিয়া। hy-men-e'-al, *adj.*

hymn (*him*), *n.* স্তৱ, স্তোত্ৰ, স্তুতি ; *v.* স্তুতি কৰা। hym'-no-dy, *n.* স্তোত্ৰসমূহ।

hy'-per-bole, *n.* অতিৰঞ্জিত বাক্য। hy-per-bol'-ic (-al), *adj.*

hy'-phen (*-fen*), *n.* শব্দাংশৰ বা যৌগিক শব্দৰ মাজত দিয়া (-) এনে চিন।

hyp'-no-tise, *v.* কৃত্ৰিম উপায়েৰে টোপনিত পেলোৱা। hyp'-no-tism, *n.* কৃত্ৰিম উপায়েৰে উৎপন্ন টোপনিৰ অৱস্থা। hyp-not'-ic, *adj.*

hy-po-chon'-dri-a, *n.* বিষাদ, চিত্ত-বিকাৰ। hy-po-chon'-dri-ac, *n.* যাৰ চিত্তবিকাৰ ৰোগ হয়।

hyp'-o-crite (*hip'-o-krit*), *n.* ভণ্ড, কপটাচাৰী, প্ৰতাৰক। hy-poc'-ri-sy, *n.* ভণ্ডামি।

hy-poth'-e-cate, *v.* (সম্পত্তি) বন্ধক থোৱা।

hy-poth'-e-sis, *n.* অনুমান।

hys-te'-ri-a *or* **hys-ter'-ics**, *n.* তিৰোতাৰ মূৰ্চ্ছাৰোগ। hys-ter'-ic (-al), *adj.* মূৰ্চ্ছাৰ নিচিনা অৱস্থা।

I

ice, *n.* বৰফ। ice'-berg, *n.* ওপঙ্গি ফুৰা বৰফৰ ডোখৰ। i'-ci-cle (*-si-kl*), *n.* ওলমি থকা বৰফ। i'-cing, *n.* বৰফৰ ঢাকনি। i'-cy (*-si*), *adj.* বৰফেৰে ঢাকা, বৰফৰ নিচিনা ঠাণ্ডা, উদাসীন।

i-con'-o-clast, *n.* দেৱতাৰ মূৰ্ত্তি ভাঙোতা, প্ৰচলিত ৰীতি আৰু ধৰ্ম্ম, আক্ৰমণ কৰোঁতা।

i-de'-a, *n.* ভাব, ধাৰণা, বোধ, জ্ঞান, মত, বিশ্বাস, অভিপ্ৰায়, কল্পনা। i-de'-al, *adj.* আদৰ্শস্থানীয়, নিৰ্দ্দোষ, সম্পূৰ্ণ, কাল্পনিক ; *n.* পূৰ্ণতাৰ আদৰ্শ। i-de'-al-ism,

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

n. মায়াবাদ। i-de′-al-ist, *n.* যোনে কোনো কাল্পনিক আদর্শ পাবলৈ চেষ্টা কৰে। i-de-al-is′-tic, *adj.* i-de′-al-ize, *v.* আদর্শ স্থানীয় কৰা।

i-den′-ti-cal, *adj.* একে, সদৃশ। i-den′-ti-fy, *v.* একে বুলি প্রমাণ কৰা, চিনি উলিওৱা, চিনিব পৰা। i-den′-ti-ty, *n.* সমতা, সাদৃশ্য।

id′-i-om, *n.* ভাষাৰ জতুৱা ঠাঁচ। id-i-o-mat′-ic, *adj.*

id-i-o-syn′-cra-sy, *n.* কোনোলোকৰ শাৰীৰিক বা মানসিক বিশেষত্ব।

id′-i-ot, *n.* জৰ্থামূৰ্খ। id-i-ot′-ic, *adj.* id′-i-o-cy (*-si*), *n.* মূৰ্খালি, নিৰ্বুদ্ধিতা।

i′-dle, *adj.* এলেহুৱা, সোৰোপা, অকামিলা, সামান্য; *v.* এলাহত কাল কটোৱা। i′-dle-ness, *n.* এলাহ, অলসতা। i′-dler, *n.* এলেহুৱা মানুহ, কামবন নকৰা মানুহ।

i′-dol, *n.* মূৰ্ত্তি, প্রতিমা, বৰ আদৰৰ বস্তু, ভুল সংস্কাৰ। i-dol′-a-try, *n.* মূৰ্ত্তিপূজা, সাকাৰোপসনা। i-dol′-a-trous, *adj.* প্রতিমাপূজক। i′-dol-ize, *v.* বৰ আদৰ কৰা, পূজা কৰা।

i′-dyll *or* **i′-dyl**, *n.* সৰু কবিতা, গাঁৱলীয়া জীবনৰ বৰ্ণনা থকা কবিতা। i-dyl′-lic, *adj.*

ig′-ne-ous (*-us*), *adj.* আগ্নেয়।

ig-nite′, *v.* জুই জ্বলা, জুই লগা, জুই জ্বলোৱা বা লগোৱা। ig-ni′-tion, *n.*

ig-no′-ble, *adj.* ইতৰ, নীচ, অমৰ্য্যাদা-জনক, অসম্মানজনক।

ig-no-min′-i-ous, *adj.* জঘন্য, লজ্জা-জনক, অপমানজনক। ig′-no-min-y, *n.* অপমান, কলঙ্ক, নিন্দা।

ig′-no-rant, *adj.* অজ্ঞ, অশিক্ষিত, মূৰ্খ। ig′-no-rance, *n.* অজ্ঞতা, অজ্ঞানতা। ig-no-ra′-mus, *adj.* জ্ঞানৰ অভিমান কৰা মূৰ্খ।

ig-nore′, *v.* আওকাণ কৰা, আওহেলা কৰা, অগ্রাহ্য কৰা।

ill, *adj.* (worse, worst), বেয়া, অসৎ, কুৎসিত, অশুভ, অসুস্থ; *adj.* বেয়াকৈ, বিৰক্তভাবে; *n.* অনিষ্ট, পাপ। ill-bred, *adj.* অভদ্র, অসভ্য। ill′-ness, *n.* বেমাৰ, নৰিয়া। ill′-starred, *adj.* কুগ্রহত জন্মা, ভাগ্যহীন। ill-timed′, *adj.* অসময়ত কৰা বা কোৱা।

il-le′-gal, *adj.* আইন বিৰুদ্ধ, অবৈধ, অন্যায়।

il-leg′-i-ble (*-lej′-*), *adj.* অস্পষ্ট, পঢ়িব নোৱাৰা।

il-le-git′-i-mate (*-jit′-*), *adj.* জাৰজ, জহৰা, আইন বিৰুদ্ধ, অবৈধ, অন্যায়, অপ্রকৃত। il-le-git′-i-ma-cy, *n.*

il-lic′-it (*-lis′-*), *adj.* অবৈধ, নিষিদ্ধ, অন্যায়, অনুচিত।

il-lim′-i-ta-ble, *adj.* অসীম, অনন্ত।

il-lit′-er-ate, *adj.* অশিক্ষিত; *n.* যোনে লিখিব পঢ়িব নাজানে।

il-log′-i-cal, *adj.* অসঙ্গত।

il-lude′, *v.* প্রতাৰণা কৰা, আশা দি নিৰাশ কৰা। il-lu′-sion (*-shun*), *n.* চকুৰ ভ্রম, মায়া। il-lu′-sive, *adj.* অলীক, মিছা।

il-lu′-mi-nate, *v.* পোহৰ কৰা, চাকি লগোৱা, উজ্জ্বল কৰা। il-lu-mi-na′-tion, *n.* দীপ্তি, পোহৰ, দীপালি, জ্ঞানৰ পোহৰ। il-lu′-mine (*-min*), *v.* পোহৰ দিয়া, সুশোভিত কৰা।

il-lus′-trate, *v.* ছবি আদিৰে সুশোভিত কৰা, উদাহৰণ আদিৰে বুজোৱা। il-lus-tra′-tion, *n.* উদাহৰণ। il-lus′-tra-tive, *adj.*

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

il-lus'-tri-ous, *adj.* উজ্জ্বল, বিখ্যাত, প্ৰখ্যাত।

im'-age, *n.* সাদৃশ্য, প্ৰতিমা, প্ৰতিমূৰ্ত্তি, মনত অঁকা ছবি বা কল্পনা ; *v.* প্ৰতিমা বা প্ৰতিমূৰ্ত্তি গঢ়া। im'-age-ry, *n.* কল্পনা, কাল্পনিক দৃশ্য, উপমা, অলঙ্কাৰ।

im-ag'-ine (*-aj'-in*), *v.* মনত ছবি অঁকা, কল্পনা কৰা, অনুমান কৰা। im-ag'-i-na-ry (*-aj'-*), *adj.* কাল্পনিক, অপ্ৰকৃত। im-ag-i-na'-tion, *n.* কল্পনা, অনুমান। im-ag'-i-na-tive, *adj.* কল্পনাপূৰ্ণ, কল্পনাপ্ৰিয়।

im'-be-cile (*-sil* or *-seel*), *adj.* দুৰ্ব্বল, শক্তিহীন, বৰ নিৰ্ব্বোধ ; *n.* im-be-cil'-i-ty, *n.* শক্তিহীনতা, দুৰ্ব্বলতা।

im-bibe', *v.* শোহা, পান কৰা, হৃদয়ঙ্গম কৰা।

im-brogl'-io (*im-brōl'-yō*), *n.* (I.) জটিল ঘটনা, মনোমালিন্য ঘটোৱা জটিলতা।

im-bue' (*-bū'*), *v.* ডাঠকৈ বোল বা ৰং দিয়া, মনত সাঁচ বহুওৱা।

im'-i-tate, *v.* অনুকৰণ কৰা, নকল কৰা। im-i-ta'-tion, *n.* অনুকৰণ। im'-i-ta-tive, *adj.* অনুৰূপ, অনুকৰণপ্ৰিয়। im'-i-ta-ble, *adj.* অনুকৰণীয়। im'-i-ta-tor, *n.* অনুকৰণকাৰী।

im-mac'-u-late, *adj.* নিষ্কলঙ্ক, পবিত্ৰ, নিখুঁত।

im-ma-te'-ri-al, *adj.* অশৰীৰী, অনাবশ্যক।

im-ma-ture' (*-tūr'*), *adj.* কাঁপইতা, অপৈনত, অসম্পূৰ্ণ, অসাময়িক।

im-me'-di-ate, *adj.* ততালিক, আশু। im-me'-di-ate-ly, *adv.* ততালিকে, তৎক্ষণাৎ।

im-me-mo'-ri-al, *adj.* স্মৰণৰ অতীত, অতি পুৰণি।

im-mense', *adj.* অসীম, বিশাল, বিস্তৰ। im-mense'-ly, *adv.* অতিশয়। im-men'-si-ty, *n.* বিশালতা, অসীমত্ব।

im-merse', *v.* ডুবোৱা, বিসৰ্জ্জন দিয়া। im-mer'-sion, *n.* নিমজ্জন, বিসৰ্জ্জন।

im'-mi-grate, *n.* আনদেশত গৈ বসতি কৰা। im'-mi-grant, *n.* যোনে…।

im'-mi-nent, *adj.* আসন্ন, নিচেই ওচৰত। im'-mi-nence, *n.*

im-mo'-bile, *adj.* অচল, স্থিৰ।

im-mod'-er-ate, *adj.* অপৰিমিত, অনিয়মিত। im-mod'-er-a-cy, *n.*

im-mod'-est, *adj.* অশিষ্ট।

im'-mo-late, *v.* বলিদান কৰা, বলিস্বৰূপে উছৰ্গা কৰা। im-mo-la'-tion, *n.*

im-mor'-al, *adj.* অসৎ, অসাধু।

im-mor'-tal, *adj.* অমৰ, অবিনশ্বৰ। im-mor'-tal-ize, *v.* অমৰ কৰা।

im-mo'-va-ble (*-moo'-*), *adj.* স্থাবৰ।

im-mune', *adj.* মুক্ত। im-mu'-ni-ty, *n.* 'কৰ'ৰ পৰা অব্যাহতি বা মুক্তি।

im-mure', *v.* বেৰ বা প্ৰাচীৰেৰে আগুৰা বা বেঢ়া, ফাটেকত দিয়া।

im-mu'-ta-ble, *adj.* অপৰিৱৰ্ত্তনীয়, নিত্য, স্থিৰ। im-mu-ta-bil'-i-ty, *n* নিত্যতা।

imp, *n.* সৰু ভূত, অনিষ্টকাৰী লৰা বা ছোৱালী। imp'-ish, *adj.*

im'-pact, *n.* ঠেকাঠেকি, ঠেকাখোৱাত উৎপন্ন হোৱা বল বা শক্তি।

im-pair', *v.* ক্ষয় কৰা, নষ্ট কৰা, বিকৃত কৰা। im-pair'-ment, *n.*

im-pale', *v.* গোজ পুতি বেৰা দিয়া, শূলত দিয়া।

im-part', *v.* দিয়া, শিক্ষা দিয়া।

im-par'-tial (*-shal*), *adj.* পক্ষপাত শূন্য, সমদৰ্শী, নিৰপেক্ষ। im-par-ti-al'-i-ty, *n.*

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

im-pas'-sive, *adj.* শোক দুখ আদি নলগা, অচল, অটল।

im-pa'-tient, *adj.* অধৈৰ্য্য, ব্যগ্ৰ। im-pa'-tience, *n.* ব্যগ্ৰতা।

im-peach', *v.* বিৰুদ্ধে মোকৰ্দ্দমা কৰা, দোষাৰোপ কৰা, নিন্দা কৰা। im-peach'-ment, *n.* অভিযোগ, নিন্দা।

im-pe-cu'-ni-ous, *adj.* দুখীয়া, দৰিদ্ৰ।

im-pede', *v.* বাধা দিয়া। im-ped'-i-ment, *n.* বাধা, প্ৰতিবন্ধক, ব্যাঘাত।

im-pel', *v.* উত্তেজিত কৰা, উৎসাহ দিয়া, আগৰ পিনে ঠেলা। im-pel'-lent, *adj.*

im-pend', *v.* নিচেই ওচৰ চাপা (বিপদ, বিঘিনি আদি)। im-pend'-ing, *adj.* আসন্ন। im-pend'-ent, *adj.*

im-pen'-e-tra-ble, *adj.* অভেদ্য।

im-per'-a-tive, *adj.* অনুজ্ঞাবোধক, অলঙ্ঘনীয়, অবশ্যে পালন কৰিব লগীয়া।

im-per-cep'-ti-ble, *adj.* ইন্দ্ৰিয়ৰ অগোচৰ, অনুভৱ কৰিব নোৱাৰা।

im-per'-fect, *adj.* অসম্পূৰ্ণ।

im-pe'-ri-al, *adj.* সাম্ৰাজ্য সম্বন্ধীয়, সৰ্ব্ব-প্ৰধান। im-pe'-ri-al-ism, *n.* সাম্ৰাজ্যবাদ, সম্ৰাটৰ শাসন।

im-per'-il, *v.* বিপদত পেলোৱা।

im-pe'-ri-ous, *adj.* উদ্ধত, দাম্ভিক।

im-per'-son-ate, *v.* আন মানুহ সাজা।

im-per'-ti-nent, *adj.* অশিষ্ট, অপ্ৰাসঙ্গিক। im-per'-ti-nence, *n.* অশিষ্ট আচৰণ।

im-per-tur'-ba-ble, *adj.* স্থিৰ, শান্ত।

im-per'-vi-ous, *adj.* অভেদ্য।

im-pet'-u-ous, *adj.* প্ৰচণ্ড, প্ৰবল, উগ্ৰ। im-pet-u-os'-i-ty, *n.* প্ৰচণ্ডতা, তেজ, বেগ।

im'-pe-tus, *n.* (L.) গতিৰ বেগ, শক্তি, উত্তেজনা।

im'-pi-ous, *adj.* অসাধু, ভক্তিহীন। im-pi'-e-ty, *n.* ভক্তিহীনতা।

im-pla'-ca-ble (*-plā'-kă,* or *-plak'-ŭ-*), *adj.* শান্ত কৰিব নোৱাৰা, নিষ্ঠুৰ।

im-plant', *v.* ৰোৱা, মনত দৃঢ়ভাবে স্থাপন কৰা, শিক্ষা দিয়া।

im'-ple-ment, *n,* যন্ত্ৰ, অস্ত্ৰশস্ত্ৰাদি, কামৰ সজুলি।

im'-pli-cate, *v.* লিপ্ত কৰা, সংলগ্ন কৰা। im-pli-ca'-tion, *n.* সম্পৰ্ক, ভাবটানা অৰ্থ।

im-plic'-it (*-plis-*), *adj.* প্ৰকাশ নে-থাকিলেও সহজে অনুমান কৰিব পৰা, সম্পূৰ্ণ, অটল। im-plic'-it-ly, *adv.* সম্পূৰ্ণৰূপে।

im-plore', *v.* প্ৰাৰ্থনা কৰা, অনুৰোধ কৰা।

im-ply', *v.* সূচনা কৰা, অৰ্থ বুজোৱা।

im-pol'-i-tic, *adj.* বিজ্ঞতাৰ অপৰিচায়ক, অনুচিত।

im-port', *v.* আমদানি কৰা, বুজোৱা, মৰ্ম্ম-প্ৰকাশ কৰা। im'-port, *n.* বিদেশৰ পৰা অনা বস্তু, অৰ্থ, মৰ্ম্ম।

im-por'-tant, *adj.* আৱশ্যকীয়। im-por'-tance, *n.* আৱশ্যকতা, মহত্ত্ব, গৌৰৱ।

im-por-tune', *v.* অনুনয় বিনয় কৰি প্ৰাৰ্থনা কৰা, সদায় মিছাতে আবেদন কৰি দিগ্‌ দিয়া। im-por'-tu-nate, *adj.* im-por-tu'-ni-ty, *n.*

im-pose', *v.* (কৰ) লগোৱা বা বহুওৱা, ভাৰ অৰ্পণ কৰা, ঠগা। im-po-si'-tion (*-zish'-un*), *n.* কৰভাৰ, প্ৰতাৰণা। im-pos'-tor, *n.* প্ৰতাৰক। im-pos'-ture, *n.* প্ৰবঞ্চনা, প্ৰতাৰণা।

im'-post, *n.* বস্তুৰ ওপৰত লগোৱা কৰ (বিশেষকৈ আমদানি বস্তুৰ ওপৰত)।

im'-po-tent, *adj.* দুৰ্ব্বল, অক্ষম, পুৰুষত্ব-

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

বিহীন। im'-po-tence, *n.* দুৰ্ব্বলতা, পুৰুষত্বহীনতা।

im-pound', *v.* গৰু ম'হ আদি খোঁৱাৰত খোৱা, আটক কৰা, আইন অনুসাৰে দখল কৰা।

im-pov'-er-ish, *v.* দুৰ্ব্বল বা দুখীয়া কৰা, অনাকৰা কৰা।

im-prac'-ti-ca-ble (*-kă-bl*), *adj.* অসাধ্য। im'-pre-cate, *v.* অভিশাপ দিয়া, কাৰো অমঙ্গল প্ৰাৰ্থনা কৰা; *n.* অভিশাপ।

im-preg'-na-ble, *adj.* অজেয়, দুৰ্ভেদ্য।

im-preg'-nate, *v.* গৰ্ভৱতী কৰা, ফলৱতী কৰা। im-preg-na'-tion, *n.* গৰ্ভাধান।

im-press', *v.* ছাপ মৰা, মুদ্ৰিত কৰা, মনত দকৈ সাঁচ বহুওৱা। im'-press, *n.* চিন, ছাপ। im-pres'-sion (*-presh'-un*), *n.* ছাপ, চিন, সংস্কৰণ, ধাৰণা। im-pres'-sive, *adj.* হৃদয়গ্ৰাহী, মনতলগা।

im-print', *v.* মুদ্ৰিত কৰা, ছাপ মৰা, মোহৰ মৰা।

im-pris'-on (*-priz'-*), *v.* বন্দী কৰা, ফাটেকত খোৱা।

im-promp'-tu, *adj.* (L.), উপস্থিত সময়ত ৰচনা কৰা।

im-prop'-er, *adj.* অনুচিত, গৰ্হিত।

im-pro-pri'-e-ty, *n.* অনুচিত ব্যৱহাৰ।

im-prove', *v.* উন্নতি কৰা। im-prove'-ment, *n.* উন্নতি।

im-prov'-i-dent, *adj.* অপৰিণামদৰ্শী, ভৱিষ্যতলৈ নুগুণা।

im'-pro-vise (*-vīz*), *v.* উপস্থিত সময়ত উদ্ভাৱন বা ৰচনা কৰা।

im'-pru-dent, *adj.* অবিবেচক।

im'-pu-dent, *adj.* নিলাজ, অভদ্ৰ, অশিষ্ট। im'-pu-dence, *n.* লজ্জাহীনতা।

im-pugn' (*-pūn'*), *v.* প্ৰতিবাদ কৰা, দোষ দিয়া, বাধা দিয়া।

im'-pulse, *n.* হঠাৎ প্ৰয়োগ কৰা বল বা তাৰ পৰা উৎপন্ন বেগ, উত্তেজনা, আকস্মিক প্ৰবৃত্তি। im-pul'-sive, *adj.* উত্তেজনাত কৰা, হঠাৎ কৰা।

im-pu'-ni-ty, *n.* শাস্তি বা হানিৰ পৰা অব্যাহতি।

im-pure', *adj.* অপবিত্ৰ, ভেজাল, অশ্লীল। im-pu'-ri-ty, *n.*

im-pute', *v.* (দোষ আদি) আৰোপ কৰা। im-pu-ta'-tion, *n.* দোষাৰোপ, নিন্দা। im-pu'-ta-tive, *adj.*

in-ac'-tive, *adj.* (কামত) এলেহুৱা, সোবোপা, উদ্যমহীন। in-ac'-tion, *n.* কামত এলাহ, উদ্যমহীনতা।

in-ad-mis'-si-ble, *adj.* অগ্ৰাহ্য, অগ্ৰহণীয়।

in-ad-ver'-tent, *adj.* অমনোযোগী, অসাৱধান। in-ad-ver'-tence, in-ad-ver'-ten-cy, *n.* অসাৱধানতা।

in-ane', *adj.* শুদা, শূন্য, অসাৰ।

in-an'-i-mate, *adj.* অচেতন, নিৰ্জ্জীৱ।

in-ap'-pli-ca-ble, *adj.* অনুপযোগী।

in-ap-pre'-ci-a-ble (*-shi-*), *adj.* অতি ক্ষুদ্ৰ, সামান্য, মোল বুজিব নোৱাৰা।

in-ar-tic'-u-late, *adj.* অস্পষ্ট।

in-au'-gu-rate, *v.* প্ৰতিষ্ঠিত কৰা, দীক্ষিত কৰা, অভিষেক কৰা, বিধি বা সমাৰোহেৰে আৰম্ভ কৰা। in-au'-gu-ral, *adj.* in-au-gu-ra'-tion, *n.*

in'-born, *adj.* ওপোজাৰে পৰা হোৱা, স্বাভাৱিক।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

in'-bred, *adj*. স্বাভাবিক।

in-can-des'-cent (*-des'-sent*), *adj*. তাপত উজ্বল বা বগা হোৱা, ডগমগীয়া। in-can-des'-cence, *n*.

in-can-ta'-tion, *n*. যাদুমন্ত্ৰ।

in-ca-pac'-i-ty (*-pas'-*), *n*. অসমৰ্থতা, অযোগ্যতা।

in-ca-pac'-i-tate (*-pas'-*), *v*. অসমৰ্থ কৰা। in-ca-pac'-i-ta-ted, *adj*.

in-car'-cer-ate, *v*. কাটেকত দিয়া।

in-car'-nate, *v*. শৰীৰ ধাৰণ কৰা ; *adj*. মূৰ্তিমান। in-car-na'-tion, *n*. অবতাৰ।

in-cen'-di-a-ry (*-sen'-*), *n.*: *adj*. যোনে সম্পত্তি পুৰিবলৈ ইচ্ছা কৰি জুই লগাই দিয়ে।

in-cense', *v*. ধূপ ধুনা জ্বলোৱা, খং তোলা, উত্তেজিত কৰা। in'-cense, *n*. ধূপ ধুনা, পোৰা ধূপ ধুনাৰ সুগন্ধ।

in-cen'-tive, *n*. যিহে কাৰ্য্যত লগায়, উদ্দীপনা, উদগনি, উদ্দেশ্য।

in-cep'-tion, *n*. আৰম্ভ। in-cep'-tive, *adj*. প্ৰাথমিক।

in-ces'-sant, *adj*. অবিৰত, অবিশ্ৰান্ত।

in'-ci-dent, *adj*. আকস্মিক, ঘটাৰ সম্ভাবনা থকা ; *n*. ঘটনা। in-ci-dent'-al, *adj*. দৈবাৎ ঘটা, আকস্মিক। in'-ci-dence, *n*. পতন।

in-cip'-i-ent, *adj* প্ৰাথমিক, আৰম্ভ হোৱা। in-cip'-i-ence, *n*.

in-cise', *v*. অস্ত্ৰ বহুৱাই কটা। in-ci'-sion (*-sizh'-un*), *n*. in-ci'-sor, *n*. যি দাঁতে কাটে (সন্মুখৰ আঠোটা দাঁত)।

in-cite' (*-sit'*), *v*. উত্তেজিত বা উৎসাহিত কৰা, উদগনি দিয়া।

in-clem'-ent, *adj*. ধুমুহাময়, ঘোৰ, কঠোৰ। in-clem'-en-cy, *n*. অতিশয়, শীত, তাপ, ধুমুহা বৰষুণ।

in-cline', *v*. হালা, এঢলীয়া হোৱা, নত হোৱা, ইচ্ছুক হোৱা, অভিলাষ কৰা ; *n*. এঢলীয়া ঠাই। in-cli-na'-tion, *n*. এঢলীয়া ঠাই, প্ৰবৃত্তি, ইচ্ছা, ঢাল। in-clined', *adj*. ইচ্ছুক।

in-close' *or* **en-close'**, *v*. চাৰিও ফালে আগুৰা বা বেঢ়া, ভিতৰত ৰখা।

in-clude', *v*. ভিতৰ কৰা, ভিতৰ সোমাই লোৱা। in-clu'-sive, *adj*. সোমাই লৈ। in-clu'-sion (*-zhun*), *n*.

in-cog'-ni-to (*-kog'-ni-*), *adj*. *adv*. (I) ছদ্মবেশৰে, ছদ্ম নামেৰে ; *n*. (*pl*. -tos), নিজক লুকোৱা কাৰ্য্য, ছদ্মবেশধাৰী।

in-co-he'-rent, *adj*. অসংলগ্ন। in-co-he'-rence, *n*. অসংলগ্নতা।

in'-come, *n*. আয়। income-tax, *n*. আয়কৰ।

in-com-mode', *v*. অসুবিধাত পেলোৱা, আমনি কৰা, দিগ্ দিয়া।

in-com'-pa-ra-ble, *adj*. অতুলনীয়।

in-com-pat'-i-ble, *adj*. বিসদৃশ, অসঙ্গত।

in-con'-gru-ous, *adj*. অসংলগ্ন, অসঙ্গত, in-con-gru'-i-ty, *n*. অমিল।

in-con-sist'-ent, *adj*. অসঙ্গত, সামঞ্জস্য বা মিল নথকা।

in-con-so'-la-ble, *adj*. সান্ত্বনা দিব নোৱাৰা।

in-con-test'-a-ble, *adj*. অকাট্য, নিশ্চিত, আপত্তিহীন।

in-cor'-po-rate, *v*. কোনো সমাজৰ অন্তৰ্ভুক্ত কৰা, একে লগ হোৱা, মিলিত হোৱা ; *adj*.

in-cor'-ri-gi-ble (*-ri-ji-bl*), *adj*. অসংশোধনীয়।

in-crease', *v*. বঢ়া, বৃদ্ধি হোৱা, বঢ়োৱা

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

বা বৃদ্ধি কৰা। in'-crease, *n.* বৃদ্ধি, সন্তানসন্ততি।

in-cred'-i-ble, *adj.* বিশ্বাসৰ অযোগ্য।

in'-cre-ment, *n.* বৃদ্ধি, দৰ্মহা আদিৰ বৃদ্ধি।

in-crim'-i-nate, *v.* দোষী কৰা, অপৰাধী কৰা।

in-crust', *v.* টান ঢাকনিৰে ঢকা বা আবৃত কৰা।

in'-cu-bate, *v.* কণীত উম দিয়া। in'-cu-ba-tor, *n.* উত্তাপেৰে কণী উমোৱা যন্ত্ৰ। in-cu-ba'-tion, *n.* উমনি, শৰীৰত ৰোগৰ জীবাণু প্ৰবেশ আৰু ৰোগৰ উপত্তিৰ মাজ সময়।

in'-cul-cate, *v.* উপদেশেৰে মনত সাঁচ বহুওৱা, বাৰে বাৰে উপদেশ দিয়া।

in'-cul-pate, *v.* দোষাৰোপ কৰা, অপৰাধী কৰা।

in-cum'-bent, *adj.* কৰ্ত্তব্যৰূপে পৰা, অবশ্যে কৰ্ত্তব্য, পালনীয়; *n.* কোনো পদত কাম কৰা মানুহ, দেবোত্তৰ মাটিৰ অধিকাৰী। in-cum'-ben-cy, *n.* কাৰ্য্যকাল।

in-cur', *v.* (খৰচৰ) দায়ী বা অধীন হোৱা, দায়িত্ব লোৱা, (বিপদ বিঘিনি আদিৰ) সন্মুখত পৰা।

in-cur'-sion (-*shun*), *n.* আক্ৰমণ, বিৰুদ্ধে অভিযান। in-cur'-sive, *adj.*

in-debt'-ed (-*det'*-), *adj.* ঋণী, কৃতজ্ঞ।

in-de-ci'-sion, *n.* দৃঢ়তাৰ অভাব, অনিশ্চয়তা, সংশয়।

in-deed', *adv.* দৰাচলতে, বাস্তবিকতে, সঁচাকৈ।

in-de-fat'-i-ga-ble, *adj.* অক্লান্ত।

in-del'-i-ble, *adj.* অমুচ্য, স্থায়ী।

in-del'-i-cate, *adj.* শিষ্টাচাৰ বিৰুদ্ধ, কৰ্কশ, ছটা।

in-dem'-ni-fy, *v.* ক্ষতি পূৰণ কৰা, বীমা কৰা। in-dem'-ni-ty, *n.* ক্ষতি পূৰণ, অব্যাহতি।

in-dent', *v.* খাঁজ বা দাগ কটা, চুক্তিৰে বন্ধ কৰা, কোনো বস্তু পঠাবলৈ আদেশ দিয়া; *n.* দাঁতিৰ খাঁজ। in-den-ta'-tion, *n.* in-den'-ture, *n.* অঙ্গীকাৰ পত্ৰ, একৰাৰ নামা।

in-de-pen'-dent, *adj.* স্বাধীন, মুকলি মূৰীয়া। in-de-pen'-dence, *n.* স্বাধীনতা।

in-de-scri'-ba-ble, *adj.* বৰ্ণনা কৰিব নোৱাৰা।

in-de-struct'-i-ble, *adj.* অবিনাশী।

in-dex (*pl.* in'-dex-es *or* in'-di-ces) (L.) তৰ্জ্জনী, সূচীপত্ৰ, বৰ্ণযনাদি বুজোৱা বীজগণিতৰ অঙ্ক, ঘড়ীৰ কাঁটা; *v.* (কিতাপৰ) সূচীপত্ৰ দিয়া।

in'-di-cate, *v.* দেখুৱা, বুজোৱা। in-di-ca'-tion, *n.* বুজোৱা চিন, লক্ষণ। in-dic'-a-tive, *adj.* সূচক, সাধাৰণ ভাবে অৰ্থ প্ৰকাশক।

in-dict' (-*dīt'*), *v.* অপৰাধী বুলি আদালতত অভিযোগ কৰা। in-dict'-ment, (-*dīt'*-), *n.* অভিযোগ পত্ৰ।

in-dif'-fer-ent, *adj.* উদাসীন, নিৰপেক্ষ, মধ্যস্থ, আওকণীয়া। in-dif'-fer-ence, *n.* উদাসীনতা, অনাদৰ, উপেক্ষা।

in-dig'-e-nous (-*dij*-), *adj.* স্বদেশজাত, দেশীয়।

in'-di-gent (-*jent*), *adj.* ডাল দৰিদ্ৰ, অতি দুখীয়া, জীবিকাৰ উপায়বিহীন। in'-di-gence, *n.* ডাল দৰিদ্ৰতা, দৈন্য।

in-di-gest'-i-ble (-*jest'*-), *adj.* হজম বা পৰিপাক কৰিব নোৱাৰা। in-di-ges'-tion, *n.* হজম শক্তি-হীনতা, অগ্নিমান্দ্য।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

in·dig'-nant, *adj.* খঙাল, রুষ্ট। in-dig-na'-tion, *n.* খঙ, ক্ৰোধ, ৰোষ।

in·dig'-ni-ty, *n.* অসম্মান, অবজ্ঞা, অপমান।

in'-di-go, *n.* নীলৰ গছ, নীল ৰং ; *adj.*

in-dis-creet', *adj.* অবিবেচক।

in-dis-crim'-i-nate, *adj.* বিবেচনা শূন্য।

in·dis-pen'-sa-ble, *adj* অপৰিহাৰ্য্য, এৰাব নোৱাৰা।

in-dis-posed', *adj.* অনিচ্ছুক, অসুস্থ, in-dis-po-si'-tion (*-zish'-un*), *n.* অলপ অসুস্থতা।

in-dis'-pu-ta-ble, *adj.* সুনিশ্চিত, সঠিক, নিৰ্ব্বিবাদ।

in-dite' (*-dīt'*), *v.* ৰচনা কৰা, লিখা।

in-di-vid'-u-al, *n.* গাইগোটা মানুহ বা বস্তু ; *adj.* প্ৰত্যেক, স্বতন্ত্ৰ, ব্যক্তিগত।

in'-do-lent, *adj.* এলেহুৱা, উদ্যমহীন। in'-do-lence, *n.* এলাহ, নিৰুৎসাহ।

in-dom'-i-ta-ble, *adj.* অদম্য, অজেয়।

in-du'-bi-ta-ble, *adj.* নিঃসন্দেহ, সুনিশ্চিত, সঠিক।

in-duce', *v.* ফুঁচলোৱা, যুক্তি বা পৰামৰ্শেৰে প্ৰবৃত্তি জন্মোৱা, উৎপাদন কৰা। in-duce'-ment, *n.* প্ৰবৃত্তি, প্ৰলোভন।

in-duct', *v.* প্ৰবেশ কৰোৱা, ভিতৰত সোমোৱা, অধিকাৰ দিয়া। in-duc'-tion, *n.* প্ৰবেশ, অনুমান, সিদ্ধান্ত।

in-dulge' (*-dulj'*), *v.* প্ৰশ্ৰয় দিয়া, লাই দিয়া, অনুগ্ৰহ কৰা, অন্তৰত পোষণ কৰা, আসক্ত হোৱা। in-dul'-gence, *n.* প্ৰশ্ৰয়, লাই, অনুগ্ৰহ। in-dul'-gent, *adj.* অনুকুল, প্ৰশ্ৰয়দায়ক।

in'-dus-try, *n.* পৰিশ্ৰম, অধ্যবসায়, শিল্প। in-dus'-tri-ous (*-us*), *adj.* পৰিশ্ৰমী, কৰ্ম্মশীল। in-dus'-tri-al, *adj.* কৃষি-শিল্পাদি সম্বন্ধীয়।

in-e'-bri-ate, *n. adj.* মদপী ; *v.* মতলীয়া কৰা, বুদ্ধিনাশ কৰা।

in-ef'-fa-ble, *adj.* বৰ্ণনাতীত, কৈ এটাব নোৱাৰা।

in-ef-fec'-tu-al, *adj.* নিষ্ফল, বৃথা।

in-ept', *adj.* অযোগ্য, অকৰ্ম্মণ্য, অনুপযুক্ত।

in-ert', *adj.* অচেতন, জড়, নিৰ্জ্জীৱ, এলেহুৱা। in-er'-ti-a (*-shi-ă*), *n.* জড়তা, নিশ্চলতা।

in-es'-ti-ma-ble, *adj.* অমূল্য, অত্যুত্তম।

in-ev'-i-ta-ble, *adj.* অবশ্যম্ভাবী, অনিবাৰ্য্য, অপৰিহাৰ্য্য।

in-ex'-o-ra-ble, *adj.* স্থিৰপ্ৰতিজ্ঞ, নিষ্ঠুৰ, নিৰ্দ্দয়, অপৰিবৰ্ত্তনীয়।

in-ex-pe'-di-ent, *adj.* অনুপযোগী, অনুচিত, অসঙ্গত, অসুচল।

in-ex'-pli-ca-ble, *adj.* ব্যাখ্যা কৰিব নোৱাৰা, বুজাব নোৱাৰা !

in-ex-pres'-si-ble, *adj.* বৰ্ণনাৰ অসাধ্য, অব্যক্ত।

in-fal'-li-ble, *adj.* অব্যৰ্থ, অমোঘ।

in'-fa-mous, *adj.* অখ্যাতিজনক, কলঙ্কিত, ঘৃণিত। in'-fa-my, *n.* অখ্যাতি, কলঙ্ক, অপযশ, অপমান, নীচতা।

in'-fant, *n.* কেচুৱা। in'-fan-cy (*-si*), *n.* শিশুকাল, আৰম্ভ। in'-fan-tile, *adj.* কেচুৱাৰ, কেচুৱাৰ নিচিনা।

in'-fant-ry, *n.* পদাতিক সৈন্য।

in-fat'-u-ate, *v.* বিবুদ্ধি কৰা, মোহ, বিমোহিত কৰা। in-fat-u-a'-tion, *n.* মোহ।

in-fect', *v.* বিষাক্ত বস্তুৰ সংস্ৰৱত বেমাৰ জন্মোৱা, সংক্ৰামক কৰা, দুষিত কৰা। in-

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

fec'-tion, *n.* in-fec'-tious (*-shus*), *adj.* সংক্ৰামক, সোঁচৰা।

in-fer', *v.* অনুমান কৰা, সিদ্ধান্ত কৰা। in'-fer-ence, *n.* অনুমান, সিদ্ধান্ত।

in-fe'-ri-or, *adj.* তলৰ থাপৰ (পদ, গুণ আদিত), হীন। in-fe-ri-or'-i-ty, *n.* হীনতা।

in-fer'-nal, *adj.* নৰকসম্বন্ধীয়, জঘণ্য।

in-fest', *v.* উপদ্ৰৱ কৰা, আমনি কৰা, দিগ দিয়া, লুটপাট কৰিবলৈ আক্ৰমণ কৰা।

in'-fi-del *n.* : *adj.* নাস্তিক, অবিশ্বাসী, খৃষ্টান ধৰ্ম্মত অবিশ্বাসী। in-fi-del'-i-ty, *n.* ধৰ্ম্মত অবিশ্বাস, বিশ্বাসহীনতা।

in'-fi-nite (*-nit*), *adj.* অসীম, অপাৰ, অনন্ত। in-fin'-i-ty, *n.* অসীমতা। in-fin-i-tes'-i-mal, *adj.* অতি সূক্ষ্ম।

in-firm', *adj.* ক্ষীণ, দুৰ্ব্বল, ৰুগীয়া। in-firm'-a-ry, *n.* চিকিৎসাৰ ঠাই, চিকিৎসালয়। in-firm'-i-ty, *n.* দুৰ্ব্বলতা, দোষ, ত্ৰুটি, ৰোগ, বেমাৰ।

in-flame', *v.* জুই লগোৱা, প্ৰজ্বলিত কৰা, উত্তেজিত কৰা, ক্ৰোধ জন্মোৱা, দেহৰ কোনো অংশত পোৰণি হোৱা আৰু ফুলি উঠা। in-flam-ma'-tion, *n.* দাহ, পোৰণি, বেদনা আৰু পোৰণিযুক্ত স্ফীতি, উত্তেজনা। in-flam'-ma-ble, *adj.* দাহ্য, জুই জ্বলাব পৰা।

in-flate', *v.* বতাহেৰে ওফোন্দোৱা, ওফোন্দা।

in-flect', *v.* বেঁকা কৰা, শব্দৰ ৰূপসলনি কৰা। in-flec'-tion, *n.* শব্দৰ ৰূপ-পৰিবৰ্ত্তন, স্বৰৰ পৰিবৰ্ত্তন।

in-flex'-i-ble, *adj.* লেতুসেতু নোহোৱা, ঠৰঙা, টান, দৃঢ়, অবাধ্য।

in-flict', *v.* বিধান কৰা, দিহা, দিয়া (শাস্তি)। in-flic'-tion, *n.* (শাস্তি) প্ৰদান, বিধান, যন্ত্ৰণা।

in-flo-resc'-ence, *n.* ফুল ফুলা অৱস্থা, ফুলা ফুলবোৰ।

in'-flu-ence, *n.* প্ৰভাব, ক্ষমতা, শক্তি, প্ৰভুত্ব, প্ৰতিপত্তি। in-flu-en'-tial (*-shal*), *adj.* প্ৰতিপত্তি থকা, ক্ষমতাশালী।

in-flu-en'-za, *n.* এবিধ সোঁচৰা জ্বৰ।

in'-flux, *n.* (বহুতৰ) আগমন, প্ৰচুৰ আমদানী।

in-form', *v.* জনোৱা, সতৰ্ক কৰা। in-for-ma'-tion, *n.* খবৰ, জাননী। in-form'-er, *n.* যোনে খবৰ দিয়ে। in-form'-ant, *n.* খবৰ দিওঁতা।

in-frac'-tion, *n.* নিয়ম লঙ্ঘন, নিয়মৰ ব্যতিক্ৰম।

in-fringe', *v.* ভঙ্গ কৰা, লঙ্ঘন কৰা, অতিক্ৰম কৰা, আওহেলা কৰা। in-fringe'-ment, *n.* নিয়ম লঙ্ঘন।

in-fu'-ri-ate, *v.* খং তোলা, ক্ৰোধ জন্মোৱা।

in-fuse (*-fūz'*), *v.* নিবেধ কৰা, পানীৰে ভিজোৱা, ঢালা, উপদেশ দিয়া। in-fu'-sion, *n.* ঔষধ ভিজোৱা পানী, কহ।

in-ge'-ni-ous (*-jē'-ni-us*), *adj.* দক্ষ, সুচতুৰ। in-ge-nu'-i-ty, *n.* কৌশল, চতুৰালি, উদ্ভাবনী শক্তি।

in-gen'-u-ous (*-us*), *adj.* উদাৰ, সৰল, উচ্চমনৰ, সদ্বংশৰ। in-gen'-u-ous-ness, *n.* উদাৰতা, সৰলতা।

in-glo'-ri-ous (*-us*), *adj.* অখ্যাতিজনক, লজ্জাজনক, নীচ।

in'-got, *n.* সাঁচত ঢালা সোণৰূপ আদিৰ কাঠি বা লদা।

in-graft' *or* **en-graft'**, *v.* কলম পোতা; এডাল গছৰ ঠানি কলম দি নি আন এডাল গছত পোতা।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

in-grain', *v.* মনত দৃঢ়ভাবে সংলগ্ন কৰা, বোল দিয়া।

in'-grate, *n.* অকৃতজ্ঞ লোক।

in-gra'-ti-ate (-*shi*-), *v.* অনুগ্ৰহৰ পাত্ৰ কৰা, আনৰ শ্ৰদ্ধা বিশ্বাস বা স্নেহৰ পাত্ৰ হোৱা।

in-gre'-di-ent, *n.* মিহলি কৰা বস্তু, উপাদান, যিহেৰে কোনো বস্তু গঠিত হয়।

in'-gress, *n.* প্ৰবেশ, প্ৰবেশৰ অধিকাৰ, প্ৰবেশ-দ্বাৰ।

in-gulf' *or* **en-gulf'**, *v.* গ্ৰাস কৰা।

in-hab'-it, *v.* বাস কৰা। in-hab'-it-a-ble, *adj*. বাস কৰিবৰ উপযুক্ত। in-hab'-it-ant, *n.* অধিবাসী।

in-hale', *v.* উশাহ লোৱা, নাকেৰে টানি লোৱা।

in-he'-rent *adj.* অন্তৰত দৃঢ়কৈ লাগি থকা, স্বাভাবিক। in-he'-rence, *n.* in-here', *v.* অন্তৰত টানকৈ লাগি থকা।

in-her'-it, *v.* উত্তৰাধিকাৰী হিচাপে পোৱা। in-her'-i-tance, *n* পৈত্ৰিক ধন আদি, উত্তৰাধিকাৰীৰ স্বত্ব। in-her'-i-tor, *n.* উত্তৰাধিকাৰী।

in-hib'-it, *v.* বাধা দিয়া, নিষেধ কৰা। in-hi-bi'-tion, *n.* নিষেধ, তলৰ আদালতৰ ওপৰত ওপৰৰ আদালতে দিয়া নিষেধ হুকুম।

in-hos'-pit-a-ble, *adj.* আলহী সোধ পোছত বিমুখ, আতথি নোসোধা।

in-hu'-man, *adj* নিৰ্দ্দয়, নিষ্ঠুৰ। in-hu-man'-i-ty, *n* নিষ্ঠুৰতা।

in-im'-i-cal, *adj.* বিপক্ষীয়, বিৰোধী, শত্ৰুতা থকা।

in-im'-i-ta-ble, *adj.* অনুকৰণ কৰিব ন [illegible]

in-iq'-ui-tous (-*ik'-wi-tus*), *adj.* অসাধু, ন্যায়বিৰুদ্ধ। in-iq'-ui-ty, *n.* অন্যায়, পাপ।

in-i'-tial (-*ish'-al*), *adj.* প্ৰাথমিক ; *n.* শব্দ বা নামৰ আদি আখৰ ; *v.* সংক্ষেপে চহী দিয়া।

in-i'-ti-ate (-*ish'-i*-), *v.* আৰম্ভ কৰা, দীক্ষা দিয়া, শিক্ষা দিয়া। in-i-ti-a'-tion, *n.* দীক্ষা। in-i'-ti-a-tive, *n.* কাৰ্য্যৰ আৰম্ভ।

in-ject', *v.* বেগেৰে ভিতৰ সুমুৱাই দিয়া, বেজী দিয়া। in-jec'-tion, *n.*

in-junc'-tion, *n.* আদেশ, হুকুম।

in'-jure, *v.* ক্ষতি কৰা, হানি কৰা, আঘাত কৰা, অপকাৰ কৰা, অনিষ্ট কৰা। in'-ju-ry, *n.* ক্ষতি, আঘাত, অপকাৰ, অনিষ্ট। in-ju'-ri-ous, *adj.* অনিষ্টজনক।

in-jus'-tice, *n.* অবিচাৰ, অন্যায়, অধৰ্ম্ম।

ink'-ling, *n.* ইঙ্গিত, সঙ্কেত, ঠাৰ।

in-lay', *v.* খচিত কৰা, বহুওৱা, খটোৱা।

in'-let, *n.* সোমোৱা বাট, দুৱাৰ, সাগৰৰ পাৰৰ ভিতৰলৈ ভাঙি সোমোৱা ঠেক পানী ভাগ।

in'-mate, *n.* কোনো ঘৰত বাস কৰোঁতা, আনৰ লগত একেঘৰতে বাস কৰোঁতা।

in-nate', *adj.* অন্তৰত জন্মা, স্বাভাবিক।

in'-nings, *n. pl* খেলৰ পাল।

in'-no-cent (-*sent*), *adj.* নিৰ্দ্দোষ, নিৰীহ। in'-no-cence, *n.* নিৰ্দ্দোষিতা।

in-noc'-u-ous (-*ū-us*), *adj.* অনিষ্টজনক নোহোৱা, নিৰ্দ্দোষ।

in'-no-vate, *n.* নতুনকৈ প্ৰচলিত কৰা, নতুনকৈ কোনো ৰীতি-নীতি চলোৱা, নতুন পৰিবৰ্ত্তন কৰা। in-no-va'-tion, *n.* নতুন পৰিবৰ্ত্তন।

in-nu-en'-do, *n.* (L.), সঙ্কেত, ঠাৰ।

in-nu'-mer-a-ble, *adj.* অসংখ্য।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

in-oc′-u-late, *v.* ছিটা দিয়া, টীকা দিয়া।
in-oc-u-la′-tion, *n.* টীকা, ছিটা।

in-of-fen′-sive, *adj.* অনপকাৰী, নিৰ্দ্দোষ।

in-op′-er-a-tive, *adj.* কাৰ্য্যকৰী নোহোৱা, বিফল।

in-or′-di-nate, *adj.* অপৰিমিত, অত্যন্ত, অসঙ্গত।

in-or-gan′-ic, *adj.* নিৰ্জ্জীৱ, অচেতন, জড়।

in′-quest, *n.* অনুসন্ধান, তদন্ত।

in-quire′, *v.* বিচৰা, অনুসন্ধান কৰা।
in-qui′-ry, *n.* অনুসন্ধান, তদন্ত।

in-qui-si′-tion, *n.* অনুসন্ধান, চৰ্কাৰী তদন্ত। in-quis′-i-tive, *adj.* অনুসন্ধানী।

in′-road, *n.* হঠাৎ আক্ৰমণ, হঠাৎ প্ৰবেশ আৰু উপদ্ৰব কৰণ।

in′-rush, *n.* বেগেৰে প্ৰবেশ, আক্ৰমণ।

in-sane′, *adj.* বলিয়া। in-san′-i-ty, *n.* উন্মাদ, বলিয়ালি।

in-san′-i-ta-ry, *adj*, অস্বাস্থ্যকৰ।

in-sa′-ti-a-ble (*-sā′-shĭ-*), *adj.* তুষ্ট কৰিবলৈ টান।

in-scribe′, *v.* খোদিত কৰা বা কাটি লিখা, অঁকা, লিখা, উছৰ্গা কৰা। in-scrip′-tion, *n.*

in-scru′-ta-ble *adj.* বুজিব নোৱাৰা, বোধৰ অতীত।

in′-sect, *n.* কীট, উৰিফুৰা পোক।

in-sen′-sate, *adj.* মুৰ্খ, অজ্ঞান।

in-sen′-si-ble, *adj.* চেতনাশূন্য, অনুভব শক্তিহীন।

in-sert′, *v.* মাজত বহুওৱা, আনৰ সৈতে যুক্ত কৰা। in-ser′-tion, *n.* যি আনৰ সৈতে যুক্ত কৰা হয়, মাজত সুমুৱাই দিয়া কাৰ্য্য।

in-sid′-i-ous, *adj.* অতৰ্কিত ভাবে বা মনে মনে আগবঢ়া, কুটিল, বিশ্বাসঘাতকী, কৌশলপূৰ্ণ।

in′-sight, *n.* অন্তৰ্দৃষ্টি, জ্ঞান।

in-sig′-ni-a, *n. pl.* (L.) পদ বা সন্মানৰ চিন, লক্ষণ।

in-sig-nif′-i-cant, *adj.* অৰ্থহীন, তুচ্ছ, সামান্য।

in-sin′-u-ate, *v.* নেদেখাকৈ কৌশলেৰে ভিতৰ সোমোৱা, লাহে লাহে কৌশল কৰি কৰলগীয়া কথা কোৱা, প্ৰকাৰান্তৰে কোৱা, কৌশলেৰে অনুগ্ৰহ পাবলৈ চেষ্টা কৰা।

in-sip′-id, *adj.* সোৱাদ নথকা, নীৰস, উত্তমহীন।

in-sist′, *v.* জিদ কৰা, টানি ধৰা। in-sist′-ence, *n.* ধৈৰ্য্য, জিদ্।

in′-so-lent, *adj.* দাম্ভিক, উদ্ধত, অশিষ্ট।
in′-so-lence, *n.* দাম্ভিকতা।

in-sol′-vent, *adj.* : *n.* ধাৰ পৰিশোধ কৰাব অক্ষম, দেউলিয়া, যোত্ৰহীন। in-sol′-ven-cy, *n.*

in-som′-ni-a, *n.* অনিদ্ৰা।

in-spect′, *v.* পৰিদৰ্শন কৰা। in-spec′-tion, *n.* পৰিদৰ্শন। in-spec′-tor, *n.* পৰিদৰ্শক।

in-spire′, *v.* উশাহ লোৱা, সজীৱ কৰা, অন্তৰত জগোৱা, প্ৰেৰণা দিয়া, দৈৱিক শক্তি দিয়া। in-spi-ra′-tion, *n.* প্ৰেৰণা, উশাহ।

in-stall′, *v.* কোনো পদত স্থাপন কৰা, প্ৰতিষ্ঠিত কৰা। in-stal-la′-tion, *n.* কোনো পদত স্থাপন, অভিষেক।

in-stal′-ment, *n.* কিস্তি, অংশ বা ভাগ (বিশেষকৈ কোনো ধাৰৰ)।

in′-stance, *n.* দৃষ্টান্ত, উদাহৰণ, ঘটনা, আগ্ৰহ, অনুৰোধ ; *v.* উদাহৰণ স্বৰূপে উল্লেখ কৰা।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

in'-stant, *adj.* আসন্ন, নিচেই ওচৰত থকা, উপস্থিত ; *n.* মুহূৰ্ত্ত, চলিত মাহৰ তাৰিখ। in'-stant-ly, *adv.* তৎক্ষণাৎ, ততালিকে। in-stan-ta'-ne-ous, *adj.* তাৎকালিক।

in'-step, *n.* ভৰিৰ গাঁঠিৰ ওচৰত থকা উপৰি ভাগ।

in'-sti-gate, *v.* বেয়া কামত প্ৰবৃত্তি জন্মোৱা, (বেয়া কাম কৰিবলৈ) উদগণি দিয়া বা উত্তেজিত কৰা। in-sti-ga'-tion, *n.*

in-stil', *v.* টোপ টোপকৈ ভিতৰত পেলোৱা, মনত অঁকা বা ধাৰণা জন্মোৱা।

in'-stinct, *n.* স্বাভাবিক জ্ঞান, পশুপক্ষীৰ স্বভাৱতে হোৱা জ্ঞান। in-stinct', *adj.* স্বাভাবিক, স্বভাব-সিদ্ধ। in-stinc'-tive, *adj.* স্বাভাবিক জ্ঞানৰ পৰা জন্মা, আপোনা আপুনি হোৱা, স্বাভাবিক।

in'-sti-tute, *v.* স্থাপন কৰা, আৰম্ভ কৰা ; *n.* বিধি, আইন, শিক্ষাৰ কোনো অনুষ্ঠান। in-sti-tu'-tion, *n.* স্থাপন, প্ৰচলন, কোনো অনুষ্ঠান।

in-struct', *v.* শিক্ষা দিয়া, উপদেশ বা আদেশ দিয়া। in-struc'-tion, *n.* in-struc'-tive, *adj.* শিক্ষা বা উপদেশ প্ৰদ। in-struc'-tor, *n.* উপদেশক, শিক্ষা দিওঁতা।

in'-stru-ment, *n.* যন্ত্ৰ, হাতিয়াৰ, উপায়, দলিল।

in-sub-or'-di-nate, *adj.* অবাধ্য, বিদ্ৰোহী।

in-suf'-fer-a-ble, *adj.* অসহ্য।

in'-su-lar, *adj.* দ্বীপ সম্বন্ধীয়, পানীৰে আগুৰা, ঠেক। in'-su-late, *v.* দ্বীপত পৰিণত কৰা, বেলেগ কৰা। in-su-la'-tion, *n.* বেলেগ, স্থিতি।

in-sult', *v.* অপমান কৰা, তিৰস্কাৰ কৰা। in'-sult, *n.* অপমান, তিৰস্কাৰ।

in-su'-per-a-ble, *adj.* অনতিক্ৰমণীয়।

in-sup-port'-a-ble, *adj.* বহন কৰিব নোৱাৰা, অসহ্য।

in-sure' (*-shoor'*), *v.* নিৰাপদ কৰা, বীমা কৰা। in-su'-rance *n.* বীমা, ক্ষতি পূৰণৰ বাবে চুক্তি।

in-sur'-gent, *n.* ৰাজদ্ৰোহী, বিদ্ৰোহী।

in-sur-rec'-tion, *n.* বিদ্ৰোহ।

in-tact', *adj* সাঁচেমুদে থকা, অক্ষুণ্ণ, পূৰ্ণ।

in'-te-ger (*-jer*), *n.* অখণ্ড সংখ্যা, পূৰ্ণ-ৰাশি। in'-te-gral, *adj.* পূৰ্ণ, গোটা।

in'-te-grate, *v.* জমা কৰা, যোগ কৰা।

in-teg'-ri-ty, *n.* অখণ্ডতা, পূৰ্ণতা, ন্যায়-পৰতা, বিশুদ্ধতা।

in'-tel-lect, *n.* বুদ্ধি, মেধা, প্ৰতিভা, বিচাৰশক্তি। in-tel-lec'-tu-al, *adj.* প্ৰতিভা সম্বন্ধীয়, মানসিক।

in-tel'-li-gent, *adj.* বুদ্ধিমান, প্ৰতিভা-শালী, সুনিপুণ। in-tel'-li-gence, *n.* বুদ্ধি, খবৰ, বাতৰি। in-tel'-li-gi-ble, *adj.* বুজিব পৰা, বোধগম্য।

in-tem'-per-ate, *adj.* অমিতাচাৰী, পানাসক্ত। in-tem'-per-ance, *n.* অমিতাচাৰ, পান ভোজনত অত্যাচাৰ, অসংযম।

in-tend', *v.* ইচ্ছা কৰা, কল্পনা কৰা।

in-tense', *adj.* অতিশয়, প্ৰচণ্ড, কঠোৰ, প্ৰগাঢ়। in-ten'-si-ty, *n.* প্ৰগাঢ়তা, বৰ বেচি পৰিমাণ। in-ten'-sive, *adj.*

in-tent', *adj.* ইচ্ছুক ; *n.* ইচ্ছা, অভিপ্ৰায়। in-ten'-tion, *n.* ইচ্ছা, সংকল্প, তাৎপৰ্য, অভিপ্ৰায়। in-ten'-tion-al, *adj.* ইচ্ছা কৰি কৰা।

in-ter', *v.* পোতা, গৰ দিয়া। in-ter'-ment, *n.*

in-ter-cede', *v.* কাৰো হৈ অনুৰোধ

CC-0. In Public Domain. Gurukul Kangri Collection, Harid...

Digitized by Arya Samaj Foundation Chennai and eGangotri

কৰা, মধ্যস্থতা কৰা। in-ter-ces'-sion, (*-sesh'-un*), *n.* মধ্যস্থতা। in-ter-ces'-sor, *n.* মধ্যস্থ।

in-ter-cept', *v.* মাজ বাটত আটক কৰা বা ধৰা, বাধা দিয়া, কটা। in-ter-cep'-tion, *n.*

in-ter-change', *v.* সলনাসলনি কৰা। in-ter-change'-a-ble, *adj.* সলনাসলনি কৰিব পৰা।

in'-ter-course, *n.* সমাগম, সংসৰ্গ, খবৰ বাতৰিৰ আদান প্ৰদান, বাণিজ্য।

in-ter-dict', *v.* নিষেধ কৰা। in'-ter-dict, *n.* নিষেধ।

in'-ter-est, *n.* অনুৰাগ, বিশেষ মনোযোগ বা আদৰ, হিত, মঙ্গল, লাভ, স্বাৰ্থ, সুবিধা, সুত, বাঢ়ি। in-ter-est', *v.* মনোযোগ আকৰ্ষণ কৰা, কৌতুহল জন্মোৱা, ভাল লগা। in'-ter-est-ing, *adj.*

in-ter-fere', *v.* হাত দিয়া, বাধা দিয়া। in-ter-fe'-rence (*-feer-*), *n.*

in'-ter-im, *n.* মাজৰ সময়।

in-te'-ri-or, *adj.* ভিতৰৰ ; *n.* ভিতৰুৱা ঠাই।

in-ter-ject', *v.* ভিতৰত স্থাপন কৰা। in-ter-jec'-tion, *n.* আনন্দ ঘৃণা ক্ৰোধ আদি বুজোৱা অব্যয়।

in-ter-lace', *v.* এটাৰ ভিতৰত আন এটা সোমাই দি গোঁঠা, চেলেই বোৱা দি বোৱা।

in-ter-leave', *v.* কিতাপৰ ছপা পাতৰ মাজে মাজে উকা বা নিলিখা পাত দিয়া।

in-ter-loc'-u-tor, *n.* কথোপকথনত যোগ দিওঁতা।

in-ter-lo'-per, *n.* অনধিকাৰ চৰ্চা কৰোঁতা, আনৰ কাজত হাত দিওঁতা, আদেশ পত্ৰ নোহোৱাকৈ বাণিজ্য চলাওঁতা।

in'-ter-lude, *n.* ডাঙৰ নাটকৰ ভিতৰুৱা সৰু নাট বা ধেমেলীয়া নাট, যাত্ৰাৰ মাজৰ চং।

in-ter-me'-di-ate, *adj.* মাজৰ। in-ter-me'-di-a-ry, *n.* মাজৰ মানুহ, মধ্যস্থ, দালাল।

in-ter-mis'-sion (*-mish'-un*), *n.* বিৰাম।

in-ter-mit', *v.* অলপ সময়ৰ বাবে স্থগিত কৰা, থামা। in-ter-mit'-tent, *adj.* সবিৰাম, এৰাপৰা।

in-tern', *v.* নিৰস্ত্ৰ কৰি কোনো ঠাইত আটক ৰখা।

in-ter'-nal, *adj.* ভিতৰুৱা।

in-ter-na'-tion-al (*-nash'-un-*), *adj.* আন্তৰ্জাতিক।

in-ter-ne'-cine (*-sīn*), *adj.* পৰস্পৰ নাশকাৰী, মাৰাত্মক।

in-ter'-pel-late, *v.* প্ৰশ্ন কৰা, ব্যৱস্থাপক সভাত প্ৰশ্ন কৰা।

in-ter'-po-late, *v.* পৰৰ ভাব চোৰ কৰি কিতাপত বহুওৱা, কিতাপত বাজে পাঠ বহুওৱা।

in-ter-pose' (*-pōz'*), *v.* মাজত স্থাপন কৰা, মধ্যস্থতা কৰা, হাত দিয়া। in-ter-po-si'-tion (*-zi'-*), মধ্যস্থতা।

in-ter'-pret, *v.* ব্যাখ্যা কৰা, ফটফটীয়াকৈ দেখুৱা, বুজাই দিয়া, আন ভাষালৈ সলনি কৰা, তৰ্জ্জমা কৰা। in-ter-pre-ta'-tion, *n.* বিশদ ব্যাখ্যা, আৰোপিত অৰ্থ। in-ter'-pre-ter, *n.* আদালতৰ দোভাষী।

in-ter-reg'-num, *n.* (L.) এজন ৰজাৰ পিছত আন এজন সিংহাসনত বহাৰ মাজৰ সময়, সিংহাসনশূন্যতা।

in-ter'-ro-gate, *v.* প্ৰশ্ন কৰা, প্ৰশ্ন সোধা।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

in-ter-ro-ga'-tion, *n.* in-ter-rog'-a-tive, *adj.* প্ৰশ্নবোধক ; *n.*

in-ter-rupt', *v.* মাজত বাধা দিয়া, ব্যাঘাত কৰা। in-ter-rup'-tion, *n.* ব্যাঘাত।

in-ter-sect', *v.* ইটোৱে সিটোৱে কটা-কটি কৰা। in-ter-sec'-tion, *n.*

in-ter-sperse', *v.* ছটিওৱা, সিঁচৰতি কৰা, সানমিহলি কৰা। in-ter-sper'-sion, সানমিহলি।

in-ter'-stice (*-stis*), *n.* দুটা বস্তুৰ মাজৰ ঠেক ঠাই, সন্ধিৰ ঠাই, জোৰাৰ মুখ।

in'-ter-val, *n.* মাজৰ সময় বা ঠাই।

in-ter-vene', *v.* মাজত হোৱা, হাত দিয়া। in-ter-ven'-tion, *n.* মধ্যবৰ্ত্তিতা, মধ্যস্থতা।

in'-ter-view (*-vū*), *n.* দুজনৰ ভিতৰত হোৱা সাক্ষাৎ বা দেখা, বাতৰি কাকতত প্ৰকাশ কৰিবলৈ ডাঙৰ মানুহৰ মতামত গ্ৰহণ ; *v.* দেখা কৰা।

in-tes'-tate, *adj.* 'উইল' নকৰাকৈ মৰা।

in-tes'-tine (*-tin*), *adj.* ভিতৰুৱা ; *n. pl.* অন্ত্ৰ।

in'-ti-mate (*-māt*), *adj.* সুপৰিচিত, আত্মীয়, ঘনিষ্ঠ। in'-ti-ma-cy, *n.* বন্ধুতা, বিশেষ ঘনিষ্ঠতা।

in'-ti-mate (*-māt*), *v.* সঙ্কেতেৰে কোৱা, খবৰ দিয়া, জনোৱা, প্ৰকাশ কৰা। in-ti-ma'-tion, *n.* ইঙ্গিত, খবৰ, প্ৰকাশ।

in-tim'-i-date, *v.* ভয় দেখুৱা, নিৰুৎসাহ কৰা।

in-tol'-er-a-ble, *adj.* অসহনীয়, অসহ্য।

in-tone', *v.* কোনো সুৰ লগাই কথা কোৱা বা পঢ়া।

in-tox'-i-cate, *v.* নিচা জন্মোৱা, উন্মত্ত কৰা, মতলীয়া কৰা, উত্তেজিত কৰা, সংজ্ঞাহীন কৰা। in-tox'-i-cant, *n.* মদ, ভাং আদি বাগিয়াল বস্তু। in-tox-i-ca'-tion, *n.*

in-tract'-a-ble, *adj.* অদম্য, দুৰ্দান্ত। শাসন কৰিব নোৱাৰা।

in-trench', *v.* চাৰিও ফালে খাৱৈ দি আগুৱা বা বেঢ়া। in-trench'-ment, *n.* গড়ৰ খাৱৈ।

in-trep'-id, *adj.* সাহসী। in-tre-pid'-i-ty, *n.* সাহস।

in'-tri-cate, *adj.* জটিল।

in-trigue' (*-trēg*), *v.* ষড়যন্ত্ৰ কৰা, গোপনে মন্ত্ৰণা কৰা ; *n.* ষড়যন্ত্ৰ, কুমন্ত্ৰণা।

in-trin'-sic, *adj.* প্ৰকৃত, আচল।

in-tro-duce', *v.* উপস্থিত কৰা, চিনাকী কৰি দিয়া, পৰিচিত কৰা, আৰম্ভ কৰা। in-tro-duc'-tion, *n.* আৰম্ভণি, প্ৰস্তাৱনা, ভুমিকা, পাতনি, প্ৰচলন, চিনাকী কৰি দিয়া কাৰ্য্য। in-tro-duc'-to-ry, *adj.* প্ৰাথমিক, চিনাই দিয়া।

in-trude', *v.* অনুমতি নোলোৱাকৈ ভিতৰ সোমোৱা, বলেৰে প্ৰবেশ কৰা। in-tru'-der, *n.* যোনে..। in-tru'-sion (*shun*), *n.* অনধিকাৰ প্ৰবেশ, বিনা অনুমতিত প্ৰৱেশ। in-tru'-sive, *adj.* বিনা অনুমতিত উপস্থিত।

in-tu-i'-tion, *n.* স্বাভাৱিক জ্ঞান, প্ৰত্যক্ষ জ্ঞান। in-tu'-i-tive, *adj.* স্বাভাৱিক বোধেৰে বুজা, স্বতঃসিদ্ধ।

in'-un-date, *v.* পানীৰে তল কৰা, বানপানী কৰা। in-un-da'-tion, *n.* বানপানী।

in-ure', *v.* অভ্যাস কৰা, সহ্য কৰিবলৈ শিকা। in-ure'-ment, *n.*

in-vade', *v.* শত্ৰুভাবে সোমোৱা, আক্ৰমণ কৰা। in-va'-sion (*-shun*), *n.* আক্ৰমণ।

in-val'-id, *adj*. দুৰ্ব্বল, শক্তিহীন, অকৰ্মণ্য,

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

অকামিলা। in′-va-lid, *n.* দুৰ্ব্বল বা ৰুগীয়া মানুহ, অকৰ্ম্মণ্য সৈন্য। in-val′-i-date, *v.* অকৰ্ম্মণ্য কৰা।

in-val′-u-a-ble, *adj.* অমূল্য, বহুমূলীয়া।

in-vec′-tive, *n.* তিৰস্কাৰ, অতিশয় নিন্দা।

in-veigh′ (*-vā′*), *v.* তিৰস্কাৰ কৰা, ধিক্কাৰ দিয়া।

in-vei′-gle (*-vē′-gl*), *v.* ফুটুলোৱা, ঠগোৱা, প্ৰলোভন দেখুৱা।

in-vent′, *v.* উদ্ভাবন কৰা বা আবিষ্কাৰ কৰা, ৰচনা কৰা, কল্পনাৰে সজা। in-ven′-tion, *n.* উদ্ভাবন, আবিষ্কাৰ (নথকা বস্তুৰ), কল্পনা কৰা কথা। in-ven′-tive, *adj.* উদ্ভাবক। in-ven′-tor, *n.* আবিষ্কাৰ কৰোঁতা।

in′-ven-to-ry (*-rĭ*), *n.* বস্তুৰ তালিকা বা ফৰ্দ্দ।

in-vert′, *v.* ওলোটোৱা, বিপৰীত ভাবে ধৰা বা ৰখা। in-verse′, *adj.* ওলোটা, বিপৰীত। in-ver′-sion, *n.* ব্যতিক্ৰম, ওলট পালট।

in-ver′-te-brate, *adj.* ৰাজহাড় নথকা, মেৰুদণ্ডহীন।

in-vest′, *v.* পদ মৰ্য্যাদা আদিৰে ভূষিত কৰা, অবৰোধ কৰা, টকা খটোৱা। in-vest′-ment, *n.* পোছাক, অবৰোধ, টকা খটোৱা কাৰ্য্য। in-ves′-ti-ture, *n.* অভিষেক।

in-ves′-ti-gate, *v.* অনুসন্ধান কৰা, তদন্ত কৰা, আলোচনা কৰা। in-ves-ti-ga′-tion, *n.* অনুসন্ধান, আলোচনা।

in-vet′-er-ate, *adj.* বহুকলীয়া, বহু দিনীয়া, বদ্ধমূল।

in-vid′-i-ous (*-us*), *adj.* ঈৰ্ষামূলক, বিদ্বেষ উৎপাদক।

in-vig′-o-rate, *v.* সতেজ কৰা, বলশক্তি দিয়া, উজ্জ্বল কৰা।

in-vin′-ci-ble, *adj.* অজেয়, দুৰ্জ্জয়।

in-vi′-o-late, *adj.* অনতিক্ৰমণীয়, অলঙ্ঘনীয়, পবিত্ৰ, অক্ষত।

in-vis′-i-ble, *adj.* অদৃশ্য থকা।

in-vite′, *v.* নিমন্ত্ৰণ কৰা, মাতা, আকৰ্ষণ কৰা, প্ৰবৃত্তি জন্মোৱা। in-vi-ta′-tion, *n.* নিমন্ত্ৰণ। in-vi′-ting, *adj.* প্ৰলোভনজনক, আকৰ্ষণীয়।

in′-vo-cate, *v.* আহ্বান কৰা, মাতা, স্তুতিৰে প্ৰাৰ্থনা কৰা। in-vo-ca′-tion, *n.* আবাহন, প্ৰাৰ্থনা। in-voke′, *v.* আবাহন কৰা, মাতা।

in′-voice, *n.* : *v.* দামেৰে সৈতে পঠোৱা বস্তুৰ তালিকা বা ফৰ্দ্দ, পঠোৱা বস্তুজাত।

in-volve′, *v.* জড়িত কৰা, আবৃত কৰা, লিপ্ত কৰা, জটিল কৰা। in-vo-lu′-tion, *n.* জটিলতা, সম্পাদন।

in′-ward, *adv.* : *adj.* ভিতৰত।

i-o′-ta (*-tă*), *n.* (Gr.), অতি অলপ মাত্ৰা বা পৰিমাণ, একণ।

i-ras′-ci-ble (*ī-ras′-si-*), *adj.* খঙাল।

ire (*īr*), *n.* খং, ক্ৰোধ, ৰোষ। i-rate′ (*ī-rāt′*), *adj.* ire′-ful, *adj.* ৰুষ্ট, ক্ৰোধযুক্ত।

i′-ris, *n.* ৰামধনু, চকুৰ মণিৰ চাৰি পিনে থকা আঙুঠি, এবিধ ফুল।

irk′-some, *adj.* ক্লান্তিজনক, বিৰক্তিকৰ।

i′-ron (*ī′-ŭrn*), *n.* লো; *adj.* লোৰে নিৰ্ম্মিত, কঠোৰ, টান; *v.* ইস্ত্ৰি কৰা, হাতকড়া দিয়া। i′-rons, *n. pl.* লোৰ শিকলি, হাতকড়া। i′-ron-clad, *n.* লোৰ পাতেৰে তৈয়াৰী জাহাজ। i′-ron-mon-ger, *n.* লোৰে তৈয়াৰী বস্তু বেচোঁতা।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

i'-ron-y (*-rŭn-i*), *n.* শ্লেষ বাক্য, বিপৰীত অৰ্থ বুজোৱা বাক্য। i-ron'-i-cal, *adj.*
ir-rel'-e-vant, *adj.* অপ্রাসঙ্গিক, (মূল কথাৰ লগত) সম্বন্ধ নথকা, বাজে।
ir-re-me'-di-a-ble, *adj.* প্রতিকাৰ কৰিব নোৱাৰা।
i-rep'-ar-a-ble, *adj.* সংশোধন কৰিব নোৱাৰা, পূৰাব নোৱাৰা।
ir-re-pres'-si-ble, *adj.* অদম্য।
ir-re-spec'-tive, *adj.* নিৰপেক্ষ, একোৰো ফলীয়া নোহোৱা।
ir-re-triev'-a-ble (*-trēv'-*), *adj.* ওভতাই অনা টান, প্রতিকাৰ কৰিব নোৱাৰা।
ir-rev'-o-ca-ble, *adj.* অপৰিবৰ্ত্তনীয়।
ir'-ri-gate, *v.* পথাৰত পানী দিয়া, নলা কাটি পানী অনা। ir-ri-ga'-tion, *n.*
ir'-ri-tate, *v.* খং তোলা, উত্তেজিত কৰা। বিৰক্ত কৰা, ঘাঁত পোৰণি জন্মোৱা। ir'-ri-ta-ble, *adj.* সহজে খং উঠা। ir-ri-ta-bil'-i-ty, *n.* ir'-ri-tant, *n.* পোৰণি বা প্রদাহজনক বস্তু।
ir-rup'-tion, *n.* হঠাৎ প্রবেশ বা আক্রমণ। ir-rup'-tive, *adj.*
is'-land (*ī'-*) *or* **isle** (*īl*), *n.* দ্বীপ। is'-land-er, *n.* দ্বীপত থাকোঁতা। is'-let, *n.* সৰু দ্বীপ।
i'-so-late (*ī'-sō* or *is'-sō-*), *v.* পৃথক কৰা, বেলেগ কৰা। i-so-la'-tion, *n.* বিচ্ছেদ, বেলেগে স্থিতি।
i-sos'-ce-les, *adj.* (Gr.), সমদ্বিবাহু।
is'-sue (*ish'-ū* or *iss'-sū*), *v.* নিৰ্গত হোৱা, ওলোৱা, উৎপন্ন হোৱা, বাহিৰ কৰা, প্রচাৰ কৰা; *n.* নিৰ্গম, প্রবাহ, প্রচাৰ, বিচাৰ্য্য বিষয়, সন্তান-সন্ততি, পৰিণতি, ফল।
isth'-mus (*ist'-mus*), *n.* যোজক।
i-tal'-ics, *n. pl.* সোঁফালে হলা বেকা আখৰ, যেনে *n. pl.*
itch, *n.* খহু, খুজতীয়া; *v.* খজুৱা।
i'-tem, *n.* (L). বিষয়, 'দফা'।
it'-er-ate, *v.* আকৌ কোৱা বা কৰা।
i-tin'-er-a-ry, *n.* ভ্ৰমণ পথ, পথ দেখুৱা কিতাপ, ভ্ৰমণ বৃত্তান্ত; *adj.* ভ্ৰমণকাৰী। i-tin'-er-ant, *adj.* নানা ঠাইত ভ্ৰমণ কৰোঁতা; *n.* পৰ্য্যটক।
i'-vo-ry, *n.* হাতীৰ দাঁত; *adj.* হাতীৰ দাঁতেৰে তৈয়াৰী।
i'-vy, *n.* এবিধ লতা।

J

jab, *v.* খুঁচা, অস্ত্ৰেৰে বুকত হনা।
jab'-ber, *v.* চেন চেলোৱা, খৰকৈ আৰু অস্পষ্টকৈ কথা কোৱা, বান্দৰৰ দৰে শব্দ কৰা; *n.*
jack, *n.* কঠাল গছ, কঠাল ফল, জাহাজৰ নাবিক, মূৰ্খ, গধুৰ বস্তু তোলা যন্ত্ৰ; জাহাজৰ নিচান। jack-o'-lantern, *n.* উকা, শুলৈ।
jack'-al (*-äl*), *n.* শিয়াল।
jack'-ass, *n.* মতা গাধ।
jack'-boot, *n.* আঠুলৈ ওখ বুটজোতা।
jack'-daw, *n.* ইয়োৰোপৰ এবিধ সৰু কাউৰী।
jac'-u-late, *v.* অস্ত্ৰ নিক্ষেপ কৰা, বাজ কৰি দিয়া।
jade, *n.* বয়সিয়াল অকামিলা ঘোৰা, দুষ্টা নাৰী, এবিধ ডাঠ-সেউজীয়া বৰণৰ শিল;

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

v. অতিকৈ খটাই দুৰ্ব্বল কৰা, ক্লান্ত কৰা। ja'-ded, *adj.* ক্লান্ত।

jail (*jāl*), জেলখানা, ফাটেক। jail'-er, *n.* জেল-দাৰোগা, ফাটেকৰ অধ্যক্ষ।

jam, *n.* ফলৰ আচাৰ, ভিড় ; *v.* চেপা মৰা, পিহি গুড়ি কৰা।

jamb (*jăm*), *n.* দুৱাৰৰ দাঁতি।

jan'-i-tor, *n.* দুৱৰী।

ja-pan', *v* বাৰ্ণিচ কৰা ; *n.* জাপানীবোৰে কৰা, ছবিযুক্ত বাৰ্ণিচ দিয়া বস্তু।

jar, *n.* কলহ, আচাৰ ৰখা পাত্ৰ ; *v.* কৰ্কশ শব্দ কৰা, কেৰ্ কেৰ্ শব্দ কৰা, বিবাদ কৰা, অমিল হোৱা।

jar'-gon, *n.* বেবেৰি বাং কথা, অপভাষা, দোৱান।

jas'-mine (*-mĭn*), *n.* মল্লিকা, মালতী ফুল, যুতি ফুল।

jaunt (*jänt*), *n.* ইকালে সিকালে ভ্ৰমণ। jaun'-ty, *adj.* ৰঙিয়াল, বাহ্যিক আড়ম্বৰ-প্ৰিয়, আমোদী।

jaw, *n.* দাঁতৰ আলু, মুখ।

jeal'-ous (*jel'-us*), *adj.* ঈৰ্ষাপৰায়ণ, খিয়লীয়া। jeal'-ous-y, *n.* ঈৰ্ষা, খিয়াল।

jeer, *v.* পৰিহাস কৰা, বিদ্ৰূপ কৰা ; *n.* ঠাট্টা বিদ্ৰূপ।

Je-ho'-vah, *n.* ঈশ্বৰ (পৰমেশ্বৰৰ ইহুদী ভাষাত নাম)।

jel'-ly, *n.* ফল বা মাংসৰ ৰস চেনিৰ লগত উতলাই ঘন কৰা, এঠাল বস্তু, এবিধ সাগৰৰ মাছ।

jem'-my, *n.* চোৰে সিন্ধি খন্দা যতন বিশেষ ; *adj.* পৰিষ্কাৰ, দক্ষ।

jen'-ny, *n.* সূতা পকোৱা যতন বিশেষ, কলৰ যতৰ ; (শব্দৰ আগত বহিলে 'মাইকী' বুজায়)।

jeop'-ar-dy (*jep'-*), *n.* বিপদ, আপদ। jeop'-ar-dize, *v.* বিপদগ্ৰস্ত কৰা। jeop'-ar-dous, *adj.* বিপদজনক।

jerk, *n.* জোকৰা, হেচঁকা, আজোৰ ; *v.* হেচঁকামৰা, হঠাৎ জোকৰা বা আজোঁৰ মৰা।

jer'-sey, *n.* এবিধ কামিজ চোলা।

jest, *n.* ঠাট্টা, পৰিহাস, ৰহস্যালি ; *v.* ঠাট্টা কৰা, ধেমালি কৰা। jes'-ter, *n.* বিদূষক, ৰহস্যা।

jet, *n.* পানী আদিৰ বেগেৰে নিৰ্গম, এবিধ বৰ কলা শিল, বেগেৰে নিৰ্গত কৰা বা হোৱা।

jet'-son, jet'-sam, *n.* বিপদ কালত জাহাজ পাতল কৰিবলৈ মালবস্তু পানীত পেলোৱা কাৰ্য্য।

jet'-ty, *n.* জাহাজত উঠা-নমা কৰিবলৈ ওপোঙ্গা ঘাট।

jew'-el, *n.* মণি, ৰত্ন, অলঙ্কাৰ। jew'-el-ler, *n.* যোনে মণি ৰত্ন অলঙ্কাৰ আদিৰ কাৰবাৰ কৰে। jew'-el-ler-y *or* jew'-el-ry, *n.* সকলো প্ৰকাৰ ৰত্ন, অলঙ্কাৰ।

jib, *n.* জাহাজৰ সন্মুখৰ তিনি কোণীয়া পাল।

jin'-gle, *n.* মুদ্ৰাদিৰ ঝন্ ঝন্ শব্দ, ধ্বনিৰ মিল ; *v.* ঝন্ ঝন্ শব্দ কৰা।

jin'-go, *n.* যুদ্ধপ্ৰিয় লোক। jin'-go-ism, *n.* যুঁজলৈ আগ্ৰহ।

jiu'-jit-su (*joo'-jit-soo*), *n.* জাপান দেশৰ কুস্তি।

job, *n.* সৰু কাম, সৰু ঠিকাৰ কাম ; *v.* ঠিকাৰ কাম কৰা বা দিয়া, দালালি কৰা, ঘোঁৰাৰ গাড়ী ভাড়া লৈ দিয়া। job-mas'-ter, *n.* যোনে ঘোঁৰাৰ গাড়ী ভাড়ালৈ দিয়ে। job'-ber-y, *n.* স্বাৰ্থ সাধনৰ বাবে অবলম্বন কৰা নীহ উপায়।

jock'-ey, *n.* ঘোঁৰা দৌৰত ঘোঁৰাত উঠোঁতা।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

jo-cose', *adj.* ধেমেলীয়া, ৰসিক, ঠাট্টা বিদ্ৰূপ পূৰ্ণ। jo-cos'-i-ty, *n.*

joc'-u-lar, *adj.* ধেমেলীয়া, পৰিহাস কৰিবলৈ ভাল পোৱা। joc'-und, *adj.* প্ৰফুল্ল, আনন্দিত।

join, *v.* সংযুক্ত কৰা বা হোৱা, জোৰা দিয়া, লগলগোৱা। join'-er, *n.* বাঢ়ৈ।

joint, *n.* সন্ধি, গাঁঠি; *adj.* যুটীয়া। joint'-ly, একেলগে, মিলেৰে, যুটীয়াকৈ।

joint-stock', *adj.* যুটীয়া; *n.* যুটীয়া ধন, সাধাৰণ ধনভঁৰাল।

join'-ture, *n.* বিধবা পত্নীৰ প্ৰাপ্য অংশ।

joist, *n.* আতাল ধৰি ৰখা ছটি।

joke, *n.* ঠাট্টা, বিদ্ৰূপ, পৰিহাস; *v.* ঠাট্টা কৰা। jo'-ker, *n.* যোনে ...।

jol'-ly, *adj.* আনন্দিত, প্ৰফুল্ল। jol'-li-ty *n.* আনন্দ, প্ৰফুল্লতা।

jolt, *n.* জোকাৰ, আজোঁৰ; *v.* জোকাৰ মৰা, জোকৰা।

jos'-tle (*jos'-l*), *v.* ঠেলা মৰা।

jot, *n.* বিন্দু, অতি সৰু অংশ; *v.* টুকি লোৱা।

jour'-nal (*jur'-*), *n.* সংবাদপত্ৰ, বাতৰি কাকত। সভাৰ কাৰ্য্যবিবৰণী, দৈনিক বিবৰণ ('ডায়েৰী')। jour'-nal-ism, *n.* বাতৰি কাকত চলোৱা কাৰ্য্য। jour'-nal-ist, *n.* বাতৰি কাকত লেখক, সম্পাদক।

jour'-ney (*jur'-ni*), *n.* ভ্ৰমণ; *v.* ভ্ৰমণ কৰা।

jour'-ney-man, *n.* দৈনিক হাজিৰা কাম কৰা মানুহ।

joust, *n.* ঘোঁৰাৰ ওপৰৰ পৰা কৰা যুঁজ; *v.*

jo'-vi-al, *adj.* আনন্দিত, প্ৰফুল্ল। jo-vi-al'-i-ty, *n.* আনন্দ, হৰ্ষ।

joy, *n.* আনন্দ। joy'-ful, joy'-ous, *adj.* আনন্দপূৰ্ণ, প্ৰফুল্ল।

ju'-bi-lant, *adj.* আনন্দত জয়ধ্বনি কৰোঁতা, আনন্দপূৰ্ণ। ju-bi-la'-tion, *n.* জয়ধ্বনি। ju-bi-la'-te, *v.* বৰ ৰং কৰা, আনন্দ প্ৰকাশ কৰা, জয়ধ্বনি কৰা।

ju'-bi-lee, *n.* ৫০ বছৰ, ৫০ বছৰ পিছত কৰা আনন্দোৎসব।

Ju'-da-ism, *n.* ইহুদী ধৰ্ম্ম।

judge (*juj*), *v.* বিচাৰ কৰা, আদালতত বিচাৰপতিৰ আসনত বহা, সঁচা মিছা ধিৰ কৰা, সমালোচনা কৰা; *n.* বিচাৰক, সমালোচক, মধ্যস্থ। judg'-ment, *n.* বিচাৰ, বিবেচনা, নিষ্পত্তি, বিচাৰৰ হুকুম, বিধান।

ju'-di-ca-ture, *n.* বিচাৰ কাৰ্য্য, ন্যায় অন্যায় বিচাৰ কৰাৰ ক্ষমতা, বিচাৰৰ আদালত ju'-di-ca-tive, *adj.*

ju-di'-cial (*-dish'-al*), *adj.* বিচাৰক বা বিচাৰালয় সম্বন্ধীয়, বিচাৰ কৰিব পৰা, আদালত সম্বন্ধীয়।

ju-di'-ci-a-ry, *n.* বিচাৰপতি সমূহ, বিচাৰৰ আদালত সম্বন্ধীয়।

ju-di'-cious (*-dish'-us*), *adj.* ন্যায়সঙ্গত, সুবিচাৰ কৰাৰ শক্তি থকা, জ্ঞানী।

jug, *n.* পানীৰ পাত্ৰ।

jug'-gle, *v.* বাজি দেখুৱা, ভেল্কী বাণেৰে মোহা। jug'-gler, *n.* বাজিকৰ। jug'-gler-y, *n.* ভেল্কীবাণ, প্ৰতাৰণা।

juice (*joos*) *n.* ৰস। jui'-cy (*joo'-si*), *adj.* ৰসাল।

ju'-jube, *n.* বগৰী।

jum'-ble, *v.* বিশৃঙ্খলকৈ মিহলি কৰা; *n.* বিশৃঙ্খলকৈ ৰখা বস্তুৰ দ'ম, বিশৃঙ্খলতা।

junc'-tion, *n.* মিলন, সংযোগ, যি ঠাইত মিলে।

junc'-ture, *n.* বিপদৰ সময়, সঙ্কটৰ সময়।

jun'-gle, *n.* জংঘল, হাবি।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ju'-ni-or, *adj.* বয়সত বা পদত সৰু (আনতকৈ) ; *n.*

ju'-ni-per, *n.* এবিধ জোপাবন, ইয়াৰ ফল মদ আৰু দৰবত ব্যৱহাৰ কৰে।

junk, *n.* চীন দেশৰ সৰু জাহাজ।

Ju'-pi-ter, *n.* ৰোমান বিলাকৰ প্ৰধান দেবতা, বৃহস্পতি গ্ৰহ।

ju-ris-dic'-tion, *n.* এলাকা, বিচাৰৰ অধিকাৰ।

ju-ris-pru'-dence, *n.* ব্যৱহাৰ শাস্ত্ৰ, আইনৰ বিজ্ঞান।

ju'-ry, *n.* 'জুৰি'। ju'-ror *or* ju'-ry-man, *n.* জুৰিৰ সভ্য। ju'-rist, *n.* আইন জনা মানুহ।

just, *adj.* ঠিক, ন্যায়পৰায়ণ, ন্যায়সঙ্গত।

jus'-tice, *n.* ন্যায়, সুবিচাৰ, ন্যায়পৰতা, বিচাৰপতি। just'-ly, *adv.* ঠিক মতে, ন্যায়মতে, যথাৰ্থৰূপে। just'-ness, *n.* ন্যায্যতা।।

jus'-ti-fy, *v.* সমৰ্থন কৰা, সঁচা বুলি প্ৰমাণ কৰা। jus-ti-fi'-a-ble, *adj.* সমৰ্থনীয়। jus-ti-fi-ca'-tion, *n.* সমৰ্থন, সত্যতাৰ প্ৰমাণ।

jut, *v.* আগৰ পিনে ওলোৱা বা আগবঢ়া।

jute, *n.* মৰা-পাট।

ju'-ve-nile (*joo'-ve-nīl*), *adj.* ডেকা বয়সৰ, লৰাৰ নিচিনা, লৰাৰ উপযুক্ত ; *n.* ju-ve-nil'-i-ty, *n.* যৌবন, বাল্যাবস্থা।

jux-ta-pose' (*-pōz*), *v.* ইটোৰে সিটোৰে ওচৰাওচৰিকৈ ৰখা। jux-ta-po-si'-tion, *n.*

K

Kaf'-fir *or* **Kaf'-ir**, *n.* পূৰ্ব্ব-দক্ষিণ আফ্ৰিকাৰ অধিবাসী, মুছলমান ধৰ্ম্মত অবিশ্বাসী।

Kai'-ser (*kī-ser* or *kā'-*), *n.* (G). জাৰ্ম্মান সম্ৰাটৰ পদবী।

kan-ga-roo', *n.* অষ্ট্ৰেলিয়াৰ এবিধ জন্তু।

keel, *n.* নাও বা জাহাজৰ আটাইতকৈ তলত থকা মাজৰ কাঠ।

keen, *adj.* তীক্ষ্ণ, চোকা, সূক্ষ্ম, অতি কষ্টদায়ক, তীব্ৰ, প্ৰবল, ব্যগ্ৰ, আগ্ৰহান্বিত। keen'-ness, *n.* তীক্ষ্ণতা, বুদ্ধিৰ তেজ।

keep (kept, keep'-ing, kept), *v.* ৰখা, ৰক্ষা কৰা, যত্ন লোৱা, ধৰা, পোষণ কৰা, পালন কৰা, থোৱা ; *n.* তত্ত্বাবধান, যত্ন, ভৰণপোষণ, অট্টালিকাৰ আটাইতকৈ ওখ চূড়া।

keep'-sake, *n.* বন্ধুতাৰ উপহাৰ, প্ৰীতিদান।

keg, *n.* সৰু পিপা।

ken, *n.* জ্ঞান ; *v.* জনা।

ken'-nel, *n.* কুকুৰ থকা ঠাই, কুকুৰৰ দল, শিয়ালৰ গাঁত, সৰু পঁজা।

ker'-chief, *n.* ডিঙি বা মূৰত মেৰোৱা কাপোৰ।

ker'-nel, *n.* ফলৰ শাহ, তুঁহ বা চোকোলাৰ ভিতৰত থকা সাৰবস্তু।

ker'-o-sene, *n.* কেৰাচিন তেল।

ket'-tle, *n.* কেট্‌লি।

key (*kē*), *n.* চাবি, ব্যাখ্যা, টীকা, অৰ্থৰকিতাপ, সুৰ। key-note, *n.* প্ৰধান সুৰ।

kha'-ki, *n.* এবিধ মোটা কাপোৰ।

Kha'-li-fa (from *ca'-lif*), *n.* মহম্মদৰ উত্তৰাধিকাৰী প্ৰধান মুছলমান সম্ৰাট, খলিফা।

Khe-dive' (*ke-deev'* or *ked'-iv*), *n.* মিচৰৰ শাসনকৰ্ত্তা বা ৰজা।

CC-0. In Public Domain. Gurukul Kangri Collection

Digitized by Arya Samaj Foundation Chennai and eGangotri

kick, *n.* গোৰ মৰা ; *n.* গোৰ, পদাঘাত।
kid, *n.* ছাগলী পোৱালী, ছাগলী পোৱালীৰ ছাল।
kid'-nap, *v.* মানুহ চুৰ কৰা। kid'-nap-per, *n.* যোনে...।
kid'-ney, *n.* মূত্ৰাশয়।
kill, *v.* মাৰা, বধ কৰা। kil'-ling, *adj.*
kiln (*kil*), *n.* মাটিৰ বাচন, ইটা আদি পোৰা জুইশাল।
kilt, *n.* হাইল্যাণ্ডৰ বোৱে পিন্ধা এবিধ চুটি চোলা।
kin, *n.* জ্ঞাতি, কুটুম। kin'-dred, *n.* আত্মীয়, জ্ঞাতি ; *adj.* একে প্ৰকৃতিৰ, একে জাতিৰ। kins'-folk, *n.* kins'-man, *n.* মিতিৰ, কুটুম।
kind, *n.* জাতি, শ্ৰেণী, প্ৰকাৰ, চাম, ৰকম ; *adj.* দয়ালু, মৰমিয়াল। kind'-ness, *n.* দয়া, কৰুণা।
kin-der-gar'-ten, *n.* (G). শিশু বিদ্যালয় ; ইয়াত যাইকৈ খেল, নাচ আৰু গানৰ সহায়েৰে আৰু প্ৰাকৃতিক দৃশ্য, নানা বৰণৰ নানা গঠনৰ খেলৰ বস্তু দেখুৱাই শিক্ষা দিয়া হয়।
kin'-dle, *v.* জ্বলোৱা, জ্বলা, উত্তেজিত কৰা বা হোৱা।
kine, *n. pl.* গাই গৰুবোৰ।
king, *n.* ৰজা, তাচৰ চাহাব। king'-ly, *adj.* ৰজাৰ উপযুক্ত। king'-dom, *n.* ৰাজ্য, ৰাজত্ব।
king'-fish-er, *n.* মাছৰোকা চৰাই।
kip'-per, *n.* লোণসানি ৰখা মাছ।
kirk, *n.* স্কট্‌লণ্ডৰ গীৰ্জ্জা।
kiss, *v.* চুমা খোৱা ; *n.* চুমা।
kitch'-en, *n.* ৰান্ধনি ঘৰ।
kite, *n.* চিলনী।
kit'-ten, *n.* মেকুৰী পোৱালী।
knack (*nak*), *n.* কৌশল, চতুৰালি, খেলৰ বস্তু, কাৰ্য্যকৰাত তৎপৰতা।
knap'-sack, *n.* সৈন্য আৰু বাটৰুৱাৰ খাদ্যাদি ভৰাই পিঠিত বৈ নিবলৈ এবিধ থৈলা বা মোনা।
knave, *n.* শঠ, টেটোন, বদমায়েচ, তাচৰ গোলাম। kna'-ver-y, *n.* প্ৰতাৰণা। kna'-vish, *adj.* দুষ্ট, ধূৰ্ত্ত।
knead, *v.* ময়দা আদি মৰা, দলা, ফেনেকা।
knee, *n.* আঠু।
kneel, *v.* (*pp.* kneeled *or* knelt), আঠু কঢ়া।
knell, *n.* মৃত্যুকালত আৰু কবৰ দিয়াৰ সময়ত কৰা ঘণ্টাধ্বনি ; *v.* শোক বুজাবলৈ ঘণ্টা কোবোৱা।
knife, *n.* (*pl.* knives), ছুৰি, কটাৰী।
knight, *n.* দুৰ্ব্বলৰ সহায় সশস্ত্ৰ বীৰপুৰুষ। ৰজাই দিয়া Sir উপাধি। knight'-hood, *n.* 'নাইট'ৰ পদবী।
knit (*nit*) (knit'-ted, knit'-ting, knit'-ted), *v.* গাঁঠি দি বোৱা, সংলগ্ন কৰা, লগ-লগোৱা, সিয়া।
knob (*nob*), *n.* গোলাকাৰ বস্তু, দুৱাৰ আদিত মেলিবলৈ ঘূৰণীয়া-মুৰ থকা নাল, বেটু। knob'-by, *adj.*
knock, *v.* খুন্দা মৰা ; *n.* খুন্দা।
knoll, *n.* সৰু পাহাৰ।
knot (*not*), *n.* গাঁঠি, বন্ধন, থুপ ; *v.* গাঁঠি দিয়া। knot'-ty, *adj.* বহু গাঁঠিযুক্ত, টান।
know (*nō*) (knew, know'-ing, known), *v.* জনা, বুজা, চিনা। know'-ledge (*nol'-ej*), *n.* জ্ঞান, উপলব্ধি, বিদ্যা, অভিজ্ঞতা, পৰিচয়, খবৰ।
knuck'-le (*nuk'-l*), *n.* আঙুলিৰ গাঁঠি ; *v.* আঙুলিৰ গাঁঠিৰে মৰা, পৰাজয় স্বীকাৰ কৰা।
ko'-dak, *n.* ফটো তোলা সৰু যন্ত্ৰ।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

L

la'-bel, *n.* 'লেবেল' বা টিকট ; *v.* লেবেল মৰা বা টিকট মৰা।

lab'-or-a-tor-y (or *la-bor'-*), *n.* বৈজ্ঞানিকৰ বা ৰাসায়নিকৰ পৰীক্ষাগাৰ, শিল্পশালা।

la'-bour (*-bur*), *v.* পৰিশ্ৰম কৰা, চেষ্টা কৰা, কষ্ট পোৱা, সাগৰত, ধুমুহাৰ কোবত জাহাজ টলং ভটং কৰা ; *n.* পৰিশ্ৰম, আয়াস, চেষ্টা, শ্ৰমৰ কাৰ্য্য, প্ৰসব বেদনা। la'-bour-er, *n.* কুলী, কামবন কৰা মানুহ। la-bo'-ri-ous, *adj.* পৰিশ্ৰমী, ক্লেশসাধ্য, শ্ৰমসাধ্য।

la-bur'-num, *n.* হালধীয়া ফুল ধৰা এবিধ গছ।

lab'-y-rinth, *n.* কোনো মেৰ পাক লগা কথা, জটিল বিষয়। lab-y-rinth'-ine, *adj.* জটিল।

lac (*lak*), *n.* লা।

lace, *n.* জৰি, পটি ; *v.* জৰিৰে বন্ধা, পটি দিয়া।

lac'-er-ate (*las'-*), *v.* ছিগা, ক্ষত কৰা, বিদীৰ্ণ কৰা।

lack, *v.* লগা, অভাবত পৰা, হেৰুৱা। *n.*

lack'-ey, *n.* অনুচৰ, ভৃত্য, চাকৰ।

la-con'-ic (*kon'-*), *adj.* সংক্ষিপ্ত।

lac'-quer (*lak'-ĕr*) *n.* লাৰ বাৰ্ণিচ ; *v.* বাৰ্ণিচ কৰা।

la-cu'-na (*-kū'-*), *n.* সৰু বিন্ধা, গাঁত বা ফাট।

lad'-der, *n.* জখলা।

lade (la'-ded, la'-ding), *v.* বোজা দিয়া, পানী তুলি পেলোৱা। la'-ding, *n.* বোজাই, মাল। la'-dle, *n.* হাঠা, নোঘল নালৰ কৰচ, চামুচ আদি।

la'-dy, *n.* (*pl.* la'-dies), *n.* ভদ্ৰমহিলা। la'-dy-ship, *n.* সম্ভ্ৰান্ত মহিলাৰ পদবী, মাননীয় ভদ্ৰমহিলা।

lag, *adj.* পিছ পৰা ; *n.* নীচ লোক ; *v.* পিছ পৰা, লাহে লাহে যোৱা। lag'-gard, *n.* যোনে ...... ।

la-goon', *n.* সাগৰৰ লগত যুক্ত হোৱা তৰাং হ্ৰদ।

lair (*lār*), *n.* বনৰীয়া জন্তুৰ বাসস্থান, গাঁত।

la'-i-ty, *n.* যাজক শ্ৰেণীৰ নহয় এনে লোক সমূহ।

lake, *n.* হ্ৰদ।

la'-ma (*lā'-*), তিব্বতৰ বৌদ্ধ পুৰোহিত। Dal-ai La'-ma (*dal'-ī*), *n.* তিব্বতৰ ৰজা।

lamb (*lam*), *n.* ভেৰাৰ পোৱালী। lamb'-kin *or* lamb'-ling, *n.* সৰু ভেৰা পোৱালী।

lame, *n.* খোৰা, অসন্তোষজনক।

la-ment', *v.* দুখ কৰা, শোক কৰা, বিলাপ কৰা ; *n.* শোক, দুঃখ। lam'-en-ta-ble, *adj.* শোচনীয়, হীন। lam-en-ta'-tion, *n.* বিলাপ।

lamp, *n.* প্ৰদীপ, চাকি, 'লেম'। lamp-stand, *n.* গছা।

lam-poon', *n.* কোনো মানুহক বিদ্ৰূপ কৰি লিখা কথা বা অঁকা ছবি।

lance, *n.* যাঠি, শূল, যাঠি-শূলধাৰী সৈন্য ; *v.* যাঠি বা শূলেৰে বিন্ধা, অস্ত্ৰ কৰা। lan'-cer, *n.* শূলধাৰী বা অশ্বাৰোহী সৈন্য ; ডাক্তৰৰ এবিধ অস্ত্ৰ।

land, *n.* মাটি, দেশ ; *v.* মাটিত নমা। land'-ing, *n.* নমা কাৰ্য্য ; ঘাট।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

lan′-dau (*-do*), *n.* এবিধ চাৰি চকাৰ গাড়ী।

land′-lord, *n. m.* (land′-lady, *n. f.*) মাটিৰ অধিকাৰী, হোটেল ৰক্ষক।

land′-mark, *n.* সীমাৰ চিন—ডাঙৰ গছ, শিল আদি।

land′-scape, *n.* কোনো ঠাইৰ দৃশ্য, কোনো ঠাইৰ দৃশ্যৰ ছবি।

lan′-guage (*lang′-gwāj*), *n.* ভাষা কথা কোৱাৰ বা লিখাৰ ৰীতি।

lan′-guid, *adj.* অবসন্ন, ক্ষীণ, নিস্তেজ, lan′-guish, *v.* অবসন্ন হোৱা, নিস্তেজ বা দুৰ্ব্বল হোৱা, ক্ষীণ বা ম্লান হোৱা। lan′-guor, *n.* ক্লান্তি, দুৰ্ব্বলতা, অবসন্নতা।

lank, *adj.* কৃশ, ক্ষীণ।

lan′-tern, *n.* লণ্ঠন, ফানুচ।

lap, *v.* চেলেকা, মেচাই লোৱা, মেচ় খোৱা ; *n.* কোলা, চেলেকা, কাপোৰৰ ওলমি থকা অংশ, আঁচল। lap′-ful, *adj.* কোঁচভৰা।

lapse, *v.* লাহে লাহে অতিবাহিত হোৱা, 'বাতিল' হোৱা ; *n.*

lap′-wing, *n.* এবিধ চৰাই।

lar′-board, *n.* জাহাজৰ বাওঁ ফাল।

lar′-ce-ny, *n.* চৌৰ্য্য, চুৰি।

larch, *n.* এজাতৰ দেবদাৰু।

lar′-der, *n.* যি কোঠাত মঙ্গহ নেবান্ধা কৈ ৰাখে, ভৰাঁল ঘৰ ;

large, *adj.* ডাঙৰ, প্ৰকাণ্ড, বহুত।

lar′-gess (*-jĕs*), *n.* পুৰস্কাৰ, দান, বক্‌চিচ্।

lark, *n.* এবিধ সৰু চৰাই, ধেমালি, খেলা ; *v.* ধেমালি কৰা, কেলি কৰা।

lar′-va, *n.* কীটৰ, কণীৰ পৰা ওলোৱা প্ৰথমাবস্থা।

lar′-ynx (*-ingks*), *n.* ডিঙিৰ নলা।

las′-car (*-kar*), *n.* ইয়োৰোপীয় জাহাজত নিযুক্ত ভাৰতীয় বা মালয় উপদ্বীপৰ নাবিক।

lash, *n.* চাবুক ; *v.* চাবুক মৰা।

lass, *n.* গাঁৱলীয়া ছোৱালী।

las′-si-tude, *n.* ভাগৰ, অবসন্নতা, ক্লান্তি।

las′-so, *n.* (*pl.* las′-sos *or* las′-soes), বনৰীয়া ঘোঁৰা, গৰু, মহ আঁদি ধৰা জৰিৰ ফান্দ।

last, *n.* জোতা তৈয়াৰ কৰা কাঠৰ সাঁচ; *adj.* অন্তিম, শেহ, গত, ভূতপূৰ্ব্ব ; *v.* চলা, টিকা, দিন যোৱা।

latch, *n.* সৰু দুৱাৰ ডাং, দুৱাৰ হেঁচনি।

latch′-et, *n.* জোতা বন্ধা ফিতা।

late, *adj.* পলম কৈ অহা, মৃত, পদত নথকা, অলপতে ঘটা ; *adv.* পলম কৈ। late′-ly, *adv.* ইয়াৰ আগতে। of late, অলপতে। lat′-ter, *adj.* শেষোক্ত। lat′-er, *adj.* and *adv.* আৰু পলমে।

la′-tent, *adj.* নিগূঢ়, সুপ্ত, অপ্ৰকাশিত।

lathe (*lāth*), *n.* কুঁন্দ।

lath′-er (*lăth-*), *n.* চাবোনৰ ফেণ ; *v.* ফেণময় হোৱা বা কৰা।

lat′-i-tude, *n.* বহল, পথালি, বিস্তৃতি, স্বাধীনতা, মুক্তি, অক্ষৰেখা।

lat′-tice, *n.* জেলাং, জাল।

laud, *v.* প্ৰশংসা কৰা, গুণকীৰ্ত্তন কৰা ; *n.* প্ৰশংসা, স্তুতি গীত। laud′-a-ble, *adj.* প্ৰশংসনীয়। laud′-a-to-ry, *adj.* প্ৰশংসাপূৰ্ণ।

lau′-da-num, *n.* আফিঙৰ আৰক।

laugh (*lâf*), *n.* হাঁহি ; *v.* হঁহা। laugh′-a-ble, *adj.* হাঁহি উঠা। laugh′-ter, *n.* হাঁহি।

launch, *v.* চোঁচৰাই পানীত পেলোৱা উটোৱা, নিক্ষেপ কৰা, চলোৱা ; *n.* নতুন জাহাজ পানীত পেলোৱা কাৰ্য্য, সৰু জাহাজ।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

laun'-dress, *n.* ধুবুনী। **laun'-dry**, *n.* কাপোৰ কানি ধোৱা ঠাই।

lau'-re-ate, *adj.* মালাৰে বা 'লৰেল' গছৰ পাতৰ মুকুটেৰে শোভিত; *n.* ৰাজকবি।

lau'-rel, *n.* সদায় সেউজীয়া পাত থকা এবিধ সৰু গছ। **lau'-rels**, *n. pl.* সন্মান, যশস্যা।

la'-va (*lá'*-) *n.* আগ্নেয় পৰ্ব্বতৰ পৰা যি বিলাক গলিত পদাৰ্থ নিৰ্গত হয়।

lave, *v.* ধোৱা, গা ধোৱা। **lav'-a-to-ry**, *n.* গা ধোৱা ঠাই বা পাত্ৰ।

lav'-en-der, *n.* এবিধ সুগন্ধি উদ্ভিদ আৰু তাৰ ফুল, শেঁতা নীল বৰণ।

lav'-ish, *adj.* অপৰিমিত, অমিতব্যয়ী, ধোৱাখুলীয়া; *v.* অপব্যয় কৰা, ঢালি দিয়া, উবুৰিয়াই দিয়া।

law, *n.* নিয়ম, বিধি, আইন। **law'-ful**, *adj.* বিধিসঙ্গত, ন্যায়। **law'-less**, *adj.* অবৈধ, বিধিবিৰুদ্ধ, উচ্ছৃঙ্খল। **law'-suit**, *n.* মোকৰ্দ্দমা। **law'-yer**, *n.* উকীল।

lawn, *n.* বনেৰে আবৃত সমান ঠাই, এবিধ অতি মিহি কাপোৰ।

lax, *adj.* ঢিলা, দুৰ্ব্বল, কঠোৰতা শূন্য। **lax'-i-ty**, *n.* ঢিলামি, শিথিলতা।

lay (laid, lay'-ing, laid), *v.* স্থাপন কৰা, থোৱা, বাজি ধৰা, কণী পৰা; *n.* গীত; *adj.* যাজক শ্ৰেণীৰ নোহোৱা, সাধাৰণ শ্ৰেণীৰ, বৈষয়িক। **lay'-er**, *n.* তৰপ, স্তৰ, মাটিত পোতা ঠানিৰ কলম। **lay'-men**, *n.* বিষয়ী লোক, যাজকশ্ৰেণীৰ বাহিৰৰ মানুহ।

la'-zy, *adj.* এলেহুৱা, সোৰোপা। **la'-zi-ness**, *n.* **la'-zi-ly**, *adv.*

lead (*lēd*), (led, lead'-ing), *v.* আগ হৈ বাট দেখুৱা, চলাই নিয়া, শিক্ষা দিয়া, অগ্ৰণী হোৱা। **lead'-er**, *n.* নায়ক।

leaf (*lēf*), *n.* (*pl.* leaves), *n.* পাত, কিতাপৰ পাত, দুৱাৰৰ পাত, লো, তাম আদিৰ পাত। **leaf'-y**, *adj.* বেচি পাত থকা, পাতেৰে ঢকা।

leaf'-let, *n.* ছপা সৰু কাগজ।

league (*lēg*), *n.* তিনি মাইল, সভা, পৰস্পৰ সহায়ৰ বাবে ৰজাসকলৰ ভিতৰত সন্ধিৰ বান্ধোন, একতাৰ বান্ধোন; *v.* মিলিত হোৱা, একেলগ কৰা। **lea'-guer**, *n.* চক্ৰান্তকাৰী, অবৰোধ-কৰোঁতা সৈন্যদলৰ ছাউনী, অবৰোধ।

leak, *n.* ফুটা, বিন্ধা, ফাট; *v.* উকথা, ছিদ্ৰ বা ফাটেৰে পানী সোমোৱা। **leak'-age**, *n.* ফুটা, ফাট।

lean, *v.* আওজা, দোঁ খোৱা, হালা; *adj.* ক্ষীণ, কৃশ, লাহী, শুকান। **lean'-ing**, *n.* দোঁ।

leap (leaped *or* leapt, leap'-ing), *v.* জপিওৱা, নাচা; *n.* জাপ। **leap'-year**, *n.* প্ৰত্যেক চতুৰ্থ বছৰ, যেতিয়া ফেব্ৰুয়াৰী মাহ ২৯ দিনীয়া হয়।

learn (*lern*), *v.* শিকা, জ্ঞানলাভ কৰা, জনা। **learn'-ed**, *adj.* বিদ্বান। **learn'-er**, *n.* শিক্ষাৰ্থী। **learn'-ing**, *n.* বিদ্যা।

lease (*lēs*), *n.* পট্টা, যি বন্দোবস্ত কৰি মাটি, ঘৰ আদি খাজনা লৈ দিয়ে; *v.* পট্টা দিয়া। **lease-holder**, *n.* পট্টাদাৰ। **les-see'**, *n.* যাক পট্টা দিয়ে। **les'-sor**, *n.* পট্টা দিওঁতা।

leash, *n.* কুকুৰ আদি বন্ধা জৰী।

leath'-er (*leth'*-), *n.* পৰিস্কাৰ কৰা চামৰা।

leave (left, leav'-ing, left), *v.* ত্যাগ কৰা, এৰা, উইল কৰি সম্পত্তি দিয়া, এৰি যোৱা, থৈ যোৱা, অৰ্পণ কৰা, যাত্ৰা কৰা; *n.* অনুমতি, বিদায়, ছুটি। **to take French leave**, *v.* অনুমতি নোলোৱাকৈ যোৱা।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

leav'-en (*lev'-*), *n.* ময়দা আদি ফুলোৱা বস্তু ; *v.* ফুলোৱা, বং দিয়া।

lec'-tern, *n.* গীৰ্জ্জাত ধৰ্ম্মশাস্ত্ৰ পঢ়া 'ডেস্ক'।

lec'-ture, *n.* বক্তৃতা, পাঠ, শিক্ষা, তিৰস্কাৰ ; *v.* বক্তৃতা কৰা, বক্তৃতাৰে শিক্ষা দিয়া, তিৰস্কাৰ কৰা।

ledg'-er (*lej'-er*), *n.* খতিয়ান, হিচাপৰ থাই বহি।

lee, *n.* জাহাজৰ যি ফালে বতাহ লাগে তাৰ আন ফাল, বতাহ নলগা ঠাই ; *adj.* বতাহ নলগা।

leech, *n.* জোক, চিকিৎসক ; *v.* জোক লগোৱা।

leek, *n.* এবিধ পিঁয়াজ, ওৱেলচ্ দেশৰ জাতীয় চিন।

leer, *n.* কেৰাহি চাহনি, কটাক্ষ ; *v.* কেৰাহিকৈ চোৱা।

lees (*lēs*), *n. pl.* মদৰ গেড়া বা গেদা।

leg'-a-cy, *n.* উইল কৰি দিয়া ধন সম্পত্তি। **leg-a-tee',** *n.* উইল কৰি যাক ধন সম্পত্তি দিয়ে।

le'-gal, *adj.* বৈধ, আইন সঙ্গত, শাস্ত্ৰ-বিহিত। **le-gal'-i-ty,** *n.* বৈধতা। **le'-gal-ize,** *v.* আইন সঙ্গত কৰা; অনুমোদন কৰা।

leg'-ate, *n.* দূত, পোপৰ প্ৰতিনিধি।

leg'-end (*lej'-end* or *lē-*), *n.* পৌৰাণিক উপাখ্যান, পুৰণি সাধু কথা বা উপকথা। **leg'-end-a-ry,** *adj.* বিস্ময়-জনক, মিছা, কাল্পনিক।

leg'-i-ble, *adj.* ফটফটীয়া, পঢ়িব পৰা।

le'-gion (*-jun*), *n.* প্ৰাচীন ৰোমৰ ৩০০০—৬০০০ সৈন্যৰ দল, ডাঙৰ সংখ্যা।

leg'-is-late (*lej'-*), *v.* আইন কৰা। **leg-is-la'-tion,** *n.* আইন প্ৰণয়ন। **leg'-is-la-tive,** *adj.* ব্যৱস্থাপক। **leg'-is-la-ture,** *n.* ব্যৱস্থাপক সভা।

le-git'-i-mate (*-jit'-*), *adj.* ন্যায্য, আইন সঙ্গত, বিবাহিতা স্ত্ৰীৰ গৰ্ভত ওপজা, স্বাভাৱিক, প্ৰকৃত।

leis'-ure (*lezh'-ur* or *lē'-*), *n.* জিৰণিৰ সময়।

lem'-on, *n.* নেমুটেঙা, তুল্যাটেঙা, নেমুৰ গছ। **lem-on-ade',** *n.* চেনিৰ পানী আৰু নেমুৰ ৰসে তৈয়াৰ কৰা এবিধ পানীয়।

lend, *v.* ধাৰে দিয়া।

length, *n.* দীঘ, দীঘলৰ জোখ, দীঘতা। **leng'-then,** *v.* বঢ়োৱা, দীঘল কৰা বা হোৱা। **length'-wise,** *adv.* দীঘলে। **length'-y,** *adj.* দীঘলীয়া।

le'-ni-ent, *adj.* কোমল, দয়ালু। **len'-i-ty,** *n.* কোমলতা। **le'-ni-ence** *or* **le'-ni-en-cy,** *n.* দয়ালুতা, কোমলতা।

lens (*lens*), *n.* দৃষ্টিকাচ, যি কাচ খণ্ডেৰে বস্তু ডাঙৰ বা সৰু দেখা যায়।

Lent, *n.* খৃষ্টান সকলৰ গুডফ্ৰাইডেৰ আগৰ ৪০ দিন ব্যাপী উপবাস।

len'-til, *n.* মচুৰ মাহ।

leop'-ard (*lep'-*) *n.* নাহৰ ফুটুকী বাঘ।

lep'-er, *n.* কুষ্ঠ ৰোগী। **lep'-ro-sy,** *n.* কুষ্ঠৰোগ। **lep'-rous,** *adj.* কুষ্ঠৰোগ গ্ৰস্ত।

less'-on, *n.* পাঠ, উপদেশ, শিকনি।

let, *v.* দিয়া, অনুমতি দিয়া, কেৰেয়ালৈ দিয়া।

leth'-ar-gy (*-ji*), *n.* তন্দ্ৰা, অলসতা, জড়তা। **leth-ar'-gic,** *adj.* অলস, এলেহুৱা।

let'-ter, *n.* আখৰ, চিঠি, কথাৰ অৰ্থ। **let'-ters,** *n. pl.* সাহিত্য, বিদ্যা।

let'-ters pa'-tent, *n.* ৰজাই দিয়া অধিকাৰ পত্ৰ।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

let'-tuce (*-tis*), *n.* এবিধ খলত হোৱা শাক।

lev'-ee (*lev'-vē* or *lev-vē'*), *n.* ৰাজ-সভা, দৰবাৰ।

lev'-el, *n.* সমতল ৰেখা বা ভূমি, সমভূমি, সমতা; *v.* সমতল কৰা, সমান কৰা, (বন্দুকেৰে) লক্ষ্য কৰা; *adj.* সমান, সমতল।

le'-ver, *n.* গধুৰ বস্তু তোলা যন্ত্ৰ।

le-vi'-a-than, *n.* বাইবেলত উল্লেখ কৰা এবিধ ডাঙৰ জলচৰ জন্তু, প্ৰকাণ্ড কোনো বস্তু বা প্ৰাণী।

lev'-i-ty, *n.* লঘুচিত্ততা, মনৰ চঞ্চলতা বা চঞ্চল ভাব।

lev'-y, *v.* সৈন্য গোটোৱা, টকা আদায় কৰা, কৰ বা ট্যাক্স বহুওৱা; *n.* সৈন্য বা কৰ সংগ্ৰহ, গোটোৱা সৈন্য বা কৰ।

lex'-i-con, *n.* অভিধান, শব্দকোষ। lex-i-cog'-ra-pher, *n.* অভিধান সঙ্কলন কৰোঁতা।

li'-a-ble, *adj.* দায়ী, বাধ্য, অধীন। li-a-bil'-i-ty, *n.* দায়িত্ব, বাধ্যতা। li-a-bil'-i-ties, *n. pl.* দেনা।

li-ba'-tion, *n.* তৰ্পণ।

li'-bel, *n.* কুচ্ছা, নিন্দা, মানহানিজনক কথা; *v.* দুৰ্ণাম ৰটা, মানহানিজনক কথা কোৱা।

lib'-er-al, *adj.* উদাৰ, বদান্য, মুক্তহস্ত, উচ্চমনা; *n.* উদাৰ ৰাজনীতি আৰু ধৰ্ম্মনীতিৰ পক্ষপাতী লোক। lib-er-al'-i-ty, *n.* উদাৰতা, বদান্যতা। lib'-er-al-ism, *n.* উদাৰ মত পোষণ।

lib'-er-ate, *v.* মুক্তি কৰা, স্বাধীন কৰি দিয়া। lib'-er-ty, *n.* মুক্তি, স্বাধীনতা। lib'-er-tine (*-tin*), *n.* লম্পট মানুহ; *adj.* লম্পট, কামাতুৰ।

li'-bra-ry, *n.* পুথি ভঁৰাল। li-bra'-ri-an, *n.* পুথি-ভঁৰালী।

li'-cence, *n.* অনুমতি, অনুমতিপত্ৰ, স্বেচ্ছাচাৰিতা, নিয়মৰ ব্যতিক্ৰম। li'-cense, *v.* অনুমতি দিয়া, অনুমতি পত্ৰেৰে অধিকাৰ দিয়া। li-cen'-ti-ate, *n.* চিকিৎসা ব্যবসায়ত 'লাইচেন্স' পোৱা লোক। li-cen'-tious, *adj.* লম্পট, কামাসক্ত।

lick, *v.* চেলেকা; *n.* চেলেকা কাৰ্য্য।

lic'-or-ice, *n.* যষ্টিমধু।

lid, *n.* ঢাকনি।

lie, *n.* মিছা কথা; *v.* মিছা কোৱা (lied, ly'-ing, lied); *v.* শয়ন কৰা, দীঘল দি পৰি থকা (lay, ly'-ing, lain)। li'-ar, *n.* মিছলীয়া।

liege (*lēj*), *adj.* ৰাজভক্ত, বিশ্বাসী; *n.* ৰজা, প্ৰভু, গৰাকী, প্ৰজা, পাইক, ৰায়ত।

lieu (*lū*), *n.* ঠাই, সলনি। in lieu of, পৰিবৰ্ত্তে, সলনি।

lieu-ten'-ant (*lef-*), *n.* প্ৰতিনিধি, কাপ্তেনৰ তলৰ সেনাপতি।

life, *n.* জীবন, প্ৰাণ, চেতনা, জীবিতকাল, আয়ু, তেজ, শক্তি, জীবন বৃত্তান্ত। life'-long, *adj.* জীৱন থাকে মানে। life'-less, *n.* প্ৰাণহীন, নিৰ্জ্জীৱ।

life'-guard, *n.* ৰজাৰ শৰীৰৰক্ষক সৈন্য।

lift, *v.* তোলা, দাঙা; *n.* দৰ্মহা বৃদ্ধি।

lig'-a-ment, *n.* বন্ধনী, অস্থিবন্ধন। lig'-a-ture, *n.* বন্ধনী, জৰী।

light, *n.* পোহৰ, ৰশ্মি, কিৰণ, চাকি, উন্নতি, সুখ, জ্ঞান, খিড়িকি; *v.* পোহৰ দিয়া, জ্বলোৱা, নমা; *adj.* পাতল, লঘু, লঘু-অস্ত্ৰধাৰী, বেগী, সামান্য, চঞ্চল, আনন্দিত। light'-ly, *adv.* সহজে, লাহে লাহে, লঘুভাবে। light'-en, *v.*

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

পোহৰ দিয়া, পাতল কৰা, কমোৱা, আনন্দিত কৰা। **light'-house,** *n.* সাগৰৰ দাঁতিত পোহৰ দিয়া ওখ খুটা বা ওখ চাং।

light'-er, *n.* জাহাজত মাল বোজাই দিয়া বা মাল খালাচ কৰা ডাঙৰ নাও।

light'-ning, *n.* বিদ্যুৎ, বিজুলী।

like, *adj.* তুল্য, সদৃশ, সমান; *v.* পছন্দ কৰা, ভাল পোৱা। like'-li-hood, *n.* সম্ভাবনা। like'-ly, *adj.* সম্ভব; *adv.* সম্ভবতঃ। like'-ness, *n.* সাদৃশ্য, প্ৰতিমূৰ্ত্তি। li'-ken, *v.* তুলনা কৰা। like'-wise, *adv.* সেইদৰে, আৰু।

li'-lac (*li'-*), *n.* পাৰস্য দেশৰ পৰা নিয়া বগা বা অলপ নীলা এবিধ সুগন্ধি ফুল, পাতল বেঙুনীয়া ৰং।

lil'-y, *n.* ভেটফুল, কুমুদ।

limb (*lim*), *n.* অঙ্গপ্ৰত্যঙ্গ, গছৰ শাখা।

lim'-ber, *adj.* কোমল, লেতুসেতু; *n.* কামান বৈ নিয়া গাড়ীৰ আগভাগ য'ত ঘোঁৰা জোটে।

lime, *n.* চূণ, এবিধ নেমুটেঙা; *v.* চূণেৰে মচা, চূণৰ সাৰ দিয়া।

lim'-it, *n.* সীমা, শেহ, ওৰ; *v.* সীমা থিক কৰি দিয়া, সীমা বান্ধি দিয়া। lim-i-ta'-tion, *n.*

limp, *adj.* কোমল, দুৰ্ব্বল।

lim'-pid, *adj.* নিৰ্ম্মল, ফটফটীয়া।

line, *n.* জৰী, সূতা, ৰেখা, শাৰী, কাৰ্য্য-প্ৰণালী, বংশ; *v.* ৰেখা টনা, ভিতৰ ফাল ঢকা। lin'-e-al, *adj.* বংশানুক্ৰমিক। lin'-e-ar, *adj.* বৈখিক, পোন।

lin'-e-age, বংশাবলী, বংশ, গোত্ৰ।

lin'-e-a-ment, *n.* বাহিৰৰ আকৃতি, অবয়ব, চেহেৰা।

lin'-en, *n.* মৰাপাট বা শণ সূতাৰ কাপোৰ, তলত পিন্ধা, ছোলা বিশেষ।

li'-ner, *n.* যি জাহাজ এটা বন্দৰৰ পৰা আন এটা বন্দৰলৈ নিয়মিত ভাবে অহাযোৱা কৰে, ডাঙৰ যুদ্ধৰ জাহাজ।

lin'-ger, *v.* পলম কৰা, বিলম্ব কৰা, বৈ থকা, একে ঠাইতে বহুত বেলি থকা। lin'-ger-er, *n.* দীৰ্ঘসূত্ৰী। lin'-ger-ing, *adj.* বহুদিন স্থায়ী, কষ্টদায়ক।

lin'-gua fran'-ca, *n.* গ্ৰীক, তুৰ্কী, আৰবী আৰু ইটালী ভাষাৰ সানমিহলি এবিধ কথাবতৰা পতা সাধাৰণ ভাষা।

lin'-gual (*-gwal*), *adj.* জিহ্বা সম্বন্ধীয়, জিহ্বাৰে উচ্চাৰিত।

lin'-guist (*-gwist*), *n.* বহুভাষা জনা পণ্ডিত। lin-guis'-tic, *adj.*

lin'-i-ment, *n.* প্ৰলেপ, মালিচ, মলম।

link, *n.* শিকলিৰ আঙুঠি; *v.* শিকলিত বন্ধা, জোৰা দিয়া, সংযোগ কৰা। links, *n. pl.* 'গলফ' খেল খেলা ঠাই।

lin'-net, *n.* এবিধ মিঠা মাতৰ সৰু চৰাই।

lin'-seed, *n.* তিচি।

lint, *n.* ঘাঁত মলম দি বন্ধা কাপোৰ।

lin'-tel, *n.* দুৱাৰৰ চৌকাঠৰ ওপৰৰ কাঠ।

li'-on, *n.* সিংহ; *v.* ডাঙৰ বুলি ভাবি সম্মান কৰা, ডাঙৰ পতা।

lip, *n.* ওঠ।

liq'-uid (*lik'-wid*), *n.* তৰল বস্তু; *adj.* জুলীয়া, তৰল। liq'-ui-date (*-wi-*), *v.* ঋণ পৰিশোধ কৰা, দেনা পাওনা পৰিষ্কাৰ কৰি কাৰবাৰ তুলি দিয়া।

liq'-uor, *n.* মদ।

lisp, *v.* আধা ফুটা কথা কোৱা, থুনুক থানাক কৈ কথা কোৱা।

list, *n.* তালিকা, কাপোৰৰ দাঁতি; *n. pl.* ব্যায়াম কৰা ঠাই, মল্লযুদ্ধৰ বাবে আগুৰা ঠাই; *v.* তালিকাভুক্ত কৰা, নাম লিখা।

lis'-ten (*lis'-en*), *v.* মন দি শুনা, মনো-

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

যোগেৰে শুনা। list'-ful, *adj.* মনোযোগী। list'-less, *adj.* অমনোযোগী।

lit'-an-y, *n.* উপাসনাৰ সময়ত কৰা প্ৰাৰ্থনা বিশেষ।

lit'-er-al, *adj.* আখৰ অনুসাৰে, আখৰৰ সলনি আখৰ বা শব্দৰ সলনি শব্দ দি কৰা, যথাৰ্থ, ঠিক।

lit'-er-a-ture, *n.* সাহিত্য, গ্ৰন্থসমূহ। lit'-er-a-ry, *adj.* সাহিত্য সম্বন্ধীয়, সাহিত্যিক, বিদ্বান। lit'-er-ate, *adj.* বিদ্বান, লেখা পঢ়া জনা; *n.* বিদ্বান লোক, লেখা পঢ়া জনা মানুহ। lit-tér-a-teur', *n.* সাহিত্যিক লোক।

lithe, *adj.* লাহী, কোমল, লেতু সেতু, lithe'-some (lis'-som), *adj.* চঞ্চল, বেগী।

lith'-o-graph, *v.* 'লিথো' কৰা; *n.* lith-og'-ra-pher, *n.* যোনে 'লিথো' কৰে।

lit'-i-gate, *v.* মোকৰ্দ্দমা কৰা। lit-i-ga'-tion, *n.* মোকৰ্দ্দমা। lit'-i-gant, *adj.* মোকৰ্দ্দমা কৰিবলৈ ভাল পোৱা, মোকৰ্দ্দমাত লাগি থকা; *n.* মোকৰ্দ্দমা প্ৰিয় মানুহ।

lit'-ter, *n.* ভুঁহুৰাৰ দ'ম, খেৰৰ দ'ম, মানুহ বৈ নিয়া এবিধ যান, জন্তু শোৱা ঘুলি, একে বাৰতে ওপোজা জন্তুৰ পোৱালীবোৰ; *v.* প্ৰসৱ কৰা, ভুহুঁৰা বা খেৰেৰে ঢকা।

lit'-ur-gy (*-ji*), *n.* নিৰ্দ্দিষ্ট পূজা পদ্ধতি, উপাসনাৰ ৰীতি।

live (*liv*) *v.* জীয়াই থকা, কাল কটোৱা, বাস কৰা বা থকা। (*līv*), *adj.* জীবিত, জলন্ত, আগ্ৰহান্বিত। liv'-ing, *n.* জীৱন্ত, কাৰ্য্যকৰ, জ্বলন্ত; *n.* জীবিকা, যাজকৰ উপস্বত্ব। live'-li-hood, *n.* জীবিকা। live'-long (*liv-*), *adj.* বহুকাল স্থায়ী। live'-ly, *adj.* চঞ্চল, ৰঙিয়াল, আনন্দিত, উজ্জ্বল।

liv'-er, *n.* আগমঙহ, যকৃৎ।

liv'-er-y, *n.* সম্ভ্ৰান্ত লোকৰ চাকৰৰ বিশেষ পোছাক, পূৰণি অধিকাৰ পোৱা লণ্ডনৰ যুটীয়া কাৰবাৰ কৰা বেপাৰীৰ দল। liv-ery—stable, *n.* যি আড্ডাত ভাড়া দিবলৈ ঘোঁৰাগাড়ী ৰাখে।

liv'-id, *adj.* নীলা-কলা বৰণ, বিবৰ্ণ।

liz'-ard, *n.* জেঠী।

lla'-ma (*lä'-*), *n.* দক্ষিণ আমেৰিকাৰ উট জাতিৰ এবিধ ভেৰাদৰে সৰু জন্তু।

load (*p.p.* load'-ed *or* la'-den), *v.* বোজাই দিয়া, খাৰ বা গুলি আদি খাঁজা; *n.* ভাৰ, বোজা।

load'-stone *or* **lode'-stone**, *n.* চুম্বক লো।

loaf *n.* (*pl.* loaves), *n.* এবিধ ৰুটি; *v.* এলাহত কাল নিওঁৱা। loaf'-er, *n.* এলেহুৱা বা অকৰ্ম্মণ্য মানুহ।

loam, *n.* বালি আৰু পেঁক মিহলি মাটি।

loan, *n.* ধাৰ, ঋণ।

loathe (*lōth*), *v.* অতি ঘিণ কৰা, অশ্ৰদ্ধা কৰা। loath'-ing, *n.* ঘৃণা। loath'-some, *adj.* ঘিণ লগা, বিকচিনা লগা।

lob'-by, *n.* জিৰণিৰ কোঠা, ঘৰৰ ভিতৰৰ দীঘলি বাট।

lobe, *n.* কাণৰ লতি, যকৃৎ আৰু হাওঁফাওঁৰ কোমল ওলমি থকা অংশ।

lo'-cal, *adj.* স্থানীয়। lo-cal'-i-ty, *n.* স্থান, ঠাই, অঞ্চল। lo-cate', *v.* স্থাপিত কৰা, ঠাই নিৰ্দ্দিষ্ট কৰি দিয়া।

lock (*lok*), *n.* তালা, বন্দুকৰ কল, চুলিৰ খোপা; *v.* তালা মৰা। lock'-smith, *n.* তালা চাবি গঢ়োঁতা কমাৰ। lock—up,

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

n. হাজত ঘৰ। lock—jaw, এবিধ দাঁতৰ বেমাৰ।

lo-co-mo′-tion, *n*. গতি, চলন শক্তি। lo-co-mo′-tive, *n*. ৰেলগাড়ীৰ এঞ্জিন।

lo′-cust, *n*. কাকতী ফৰিং।

lodge (*loj*) *n*. সৰু ঘৰ, সমিতি, সমিতিৰ ঘৰ ; *v*. বাস কৰা (ঘৰৰ কোনো অংশত), স্থাপন কৰা, তত্ত্বাবধানত ৰখা, আশ্ৰয় দিয়া, থকা ঠাই দিয়া। lodg′-ing, *n*. বাসস্থান, থকা ঠাই।

loft, *n*. ছালৰ ঠিক তলৰ কোঠা য'ত বস্তু বেহানি ৰাখে, আঁতালৰ থোটালি।

lof′-ty, *adj*. উচ্চ, ওখ, উন্নত, মহানুভব।

log, *n*. কাঠৰ ডোখৰ, জাহাজৰ গতি জোখা যন্ত্ৰ বা গতিৰ হিচাপ। log—book, *n*. জাহাজৰ গতিৰ হিচাপ বহী।

log′-ger-head, *n*. মূৰ্খ, মোটা বুদ্ধিৰ মানুহ।

log′-ic (*loj′*-), *n*. ন্যায়শাস্ত্ৰ। log′-i-cal, *adj*. যুক্তিসঙ্গত, ন্যায়সঙ্গত। lo-gi′-cian, *adj*. নৈয়ায়িক, ন্যায়শাস্ত্ৰত পণ্ডিত।

loin, *n*. কঁকাল, পিঠিৰ তলৰ ভাগ।

loi′-ter, *v*. পলম কৰা, বেলি কৰা (বাটত), মিছাতে সময় কটোৱা।

lone *or* **lone′-ly**, *adj*. অকল, অকলশৰ, নিৰ্জ্জন। lone′-ly, *adv*. অকলে, অকলশৰে। lone′-some, *adj*. নিৰ্জ্জন, বিৰক্তিকৰ।

long, *adj*. দীঘল, দীঘলীয়া ; *v*. ইচ্ছা কৰা, বৰকৈ হেপাহ কৰা।

lon-gev′-i-ty (-*jev′*-), *n*. দীৰ্ঘ জীৱন।

lon′-gi-tude (-*ji*-), *n*. দ্ৰাঘিমা। lon-gi-tu′-di-nal, *adj*. দ্ৰাঘিমাৰ নিচিনা, দীঘলে দীঘলে থকা।

look, *v*. চোৱা, মনোযোগ দিয়া, দৃষ্টি কৰা ; *n*. চাহনি, দৃষ্টি, চেহেৰা।

loom, *n*. তাঁত শাল ; *v*. দূৰৈত অস্পষ্ট ভাবে বা আন ৰূপেৰে দেখা দিয়া।

loop, *n*. & *v*. গাঁঠি, সুমুৱাবৰ নিমিত্তে মোকোটোৱা জৰীৰ মেৰ। loop-hole, *n*. বেৰৰ বিন্ধা সুৰুঙ্গা।

loose (*loos*), *adj*. ঢিলা, সোলোকা, আট নোখোৱা, কুচৰিত্ৰৰ ; *v*. মুকলি কৰি দিয়া, সোলোকাই এৰি দিয়া। loos′-en, *v*. ঢিলা কৰা বা হোৱা।

loot, *v*. লুট কৰা ; *n*. লুট কৰা বস্তু।

lop, *v*. আগ কটা, নলগা অংশ কাটি পেলোৱা, এফালে হালা (যেনে, কোনো কোনো জন্তুৰ কাণ বা শস্যৰ শিহ)।

lo-qua′-cious (-*kwā′-shus*), *adj*. কথকী। lo-quac′-i-ty, *n*. বাচালতা।

lord, *n*. প্ৰভু, গৰাকী, জমিদাৰ, সম্ভ্ৰান্ত লোক, ঈশ্বৰ, (খৃষ্টান্ ধৰ্ম্মত) যীশুখৃষ্ট ; *v*. প্ৰভুত্ব কৰা। lord′-ly, *adj*, সম্ভ্ৰান্ত লোকৰ উপযুক্ত, জাকজমকাল। lord′-ship, *n*. সম্ভ্ৰান্তলোকৰ পদ বা অধিকাৰ।

Lord Mayor, *n*. লণ্ডন আদি ইংলণ্ডৰ ডাঙৰ ডাঙৰ নগৰৰ প্ৰধান মেজিষ্ট্ৰেট্।

lore, *n*. বিদ্যা, জ্ঞান।

lose (*looz*) (lost, lo′-sing, lost), *v*. হেৰুৱা, নষ্ট কৰা। loss, *n*. ক্ষতি, হানি, লোকচান। lo′-ser (*loo-′zer*), *n*. যাৰ হানি বা ক্ষতি হয়। lo′-sing, *adj*. ক্ষতিজনক।

lot, *n*. ভাগ্য, অদৃষ্ট, অংশ, ভাগ।

loth (*lōth*), *adj*. অনিচ্ছুক।

lo′-tion, গাৰ ছাল বা ঘাঁ ধোৱা দৰব-মিহলি পানী।

lot′-ter-y, *n*. চিঠিখেল।

lo′-tus, *n*. পদুম ফুল।

loud, *adj*. ডাঙৰ, হাই-যুক্ত। loud′-ly, *adv*. ডাঙৰকৈ, চিঞৰি।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

lounge (*lounj*), *v.* আৰামেৰে বহা, অবাবত ঘুৰি ফুৰা ; *n.*

louse, *n.* (*pl.* lice), *n.* ওকণী।

lout, *n.* চহা, নিৰ্ব্বোধ কুৰূপ মানুহ।

love, *v.* মৰম কৰা, ভাল পোৱা ; *n.* চেনেহ, প্ৰীতি, ভাল-পোৱা, প্ৰেম, অনুৰাগ, আসক্তি, প্ৰণয়িনী। love'-ly, *adj.* সুন্দৰ, মনোৰম। lov'-er, *n.* প্ৰেমিক। lov'-able, *adj.* অমায়িক, ভাল পোৱাৰ উপযুক্ত।

low (*lō*), *adj.* নীচ, নীহ, হীন, চাপৰ, দ, সৰু, মৃদু, দুৰ্ব্বল, ক্ষীণ ; *v.* হেম্বা হেম্বা কৰা ; *n.* গৰুৰ-মাত। low'-er, *v.* কমোৱা, চপৰোৱা। low'-land, *n.* দ ঠাই। low'-ly, *adj.* নম্ৰ, শান্ত, বিনীত, তলৰ শ্ৰেণীৰ। low'-li-ness, *n.* নীচতা, নম্ৰতা।

low'-er (*lou'-er*), *v.* ভ্ৰূকুটি কৰা, ঘোৰ-ঘৰা, ওন্দোলোৱা, অন্ধকাৰেৰে আবৃত হোৱা, ধুমুহাৰ সূচনা কৰা।

loy'-al, *adj.* ৰাজভক্ত, অনুগত, প্ৰভুভক্ত ; loy'-al-ty, *n.* ৰাজভক্তি। loy'-al-ist, *n.* ৰাজভক্ত লোক।

loz'-enge (*-enj*), *n.* চহ্পা।

lub'-ber, *n.* এলেহুৱা, মোটা বুদ্ধিৰ মানুহ।

lu'-bri-cate, *v.* তেল বা চৰ্ব্বি দি ভালকৈ চলোৱা, তেলীয়া কৰা, তেল দি পিচল কৰা।

lu'-cid (*lū'-sid*), *adj.* উজ্জ্বল, স্পষ্ট, ফটফটীয়া, সহজে বুজিব পৰা।

lu'-ci-fer (*lū'-si-*), *n.* জুই জ্বলোৱা দিয়াচলাইৰ কাঠি, শুক্ৰগ্ৰহ বা পুৱতীয়া তৰা, চয়তান।

luck, *n.* ভাগ্য, অদৃষ্ট। luck'-y, *adj.* ভাগ্যবান।

lu'-cra-tive (*lū'-kra-tiv*), *adj.* লাভজনক, অৰ্থকৰী।

lu'-cre (*lu'-*), *n.* ধনলাভ ; লোভৰ বস্তু বা বিষয়।

lu'-di-crous (*lū'-di-krus*), *adj.* হাঁহিউঠা, হাস্যজনক, অসম্ভব।

luff, *n.* জাহাজৰ যি ভাগ বতাহৰ মুখকৈ থাকে ; *v.* বতাহৰ আগত জাহাজ ধৰা।

lug, *v.* টানা, কষ্টেৰে টানা।

lug'-gage, *n.* ভ্ৰমণকাৰীৰ তালি টোপোলা, বয়বস্তু।

lug'-ger, *n.* সৰু জাহাজ।

lu-gu'-bri-ous (*lū-gu'-bri-us*), *adj.* শোক লগা, শোচনীয়, বিষণ্ণ।

luke'-warm (*look'-*), *adj.* কুহুমীয়া তপত, অলপ তপত, উৎসাহহীন, উদাসীন।

lull, *v.* শান্ত কৰা, নিচুকোৱা, স্থিৰ হোৱা ; *n.* ক্ষন্তেকীয়া স্থিৰতা। lul'-la-by (*-bi-*), *n.* নিচুকনি গীত।

lum-ba'-go, *n.* কঁকালৰ বিষ।

lum'-ber, *n.* ব্যৱহাৰত লগাব নোৱাৰা বস্তু (যেনে পুৰণি ভগাচিগা আহিলাপাতি), অলাগতিয়াল বস্তু ; *v.* বিশৃঙ্খলকৈ গোটোৱা, অলাগতিয়াল বস্তুৰে ভৰোৱা।

lu'-mi-na-ry (*-mi-*), *n.* জোতিষ্কমণ্ডল, নক্ষত্ৰ, উজ্জ্বল বস্তু, প্ৰতিভাশালী লোক। lu'-mi-nous (*-nus*), *adj.* উজ্জ্বল, পৰিষ্কাৰ, বিশদ, প্ৰাঞ্জল।

lump, *n.* লোপা, জড়পিণ্ড, যি (মাংসপিণ্ড আদি) আগ বাঢ়ি ওলায়। lump'-ish, *adj.* গধুৰ, নিৰ্ব্বোধ।

lu'-na-cy (*-nā-si*), *n.* উন্মাদ। lu'-na-tic, *n.* বলিয়া, পাগল ; *adj.* বলিয়া, পাগল।

lu'-nar (*lū'-*), *adj.* চান্দ্ৰ, চন্দ্ৰসম্বন্ধীয় ; lu-na'-tion, *n.* চান্দ্ৰমাহ।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

lunch *or* **lunch'-eon** (*lunsh'-un*), *n.* দুপৰীয়াৰ জলপান।
lung, *n.* হাওফাও (এটা)।
lunge (*lunj*), *v.* হঠাৎ তৰোৱালৰ আগেৰে মৰা, ঠেলা মাৰি সুমুৱা।
lurch, *v.* হঠাৎ (জাহাজ) কাতি হোৱা বা একালে হালা ; *n.* বিপদত অসহায় অৱস্থা।
lure (*lūr*), *v.* প্ৰলোভনেৰে আকৰ্ষণ কৰা, লোভ দেখুৱাই নিয়া ; *n.* চৰাই ধৰিবলৈ কৰা কৃত্ৰিম চৰাই, প্ৰলোভনৰ বস্তু, টোপ।
lu'-rid (*lū'-*), *adj.* অতি শেঁতা বা বিবৰ্ণ, বিষণ্ণ, এন্ধাৰ, কলীয়া।
lurk, *v.* খাপ দি চুপি থকা, লুকাই থকা।
lus'-cious (*lush'-ŭs*), *adj.* সুমিষ্ট, মিঠা।
lus'-tre, *n.* দীপ্তি, পোহৰ, উজ্জ্বলতা, খ্যাতি। lus'-trous (*-trus*), *adj.* অতি উজ্জ্বল।
lus'-ty, *adj.* বলবান, স্বাস্থ্যবান।
lute (*lūt*), *n.* বীণা, সাৰেং।
lux'-u-ry (*lŭk'-sŭ-rĭ* or *lŭk'-shŭ-*), *n.* বিলাসিতা, ভোগবিলাস, বিলাসিতাৰ বস্তু, সুখাদ্য। lux-u'-ri-ant (*lug-zhu'-*), *adj.* সতেজ, নদনবদন, প্ৰচুৰ। lux-u'-ri-ous, *adj.* বিলাসী।
lynch (*linsh*), *v.* সকলোৱে মিলি বিনা বিচাৰে অপৰাধীক মাৰি পেলোৱা, বিনা আইনে বিচাৰ কৰা আৰু শাস্তি দিয়া।
lyre (*līr*), *n.* বীণা। ly'-ric (*lir'-*), lyr'-ic-al, *adj.* বীণা যন্ত্ৰেৰে গাবলৈ উপযুক্ত। lyr'-ic, *n.* গীতি কাব্য।

M

mac-ad'-am-ize, *v.* (ৰাস্তা) শিলগুটিৰে পকা কৰা।
mace, *n.* গদা, মুদ্গৰ, শাসনদণ্ড, ঐশ্বৰ্য্যৰ চিন, জায়ত্ৰী, জায়ফলৰ বাকলি।
mach-i-na'-tion (*mak-*), *n.* কৌশল, ষড়যন্ত্ৰ, কুমন্ত্ৰণা।
ma-chine' (*-sheen*), *n.* যন্ত্ৰ, কল। ma-chin'-er-y (*-sheen'-*), *n.* যন্ত্ৰবিলাক, যন্ত্ৰৰ অংশবোৰ, কৌশল।
mack'-er-el, *n.* এবিধ সাগৰৰ মাছ।
mack'-in-tosh, *n.* পাণীত নিভিজা হলৌ ছোলা।
mad'-am *or* **ma-dame'** (*mă-dăm'*), *n.* ভদ্ৰমহিলা।
mad'-ri-gal, *n.* গৰখীয়া গীত, প্ৰণয়-সঙ্গীত।
mag-a-zine', *n.* ভৰাঁল, গুদাম, অস্ত্ৰ-শস্ত্ৰ, খাৰ বাৰুদ আদিৰ ভৰাঁল, আলোচনী কাকত।
ma'-gi (*mā'-jī*), *n. pl.* পাৰস্য দেশৰ প্ৰাচীন যাজকমণ্ডলী। mag'-ic (*maj'-*), *n.* ভোজবাজী, ইন্দ্ৰজাল, ছায়াবাজী। mag'-i-cal, *adj.* অমানুষিক। ma-gi'-cian (*-jish'-*), *n.* বাজীকৰ।
mag'-is-trate (*maj-*), *n.* ফৌজদাৰী মোকৰ্দ্দমাৰ বিচাৰকৰ্ত্তা বা হাকিম। mag-is-te'-ri-al, *adj.* mag'-is-tra-cy, *n.* 'মেজিষ্ট্ৰেটৰ' পদ বা 'মেজিষ্ট্ৰেট' সকল।
mag-nan'-i-mous (*-i-mus*), *adj.* উদাৰ, মহানুভৱ। mag-na-nim'-i-ty, *n.* মহত্ব, উদাৰতা।
mag'-nate, *n.* মহৎ লোক, কোনো ডাঙৰ কাৰবাৰৰ গুড়িত থকা মানুহ।
mag'-net, *n.* চুম্বক, চুম্বকলো। mag-net'-

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ic, *adj.* চুম্বকৰ গুণযুক্ত, আকর্ষক। mag'-ne-tize, *v.* চুম্বকৰ গুণযুক্ত কৰা। mag'-ne-tism, *n.* চুম্বকৰ গুণ, আকর্ষণ শক্তি।

mag-nif'-i-cent (*-i-sent*), *adj.* মহৎ, জাকজমকীয়া, অতি প্ৰশংসনীয়। mag-nif'-i-cence (*-sens*), *n.* জাকজমক, সমৃদ্ধি, ঐশ্বর্য্য, মহিমা, গৌৰৱ।

mag'-ni-fy, *v.* ডাঙৰ কৰা, অতিৰঞ্জিত কৰা, বৰকৈ প্ৰশংসা কৰা। mag-nif-i-ca'-tion, *n.*

mag'-ni-tude, *n.* আয়তন, বৃহত্ত্ব, গুৰুত্ব।

mag'-pie, *n.* কাউৰী জাতীয় এবিধ চৰাই।

ma-hog'-an-y (*-i*) *n.* এবিধ টান কাঠৰ গছ।

maid *or* **maid'-en**, *n.* কুমাৰী, বিয়া নিদিয়া ছোৱালী, পৰিচাৰিকা। maiden speech, প্ৰথম বক্তৃতা। maid'-en-ly, *adj.* লাজকুৰীয়া।

mail, *n.* কৱচ, লোৰ বৰ্ম্ম, চিঠি আদি কঢ়িয়াবলৈ মোণা, এনে মোনাত থকা বস্তু, পোষ্ট অফিচৰ জৰীয়তে পঠোৱা চিঠি, ডাক। *v.* ডাকত (চিঠি আদি) পঠোৱা।

maim, *v.* অঙ্গহীন কৰা, অক্ষম কৰা, জখম কৰা।

main, *n.* শক্তি বা বল, প্ৰধান অংশ, সাগৰ, ৰাস্তাৰ পানীৰ বা গেচৰ প্ৰধান নলী ; *adj.* মাই, প্ৰধান। main'-land, *n.* মহাদেশ।

main-tain', *v.* ভৰণ পোষণ কৰা, ৰক্ষা কৰা, দখলত ৰখা, ধাৰণ কৰা, সমৰ্থন কৰা, দৃঢ়ভাবে কোৱা। main'-te-nance, *n.* ভৰণ পোষণ বা জীৱিকা, ৰক্ষা, ধাৰণ।

maize, *n.* মাকৰি জহা।

maj'-es-ty (*-ti*), *n.* ৰাজশ্ৰী, মহত্ত্ব, ৰজা বা ৰাণীৰ উপাধি, জাকজমক। ma-jes'-tic, *adj.* মহৎ, শ্ৰীমন্ত, গম্ভীৰ।

ma'-jor, *adj.* সংখ্যা, পৰিমাণ বা আকৃতিত আন এটাতকৈ ডাঙৰ, সাবালক, সৈন্য বিভাগৰ কেপ্টেনৰ ওপৰৰ কৰ্ম্মচাৰী। ma-jor'-i-ty, *n.* অধিকাংশ, সাবালক অৱস্থা।

make (made, ma'-king), *v.* সজা, কৰা, গঠন কৰা ; *n.* গঠন, আকৃতি।

mal'-a-dy, *n.* বেমাৰ, ৰোগ।

ma-la'-ri-a, *n.* দূষিত বতাহ, পিতনী আদি ঠাইৰ পৰা উঠা অপকাৰী বাষ্প, এনে দূষিত বতাহৰ পৰা হোৱা জ্বৰ।

mal'-con-tent, *adj.* অসন্তুষ্ট বা বিদ্ৰোহী, *n.* বিদ্ৰোহী প্ৰজা।

mal-e-dic'-tion, *n.* অভিশাপ, শাও, mal-e-dic'-to-ry, *adj.*

mal'-e-fac-tor, *n.* কুকাজ কৰোঁতা, অপৰাধী, দোষী।

ma-lev'-o-lent, *adj.* অনিষ্ট কৰিবলৈ ভাল পোৱা, ঈৰ্ষাপূৰ্ণ। ma-lev'-o-lence, *n.* দ্বেষ, ঈৰ্ষা, খিয়াল।

mal'-ice (*-is*), *n.* দ্বেষ, ঈৰ্ষা, খিয়াল। ma-li'-cious (*-shus*), *adj.* হিংসুক, খিয়লীয়া।

ma-lign' (*-lin'*), *adj.* খিয়লীয়া, ঈৰ্ষা-পৰায়ণ, অনিষ্টকৰ ; *v.* কুচ্ছা ৰটা, কলঙ্ক বা অপযশ ৰটনা কৰা, নিন্দা কৰা। ma-lig'-nant, *adj.* অনিষ্টকাৰী, অনিষ্টকৰ, ঈৰ্ষা-পূৰ্ণ, তেজৰ দোষত হোৱা (জ্বৰ)। ma-lig'-ni-ty, *n.* শত্ৰুতা, হিংসা, খিয়াল।

ma-lin'-ger, *v.* কৰ্ত্তব্য কামৰ পৰা এৰা দিবলৈ বেমাৰৰ ভাও জোৰা।

mal'-le-a-ble, *adj.* পিটি কোনো আকৃতিৰ কৰিব পৰা।

mal'-let, *n.* কাঠৰ মুগ্দাৰ বা হাতুৰী।

malt (*malt*), *n.* পানীত ভিজাই ৰখা গজালি মেলা যব, তাৰে প্ৰস্তুত মদ।

mal-treat', *v.* বেয়া ব্যৱহাৰ কৰা। mal-treat'-ment, *n.* বেয়া ব্যৱহাৰ।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

mam'-mal, *n.* যি জন্তুৱে নিজৰ পোৱালীক পিয়াহ খুৱাই তোলে। mam-ma'-li-a, *n. pl.*

mam'-mon, *n.* ধনৰ অধিপতি, কুবেৰ, ঐহিক ধন।

mam'-moth, *n.* পুৰণি কালৰ এবিধ ডাঙৰ হাতী ; *adj.* বৰ ডাঙৰ, প্ৰকাণ্ড।

man, *n.* (*pl.* men), মানুহ, মানুহ জাতি, চাকৰ, স্বামী, বয়সিয়াল মানুহ ; *v.* নাও জাহাজ আদিত মানুহ ভৰোৱা। man-kind', *n.* মানুহ জাতি। man'-ly, *adj.* মানুহৰ থাকিব লগা গুণ থকা, সাহিয়াল, উদাৰ প্ৰকৃতিৰ। man'-li-ness, *n.* পুৰুষালি, সাহস। man'-hood, *n.* মনুষ্যত্ব, সাহস।

man'-a-cle, *n.* (*usu. in the pl.*), হাতকেৰেয়া ; *v.* হাতকেৰেয়া দিয়া।

man'-age (*-āj*), *v.* চলোৱা, পৰিচালনা কৰা। man'-a-ger, *n.* পৰিচালক, অধ্যক্ষ। man'-age-ment, *n.* বন্দোবস্ত, পৰিচালনা, পৰিচালক সকল। man'-age-a-ble, *adj*, চলাব পৰা।

man'-dar-in, *n.* চীন দেশৰ কৰ্ম্মচাৰী।

man'-date, *n.* হুকুম, আদেশ (লিখিত)।

mane, *n.* কেশৰ, গফলি।

manes (*ma'-nēs*), পিতৃলোকৰ প্ৰেতাত্মা।

mange (*mānj*), *n.* কুকুৰ আদিৰ এবিধ ছালৰ বেমাৰ।

man'-ger (*mān'-jĕr*), *n.* ঘোঁৰা আদিক আহাৰ দিয়া পাত্ৰ।

man'-gle, *v.* কটা, ক্ষতবিক্ষত কৰা, ডোখৰ ডোখৰ কৰা ; *n.* ইস্তিৰি কৰা যন্ত্ৰ।

ma'-ni-a (*-ni-ā*), *n.* বলিয়ালি, উন্মত্ততা, কোনো বিষয়ত অত্যন্ত আসক্তি। ma'-ni-ac, *n.* বায়ুৰ দোষ হোৱা মানুহ, পগলা।

man'-i-fest, *adj.* স্পষ্ট ; *v.* স্পষ্টকৈ দেখুওৱা, প্ৰকাশ কৰা। man-i-fes-ta'-tion, *n.* man-i-fes'-to, *n.* ঘোষণাপত্ৰ।

man'-i-fold, *adj.* বিবিধ, নানা তৰহৰ ;

man'-i-kin, *n.* সৰু আকৃতিৰ মানুহ, বাওনা।

ma-nip'-u-late, *v.* হাতেৰে কাম কৰা, হাতেৰে চলোৱা, হাতৰ কৌশলেৰে অন্যৰূপ কৰা। ma-nip-u-la'-tion, *n.*

man'-ner, *n.* ধৰণ, ৰীতি ; *n. pl.* ব্যৱহাৰ, আচৰণ, চলন ফুৰণ। man'-ner-ly, *n.* ভদ্ৰ, শিষ্ট। man'-ner-ism, *n.* ব্যৱহাৰৰ বিশেষত্ব, কোনো এটা ধৰণ বা ৰীতিৰ অনুসৰণ।

ma-nœu'-vre (*-noo'-vĕr* or *-nū'-*), *n.* (F.) কৌশল, ছল, চতুৰালি, সৈন্য বা জাহাজৰ নিপুণ পৰিচালনা ; *v.* কৌশলেৰে চলোৱা, আক্ৰমণ বা আত্মৰক্ষাৰ বাবে সৈন্যদল বা জাহাজসমূহ চতুৰালিৰে পৰিচালনা কৰা।

man'-or, *n.* জমিদাৰৰ ভূসম্পত্তি বা অধিকাৰ।

man'-sion, *n.* অট্টালিকা, ডাঙৰ পকী ঘৰ।

man'-slaught-er, *n.* নৰহত্যা।

man'-tel, *n.* জুই শালৰ ওপৰত দিয়া এবিধ ঢাকোন।

man'-tle, *n.* এবিধ আবৰণ, তিৰোতাই পিন্ধা এবিধ চোলা ; *v.* ঢকা বা আবৃত কৰা, লুকোৱা, বিস্তৃত হোৱা।

man'-u-al, *adj.* হাতেৰে কৰা ; *n.* সহজতে ব্যৱহাৰ কৰাৰ উপযোগী সৰু কিতাপ, পাঠ্য কিতাপ।

man-u-fac'-ture, *n.* হাতেৰে বা যন্ত্ৰেৰে নিৰ্ম্মাণ, হাতেৰে বা যন্ত্ৰেৰে তৈয়াৰী বস্তু ; *v.* তৈয়াৰ কৰা, নিৰ্ম্মাণ কৰা। man-u-fac'-to-ry, *n.* কাৰখানা, য'ত বস্তু তৈয়াৰ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

কৰে। man-u-fac′-tu-rer, *n.* শিল্পী, বস্তু তৈয়াৰ কৰোঁতা।

ma-nure′, *n.* মাটিৰ সাৰ; *v.* সাৰ দিয়া।

man′-u-script, *adj.* হাতেৰে লিখা; *n.* হাতে লিখা কিতাপ বা কোনো কাগজ।

man′-y (*men′-i*), *adj.* (*more, most*), বহুত; *n.* or *pron.* বহুত সংখ্যা, বহুত মানুহ।

map, *n.* মানচিত্ৰ; *v.* মানচিত্ৰ অঁকা।

ma′-ple, *n.* আমেৰিকাৰ এবিধ গছ, ইয়াৰ ৰসৰ পৰা চেনি তৈয়াৰ কৰে।

mar, *v.* নষ্ট কৰা, ক্ষতি কৰা।

ma-raud′-er (*-räd′-*), *n.* নানা ঠাইত লুটপাট কৰি ফুৰোঁতা, লুটনিয়াৰ। ma-raud′, *v.* লুট কৰা।

mar′-ble, *n.* এবিধ শিল, খেলাৰ শিলগুটি; *adj.* মাৰ্ব্বলেৰে নিৰ্ম্মিত, কঠুৱা প্ৰকৃতিৰ; *v.* ৰেখা টানি চিত্ৰিত কৰা।

march, *n.* ইংৰাজী বছৰৰ তৃতীয় মাহ, সীমান্ত ঠাই, যুদ্ধযাত্ৰা; *v.* নিয়মিত খোজেৰে আগবঢ়া (যেনে সৈন্যই কৰে), যুদ্ধলৈ যাত্ৰা কৰা, সৈন্যক নিয়মিত খোজত চলোৱা।

mar′-chion-ess (*-shŭn-*), *n.f.* of marquis, মাৰ্কুইচ-পত্নী।

mar-co′-ni-gram, *n.* তাৰহীন টেলিগ্ৰাফ বাতৰি।

mar′-ga-rine (*-ga-*), *n.* কৃত্ৰিম মাখন।

mar′-gin (*-jin*), *n.* দাঁতি, সীমা। mar′-gin-al, *adj.* দাঁতিত থকা, দাঁতিত লিখা।

mar′-i-gold, *n.* গেন্ধে ফুল।

ma-rine′ (*-reen′*), *adj.* সামুদ্ৰিক, সাগৰৰ ওচৰত; *n.* নৌ-সৈন্য, যুদ্ধৰ জাহাজ সমূহ। mar′-i-ner, *n.* নাবিক।

mar-i-o-nette′, *n.* জৰীৰে টনা পুতলা।

mar′-i-time (*-ī-tīm*), *adj.* সামুদ্ৰিক উপকূলৰ ওচৰত থকা, সমুদ্ৰ যাত্ৰা, বাণিজ্য বা সামুদ্ৰিক যুদ্ধ সম্বন্ধীয়।

mark, *n.* চিন, দাগ, নম্বৰ, লক্ষ্য, প্ৰমাণ, নিদৰ্শন, নিৰ্দ্দিষ্ট সীমা, প্ৰাধান্য, পুৰণি কালৰ ইংৰাজী মুদ্ৰা মূল্য ১৩$\frac{1}{2}$ চিলিং; জাৰ্ম্মানীৰ ৰূপৰ মুদ্ৰা মূল্য বাৰ অনা; *v.* চিন বা দাগ দিয়া, নম্বৰ দিয়া, মনোযোগ দিয়া বা মনোযোগেৰে চোৱা। marks′-man, *n.* যোনে লক্ষ্য ভেদ কৰিব পাৰে, বন্দুক বা কাঁড় আদি মৰাত পাকৈত লোক।

mar′-ket, *n.* হাট, বজাৰ, বেচাকিনা কৰা ঠাই; *v.* বজাৰ বা হাট কৰা, কিনা বেচা কৰা।

mar′-ma-lade, *n.* নেমু, সুমথিৰা আদি টেঙাৰ আচাৰ।

ma-roon′, *n.* পলাই ফুৰা কিনা-গোলাম, নিৰ্জ্জন দ্বীপত এৰা।

marque (*mark*), *n.* শত্ৰুৰ জাহাজ লুটকৰাৰ পৰোৱানা।

mar-quee′ (*-kē′*), *n.* সৈন্যৰ ছাউনীৰ ডাঙৰ তম্বু।

mar′-quis (*-kwis*) *or* mar′-quess (*-kwes*), *n.* ডিউকৰ ঠিক তলৰ থাপৰ পদবী বা সম্ভ্ৰান্ত লোক।

mar′-row, *n.* অস্থিৰ ভিতৰত থকা মজ্জা বা সাৰ অংশ, কোনো বস্তুৰ সাৰভাগ, কোমোৰাৰ গছ।

mar′-ry, *v.* বিয়া কৰোৱা। mar′-riage (*-rij*), *n.* বিয়া। marriage-portion, *n.* বিয়াত দিয়া যৌতুক।

mar′-ry, *int.* নিশ্চয়, সঁচাকৈ।

marsh, *n.* পিতনি। marsh′-y, *adj.*

mar′-shal, *n.* ডাঙৰ সেনাপতি বা বিচাৰ-বিভাগৰ কৰ্ম্মচাৰী, যি কৰ্ম্মচাৰীয়ে অনুষ্ঠান আদিৰ বন্দোবস্ত কৰে; *v.* শৃঙ্খলা কৰা, পৰিপাটি কৰা।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

mar'-tial (*-shăl*), *adj*. সামৰিক, যুদ্ধ-প্ৰিয়, সাহসী।

mar'-tin-et, *n*. কঠোৰ নিয়ম আৰু শৃঙ্খলা ভাল পোৱা মানুহ, সামৰিক কৰ্ম্মচাৰী।

mar'-tyr (*-tër*), *n*. যোনে স্বধৰ্ম্ম, সত্য বা স্বদেশৰ কাৰণে প্ৰাণ বিসৰ্জ্জন দিয়ে অথবা অশেষ কষ্ট ভুগে। mar'-tyr-dom, *n*. স্বধৰ্ম্ম আদি ৰক্ষাৰ বাবে প্ৰাণ বিসৰ্জ্জন বা কষ্ট ভোগ।

mar'-vel, *v*. আশ্চৰ্য্য বা বিস্ময় মনা, আচৰিত হোৱা; *n*. বিস্ময়, আশ্চৰ্য্য। mar'-vel-lous (*-lus*), *adj*. আশ্চৰ্য্য-জনক, বিস্ময়জনক।

mas'-cu-line (*-lin*), *adj*. পুৰুষসম্বন্ধীয়, পুৰুষৰ উপযুক্ত বা বলবান।

mask *or* **masque** (*mask*), *n*. মুখৰ ঢাকোন, মুখা, ছল, মুখা পিন্ধি কৰা ভাওনা; *v*. মুখাৰে মুখ ঢকা, লুকোৱা। mas-quer-ade' (*-kër-*), *n*. ছদ্মবেশধাৰী মতা তিৰোতাৰ নৃত্য-সভা, ছদ্মবেশৰ ভাও; *v*. ছদ্মবেশ ধাৰণ কৰা, ছদ্মবেশেৰে আমোদ প্ৰমোদ কৰা।

ma'-son, *n*. শিল আৰু ইটাৰ কাম কৰা মিস্ত্ৰি। ma'-son-ry, *n*. শিল বা ইটাৰ কাম।

mass, *n*. বস্তুৰ সমষ্টি বা পিণ্ড, দ'ম, মানুহৰ দল বা জুম, ৰোমীয় খৃষ্টান্ সম্প্ৰদায়ে পালন কৰা খৃষ্টৰ শেষ ভোজনোৎসব; *v*. একেলগ কৰা। mas'-sive, *adj*. প্ৰকাণ্ড, মস্ত, গধুৰ।

mas'-sa-cre (*-kr*), *n*. হত্যা, বহুত মানুহৰ বধ; *v*. নিষ্ঠুৰ ভাবে বধ কৰা।

mas'-sage (*mas'-sâsh*), *n*. (F.) গা টিপি কৰা এবিধ বৈজ্ঞানিক চিকিৎসা।

mast, *n*. মাস্তুল।

mas'-ter, *n*. প্ৰভু, গৰাকী, অধিপতি, শিক্ষক, পাৰদৰ্শী লোক; *v*. আধিপত্য কৰা, আয়ত্ত কৰা, দমন কৰা। mas'-ter-ly, *adj*. সুনিপুণ, পাৰদৰ্শী। mas-ter—piece, *n*. অতি উৎকৃষ্ট ৰচনা বা গঢ়। mas'-ter-y, *n*. আধিপত্য, অধিকাৰ।

mas'-ti-cate, *v*. চোবোৱা। mas-ti-ca'-tion, *n*. চোবোৱা কাৰ্য্য।

mas'-tiff, *n*. এবিধ বলিষ্ঠ বিলাতী কুকুৰ।

mat, *n*. কঠ; *v*. (কঠ আদি) বুৱা, জৰিত কৰা।

match, *n*. সমকক্ষ, প্ৰতিদ্বন্দ্বী, খেলৰ প্ৰতিদ্বন্দ্বিতা, বিয়া, মিল, দিয়াচলাই; *v*. সমকক্ষ বা সমান হোৱা, মিল হোৱা, যোৰ হোৱা, বিয়া কৰোৱা বা দিয়া। match'-less, *adj*. অতুলনীয়, অদ্বিতীয়।

mate, *n*. লগ, সঙ্গী, এযোৰৰ এটা, সদাগৰি জাহাজৰ কাপ্তেনৰ তলৰ কৰ্ম্মচাৰী; *v*. বিয়া কৰোৱা, বৈবাহিক সূত্ৰত লগ লগা, সমান হোৱা, সমকক্ষ হোৱা।

ma-te'-ri-al, *n*. বস্তু, যিহে কোনো জিনিছ্ গঠিত কৰে; *pl*. বয়বস্তু; *adj*. বস্তুৰে গঠিত, ভৌতিক, আৱশ্যকীয়, প্ৰধান। ma-te'-ri-al-ize, *v*. জড় পদাৰ্থত পৰিণত হোৱা বা কৰা, প্ৰকৃত কৰা বা হোৱা। ma-te'-ri-al-ly, *adv*. প্ৰকৃততে।

ma-ter'-nal, *adj*. মাতৃৰ নিচিনা, মাতৃ সম্বন্ধীয়। ma-ter'-ni-ty, *n*. মাতৃত্ব।

math-e-mat'-ics, *n*. অঙ্ক শাস্ত্ৰ, গণিত বিদ্যা। math-e-ma-ti'-cian, *n*. অঙ্ক-শাস্ত্ৰজ্ঞ পণ্ডিত।

mat'-in, *n*. পুৱা। mat'-ins, *n*. পুৱাৰ উপাসনা।

mat-i-nee' (*-nā'*), *n*. (F.) চাৰ্কাচ বা থিয়েটাৰ আদিৰ ভাটিবেলাৰ তামচা।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

mat′-ri-cide (*-sīd*), *n.* মাতৃহত্যা, মাতৃ-হত্যাৰ অপৰাধী। mat′-ri-ci-dal, *adj.*

ma-tric′-u-late, *v.* বিশ্ববিদ্যালয়ৰ সভ্য-শ্ৰেণীৰ তালিকাভুক্ত কৰা, পৰীক্ষাত উত্তীৰ্ণ হৈ ছাত্ৰ হিচাবে বিশ্ববিদ্যালয়ত সোমোৱা। ma-tric-u-la′-tion, *n.*

mat′-ri-mo-ny, *n.* বিয়া। mat-ri-mo′-ni-al, *adj.*

ma′-tron, *n.* গৃহিণী (সন্তানৰ মাক), বিয়া কৰোৱা তিৰোতা, আস্পাতালত ৰোগীৰ শুশ্ৰূষাকাৰিণী। ma′-tron-ly, *adj.* গম্ভীৰ।

mat′-ter, *n.* বস্তু, বিষয়, ঘটনা, পৰিণাম, পুঁষ; *v.* বিবেচনাৰ বিষয় হোৱা, গুৰুত্বৰ বিষয় হোৱা, পুঁষ পৰা।

mat′-tock (*tok*), *n.* খন্তি, কোৰ।

mat′-tress, *n.* গদী, তলচা।

ma-ture′, *adj.* পকা, পূৰ্ণ বয়সৰ বা গঠনৰ, কোনো পাঙা কাম কাৰ্য্যত পৰিণত কৰিবলৈ প্ৰস্তুত; দিব লগীয়া; *v.* পূৰ্ণ বা পৰিণত কৰা বা হোৱা। ma-tu′-ri-ty, *n.* পূৰ্ণতা, পূৰ্ণ বয়স প্ৰাপ্তি।

mau-so-le′-um, *n.* জাকজমকীয়া সমাধি মন্দিৰ।

mauve (*mawv* or *mōv*), *n.* এবিধ সুন্দৰ বেগুনীয়া ৰং।

max′-im, *n.* নীতি বচন, সাৰ কথা, এবিধ কলৰ বৰ তোপ বা কামান।

max′-i-mum, *n.* (*pl.* max′-i-ma), (L.) উৰ্দ্ধ সংখ্যা, আটাইত কৈ বেচি পৰিমাণ; *adj.* অনধিক।

may′-or, *n.* নগৰৰ অধ্যক্ষ।

maze, *n.* মেৰ পাক থকা বা একাঁ বেঁকা ঠাই, বুদ্ধিৰ ভুল, অনিশ্চয়তা; *v.* দিশ-বিদিশ নোপোৱা কৰা, বিবুদ্ধি কৰা। ma′-zy, *adj.* একাঁ বেঁকা, জটিল।

mead, *n.* মৌৰে তৈয়াৰী এবিধ 'আসব' বা মদ।

mead *or* **mead′-ow** (*med′-ō*), *n.* ঘাঁহনি পথাৰ।

mea′-gre (*mē′-ger*), *adj.* কৃশ, পাতল, তাকৰ, কম, অনুৰ্বৰ।

meal (*mēl*), *n.* ময়দা, আটা, একেবাৰতে খোৱা আহাৰ। meal′-y, *adj.* কোমল, শুকান।

mean (*mēn*), *adj.* নীচ, নীহ, অধম, তুচ্ছ, ক্ষুদ্ৰ, সাধাৰণ, গ্ৰাম্য, মধ্যম, মাজত থকা; *v.* (meant, mean′-ing, meant), অভিপ্ৰায় কৰা, বুজোৱা; *n.* মাজ, মাজত থকা ৰাশি। mean′-ing, *n.* অৰ্থ, উদ্দেশ্য। mean′-ness, *n.* নীচতা। means, *n. pl.* উপায়, দিহা।

mea′-sles (*mē′-zls*), *n. pl.* এবিধ সংক্ৰামক জ্বৰ, ছালত বঙা পৰি ওলোৱা কোঁহা।

meas′-ure (*mezh′-*), *n.* পৰিমাণ, জোখ, জোখা যতন; আয়তন, কোনো উদ্দেশ্য সাধনৰ উপায়, কোনো আইন, (গণিতত) গুণনীয়ক, ছন্দ; *v.* জোখা, পৰিমাণ লোৱা, অংশ কৰি দিয়া, নিয়মিত কৰা, জোখৰ বা পৰিমাণৰ হোৱা। meas′-ur-a-ble, *adj.* জুখিব পৰা। meas′-ure-ment, *n.* জোখ, পৰিমাণ।

meat, *n.* আহাৰ, মাংস।

me-chan′-ic (*-kan′-*), *adj.* শিল্পসম্বন্ধীয়, যন্ত্ৰ বা কল সম্বন্ধীয়; *n.* শিল্পী, কাৰিকৰ। me-chan′-i-cal, *adj.* যন্ত্ৰ সম্বন্ধীয়, যন্ত্ৰৰ নিচিনা, মুৰ্খ, বুদ্ধিহীন। me-chan′-ics, *n. pl.* যন্ত্ৰ-বিজ্ঞান। mech′-an-ism, *n.* যন্ত্ৰ বিষয়ক কৌশল, যন্ত্ৰৰ গঠন। mech′-an-ist, *n.* যন্ত্ৰ তৈয়াৰ কৰোঁতা।

med′-al, *n.* পদক, পুৰস্কাৰ হিচাবে দিয়া মুদ্ৰাবিশেষ। me-dal′-li-on, *n.* ডাঙৰ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

পদক। med'-al-list, *n.* পদক পোৱা মানুহ, পদক তৈয়াৰ কৰোঁতা।

med'-dle, *v.* (আনৰ কাৰ্য্যত) হাত দিয়া, অনধিকাৰ চৰ্চ্চা কৰা। med'-dler, *n.* যোনে আনৰ কাৰ্য্যত হাত দিয়ে। med'-dle-some, *adj.* আনৰ কাৰ্য্যত হাত দিবলৈ ভাল পোৱা।

med-i-æ'-val *or* **med-i-e'-val,** *adj.* মধ্যযুগৰ, খৃঃ ৫ম শতিকাৰ পৰা ১৬শ শতিকাৰ ভিতৰৰ।

me'-di-ate, *v.* মাজৰ মানুহ হোৱা, মধ্যস্থ হৈ কোনো বিবাদ মীমাংসা কৰিবলৈ চেষ্টা কৰা। me-di-a'-tion, *n.* মধ্যস্থতা, মীমাংসা। me'-di-a-tor, *n.* মধ্যস্থ।

med'-i-cine (-*sin*), *n.* ঔষধ, চিকিৎসা শাস্ত্ৰ। med'-i-cal, *adj.* চিকিৎসা সম্বন্ধীয়। me-dic'-i-nal (-*dis'*-), *adj.* ঔষধৰ গুণ থকা। med'-i-cate, *v.* ঔষধযুক্ত কৰা।

me-di-o'-cre (-*ō-kĕr*), *adj.* মজলীয়া, মধ্যম। me-di-oc'-ri-ty, *n.*

med'-i-tate, *v.* ধ্যান কৰা, একমনে চিন্তা কৰা বা ভাবা, কল্পনা কৰা। med-i-ta'-tion, *n.* ধ্যান, এক মনে কৰা চিন্তা। med'-i-ta-tive, *adj.*

me'-di-um, *n.* (*pl.* me'-di-ums *or* me'-di-a), মাজত থকা বস্তু, মধ্য, উপায়, মাজত থকা মানুহ, ভূতে আশ্ৰয় লোৱা মানুহ।

med'-ley, *n.* খেলিমেলি অৱস্থা, বস্তুৰ সানমিহলি।

meed, *n.* পুৰস্কাৰ, বেতন, মজুৰী।

meek, *adj.* নম্ৰ, বিনীত।

meet, *adj.* উচিত, উপযুক্ত ; *v.* (met, meet'-ing, met), লগপোৱা, সাক্ষাৎ কৰা, দেখা কৰা, যুঁজৰ কাৰণে আগ ভেটা, পোৱা। meet'-ing, *n.* মিলন, সভা, যি ঠাইত লগ লাগে।

mel'-an-chol-y, *n.* বিষাদ, বিমৰ্ষভাব ; *adj.* বিষণ্ণ, স্ফূৰ্ত্তিহীন। mel-an-cho'-li-a, *n.* সদায় বিষণ্ণভাবে থকা এবিধ বেমাৰ।

mê-lee' (*mā-lā'*), *n.* (F). বহুতমানুহৰ হাতাহাতি যুঁজ।

mel'-low, *adj.* পকা আৰু কোমল ; *v.* পকোৱা, কোমল কৰা, পকা বা কোমল হোৱা।

mel'-o-dy, *n.* সুমিষ্টস্বৰ, মিঠা সুৰ, সঙ্গীত। me-lo'-di-ous (-*dĭ-us*), *adj.* মধুৰ, মিঠা সুৰৰ।

mel'-on (-*un*), *n.* খৰমুজা আদি তিয়ঁহ জাতীয় বনাল ফল।

melt, *v.* গলা বা গলোৱা।

mem'-ber, *n.* শৰীৰৰ কোনো অঙ্গ, সভাসমিতিৰ সভ্য।

mem'-brane, *n.* জালৰ নিচিনা সূক্ষ্ম ছাল।

me-men'-to, *n.* (*pl.* -toes *or* -tos), *n.* স্মৃতি চিহ্ন।

mem'-oir (-*wŏr*), *n.* সংক্ষিপ্ত জীৱনী, স্মৃতি সুমৰি লিখা বিৱৰণ ; *pl.* কোনো সমাজৰ বা লেনদেনৰ বিৱৰণ।

mem'-o-ra-ble, *adj.* স্মৰণীয়, প্ৰসিদ্ধ।

out'-cry, *n.* চিঞৰ, কোলাহল।

out-do', *v.* চেৰ পেলোৱা, অতিক্ৰম কৰা।

out'-fit, *n.* আবশ্যকীয় বয়বস্তুৰ যোগান ; *v.* সজ্জিত হোৱা।

out-land'-ish, *adj.* বিদেশীয়, অপ্ৰচলিত।

out'-law, *n.* যি মানুহ আইনৰ আশ্ৰয়ৰ পৰা বঞ্চিত, দস্যু।

out'-lay, *n.* যি ধন কোনো কামত লগোৱা হয়, খৰচ, ভগন।

out'-line, *n.* কোনো চিত্ৰৰ বাহিৰৰ ৰেখা। পেঞ্চিল আদিৰে অঁকা ছবি বা নক্সা। কোনো বিষয়ৰ মোটামোটি বিৱৰণ ; *v.* চিত্ৰ বা বাক্যেৰ বিবৃত কৰা।

out'-look, *n.* দৃশ্য, ভবিষ্যত স্থবিধা।

out'-post, *n.* ছাউনীৰ বাহিৰৰ আড্ডা, মূলৰ পৰা দূৰৈত থকা থানা।

out'-rage, *n.* উপদ্ৰৱ, অত্যাচাৰ, বলাৎকাৰ ; *v.* অত্যাচাৰ কৰা, বলাৎকাৰ কৰা।

out-ra'-geous (*-jus*), *adj.* দুৰ্দ্দান্ত, অত্যাচাৰ পূৰ্ণ, অসহ্য।

out-right', *adv.* সম্পূৰ্ণৰূপে, তৎক্ষণাৎ।

out'-set, *n.* আৰম্ভ।

out'-skirts, *n.* দাঁতিৰ সীমা ; *pl.* চহৰৰ দাঁতি কাষৰীয়া ঠাই।

out-spo'-ken, *adj.* খোলা, হলহলীয়া।

out-stand'-ing, *adj.* বাকী পৰি থকা।

out-strip', *v.* অতিক্ৰম কৰি যোৱা, পিচ পেলোৱা।

out-weigh' (*-wā*), *v.* জোখত বেচি হোৱা।

o'-val, *adj.* ডিমাৰ নিচিনা, ডিমাৰ আকৃতিৰ।

o-va'-tion, *n.* বিজয়োৎসৱ, আগ্ৰহপূৰ্ণ অভ্যৰ্থনা।

ov'-en (*uv'-*), *n.* জুই ধৰা চৌকা।

o-ver-awe' (*-aw'*), *v.* ভয় দেখুৱাই শাসনত ৰখা বা দমন কৰা।

o-ver-bear'-ing, *adj.* অহঙ্কাৰী, উদ্ধত, প্ৰভুত্ব কৰিব খোজা।

o'-ver-board, *adv.* জাহাজৰ পৰা পানীত।

o-ver-cast', *adj.* মেঘেৰে ঢাকা ; *v.* ঢাকি ৰখা, ছাটি পেলোৱা, কাপোৰৰ দাঁতি চিলাই কৰা।

o-ver-come', *v.* পৰাস্ত কৰা, দমন কৰা।

o-ver-haul', *v.* ভাল দৰে পৰীক্ষা কৰা, পিচৰ পৰা গৈ (জাহাজ) লগ ধৰা ; *n.* সূক্ষ্ম পৰীক্ষা।

o-ver-look', *v.* অবহেলা কৰা, তুচ্ছ বুলি ভবা, ওখ ঠাইৰ পৰা চোৱা, দোষ আওকাণ কৰা।

o-ver-rate', *v.* প্ৰকৃত মূল্যতকৈও বেচি মূল্যৰ বুলি ভবা।

o-ver-reach', *v.* প্ৰতাৰণা কৰা, ঠগা।

o-ver-ride', *v.* ঘোঁৰাত উঠি যিমান যাব লাগে তাতোকৈ বেচি যোৱা, গচকা, অগ্ৰাহ্য কৰা।

o-ver-rule', *v.* শাসন কৰা, বিচাৰক অন্যথা কৰা, অগ্ৰাহ্য কৰা।

CC-0. In Public Domain. Gurukul Kangri Collection

Digitized by Arya Samaj Foundation Chennai and eGangotri

o-ver-run', *v.* আক্ৰমণ কৰি উপদ্ৰৱ কৰা, দৌৰত পৰাস্ত কৰা।

o-ver-see', *v.* পৰিদৰ্শন কৰা। o'-ver-se-er, *n.* পৰিদৰ্শক। o'-ver-sight, *n.* পৰিদৰ্শন, ভুল।

o'-vert, *adj.* খোলা, সকলোৱে চাব পৰা।

o-ver-take', *v.* লগপোৱা, পিচে পিচে গৈ লগ ধৰা।

o-ver-throw', *v.* ওভোতাই পেলোৱা, পৰাস্ত কৰা, ধ্বংস কৰা। o'-ver-throw, *n.* পৰাজয়, ধ্বংস।

o'-ver-ture, *n.* প্ৰস্তাৱ, সঙ্গীতৰ প্ৰস্তাৱনা।

o-ver-whelm' (*-hwelm'*), *v.* অভিভূত কৰা, বিহ্বল কৰা, পানীত ডুবোৱা।

owe (*ō*), *v.* ঋণী থকা, (ধাৰ) দিবলৈ বাধ্য থকা। ow'-ing, *adj.* দিবলগীয়া, দেয়। ow'-ing to, *prep.* নিমিত্তে।

owl, *n.* ফেঁচা।

own (*ōn*), *v.* নিজৰ বুলি কোৱা বা অধিকাৰ কৰা, স্বীকাৰ কৰা; *adj.* নিজৰ। own'-er, *n.* মালিক।

ox, *n.* (*pl.* ox'-en), ষাঁড়, দমৰা গৰু।

ox'-y-gen, *n.* অম্লজান বাষ্প।

oy'-ster, *n.* এবিধ শামুক।

o'-zone, *n.* এবিধ অম্লজান বাষ্প।

P

pace (*pās*), *n.* খোজ, গতি; *v.* খোজ কঢ়া, খোজ কাঢ়িবলৈ শিক্ষা দিয়া; তালে তালে ভৰি পেলোৱা।

pa-cif'-ic (*-sif'-*), *adj.* শান্তিজনক, জুৰ, মৃদু। pac'-i-fy (*pas'-*), *v.* শান্ত কৰা, জুৰোৱা।

pack, *n.* ডাঙৰ টোপোলা, বস্তা, এযোৰা (তাচৰ), দল (চিকাৰী কুকুৰ আদিৰ); *v.* টোপোলা বন্ধা, সকলো একেলগ কৰি বন্ধা, পূৰ্ণ কৰা, বোজাই কৰা, আতৰাই পঠোৱা, মানুহ গোট খুওৱা; দল বন্ধা। pack off, বেগেৰে গুচি যোৱা। pack'-age, *n.* টালি টোপোলা বন্ধা খৰচ। pack'-et, *n.* সৰু টোপোলা, সৰু ডাক-জাহাজ।

pact, *n.* চুক্তি।

pad, *n.* কোমল গাদি, ঘোঁৰাৰ জিন, লিখি পাত চিৰি আনিব পৰা বহী, জন্তুৰ ভৰিৰ কোমল তলফাল; *v.* কোমল বস্তুৰে পূৰোৱা, অনাবশ্যক কথাৰে পূৰ কৰা (কিতাপ, বাতৰি কাকত আদি)। pad'-ding, *n.* জিনত ভৰোৱা কোমল বস্তু, পুথি আদিৰ কলেবৰ বঢ়োৱা বাজে কথা।

pad'-dle, *v.* পানীত হাতভৰি আছৰা, ব'ঠা বোৱা; *n.* বঠা, ব'ঠাৰ ছটা, জাহাজ চলোৱা চকা।

pad'-dock, *n.* বেঙ, ভেকুলি, বেঢ়ি ৰখা গৰু ম'হ আদি চৰা পথাৰ।

pad'-dy, *n.* ধান।

pad'-lock, *n.* বাঁওলি নঁচাৰ।

pa'-gan, *n.* পৌত্তলিক, মূৰ্ত্তি আদি পূজোঁতা। pa'-gan-ism, *n.*

page, *n.* ডাঙৰ মানুহৰ লৰা লগুৱা, কিতাপৰ পৃষ্ঠা; *pl.* ৰচনা, গ্ৰন্থ; *v.* পৃষ্ঠা দিয়া।

pag'-eant (*păj'-ănt* or *pā'-jănt*), *n.* আড়ম্বৰপূৰ্ণ দৃশ্য, জাঁকজমক, সমাৰোহ। pag'-eant-ry, *n.* আড়ম্বৰ বা সমাৰোহ প্ৰদৰ্শন।

pa-go'-da (*-dă*), *n.* হিন্দু আৰু বৌদ্ধ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সকলৰ দেৱতাৰ মন্দিৰ, ছয় টকা মূল্যৰ এবিধ পুৰণি সোণৰ মুদ্ৰা, কল্পতৰু।

pail, *n.* কৈৰা, পাত্ৰবিশেষ।

pain, *n.* শাৰীৰিক বা মানসিক কষ্ট, বেদনা; *pl.* প্ৰসৱৰ বেদনা, শ্ৰম, যত্ন; *v.* কষ্ট দিয়া, যাতনা দিয়া, দুখ দিয়া। pain′-ful, *adj.* কষ্টজনক।

paint, *n.* ৰং; *v.* ৰং দিয়া, বোল বা গাব দিয়া, বৰ্ণনা কৰা, চিত্ৰিত কৰা। paint′-ing, *n.* ভালদৰে ৰং দিয়া ছবি, চিত্ৰ, চিত্ৰবিদ্যা। paint′-er, *n.* চিত্ৰকৰ।

pair, *n.* যোৰ, যুগল, দম্পতী; *v.* তিৰী মুনিহ লগ হোৱা, যোৰ বন্ধা।

pal′-ace (*-as*), *n.* ৰাজঘৰ, অট্টালিকা। pa-la′-tial (*-shal*), *adj.* অট্টালিকাৰ নিচিনা, জাঁকজমকাল।

pal-an-quin′ *or* **keen′** (*-kēn′*), *n.* পাল্কী।

pal′-ate (*-at*), *n.* মুখৰ তালু, সোৱাদ। pal′-a-ta-ble, *adj.* সোৱাদ লগা।

pa-la′-ver (*-lâ-*), *n.* কথাবতৰা, দীঘলীয়া পৰামৰ্শ, খোছামোদ; *v.* পৰামৰ্শ কৰা, কথাবতৰা পতা, খোছামোদ কৰা।

pale, *adj.* শেঁতা, বিবৰ্ণ; *v.* শেঁতা পৰা, বিবৰ্ণ হোৱা; *n.* খুটি, শূল, সীমা, বেৰা।

pal′-ette, *n.* চিত্ৰকৰৰ ৰং সানামিহলি কৰা পাত্ৰ, তৃণৰ শয্যা।

pal′-frey (*-fri*), *n.* তিৰোতা উঠা সৰু ঘোঁৰা।

pal-i-sade′, *n.* কাঠৰ গড়; *v.* কাঠেৰে গড় মৰা।

pall (*päl*), *n.* শৱ ঢকা কলা কাপোৰ, চন্দ্ৰাতপ; *v.* কলা কাপোৰেৰে ঢকা, বল, উৎসাহ আদি হেৰোৱা, নিস্তেজ হোৱা।

pal′-li-ate, *v.* দোষ ঢাকা, দোষ লঘু কৰা, হ্ৰাস কৰা, উপশম কৰা। pal-li-a′-tion, *n.* দোষ ঢাকা কাৰ্য্য, দোষ লঘুকৰণ, উপশান্তি। pal′-li-a-tive, *adj.* & *n.* যিহে দোষ লঘু কৰে।

pal′-lid, *adj.* মলিন, শেঁতা, ঢেলঢেলীয়া। pal′-lor, *n.* মলিনতা, বিবৰ্ণতা।

palm (*päm*), *n.* তাল জাতিৰ গছ, তালগছৰ শাখাৰূপ বিজয়ৰ চিহ্ন, জয়, হাতৰ তলুৱা; *v.* হাতৰ কৌশলেৰে সম্পাদন কৰা; (*with* off), হাতৰ মুঠিতে লুকোৱা, চতুৰালিৰে ঠগা। palm′-y, *adj.* উন্নতি বা শ্ৰীবৃদ্ধি পূৰ্ণ।

pal′-mis-try, *n.* সামুদ্ৰিক বিদ্যা, হাতত থকা চিন চাই মানুহৰ ভবিষ্যতৰ শুভাশুভ কব পৰা বিদ্যা। pal′-mist, *n.* সামুদ্ৰিক বিদ্যা জনা লোক।

pal′-pa-ble (*-bl*), *adj.* স্পষ্ট, ফটফটীয়া, প্ৰত্যক্ষ।

pal′-pi-tate, *v.* কঁপা, ধপ্ ধপ্ কৰা। pal-pi-ta′-tion, *n.* কম্পন ধপ্‌ধপনি।

pal′-sy, *n.* পক্ষাঘাত বেমাৰ; *v.* অঙ্গ অচল কৰা।

pal′-try, *adj.* ক্ষুদ্ৰ, সামান্য, তুচ্ছ।

pam′-per, *v.* অতিৰিক্ত ভোজন কৰা, ঠাঁহি খোৱা, অতিকৈ আসক্ত হোৱা।

pam′-phlet (*-flet*), *n.* সৰু কিতাপ।

pan, *n.* লো, টিন আদিৰ পাত্ৰ।

pan-a-ce′-a (*-sē′-*), *n.* সকলো ৰোগ নাশক ঔষধ।

pan-de-mo′-ni-um, *n.* ভূত পিশাচৰ সভা, হাইউৰুমিৰে কথা চলে য'ত তেনে মেল, ভীষণ হাইউৰুমি।

pan′-der, *n.* যোনে কুকাৰ্য্যত সহায়তা কৰে বা উৎসাহ দিয়ে; *v.* পাপকাৰ্য্যত সহায়তা কৰা, ইন্দ্ৰিয় সুখ সাধনত সহায়তা কৰা।

pane, *n.* দুৱাৰ বা খিৰিকিত লগোৱা

CC-0. In Public Domain. Gurukul Kangri Collection

Digitized by Arya Samaj Foundation Chennai and eGangotri

লগোৱা আয়নাৰ ছটা, দুৱাৰ বা খিৰিকিৰ তেনে ভাগ।

pan-e-gyr'-ic (*-jir'-*), *n.* প্ৰশংসা-বচন, গুণকীৰ্ত্তন। pan-e-gyr'-ic (-al), *adj.*

pan'-el, *n.* দুৱাৰ, খিৰিকি আদিৰ খোটালি, কাপোৰৰ দাঁতিৰ কাৰুকাৰ্য্য, চিত্ৰকৰৰ চিত্ৰ অঁকা কাঠৰ ছটা, 'জুৰি'-সকলৰ তালিকা ; *v.* দুৱাৰ, খিৰিকি আদিত খোটালি কটা।

pang, *n.* আকস্মিক তীব্ৰ বেদনা বা দুখ, মৰ্ম্মান্তিক শোক বা দুখ।

pan'-ic, *n.* আকস্মিক ভয়, মনৰ বৃথা আতঙ্ক।

pan'-o-ply, *n.* সৈন্যৰ কবচ, ঢাল, কবচ আদি পূৰ্ণ যুদ্ধৰ সাজ।

pan-o-ra'-ma (*-râ'-*), *n.* যি চিত্ৰপটত দৃশ্যসমূহ দৰ্শকৰ আগত ক্ৰমে দেখুৱা হয়, এঠাইৰ পৰা দেখিবলৈ পোৱা সকলো ফালৰ সম্পূৰ্ণ দৃশ্য।

pant, *v.* কোঁপোৱা, কষ্টেৰে ছুট উশাহ লোৱা, পাবলৈ বৰ ইচ্ছা কৰা ; *n.* কোঁপনি। pants, *n. pl.* পেটলুং।

pan-ta-loon', *n.* বহুৱা, ভাওৰীয়া ; in *pl.* পাইজামা।

pan'-the-ism, *n.* বিশ্বই ব্ৰহ্ম এই ধৰ্ম্মমত, অদ্বৈতবাদ। pan'-the-ist, *n.* অদ্বৈতবাদী।

pan'-ther, *n.* নতামাকৰী বাঘ।

pan'-to-mime, *n.* নিমাত বহুৱা, নিমাত ভাও। pan-to-mim'-ic, *adj.*

pan'-try, *n.* খোৱা বস্তুৰ ভঁৰাল।

pa'-pa-cy, *n.* পোপৰ পদবী। pa'-pal, *adj.* পোপ সম্বন্ধীয়।

par, *n.* সমান মূল্য, দামৰ সমতা।

par'-a-ble, *n.* উপদেশ থকা সাধু কথা বা গল্প, নীতিকথা।

par'-a-chute (*-shoot*), *n.* ব্যোমজানৰ পৰা নামা এবিধ ছাতা।

pa-rade', *n.* শ্ৰেণীবদ্ধ সৈন্যৰ যুদ্ধৰ কৌশল প্ৰদৰ্শন, লোকক দেখুৱাবলৈ ধুমধামকৈ কৰা কাৰ্য্য ; *v.* দলবান্ধি ধুমধামকৈ ফুৰা, লোকক দেখুৱা।

par'-a-dise, *n.* স্বৰ্গ, বাইবেলৰ ইডেন উদ্যান, অনবাৰতী, অতি সুখৰ ঠাই।

par'-a-dox, *n.* শুনাত অসম্ভৱ অথচ আচলতে সঁচা, এনে কথা বা মত। par-a-dox'-i-cal, *adj.*

par'-af-fin, *n.* আলকাতৰা, কেৰাচিন তেল আৰু কাঠ আদিৰ পৰা উলিওৱা এবিধ মোম, মাটীয়া তেল।

par'-a-gon, *n.* আদৰ্শ, আৰ্হি।

par'-a-graph (*-graf*), *n.* কোনো প্ৰবন্ধৰ একোটা একোটা অংশ, অনুচ্ছেদ।

par'-al-lel, *adj.* সমান্তৰাল, সদৃশ, তুল্য ; *n.* সমান্তৰাল ৰেখা, তুলনা, সাদৃশ্য ; *v.* সদৃশ হোৱা, একে মূল্যৰ হোৱা। par'-al-lel-ism, *n.* তুলনা, সাদৃশ্য। par-al-lel'-o-gram, *n.* সমান্তৰাল ক্ষেত্ৰ।

pa-ral'-y-sis, *n.* পক্ষাঘাত বেমাৰ, অবশাঙ্গ ৰোগ। par'-a-lyse (*-lis*), *v.* অবশাঙ্গ কৰা, বিকল কৰা। par-a-lyt'-ic (*-lit'-*), *adj.* : *n.* পক্ষাঘাত ৰোগগ্ৰস্ত।

par'-a-mount, *adj.* প্ৰধান, আটাইতকৈ শ্ৰেষ্ঠ।

par'-a-pet, *n.* বুকু সমান ওখ দেৱাল বা প্ৰাচীৰ।

par-a-pher-na'-li-a (*-fer-*), *n. pl.* নতুনকৈ বিয়া দিয়া গাভৰুৰ পোছাক, অলঙ্কাৰময় বস্তু আদি।

par'-a-phrase (*-frāz*), *v.* আন শব্দত অৰ্থ প্ৰকাশ কৰা বা বিবৃত কৰা ; *n.*

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

par'-a-site, *n.* আন গছৰ ওপৰত হোৱা গছ বা লতা, যোনে আনৰ অন্নেৰে প্ৰতিপালিত হয়, খোছামোদ কৰি চলোঁতা।

par-a-sol', *n.* তিৰোতাৰ সৰু ছাতা।

par'-cel (*-sl*), *n.* অংশ বা খণ্ড, পাৰ্ছেল ; *v.* অংশ বা ভাগ কৰি দিয়া।

parch, *v.* ভাজা, জুইৰ তাপত শুকান কৰা, শুকান হোৱা।

parch'-ment, *n.* লিখিবলৈ তৈয়াৰ কৰা ছাগলি বা ভেৰাৰ ছালৰ কাগজ।

par'-don, *v.* ক্ষমা কৰা ; *n.* ক্ষমা, অনুমতি। par'-don-a-ble, *adj.* ক্ষমা কৰিব পৰা।

pare, *v.* কটা, চোকোলা তোলা।

par'-ent, *n.* পিতা বা মাতা, আই বা বোপাই। pa-rent'-al, *adj.* পিতৃ-মাতৃ সম্বন্ধীয়, চেনেহুৱা, মৰমিয়াল। par'-ent-age, *n.* জন্ম, বংশ।

pa-ren'-the-sis, *n.* (*pl.* pa-ren'-the-ses), বন্ধনীৰ ভিতৰত ৰখা বাজে শব্দ, বাক্য বা ব্যাখ্যা, চন্দ্ৰবন্ধনী।

par'-ish, *n.* এজন পুৰোহিতৰ তলত থকা ঠাই, স্থানীয় স্বায়ত্বশাসন থকা জিলা (ইংলণ্ডৰ)। pa-rish'-ion-er (*-un-*), *n.* উক্ত জিলাৰ অধিবাসী, যজমান।

park, *n.* আমোদ-উদ্যান, উপবন।

par'-ley (*-li*), *n.* কথোপকথন, শত্ৰুৰ সৈতে সন্ধিৰ কথাবাৰ্ত্তা ; *v.* সন্ধিৰ কথা কোৱা মেলা কৰা। par'-lance, *n.* কথা, কথাবতৰা।

par'-lia-ment (*-lĭ-*), *n.* ইংলণ্ডৰ প্ৰধান ব্যবস্থাপক সভা। par-lia-ment'-a-ry (*-rĭ*), *adj.*

par'-lour (*-lŭr*), *n.* বৈঠকখানা।

pa-ro'-chi-al (*-ki-*), *adj.* পুৰোহিতৰ এলাকাত থকা গাঁও সম্বন্ধীয়, সঙ্কীৰ্ণ, ঠেক।

par'-o-dy (*-dĭ*), *n.* হাস্যৰসৰ অৱতাৰণা কৰিবলৈ কৰা অনুকৰণ।

pa-role' (*pă-rōl'*), *n.* (F) বন্দীৰ মৌখিক অঙ্গীকাৰ।

par'-ox-ysm (*-ism*), *n.* ৰোগৰ বা যন্ত্ৰণাৰ প্ৰবল আক্ৰমণ, আবেগ, মূৰ্চ্ছা।

par'-ri-cide (*-sīd*), *n.* পিতৃ বা মাতৃ হন্তা ; পিতৃ বা মাতৃ হত্যা।

par'-rot, *n.* ভাটৌ।

par'-ry, *v.* নিবাৰণ কৰা, এৰোৱা।

par'-si-mo-ny, *n.* কৃপণতা, চিকতালি, অতিশয় মিতব্যয়িতা। par-si-mo'-ni-ous, *adj.* কৃপণ, চিকতা, হাত-টান।

pars'-ley, *n.* এবিধ উগ্ৰগন্ধি শাক।

par'-son, *n.* পুৰোহিত, যাজক। par'-son-age, *n.* যাজকৰ থকা ঘৰ।

part, *n.* অংশ, ভাগ, কোনো বস্তুৰ এক খণ্ড, অভিনেতাৰ ভাও ; in *pl.* অংশ সমূহ, বুদ্ধি, গুণ ; *v.* ভাগ কৰা, অংশ কৰা, বেলেগ কৰা, আতৰ কৰা।

par-take', *v.* অংশ লোৱা, আনৰ সৈতে ভোগ কৰা। par-ta'-ker, *n.* অংশ লওঁতা।

par'-tial (*-shal*), *adj.* আংশিক, পক্ষপাতী। par-ti-al'-i-ty (*-shĭ-*), *n.* পক্ষপাতিত্ব, এফলীয়া টান।

par-tic'-i-pate (*-tis'-*), *v.* অংশ লোৱা, ভাগী হোৱা। par-tic-i-pa'-tion, *n.*

par'-ti-cle (*-kl*), *n.* কণিকা, অতি সৰু অংশ, অণু, বিন্দু।

par-tic'-u-lar, *adj.* বিশেষ, নিৰ্দ্দিষ্ট, সতৰ্ক, ঘনিষ্ঠ, ঠিক। par-tic'-u-lar-ize, *v.* বিশেষভাৱে কোৱা।

par'-ti-san (*-zan*), *n.* কোনো দলৰ মানুহ, পক্ষ লোৱা মানুহ ; *adj.* দীঘল নল থকা এবিধ বল্লম।

CC-0. In Public Domain. Gurukul Kangri Collection

Digitized by Arya Samaj Foundation Chennai and eGangotri

par-ti'-tion, *n.* বিভাগ, যি বেৰ বা পৰ্দ্দাই বিভাগ কৰে; *v.* ভাগ কৰা, বিভাগ কৰা।

part'-ner, *n.* অংশীদাৰ, ভাগী। part'-ner-ship, *n.* অংশীদাৰী।

part'-ridge (*-rij*), *n.* এ জাতৰ বনৰীয়া কুকুৰা, চৰাই।

par'-ty, *n.* দল, মোকৰ্দ্দমাৰ বাদী বা প্রতিবাদী পক্ষ, ভোজত একেলগ হোৱা মানুহৰ জুম; *adj.* দলাদলিৰ ভাবযুক্ত।

par'-ve-nu (*-vŭh-nü*), *n.* (F.) ন চহকী, নতুন ডাঙৰ মানুহ।

pass, *v.* যোৱা, অতিক্রম কৰা; (*with* away), অন্তৰ্ধান হোৱা, মৰা; ঘটা, গত হোৱা, উত্তীর্ণ হোৱা, গৃহীত হোৱা, অতিবাহিত কৰা, হস্তান্তৰ কৰা, অগ্রাহ্য কৰা, আইনত পৰিণত হোৱা, সহ্য কৰা, ত্যাগ কৰা, মঞ্জুৰ কৰা; *n.* ঠেক বাট, গিৰি সঙ্কট, অনুমতি পত্র, অৱস্থা, (পৰীক্ষাত) কৃতকাৰ্য্যতা। pass'-a-ble (*-bl*), *adj.* অতিক্রম কৰিব পৰা, অহা-যোৱা কৰিব পৰা, মধ্যম ৰকমৰ। pass'-age (*-āj*), *n.* গমন, যাত্রা, জাহাজাদিৰ ভাড়া, ৰাস্তা বা বাট, ওলোৱা সোমোৱা বাট, সোমোৱা ওলোৱাৰ অধিকাৰ, ঘটনা, কিতাপৰ লিখিত কোনো অংশ, অস্ত্রৰ খেলা। pass'-ing, *n.* গমন; *adv.* অত্যন্ত।

pass'-en-ger (*jer*), *n.* যাত্রী, আৰোহী।

pas'-sion (*pash'-un*), *n.* অত্যন্ত যন্ত্রণা-ভোগ, কাম ক্রোধ আদিৰ প্রবল আবেগ, অনুৰাগ, আসক্তি। pas'-sion-ate, *adj.* আবেগপূৰ্ণ, অনুৰক্ত, আসক্ত, খঙাল।

pass'-ive (*-iv*), *adj.* সহনশীল, উদাসীন, কামত নিৰুৎসাহ।

pass'-o-ver, *n.* ইহুদী সকলৰ এটা বাৰ্ষিক পৰ্ব্ব।

pass'-port, *n.* বিদেশত ফুৰিবলৈ অনুমতি পত্র।

paste (*pāst*), *n.* ময়দা আৰু পানীৰে তৈয়াৰী এঠা; *v.* এঠা দি যোৰা লগোৱা। paste'-board, *n.* কাঠবাকলা।

pas'-tel, *n.* ৰঙীন খড়িমাটি।

pas'-teur-ism (*-tuhr-izm*), *n.* ফৰাচী বৈজ্ঞানিক প্যাষ্টিৰে উলিওৱা জলাতঙ্কাদি ৰোগৰ প্রতিষেধক টীকা। pas'-teur-ize, *v.*

pas'-time, *n.* খেলা, আমোদ-প্রমোদ।

pas'-tor, *n.* (আগেয়ে) ভেৰা ৰখীয়া, (এতিয়া) পুৰোহিত, যাজক। pas'-tor-al, *adj.* ৰখীয়া সম্বন্ধীয়, গাঁৱলীয়া, পুৰোহিত সম্বন্ধীয়; *n.* গাঁৱলীয়া জীবনৰ সঙ্গীত, গোষ্ঠগীত। pas'-to-rate, *n.* ধৰ্ম্মযাজকৰ পদ বা এলাকা, যাজক সম্প্রদায়।

pas'-try (*pās'-*), *n.* পিঠা আদি, লুচি কচুৰি মালপোৱা আদি।

pas'-ture (*pās'-chūr*), *n.* গো ঘাঁহ, গৰু ম'হ আদি চৰিবলৈ ৰখা ঘাঁহনি পথাৰ; *v.* চৰোৱা, চৰা। pas'-tur-age, *n.* গৰু ম'হ চৰা পথাৰ।

pat, *v.* থপৰিওৱা, হাতৰ তলুৱাৰ আগ-ভাগেৰে লাহে লাহে চপৰিওৱা; *n.* & *adj.* উপযুক্ত, ঠিক।

patch (*pach*), *v.* তাপলি মৰা; *n.* তাপলি, সৰু খণ্ড (মাটি আদিৰ)। patch'-y, *adj.*

pa'-tent, *adj.* সকলোৱে জনাশুনা, স্পষ্ট, খোলা, গবৰ্ণমেণ্টে দিয়া একচেটিয়া অধিকাৰ থকা; *n.* আবিষ্কৃত বস্তু তৈয়াৰ কৰা আৰু বেচা বিষয়ত আবিষ্কৰ্ত্তাক গবৰ্ণমেণ্টে দিয়া

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

একচেটিয়া অধিকাৰ-পত্ৰ ; *v.* বিশেষ অধিকাৰ পত্ৰ দিয়া বা পোৱা। pa-ten-tee', *n.* বিশেষ অধিকাৰ পত্ৰ পাওঁতা লোক।

pa-ter'-nal, *adj.* পৈতৃক।

pa'-thos, *n.* কাৰুণ্য, করুণৰস। pa-thet'-ic, *adj.* মৰ্ম্মভেদী, কাৰুণিক, দয়াৰ উদ্রেককাৰী।

pa'-tient (*-shent*), *adj.* সহিষ্ণু, ধীৰ, ক্ষমাশীল ; *n.* চিকিৎসাধীন ৰোগী। pa'-tience, *n.* ধৈৰ্য্য, সহিষ্ণুতা, ক্ষমা।

pa'-tri-arch (*-ark*), *n.* গোত্ৰৰ প্ৰধান জন, বৰ বুঢ়া মানুহ, উচ্চপদবীৰ যাজক। pa-tri-arch'-al, *adj.*

pa-tri'-cian (*-trish'-un*), *n.* সম্ভ্ৰান্ত লোক ; *adj.*

pat'-ri-mon-y, *n.* পৈত্ৰিক সম্পত্তি বা ধন। pat-ri-mo'-ni-al, *adj.*

pa'-tri-ot (*pā'-* or *pat'-*), *n.* স্বদেশ-হিতৈষী, স্বদেশানুৰাগী। pa-tri-ot'-ic, *adj.* pa'-tri-o-tism, *n.* স্বদেশানুৰাগ।

pa-trol', *v.* ছাউনী বা নগৰআদিৰ ইকালে সিফালে ঘূৰি পকি পহৰা দিয়া ; *n.* পহৰা দিয়া কাৰ্য্য, চৌকিদাৰ।

pa'-tron, *n.* উৎসাহদাতা, পৃষ্ঠপোষক, শুভাকাঙ্ক্ষী, প্ৰতিপালক, যাজক পদত নিযুক্তকাৰী। pat'-ron-ize, *v.* পৃষ্ঠ-পোষকতা কৰা, উৎসাহ দিয়া, আশ্ৰয় দিয়া। pat'-ron-age, *n.* আশ্ৰয়, পৃষ্ঠপোষকতা।

pat'-ter, *v.* চুটি খোজেৰে বেগাই যোৱা, খট্ খট্ শব্দ কৰি যোৱা, খৰখৰকৈ কথা কোৱা।

pat'-tern, *n.* আদৰ্শ, চানেকি, নমুনা।

pau'-ci-ty (*-si-*), *n.* ন্যূনতা, অল্পতা।

pau'-per, *n.* নিচেই দুখীয়া মানুহ, অনাথ। pau'-per-ism, *n.* দৰিদ্ৰতা।

pause (*pauz*), *n.* বিৰাম, অল্প সময়ৰ বাবে থমা, থামা চিন ; *v.* মাজত থামা বা ৰোৱা, অলপ সময়লৈ জিৰণি লোৱা।

pave, *v.* শিল আদিৰে পকা কৰা, সুগম, সহজ বা নিৰাপদ কৰা। pave'-ment, *n.* শিল আদিৰে বন্ধোৱা বাট বা ঘৰৰ মজিয়া। pa'-ver, pa'-vi-er, pa'-vi-or, *or* pa'-vi-our (*-vi-ĕr*), *n.* যোনে পকা বাট আদি নিৰ্ম্মাণ কৰে।

pa-vil'-ion, *n.* ডাঙৰ তম্বু।

paw, *n.* হাঁতোৰা।

pawn, *n.* জামিন, বন্ধক ; *v.* জামিন বা বন্ধক দিয়া। pawn'-broker, *n.* বন্ধকলৈ টকা দিওঁতা।

pay, *v.* দিয়া, ধাৰ শুজা, *n.* দৰ্ম্মহা। pay'-a-ble, *adj.* আদায় কৰিব লগীয়া।

pea (*pē*), *n.* মটৰ।

peace (*pēs*), *n.* শান্তি, সন্ধি, মিল। peace'-ful, *adj.* শান্তিপূৰ্ণ। peace'-a-ble, *adj.* শান্ত প্ৰকৃতিৰ।

peach, *n.* এবিধ গুটি থকা ফল, আৰু গছ।

pea'-cock, *n.* ম'ৰা চৰাই।

peak, *n.* শিখৰ, টিং।

peal, *n.* ঢেৰেকনিৰ নিচিনা শব্দ।

pear, *n.* নাচপতি ফল।

pearl (*pĕrl*), *n.* মুকুতা, ছপাৰ অতি সৰু আখৰ।

peas'-ant (*pez'-*), *n.* খেতিয়ক, চহা মানুহ। peas'-ant-ry (*-ri*), *n.* খেতিয়ক চহা মানুহবোৰ।

peat, *n.* গছ গছনি ৰূপান্তৰিত হৈ তৈয়াৰ হোৱা এবিধ বস্তু, ই খৰিৰ দৰে ব্যৱহাৰ হয়।

peb'-ble (*-bl*), *n.* শিলগুটি।

peck, *n.* খুটিওৱা।

pe-cu'-li-ar (*-li*), *adj.* বিশেষ, নিজা,

CC-0. In Public Domain. Gurukul Kangri Collection

Digitized by Arya Samaj Foundation Chennai and eGangotri

অসাধৰণ, নতুন ধৰণৰ। pec-u-li-ar'-i-ty, *n.* বিশেষত্ব।

pe-cu'-ni-a-ry (*-ni-a-ri*), *adj.* আৰ্থিক, ধন-সম্বন্ধীয়।

ped'-al, *n.* ঢেঁকি, যন্ত্ৰৰ অংশ বিশেষ।

ped'-ant, *n.* বিদ্যাভিমানী লোক। pe-dan'-tic (-al), *adj.* ped'-ant-ry, *n.* বিদ্যাভিমানী লোকৰ স্বভাৱ বা চৰিত্ৰ।

ped'-dle, *v.* খুচুৰাকৈ বস্তু বেচি ফুৰা। ped'-lar, *n.* যোনে বস্তু খুচুৰাকৈ বেচি ফুৰে।

ped'-es-tal, *n.* স্তম্ভ বা মূৰ্ত্তিৰ তল-ভাগ।

pe-des'-tri-an, *n.* খোজ কাঢ়ি যাওঁতা, খোজ কাঢ়ি যোৱাত নিপুণ লোক।

ped'-i-gree, *n.* বংশাবলী, বংশৰ বিৱৰণ, জন্ম, বংশ।

peel, *v.* ছেলোৱা, বাকলি পেলোৱা; *n.* বাকলি, ছাল, দুৰ্গ।

peep, *v.* ভুমুকি মৰা; *n.* ভুমুকি।

peer, *n.* সমান পদৰ লোক, সমকক্ষ, সম্ভ্ৰান্ত বা সম্ভ্ৰান্ত বংশৰ লোক; *v.* খুকুৰিয়াই চোৱা। peer'-age, *n.* ইংলণ্ডৰ সম্ভ্ৰান্ত বংশৰ লোকসকল; সম্ভ্ৰান্ত বংশৰ মানুহৰ পদৱী। peer'-less, *adj.* অতুলনীয়, অনুপম।

pee'-vish, *adj.* খিঙিখঙীয়া, খিট্‌খিটীয়া, খঙাল।

peg, *n.* খুটি, গোজ।

pe'-koe, *n.* এবিধ ভাল গোন্ধ থকা চাহ।

pelf, *n.* অসৎ উপায়েৰে অৰ্জ্জা ধন।

pel'-let, *n.* সৰু গুলি।

pell—mell, *adv.* বিশৃঙ্খল।

pel-lu'-cid, *adj.* নিৰ্ম্মল, ফটফটীয়া, সহজে বুজিব পৰা।

pelt, *n.* কেঁচা নোম থকা ছাল; *v.* (শিলগুটি আদি) দলিওৱা, বেচিকৈ পৰা (যেনে বৰষুণ), কদমত খোজ কঢ়া।

pen, *n.* কলম, খোৱাৰ বা যি ঠাইত আবদ্ধ কৰি ৰাখে; *v.* লিখা, ৰচনা কৰা, খোৱাৰত আটক কৰা। pen'-man-ship, *n.* লিপাৰ কৌশল।

pe'-nal, *adj.* দণ্ডসম্বন্ধীয়, ফৌজদাৰী। pen'-al-ty (*-ti*), *n.* দণ্ড, শাস্তি।

pen'-ance, *n.* পৰাচিত, তপস্যা, অনুতাপ।

pen'-cil (*-sil*), *n.* 'পেঞ্চিল', কিৰণ বা পোহৰৰ ৰেখা, পেঞ্চিলেৰে অঁকা বা লিখা।

pen'-dant, *n.* যি ওলমি থাকে—(কুণ্ডল, ধুকুধুকি আদি)। pen'-dent, *adj.* ওলমি থকা, বাহিৰ ওলাই থকা। pend'-ing, *adj.* অমীমাংসিত, বিচাৰাধীন, একো থিৰ নোহোৱা।

pen'-du-lum, *n.* ওলোম, যি ওলোমি থাকে।

pen'-e-trate, *v.* ভেদ কৰা, বিবিঙা, অৰ্থ ধৰিব পৰা বা বুজা। pen'-e-tra-ble, *adj.* ভেদ কৰিব পৰা। pen-e-tra'-tion, *n.* ভেদ কৰা কাৰ্য্য, সূক্ষ্ম বুদ্ধি। pen'-e-tra-tive, *adj.* তীক্ষ্ণ, চোকা।

pe-nin'-su-la, *n.* উপদ্বীপ। pe-nin'-su-lar, *adj.*

pen'-i-tent (*-i-*), *adj.* পাপ কাৰ্য্য কৰাৰ বাবে অনুতাপী। pen'-i-tence, *n.* অনুতাপ। pen-i-ten'-tial, *adj.* অনুতপ্ত। pen-i-ten'-tia-ry (*-shă-ri*), *n.* কাৰাগাৰ।

pen'-nant *or* **pen'-non,** *n.* সৰু নিচান।

pen'-ny *n.* (*pl.* pen'-nies *or* pence), ইংলণ্ডৰ এবিধ মুদ্ৰা। pen'-ni-less, *adj.* ধনহীন, কুটা কড়ি এটাও নথকা।

pen'-sion (*-shun*), *n.* 'পেনচন'; *v.* 'পেনচন' দিয়া।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

pen'-sive (*-siv*), *adj.* বিমৰ্ষ, আমনজিমন, চিন্তা-গধুৰ।

pen'-ta-gon, *n.* পাঁচটা ভুজ থকা ক্ষেত্ৰ।

pen'-u-ry (*-ri*), *n.* দৰিদ্ৰতা, অভাব। pen-u'-ri-ous, *adj.* কৃপণ, চিকতা।

peo'-ple (*pē'-pl*), *n.* মানুহ, লোক, জনসাধাৰণ, জাতি ; *v.* মানুহেৰে বাস কৰোৱা, মানুহেৰে পূৰ্ণ কৰা।

pep'-per, *n.* জলকীয়া।

per-am'-bu-late, *v.* ভ্ৰমণ কৰা, ঠাই চাবলৈ ফুৰা। per-am'-bu-la-tor, *n.* চলিব হাতগাড়ী।

per-ceive' (*-sēv'*), *v.* বুজা, গমপোৱা, জনা, অনুভব কৰা। per-cep'-tion (*-sep'-*), *n.* অনুভব বা অনুভব শক্তি, জ্ঞান, উপলব্ধি। per-cept'-i-ble, *adj.* বুজিব পৰা, বোধগম্য।

perch, *n.* চৰাইৰ ডাল, উচ্চ অবস্থান, ৫½ গজৰ পৰিমাণ, নৈ বা পুখুৰীৰ এবিধ মাছ ; *v.* ডালত বহা।

per-cip'-i-ent, *adj.* অনুভব শক্তিযুক্ত।

per'-co-late, *v.* ছেক। অলপ অলপকৈ জৰি পৰা। per-co-la'-tion, *n.*

per-cus'-sion (*-kush'-un*), *n.* পৰস্পৰ আঘাত বা ঠেকাঠেকি।

per-di'-tion, *n.* ধ্বংস, বিনাশ।

per'-e-gri-nate, *v.* দেশবিদেশত পৰ্য্যটন কৰা বা ফুৰা।

per'-em'p-to-ry, *adj.* অবশ্যে পালন কৰিব লগীয়া, নিশ্চিত, অলৰ।

per-en'-ni-al (*-ni-*), *adj.* বছৰ জুৰি স্থায়ী, নিত্য, চিৰস্থায়ী ; *n.* যি উদ্ভিদে বছৰে বছৰে ফল ফুল ধৰে।

per'-fect, *adj.* সম্পূৰ্ণ, দোষশূন্য, নিখুঁত। per-fec'-tion, *n.* সম্পূৰ্ণতা, দোষশূন্যতা।

per'-fid-y (*-i*), *n.* বিশ্বাসঘাতকতা, প্ৰবঞ্চনা, শঠতা। per-fid'-i-ous, *adj.* বিশ্বাসঘাতী, শঠতাপূৰ্ণ।

per'-fo-rate, *v.* বিন্ধা দিয়া, ছিদ্ৰ কৰা; *adj.* বিন্ধাযুক্ত। per-fo-ra'-tion, *n.*

per-force', *adv.* বলেৰে, জোৰেৰে।

per-form', *v.* কৰা, সম্পাদন কৰা, সম্পন্ন কৰা। per-form'-ance, *n.* সম্পাদন, ভাওনা। per-form'-er, *n.* কাৰ্য্য কৰোঁতা, ভাৱৰীয়া।

per'-fume, *n.* সুগন্ধ, সুঘ্ৰাণ, সুগন্ধি বস্তু। per-fume', *v.* সুগন্ধি কৰা।

per-func'-to-ry (*-tŏ-ri*), *adj.* আওহেলা কৰি কৰা, মন নিদি অযত্নেৰে কৰা।

per'-il, *n.* বিপদ, সঙ্কট ; *v.* বিপদত পেলোৱা। per'-il-ous, *adj.* বিপদপূৰ্ণ।

pe'-ri-od (*-ri-*), *n.* সময়ৰ কোনো ভাগ, যুগ, সীমা, পূৰ্ণ বাক্য, ছেদ, অন্ত, শেষ। pe-ri-od'-ic (-al), *adj.* সাময়িক, নিয়মিত সময় মতে ঘটা। pe-ri-od'-ic-al, *n.* সাময়িক, বাতৰি কাকত।

per'-ish, *v.* ধ্বংস হোৱা, ক্ষয় পোৱা, নষ্ট হোৱা, মৰা। per'-ish-a-ble, *adj.* নশ্বৰ, ধ্বংসশীল। per'-ish-a-bles, *n. pl.*

per'-jure (*-jŭr*), *v.* মিছা সাক্ষী কোৱা, শপত কাঢ়ি মিছা কোৱা। per'-jur-y, *n.* মিছা সাক্ষী দিয়া অপৰাধ।

per'-ma-nent (*-mă-*), *adj.* স্থায়ী, নিগাজী। per'-ma-nence, *n.* স্থায়িত্ব।

per'-me-ate, *v.* ভিতৰেদি সৰকি যোৱা, ভিতৰেদি গৈ বিয়পা, ভিতৰেদি গৈ ভিজোৱা। per'-me-a-ble, *adj.*

per-mit', *v.* অনুমতি দিয়া। per'-mit, *n.* অনুমতি পত্ৰ। per-mis'-si-ble, *adj.* অনুমতি দিয়াৰ উপযুক্ত। per-mis'-sion (*-mish'-un*), *n.* অনুমতি।

CC-0. In Public Domain. Gurukul Kangri Collection

Digitized by Arya Samaj Foundation Chennai and eGangotri

per-ni'-cious (*-nish'-us*), *adj.* অতি অনিষ্টকৰ, ক্ষতিজনক।

per-o-ra'-tion (*-shun*), *n.* বক্তৃতাৰ শেষভাগ, উপসংহাৰ।

per-pen-dic'-u-lar, *adj.* লম্ব ; *n.*

per'-pe-trate, *v.* (বেয়াকাম, দোষ, অপৰাধ আদি) কৰা। per'-pe-tra-tor, *n.* বেয়াকাম কৰোঁতা।

per-pet'-u-al, *adj.* চিৰস্থায়ী, অবিৰত, অবিশ্ৰান্ত, নেৰা নেপেৰা। per-pet'-u-ate, *v.* চিৰস্থায়ী কৰা। per-pe-tu'-i-ty, *n.* চিৰস্থায়িত্ব।

per-plex', *v.* বিবুদ্ধি কৰা, বিমোৰত পেলোৱা, উদ্বিগ্ন কৰা। per-plex'-i-ty, *n.* বিবুদ্ধি, বিমোৰ।

per'-qui-site (*-kwi-zit*), *n.* উপকৰা লাভ বা বানচ।

per'-ry (*-ri*), *n.* পিয়াৰ ফলৰ মদ।

per-'se-cute, *v.* নিৰ্য্যাতন কৰা, উৎপীড়ন কৰা, দিগ্ কৰা, বেলেগ ধৰ্ম্মমতৰ বাবে অত্যাচাৰ কৰা। per-se-cu'-tion, *n.*

per-se-vere', *v.* পুনঃ পুনঃ চেষ্টা কৰা। per-se-ver'-ance, *n.* অধ্যৱসায়।

per-sist', *v.* দৃঢ়ভাবে লাগি থকা, দৃঢ় আৰু অলৰ অচল হোৱা, কোনো কাম কৰি থকা। per-sis'-tence, *n.* দৃঢ়তা। per-sis'-tent, *adj.* অটল অচল, নেৰা নেপেৰা।

per'-son, *n.* জন, লোক, মানুহ, মতা, তিৰোতা লৰা বা ছোৱালী, দেহ, (ব্যাকৰণত) পুৰুষ। per'-son-al, *adj.* ব্যক্তিগত, নিজৰ, দৈহিক। per'-son-age, *n.* প্ৰসিদ্ধ লোক, ডাঙৰ মানুহ। per'-son-ate, *v.* (আনৰ) ভাও লোৱা, আন বেশ ধৰা। per-son'-i-fy, *v.* মানুহৰ ধৰ্ম্ম আৰোপ কৰা, অচেতন পদাৰ্থক চেতনৰূপে বৰ্ণনা কৰা। per-son-al'-i-ty, *n.* ব্যক্তিত্ব।

per-son-nel', *n.* (F.) কোনো ৰাজহুৱা কামত নিযুক্ত লোক সমূহ।

per-spec'-tive (*-tiv*), *n.* বস্তুৰ দূৰত্ব অনুসাৰে আকাৰ থিৰ কৰি চিত্ৰ অঁকা কাৰ্য্য, দৃশ্য ; *adj.*

per-spic'-u-ous (*-us*), *adj.* স্পষ্ট, ফটফটীয়া, বিশদ। per-spi-cui'-i-ty, *n.* স্পষ্টতা, প্ৰাঞ্জলতা।

per-spire', *v.* ঘাম এৰা, ঘামোৱা। per-spi-ra'-tion, *n.* ঘাম।

per-suade' (*-swād'*), *v.* উদগাই দিয়া, বুজনি, পৰামৰ্শ আদিৰ দ্বাৰা কামত প্ৰবৃত্ত কৰোৱা, ফুচলোৱা। per-sua'-sion (*-zhun*), *n.* উদগনি, ফুচলনি। per-sua'-sive, *adj.* প্ৰবৃত্তিজনক, প্ৰবৃত্ত কৰাব পৰা।

pert, *adj.* অবিনীত, ধৃষ্ট।

per-tain' (*-tān'*), *v.* সম্বন্ধীয় হোৱা, সম্বন্ধ থকা।

per-ti-na'-cious, *adj.* নেৰা নেপেৰা বিধৰ, গোঁৱাৰ, নিজৰ কথা এৰি নিদিয়া। per-ti-nac'-i-ty, *n.*

per'-ti-nent, *adj.* উপযুক্ত, যোগ্য, সঙ্গত। per'-ti-nence, *n.*

per-turb', *v.* অস্থিৰ বা ব্যাকুল কৰা, আমনি কৰা। per-tur-ba'-tion, *n.* মনৰ অস্থিৰতা।

pe-ruse' (*-rooz'*), *v.* মনোযোগেৰে পঢ়া বা পাঠ কৰা। pe-ru'-sal (*-zal*), *n.* মনোযোগেৰে পঢ়া কাৰ্য্য।

per-vade', *v.* বিয়পা, পৰিব্যাপ্ত হোৱা।

per-verse', *adj.* দৃঢ়, অবাধ্য।

per-vert', *v.* নষ্ট কৰা, কুকাৰ্য্যত ৰত কৰা, বিপথে যোৱা, অন্যায় প্ৰয়োগ বা অৰ্থ কৰা। per'-vert, *n.* স্বধৰ্ম্মত্যাগী লোক। per-ver'-sion, *n.* বিপথে গমন, বিপৰ্য্যয়, অপব্যৱহাৰ।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

per'-vi-ous, *adj.* ভেদ কৰিব পৰা।

pes'-si-mist, *n.* 'জগৎ দুখময়' এই মতত বিশ্বাসী লোক, যি মানুহে মানব জীবন মাথোন দুখৰ নিমিত্তে বুলি ভাবে, নিৰাশা-বাদী। pes'-si-mism, *n.* মানব জীবন দুখপূৰ্ণ এনে বিশ্বাস।

pest, pes'-ti-lence, *n.* মহামাৰী, সংক্ৰামক বেমাৰ, অনিষ্টকৰ বস্তু বা মানুহ। pes'-ti-lent, *adj.* প্ৰাণহানিজনক, সাঙ্ঘাতিক।

pes'-ter, *v.* উৎপাত কৰা, কষ্ট দিয়া।

pet'-al, *n.* ফুলৰ পাহি।

pe-ti'-tion, *n.* প্ৰাৰ্থনা, আবেদন, দৰ্খাস্ত ; *v.* দৰ্খাস্ত কৰা, আবেদন কৰা, প্ৰাৰ্থনা কৰা। pe-ti'-tion-er, *n.* দৰ্খাস্তকাৰী।

pet'-ri-fy, *v.* কালক্ৰমত শিলত পৰিণত কৰা। pet-ri-fac'-tion, *n.*

pet'-rol, *n.* মাটি তেল (মোটৰ আদি চলোৱাত ব্যৱহাৰ হয়)। pet-ro'-le-um, *n.* এবিধ খনিজ তেল।

pet'-ty, *adj.* ক্ষুদ্ৰ, সামান্য, তুচ্ছ।

pet'-u-lant, *adj.* খিঙ্খিঙীয়া, উগ্ৰস্বভাবৰ।

pew'-ter, *n.* সীহ আৰু দস্তা মিহলি এবিধ ধাতু, দস্তা।

pha'-e-ton, *n.* খোলা চাৰি চাকাৰ গাড়ী।

phal'-anx, *n.* (*pl.* pha-lan'-ges *or* phal-anx'-es), *n.* পদাতিক সৈন্যৰ বেঁহ।

phan'-tom (*fan'-*), *n.* অপ্ৰকৃত ছায়া দৰ্শন, প্ৰেতমূৰ্ত্তি, ভূত, কল্পিত আকাৰ।

phar'-ma-cy, *n.* ঔষধ প্ৰস্তুত কৰা বিদ্যা, ঔষধালয়। phar-ma-ceu'-tic (-al), (*-sū'-tik*), *adj.* ঔষধ প্ৰস্তুত কৰা কাৰ্য্য সম্বন্ধীয়। phar-ma-co-pœ'-ia, *n.* ঔষধ প্ৰস্তুত প্ৰণালীৰ কিতাপ।

phase (*fāz*), *n.* একে বস্তুৰে বেলেগ বেলেগ ৰূপ, যেনে চন্দ্ৰৰ কলা।

phe-nom'-e-non (*fē-*), *n.* (*pl.* -na), *n.* প্ৰকৃতিৰ অদ্ভুত দৰ্শন বা ঘটনা।

phi'-al, *n.* সৰু কাচৰ চুঙ্গা বা চিচা।

phil-an'-thro-py (*fil-*), *n.* মানব-প্ৰীতি, বিশ্বপ্ৰেম। phil-an-throp'-ic (-al), *adj.* phil-an'-thro-pist, *n.* বিশ্বপ্ৰেমিক লোক।

phi-lat'-el-ist, *n.* নানা দেশৰ ডাক টিকট গোটাওঁতা।

phil-ol'-o-gy (*fil-*), *n.* ভাষাতত্ত্ব।

phil-os'-o-pher (*fil- ...fer*), *n.* দাৰ্শনিক পণ্ডিত, জ্ঞানী লোক। phil-os'-o-phy, *n.* দৰ্শনশাস্ত্ৰ, তত্ত্বজ্ঞান। phil-os'-o-phize), *v.* দাৰ্শনিক পণ্ডিতৰ দৰে কাৰণ বিচৰা বা অনুসন্ধান কৰা।

phlegm (*flĕm*), *n.* কফ, খেকাৰ, শ্লেষ্মা। phleg-mat'-ic (*flĕg-*), *adj.* শ্লেষ্মা-প্ৰধান, স্ফূৰ্ত্তিহীন।

pho-net'-ic (*fō-*), *adj.* স্বৰ সম্বন্ধীয়। pho-net'-ics, *n. pl.* স্বৰ বিজ্ঞান।

pho'-no-graph, *n.* শব্দ, সুৰ আৰু বাক্যৰ পুনৰ আবৃত্তিকাৰী যন্ত্ৰ।

pho-nog'-ra-phy, *n.* ৰেখাৰে সংক্ষেপে লিখা প্ৰণালী।

pho'-to, *n.* (*short for* pho'-to-graph) 'ফটো', চিত্ৰ বিশেষ ; *v.* 'ফটো' তোলা। pho-tog'-ra-phy, *n.* 'ফটো' তোলা বিদ্যা।

phrase (*frāz*), *n.* বাক্যাংশ। phra-se-ol'-o-gy (*-jĭ*), *n.* বাক্য প্ৰকাশ কৰাৰ ৰীতি বা ধৰণ।

phthi'-sis (*thī'-sis*), *n.* যক্ষ্মা বেমাৰ, ক্ষয়ৰোগ।

phys'-ic (*fiz'-ik*), *n.* ঔষধ, [চিকিৎসা বিজ্ঞান ; in *pl.*, প্ৰাকৃতিক বিজ্ঞান

CC-0. In Public Domain. Gurukul Kangri Collection

Digitized by Arya Samaj Foundation Chennai and eGangotri

বা পদাৰ্থ বিদ্যা ; *v.* চিকিৎসা কৰা আৰু ঔষধ দিয়া। phys'-i-cal, *adj.* প্ৰাকৃতিক, ভৌতিক, শাৰীৰিক। phys-i'-cian (*fiz-ish'-un*), *n.* চিকিৎসক। phys'-i-cist, *n.* প্ৰকৃতি বিজ্ঞানবিদ্ পণ্ডিত।

phys-i-og'-no-my (*fiz-i-og'-no-mi*), *n.* মুখ বা মুখৰ চেহেৰা চাই মনৰ ভাব বা চৰিত্ৰ বুজা বিদ্যা।

phys-i-og'-ra-phy (*-rä-fi*), *n.* প্ৰাকৃতিক ভূগোল বা ভূবিদ্যা।

phys-i-ol'-o-gy (*-ŏ-ji*), *n.* প্ৰাণী-বিদ্যা।

phy-sique (*fi-zēk*), *n.* শাৰীৰিক গঠন বা বান্ধ।

pi-an'-o (*pi-an'-ō*), *or* **pi-an'-o-forte** (*-fort*), *n.* (I), বহুত তাঁৰ আৰু চাবি থকা এবিধ ডাঙৰ বাদ্যযন্ত্ৰ।

pick, *v.* বুতলা, চিঙ্গা, গোটোৱা, পছন্দ কৰা, চাবি নোহোৱাকৈ (তালা) খোলা, (জেপৰ) বস্তু চুৰি কৰা ; *n.* শিল, কয়লা আজি ভঙ্গা এবিধ কুঠাৰ, দাঁত খোঁচৰণি, পছন্দ, যি আটাইতকৈ ভাল। pick'-pock-et, *n.* মোণাকটা চোৰ।

pick'-et, *n.* জোঙাল খুটি, সৈন্যৰ বেহুঁৰ, বাহিৰৰ চৌকি, নিষিদ্ধ বস্তুৰ বিক্ৰী নিবাৰণ কৰা চৌকি।

pick'-le, *v.* আচাৰ তৈয়াৰ কৰা ; *n.* আচাৰ।

pic'-nic, *n.* বালি ভোজ, দল-ভাত।

pic'-ture, *n.* চিত্ৰ, ছবি ; *v.* ছবি অঙ্কিত কৰা বা আঁকা। pic-to'-ri-al, *adj.* চিত্ৰ সম্বন্ধীয়, সচিত্ৰ। pic-tu-resque' (*-resk'*), *adj.* ছবিৰ নিচিনা দেখিবলৈ ভাল, মনোহৰ, ধুনীয়া।

pie'-bald *or* **pied,** *adj.* চিত্ৰ-বিচিত্ৰ, নানা বৰণৰ।

piece (*pēs*), *n.* ডোখৰ, প্ৰবন্ধ, বন্দুক বিশেষ ; *v.* তাপলি মৰা, একেলগ কৰা। piece'-meal, *adv.* ডোখৰ ডোখৰকৈ।

pier (*pēr*), *n.* পোন খুঁটা বা স্তম্ভ, নাও বা জাহাজৰ পৰা নামিবলৈ ওখ ঠাই।

pierce (*pērs*), *v.* ভেদ কৰা, ফুটোৱা, হুমুৱাই দিয়া। pier'-cing, *adj.* তীক্ষ্ণ, কটুৱা।

pi'-e-ty (*pi'-ĕ-ti*), *n.* ধৰ্ম্মপৰায়ণতা, ঈশ্বৰ প্ৰতি ভক্তি, পিতৃমাতৃ আদি গুৰুজনৰ প্ৰতি ভক্তি, স্বদেশানুৰাগ। pi'-ous, *adj.* ধৰ্ম্মপৰায়ণ, ধাৰ্ম্মিক।

pig'-eon (*pij'-un*), *n.* পাৰ।

pig'-ment, *n.* যি বস্তুৰ পৰা ৰং তৈয়াৰ হয়, মৌ আৰু মচলা দিয়া এবিধ মদ।

pig'-my *or* **pyg'-my,** *n.* বাওনা।

pike (*pīk*), *n.* শেল, জাঠি।

pil-as'-ter, *n.* দেৱালৰ পৰা অলপ ওলাই থকা স্তম্ভ বা খুটা।

pile, *n.* দ'ম, চিতা, ডাঙৰ অট্টালিকা ; *v.* দ'ম কৰা। piles, *n.* অৰ্শৰোগ।

pil'-fer, *v.* সাধাৰণ সাধাৰণ বস্তু চুৰি কৰা।

pil'-grim, *n.* তীৰ্থযাত্ৰী। pil'-grim-age, *n.* তীৰ্থযাত্ৰা।

pill, *n.* বৰি (ঔষধৰ)। pill'-ule, *n.* সৰু বৰি।

pill'-age, *n.* লুট, লুট কৰা বস্তু ; *v.* লুট কৰা।

pil'-lar, *n.* স্তম্ভ।

pil'-lion, *n.* ঘোঁৰাৰ পিঠিত পুৰুষৰ পিচত তিৰোতাৰ বহিবৰ গাদি।

pil'-lo-ry, *n.* কুন্দা, শাস্তি দিয়া কাঠৰ যন্ত্ৰ বিশেষ।

pil'-low (*-lō*), *n.* গাৰু।

pi'-lot (*pī'-*), *n.* জাহাজ চলাওঁতা, গুৱিয়াল, পৰিচালক ; *v.* জাহাজ চলোৱা, বাধা-বিঘিনিৰ মাজেদি চলাই নিয়া।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

pim'-ple, *n.* ফোঁহা।
pin'-a-fore (*-ă-*), *n.* লৰাছোৱালীৰ ওপৰত মেৰিয়াই লোৱা কাপোৰ।
pin'-cers, *n. pl.* চিমটা, চেপেনা।
pinch, *v.* চিকুটা, চিমটা, চিকুট মৰা, দুখ দিয়া ; *n.* চিকুট, দুখ, কষ্ট।
pine, *n.* দেবদারু গছ ; *v.* শুকাই যোৱা, লেবেলি যোৱা, অনুশোচনা কৰা, দুখ কৰা, ইচ্ছা কৰা।
pine'-apple, *n.* মাটি কঠাল।
pin'-ion (*-yun*), *n.* চৰাইৰ পাখি, হাত-কেৰেয়া ; *v.* (পাখি বা হাত) বন্ধা, হাত-কেৰেয়া দিয়া।
pink, *n.* এবিধ বাগীছাৰ ফুল, পাতল ৰঙা বৰণ, উত্তম বস্তু বা লোক ; *v.* ছিদ্ৰ কৰা, (কাপোৰ আদিৰ দাঁতিত) বিন্ধা দি ধুনীয়া কৰা।
pin'-nace (*-năs*), *n.* এবিধ নাও।
pin'-na-cle, *n.* (*-nă-kl*), টিং, মন্দিৰ বা অট্টালিকাৰ চূড়া।
pi-o-neer' (*pī-*), *n.* অগ্ৰণী, আগৰণুৱা, পথ দেখুৱাওঁতা, সৈন্যদলৰ আগত যোৱা পথ পৰিষ্কাৰকাৰক সৈন্য।
pi'-ous (*pī-us*), *adj.* ধৰ্ম্মপৰায়ণ, ধাৰ্ম্মিক।
pi'-quant (*pē'-kant*), *adj.* (F.) চোকা, জাল থকা, খালে জমজমাই যোৱা। pi'-quan-cy, *n.*
pique (*pēk*), *n.* (F.) বিৰক্তি, বেজাৰ, অসন্তোষ ; *v.* দিগ দিয়া, বেজাৰ দিয়া, বেচিকৈ কৌতূহল জন্মোৱা, নিজৰ প্ৰশংসা কৰা, অহঙ্কাৰ কৰা।
pi'-rate (*pi'-*), *n.* জলদস্যু, জলদস্যুৰ জাহাজ। pi'-ra-cy, *n.* pi-rat'-i-cal, *adj*
pis-ta'-chi-o (*-tā'-shi-ō*, or *-tā'-shō*), *n.* পেস্তা।
pis'-til, *n.* ফুলৰ গৰ্ভকেশৰ।
pis'-tol, *n.* সৰু বন্দুক, পিস্তল।
pit, *n.* গাঁত, গহ্বৰ, গাত বসন্ত আদিৰ দাঁচ ; *v.* গাত বসন্ত আদিৰ দাঁচ পৰা, তেনে দাঁচ কৰা, অৰিয়া অৰি লগাই দিয়া। pit'-fall, *n.* জন্তু আদি পেলাবলৈ কৰা ডাঙৰ গাঁত।
pitch, *n.* ঘন আল্‌কাতৰা, নিক্ষেপ, উচ্চতা, পতন ; *v.* আল্‌কাতৰাৰে ঢকা, নিক্ষেপ কৰা, দলি মাৰি পেলোৱা, টনা বা তৰা ; সুৰ বন্ধা, লুটি খাই পৰা, ছাউনী পতা। (*with* on *or* upon) *v.* মীমাংসা কৰা। pitch'-fork, *n.* উথনী ; *v.* উথনীওৱা। pitched, *adj.* (যুদ্ধ) তুমুল। pitch-dark, *adj.* ধুমকলা।
pith, *n.* গছৰ শাহ ভাগ, সাৰ, বল, শক্তি। pith'-y, *adj.* সাৰুৱা।
pit'-tance, *n.* জীবিকাৰ সামান্য উপায়, অতি কম বা তাকৰীয়া দৰ্মহা।
pit'-y, *n.* পুতৌ, দয়া, দুখৰ বিষয় ; *v.* পুতৌ কৰা। pit'-e-ous (*-us*), *adj.* দুখজনক, সকৰুণ। pit'-i-a-ble, *adj.* পুতৌ কৰিব লগা। pit'-i-ful, *adj.* পৰৰ দুখত দুখী, মৰমিয়াল, কাৰুণিক, হেয়, তুচ্ছ। pit'-i-less, *adj.* নিষ্ঠুৰ, নিদাৰুণ।
piv'-ot, *n.* যি খুটি বা শলাৰ ওপৰত কোনো বস্তু (বিশেষকৈ চকা) ঘূৰে।
pla'-ca-ble (*plā'-kă-bl*), *adj.* নম্ৰ, ক্ষমাশীল, শান্ত কৰিব বা জুৰাব পৰা।
plac'-ard, *n.* ডাঙৰ আখৰেৰে ছপা কৰা ঘোষণাপত্ৰ বা জাননী।
place, *n.* ঠাই, অৱস্থিতি, পদ ; *v.* থোৱা।
plac'-id (*plas'-*), *adj.* শান্ত, ধীৰ। pla-cid-i-ty, *n.*
pla'-gi-a-rize (*-ji-ă-rīz*), *v.* আনৰ লিখা চুৰ কৰা।

CC-0. In Public Domain. Gurukul Kangri Collection

Digitized by Arya Samaj Foundation Chennai and eGangotri

plague (*plāg*), *n.* প্লেগ বেমাৰ, মহামাৰী, সংক্ৰামক বেমাৰ, মহাকষ্ট ; *v.* বিৰক্ত কৰা, বেজাৰ দিয়া।

plaid (*plăd* or *plād*), *n.* স্কটল্যাণ্ডৰ মানুহে ব্যৱহাৰ কৰা এবিধ ওপৰত উৰা কাপোৰ।

plain (*plān*), *adj.* সমতল, চেপেটা, সমান, মিহি, সহজ, সৰল, স্পষ্ট, আড়ম্বৰহীন, অলঙ্কাৰ শূন্য ; *n.* সমতল ঠাই, সমান পথাৰ। plain'-ness, *n.* সৰলতা, স্পষ্টতা।

plaint, *n.* বিলাপ, বিননি, আৰ্জি, দৰ্খাস্ত (গোচৰ কৰা)। plain'-tive, *adj.* শোকপূৰ্ণ, দুখপূৰ্ণ। plain'-tiff, *n.* মোকৰ্দ্দমাৰ বাদী, ফৰিয়াদী।

plait (*plăt* or *plāt*), *v.* চুলিৰ চেলে বটা, খেৰৰ জুংটি বা কোধোবা বটা ; চুলি চেলেৰ নিচিনা চেপেটাকৈ বুৱা ; *n.* বেণী, চুলিৰ চেলে, যি চেপেটাকৈ বুৱে বা বটে। plait'-ed, *adj.*

plan, *n.* নক্সা, চিত্ৰ, মন্ত্ৰণা, কল্পনা, অভিপ্ৰায়, উপায় ; *v.* নক্সা কৰা, উপায় বা বুদ্ধি সজা।

plane, *n.* সমতল ক্ষেত্ৰ বা ঠাই, ৰেণ্ডা ; *adj.* সমান, সমতল ; *v.* সমান কৰা, ৰেণ্ডা দিয়া।

plan'-et, *n.* গ্ৰহ। plan'-e-ta-ry, *adj.* গ্ৰহ সম্বন্ধীয়।

plank, *n.* তক্তা, পাত।

plant, *n.* সকু জাতৰ উদ্ভিদ—গছ লতা আদি, কোনো কাৰখানাৰ লাগতিয়াল যন্ত্ৰ আৰু কল ; *v.* ৰোৱা, ৰোপণ কৰা, স্থাপন কৰা (যেনে উপনিবেশ)। plan-ta'-tion, *n.* গছ আদি ৰুৱা ঠাই, বাগীছা, ৰুৱা গছ আদিৰ সমষ্টি, উপনিবেশ।

plan'-tain (*-tān*), *n.* কল গছ আৰু ফল।

plas'-ter, *n.* বেৰত চূণ বালিৰ লেপ, কাপোৰত সনা মলম বা পটি ; *v.* চূণ বালি লিপা, পটী লগোৱা।

plas'-tic (*-tik*), *adj.* কোমল আৰু লেতু-সেতু কৰিব পৰা, যি কোনো আকাৰত গঢ়িব পৰা।

plate, *n.* থাল, কাঁহী।

pla-teau' (*plā-tō'*), *n.* (*pl.* -teaus' *or* teaux'), (F.) মালভূমি।

plat'-form, *n.* মঞ্চ, বক্তৃতা আদি দিবলৈ নিৰ্ম্মাণ কৰা ওখ ঠাই, প্ৰচাৰিত কাৰ্য্য-প্ৰণালী বা মত।

plat'-i-num, *n.* এবিধ দুষ্প্ৰাপ্য বৰ গধুৰ বগা ধাতু।

plat'-i-tude, *n.* ৰসহীন কথা, পুৰণি কথা।

plau'-dit, *n.* উচ্চ প্ৰশংসা। plau'-di-to-ry, *adj.* প্ৰশংসাসূচক।

plau'-si-ble (*-si-bl*), *adj.* দেখাত অনু-মোদন বা প্ৰশংসা কৰিব লগীয়া। plau-si-bil'-i-ty, *n.*

play, *n.* গতি, স্ফুৰণ, খেল, আমোদ, তামাচা, ধেমালি, ঠাট্টা, নাটক, অভিনয়, "জুয়া খেল" ; *v.* খেলা, আমোদ কৰা, ধেমালি কৰা, অভিনয় কৰা, জুয়াখেল খেলা, বাদ্য বজোৱা। play'-ful, *adj.* ধেমে-লীয়া। playing-card, *n.* তাচ। play'-wright, *n.* নাটক ৰচোঁতা।

plea (*plē*), *n.* বাদীৰ দাবী আৰু তাক সমৰ্থন কৰা উক্তি, বিবাদীৰ উত্তৰ, বাজে ওজৰ।

plead, *v.* সপক্ষে বা বিপক্ষে যুক্তি দেখুৱা, তৰ্ক কৰা, পক্ষ সমৰ্থন কৰা, ওকালতি কৰা plead'-er, *n.* উকীল।

please (*plēs*), *v.* আনন্দ দিয়া, সন্তোষ দিয়া, সন্তুষ্ট কৰা, ইচ্ছা কৰা, ভাল বুলি বোধ হোৱা, সন্তুষ্ট হোৱা, অনুগ্ৰহ কৰি স্বীকাৰ কৰা। pleas'-ant (*plĕz'-*),

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

adj. হৰ্ষজনক, আনন্দজনক, মনোৰম, সুন্দৰ, ধুনীয়া। pleas'-ant-ry, *n.* পৰিহাস, আমোদ। pleas'-ure (*plesh'-*) *n.* আনন্দ, ইচ্ছা, অনুগ্ৰহ।

ple-be'-ian (*plē-bē'-yăn*), *adj.* সাধাৰণ লোক সম্বন্ধীয়, ইতৰ; *n.* ইতৰ মানুহ। plebs *n.* (L.) ইতৰ শ্ৰেণীৰ মানুহ। pleb'-is-cite (*-sit* or *-sīt*); *n.* সৰ্ব্ব-সাধাৰণৰ মত।

pledge (*plĕj*), *n.* বন্ধক থোৱা বস্তু, জামীন, প্ৰতিজ্ঞা, অঙ্গীকাৰ; *v.* বন্ধক ৰখা, নিজে প্ৰথমে খাই মদ খাবলৈ খাটা।

ple'-na-ry, *adj.* পূৰ্ণ, পুৰা।

plen-i-po-ten'-ti-a-ry (*-shĭ-ă-ri*) *n.* সন্ধি কৰিবলৈ পূৰ্ণ ক্ষমতা পোৱা ৰাজদূত বা কটকী।

plen'-i-tude (*-ĭ-*), *n.* পূৰ্ণতা, সম্পূৰ্ণতা।

plen'-ty, *n.* প্ৰচুৰতা, প্ৰচুৰ আয়োজন। plen'-te-ous (*-us*), *adj.* plen'-ti-ful, *n.* প্ৰচুৰ, যথেষ্ট।

pleth'-or-a, *n.* তেজৰ অতি মাত্ৰা, অতি পুষ্টি, বৰ প্ৰচুৰতা। ple-thor'-ic, *adj*, অতিপুষ্ট, বৰ প্ৰচুৰ।

pli'-a-ble *or* **pli'-ant**, *adj.* সহজে ভাজ লগাব পৰা, লেতুসেতু, মৃদু, নম্ৰ। pli-a-bil'-i-ty, *n.*

pli'-ers, *n. pl.* সৰু চিম্‌টা।

plight (*plīt*), *n.* প্ৰতিজ্ঞা, অঙ্গীকাৰ, শোচনীয় অবস্থা, দুৰ্দ্দশা; *v.* অঙ্গীকাৰ কৰা, বিয়াত বাগ্‌দান কৰা।

plinth, *n.* ভেটি।

plod, *v.* কষ্টেৰে যোৱা বা কাম কৰা।

plot, *n.* খণ্ড, ডৰা, ষড়যন্ত্ৰ, নাটক উপন্যাস আদিৰ গল্প, জৰিপ কৰা মাটিৰ নক্সা; *v.* ষড়যন্ত্ৰ কৰা, নক্সা অঁকা। plot'-ting, *n.*

plough (*plou*), *n.* নাঙ্গল; *v.* হাল-বোৱা। plough'-share, *n.* ফাল। plough-beam, *n.* নাঙ্গলৰ ডিলা।

pluck, *v.* চিঙা, সংগ্ৰহ কৰা, আঁজোৰা, পাখি কঢ়া, (পৰীক্ষাত) 'ফেল' হোৱা; *n.* সাহ, কোনো জন্তুৰ কলিজা পিত্ত হাওফাও আদি। pluck'-y, *adj.* সাহিয়াল।

plum, *n.* বগৰী, বগৰী গছ।

plu'-mage (*ploo'-*), *n.* চৰাইৰ গাত থকা আটাইবোৰ পাখি।

plumb (*plum*), *n.* সীহৰ ওলোম। plumb'—line, *n.* ওলোমৰ জৰি। plumb'-er, *n.* সীহৰ কাম কৰা মানুহ (বিশেষকৈ যোনে বাষ্প বা পানী ওলোৱা নল আদি কৰে)।

plum-ba'-go, *n.* কলা সীহ।

plume (*ploom*), *n.* পাখি, পাখিৰ থোপা (মুকুট আদিৰ অলঙ্কাৰ); *v.* পাখিৰে অলঙ্কৃত কৰা, পাখি পেলোৱা, অহঙ্কাৰ কৰা।

plump, *adj.* ধপ্‌কৈ পৰা, নোদোকা, মাংসল, হৃষ্টপুষ্ট; *adv.* ধপকৈ; *v.* ধপ্‌কৈ পৰা।

plun'-der, *v.* লুট কৰা, বলেৰে কাঢ়ি নিয়া; *n.* লুট, লুট কৰা বস্তু।

plunge (*plunj*), *v.* পানীত ডুবা বা ডুবোৱা, দলিয়াই দিয়া, জপিয়াই পৰা, অভিভূত হোৱা (যেনে শোক তাপ আদিত); *n.* ডুব, পানীত পৰা।

plu'-ral (*ploo'-*), *adj.* এটাতকৈ অধিক; *n.* বহুবচন; plu-ral'-i-ty, *n.* বহুত্ব।

ply, *v.* পৰিশ্ৰমেৰে কাম কৰা বা খটা, নিয়মিতভাবে যাতায়াত কৰা, সানুনয়ে অনুৰোধ কৰা।

pneu-mat'-ic (*nū-*), *adj.* বতাহেৰে পূৰ্ণ, বতাহ সম্বন্ধীয়। pneu-mat'-ics, *n. pl.* বায়ু আৰু বাষ্প বিজ্ঞান।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

pneu-mo'-ni-a (*nū-*), *n.* হাওফাওৰ প্ৰদাহ।

poach, *v.* উতলা তপত পানীত কণী ভাঙি সিজোৱা, হাঁহ পাৰ আদি চুৰ কৰা। poach'-er, *n.* যোনে...।

pock'-et, *n.* জেপ, মোনা ; *v.* জেপত ৰখা।

pod, *n.* বীজকোষ।

po'-em, *n.* কবিতা, কাব্য। po'-et, *n.* কবি। po'-e-try, *n.* কাব্যশাস্ত্ৰ, কবিতা। po-et'-i-cal, *adj.*

poig'-nant (*poi'-*) *adj.* তীক্ষ্ণ, তীব্ৰ, কটু। poig'-nan-cy, *n.*

point, *n.* বিন্দু, চোকা আগ, জোঙ, অন্তৰীপ বা টেক, মুহূৰ্ত্তকাল, অন্ত, অৱস্থা, সীমা, বিষয়, উদ্দেশ্য, লক্ষ্য ; *v.* জোঙা কৰা, লক্ষ্য কৰা, আঙুলিয়াই দিয়া, দেখুৱা। point'-ed, *adj.* তীক্ষ্ণ, জোঙা। point'-er, *n.* ঘড়ীৰ কাটা, চিকাৰী কুকুৰ, চিত্ৰ আদি দেখুৱা কাঠি।

poise (*poiz*), *v.* সমান জোখৰ কৰা, জোখা, সমান হৈ ওলোমা, সংশয় বা সন্দেহ থকা ; *n.* ওজনৰ সমতা, দাগা, জোখ সমান কৰা বস্তু।

poi'-son (*-zn*), *n.* বিহ ; *v.* বিষাক্ত কৰা, বিহ দিয়া, বিহ খুৱাই মাৰা। poi'-son-ous (*-us*), *adj.* বিষাক্ত।

poke, *v.* খোচৰা। po'-ker, *n.* খোচৰা এবিধ যতন।

pole, *n.* দীঘল মাৰি, ৫$\frac{1}{2}$ গজৰ পৰিমাণ, ৩০$\frac{1}{4}$ বৰ্গগজৰ কালি, পৃথিবীৰ মেৰু। po'-lar, *adj.* মেৰুৰ ওচৰত থকা, মেৰু-সম্বন্ধীয়।

po-lice' (*-lēs'*), *n.* নগৰ গাঁও আদি ৰক্ষা আৰু চুৰি ডকাইতি আদি নিবাৰণ কৰিবলৈ কৰা ৰাজ ব্যৱস্থা, পুলিচ, চিপাহী। po-lice'-man, *n.* শান্তিৰক্ষক, 'কনষ্টেবল'।

pol'-i-cy (*i-si*), *n.* ৰাজ্যশাসন প্ৰণালী, ৰাজনীতি, কাৰ্য্যকৌশল, চতুৰালি, বুদ্ধি, টকা দিওঁ বোলা প্ৰতিজ্ঞা পত্ৰ, বীমা।

pol'-ish, *v.* মিহি কৰা, মাৰ্জ্জিত কৰা ; *n.* মিহি, 'পালিচ,' বিনয়, নম্ৰতা।

po-lite', *adj.* নম্ৰ, ভদ্ৰ, শিষ্ট, বিনীত।

pol'-i-tic (*i-tik*), *adj.* নীতিজ্ঞ, দূৰদৰ্শী, চতুৰ। pol'-i-tics, *pl.* ৰাজনীতি। pol-i-ti'-cian (*-tish'-un*), *n.* ৰাজনীতিজ্ঞ পুৰুষ। po-lit'-i-cal, *adj.* ৰাজনৈতিক।

poll, *n.* মূৰ, মানুহৰ তালিকা, নিৰ্ব্বাচনত ভোটদাতা সকলৰ নামৰ তালিকা, ভোট সংগ্ৰহ ; *v.* আগ অংশ কাটি পেলোৱা (চুলি, শিং আদিৰ); নিৰ্ব্বাচনত ভোট দিয়া বা পোৱা। polled, *adj.* ছাটা, শিঙ কটা। poll—tax, *n.* মূৰ গণি লোৱা কৰ।

pol-lute', *v.* অপবিত্ৰ কৰা, কলুষিত কৰা, ভ্ৰষ্ট কৰা। pol-lu'-tion, *n.*

po'-lo, *n.* ঘোঁৰাত উঠি খেলা এবিধ 'বল' খেল।

pol-troon', *n.* ভীৰু, কাপুৰুষ ; *adj.* নীচ, হেয়।

po-lyg'-a-my, *n.* বহুবিবাহ। po-lyg'-a-mous, *adj.*

pol'-y-glot, *adj.* : *n.* বহুভাষা জনা।

pol'-y-gon, *n.* বহুভুজ ক্ষেত্ৰ।

pol-y-tech'-nic (*-tek'-nik*), *adj.* বহুবিধ বিদ্যা সম্বন্ধীয় ; *n.* যি বিদ্যালয়ত বিবিধ ব্যৱহাৰিক বিজ্ঞান আৰু কলাবিদ্যা শিক্ষা দিয়ে।

pome'-gran-ate (*pŏm'-gran-āt*), *n.* ডালিম গছ, ডালিম ফল।

pom'-mel (*pum'-*), *n.* তৰোৱালৰ নালৰ ঘূৰণীয়া ডাঙৰ অংশ, ঘোঁৰাৰ জিনৰ ওপৰলৈ উঠি থকা অংশ ; *v.* ভালকৈ মাৰা, হাতৰ মুঠিৰে আঘাত কৰা।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

pomp, *n.* জাকজমকীয়া শোভাযাত্ৰা, জাকজমক, আড়ম্বৰ। pomp'-ous (*-us*) *adj.* জাকজমকাল, আড়ম্বৰপূৰ্ণ।

pom'-pom, *n.* এবিধ সৰু কামান।

pond, *n.* খাল, সৰু পুখুৰী।

pon'-der, *v.* ভাবা, ধ্যান কৰা, ভাল দৰে বিবেচনা কৰা। pon'-der-ous (*-ŭs*), *adj.* গধুৰ।

pon'-iard, *n.* এবিধ জোঙা ছুৰি ; *v.* ছুৰি মাৰা।

pon'-tiff, *n.* ৰোমীয় সম্প্ৰদায়ৰ প্ৰধান যাজক, পোপ।

pon-toon', *n.* ভাহি থকা নাওৰ দলং।

poo'-dle (*-dl*), *n.* দীঘল লোম থকা কুকুৰ, চেনেহৰ পোহনীয়া কুকুৰ।

pool, *n.* পানীৰ ডবা, কোন স্থিতি বা নৈৰ দ অংশ।

poop, *n.* জাহাজৰ পিছ ফাল।

Pope, *n.* ৰোমত থকা সৰ্ব্বপ্ৰধান কেথলিক ধৰ্ম্মাধ্যক্ষ।

pop'-lar, *n.* ঝাউ গছৰ নিচিনা আগজোঙা এবিধ গছ।

pop'-lin, *n.* ৰেছম আৰু পছমেৰে তৈয়াৰ হোৱা এবিধ কাপোৰ।

pop'-u-lace (*-lās*), *n.* প্ৰজাবৃন্দ, সৰ্ব্বসাধাৰণ মানুহ। pop'-u-lar, *adj.* লোকপ্ৰিয়। pop-u-lar'-i-ty, *n.* লোকপ্ৰিয়তা। pop'-u-lar-ize, *v.* লোকপ্ৰিয় কৰা। pop'-u-late, *v.* মানুহেৰে ভৰোৱা। pop-u-la'-tion, *n.* লোক সংখ্যা। pop'-u-lous (*-lus*), *adj.* জনপূৰ্ণ।

porce'-lain (*pōrs'-*), *n.* ধুনীয়া মাটিৰ বাচন (বিশেষকৈ চীনদেশৰ)

porch, *n.* ওপৰত ছাল থকা দুৱাৰ মুখ।

por'-cu-pine, *n.* কেঁটেলা পহু।

pore, *n.* লোমৰ বিন্ধা ; *v.* (*with* on *or* over) মনোযোগেৰে চোৱা, পঢ়া। po'-rous (*-rus*), *adj.* বিন্ধা থকা। po ros'-i-ty, *n.*

pork, *n.* গাহৰিৰ মঙহ। pork'-er, *n.* গাহৰি পোৱালি।

por'-poise (*-pŭs*), *n.* শুহ।

por'-ridge (*-rij*), *n.* যৱ আদিৰে তৈয়াৰ কৰা এবিধ খাদ্য, পায়স।

port, *n.* ব্যৱহাৰ, আচৰণ, ভাবভঙ্গী, বন্দৰ, জাহাজৰ বাওঁ ফাল, এবিধ মদ। port'-al, *n.* দ্বাৰ, দুৱাৰ, সোমোৱা বাট। port'-a-ble, *adj.* সহজে বৈ নিব পাৰা।

port-cul'-lis, *n.* দুৰ্গৰ দুৱাৰ মুখৰ টানা দুৱাৰ।

por-tend', *v.* কোনো লক্ষণ বা চিন আদিৰে ভবিষ্যত সূচনা কৰা বা বুজোৱা। por'-tent, *n.* অমঙ্গল সূচক চিন। por-ten'-tous (*-tŭs*), *adj.* ভবিষ্যত অমঙ্গল সূচক।

port'-er, *n.* দুৱৰী, মুটিয়া, এবিধ মদ।

port-fo'-li-o (*pl.* -os), *n.* কাগজ পত্ৰ আদি ৰখা বাকচ, কোনো ৰাজ্যৰ মন্ত্ৰীৰ পদ বা কাৰ্য্য।

por'-ti-co (*pōr'-ti-kō*), *n.* বাৰেণ্ডা।

por'-tion, *n.* অংশ, ভাগ, ভাগ্য, যৌতুক ; *v.* ভাগ কৰি দিয়া, বাঁটি দিয়া, যৌতুক দিয়া।

port'-ly, *adj.* সৌম্য-মূৰ্ত্তিৰ, মোটা আৰু দীঘল আকৃতিৰ।

port-man'-teau (*-to*), *n.* (*pl.* -teaus), (*-tōz*), *n.* পৰ্য্যটকৰ চামড়াৰ ডাঙৰ ব্যাগ।

por'-trait (*-trāt*), *n.* মানুহৰ ছবি (বিশেষকৈ মুখ ভাগৰ)।

por-tray', *v.* চিত্ৰিত কৰা, ছবি অঁকা, বৰ্ণনা কৰা। por-tray'-al, *n.*

pose (*pōz*), *v.* কোনো নিৰ্দ্দিষ্ট অবস্থাত

CC-0. In Public Domain. Gurukul K...

Digitized by Arya Samaj Foundation Chennai and eGangotri

ৰখা বা থকা, কূট প্ৰশ্নৰ দ্বাৰা হতবুদ্ধি বা নিৰুত্তৰ কৰা ; *n.* কোনো নিৰ্দ্দিষ্ট অৱস্থা।

po-si'-tion (*-zish'-un*), *n.* অৱস্থা, স্থান, পদ।

pos'-i-tive (*poz'-*), *adj.* প্ৰকৃত, নিশ্চিত বা থিৰাং, স্পষ্ট, প্ৰাকৃতিক, স্বাভাৱিক (ফটোৰ ৰং আদিত)।

pos'-se, *n.* (L.) সম্ভাৱনা, এদল (পুলিচ আদিৰ)।

pos-sess' (*-zes'*), *v.* পোৱা, দখল বা অধিকাৰ থকা। pos-ses'-sion (*-zesh'-un*), *n.* দখল, অধিকাৰ, অধিকাৰ কৰা বস্তু। pos-sess'-or, *n.* গৰাকী।

pos'-si-ble, *adj.* সম্ভৱ, সম্ভাৱনা থকা ; pos-si-bil'-i-ty, *n.* সম্ভাৱনা।

post, *n.* খুটা, আড্ডা, থানা, ডাক, পদ, কাম ; *v.* কোনো ঠাইত ৰখা বা লগোৱা, ডাকত দিয়া। post'-age, *n.* ডাকমাচুল। post'-al, *adj.* ডাকঘৰ সম্বন্ধীয়। post'-man, *n.* ডাকপিয়ন।

post-date', *v.* পিছত তাৰিখ দিয়া।

pos-te'-ri-or, *adj.* পিছৰ।

pos-ter'-i-ty, *n.* সন্তান-সন্ততি, পিছৰ-বংশ।

pos'-tern, *n.* পিছফালেদি সোমো ৱা যবৰ সৰু দুৱাৰ বা বাট, দুৰ্গৰ গোপনীয় বাট।

pos'-thu-mous (*-tū-mus*), *adj.* বাপেক মৰাৰ পিছত জন্মা, গ্ৰন্থকাৰৰ মৃত্যুৰ পিছত প্ৰকাশিত।

post-mor'-tem, *adj.* (L.) মৃত্যুৰ পিছৰ ; *n.* মৃতদেহৰ পৰীক্ষা।

post-pone', *v.* স্থগিত ৰখা, পিছলৈ নিয়া। post-pone'-ment, *n.*

post'-script, *n.* পিছৰ লেখা।

pos'-ture (*pos'-chur*), *n.* অৱস্থা, ভাৱভঙ্গী।

pot'-ash, *n.* এবিধ খাৰ।

po-ta'-to, *n.* (*pl. -toes*), আলু।

po'-tent, *adj.* বলবান, শক্তিমান। po'-ten-cy, *n.* শক্তি। po'-ten-tate, *n.* শক্তিশালী ৰজা। po-ten'-tial (*-shal*), *adj.* বলবান্, সম্ভাৱনীয়।

po'-tion, *n.* পনীয়া বস্তুৰ একে বাৰতে খোৱা পৰিমাণ (মদৰ, বিশেষকৈ দৰবৰ)।

pot'-ter, *n.* কুমাৰ ; *v.* ধীৰ গতিৰে যোৱা, সাধাৰণ কামত ব্যস্ত থকা। pot'-ter-y, *n.* মাটিৰ বাচন, যি ঠাইত মাটিৰ বাচন তৈয়াৰ হয়, কুমাৰৰ ব্যৱসায়।

pouch, *n.* সৰু ব্যাগ, পাকস্থলী।

poul'-tice, (*pōl'-tis*), *n.* লেপ, পটী।

poul'-try, *n.* কুকুৰা আদি পোহনীয়া চৰাই। poul'-ter-er, *n.* যোনে কুকুৰা আদিৰ কাৰবাৰ কৰে।

pounce, *v.* জোঁ মাৰা, থাপ মাৰা ; *n.* মহী শুকাবলৈ বা নক্সাৰ বাবে মিহি গুড়ি।

pound, *n.* খোৱাৰ, প্ৰায় আধা সেৰৰ ওজন, ১৫\ টকা মূল্যৰ সোণৰ মুদ্ৰা ; *v.* গুড়ি কৰা, খোৱাৰত বন্ধ কৰা।

pour (*pōr*), *v.* ঢলা ; *n.* বৰ্ষণ।

pout, *v.* খঙত ওঠ, পেকেটোৱা, মুখ ওন্দোলোৱা ; *n.*

pov'-er-ty, *n.* দৰিদ্ৰতা, অভাৱ, অল্পতা।

pow'-der, *n.* গুড়ি, সুগন্ধি চূৰ্ণ, বন্দুক আদিৰ খাৰ ; *v.* গুড়ি কৰা, গুড়ি ছটিয়াই দিয়া।

pow'-er, *n.* শক্তি, ক্ষমতা, বল, কৰ্তৃত্ব, ৰাজশক্তি বা ৰাজ্য। pow'-er-ful, *adj.* শক্তিশালী, ক্ষমতাশালী। pow'-er-less, *adj.* শক্তিহীন, দুৰ্ব্বল।

prac'-tic-a-ble (*prak'-tik-ă-bl*), *adj.* কৰিব পৰা, সম্ভৱপৰ। prac'-tic-al, *adj.* ব্যৱহাৰিক, কাৰ্য্যকৰ, অভ্যাসৰ পৰা

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

হোৱা। prac'-tice (*-tis*), *n.* অভ্যাস, কাৰ্য্য, কছৰৎ, দস্তুৰ, ৰীতি, অনুষ্ঠান, ব্যৱসায়। prac'-tise, *v.* অভ্যাস কৰা, কছৰৎ কৰা, কাৰ্য্য কৰা, কোনো ব্যৱসায় কৰা। prac-ti'-tion-er, *n.* ব্যৱসায়ী, চিকিৎসক, উকীল।

praise, *n.* প্ৰশংসা, স্তুতি ; *v.* প্ৰশংসা কৰা, গুণ বখানা। praise'-wor-thy, *adj.* প্ৰশংসনীয়।

prance, *v.* জপিয়াই উঠা (ঘোঁৰাই), অহঙ্কাৰেৰে খোজ কঢ়া ৰা ঘোঁৰাত উঠা।

prank, *v.* সুশোভিত কৰা, জাকজমকীয়া কৈ সজোৱা ; *n.* লৰা ধেমালি।

prate, *v.* : *n.* ফেদফেদোৱা, অবাবত কথা বলকা ; prat'-tle, *n.* চেলচেলীয়া কথা, ফেদফেদনি ; *v.* চেলচেলোৱা।

pray, *v.* প্ৰাৰ্থনা কৰা, উপাসনা কৰা। prayer, *n.* প্ৰাৰ্থনা, উপাসনা।

preach, *v.* ধৰ্ম্ম প্ৰচাৰ কৰা, ধৰ্ম্ম সম্বন্ধে উপদেশ দিয়া।

pre-am'-ble (*-bl*), *n.* ভূমিকা।

pre-ca'-ri-ous (*kā'-ri-us*), *adj.* যিহৰ একো স্থিৰতা নাই, অনিশ্চিত।

pre-cau'-tion, *n.* সতৰ্কতা, সাৱধানতা।

pre-cede' (*-sēd'*), *v.* আগত বহা, আগলৈ যোৱা। pre-ce'-dence *or* pre-ce'-den-cy, *n.* পূৰ্ব্ববৰ্ত্তিতা, পদৰ উচ্চতা। prec'-e-dent (*pres'-*), *n.* নজিৰ, পূৰ্ব্বে কৰা বা চলি অহা নিয়ম। pre-ce'-dent (*prē-cē'*), *adj.* আগত থকা বা আগলৈ যোৱা।

pre-cen'-tor, *n.* যোনে গান ৰা গীত লগাই দিয়ে, মূল গায়ক।

pre'-cept (*-sept*), *n.* উপদেশ, বিধি, নিয়ম। pre-cep'-tor, *n.* উপদেষ্টা, গুৰু। pre-cep'-tive, *adj.*

pre'-cinct (*-sinkt*), *n.* সীমা, দাঁতিত থকা ৰেখা, আগুৰি ৰখা ঠাই।

pre'-cious (*presh'-us*), *adj.* বহু মূলীয়া, মৰমৰ, প্ৰিয়।

prec'-i-pice (*pres'-ī-pis-*), *n.* থিয় ঠাই, পৰ্ব্বতৰ দাঁতি। pre-cip'-i-tous, *adj.* থিয়, আকস্মিক। pre-cip'-i-tate, *v.* তললৈ নিক্ষেপ কৰা, হঠাৎ ঘটোৱা বা সম্পন্ন কৰা, খৰধৰ কৰা ; *adj.* তললৈ মূৰ হোৱা, খৰধৰ, বিবেচনা শূন্য। pre-cip-i-ta'-tion, *n.*

pré-cis (*prā'-sī*), *n.* (F.) (দলিল আদিৰ) সংক্ষিপ্ত বিৱৰণ। চমুটোকা।

pre-cise', *adj.* সঠিক, ঠাৱৰ। pre-ci'-sion (*-sish'-un*), *n.* নিশ্চয়তা, নিৰ্ভুলতা, সূক্ষ্মতা। pre-cise'-ly, *adv.* ঠাৱঠিকে, নিৰ্ভুলকৈ, সূক্ষ্মভাৱে।

pre-clude' (*-klūd*), *v.* নিবাৰণ কৰা, বাহিৰ কৰা, বাধা দিয়া। pre-clu'-sion, *n.* নিষেধ, নিবাৰণ, বাধা দান।

pre-co'-cious (*-kō'-shus*), *adj.* অকালত পকা, অতি চঞ্চল। pre-coc'-i-ty, *n.*

pre-con-cert', *v.* আগধৰি ঠিক কৰা।

pre-cur'-sor, *n.* আগবাঢ়ি যোৱা দূত, ভবিষ্যৎ ঘটনাৰ পূৰ্ব্ব লক্ষণ। pre-cur'-so-ry *or* pre-cur'-sive, *adj.*

pre-da'-ceous (*-shus*), *adj.* চিকাৰ-জীবী, লুটপুটি খোৱা। pred'-a-to-ry, *adj.* চিকাৰী, লুটপাটকাৰী।

pre-de-cess'-or, *n.* কোনো পদৰ বা কামৰ আগৰ জন।

pre-des'-ti-nate, *v.* (নিয়তিয়ে) আগেয়ে বিধান কৰা, আগেয়ে ঠিক কৰা। pre-des-ti-na'-tion, *n.* নিয়তিৰ বিধান, আগৰ নিৰ্দ্দেশ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

pre-dic'-a-ment, *n.* সঙ্কট অবস্থা, বিপদজনক অবস্থা।

pred'-i-cate, *v.* কাৰো বিষয়ে কোৱা; *n.* উক্তি, ক্রিয়াপদ।

pre-dict, *v.* ভবিষ্যতৰ কথা আগেয়ে কোৱা। pre-dic'-tion, *n.* ভবিষ্যদ্বাণী।

pre-di-lec'-tion, *n.* আগৰে পৰা ভাল পোৱা কাৰ্য্য বা অনুৰাগ, পক্ষপাতিত্ব।

pre-dom'-i-nant, *adj.* প্রবল, প্রধান। pre-dom'-i-nance, *n.* প্রাধান্য, প্রভুত্ব। pre-dom'-i-nate, *v* প্রবল হোৱা, প্রাধান্য বা প্রভুত্ব কৰা।

pref'-ace, *n.* ভূমিকা, পাতনি; *v.* ভূমিকা বা পাতনি দিয়া। pref'-a-to-ry, *adj.* ভূমিকা সম্বন্ধীয়।

pre'-fect, *n.* প্রধান বিষয়া, শাসনকর্ত্তা।

pre-fer', *v.* অধিক ভাল পোৱা, পছন্দ কৰা, বিচাৰৰ বাবে উপস্থিত কৰা। pref'-er-ence, *n.* অধিক আদৰ, পছন্দ। pre-fer'-ment, *n.* পদোন্নতি। pref'-er-a-ble, *adj.* অধিক ভাল, পছন্দ কৰিব লগীয়া। pref-er-en'-tial tar'-iff, *n.* আমদানি বস্তুৰ শুল্ক সম্বন্ধে কোনো বিশেষ ৰাজ্যৰ প্রতি অনুগ্রহ প্রদর্শন।

pre-fig'-ure, *v.* চিনেৰে বুজোৱা।

pre-fix', *v.* আগত বহুৱা বা ৰখা; *n.* উপসর্গ।

preg'-nant, *adj.* গর্ভবতী, অর্থপূর্ণ।

pre-his-tor'-ic, *adj.* প্রাগ্‌ ঐতিহাসিক।

prej'-u-dice, *n.* পক্ষপাত, নজনা নুশুনাকৈ কৰা সিদ্ধান্ত, অপকাৰ; *v.* পক্ষপাত কৰা, কুসংস্কাৰাপন্ন কৰা, অন্যায় ধাৰণা কৰাবলৈ মন লবোৱা, অনিষ্ট কৰা। prej-u-di'-cial (*-dish'-al*), *adj.* অনিষ্টজনক।

prel'-ate, *n.* উচ্চপদৰ ধর্ম্মযাজক, যেনে 'বিচপ'।

pre-lim'-i-na-ry, *adj.* প্রাথমিক; *n.* আৰম্ভণি, সূচনা।

pre'-lude, *n.* প্রস্তাবনা, আৰম্ভণি। pre-lude', *v.* প্রস্তাবনা কৰা।

pre'-ma-ture' (*prē'-mă-tūr* or *prem'-*), *adj.* অকালত পকা, অসাময়িক, নির্দ্দিষ্ট সময়ৰ আগেয়ে ঘটা বা হোৱা।

pre-med'-i-tate, *v.* আগেয়ে চিন্তা কৰা বা পাঙি থোৱা। pre-med-i-ta'-tion, *n.*

prem'-i-er, *adj.* প্রথম, প্রধান, শ্রেষ্ঠ; *n.* প্রধান মন্ত্রী।

prem'-ise (*-is*), *n.* প্রথমতে কোৱা বা ধৰিলোৱা কথা; *pl.* ঘৰ আৰু তাৰ চাৰিও ফালৰ ঠাই। pre-mise' (*-mīz'*), *v.* আগেয়ে নির্দ্দেশ কৰা; যুক্তিৰ মূলভিত্তি স্বৰূপে উপস্থিত কৰা প্রাথমিক কথা।

pre'-mi-um, *n.* বটা, পুৰস্কাৰ, বীমাৰ কাৰণে দিবলগা টকা, ব্যবসায় শিকিবলৈ বা ক্ষতি পুৰাবলৈ দিয়া টকা।

pre-mon'-i-to-ry, *adj.* আগেয়ে সতর্ক কৰা। pre-mon'-ish, *v.* আগেয়ে কৰা। pre-mon'-i-tor, *n.* যিয়ে আগেয়ে সতর্ক কৰে।

pre-oc'-cu-py, *v.* আগেয়ে অধিকাৰ কৰা, আগেয়ে মনোযোগ দিয়া বা মন লগা। pre-oc'-cu-pan-cy *or* pre-oc-cu-pa'-tion, *n.*

pre-pare', *v.* প্রস্তুত কৰা, শিকা, সাজু হোৱা। prep-a-ra'-tion, *n.*

pre-pon'-der-ate, *v.* অধিক গধুৰ হোৱা, অধিক বল বা ক্ষমতা পোৱা। pre-pon'-der-ance, *n.* ভাৰাধিক্য, শ্রেষ্ঠতা।

pre-pos-sess', *v.* আগেয়ে ভালমত পোষণ কৰা, আগেয়ে মনত লগা, আগেয়ে (হৃদয়) অধিকাৰ কৰা। pre-pos-ses'-sion, *n.* অনুকূলভাব।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

pre-pos'-ter-ous (*-us*), *adj.* অসঙ্গত, অসম্ভৱ, অস্বাভাবিক।

pre-rog'-a-tive, *n.* বিশেষ ক্ষমতা বা সুবিধা (ৰজা বা ৰাণীৰ)।

pres'-age, *n.* ভবিষ্যতৰ চিন বা লক্ষণ, যিহে ভবিষ্যত সূচনা কৰে। pre-sage', *v.* ভবিষ্যৎ কোৱা বা ভৱিষ্যতত কি হব বুজোৱা।

pres'-by-ter (*pres'-bi-*), *n.* পুৰোহিত, যাজক। pres-by-te'-ri-an, *adj.* যাজক সম্প্ৰদায় সম্বন্ধীয়।

pre-scribe', *v.* আদেশ কৰা, নিৰ্দ্দিষ্ট কৰা, ঔষধৰ ব্যবস্থা কৰা। pre-scrip'-tion, *n.* ব্যবস্থাপত্ৰ।

pres'-ence, (*pres'-*), *n.* উপস্থিতি, সন্নিধি।

pres'-ent, *adj.* উপস্থিত, বৰ্ত্তমান; *n.* বৰ্ত্তমান সময়, উপহাৰ, দান। pre-sent' (*-sent'*), *v.* উপস্থিত কৰা, ডাঙ্গি ধৰা, দেখুৱা, দিয়া, চিনাকি কৰোৱা। pres-en-ta'-tion, *n.* দিয়া কাৰ্য্য, আগত ডাঙ্গি ধৰা কাৰ্য্য, কোনো উপহাৰ, পুৰস্কাৰ বা অন্য দান সকলোৰে আগত সমৰ্পণ, গীৰ্জ্জাৰ যাজক নিযুক্ত কৰাৰ অধিকাৰ বা নিয়োগ। pres'-ent-ly, *adv.* তৎক্ষণাৎ,ততালিকে।

pre-sen'-ti-ment, *n.* আগেয়ে হোৱা অনুভৱ বা ধাৰণা, বিপদৰ আশঙ্কা।

pre-serve' (*zerv'*), *v.* ৰক্ষা কৰা, বঢ়োৱা, নষ্ট হবলৈ নিদিয়া; *n.* আচাৰ, মছলা-পাতি দি নষ্ট নোহোৱাকৈ ৰখা ফল আদি। pres-er-va'-tion, *n.* pre-ser'-va-tive, *adj.* ৰক্ষা কৰিব পৰা; *n.* যিহে নপচাকৈ বা নষ্ট হবলৈ নিদিয়াকৈ ৰাখিব পাৰে।

pre-side' (*-zid'*), *v.* সভাপতি হোৱা, তত্ত্বধান কৰা। pres'-i-dent, *n.* সভাপতি। pres-i-den'-tial, *adj.*

press, *v.* চেপা, হেঁচা মৰা, সাবটি ধৰা, আলিঙ্গন কৰা, জোৰ দি ধৰা; *n.* ছপাখানা, মুদ্ৰাযন্ত্ৰ, বাতৰি কাকত, জুম, হেঁচা। pres'-sure (*presh'-ur*), *n.* হেঁচা, ভাৰ।

pres-tige' (*-tesh'*), *n.* (L.) সম্ভ্ৰম, মৰ্য্যাদা, প্ৰতিপত্তি।

pre-sume' (*-zum'*), *v.* ধৰি লোৱা, সঁচা বুলি অনুমান কৰা, কল্পনা কৰা, সাহ কৰি আগ বাঢ়া। pre-sump'-tion, (*-zump'-*), *n.* অনুমান, সম্ভাবনা, মৰসাহ, ধৃষ্টতা। pre-su'-ma-ble, *adj.* সঁচা বুলি অনুমান কৰিব লগীয়া। pre-sump'-tive, *adj.* আনুমানিক। pre-sump'-tu-ous, *adj.* দুঃসাহসী, নিৰ্ভীক, গপাল।

pre-tend', *v.* মিছা দাবি কৰা, ছল কৰা, ভাও ধৰা। pre-tence', *n.* ছল, ভাও। pre-ten'-sion, *n.* মিছা দাবি। pre-ten'-tious (*-shus*), *adj.* ছল পূৰ্ণ, মিছা দাবি পূৰ্ণ, দাম্ভিক।

pre'-text, *n.* ছল, চেলু, ফাকটি।

pret'-ty, *adj.* ধুনীয়া। pret'-ti-ly, *adv.*

pre-vail', *v.* প্ৰবল হোৱা, চলিত থকা; -over, পৰাজয় কৰা বা সুবিধা কৰা; -on, প্ৰত্যয় জন্মোৱা, কৃতকাৰ্য্য হোৱা। prev'-a-lent, *adj.* চলিত, প্ৰবল, সাধাৰণ। prev'-a-lence *or* -len-cy, *n.* প্ৰবলতা, প্ৰাধান্য, চলন্তি।

pre-var'-i-cate, *v.* লুকুৱাবলৈ চেষ্টাকৰা, বাক্ চতুৰালি কৰা, দ্ব্যৰ্থক কথা কোৱা, উত্তৰ দিয়াৰ সময়ত সঁচা কথা এৰাবলৈ চেষ্টা কৰা।

pre-vent', *v.* বাধা দিয়া। pre-ven'-tion, *n.* বাধা।

pre'-vi-ous, *adj.* আগৰ, আগেয়ে ঘটা।

prey (*prā*), *n.* চিকাৰ, লুট; *v.* লুট

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

কৰা, চিকাৰ কৰা বা ধৰি খোৱা। (*with* on), ক্ৰমে ক্ৰমে ক্ষীণ বা দুৰ্ব্বল কৰা।

price, *n.* মূল্য, দৰ, দাম। price'-less, *adj.* অমূল্য, বহুমূল্যৰ।

prick, *n.* জোঙা বস্তু ; *v.* বিন্ধা, হুল ফুটা। prick'-le, *n.* কাঁইট, হুল। prick'-ly, *adj.* কাঁইটীয়া।

pride, *n.* অহঙ্কাৰ, আত্মমৰ্য্যাদা, গৌৰব, তেজ, সমৃদ্ধি ; *v.* অহঙ্কাৰ বা গৌৰব কৰা, বহুমূল্যৰ বুলি ভাবা।

priest (*prēst*), *n.* পুৰোহিত, ধৰ্ম্মযাজক। priest'-hood, *n.* পুৰোহিতালি, পুৰোহিত মণ্ডলী।

prim, *adj.* পৰিপাটি।

pri'-mal, *adj.* আদিম, সৰ্ব্বপ্ৰধান বা প্ৰথম।

pri'-ma-ry, *adj.* প্ৰাথমিক, প্ৰধান pri'-ma-ri-ly, *adv.* প্ৰধানকৈ।

pri'-mate (*prī'-*), *n.* ইংলণ্ডৰ সৰ্ব্বপ্ৰধান পুৰোহিত। pri'-ma-cy, *n.* প্ৰধান পুৰোহিতৰ পদ।

prime, *adj.* প্ৰথম বা প্ৰধান, আটাইতকৈ ভাল ; *n.* ঊষা, আৰম্ভ, যৌবন, পূৰ্ণস্বাস্থ্য বা সৌন্দৰ্য্য ; *v.* বন্দুক আদি মাৰিবলৈ সাজু কৰা, খবৰ যোগোৱা, যি কবলগীয়া থাকে তাক কোৱা।

prim'-er (*prī'-mer*), *n.* লৰাছোৱালীৰ প্ৰথমে পঢ়া কিতাপ।

pri-me'-val, *adj.* আদিম, প্ৰাথমিক।

prim'-i-tive (*-tiv*), *adj.* আদিম, আগৰ কালৰ, প্ৰাচীন, পুৰণিধৰণৰ।

prim'-rose, *n.* বসন্ত কালৰ আদিতে ফুলা এবিধ ফুল।

prince, *n. m.* ৰজা, ৰাজকোঁৱৰ, ৰাজ-বংশত জন্মা বা ডাঙৰ মানুহ। prin'-cess, *n. f.* prince'-ly, *adj.* ৰজাৰ উপযুক্ত।

prin'-ci-pal, *adj.* প্ৰধান, শ্ৰেষ্ঠ ; *n.* অধ্যক্ষ। prin-ci-pal'-i-ty, *n.* ৰাজকোঁৱৰ বা সৰু ৰজাৰ শাসনৰ অধীনত থকা ৰাজ্য।

prin'-ci-ple, *n.* মূলনীতি, মূলকাৰণ, কাৰ্য্যৰ নিৰ্দ্দিষ্ট নিয়ম।

print, *v.* ছপা কৰা, হেঁচি চিন বহুৱা ; *n.* চিন, ছাব। print'-er, *n.* ছপা কৰোঁতা। print'-ing, *n.* ছপা কাৰ্য্য।

pri'-or, *adj.* (L.) আগৰ ; *n.* (*f.* pri'-or-ess), মহন্ত, (মঠ বা সত্ৰৰ)। pri-or'-i-ty, *n.* শ্ৰেষ্ঠতা, আগ। pri'-or-y, *n.* মঠ, সত্ৰ।

pris'-on (*priz'-*), *n.* কাটেক, বন্দীশাল। pris'-on-er, *n.* বন্দী, কাটেকিয়াল।

pris'-tine (*-tin*), *adj.* আদিম, প্ৰাচীন।

pri'-vate, *adj.* গোপনীয়, গুপ্ত, নিৰ্জ্জন, নিজৰ, চৰ্কাৰী নহয় ; *n.* সাধাৰণ সৈন্য। pri'-va-cy (*-vă-si*), *n.* নিৰ্জ্জনতা, নিৰ্জ্জন ঠাই, গোপন। pri-va-teer', *n.* চৰ্কাৰী নহয় এনে যুদ্ধৰ জাহাজ।

pri-va'-tion, *n.* খোৱা বস্তু আদিৰ অভাব, দুখ, বঞ্চিত অবস্থা, দৈন্য।

priv'-i-lege (*-lej*), *n.* বিশেষ অধিকাৰ, সুবিধা বা অনুগ্ৰহ, বিশেষ ক্ষমতা ; *v.* বিশেষ সুবিধা বা সুযোগ দিয়া।

priv'-y, *adj.* গোপনীয়, গুপ্ত ; *n.* গোপনীয় ঘৰ, পাইখানা। priv'-i-ly, *adv.* গোপনে, মনে মনে।

prize, *n.* বলেৰে কাঢ়ি লোৱা বস্তু বা শত্ৰুৰ জাহাজ, চিঠি খেলত পোৱা ধন, মূল্যবান বস্তু, বটা বা পুৰস্কাৰ ; *v.* মূল্য থিৰ কৰা, মূল্যবান বুলি ভাবা, আদৰ কৰা।

prob'-a-ble, *adj.* সম্ভৱপৰ। prob-a-bil'-i-ty, *n.* সম্ভাবনা।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

pro'-bate, *n.* আদালতত 'উইল'ৰ প্ৰমাণ, প্ৰমাণ হোৱা উইলৰ নকল। pro-ba'-tion, *n.* পৰীক্ষা, যিথিনি সময় পৰীক্ষা কৰি লোৱাৰ বাবে ৰখা হয়। pro-ba'-tion-er, *n.* গুণাগুণ পৰীক্ষা কৰি চাবলৈ যাক ৰখা হয়।

probe, *v.* শলাৰে পৰীক্ষা কৰা, ভালকৈ অনুসন্ধান কৰি চোৱা; *n.* ঘা আদি পৰীক্ষা কৰা শলা (ডাক্তৰৰ এবিধ সজুলি)।

prob'-i-ty, *n.* সাধুতা, সৰলতা।

prob'-lem, *n.* সম্পাদ্য, কঠিন বিষয়।

pro-bos'-cis (*-sis*), *n.* (*pl.* cides) (L.) হাতীৰ শুৰ।

pro-ceed', *v.* অগ্ৰসৰ হোৱা, আগ বঢ়া, যোৱা, উৎপন্ন হোৱা। pro-ce'-dure, *n.* কাৰ্য্য, কাৰ্য্য প্ৰণালী, গৃহীত উপায়, মোকৰ্দ্দমা পৰিচালনা কৰা কাৰ্য্য। pro-ceed'-ing, *n.* কাৰ্য্য, অবলম্বন কৰা উপায়; *pl.* কাৰ্য্য বিবৰণী। pro'-ceeds, *n. pl.* পোৱা ধন, লাভ, উৎপন্ন বস্তু।

proc'-ess, *n.* কাম কৰা নিয়ম, অঙ্ক কৰা নিয়ম, ক্ৰমিক গতি।

pro-ces'-sion (*-sesh'-un*), *n.* শোভা-যাত্ৰা।

pro-claim', *v.* ঘোষণা কৰা, প্ৰচাৰ কৰা। proc-la-ma'-tion, *n.* ঘোষণা, ইস্তাহাৰ।

pro-cliv'-i-ty, *n.* এঢলীয়া ঠাই, প্ৰবৃত্তি, ঢাল বা টান।

pro-cras'-ti-nate, *v.* পলম কৰা, কাম কৰিম কৰিম বুলি কাল কটোৱা। pro-cras-ti-na'-tion, *n.* দীৰ্ঘসূত্ৰতা, হামাহি।

proc'-tor, *n.* প্ৰতিনিধি, মোকৰ্দ্দমাৰ তদ্বিৰ দিওঁতা, বিশ্ববিদ্যালয়ৰ শৃঙ্খলাৰক্ষক কৰ্ম্মচাৰী।

pro-cure', *v.* পোৱা, সংগ্ৰহ কৰা বা গোটোৱা, ঘটোৱা।

prod'-i-gal, *adj.* অমিতব্যয়ী, খৰচী, অপৰিমিত দানশীল; *n.* অমিতব্যয়ী বা খৰচী লোক।

prod'-i-gy (*-ji*), *n.* অদ্ভুত বিষয়, অলৌকিক বিষয় বা বস্তু, অতি আচৰিত ঘটনা। pro-dig'-ious (*-dij'-us*), *adj.* অদ্ভুত, আচৰিত, বৃহৎ, বিশাল।

pro-duce', *v.* উপস্থিত কৰা, উৎপাদন কৰা, জন্মোৱা, বঢ়াই দিয়া। prod'-uce *or* prod'-uct, *n*, উৎপন্ন বস্তু, ফল, কাৰ্য্য, ৰচনা, পুৰণ ফল। pro-duc'-tion, *n.* বঢ়াই দিয়া কাৰ্য্য, প্ৰদৰ্শন, উৎপাদন, ফল। pro-duc'-tive, *adj.* ফল দিয়া, ফলান, সাৰুৱা, লাভজনক।

pro-fane', *adj.* অপবিত্ৰ, সাংসাৰিক; *v.* অপবিত্ৰ বা অশুচি কৰা, পাৱণ্ডৰ নিচিনা আচৰণ কৰা। pro-fan'-i-ty, *n.* অশ্লীলতা, অপবিত্ৰ কথা, পাষণ্ড ভাব।

pro-fess', *v.* কোৱা বা প্ৰকাশ কৰা, সকলোৰে আগত স্বীকাৰ কৰা, অভিজ্ঞ বুলি প্ৰকাশ কৰা। pro-fes'-sion (*-fesh'-un*), *n.* স্বীকাৰ বা প্ৰকাশ কৰা উক্তি, ব্যৱসায়, বৃত্তি। pro-fes'-sor, *n.* অধ্যাপক, পণ্ডিত। pro-fes'-sion-al, *adj.* ব্যৱসায় হিচাবে কৰা, দৰ্মহাখোৱা।

prof'-fer, *v.* দিব খোজা, যাচা, প্ৰস্তাৱ কৰা।

pro-fi'-cient (*-fish'-ent*), *adj.* নিপুণ, পটু, যোগ্যতা থকা। pro-fi'-cien-cy, *n.* পাৰ্গতালি, নিপুণতা।

pro'-file (*-fil* or *-fel*), *n.* আঁচনি, মুখৰ এফলীয়া ছবি।

prof'-it, *n.* লাভ, সুবিধা, উপকাৰ; *v.* লাভ কৰা বা লাভবান হোৱা। prof'-it-a-ble, *adj.* লাভজনক, উপকাৰী।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

prof'-li-gate, *adj.* লম্পট্, অতি দুষ্ট, নিলাজ, ভ্ৰষ্ট। prof'-li-ga-cy (-*si*), *n.*

pro-found', *adj.* দ, গভীৰ, নিগূঢ়, বিনীত। pro-fun'-di-ty, *n.* গভীৰতা, নিগূঢ়তত্ত্ব।

pro-fuse' (-*fūs'*), *adj.* প্ৰচুৰ, অতি দানশীল, অমিতব্যয়ী। pro-fu'-sion, *n.* প্ৰচুৰতা, অমিতব্যয়িতা।

pro-gen'-i-tor, *n.* পূৰ্ব্বপুৰুষ, আদিপুৰুষ।

prog'-en-y (*proj'-en-i*), *n.* সন্তানসন্ততি, বংশ।

prog-nos'-ti-cate, *v.* ভবিষ্যতৰ মঙ্গল অমঙ্গল কোৱা বা বুজোৱা। prog-nos-ti-ca'-tion, *n.*

pro'-gram *or* **pro'-gramme**, *n.* কৰিব লগীয়া কামৰ তালিকা বা বিবৰণ।

pro'-gress, *n.* উন্নতি, বৃদ্ধি। pro-gress', *v.* উন্নতি কৰা, আগ বঢ়া। pro-gress'-ive, *adj.* উন্নতিশীল, ক্ৰমে বাঢ়া।

pro-hib'-it, *v.* নিষেধ কৰা, বাধা দিয়া। pro-hi-bi'-tion, *n.* নিষেধ, বাধা। pro-hib'-i-tive *or* pro-hib'-i-to-ry, *adj.*

pro-ject', *v.* বাহিৰলৈ আগবাঢ়ি থোৱা, আগলৈ দলিয়াই দিয়া, বুদ্ধি সজা, কল্পনা কৰা, ভাবি উলিওৱা, নক্সাৰ আঁচনি কৰা। proj'-ect, *n.* কল্পনা, অভিপ্ৰায়, নক্সা। pro-jec'-tile, *n.* 'বল', গুলি, শিলগুটি আদি—বিহক শূন্যত মাৰি পঠিওৱা হয়। pro-jec'-tion, *n.*

pro-le-ta'-ri-an *or* **-at**, *n.* ইতৰ তৰপৰ মানুহ।

pro-lif'-ic, *adj.* ফলান, ফলবান, বহু সন্তান জন্মোৱা।

pro'-logue (-*lŏg*), *n.* নাটকৰ প্ৰস্তাবনা।

prom-en-ade' (-*ād'*), *n.* আনন্দৰ ভ্ৰমণ, ৰঙ্গেৰে ফুৰা ঠাই; *v.* ৰঙ্গমনেৰে ফুৰা।

prom'-i-nent, *adj.* স্পষ্ট, ফটফটীয়া, বিখ্যাত, প্ৰসিদ্ধ, ওখ, সকলোৱে দেখিব পৰা। prom'-i-nence, *n.* উচ্চতা, স্পষ্টতা, প্ৰসিদ্ধি।

pro-mis'-cu-ous (-*kū-us*), *adj.* সানমিহলি, সকলো ৰকমৰ। pro-mis-cu'-i-ty, *n.*

prom'-ise, *n.* প্ৰতিজ্ঞা, আশ্বাসবাক্য; *v.* প্ৰতিজ্ঞা কৰা, আশ্বাস দিয়া। prom'-is-ing, *adj.* আশা থকা। prom'-is-so-ry, *adj.* অঙ্গীকাৰ থকা।

prom'-on-to-ry, *n.* অন্তৰীপ।

pro-mote', *v.* ওপৰ খাপলৈ তোলা, পদৰ উন্নতি কৰা, বঢ়োৱা, স্থাপন কৰা (যেনে বেপাৰৰ বাবে কোনো কোম্পানি)। pro-mo'-tion, *n.* পদোন্নতি, উন্নতি। po-mo'-ter, *n.* কোনো যুটীয়া কাৰবাৰ স্থাপন কৰোঁতা, উন্নতিত সহায় কৰোঁতা।

prompt, *adj.* খৰটকীয়া, তৎপৰ, ততালিকে কাম কৰা, উদ্যোগী; *v.* কোনো কাম কৰিবলৈ উদগাই দিয়া, (ভাৱৰীয়াৰ বচন) সোঁৱৰাই দিয়া। promp'-ti-tude, *n.* তৎপৰতা, ক্ষিপ্ৰতা।

prom'-ul-gate, *v.* প্ৰচাৰ কৰা, ঘোষণা কৰা, মুক্তকণ্ঠে প্ৰকাশ কৰা। prom-ul-ga'-tion, *n.* প্ৰচাৰ, প্ৰকাশ।

prone, *adj.* তলমুখ, নত, নম্ৰ, ইচ্ছুক, প্ৰবৃত্তি থকা।

pro-nounce', *v.* উচ্চাৰণ কৰা, কোৱা, বিচাৰ কৰি কোৱা। pro-nun-ci-a'-tion, *n.* উচ্চাৰণ, উচ্চাৰণৰ ধৰণ। pro-nounce'-ment, *n.* আইনমতে প্ৰকাশ, ঘোষণা।

proof, *n.* প্ৰমাণ, পৰীক্ষা, দৃঢ়তা, ছাপাৰ শুদ্ধাশুদ্ধ চাবলৈ দিয়া আহিকাকত; *adj.* অভেদ্য, দৃঢ়, (লোভ) সামৰিব পৰা।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

prop, *n.* খুটা, অবলম্বন।
prop-a-gan'-da, *n.* ধৰ্ম্ম বা ৰাজনীতি সম্বন্ধীয় প্ৰচাৰ কাৰ্য্য চলোৱা ব্যৱস্থা বা সঙ্ঘ।
prop'-a-gate, *v.* কোনো মত প্ৰচাৰ কৰা, জন্মোৱা বা বংশ বৃদ্ধি কৰা, বিস্তাৰিত কৰা। prop-a-ga'-tion, *n.* বংশবৃদ্ধি, বিস্তাৰ।
pro-pel', *v.* আগলৈ ঠেলি দিয়া, চলোৱা, হেঁচা। pro-pel'-ler, *n.* যিহে আগলৈ ঠেলি দিয়ে, জাহাজ চলোৱা চকা।
pro-pen'-si-ty, *n.* স্বাভাবিক প্ৰবৃত্তি বা ইচ্ছা (বিশেষকৈ কুকামলৈ)।
prop'-er, *adj.* নিজৰ, ঠিক, উপযুক্ত, ন্যায়সঙ্গত, প্ৰকৃত। prop'-er-ty, *n.* নিজৰ গুণ বা ধৰ্ম্ম, স্বত্ব, সম্পত্তি।
proph'-et (*prof'-*), *n.* ভৱিষ্যত বক্তা, ঈশ্বৰৰ আদেশ ব্যাখ্যা কৰোঁতা। pro-phet'-ic (-al), *adj.* ভৱিষ্যত বুজোৱা। proph'-e-cy (*-si*), *n.* ভৱিষ্যত বাণী। proph'-e-sy (*-si*), *v.* ভৱিষ্যৎ কথা কোৱা।
pro-pi'-ti-ate (*-shi-*), *v.* প্ৰসন্ন কৰা, সন্তুষ্ট কৰা, পৰাচিত কৰা। pro-pi-ti-a'-tion, *n.* প্ৰসন্ন বা সন্তুষ্ট কৰা কাৰ্য্য, পৰাচিত। pro-pi'-ti-a-to-ry, *adj.* পৰাচিত সম্বন্ধীয়। pro-pi'-tious (*-pi'-shus*), *adj.* অনুকূল, সন্তুষ্ট, প্ৰসন্ন, শুভ।
pro-por'-tion, *n.* সংখ্যা, আকৃতি বা পৰিমাণৰ পৰস্পৰ সম্বন্ধ, সমানুপাত; *v.* সমানুপাত কৰা।
pro-pose' (*-pōs'*), *v.* প্ৰস্তাব কৰা, বিয়াৰ ইচ্ছা প্ৰকাশ কৰা। pro-po'-sal, *n.* প্ৰস্তাৱ, নিবেদন। prop-o-si'-tion (*-zish'-un*), *n.* প্ৰস্তাবিত কথা, প্ৰতিজ্ঞা।
pro-pound', *v* প্ৰস্তাব কৰা, বিবেচনাৰ বাবে উত্থাপন কৰা, প্ৰকাশ কৰা।
pro-pri'-e-tor, *n.* গৰাকী, মালিক। pro-pri'-e-ta-ry, *adj.*
pro-pri-e'-ty, *n.* উপযুক্ততা, শিষ্টাচাৰ।
pro-pul'-sion, *n.* ঠেলা, হেঁচা, কল চলোৱা কাৰ্য্য।
pro-rogue (*-rōg'*), *v.* স্থগিত ৰখা, কিছুদিনলৈ পিছ হোহোকাই নিয়া (বিশেষকৈ পাৰ্লিয়ামেণ্ট)। pro-ro-ga'-tion, *n.*
pro-scribe', *v.* আইনৰ আশ্ৰয়ৰ পৰা বঞ্চিত কৰা, দণ্ডনীয় বুলি ঘোষণা কৰা, নিষেধ কৰা। pro-scrip'-tion, *n.*
prose (*prōz*), *n.* গদ্য। pro-sa'-ic, *adj.* গদ্যৰ নিচিনা নীৰস।
pros'-e-cute, *v.* চলাই থকা, অনুসৰণ কৰা, আদালতত অভিযুক্ত কৰা, কাৰো বিৰুদ্ধে ফৌজদাৰী মোকৰ্দ্দমা চলোৱা। pros-e-cu'-tion, *n.* pros'-e-cu-tor, *n.* যোনে অভিযোগ কৰে, বাদী।
pros'-e-lyte (*-līt*), *n.* নিজধৰ্ম্ম এৰি আন ধৰ্ম্ম লওঁতা। pros'-e-ly-tize, *v.* আন-ধৰ্ম্মত দীক্ষা দিয়া।
pros'-o-dy, *n.* ছন্দপ্ৰকৰণ, ছন্দশাস্ত্ৰ।
pros'-pect, *n.* সন্মুখলৈ চোৱা কাৰ্য্য, সন্মুখত থকা দৃশ্য বা ভূভাগ, ভৱিষ্যত আশা; *v.* (খনিজ ধাতু) অনুসন্ধান কৰা, উলিয়াবলৈ চেষ্টা কৰা। pros-pec'-tive, *adj.* ভাবী, ভৱিষ্যতৰ। pros-pec'-tus, *n.* কোনো অনুষ্ঠানৰ সংক্ষিপ্ত বিবৰণ, অনুষ্ঠান পত্ৰ।
pros'-per, *v.* কৃতকাৰ্য্য হোৱা বা কৰা, উন্নতি কৰা, শ্ৰীবৃদ্ধি কৰা। pros-per'-i-ty, *n.* উন্নতি, সৌভাগ্য, সমৃদ্ধি। pros'-per-ous (*-us*), *adj.* সৌভাগ্য-শালী, উন্নতিশীল।
pros'-trate, *adj.* সাষ্টাঙ্গে প্ৰণত, দীঘল দি পৰা, (শোক, বেমাৰ আদিৰ বাবে)

CC-0. In Public Domain. Gurukul Kangri Collection, Harid...

Digitized by Arya Samaj Foundation Chennai and eGangotri

অৱসন্ন বা নিস্তেজ ; *v.* মাটিত দীঘল দি পেলোৱা, শোক তাপ বেমাৰ আদিয়ে পাৱা বা অৱসন্ন কৰা। pros-tra'-tion, *n.* সাষ্টাঙ্গে প্ৰণাম, অৱসন্নতা, ক্ষীণতা।

pro-tect', *v.* ৰক্ষা কৰা, বিপদৰ পৰা উদ্ধাৰ কৰা। pro-tec'-tion, *n.* ৰক্ষা, বিপদৰ পৰা উদ্ধাৰ কৰা কাৰ্য্য, আশ্ৰয়, স্বদেশী শিল্পীৰ সুবিধাৰ বাবে বিদেশৰ আমদানি বাণিজ্যৰ বস্তুৰ ওপৰত কৰ বহুৱা কাৰ্য্য। pro-tec'-tor, *n.* ৰক্ষক, আশ্ৰয়দাতা। pro-tec'-tion-ist, *n.* অবাধ বাণিজ্যৰ বিৰোধী। pro-tec'-tive, *adj.*

pro-te-ge' (*prō-tā-zhā'*), *n.* (F.) আশ্ৰিত বা শৰণাগত লোক।

pro-test', *v.* দৃঢ়ভাবে সৈতে কোৱা, দৃঢ়ভাবে সৈতে প্ৰতিবাদ কৰা। pro'-test, *n.* যোৰ প্ৰতিবাদ।

Prot'-es-tant, *n.* ৰোমান কেথলিক ধৰ্ম্মৰ বিৰোধী খৃষ্টান্।

pro'-to-col, *n.* সন্ধিপত্ৰ বা দলিল আদিৰ পাণ্ডুলিপি বা মোচাবিদা।

pro'-to-plasm, *n.* মৌলিক জীৱনী পদাৰ্থ।

pro'-to-type, *n.* আদৰ্শ, আৰ্হি, মূল।

pro-tract', *v.* বেলি কৰা, দীঘলোৱা, পলম কৰা। pro-tract'-or, *n.* কোণ জোখা সজুলি।

pro-trude', *v.* আগলৈ ঠেলা, বাহিৰ হৈ ওলোৱা। pro-tru'-sion (*-zhun*), *n.*

pro-tu'-ber-ance, *n.* ওখ হৈ উঠা অংশ, ফুলি উঠা অংশ।

proud, *adj.* অহঙ্কাৰী, অভিমানী, গৰ্ব্বী, উদ্ধত, দুৰ্দ্দান্ত।

prove (*proov*), *v.* পৰীক্ষা কৰা, প্ৰমাণ কৰা, (উইল আদি) পৰীক্ষা কৰি চাই সাব্যস্ত কৰা।

prov'-en-der, *n.* গৰু ম'হ আদিৰ খাদ্য, যেনে শুকান ঘাঁহ, দানা।

prov'-erb, *n.* দৃষ্টান্ত, পটন্তৰ, চলিত নীতি বাক্য। pro-ver'-bi-al, *adj.* সকলোৱে জনাশুনা।

pro-vide', *v.* সাজু কৰা, যোগোৱা, তৈয়াৰ কৰা, বন্দোবস্ত কৰা। prov'-i-dent, *adj.* পৰিণামদৰ্শী, মিতব্যয়ী, ভৱিষ্যতৰ বাবে সতৰ্ক। prov'-i-dence, *n.* ভৱিষ্যতলৈ বন্দোবস্ত, মিতব্যয়, ঈশ্বৰৰ পৰিণামদৰ্শিতা বা বিধান, বিধাতা। prov-i-den'-tial (*-shal*), *adj.* দৈৱকৃত, ঐশ্বৰিক।

prov'-ince, *n.* প্ৰদেশ, নগৰৰ পৰা দূৰৈত থকা ঠাই, নিজৰ অধিকাৰ বা আমোল, কৰ্ত্তব্য কাম। pro-vin'-cial (*-shal*), *adj.*

pro-vi'-sion, (*-vizh'-un*), *n.* আগেয়ে কৰা বন্দোবস্ত, বিধান বা ব্যৱস্থা ; *pl.* খাদ্য-সামগ্ৰী। pro-vi'-sion-al (-a-ry), *adj*, সাময়িক, অস্থায়ী।

pro-vi'-so (*-vi'-zo*), *n.* একৰাৰৰ কোনো বিশেষ স্বত্ব, চুক্তি, বিশেষ নিয়ম।

pro-voke', *v.* খং তোলা, জোকোৱা, উত্তেজিত কৰা। prov-o-ca'-tion, *n.* খং, ক্ৰোধ, ক্ৰোধৰ কাৰণ, উত্তেজনা।

prov'-ost, *n.* স্কটল্যাণ্ডৰ প্ৰধান ম্যাজিষ্ট্ৰেট, কলেজৰ অধ্যক্ষ, ধৰ্ম্মমন্দিৰৰ প্ৰধান অধিকাৰী, পৰিদৰ্শক।

prow, *n.* জাহাজৰ আগভাগ।

prow'-ess, *n.* সাহস, বীৰ্য্য, পৰাক্ৰম।

prowl, *v.* চিকাৰ বিচাৰি মনে মনে ফুৰা ; *n.*

prox'-i-mate, *adj.* ওচৰ, প্ৰায়। prox-im'-i-ty, *n.*

prox'-i-mo, *adj.* (L.) অহামাহৰ।

prox'-y, *n.* প্ৰতিনিধি।

prude, *n.* কপটীয়া তিৰোতা

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

pru′-dent, *adj.* বিবেচক, বিজ্ঞ, মিতব্যয়ী, সাবধান। pru′-dence, *n.* পৰিণামদৰ্শিতা, বিজ্ঞতা, মিতব্যয়িতা, সাবধানতা। pru-den′-tial, *adj.* সুবিবেচিত।

prune (*proon*), *v.* ঠানি বা ডাল কটা, আগকাটি পৰিষ্কাৰ কৰা, ঠোঁটেৰে পাখি পৰিষ্কাৰ কৰা; *n.* বগৰী (বিশেষকৈ শুকান)।

pry, *v.* কৌতূহলেৰে চোৱা, সূক্ষ্মভাবে পৰীক্ষা কৰি চোৱা।

psalm (*säm*), *n.* ধৰ্ম্ম-সঙ্গীত। psal′-mist, *n.* ধৰ্ম্ম-সঙ্গীত ৰচোঁতা। psal′-mo-dy, *n.* ধৰ্ম্ম-সঙ্গীত বিদ্যা, সঙ্গীতাবলী।

psal′-ter (*säl′-*), *n.* স্তুবৰ পুথি।

pseu′-do, *adj.* কল্পিত, মিছা। pseu′-do-nym (*sū′-dō*), *n.* কল্পিত নাম।

psy-chol′-o-gy (*sī-kol′-*), *n.* মনোবিজ্ঞান। psy-cho-log′-ic (-al), *adj.*

pub′-lic, *adj.* ৰাজহুৱা, সকলোৰে জনা শুনা; *n.* সৰ্ব্বসাধাৰণ। pub′-li-can, *n.* হোটেলৰ মালিক, পূৰণি ৰোমৰ কৰ গোটাওঁতা। pub-li-ca′-tion, *n.* প্ৰচাৰ, প্ৰকাশ, প্ৰকাশিত কিতাপ আদি। pub-lic′-i-ty (*-lis-*), *n.* সৰ্ব্বসাধাৰণৰ ভিতৰত প্ৰচাৰ বা প্ৰকাশ, প্ৰসিদ্ধি।

pub′-lish, *v.* প্ৰচাৰ বা প্ৰকাশ কৰা, ছপাই বাহিৰ কৰা।

puck′-er, *v.* জাপা, ভাঁজ কৰা; *n.* জাপ, ভাঁজ, গোলমলীয়া অবস্থা।

pud′-ding, *n.* পীঠাগুড়ি, এৰগালীৰ, কণী কিচমিচ আদিৰে ৰন্ধা খাদ্য, এবিধ পায়স।

pud′-dle, (*-dl*), *n.* বোকাপানীৰ সৰু ডবা *v.* বোকাময় বা ঘোলা কৰা।

pu′-er-ile, *adj.* লৰাৰ উপযুক্ত, অবুজ। pu-er-il′-i-ty, *n.* লৰালি।

puff, *n.* হঠাৎ জোৰেৰে ওলোৱা উশাহ, হঠাৎ বলা এছাটি বতাহ; মুখৰ পৰা এবাৰত ওলোৱা ধোঁৱা, এবিধ পীঠা, *v.* ফু দিয়া, বলা, টানকৈ উশাহ লোৱা; (*usually with* up) অহঙ্কাৰত ওফন্দি পৰা।

pu′-gil-ist (*-jil-*), *n.* মুঠিৰে যুঁজ কৰোঁতা, মল্লযোদ্ধা।

pug-na′-cious (*-shus*), *adj.* যুদ্ধপ্ৰিয়, দন্দুৱা। pug-nac′-i-ty (*-nas′-*), *n.*

pull, *v.* জোৰেৰে টানা, চিঙা (ফল, ফুল আদি); *n.* টান।

pul′-let, *n.* সৰু কুকুৰা, কুকুৰা পোৱালী।

pul′-ley, *n.* (ওপৰত জৰী লগাই বস্তু টানিবলৈ) গিলা, ঘুৰ্ঘুৰী চকৰী।

pul′-mon-a-ry, *adj.* হাওফাও সম্বন্ধীয়।

pulp, *n.* মজ্জা, শাঁহ, কাগজ তৈয়াৰ কৰাৰ উপাদান। pul′-py, *adj.* শাঁহ থকা, কোমল।

pul′-pit, *n.* পুৰোহিত বহা ওখ ধাপ বা আসন।

pul′-sate, *v.* ধপ্ ধপ্ কৰা, স্পন্দন কৰা। pul-sa′-tion, *n.* ধপ্‌ধপ্‌নি, স্পন্দন। pulse, *n.* নাড়ী, দালি; *v.* ধপ্ ধপ্ কৰা।

pul′-ver-ize, *v.* গুড়ি কৰা বা হোৱা।

pump, *n.* দমকল, বতাহ দিয়া যন্ত্ৰ, পাতল তলাৰ জোতা।

pump′-kin, *n.* লাউ কোমোৰা।

pun, *n.* একে উচ্চাৰণৰ বেলেগ বেলেগ অৰ্থ থকা শব্দৰ প্ৰয়োগৰ ধেমালি, শ্লেষ; *v.* শব্দৰ প্ৰয়োগত ধেমালি কৰা।

punch, *n.* মুদ্ৰাত সাঁচ মৰা বা বিন্ধা দিয়া যন্ত্ৰ বিশেষ, বিন্ধনা, ভুকু, মদ, গৰম পানী, চেনি, নেমুটেঙা আদি মিহলাই তৈয়াৰ কৰা এবিধ সৰবৎ; *v.* ছিদ্ৰ বা ফুটা কৰা, ভুকু মাৰা।

punc-til′-i-ous, (*-us*), *adj.* ব্যৱহাৰ বা আচৰণত ঠিক, সৰু বিষয়তো মনোযোগী।

CC-0. In Public Domain. Gurukul Kangri Collection, Harid...

Digitized by Arya Samaj Foundation Chennai and eGangotri

punc'-tu-al, *adj.* ঠিক সময়ত উপস্থিত বা কাৰ্য্যত মনোযোগী, সময়নিষ্ঠ। punc-tu-al'-i-ty, *n.* সময়নিষ্ঠা।

punc'-tu-ate, *v.* দাৰি কমা আদি চিন দিয়া। punc-tu-a'-tion, *n.* দাৰি কমা আদি চিনৰ ব্যৱহাৰ।

punc'-ture, *n.* বিন্ধা, সৰু ঘা বা গাঁত; *v.* বিন্ধা।

pun'-gent (*-jent*), *adj.* উগ্ৰ, কটু, তীব্ৰ, জ্বলা। pun'-gen-cy, *n.*

pun'-ish, *v.* শাস্তি দিয়া। pun'-ish-ment, *n.* শাস্তি। pu'-ni-tive, *adj.* শাস্তি দিয়া, শাস্তি দিবলৈ অনুষ্ঠিত।

punt, *n.* তলিবহল নাও; *v.* চৰিৰে খুচি নাও বাই নিয়া।

pu'-ny (*pū'-nĭ*), *adj.* সৰু আৰু দুৰ্ব্বল। pu'-ni-ness, *n.*

pu'-pil, *n.* চকুৰমণি, ছাত্ৰ।

pup'-pet, *n.* পুতলা।

pup'-py, *n.* কুকুৰ চানা, অহঙ্কাৰী ডেকা।

pur'-blind, *adj.* প্ৰায় অন্ধ, ভালকৈ মণিব নোৱাৰা, ভোটা বুদ্ধিৰ।

pur'-chase, *v.* কিনা, পৰিশ্ৰম আদিৰে লাভ কৰা; *n.* ক্ৰয়, কিনা বস্তু। pur'-chas-a-ble, *adj.*

pure, *adj.* পবিত্ৰ, শুচি, নিৰ্ম্মল, ভেজাল নথকা, নিৰ্দ্দোষ. নিষ্পাপ, কেবল। pu'-ri-fy, *v.* শোধন কৰা, পবিত্ৰ কৰা, নিৰ্ম্মল কৰা বা পৰিষ্কাৰ কৰা। pu-ri-fi-ca'-tion (*-kā'-*), *n.* শোধন, পৰিষ্কাৰ কৰা কাৰ্য্য। pu'-ri-ty, *n.* পবিত্ৰতা, নিৰ্ম্মলতা।

purge (*purj*), *v.* পৰিষ্কাৰ কৰা, নিৰ্দ্দোষ কৰা, ধোৱা। pur-ga'-tion (*-gā'-*), *n.* দোষক্ষালন, ভেদ। pur'-ga-tive, *adj.* বিৰেচক; *n.* বিৰেচক ঔষধ। pur'-ga-to-ry, *n.* প্ৰেতলোক।

Pu'-ri-tan, *n.* ধৰ্ম্ম আৰু আচাৰ সম্বন্ধে সবল, নিষ্ঠাবান খৃষ্টান্, অতি শুদ্ধাচাৰী।

pur-loin', *v.* চুৰি কৰা।

pur'-ple (*-pl*), *n.* বেঙ্গেনা ফুলীয়া বং, তেনে ৰঙৰ পোছাক; *adj.* বেঙ্গেনা ফুলীয়া, ডাঠ ৰঙা।

pur'-port (*per'-pert*), *n.* অৰ্থ, তাৎপৰ্য্য, অভিপ্ৰায়; *v.* অৰ্থ প্ৰকাশ কৰা, অভিপ্ৰায় কৰা।

pur'-pose (*-pus*), *n.* উদ্দেশ্য, অভিপ্ৰায়, মতলব; *v.* মনস্থ কৰা। pur'-pose-ly, *adv.* ইচ্ছা কৰি।

purr, *v.* মেও মেও কৰা (আনন্দত); *n.*

purse, *n.* টকাৰ সৰু থৈলা, টকাৰ উপহাৰ, পইচা ৰখা ব্যাগ, ধন। purs'-er, *n.* খাদ্য আৰু দৰ্ম্মহা আদি ভগাই দিয়া জাহাজৰ কৰ্ম্মচাৰী।

pur-sue' (*-sū'*), *v.* অনুসৰণ কৰা, পিছে পিছে খেদা। pur-suit', *n.* অনুসৰণ, উপাৰ্জ্জনৰ চেষ্টা, ব্যৱসায়।

pur-vey' (*-vā'*), *v.* খোৱা বস্তু আদি যোগোৱা। pur-vey'-ance, *n.* খোৱা বস্তু আদিৰ যোগান ধৰা কাৰ্য্য। pur-vey'-or, *n.* যোনে খোৱা বস্তু আদি যোগায়।

pus, *n.* পুঁষ। pus'-tule, *n.* পুঁষ হোৱা কোঁহোৰা।

push, *v.* ঠেলা, আগ বঢ়া; *n.* ঠেলা, উদ্যম, উৎসাহ।

pu-sil-lan'-i-mous (*-mus*), *adj.* দুৰ্ব্বল অন্তঃকৰণৰ, সাহহীন, ভীৰু।

pu'-trid, *adj.* দুৰ্গন্ধ, পঁচা, গেলা। pu'-tre-fy, *v.* পঁচা, গেলা, নষ্ট হোৱা। pu-tre-fac'-tion, *n.*

puz'-zle, *n.* যি বুজিবলৈ টান, সাঁথৰ; *v.* বিবুদ্ধি কৰা, বিমোৰত পেলোৱা।

pyg'-my, *n.* সৰু আকৃতিৰ মানুহ, বাওনা।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

pyr'-a-mid, *n.* মিচৰ দেশৰ আগজোঙা বৃহৎ কবৰ বা সমাধি মন্দিৰ। py-ram'-i-dal, *adj.* পিৰামিদৰ আকাৰৰ।

pyre (*pīr*), *n.* চিতা।

py-ro-tech'-nics (*-tek'-*), *n. pl.* খাৰ বাথাৰৰ বনকৰা বিদ্যা।

py'-thon, *n.* অজগৰ, এবিধ ডাঙৰ সাপ।

Q

quack (*kwăk*), *v.* হাঁহৰ দৰে মাতা, টেঁট টেঁটোৱা, মিছা অহঙ্কাৰ কৰা বা গপ মৰা ; *n.* হাঁহৰ মাত, কুবৈদ্য, আধা-ডোথৰীয়া চিকিৎসক। quack'-er-y, *n.* কুচিকিৎসা, মিছা ভাঙ্কোপ মাৰা চিকিৎসকৰ বিদ্যা।

quad'-ran-gle (*kwod'-*), *n.* চাৰিকোণীয়া চোতাল। quad-ran'-gu-lar, *adj.*

quad'-rant, *n.* বৃত্ত বা পৰিধিৰ চাৰি ভাগৰ এভাগ, উচ্চতাৰ কোণ বা ডিগ্ৰী পৰিমাণ জোখা যন্ত্ৰ।

qua-drille' (*kwa-dril'*), *n.* (F.) চাৰি জোৰা নৰ্ত্তক নৰ্ত্তকীৰ নাচ, চাৰিজনৰ এবিধ তাচ খেল।

quad'-ru-ped, *n.* চাৰিঠেঙীয়া জন্তু।

quad'-ru-ple (*-pl*), *n.* চাৰিগুণ।

quaff, *v.* ঢোক ঢোক কৰে পি খোৱা, প্ৰচুৰ পৰিমাণে পি খোৱা।

quail (*kwāl*), *v.* ভয়ত কঁপা, নিৰুৎসাহ হোৱা, হাঁহ বিশেষ।

quaint (*kwānt*), *adj.* অদ্ভুত, আচৰিত, পুৰণি ধৰণৰ, প্ৰসিদ্ধ।

quake, *v.* ভয়ত বা জাৰত কঁপা ; *n.* কম্পন।

Qua'-ker, *n.* খৃষ্টান্ ধৰ্ম্মৰ এটা সম্প্ৰদায়ৰ মানুহ।

qual'-i-fy, *v.* কোনো কাম বা ব্যবসায়ৰ নিমিত্তে উপযুক্ত কৰা। qual-i-fi-ca'-tion, *n.* যোগ্যতা, গুণ। qual'-i-ty, *n.* গুণ, ধৰ্ম্ম, ৰকম, উচ্চপদ।

qualm (*kwâm*), *n.* হঠাৎ বাতি হোৱাৰ ভাব, পাপ আদিৰ বাবে অন্তৰত যাতনা বোধ, বিবেকৰ খুদমুদনি।

quan'-ti-ty, *n.* পৰিমাণ, সংখ্যা বা ৰাশি। quan'-ti-ta-tive, *adj.*

quar'-an-tine (*-teen*), *n.* সংক্ৰামক ৰোগগ্ৰস্ত বুলি সন্দেহ কৰি আন ঠাইৰ পৰা অহা জাহাজৰ যাত্ৰী আৰু মাল নমাবলৈ মানা কৰা ৪০ দিন কাল।

quar'-rel, *n.* দন্দ, বিবাদ, কলহ, কন্দল ; *v.* দন্দ কৰা। quar'-rel-some, *adj.* কলহপ্ৰিয়, দন্দুৰা।

quar'-ry, *n.* শিলৰ খনি, চিকাৰত পোৱা বা মাৰা জন্তু ; *v.* খনিৰ পৰা শিল তোলা।

quar'-ter, *n.* চাৰি ভাগৰ এভাগ, ২৮ পাউণ্ড ওজন, এক ঘণ্টাৰ চাৰি ভাগৰ এভাগ, এ বছৰৰ চাৰি ভাগৰ এভাগ, জাহাজৰ পিছ বা কাষৰ ফাল, দিশ, প্ৰদেশ, অঞ্চল, ফাল ; *pl.* বাঁহা, বাস কৰা ঠাই, শত্ৰুৰ প্ৰতি ক্ষমা ; *v.* চাৰি সমান ভাগত ভাগ কৰা, বাসস্থান নিৰ্দ্দিষ্ট কৰি দিয়া (বিশেষকৈ সৈন্যক)। quar'-ter-ly, *adv.* তিনি মহীয়া ; *n.* তিনি মহীয়া বাতৰি কাকত। quarter—master, *n.* সৈন্যৰ থকা ঠাই আৰু আহাৰ আদিৰ বন্দোবস্ত কৰিবলৈ ভাৰ পোৱা কৰ্ম্মচাৰী, যুদ্ধৰ জাহাজৰ পৰিচালনাৰ ভাৰ পোৱা কৰ্ম্মচাৰী।

quar-tet' *or* **quar-tette',** *n.* চাৰিজন মানুহে গোৱা বা চাৰিটা বাদ্যযন্ত্ৰত তোলা চৌপদী গান।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

quartz, *n.* স্ফটিক।

quash, *v.* দমন কৰা, পৰাস্ত কৰা, ধ্বংস কৰা, পিহি পেলোৱা, ৰহিত কৰা বা লুপ্ত কৰা।

qua'-ver, *v.* (স্বৰ) কঁপা, কঁপা মাতেৰে উচ্চাৰণ কৰা ; *n.* স্বৰৰ কম্পন, তাৰৰ কম্পন।

quay (*kē*), *n.* জাহাজৰ পৰা নমা ঠাই, বস্তু তুলিবলৈ বা নমাবলৈ পকা ঘাট।

queen, *n.* ৰাণী। queen'-ly, *adj.* ৰাণীৰ নিচিনা, ৰাজৰাণীৰ উপযুক্ত।

queer, *adj.* আচৰিত, অদ্ভুত, অসাধাৰণ।

quell, *v.* দমন কৰা, শান্ত কৰা।

quench, *v.* নুমোৱা, পিয়াহ গুচোৱা, নিবৃত্ত বা নিবাৰণ কৰা।

quer'-u-lous (*-lus*), *adj.* দোষগ্ৰাহী, অসন্তুষ্ট, অসুখীয়া, দন্দুৰা।

que'-ry, *n.* প্ৰশ্ন, প্ৰশ্নবোধক চিন ; *v.* প্ৰশ্ন কৰা, সন্দেহ কৰা।

quest, *n.* অনুসন্ধান।

ques'-tion (*kwes'-chun*), *n.* প্ৰশ্ন, অনুসন্ধান, বিবাদৰ বিষয়, আপত্তি, সন্দেহ, তদন্ত বা আলোচনাৰ বিষয় ; *v.* প্ৰশ্ন কৰা বা সোধা, প্ৰশ্নেৰে পৰীক্ষা কৰা। ques'-tion-a-ble, *adj.* সন্দেহপূৰ্ণ, অনিশ্চিত, আপত্তিজনক।

queue (*kū*), *n.* (F.) সোমাবলৈ ৰৈ থকা মানুহৰ শাৰী, টিকনী।

quib'-ble, *n.* কথাৰ পাক, চতুৰালিৰে প্ৰকৃত কথা এৰোৱা কাৰ্য্য, শ্লেষ ; *v.* দ্ব্যৰ্থক শব্দ ব্যৱহাৰ কৰা, বাক্ চতুৰালিৰে মূল কথা এৰোৱা।

quick, *adj*, জীয়া, সজীৱ, চঞ্চল, খৰ, দ্ৰুত, কামিলা, কাৰ্য্যদক্ষ ; *n.* মৰ্ম্ম-স্থান ; *adv.* শীঘ্ৰে,ততালিকে, বেগতে। quick'-en, *v.* পুনৰ্জীবিত কৰা, সবল কৰা, উত্তেজিত কৰা, খৰ কৰা, সৰালনি কৰা। quick'-sil-ver, *n.* পাৰদ।

qui-es'-cent (*-ent*), *adj.* স্থিৰ, অলৰ, নিস্তব্ধ, শান্ত। qui-es'-cence, *n.*

qui'-et, *adj.* শান্ত, নিস্তব্ধ, থিৰ ; *v.* শান্ত কৰা। qui'-et-ude, *n.* শান্তি, নীৰৱতা।

quill, *n.* ডাঙৰ পাখি, পাখিৰ কলম ; কেটেলা পহুৰ কাঁটা।

quilt, *n.* লেপ, নিহালী।

quin-ine' (*-īn'* or *-ēn'*), *n.* চিনকোনা গছৰ বাকলিৰ পৰা তৈয়াৰ হোৱা এবিধ ঔষধ।

quin'-sy (*-si*), *n.* এবিধ গলৰ বেমাৰ—যা হয় আৰু গল ফিকি উঠে।

quin-tess'-ence, *n.* সাৰাংশ।

quire, *n.* কাগজৰ দিস্তা।

quit, *v.* মুকলি কৰা, এৰি দিয়া, পৰি-শোধ কৰা, এৰা বা ত্যাগ কৰা ; *adj.* মুকলি, অব্যাহতি পোৱা। quit'-tance, *n.* ধাৰৰ পৰা অব্যাহতি।

quite, *adv.* সম্পূৰ্ণৰূপে, একেবাৰেই।

quiv'-er, *n.* তূণ, শৰ বা কাঁড়ৰ খোলা, কম্পন ; *v.* কঁপা।

quoit (*koit*), *n.* খেলা কৰিবলৈ লোৰ চকা।

quon'-dam, *adj.* (L.) আগৰ, পূৰণি, 'চাবেক'।

quo'-rum, *n.* (L.) সভাৰ কাৰ্য্য চলাবলৈ অতি কমেও যিমান সভ্য লাগে।

quo'-ta, *n.* অনুপাতমতে অংশ, প্ৰত্যেকৰ ভাগত যি অংশ পৰে।

quote, *v.* আনৰ ৰচনা বা বাক্য উদ্ধৃত কৰা ; বজাৰৰ চলিত দৰ উল্লেখ কৰা। quo-ta'-tion, *n.* উদ্ধৃত বচন ; চলিত বজাৰ দৰৰ উল্লেখ।

quoth, *v.* কয়, কলে, (*pres.* or *p.t.*)

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

R

rab'-bi, *n.* (H.) ইহুদী সকলৰ পণ্ডিত বা গুৰু।

rab'-bit, *n.* শহাপহু।

rab'-ble, *n.* ইতৰ মানুহৰ হাই-উৰুমি পূৰ্ণ উচ্ছৃঙ্খল জনতা, হাই কাজিয়া কৰা মানুহৰ দল।

rab'-id, *adj.* পগলা, উগ্ৰস্বভাবী। ra'-bi-es (*rā'-bi-ēz*), *n.* (L.) কুকুৰৰ বলিয়ালি বেমাৰ বা জ'ক।

race, *n.* বংশ, কুল, জাতি; দৌৰ, দৌৰৰ অৰিয়া অৰি, সোঁত। race'-horse, *n.* ঘোঁৰাদৌৰৰ ঘোঁৰা। ra'-cy, *adj.* উগ্ৰ গোন্ধ বা সোৱাদ থকা, তেজী। race, *v.* বেগাই লৰা, দৌৰত প্ৰতিযোগিতা কৰা, বেগাই উন্নতি কৰা।

rack, *n.* শাস্তি দিয়া এবিধ যন্ত্ৰ, বোটল আদি ৰাখিবলৈ এবিধ যতন, গৰু ম'হক ঘাঁহ দিবলৈ চাঙ্গি, ধ্বংস; *v.* যন্ত্ৰণা দিয়া, শাস্তি দিয়া।

rack'-et, *n.* টেনিচ খেলৰ ব্যাট, হৈ-চৈ, গোলমাল।

ra'-di-ant, *adj.* উজ্জ্বল। ra'-di-ance, *n.* উজ্জ্বলতা, দীপ্তি। ra'-di-ate, *v.* পোহৰ বিকিৰণ কৰা বা বিয়পি পৰা; কোনো ঠাইৰ পৰা চাৰিও ফালে বিস্তাৰিত হোৱা।

rad'-i-cal, *adj.* মূলৰ পৰা হোৱা, মূলীভূত, সম্পূৰ্ণ; *n.* মূল উপাদান, সম্পূৰ্ণ পৰিবৰ্ত্তনৰ পক্ষপাতী লোক।

rad'-ish, *n.* মূলা।

ra'-di-um, *n.* বৰ পোহৰ দিয়া এবিধ ৰাসায়নিক বস্তু।

ra'-di-us, *n.* (*pl.* ra'-di-i), ব্যাসাৰ্দ্ধ।

raf'-fle, *n.* চিঠি খেল: *v.* চিঠি খেল কৰা।

raft, *n.* সোঁতত ওপঙা কাঠ বা বাঁহৰ নাৱ; ভুৰ। raf'-ter, *n.* কৰ্‌ৰা।

rag, *n.* ফটাকানি। rag'-ged, *adj.* জীৰ্ণ, ফটা, ফটাকানি পিন্ধা, খৰ্‌খৰীয়া।

rage (*rāj*), *n.* বৰ খং, ক্ৰোধ, কোপ, বৰ হেপাহ বা অনুৰাগ; *v.* বৰ খং কৰা, প্ৰবল হোৱা। ra'-ging, *adj.* খঙত জ্বলি-উঠা; প্ৰচণ্ড, প্ৰবল।

raid, *n.* লুটপাট বা গ্ৰেপ্তাৰ কৰিবলৈ আকস্মিক আক্ৰমণ বা প্ৰবেশ। raid'-er, *n.* আক্ৰমণ কৰোঁতা।

rail, *n.* লোৰ মাৰি, লোৰ বাট; *v.* লোৰ খুটিৰ বেৰা দিয়া, লোৰ বাট তৈয়াৰ কৰা, গালি পৰা, বিকৰ্থনা কৰা বা ঠাট্টা বিদ্ৰূপ কৰা। rail'-ing, *n.* লোৰ খুটিৰ বেৰা। বিকৰ্থনা, ঠাট্টা বিদ্ৰূপ। rail'-ler-y, *n.* বিকৰ্থনা, ঠাট্টা বিদ্ৰূপ।

rai'-ment, *n.* পোছাক।

rain, *n.* বৰষুণ, (*pl.*) বৰ্ষাকাল; *v.* বৰষুণ হোৱা, বৰ্ষণ হোৱা। rain'-bow, *n.* ৰামধনু। rain'-y, *adj.* বৰষুণীয়া।

raise (*rāz*), *v.* তোলা, বৃদ্ধি কৰা, সাজা বা তোলা, উৎপন্ন কৰা; (টকা) তোলা।

rai'-sin (*rā'-zn*), *n.* কিচ্‌মিচ্‌।

rake, *n.* জবকা, বন আদি গোটোৱা এবিধ যতন, কুচৰিত্ৰৰ মানুহ; *v.* জবকাৰে বন গোটোৱা, গুলি বৰ্ষণ কৰা।

ral'-ly, *v.* পুনৰ একে লগ কৰা বা হোৱা, পুনৰ শ্ৰেণীবদ্ধ কৰা বা হোৱা, বেমাৰৰ পৰা স্বাস্থ্য পাবলৈ ধৰা, টেনিচ খেলত ও ভোতাই মৰি পঠিওৱা, ঠাট্টা বিদ্ৰূপ কৰা; *n.* পুনৰ স্বাস্থ্যলাভ।

ram, *n.* ভেৰা, মেষ ছাগলি, প্ৰাচীৰ আদি

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ভাঙ্গিবলৈ ঢেকী যন্ত্ৰ ; *v.* হেঁচি ভৰোৱা বা বাজা, মাটি ধুমহা ।

ram'-ble, *v.* উদ্দেশ্য বিহীন ভ্ৰমণ ; কোনো উদ্দেশ্য নোহোৱাকৈ ঘূৰিফুৰা, যেনেতেনে লিখা বা কোৱা ।

ram'-i-fy, *v.* বেলেগ বেলেগ ভাগত বিভক্ত কৰা বা হোৱা ।

ram'-pant, *adj.* (জন্তুৰ) পিছভৰিৰ ওপৰত থিয় দিয়া, আক্ৰমণ কৰিবলৈ আগুৱান, প্ৰবল ।

ram'-part, *n.* দুৰ্ভেদ্য প্ৰাচীৰ ।

ranch *n.* উত্তৰ আমেৰিকাৰ পশুপালন কৰা ঠাই ।

ran'-cid, *adj.* দুৰ্গন্ধযুক্ত, বেয়া গোন্ধ ওলোৱা ।

ran'-cour (*-kur*), *n.* বিদ্বেষ, হিংসা, খিয়াল । ran'-cor-ous (*-us*), *adj.* হিংসাপূৰ্ণ ।

ran'-dom (*-d'm*), *adj.* লক্ষ্যহীন, বিবেচনা নকৰা বা শৃঙ্খলা নোহোৱাকৈ কৰা ; *n.* লক্ষ্যহীনতা, দৈবাধীনতা, লক্ষ্যহীন গতি ।

range, *v.* শ্ৰেণীবদ্ধ কৰা বা হোৱা, শাৰী কৰা, পক্ষভুক্ত কৰা, পৰিভ্ৰমণ বা যথেচ্ছা ভ্ৰমণ কৰা, নিৰ্দ্দিষ্ট সীমাৰ ভিতৰত বাঢ়া বা কমা ; *n.* শ্ৰেণী বা শাৰী, ভ্ৰমণ, যি ঠাইত ঘূৰি পকি ফুৰে, দূৰতা, (জ্ঞান, যোগ্যতা আদিৰ) বিস্তাৰৰ পৰিমাণ, যি ঠাইৰ পৰা কোনো লক্ষ্যলৈ বন্দুক আদি মাৰা হয় । ran'-ger, *n.* বন বা উপবনৰ ৰক্ষক ।

rank, *adj.* সতেজ, অতিকৈ বাঢ়া, উগ্ৰ, অত্যন্ত ; *n.* শ্ৰেণী, শাৰী, ওচৰাওচৰিকৈ থিয় হোৱা সৈন্যৰ শাৰী, উচ্চ পদবী ; *v.* শাৰী কৰা, নিয়মিত ক্ৰম বা স্থানত ৰখা ; শ্ৰেণীবদ্ধ হোৱা । ran'-kle (*-kl*), *v.* (ভাব) উগ্ৰ বা প্ৰবল হোৱা, জ্বালা কৰা, যন্ত্ৰণা দিয়া ।

ran-sack, *v.* অন্বেষণ কৰা, তন্নতন্নকৈ বিচৰা, লুটপাট কৰা ।

ran'-som, *n* : *v.* বন্দীক মোকোলাবলৈ দিয়া মূল্য বা টকা ; (ধন দি) বন্দীৰ বা বলেৰে লোৱা সম্পত্তিৰ উদ্ধাৰ ।

rant, *n.* আড়ম্বৰপূৰ্ণ কথা ; *v.* আড়ম্বৰ পূৰ্ণ কথা কোৱা ।

ra-pa'-cious (*rá-pā'-shus*), *adj.* লুভীয়া, হেঁপাহৰা, অতি লোভী । ra-pac'-i-ty (*-pas'-*), *n.* দোৰাত্ম্য, অতিলোভ ।

rap'-id, *adj.* বেগী, দ্ৰুত, খৰ । ra-pid'-i-ty, *n.* খৰবেগ, সোঁতৰ টান ।

ra'-pi-er (*rā'-pi-*), *n.* বুকত বহুৱা সৰু তৰোৱাল বা ছুৰি ।

rap'-ine (*rap'-in*), *n.* লুট, লুটপাট ।

rapt, *adj.* আনন্দত বিভোৰ, মুগ্ধ । rap'-ture, *n.* অতিশয় আনন্দ ।

rare, *adj.* বিৰল, পাবলৈ টান, অসাধাৰণ, সূক্ষ্ম, পাতল । rare'-ly, *adv.* কাচিৎ হে । ra'-re-fy, *v.* লঘু বা পাতল কৰা বা হোৱা । ra-re-fac'-tion, *n.* তাপ আদিৰে পাতল কৰা । ra'-ri-ty, *n.* বিৰলতা, লঘুতা, দুষ্প্ৰাপ্য বস্তু ।

ras'-cal, *n.* বদমাচ্, অসজ, নীহ মানুহ ।

rash, *adj.* হঠাৎ কৰা, বিবেচনা শূন্য, মৰ সাহসী, তভাতৈয়া । rash'-ness, *n.* হঠাৎ কৰা কাৰ্য্য, অবিবেচনাৰ কাৰ্য্য ।

rash'-er, *n.* গাহৰিৰ মিঠা বা লুনীয়া মঙ্গহৰ পাতল ডোখৰ ।

rasp, *v.* বেটেৰে মিহি কৰা, বিৰক্ত কৰা, কঠুৱা মাতেৰে কোৱা, বেট ; লো আদি ধাতু নিমজ কৰা এবিধ সঁজুলি ।

rate, *n.* হাৰ, পৰিমাণ, দৰ, গতিৰ পৰিমাণ, স্থানীয় কৰ ; *v.* দাম পেলোৱা, কৰ নিৰ্দ্ধাৰিত কৰা, গালি পাৰা, শ্ৰেণী ভাগ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

বা শ্ৰেণীত ভাগ কৰা। rate'-a-ble, *adj.* কৰ দিয়াৰ উপযুক্ত।

ra'-ther, *adv.* বৰং, কিছু পৰিমাণে।

rat'-i-fy, *v.* অনুমোদন কৰা, মঞ্জুৰ কৰা, দৃঢ় কৰা।

ra'-ti-o (*rā'-shi-*), *n.* অনুপাত, হাৰ।

ra'-tion (*rā'-shun*), *n.* (*usu. in pl.* ra'-tions, *n.* সৈন্যৰ এদিনৰ খোৱাক বা খোৱা বস্তু)।

ra'-tion-al, *adj.* যুক্তিসঙ্গত।

rat'-tle, *v.* ঝুন্ ঝুন্ শব্দ কৰা; *n.* ঝুন ঝুনীয়া, ঝুন্ ঝুন্ শব্দ।

rav'-age, *v.* ধ্বংস কৰা, লুটপাট কৰা; *n.* ধ্বংস, লুটপাট।

rave, *v.* বলিয়া মানুহৰ দৰে বকা, ভুল বকা, বলিয়া হোৱা।

rav'-el, *v.* আউল জাউল কৰা বা হোৱা।

ra'-ven, *n.* ঢোৱা কাউৰী। rav'-en, *v.* থকেৰে গিলি পেলোৱা, চিকাৰ কৰা। rav'-en-ous (*-us*), *adj.* থকুৱা, ভুকীয়া।

ra-vine' (*rā-vēn'*), *n.* দ আৰু ঠেক পৰ্ব্বতীয়া বাট।

rav'-ish, *v.* বলেৰে লৈ যোৱা, আনন্দত বিভোল হোৱা।

raw, *adj.* নবন্ধা, কেঁচা, স্বভাৱিক অৱস্থাত থকা।

ray (*rā*), *n.* ৰশ্মি, কিৰণ।

raze, *v.* (মাটিত) বগৰাই পেলোৱা, মাটি সমান কৰা, নষ্ট বা ধ্বংস কৰা, উঠাই পেলোৱা।

reach, *v.* ঢুকি পোৱা, (কোনো ঠাই) পোৱা; ঢুকি পোৱা কাৰ্য্য, আয়ত্ত, ক্ষমতা।

re-act', *v.* প্ৰতিক্ৰিয়া কৰা, ইটোৱে সিটোক আঘাত কৰা। re-ac'-tion, *n.* প্ৰতি-ক্ৰিয়া। re-ac'-tion-a-ry, *adj.* প্ৰতি-ক্ৰিয়া জনক, উন্নতিত বাধাজনক।

read, *v.* পঢ়া। read'-ing, *adj.*

read'-y (*rĕd'-i*), *adj.* প্ৰস্তুত, সাজু, উপস্থিত, ইচ্ছুক, পটু, সহজ, তৎপৰ। read'-i-ness, *n.* তৎপৰতা, ইচ্ছা।

re'-al, *adj.* আচল, প্ৰকৃত, যথাৰ্থ, সঁচা, অকৃত্ৰিম। re-al'-i-ty, *n.* যথাৰ্থতা, সত্যতা, প্ৰকৃত ঘটনা। re-al'-ize, *v.* কাৰ্য্যত পৰিণত কৰা, স্পষ্টকৈ বুজা, স্পষ্টকৈ দেখা, দকৈ অনুভৱ কৰা, আদায় কৰা, তোলা, বিক্ৰী কৰি টকা কৰা। re'-al-ly, *adv.* প্ৰকৃততে, আচলতে, সঁচাকৈ।

realm (*rĕlm*), *n.* ৰাজ্য, দেশ, ভুভাগ।

ream (*rēm*), *n.* ২০ দিস্তা।

reap (*rēp*), *v.* (শস্যাদি) কাটা, পৰিশ্ৰমৰ ফল লাভ কৰা।

rear (*rēr*), *n.* পিছৰ ফাল, সৈন্য বা যুদ্ধ জাহাজৰ পিছ ফাল; *adj.* পিছত থকা; *v.* প্ৰতিপাল কৰা, ডাঙৰ দীঘল কৰা, ভাঙ্গি তোলা, তোলা (পকি ঘৰ আদি); পিছ ঠেঙৰ ওপৰত থিয় দিয়া। rear'-guard, *n.* শক্ৰৰ আক্ৰমণত বাধা জন্মাবলৈ পিছত থকা সশস্ত্ৰ ৰক্ষক সৈন্যদল।

rea'-son (*rē'-son*), *n.* বিচাৰ শক্তি, ধীশক্তি, যুক্তি, কাৰণ; *v.* যুক্তি দিয়া, বিচাৰ কৰা। rea'-son-a-ble, *adj.* যুক্তিযুক্ত, উচিত, ন্যায়সঙ্গত। rea'-son-ing, *n.* যুক্তি, বিচাৰ।

re-as-sure', *v.* পুনৰ আশ্বস্ত কৰা, অভয় দিয়া।

re-bate', *n.* মূল্যৰ হ্ৰাস। re-bate'-ment, *n.*

re-bel', *v.* বিদ্ৰোহ কৰা, শাসন অমান্য কৰা। reb'-el, *n.*; *adj.* বিদ্ৰোহী। re-bel'-lion, *n.* বিদ্ৰোহ, ৰাজদ্ৰোহ। re-bel'-lious (*-lyus*), *adj.* বিদ্ৰোহী।

re-buff', *n.* প্ৰতিঘাত, পৰাভৱ, বাধা, খাটাং অস্বীকাৰ; *v.* প্ৰতিঘাত কৰা, বাধা দিয়া, খাটাংকৈ অস্বীকাৰ কৰা।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

re-buke', *v.* ভৰ্ৎসনা কৰা, গালি পাৰা, তিৰস্কাৰ কৰা ; *n.* ভৰ্ৎসনা, তিৰস্কাৰ।

re-but', *v.* বাধা দিয়া, বিপক্ষে কোৱা (তৰ্কত)।

re-cal'-ci-trant (*-kăl'-si-*), *adj.* প্ৰতিবাদকাৰী, বিৰোধী।

re-cant', *v.* উঠাই লোৱা, নিজৰ মত (বিশেষকৈ ধৰ্ম্মবিশ্বাস) তুলি লোৱা। re-can-ta'-tion, *n.*

re-ca-pit'-u-late, *v.* পুনৰ সংক্ষেপকৈ বৰ্ণনা কৰা। re-ca-pit-u-la'-tion, *n.*

re-cede' (*-sēd'*), *v.* উভতি যোৱা, প্ৰস্থান কৰা, পিছ হুহকি যোৱা, বেচি নিলগ বা আঁতৰ হোৱা।

re-ceive' (*-sēv'*), *v.* (আনৰ পৰা) পোৱা, গ্ৰহণ কৰা, সম্ভাষণ বা সম্বৰ্দ্ধনা কৰা। re-ceipt' (*-sēt'*), *n.* প্ৰাপ্তি, ৰছিদ। re-cei'-ver, *n.* গ্ৰহণ কৰোঁতা, আদালতৰ পৰা নিযুক্ত সম্পত্তিৰ তত্ত্বাবধান লওঁতা। re-cip'-i-ent, *n.* যোনে গ্ৰহণ কৰে বা লয়, আধাৰ। re-cep'-tion, *n.* প্ৰাপ্তি, অভ্যৰ্থনা। re-cep'-ta-cle, *n.* বস্তুৰ আধাৰ, পাত্ৰ। re-cep'-tive, *adj.* গ্ৰহণ কৰিব পৰা।

re'-cent (*-sĕnt*), *adj.* নতুন, আধুনিক। re'-cent-ly, *adv.* অলপতে।

re-cess' (*-ses'*), *n.* জিৰণিৰ দিন, বিশ্ৰামৰ কাল, নিৰ্জ্জন ঠাই, চুক বা কোণ।

rec'-i-pe (*res'-ĭ'-pē*), *n.* ঔষধ বা খাদ্য আদি প্ৰস্তুত কৰাৰ ব্যৱস্থা পত্ৰ।

re-cip'-ro-cal (*-sip-*), *adj.* পৰস্পৰ, ইটোৱে সিটোৱে, সলনাসলনিৰ উপযুক্ত।

re-cite (*-sīt'*), *v.* আবৃত্তি কৰা, বৰ্ণনা কৰা। re-ci'-tal, *n.* আবৃত্তি, বৰ্ণনা, নাট্য-গীতৰ অভিনয়। rec-i-ta'-tion (*res-ĭ-*), *n.* আবৃত্তি।

reck, *v.* গণ্য কৰা, শ্ৰদ্ধা কৰা বা মানা, চিন্তা কৰা বা ভাবি চোৱা। reck'-less, *adj.* অসাৱধান, অসম সাহসী।

reck'-on, *v.* গণনা কৰা, হিচাব কৰা, গণ্য কৰা, সম্মান কৰা। reck'-on-ing, *n.* গণনা, হিচাব, হিচাবনিকাশ বা পাওনা পৰিশোধ ; সাগৰত যোৱা জাহাজৰ ঠাই-নিৰ্ণয়।

re-claim', *v.* পুনৰ উদ্ধাৰ কৰা, সংস্কাৰ কৰা, চৰিত্ৰ সংশোধন কৰা, পতিত মাটি আবাদ কৰা।

re-cline', *v.* আউজা, হালা, বিশ্ৰাম কৰা, জিৰণি লোৱা।

re-cluse' (*-kloos'*), *adj.* নিৰ্জ্জন, জনশূন্য, সংসাৰত্যাগী ; *n.* সন্ন্যাসী।

rec'-og-nize, *v.* চিনিব পাৰা। rec-og-ni'-tion, *n.* চিনা কাৰ্য্য, মঞ্জুৰী। re-cog'-ni-zance, *n.* আদালতত দিয়া অঙ্গীকাৰ পত্ৰ, জামিন।

re-coil', *v.* পাচলৈ যোৱা, কোঁচ খোৱা ; *n.*

rec-ol-lect', *v.* স্মৰণ কৰা, সুমৰা বা সোঁৱৰা প্ৰকৃতিস্থ বা স্থিৰ হোৱা। rec-ol-lec'-tion, *n.* স্মৰণ, স্মৃতি।

rec-om-mend', *v.* আনৰ ওচৰলৈ প্ৰশংসা কৰি পঠিওৱা, ভাল বোলা, পৰামৰ্শ দিয়া। rec-om-men-da'-tion, *n.* প্ৰশংসা পত্ৰ, গুণ।

rec'-om-pense, *v.* পৰিশোধ কৰা, পুৰস্কাৰ দিয়া, ক্ষতি পূৰণ কৰা বা লোকচানি দিয়া ; *n.* পৰিশোধ, প্ৰতিদান, ক্ষতিপূৰণ।

rec'-on-cile (*-sīl*), *v.* পুনৰ মিল কৰা বা বন্ধুত্ব স্থাপিত কৰা, মিলোৱা, সন্মত কৰোৱা। rec-on-cil-i-a'-tion, *n.* বিবাদৰ পিছত পুনৰ মিলন।

rec'-on-dite (*rĕk'-ŏn-*), *n.* গোপনীয়, গভীৰ, গাঢ়।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

re-con-noi′-tre (*-tėr*), *v.* যুদ্ধ কাৰ্য্যৰ বাবে বা যন্ত্ৰাদিৰ পৰিচালনা কাৰ্য্যৰ বাবে পৰিদৰ্শন কৰা বা পৰীক্ষা কৰি চোৱা। re-con′-nais-sance (*-kon′-nā-săns*), *n.* যুদ্ধকাৰ্য্যৰ বাবে যন্ত্ৰাদি পৰিচালনা কাৰ্য্যৰ বাবে পৰিদৰ্শন বা পৰীক্ষা।

re-cord′, *v.* লিখি ৰখা, লিপিবদ্ধ কৰা। rec′-ord, *n.* লিখিৰখা কাৰ্য্য, নথি বা কাগজপত্ৰ।

re-count′, *v.* বহলাই বৰ্ণনা কৰা, বা বিবৰণ দিয়া।

re-coup′ (*-koop′*), *v.* ক্ষতিপূৰণ কৰা।

re-course′, *n.* আশ্ৰয়, সহায় বা ৰক্ষাৰ বাবে যোৱা কাৰ্য্য।

re-cov′-er (*-kuv′-*), *v.* পুনৰ অধিকাৰ কৰা, ওভোতাই পোৱা, উদ্ধাৰ কৰা, পুনৰ আগৰ স্বাস্থ্য লাভ কৰা। re-cov′-er-y, *n.* পুনঃ প্ৰাপ্তি, আৰোগ্য লাভ।

rec′-re-ant (*-rĕk′-*), *adj.* অবিশ্বাসী, নিজপক্ষ ত্যাগী, ভীৰু; *n.* কাপুৰুষ।

rec′-re-ate, *v.* বিশ্ৰাম কৰা বা কৰোৱা, জিৰণি লোৱা বা দিয়া। rec-re-a′-tion, *n.* বিশ্ৰাম, জিৰণি।

re-crim′-i-nate, *v.* ওলোটাই (বাদীক) দোষাৰোপ কৰা, ওভোতাই অভিযোগ কৰা। re-crim-i-na′-tion, *n.*

re-cruit′ (*-kroot′*), *v.* নতুন সৈন্য গোটোৱা বা লোৱা, আৰোগ্য লাভ কৰা, বল শক্তি পুনৰ লাভ কৰা; *n.* নতুনকৈ ভৰ্ত্তি কৰা সৈন্য।

rect′-an-gle, *n.* আয়তক্ষেত্ৰ।

rec′-ti-fy (*-ti-fi*), *v.* সংশোধন কৰা, ভুল শুধৰোৱা, পৰিষ্কাৰ কৰা।

rec′-ti-tude, *n.* সাধুতা, ন্যায়নিষ্ঠা।

rec′-tor, *n.* গাওঁৰ ধৰ্ম্মযাজক, বিদ্যালয় আদিৰ প্ৰধান শিক্ষক বা শাসক।

re-cum′-bent, *adj.* শুই থকা, শোৱা বা আউজা অবস্থাত থকা।

re-cu′-per-ate, *v.* (স্বাস্থ্য আৰু শক্তি) পুনৰ লাভ কৰা।

re-cur′, *v.* পুনঃ পুনঃ ঘটা, মনত পৰা। re-cur′-rence, *n.*

rec′-u-sant (*rĕk′-ū-zant*, also *re-kū′-*), *n.* ধৰ্ম্ম বিষয়ত ৰজাৰ হুকুম নমনা, অবাধ্য।

re-deem′, *v.* পুনৰ কিনি অনা, ধন দি মুকলি কৰা, উদ্ধাৰ কৰা, পূৰণ কৰা, প্ৰায়শ্চিত্ত কৰা, সম্পন্ন কৰা। re-deem′-er, *n.* ত্ৰাণ কৰ্ত্তা। re-demp′-tion, *n.* মুক্তি, উদ্ধাৰ।

red′-o-lent, *adj.* সুগন্ধি। red′-o-lence *or* -len-cy (*-sĭ*), *n.*

re-doubt′ (*-dout′*), *n.* সৰু অস্থায়ী দুৰ্গ। re-doubt′-a-ble, *adj.* ভয়লগা, সাহিয়াল, শক্তিশালী।

re-dound′, *v.* ফলধৰা, বঢ়োৱা বা বৃদ্ধি কৰা, (গুণ, যশস্যা আদি)।

re-dress′, *v.* প্ৰতীকাৰ কৰা, পূৰণ কৰা; *n.* প্ৰতীকাৰ, ক্ষতিপূৰণ।

re-duce′ (*-dūs′*), *v.* কমোৱা, পৰাস্ত কৰা, খৰ্ব্ব কৰা বা চূৰ্ণ কৰা, শ্ৰেণীভুক্ত কৰা, সলনি কৰা। re-duc′-tion, *n.*

re-dun′-dant, *adj.* অতিৰিক্ত, লগাতকৈ বেচি। re-dun′-dance *or* -dan-cy, *n.*

reed, *n.* খাগৰি, নল।

reef, *n.* সাগৰৰ বুকত বা পানী স্থিয়লিত থকা শৈলমালা, পালৰ জাপ বা ভাঁজ; *v.* পালৰ কিছু অংশ জাপি ৰখা।

reek, *n.* বাষ্প, ধোঁৱা; *v.* সেমেকা বাষ্প ওলোৱা। reek′-y, *adj.* বাষ্পময়, মলিয়ন।

reel, *n.* উঘা, চেৰেকি, স্কটবিলাকৰ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

এবিধ নাচ ; *v.* ইফাল সিফাল কৰা, তলং ভটং কৰা।

re-fec'-tion, *n.* জলপান, লঘু ভোজন। re-fec'-to-ry, *n.* খোৱা খোটালি।

re-fer', *v.* বিচাৰৰ কাৰণে পঠোৱা, উন্নুকিওৱা, উল্লেখ কৰা, সম্পৰ্ক ৰখা। ref'-er-ence, *n.* বিচাৰৰ বাবে আনৰ ওচৰলৈ প্ৰেৰণ, উল্লেখ, সম্পৰ্ক। ref-er-ee', *n.* মধ্যস্থ।

ref-er-en'-dum, *n.* কোনো প্ৰস্তাবিত আইন সম্পৰ্কে 'ভোট'দাতা সকলৰ ভোট লোৱা কাৰ্য্য।

refine', *v.* পৰিষ্কাৰ কৰা বা হোৱা, শোধন কৰা। re-fine'-ment, *n.* পৰিষ্কাৰ কৰা কাৰ্য্য, শোধন, সূক্ষ্মতা, শিষ্টাচাৰ।

re-flect', *v.* প্ৰতিফলিত বা প্ৰতিবিম্বিত কৰা, চিন্তা কৰা, ভবা, অসম্মান কৰা, লাজ দিয়া। re-flec'-tion, *n.* প্ৰতিবিম্ব, অনুধাবন, চিন্তা, নিন্দা। re-flec'-tive, *adj.* চিন্তাশীল, চিন্তামূলক। re-flec'-tor, *n.* আচ্ছি। re'-flex, *adj.* প্ৰতিবিম্বিত, প্ৰতিক্ৰিয়াজনিত, স্নায়বিক ; *n.* প্ৰতিবিম্ব।

re-form', *v.* পুনৰ গঠন কৰা, সংস্কাৰ কৰা। উন্নতি সাধন কৰা ; *n.* সংস্কাৰ। ref-or-ma'-tion, *n.* পুনৰ গঠন, সংস্কাৰ, উন্নতি, ধৰ্ম্মসংস্কাৰ। re-form'-er, *n.* যোনে সংস্কাৰ কৰিবলৈ যত্ন কৰে, ধৰ্ম্মসংস্কাৰক। re-form'-a-to-ry, *n.* কম বয়সীয়া অপৰাধীবিলাকৰ ফাটেক আৰু সংশোধনৰ ঠাই।

re-fract', *v.* (পোহৰ আদিৰ) গতি ভঙ্গ কৰা বা বেঁকোৱা। re-frac'-tion, *n.* পোহৰৰ ৰশ্মিৰ গতিৰ পৰিবৰ্ত্তন। re-frac'-to-ry, *adj.* বৰ অবাধ্য, দমন কৰিবলৈ টান।

re-frain' (*-frān'*), *v.* ক্ষান্ত হোৱা, দমন কৰা, বশ কৰা, নিবৃত্ত থকা ; *n.* গীতৰ দিহা।

re-fresh', *v.* সবল বা সতেজ কৰা, যা জলপান আদি খাই গাত বল বঢ়া। re-fresh'-ment, *n.* জিৰণি, বিশ্ৰাম, জলপান, লঘু আহাৰ।

re-frig'-er-a-tor (*-frij'-*), *n.* খোৱা বস্তু আদি ঠাণ্ডাকৈ ৰখা ঠাই বা যতন। re-frig'-er-ant, *n.* দাহ নিবাৰক ঔষধ, জুৰ বস্তু। re-frig'-er-ate, *v.* শীতল বা ঠাণ্ডা কৰা।

ref'-uge, *n.* আশ্ৰয়, শৰণ। ref-u-gee' (*-jē'*), *n.* শৰণাগত।

re-ful'-gent (*-jĕnt*), *adj.* দীপ্তিমান।

re-fund', *v.* ঘূৰাই দিয়া, ফিৰাই দিয়া ; *n.*

re-fuse' (*-fūz'*), *v.* অস্বীকাৰ কৰা, কৰিবলৈ বা মঞ্জুৰ কৰিবলৈ অসম্মত হোৱা। re-fu'-sal, *n.* অস্বীকাৰ, অসম্মতি। ref'-use (*-ūs*), *n.* জাবৰজুঁথৰ।

re-fute', *v.* মিছা বুলি প্ৰমাণ কৰা, খণ্ডন কৰা। re-fu'-ta-ble, *adj.*

re'-gal, *adj.* ৰাজকীয়, ৰজাৰ উচিত। re-ga'-li-a, *n. pl.* মুকুট, ছত্ৰ আদি ৰজাৰ চিন ; কোনো পদবীৰ চিন।

re-gale', *v.* ভোজ খুওৱা, তৃপ্তি কৰা।

re-gard', *v.* শ্ৰদ্ধা বা সম্মান কৰা, বিবেচনা কৰা, মনোযোগ দিয়া, জুমি চোৱা ; *n.* যত্ন, সন্মান, বিবেচনা, সম্বন্ধ। re-gard'-ful, *adj.* শ্ৰদ্ধাপূৰ্ণ। re-gard'-less, *adj.* শ্ৰদ্ধাহীন, অযত্নবান। re-gard'-ing, *prep.* সম্বন্ধে।

re-gat'-ta (*-tă*), *n.* নাও খেল।

re-gen'-er-ate (*-jen'-*), *v.* নতুন জীৱন বা নতুন শক্তি দিয়া, নতুন কৰা, ভাললৈ পৰিবৰ্ত্তন কৰা। re-gen-er-a'-tion, *n.*

re'-gent, *n.* ৰাজপ্ৰতিনিধি। re'-gen-cy, *n.* ৰাজপ্ৰতিনিধিৰ শাসন আৰু অধিকাৰ।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

reg'-i-cide (*rej'-i-sīd*), *n.* ৰজা বা ৰাণীক হত্যাকাৰী, ৰজা বা ৰাণীৰ হত্যা।

re-gime' (*rā-sheem'*), *n.* (F.) শাসন-পদ্ধতি, ৰজাৰ শাসনপ্ৰণালী।

reg'-i-men, *n.* পথ্যাপথ্যৰ নিয়ম, নিয়মিত শাসন ; *pl.*, re-gim'-i-na.

reg'-i-ment, *n.* পল্টন, 'কৰ্ণেল'ৰ তলৰ সৈন্যদল। reg-i-men'-tal, *adj.*

re'-gion (*-jun*), *n* প্ৰদেশ, দেশ।

reg'-is-ter (*rĕj'-*), *n.* ৰেজেষ্টৰি, হিচাব বা কোনো বিবৰণ লিখা বহি ; *v.* বহিত তোলা, তালিকাভুক্ত কৰা। reg'-is-trar, *n.* যি কৰ্ম্মচাৰীয়ে অফিচৰ কাৰ্য্যৰ বিবৰণ ৰাখে। reg'-is-try, *n.* ৰেজেষ্টৰিত লিখা কাৰ্য্য, লিখিত কথা, য'ত বিবৰণী বহি আদি ৰাখে।

re-gret', *v.* দুখিত হোৱা, আগৰ কাৰ্যৰ বাবে দুখ প্ৰকাশ কৰা ; *n.* আগৰ কাৰ্যৰ বাবে দুখ প্ৰকাশ। re-gret'-ful, *adj.*

reg'-u-lar, *adj.* নিয়মিত, নিয়ম মতে চলা, ঠিক, পৰিপাটি, সমান ভূজ আৰু কোণ-বিশিষ্ট। reg-u-lar'-i-ty, *n.* নিয়মিত। reg'-u-late, *v.* পৰিপাটি কৰা, নিয়মিত কৰা, নিয়ম মতে চলোৱা। reg-u-la'-tion, *n.* নিয়ম, বিধি।

re-hearse' (*-hĕrs'*), *v.* আগেয়ে আবৃত্তি কৰা, আখৰা দিয়া। re-hears'-al, *n.* আখৰা।

reign (*rān*), *v.* ৰাজত্ব কৰা ; *n.* ৰাজত্ব ৰাজত্বকাল, ৰাজশক্তি।

re-im-burse', *v.* ঘূৰাই দিয়া, ক্ষতিপূৰণ কৰি দিয়া, লোকচানি বা খৰচ পূৰাই দিয়া।

rein (*rān*), *n.* লেকাম, শাসন ; *v.* ধমোৱা, দমন কৰা।

rein'-deer (*rān'-*), *n.* শীতপ্ৰধান মেৰুদেশৰ গাড়ী টনা এবিধ পহু।

re-in-force', *v.* নতুন সৈন্যৰে বল বেচি কৰা। re-in-force'-ment, *n.*

re-in-state', *v.* নিজ পদ বা কামত পুনৰ বহুওৱা, পুনৰ অধিকাৰ দিয়া।

re-it'-er-ate, *v.* পুনঃ পুনঃ কোৱা বা কৰা।

re-ject', *v.* নামাঞ্জুৰ কৰা, গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰা। re-jec'-tion, *n.*

re-joice' (*-jois'*), *v.* আনন্দ প্ৰকাশ কৰা, আনন্দিত হোৱা।

re-join', *v.* পুনৰ মিলিত কৰা বা হোৱা, প্ৰত্যুত্তৰত কোৱা, উত্তৰ দিয়া। re-join'-der, *n.* প্ৰত্যুত্তৰ, জবাব।

re-lapse', *v.* আগৰ অৱস্থালৈ আকৌ অহা ; *n.*

re-late', *v.* বৰ্ণনা কৰা, সম্বন্ধ থকা, সংযুক্ত হোৱা। re-la'-tion, *n.* বৰ্ণনা, সম্বন্ধ, সম্বন্ধীয় মানুহ। rel'-a-tive, *adj.* সম্বন্ধীয়, বিষয়ক ; *n.* জ্ঞাতি কুটুম।

re-lax', *v.* শিথিল কৰা, ঢিলা কৰা। re-lax-a'-tion, *n.* শিথিলতা, ঢিলামি।

re-lay', *n.* নতুন যোগান (ঘোঁৰা, মানুহ, খাদ্য আদিৰ)।

re-lease' (*-lēs'*), *v.* মুকলি কৰি দিয়া, এৰি দিয়া ; *n.* মুক্তি, অব্যাহতি, মুক্তিপত্ৰ।

rel'-e-gate, *v.* পঠিয়াই দিয়া, নিৰ্ব্বাসিত কৰা, আনৰ হাতত দিয়া।

re-lent', *v.* আগতকৈ কোমল হোৱা বা দয়া অনুভৱ কৰা। re-lent'-less, *adj.* নিষ্ঠুৰ।

rel'-e-vant, *adj.* সময়ৰ উপযুক্ত, প্ৰাসঙ্গিক। rel'-e-vance, *n.*

rel'-ic, *n.* স্মৃতিচিহ্ন, ভগ্নাৱশেষ ; *pl.* মৃত লোকৰ (ৰক্ষিত) দাঁত চুলি অস্থি আদি।

rel'-ict, *n.* বাঁৰী তিৰোতা।

re-lieve' (*-lēv'*), *v.* সহায় কৰা, কষ্টৰ

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

লাঘৱ কৰা, দুখকষ্ট গুচোৱা, কাৰো ঠাইত কাম কৰা। re-lief′ (*-lēf′*), *n.* প্ৰতীকাৰ, দুখকষ্টৰ লাঘৱ, সহায়, কোনো কাৰুকাৰ্য্যৰ বা মানচিত্ৰৰ খলাবমা গঢ়।

re-lig′-ion (*-lij′-un*), *n.* ধৰ্ম্ম। re-lig′-ious (*-ŭs*), *adj.* ধৰ্ম্মসম্বন্ধীয়, ধাৰ্ম্মিক।

re-lin′-quish, *v.* ত্যাগ কৰা, আশা এৰি দিয়া ; (স্বত্ব) এৰি দিয়া।

rel′-ish, *v.* সোৱাদ লোৱা, সোৱাদ-লগা হোৱা ; *n.* ভাল সোৱাদ, ৰুচি, ভোক, মছলা।

re-luc′-tant, *adj.* অনিচ্ছুক, উৎসাহহীন। re-luc′-tance, *n.* অনিচ্ছা।

re-ly′, *v.* বিশ্বাস কৰি থকা, নিৰ্ভৰ কৰা। re-li′-a-ble, *adj.* বিশ্বাসযোগ্য। re-li′-ance, *n.* বিশ্বাস, নিৰ্ভৰ।

re-main′, *v.* পিছ পৰি থকা, বাকী থকা, থকা। re-main′-der, *n.* অৱশিষ্ট বা বাকী অংশ। re-mains′, *n. pl.* ভগ্নাৱশেষ, মৃতদেহৰ অৱশেষ।

re-mand′, *v.* পুনৰ পঠোৱা, হাজতত ৰখা ; *n.* পুনৰ প্ৰেৰণ।

re-mark′, *v.* চোৱা, দৃষ্টি কৰা, মন্তব্য প্ৰকাশ কৰা ; *n.* মন্তব্য। re-mark′-a-ble, *adj.* আচৰিত, অসাধাৰণ, প্ৰসিদ্ধ, মন কৰিব লগীয়া।

rem′-e-dy, *n.* প্ৰতীকাৰ, উপায়, দৰৱ ; *v.* প্ৰতীকাৰ কৰা। re-me′-di-al, *adj.* প্ৰতীকাৰজনক, ঔষধস্বৰূপ।

re-mem′-ber, *v.* সোঁৱৰা, মনত ৰখা বা কৰা। re-mem′-brance, *n.* স্মৰণ, স্মৃতি।

re-mind′, *v.* মনত পেলাই দিয়া।

rem-i-nis′-cence (*-sens*), *n.* পূৰ্ব্বস্মৃতি।

re-miss′, *adj.* অসাবধান, অমনোযোগী।

re-mit′, *v.* মাফ দিয়া, কম কৰা বা হোৱা, (টকা) পঠোৱা। re-mis′-sion (*-mish′-un*), *n.* মাফ, অলপ বিৰাম। re-mit′-tance, *n.* পঠিওৱা টকা। re-mit′-tent, *adj.* অলপ এৰা।

rem′-nant, *n.* অৱশিষ্ট অংশ।

re-mon′-strate, *v.* প্ৰতিবাদ কৰা, (বিৰুদ্ধে) যুক্তি দেখুৱা। re-mon′-strance, *n.* প্ৰতিবাদ।

re-morse′, *adj.* (পাপ কৰাৰ নিমিত্তে) অনুতাপ, অনুশোচনা। re-morse′-ful, *adj.* re-morse′-less, *adj.*

re-mote′, *adj.* বহুত দূৰৈত থকা (সময় বা ঠাইৰ)।

re-move′, *v.* আঁতৰ কৰা, পদচ্যুত কৰা। re-mov′-al, *n.*

re-mu′-ner-ate, *v.* পুৰস্কাৰ দিয়া (কোনো কাৰ্য্য কৰি দিয়াৰ বাবে) ক্ষতি-পূৰণ কৰা। re-mu-ner-a′-tion, *n.* পুৰস্কাৰ। re-mu′-ner-a-tive, *adj.* লাভজনক।

re-nais′-sance (*ruh-nās′-säns*), *n.* (F.) ইয়োৰোপত ১৫শ শতাব্দীত সাহিত্য দৰ্শন, কলাবিজ্ঞান আদিৰ নতুন জীৱন।

ren′-der, *v.* অৰ্পণ কৰা, দিয়া, তৰ্জ্জমা কৰা, সম্পাদন কৰা। ren′-der-ing, *n.*

ren′-dez-vous (*räṅ-dā-voo′* or *rĕn′-*), *n.* (F.) গোটখোৱা ঠাই সৈন্যাদি লগ লাগিবলৈ নিৰ্দ্দিষ্ট ঠাই।

ren′-e-gade, *n.* যোনে নিজধৰ্ম্ম বা নিজ পক্ষ ত্যাগ কৰে।

re-new′, *v.* পুনৰ আৰম্ভ কৰা, সতেজ কৰা, নতুন কৰা। re-new′-al, *n.*

re-nounce′, *v.* মানিবলৈ অস্বীকাৰ কৰা, ত্যাগ কৰা, এৰা, দাবি এৰি দিয়া। re-nun-ci-a′-tion, *n.* স্বত্ব বা অধিকাৰ পৰিত্যাগ।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ren'-o-vate, *v.* পুনৰ নতুন কৰা, জীৰ্ণ সংস্কাৰ কৰা বা মেৰামত কৰা। ren-o-va'-tion, *n.*

re-nown' (-*noun'*), *n.* যশ, কীৰ্ত্তি, সুখ্যাতি। re-nowned', *adj.* বিখ্যাত, প্ৰসিদ্ধ।

rent, *n.* ফাট, ৰাজহ, খাজনা, ঘৰ আদিৰ ভাড়া; *v.* ভাড়া দিয়া বা লোৱা।

re-pair', *v.* মেৰামত কৰা, ভগাচিগা বটা, পূৰণ কৰা, যোৱা। rep-ar-a'-tion, *n.* মেৰামত, ক্ষতিপূৰণ, পৰাচিত। rep'-ar-a-ble, *adj.*

rep-ar-tee', *n.* ঘপ কৰে দিয়া প্ৰত্যুত্তৰ।

re-past', *n.* আহাৰ, খাদ্য।

re-peal', *v.* বাতিল কৰা, তুলি দিয়া; *n.*

re-peat' (-*pēt'*), *v.* পুনৰায় উল্লেখ কৰা বা কোৱা, আবৃত্তি কৰা। rep-e-ti'-tion, *n.* re-peat'-ed-ly, *adv.* বাৰে বাৰে।

re-pel', *v.* পিছুৱাই খেদি দিয়া, নিবাৰণ কৰা। re-pel'-lent, *adj.* নিবাৰক, ঘৃণাজনক, বিৰক্তিজনক।

re-pent', *v.* অনুতাপ কৰা, অনুতপ্ত হোৱা, নিজে কৰা কুকামৰ বাবে দুখিত হোৱা। re-pent'-ance, *n.* অনুতাপ, অনুশোচনা। re-pent'-ant, *adj.* অনুতপ্ত।

rep'-er-to-ry, *n.* কোষ, ভঁৰাল, গান নাটক আদিৰ তালিকা।

re-pine', *v.* অসন্তোষ প্ৰকাশ কৰা, বিৰক্ত হোৱা, ঘঁহি ক্ষয় কৰা।

re-plen'-ish, *v.* আকৌ পূৰণ কৰা বা পুৰোৱা।

re-plete', *adj.* পূৰ্ণ, প্ৰচুৰ; *v.* পূৰ্ণ কৰা। re-ple'-tion, *n.* পূৰ্ণতা।

rep'-li-ca (-*lĭ-kă*), *n.* ছবি, মূৰ্ত্তি আদিৰ হুবহু নকল।

re-ply' (*pt.* and *pp.* re-plied'), *v.* উত্তৰ দিয়া; *n.* উত্তৰ।

re-port', *v.* বিৱৰণী দিয়া, খবৰ দিয়া, প্ৰচাৰ কৰা, অনুসন্ধানৰ ফল পঠিওৱা, (কাৰো) বিৰুদ্ধে কোৱা; *n.* বিৱৰণী, খবৰ, শব্দ; *pl.* মোকৰ্দ্দমাৰ বিৱৰণ। re-port'-er, *n.* যোনে খবৰ বা বিৱৰণী পঠিয়ায়।

re-pose' (-*pōs'*), *v.* জিৰণি লোৱা, জিৰণি দিয়া, শুৱা, (বিশ্বাস) স্থাপন কৰা; *n.* জিৰণি। re-pos'-i-to-ry, *n.* ভঁৰাল।

rep-re-hend', *v.* দোষাৰোপ কৰা, গালি পাৰা। rep-re-hen'-sion, *n.* গালি, নিন্দা। rep-re-hen'-si-ble, *adj.* নিন্দনীয়।

rep-re-sent' (-*zent'*), *v.* বৰ্ণনা কৰা, প্ৰতিনিধি হোৱা, আনৰ সলনি হোৱা। rep-re-sen-ta'-tion, *n.* নিবেদন পত্ৰ, দৰ্খাস্ত, যি আনৰ সলনি বহে বা বুজায়। rep-re-sent'-a-tive, *n. adj.* প্ৰতিনিধি।

re-press', *v.* দমন কৰা, পীড়ন কৰা। re-pres'-sion (-*presh'-un*), *n.* দমন। re-pres'-sive (-*siv*), *adj.*

re-prieve' (-*prēv'*), *v.* প্ৰাণদণ্ড স্থগিত ৰখা; *n.* কিছুদিনলৈ শাস্তি স্থগিত ৰখা কাৰ্য্য।

rep'-ri-mand, *v.* তিৰস্কাৰ কৰা, ভৰ্ৎসনা কৰা; *n.* তিৰস্কাৰ।

re-pri'-sal (-*prī'-zal*), *n.* পোটক বা প্ৰতিশোধ লোৱা কাৰ্য্য।

re-proach', *v.* তিৰস্কাৰ কৰা, ভৰ্ৎসনা কৰা; *n.* তিৰস্কাৰ, ভৰ্ৎসনা। re-proach'-ful, *adj.* নিন্দা বা গালিশপনিপূৰ্ণ।

rep'-ro-bate, *adj.* ধৰ্ম্মভ্ৰষ্ট, দুৰাচাৰী; *n.* পাপ কাৰ্য্যত আসক্ত মানুহ, পাপী।

re-pro-duce', *v.* পুনৰ উৎপন্ন কৰা, জন্ম

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

দিয়া, সুমৰি কোৱা, চিত্ৰিত কৰা। re-pro-duc′-tion, *n.* সন্তান-উৎপত্তি, হুবহু নকল। re-pro-duc′-tive, *adj.* জন্মসম্বন্ধীয়।

re-prove′ (*-proov′*), *v.* তিৰস্কাৰ কৰা, গালি পাৰা। re-proof′, *n.* তিৰস্কাৰ, গালি।

rep′-tile (*-tĭl*), *n.* বুকেৰে যোৱা জীৱ (সাপ, জেঠি আদি), নীহ লোক।

re-pub′-lic, *n.* প্ৰজাতন্ত্ৰ শাসন বা দেশ। re-pub′-li-can, *adj. n.* প্ৰজাতন্ত্ৰ শাসনৰ পক্ষপাতী।

re-pu′-di-ate, *v.* অস্বীকাৰ কৰা, ত্যাগ কৰা বা এৰা। re-pu-di-a′-tion, *n.*

re-pug′-nant, *adj.* অৰুচিকৰ, বিৰোধী, বিৰুদ্ধ, অসঙ্গত। re-pug′-nance, *n.* ঘৃণা, বিৰাগ, অনিচ্ছা।

re-pulse′, *v.* খেদি দিয়া, দূৰ কৰা, পৰাস্ত কৰা ; *n.* পৰাজয়। re-pul′-sive (*-siv*), *adj.* ঘৃণাজনক, বিৰক্তিজনক।

re-pute′, *v.* গণ্য কৰা, মান্য কৰা ; *n.* যশ, সুখ্যাতি। rep′-u-ta-ble, *adj.* সম্ভ্ৰান্ত, প্ৰসিদ্ধ। rep-u-ta′-tion, *n.* সম্ভ্ৰম, সুখ্যাতি, যশস্যা।

re-quest′ (*-kwest′*), *v.* অনুৰোধ কৰা, প্ৰাৰ্থনা কৰা ; *n.* অনুৰোধ, নিবেদন, প্ৰয়োজন।

re′-qui-em (*rē′-kwĭ-*), *n.* মৃত লোকৰ আত্মাৰ শান্তিৰ বাবে স্তুতি পাঠ, শ্ৰাদ্ধৰ মন্ত্ৰ।

re-quire′, *v.* আৱশ্যক হোৱা, দৰ্কাৰ কৰা, লগা। re-quire′-ment, *n.* প্ৰয়োজন, আৱশ্যক।

req′-ui-site (*rek′-wĭ-zit*), *adj.* আৱশ্যকীয়। req-ui-si′-tion, *n.* লিখিত অনুৰোধ, দাবি ; *v.* আহ্বান কৰা, মাতা।

re-quite′ (*-kwīt′*), *v.* প্ৰতিদান দিয়া, সুজা, পোটক লোৱা, পুৰস্কাৰ দিয়া। re-qui′-tal, *n.* প্ৰতিদান, পুৰস্কাৰ।

rere′-dos (*rēr′-dŏs*), *n.* বেদীৰ পিছফালে থকা চিত্ৰিত বেৰ বা পৰ্দ্দা।

re-scind′ (*-sind′*), *v.* বাতিল কৰা, তুলি দিয়া। re-scis′-sion, *n.*

res′-cue (*-kū*), *v.* বিপদৰ পৰা উদ্ধাৰ কৰা, ৰক্ষা কৰা ; *n.* উদ্ধাৰ।

re-search′, *n.* অনুসন্ধান, গবেষণা।

re-sem′-ble (*-zem′-bl*), *v.* সদৃশ কৰা, একে কৰা, একে হোৱা। re-sem′-blance, *n.* সাদৃশ্য।

re-sent′ (*-zent′*), *v.* খঙ কৰা, ৰুষ্ট হোৱা, অপমানজনক বুলি ভৰা। re-sent′-ment, *n.* ক্ৰোধ, কোপ, অসন্তোষ।

re-serve′ (*-zërv′*), *v.* হাতত ৰখা, গোটাই থোৱা, অপ্ৰকাশিত ৰখা ; *n.* জমা, সঞ্চয়, সংযম, গম্ভীৰভাৱ, সাৱধানতা, বেলেগকৈ ৰখা ঠাই, পিছলৈ ৰখা সৈন্য আদি। res-er-va′-tion (*rez-*), *n.* আঁচু-তীয়াকৈ ৰখা কাৰ্য্য। re-served′, *adj.* ভবিষ্যতত ব্যৱহাৰ কৰিবলৈ ৰখা, গম্ভীৰ, সংযত, লাজকুৰীয়া।

res′-er-voir (*rez′-ẽr-vwor*), *n.* পানী বা আন কোনো বস্তু থোৱা পাত্ৰ।

re-side′ (*-zīd′*), *v.* বাস কৰা, থকা। res′-i-dence (*rez′-ĭ-*), *n.* থকা ঠাই, ঘৰ। res′-i-dent, *adj.* অধিবাসী ; *n.* অধিবাসী, বিদেশৰ ৰাজপ্ৰতিনিধি। res-i-den′-tial (*-shal*), *adj.* বসতি সম্বন্ধীয়।

res′-i-due (*rez′-ĭ-dū*), *n.* অৱশেষ, বাকী। re-sid′-u-a-ry (*-ā-rĭ*), *adj.* অৱশেষ বা বাকী সম্বন্ধীয়।

re-sign′ (*-zīn′*), *v.* ত্যাগ কৰা, এৰি দিয়া, বশবৰ্ত্তী হোৱা। res-ig-na′-tion (*rez-*), *n.* ইস্তফা, বশবৰ্ত্তিতা।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

res'-in (*rez'-*), *n.* ধুনা। res'-i-nous, *or* res'-i-ny, *adj.*

re-sist' (*-zist'*), *v.* বাধা দিয়া। re-sist'-ance, *n.* বাধা। re-sist'-less, *adj.* বাধা দিব নোৱাৰা।

re-solve' (*-zolv'*), *v.* ভঙ্গা, গলোৱা, স্থিৰ কৰা, মনস্থ কৰা; *n.* সংকল্প, দৃঢ় প্ৰতিজ্ঞা। res'-o-lute (*rez'-*), *adj.* দৃঢ়-প্ৰতিজ্ঞ। res-o-lu'-tion, *n.* প্ৰস্তাব, দৃঢ়প্ৰতিজ্ঞা, বিশ্লেষণ বা ভঙ্গা কাৰ্য্য।

re-sort' (*-zört'*), *v.* আশ্ৰয় লোৱা; *n.* আশ্ৰয়। last resort, উদ্ধাৰৰ শেষ উপায়।

re-sound' (*-zound'*), *v.* প্ৰতিধ্বনি কৰা বা উঠা। res'-on-ant (*rez'-*), *adj.* প্ৰতিধ্বনিত।

re-source' (*-sōrs'*), *n.* উপায়, কৌশল; in *pl.* ধন সম্পত্তি। re-source'-ful, *adj.*

re-spect', *v.* সন্মান কৰা, সম্বন্ধ ৰখা; *n.* সন্মান, সম্বন্ধ; *pl.* নমস্কাৰ। re-spect'-a-ble, *adj.* মাননীয়, পূজনীয়, সম্ভ্ৰান্ত। re-spect'-ful, *adj.* সন্মানপূৰ্ণ, সবিনয়।

re-spire', *v.* উশাহ লোৱা। res-pi-ra'-tion, *n.* উশাহ-নিশাহ।

res'-pite (*-pit*), *n.* বিৰাম, পলম; আজৰি সময় বা জিৰণিৰ কাল; প্ৰাণদণ্ডৰ আদেশ কাৰ্য্যত পৰিণত কৰাত যি পলম; *v.* স্থগিত কৰা।

re-splen'-dent, *adj.* বৰ উজ্জ্বল বা চকমকীয়া। re-splen'-dence, *n.*

re-spond', *v.* উত্তৰ দিয়া। re-sponse', *n.* উত্তৰ। re-spon'-dent, *adj. n.* প্ৰতিবাদী। re-spon'-si-ble, *adj.* দায়ী, দায়িত্বপূৰ্ণ। re-spon-si-bil'-i-ty, *n.* দায়িত্ব। re-spon'-sive (*-siv*), *adj.* উত্তৰ দিয়া।

rest, *n.* জিৰণি, বিশ্ৰাম, শান্তি, বাকী, অবশিষ্ট ভাগ; *v.* জিৰণি লোৱা, নিৰ্ভৰ কৰা। rest'-less, *adj.* অস্থিৰ, চঞ্চল। res'-tive, *adj.* আগ বাঢ়িবলৈ অনিচ্ছুক, অসহিষ্ণু, অবাধ্য।

res'-tau-rant (*-tō-rän* or *-rant*), *n.* (F.) খাজলা পান কিনি খাবলৈ দোকান।

res-ti-tu'-tion, *n.* আচল গৰাকীক ওভোতাই দিয়া কাৰ্য্য।

re-store', *v.* পুনৰ দিয়া, পুনৰ বচোৱা, পুনৰ লাভ কৰা (স্বাস্থ্য আদি)। res-to-ra'-tion, *n.* নিজ থানলৈ পুনৰ আনা কাৰ্য্য, পূৰ্ব্বৰ অবস্থা পুনৰ লাভ। res-tor'-a-tive (*-tiv*), *adj.* পুনৰ স্বাস্থ্য দায়ক, বলকাৰক; *n.* বলকাৰক ঔষধ।

re-strain', *v.* সংযত কৰা, দমন কৰা, বাধা দিয়া। re-straint', *n.* সংযম, দমন, বাধা।

re-strict', *v.* সীমা বন্ধা, নিৰ্দ্দিষ্ট কৰি দিয়া। re-stric'-tive, *adj.*

re-sult' (*-zult'*), *n.* ফল, পৰিণাম; *v.* পৰিণামত হোৱা, ফলস্বৰূপে হোৱা।

re-sume' (*-zūm'*), *v.* পুনৰ আৰম্ভ কৰা, এবাৰ পাছত আকৌ ধৰা। re-sump'-tion, *n.* পুনৰ আৰম্ভ।

res-ur-rec'-tion (*rez-*), *n.* সমাধি বা মৃত্যুৰ পৰা পুনৰ উত্থান।

re-sus'-ci-tate (*-si-*), *v.* পুনৰ জীবিত কৰা, বাঁচি উঠা।

re-tail', *v.* খুচুৰাকৈ বেচা। re'-tail, *n.* : *adj.* খুচুৰা বিক্ৰী।

re-tain', *v.* এৰি নিদিয়া, ৰখা, নিযুক্ত কৰা। re-tain'-er, *n.* দৰ্মহাখোৱা চাকৰ, অনুচৰ বা তলতীয়া মানুহ। re-ten'-tion, *n.* ৰখা কাৰ্য্য, স্মৃতি বা ধাৰণা শক্তি। re-ten'-tive, *adj.* ধাৰণ কৰিবলৈ সক্ষম।

CC-0. In Public Domain. Gurukul Kangri Collection, Harid...

Digitized by Arya Samaj Foundation Chennai and eGangotri

re-tal'-i-ate, *v.* পোটক তোলা, প্ৰতিশোধ লোৱা। re-tal-i-a'-tion, *n.* পোটক, প্ৰতিশোধ।

re-tard', *v.* পলম কৰা, বাধা দিয়া।

ret'-i-cent (*-sent*), *adj.* মনে মনে থকা, কম কথা কোৱা। ret'-i-cence (*-sens*), *n.*

ret'-i-nue (*-nū*), *n.* লগুৱাবোৰ, অনুচৰবৰ্গ।

re-tire', *v.* প্ৰস্থান কৰা, হুহকি পৰা, কাম এৰা, শুৱা, অৱসৰ দিয়া। re-tire'-ment, *n.* কাৰ্য্যৰ পৰা অৱসৰ, নিৰ্জ্জন ঠাই। re-ti'-ring, *adj.* গম্ভীৰ, সংযত, লাজকুৰীয়া।

re-tort' (*-tört'*), *v.* উপযুক্ত প্ৰত্যুত্তৰ দিয়া ; *n.* উপযুক্ত প্ৰত্যুত্তৰ, এবিধ কাচৰ যন্ত্ৰ।

re-tract', *v.* অস্বীকাৰ কৰা (কোৱা কথা)। re-trac'-tion, *n.*

re-treat', *v.* প্ৰস্থান কৰা, পলোৱা, যুঁজত পিছ হোঁহোকা ; *n.* প্ৰস্থান, পলায়ন, নিৰ্জ্জন ঠাই, লুকাই থকা ঠাই।

re-trench' *v.* কমোৱা, খৰচ কম কৰা। re-trench'-ment, *n.*

ret-ri-bu'-tion, *n.* উপযুক্ত শাস্তি, প্ৰতিফল। re-trib'-u-tive, *adj.* প্ৰতিশোধমূলক।

re-trieve' (*-trēv'*), *v.* উদ্ধাৰ কৰা, ওভোতাই পোৱা, লোকচানি পূৰণ কৰা। re-triev'-er, *n.* এবিধ চিকাৰী কুকুৰ।

ret'-ro-grade, *v.* : *adj.* পিছৰ ফালে যোৱা, বেয়া হোৱা। ret-ro-gres'-sion, *n.*

ret'-ro-spect, *n.* যোৱা বিষয়ৰ আলোচনা, অতীতৰ পিনে চোৱা কাৰ্য্য। ret-ro-spec'-tive, *adj.* অতীত ঘটনা সম্বন্ধীয়, অতীতৰ পিনে চোৱা।

re-turn', *v.* ওভোতাই দিয়া, উভতি অহা বা যোৱা, নিৰ্ব্বাচন কৰা ; *n.* পুনৰ আগমন, ওভোতাই দিয়া কাৰ্য্য, নিৰ্ব্বাচন, হিচাবপত্ৰ। re-turn'-a-ble, *adj.*

re-u'-ni-on, *n.* পুনৰ মিলন। re-u-nite', *v.* পুনৰ লগ কৰা বা হোৱা।

re-veal', *v.* (গোপনীয় কথা) প্ৰকাশ কৰা, ৰহস্য ভেদ কৰা। rev-e-la'-tion, *n.* প্ৰকাশ, ৰহস্যৰ ভেদ, বেদাদি শাস্ত্ৰ।

rev'-el, *v.* হাইউৰুমিৰে পান-ভোজন কৰা, আমোদ-প্ৰমোদ কৰা। rev'-el-ry, *n.* হাইউৰুমিকৈ খোৱা ভোজ, আমোদ-প্ৰমোদ।

re-venge', *v.* প্ৰতিশোধ লোৱা ; *n.* প্ৰতিশোধ। re-venge'-ful, *adj.* প্ৰতিহিংসাপূৰ্ণ।

rev'-e-nue (*-nū*), *n.* ৰাজহ, খাজনা, আয়, লাভ।

re-ver'-ber-ate, *v.* প্ৰতিধ্বনি কৰা। re-ver'-ber-a-to-ry, *adj.*

re-vere', *v.* ভক্তি কৰা, শ্ৰদ্ধা কৰা, সন্মান কৰা। rev'-er-ence (*-ens*), *n.* সন্মান, শ্ৰদ্ধা, ভক্তি। rev'-er-end, *adj.* পূজনীয়, শ্ৰদ্ধেয়, খৃষ্টান্ পুৰোহিতৰ উপাধি। rev'-er-ent, *adj.* rev-er-en'-tial (*-shal*), *adj.* সন্মানজনক, নম্ৰ, বিনীত।

rev'-er-ie (*-ī*), *n.* (F.) কল্পনা, ধ্যান, দিনৰ সপোন।

re-verse' (*-vers'*), *n.* ওলোটা বা বিপৰীত ফাল, পৰাজয়, দুৰ্ঘটনা ; *adj.* বিপৰীত ; *v.* ওলোটোৱা, উবুৰি কৰি দিয়া, সম্পূৰ্ণভাবে সলনি কৰা। re-vers'-i-ble, *adj.* ওলোটাই দিব পৰা।

re-vert', *v.* ঘূৰাই দিয়া, উভতি অহা বা যোৱা। re-vert'-i-ble, *adj.*

re-view' (*-vū'*), *v.* পুনৰ বিচাৰ কৰা, সমালোচনা কৰা, দোষগুণ বিচাৰ কৰা ; *n.* পৰ্য্যবেক্ষণ, পুনৰ বিচাৰ, সমালোচনা, আলোচনী কাকত।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

re-vile′, *v.* গালি পাৰা, নিন্দা কৰা, অপমান কৰা।

re-vise′ (*-vīz′*), *v.* সংশোধন কৰিবলৈ পুনৰ পৰীক্ষা কৰি চোৱা, ওলোটাই চোৱা বা পৰীক্ষা কৰা। re-vi′-sion (*-vizh′-un*), *n.* পুনৰ পৰীক্ষা, সংশোধন।

re-vive′, *v.* আকৌ জ্ঞান পোৱা, আকৌ জীৱন পোৱা, বাঁচি উঠা, পুনৰ জীৱন দিয়া, সতেজ হোৱা বা কৰা, জাগৰিত কৰা। re-vi′-val, *n.* পুনৰ জীবন, পুৰণি ধৰ্ম্মৰ নতুন জীৱন। re-vi′-val-ist, *n.* পুৰণি ধৰ্ম্মক নতুন জীবন দিওঁতা।

re-voke′, *v.* তুলি দিয়া, বদ কৰা। rev-o-ca′-tion, *n.*

re-volt′, *v.* বিদ্ৰোহ কৰা, ৰজাৰ বিৰুদ্ধে উঠা, বেজাৰ বা বিৰক্তি অনুভব কৰা। re-volt′-ing, *adj.* ঘৃণাজনক, বিশেষ বিৰক্তিজনক।

re-volve′, *v.* কেন্দ্ৰৰ চাৰিও পিনে ঘূৰা, মনত গুণাগাঁঠা কৰা বা চিন্তা কৰা। re-vol′-ver, *n.* এবিধ পিস্তল। rev-o-lu′-tion, *n.* কোনো কেন্দ্ৰলৈ ঘূৰা কাৰ্য্য, অত্যন্ত পৰিবৰ্ত্তন, ৰাষ্ট্ৰবিপ্লব।

re-vul′-sion, *n.* হঠাৎ ভাবৰ পৰিবৰ্ত্তন, বিৰাগ।

re-ward′, *n.* পুৰস্কাৰ, বঁটা; *v.* পুৰস্কাৰ দিয়া।

rey′-nard, *n.* শিয়াল (*a proper name for the fox*).

rhap′-so-dy, *n.* আবেগপূৰ্ণ বক্তৃতা বা লেখা।

rhet′-or-ic (*rĕt′-*), *n.* অলঙ্কাৰ শাস্ত্ৰ, বাগ্মিতা। rhe-tor′-i-cal, *adj.* অলঙ্কাৰ বা উপমা আদিৰে পূৰ্ণ।

rheu′-ma-tism (*roo′-*), *n.* বাত বেমাৰ। rheu-mat′-ic (-al), *adj.*

rhi-noc′-er-os (*rī-nŏs′-*), *n.* গঁড়।

rhyme (*rīm*), *n.* কবিতাৰ শেষ পাদৰ মিল, মিত্ৰাক্ষৰ; *v.* কবিতাৰ শাৰীৰ শেষৰ উচ্চাৰণ বা আখৰ মিলা।

rhythm (*rithm* or *rīthm*), *n.* ছন্দ, কবিতা বা গীতৰ সুৰৰ ঢৌ।

rib, *n.* কামিহাড়।

rib′-ald, *adj.* নীচ, অভদ্ৰ, খেঁচ; *n.*

rib′-bon, *n.* বেচমী ফিতা।

rich, *adj.* ধনী, চহকী। rich′-es, *n.* ধনসম্পত্তি।

rick, *n.* শস্যৰ দ′ম।

rid, *v.* মুক্ত কৰা, আঁতৰ কৰা।

rid′-dle (*-dl*), *n.* সাঁথৰ, প্ৰহেলিকা, চালনী।

ride, *v.* ঘোঁৰাত উঠা, ভাহা (যেনে জাহাজ)। ride′-a-ble, *adj.* উঠাৰ উপযুক্ত। ri′-der, *n.*

ridge (*rij*), *n.* পাহাৰশ্ৰেণী, ওপৰৰ কাণ (ওখ মাটি বা ঢৌৰ), শিৰালৰ আলি; *v.* আলি কটা।

rid′-i-cule (*-kūl*), *v.* ইতিকিং কৰা, উপহাস কৰা, ঠাট্টা কৰা; *n.* ঠাট্টাবিদ্ৰূপ, ইতিকিং। ri-dic′-u-lous (*-lus*), *adj.* হাঁহি উঠা, অসম্ভব।

rife, *adj.* প্ৰবল, প্ৰচলিত, সাধাৰণ, প্ৰচুৰ।

ri′-fle, *n.* এবিধ সৰু বন্দুক; *v.* বলেৰে কাঢ়ি নিয়া, লুটি নিয়া।

rift, *n.* ফাট, সুৰুঙ্গা; *v.* ফাট মেলা।

rig, *v.* পিন্ধা, (জাহাজ) পাল, ৰচি আদিৰে সাজু হোৱা।

right (*rīt*), *adj.* পোন, সৰল, প্ৰকৃত, ন্যায্য, উপযুক্ত, ঠিক, সোঁ, দক্ষিণ; *n.* ন্যায়, ধৰ্ম্ম, স্বত্ব, দক্ষিণ-ফাল; *v.* শুদ্ধ কৰা, ন্যায় কৰা। right′-eous (*rī′-tyus* or *rīt′-shus*), *n.* ন্যায়পৰায়ণ, ধাৰ্ম্মিক, সাধু। right′-eous-ness, *n.* সাধুতা, ন্যায়পৰায়ণতা,

CC-0. In Public Domain. Gurukul Kangri Collection, Harid...

Digitized by Arya Samaj Foundation Chennai and eGangotri

পবিত্ৰতা। right'-ful, *adj.* প্ৰকৃত, ন্যায্য।

rig'-id (*rij'-*), *adj.* কঠোৰ, দৃঢ়। ri-gid'-i-ty, *n.* কঠোৰতা, দৃঢ়তা।

rig'-our (*rig'-ur*), *n.* কঠোৰতা, উগ্ৰতা, জাৰ আদিৰ প্ৰবলতা। rig'-or-ous, *adj.* কঠোৰ, উগ্ৰ।

rime, *n.* গোটা মৰা বৰফ ; বিন্ধা, ফাট।

rind (*rīnd*), *n.* বাকলি।

ring, *v.* বজোৱা, বাজা ; *n.* আঙ্গুঠী, মণ্ডল। ring'-lead-er, *n.* কোনো উদ্দেশ্যলৈ হোৱা দলৰ নায়ক। ring'-worm, *n.* খৰ, খছ।

rinse, *v.* ধোৱা, পখলা, পানীৰে মাজা।

ri'-ot, *n.* কোৰ্হাল, হাই, হাইউৰুমিৰে কৰা পান-ভোজন ; *v.* উচ্ছৃঙ্খল কৰা, শান্তিভঙ্গ কৰা, পান-ভোজনত আসক্ত হোৱা। ri'-o-ter, *n.* হাই কৰোঁতা। ri'-o-tous, (*-tus*), *adj.* উচ্ছৃঙ্খল,পান-ভোজনত আসক্ত।

rip, *v* ফালা, চিৰা ; *n.* ফাট, বিন্ধা।

ripe, *adj.* পকা, সময়ৰ উপযুক্ত, পৈণত। ri'-pen, *v.* পকা, পৈণত কৰা।

rip'-ple, *v.* ঢৌ উঠা বা কৰা, কুল্‌কুল্ শব্দ কৰা ; *n.* খলকনি, সৰু ঢৌ।

rise (*riz-*) (rose, ris'-en, ri'-sing), *v.* উঠা, ভাহি উঠা, ঠেলি উঠা, ওফন্দি উঠা, থিয় হোৱা, বিছনাৰ পৰা উঠা, উদয় হোৱা, বিদ্ৰোহী হোৱা, উন্নত হোৱা, প্ৰবল হোৱা, সভাভঙ্গ কৰি উঠা ; *n.* উত্থান, উদয়, উন্নতি, উৎপত্তি, বৃদ্ধি।

risk, *n.* বিপদ, সঙ্কট ; *v.* বিপন্ন কৰা।

rite, *n.* ধৰ্ম্মৰ অনুষ্ঠান, পূজা-অৰ্চ্চনা। rit'-u-al, *n.* অনুষ্ঠান-পদ্ধতি। rit'-u-al-ism, *n.* rit'-u-al-ist, *n.* আচাৰনিষ্ঠ লোক।

ri'-val, *n.* প্ৰতিযোগী, প্ৰতিদ্বন্দী ; *adj.* *v.* প্ৰতিদ্বন্দিতা বা প্ৰতিযোগিতা কৰা, অৰিয়া অৰি কৰা। ri'-val-ry, *n.* অৰিয়া-অৰি, প্ৰতিদ্বন্দ্বিতা।

riv'-er, *n.* নদী।

riv'-et, *n.* এবিধ গজাল ; *v.* গজাল মাৰা।

riv'-u-let, *n.* সৰু নদী।

road, *n.* ৰাস্তা।

roam (*rōm*), *v.* ঘূৰি ফুৰা, ভ্ৰমি ফুৰা।

roar (*rōr*), *n.* গৰ্জ্জন ; *v.* গৰ্জ্জা।

roast, *v.* জুইৰ তাপত সেকা, ভাজা।

rob, *v.* লুট কৰা, ডকাইতি কৰা, বলেৰে কাঢ়ি নিয়া। rob'-ber, *n.* ডকাইত, দস্যু। rob'-ber-y, *n.* ডকাইতি।

robe, *n.* হলোছোলা বা বাহিৰৰ পোছাক (বিশেষকৈ কোনো পদৰ চিন স্বৰূপে পিন্ধা), ওলমি পৰা দীঘল পোছাক ; *v.* পোছাক পিন্ধোৱা।

rob'-in, *n.* এবিধ সুৱদী মাতৰ সৰু চৰাই।

ro-bust', *adj.* বলবান, শকত আৱত, সুস্থ দেহৰ।

rock, *v.* ঢুলোৱা, হেন্দেলোৱা ; *n.* শিল। rock'-y, *adj,* শিলময়।

ro'-dent, *adj.* দাঁতে কুটা ; *n.* দাঁতে কুটা জন্তু যেনে নিগনি।

roe (*rō*), *n.* মাছৰ কণী, মাইকী পহু। roe'-buck, *n.* মতাপহু।

rogue (*rōg*), *n.* প্ৰবঞ্চক, ধূৰ্ত্ত, বদমাচ, ডাকু মানুহ। ro'-guish (*-gish*), *adj.* দুষ্ট, ধূৰ্ত্ত, ডাকু।

rôle (*rōl*), *n.* (F.) ভাৱৰীয়া সকলৰ নাটকত লোৱা ভাও, কোনো মানুহে যি কাৰ্য্যৰ বা চৰিত্ৰ ভাৱলৈ সম্পাদন কৰে।

roll (*rōl*), *v.* ঘূৰোৱা, মেৰিওৱা, ভাঁজলগাই ঘূৰণীয়া কৰা, মনত ভল ওপৰ কৰা, চকাৰ নিচিনা ঘূৰণীয়া হোৱা ; ঘূৰা, বাগৰা ; *n.* ঘূৰাকাৰ্য্য, মেৰিয়াই থোৱা কাগজপত্ৰ ; নামৰ তালিকা, চৰ্কাৰী কাগজপত্ৰ বা

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

নথি। roll'-er, *n.* দলা মাৰি পিহনা, যি যন্ত্ৰ ঘূৰাই মাটি সমান কৰে।

ro-mance', *n.* অদ্ভুত উপাখ্যান, আচৰিত ঘটনা। ro-man'-tic, *adj.* অদ্ভুত, আচৰিত, বিস্ময়জনক।

romp, *v.* হাইউৰুমিৰে জপিওৱা, ধেমালি কৰা।

Rönt'-gen rays (*rënt'-gën*) or the X-rays, *n.* অস্বচ্ছ বস্তুৰ ভিতৰত সোমাব পৰা এবিধ ৰশ্মি।

roof, *n.* ঘৰৰ ছাল ; *v.* ছালেৰে ঢকা।

rook, *n.* ঢোৰা কাউৰী, ঠগ, প্ৰবঞ্চক।

room, *n.* কোঠা, খোটালি, ঠাই, সুবিধা ; room'-y, *adj.* আহলবহল।

roost, *n.* চৰাই জিৰণি লোৱা ডাল ; *v.* ডালত বহা, জিৰণি লোৱা।

root, *n.* মূল, শিপা, গুৰি, মূল শব্দ বা ধাতু, মাইকাৰণ ; *v.* শিপোৱা, দৃঢ়েহে বহা। root and branch, ডালে মূলে, সম্পূৰ্ণভাবে।

rope, *n.* জৰি, ৰচি ; *v.* ৰচিৰে বন্ধা। ro'-per-y, *n.* যি ঠাইতে ৰচি তৈয়াৰ কৰে।

ro'-sa-ry (*-să-ri*), *n.* জপৰ মালা, গোলাপ ফুলৰ বাগীচা।

rose (*rōz*), *n.* গোলাপ ফুল আৰু গছ, গোলাপী ৰং। ro'-se-ate (*-zē-āt*), *adj.* গোলাপী, গোলাপ বেচিকৈ থকা। ro-sette' (*-zet'*), *n.* গোলাপৰ আকৃতিত ভাঁজ লগোৱা ৰঙা ফিতা। ro'-sy, *adj.*

ros'-trum, *n.* বক্তৃতা-মঞ্চ, যি ওখ ঠাইত থিয় হৈ বক্তাই বক্তৃতা দিয়ে ; জাহাজৰ জোঙা আগভাগ।

rot, *v.* গেলা, পঁচা, নষ্ট হোৱা ; *n.* পচা অবস্থা। rot'-ten, *adj.* গেলা, পঁচা।

ro-tate', *v.* ঘূৰা। ro'-ta-ry, *adj.* ঘূৰি থকা। ro-ta'-tion, *n.* ঘূৰণ, চক্ৰগতি। ro'-ta-to-ry, *adj.* ঘূৰাবলৈ শক্তি থকা।

rote, *n.* (নুবুজাকৈ) আওৰোৱা কাৰ্য্য বা পুনঃ পুনঃ আবৃত্তি।

ro-tund', *adj.* ঘূৰণীয়া। ro-tun'-di-ty, *n.* মণ্ডলাকাৰ।

rouge (*roozh*), *n.* (F.) তিৰোতাৰ গাল আৰু ওঠত লগোৱা ৰঙা ৰং ; *v.*

rough (*ruf*), *adj.* খহটা, খলাবমা, অসমান, কঠুৱা, কৰ্কশ, উগ্ৰ, অস্পষ্ট, বিশৃঙ্খল, মোটা।

round, *adj.* ঘূৰণীয়া, মণ্ডলাকাৰ, পূৰ্ণ, স্পষ্ট, ঠিক ; *n.* চকা, মণ্ডলাকাৰে নৃত্য, মণ্ডল, উঠা খোপ, শান্তিৰক্ষকৰ ভ্ৰমণ, এখেল ; *v.* ঘূৰণীয়া বা মণ্ডলাকাৰ কৰা বা হোৱা, আগুৰা, ঘূৰাঘূৰি কৰা। round'-a-bout, *adj.* ঘূৰা পকা।

round'-e-lay, *n.* গান, মণ্ডলাকাৰ নাচ।

rouse (*rowz*), *v.* জগোৱা, সাৰি কৰা, উত্তেজিত কৰা বা হোৱা।

rout (*rowt*), *v.* তেনেই পৰাস্ত কৰা, ছিন্ন-ভিন্ন কৰা, ভাঙ্গি দিয়া ; *n.* যুদ্ধভঙ্গ, বিশৃঙ্খল অবস্থা, সৈন্যভঙ্গ, পৰাজয়, মানুহৰ জনতা, গোলমাল, হাইউৰুমি।

route (*root*), *n.* (ভ্ৰমণৰ) বাট। en-route (*ăn root*), (F.) বাটত, ভ্ৰমণৰ সময়ত। rou-tine' (*roo-tēn'*), *n.* দৈনিক কাৰ্য্যৰ তালিকা।

rove, *v.* ভ্ৰমণ কৰা, ঘূৰি ফুৰা। ro'-ver, *n.* পৰ্য্যটক, দস্যু।

row (*rō*), *n.* শাৰী, শ্ৰেণী ; *v.* নাও বোৱা, চৰি বা বঠাৰে বোৱা।

row (*rou*), *n.* হাই, কাঁজিয়া, গোলমাল।

row'-dy, *adj.* হাই কোৰ্হালকাৰী, গোলমালকাৰী ; *n.* বদমাচ্ মানুহ, ডাকু মানুহ।

row'-el (*rou'-*), *n.* অশ্বাৰোহীৰ পাদুকাত লাগি থকা কাঁটাযুক্ত চাকা।

CC-0. In Public Domain. Gurukul Kangri Collection, Harid...

Digitized by Arya Samaj Foundation Chennai and eGangotri

roy'-al, *adj*. ৰাজকীয়, ৰজাৰ উপযুক্ত, ৰজাৰ নিচিনা, সম্ভ্ৰান্ত। roy'-al-ty, *n*. ৰাজপদ, ৰাজকৰ, ৰজাৰ বা আবিষ্কাৰকৰ প্ৰাপ্য অংশ।

rub, *v*. ঘঁহা। rub'-ber, *n*. 'ৰবাৰ'।

rub'-bish, *n*. আবৰ্জ্জনা, ভুঁহুৰা, সামান্য বস্তু।

ru'-by (*-bi*), *n*. পদ্মৰাগমণি, অতি সৰু ছপাৰ আখৰ ; *adj*. বৰ ৰঙা।

rud'-der, *n*. নাও বা জাহাজৰ গুৰি ব'ঠা, —যিয়ে চলায়।

rud'-dy, (rud'-di-er, rud'-di-est), *adj*. ৰঙা ৰবণীয়া, টক্‌টকীয়া ৰঙা, বৰ চক্-চকীয়া।

rude (*rood*), *adj*. মোটা, কৰ্কশ, ৰুক্ষ, অপৰিষ্কাৰ, অশিক্ষিত, অশিষ্ট, বেয়াৰুচিৰ, অজ্ঞ বা নজনা।

ru'-di-ment, *n*. আৰম্ভ, উপক্ৰম, ভালকৈ গঠিত নোহোৱা অৱস্থা ; (*pl*.), মূলসূত্ৰ বা নীতি (জ্ঞানৰ কোনো শাখাৰ)। ru-di-men'-ta-ry (*-tŭ-*), *adj*. মৌলিক, সামান্য, অসম্পূৰ্ণ।

rue (*roo*), *n*. এবিধ বেয়াগোন্ধযুক্ত ফুলৰ গছ ; *v*. অনুতাপ কৰা, দুখিত হোৱা। rue'-ful, *adj*. অনুতপ্ত, দুখজনক।

ruf'-fi-an (*-fi-*), *n*. গুণ্ডা, নিষ্ঠুৰ মানুহ, বদমাচ্ লোক ; *adj*. ruf'-fi-an-ly, *adj*. বদমাচ্ মানুহৰ নিচিনা।

ruf'-fle (*-fl*), *v*. কোঁচখুওৱা, জোকোৰা, আমনি কৰা, বিৰক্ত কৰা।

rug, *n* এবিধ কম্বল।

rug'-by *or* **rug'-ger**, *n*. ৰাগ্‌বী স্কুলৰ নিয়ম অনুসাৰে খেলা, ফুটবল খেল।

rug'-ged, *adj*. খঁহতা, অসমান, নীৰস, কোঁচখোৱা, শিৰাল থকা, শ্ৰুতিকটু।

ru'-in, *n*. ধ্বংস, বিনাশ, উচ্ছেদ, ক্ষয় ; *v*. ধ্বংস কৰা, পৰাস্ত কৰা, বিনাশ কৰা। ru'-in-ous (*-us*), *adj*. ধ্বংসকাৰী। ruins, *n*. *pl*. ভগ্নাৱশেষ।

rule (*rool*), *n*. প্ৰভুত্ব, শাসন, নিয়ম, হুকুম ; *v*. শাসন কৰা, নিয়মিত কৰা, হুকুম দিয়া, পাতি টনা। ru'-ler, *n*. শাসনকৰ্ত্তা, পাতিটনা মাৰি।

rum'-ble, *v*. হৰ্ হৰ্ শব্দ কৰা, গৰ্জ্জন কৰা ; *n*. হৰ্ হৰ্ শব্দ, গৰ্জ্জন।

ru'-mi-nate (*roo'-*), *v*. পাগুলা, চিন্তা কৰা, ভৰা। ru'-mi-nant, *adj*.

rum'-mage (*-maj*), *n*. সবিশেষ অনুসন্ধান ; *v*. তন্নতন্নকৈ বিচৰা।

ru'-mour (*roo'-mŭr*), *n*. উৰাবা, জনৰব ; *v*. জনৰব কৰা।

rump, *n*. পিছফাল, তপিনাৰ ফাল।

rum'-ple (*-pl*), *v*. কোঁচখুওৱা, গড় বেয়া কৰা বা লবোৱা ; *n*. জাপ, কোঁচ।

run, *v*. লৰা, দৌৰা, বেগেৰে বৈ যোৱা, পলোৱা, দৌৰত প্ৰতিযোগিতা কৰা, বিস্তৃত হোৱা, বিন্ধা, সোমোৱা, গলাই ঢালা ; *n*. দৌৰ, লৰ, গতি, ভ্ৰমণ, চৰণীয়া পথাৰ, জনপ্ৰবাহ।

run'-a-gate, *n*. স্বধৰ্ম্মত্যাগী, পলৰীয়া বা ভগনীয়া মানুহ।

run'-a-way, *n*. & *adj*. পলৰীয়া, ভগনীয়া।

rung, *n*. জখলাৰ খোপ।

rup'-ture, *n*. ভঙা ; *n*. মনৰ অমিল ভাব, বিবাদ, বিচ্ছেদ।

ru'-ral (*roo'-*), *adj*. গাঁৱলীয়া।

ruse (*rooz*), *n*. ছল, ফাঁকি, কৌশল।

rush, *v*. বেগেৰে যোৱা, দৌৰি গৈ পৰা, নভবা নিচিন্তাকৈ কাম কৰা, তাৰাতাৰি কৰা ; *n*. ঠেলাঠেলি, ভিৰ, দ্ৰুতগতি, নলখাগৰি।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

rus'-set, *adj.* ৰঙচুৰা মুগা বৰণীয়া ; *n.* গেৰুৱা কাপোৰ।

rust, *n.* লোৰ মামৰ ; *v.* মামৰে ধৰা। rus'-ty, *adj.*

rus'-tic, *adj.* গাঁৱলীয়া, অসভ্য, সৰল। rus'-ti-cate, *v.* গাওঁলৈ পঠিওৱা বা গাওঁত বাস কৰা, কোনো নিৰ্দ্দিষ্ট সময়লৈ (কোনো দোষৰ বাবে) পঢ়িবলৈ নিদিয়া। rus-tic'-i-ty (*-tis'-*), *n.* গাঁৱলীয়া বা অসভ্য আচৰণ, সৰলতা।

rus'-tle (*-'l*), *v.* খচ্‌মচ্ শব্দ কৰা, পাত লৰিলে যে শব্দ হয় তেনে শব্দ কৰা; *n.* খচ্‌মচ্ শব্দ।

ruth, *n.* দয়া, কৰুণা। ruth'-less, *adj.* নিৰ্দ্দয়, নিষ্ঠুৰ।

rye (*rī*), *n.* গমজাতিৰ এবিধ শস্য।

S

Sab'-bath, *n.* জিৰণিৰ দিন, খৃষ্টান্ আৰু ইহুদী সকলৰ সাপ্তাহিক উপাসনাৰ দিন।

sa'-ble (*-bl*), *n.* নেউল জাতৰ কোমল লোম থকা এবিধ জন্তু, ইয়াৰ লোম ; *adj.* কলাবৰণীয়া।

sa'-bre (*-bėr*), *n.* গধূৰ আগৰ পিনে অলপ ভাজ থকা তৰোৱাল।

sac (*sak*), *n.* থৈলা, হোলোং ফোচোং কোটচোলা।

sac'-char-ine (*sak'-kar-īn*), *adj.* চেনিৰ গুণযুক্ত, মিঠা। sac'-char-in, *n.* এবিধ অতি মিঠা ৰাসায়নিক বস্তু।

sac-er-do'-tal (*sas-*), *adj.* পুৰোহিত সম্বন্ধীয়।

sa-chet' (*sā-shā'* or *săt'-shĕt*), *n.* সৰু টেমা।

sack, *n.* থৈলা, তিৰোতাৰ ওপৰণি কাপোৰ, এবিধ খাদ্য ; *v.* লুটপাট কৰা। sack'-cloth, *n.* মোটা কাপোৰ।

sac'-ra-ment, *n.* খৃষ্টান্ সকলৰ উপাসনাৰ এটা পৰ্ব্ব।

sa'-cred (*sā'-kred*), *adj.* পবিত্ৰ, ধৰ্ম্ম-সম্বন্ধীয়, উছৰ্গা কৰা।

sac'-ri-fice (*sak'-ri-fīs*), *v.* বলি দিয়া, উচ্ছৰ্গা কৰা, ত্যাগ কৰা বা এৰা, ক্ষতি স্বীকাৰ কৰা ; *n.* বলিদান, যাগ-যজ্ঞ, উচ্ছৰ্গা, ক্ষতি স্বীকাৰ। sac-ri-fi'-cial (*-fish'-al*), *adj.*

sac'-ri-lege (*-lej*), *n.* দেৱতাৰ বস্তু বা দেৱতাৰ স্থান অপবিত্ৰ কৰা কাৰ্য্য, পবিত্ৰ বস্তুৰ অপব্যৱহাৰ। sac-ri-le'-gious (*-jus*), *adj.*

sac'-ris-tan, *n.* গীৰ্জ্জাৰ পবিত্ৰ পাত্ৰ, আৰু কাপোৰ আদি ৰখা ভঁৰালৰ অধ্যক্ষ। sac'-ris-ty, *n.* গীৰ্জ্জাৰ যি ঠাইত পবিত্ৰ পাত্ৰ আৰু কাপোৰ আদি ৰখা কোঠা।

sad, *adj.* দুখিত। sad'-den, *v.* দুখিত কৰা।

sad'-dle, *n.* ঘোঁৰাৰ জিন, ৰাজ হাড় আৰু কামি হাড়ত লাগি থকা ভেৰাৰ মঙহ ; *v.* জিন লগোৱা।

safe, *adj.* নিৰাপদ, সুৰক্ষিত, সুনিশ্চিত ; *n.* লোৰ বন্দুক বা পেৰা, খাদ্যাদি ৰখা আলমাৰি বা ঘৰ। safe'-guard, *n.* : *v.* ৰক্ষক, ৰক্ষা। safe'-ty, *n.* নিৰাপদতা।

saf'-fron (*saf'-run*), *n.* কুঙ্কুম, ডাঠ, হালধীয়া বৰণ। *adj.* সোন্তৰা-টেঙা-বৰণীয়া।

sa-ga'-cious (*-shus*), *adj.* চতুৰ,

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

প্ৰখৰবুদ্ধিৰ, সূক্ষ্মদৰ্শী, চোকা ঘ্ৰাণশক্তি থকা। sa-gac'-i-ty, *n.* ইন্দ্ৰিয়শক্তিৰ তীক্ষ্ণতা, বুদ্ধিৰ প্ৰখৰতা।
sage (*sāj*), *adj.* জ্ঞানী, বিবেচক, ভালদৰে বিবেচিত; *n.* মুনি, জ্ঞানী লোক, এবিধ শাক।
sa'-go, *n.* চাগুদানা।
sail, *n.* পাল, জাহাজ, জলভ্ৰমণ; *v.* পানীত চলা বা চলোৱা, জাহাজত যোৱা, বতাহত উটিফুৰা। sail'-er, *n.* জাহাজ। sail'-or, *n.* নাবিক, নাওৰীয়া।
saint, *n.* ঋষি, ধাৰ্ম্মিক লোক। saint'-ly, *adj.* পবিত্ৰ, নৈষ্ঠিক।
sake, *n.* কাৰণ, দোহাই।
sa-laam', *n.* চেলাম, নমস্কাৰ; *v.* চেলাম কৰা।
sal'-ad, *n.* কেঁচা শাকেৰে তৈয়াৰী এবিধ চাটনি।
sal'-a-ry, *n.* দৰ্মহা, বেতন; *v.* দৰ্মহা দিয়া বা থিৰ কৰা। sal'-a-ried (*-ă-rid*), *adj.* দৰ্মহা খোৱা।
sale, *n.* বিক্ৰয়, হস্তান্তৰ, নীলাম। sale'-a-ble, *adj.* বেচিব লগীয়া।
sa'-li-ent (*sā'-li-*), *adj.* স্পষ্ট, প্ৰধান বা মুখ্য।
sa'-line, *adj.* লুণীয়া।
sa-li'-va (*-lī'-*), *n.* লাল।
sal'-low, *adj.* সেঁতা চেহেৰাৰ।
sal'-ly (*-lĭ*), *v.* আক্ৰমণ কৰিবলৈ হঠাৎ বাহিৰ হোৱা; *n.* হঠাৎ আক্ৰমণ, যুঁজ কৰিবলৈ বেগেৰে প্ৰস্থান, স্পষ্ট মন্তব্য, ঠাট্টা তামচাৰ কথা।
sal'-mon (*sam'-un*), *n.* এবিধ মাছ।
sa-loon' (*sā-*), *n.* বৈঠকখানা, নাচঘৰ, জাহাজৰ প্ৰধান খোটালি।
salt, *n.* লোণ; *adj.* লোণসনা; *v.* লোণসনা, লোণ দিয়া।
salt-pe'-tre (*sält-pē'-tēr*), *n.* যখাৰ।
sa-lu'-bri-ous (*sā-lū'-bri-us*), *adj.* স্বাস্থ্যৰ পক্ষে ভাল। sa-lu'-bri-ty, *n.*
sal'-u-ta-ry, *adj.* স্বাস্থ্যকৰ, হিতজনক।
sa-lute', *v.* নমস্কাৰ কৰা, সম্ভাষণ কৰা; *n.* অভ্যৰ্থনা, সন্মানজনাবলৈ তোপ-ধ্বনি। sal-u-ta'-tion, *n.* নমস্কাৰ।
sal'-vage, *n.* জুইৰ পৰা বা ডুবা জাহাজৰ পৰা ৰক্ষা কৰা বস্তু।
sal-va'-tion, *n.* মুক্তি, উদ্ধাৰ।
salve (*säv*), *n.* মলম, লেপ, প্ৰতীকাৰ; salve (*salv*), *v.* লেপ দিয়া, মলম দিয়া, প্ৰতীকাৰ কৰা।
sal'-vo, *n.* আনন্দ প্ৰকাশ কৰিবলৈ কৰা তোপৰ ধ্বনি।
same, *adj.* একে, সদৃশ।
sam'-ple, *n.* আদৰ্শ, নমুনা।
san'-a-tive *adj.* and **san'-a-to-ry**, *adj.* স্বাস্থ্য সম্পৰ্কীয়। san-a-to'-ri-um, *n.* স্বাস্থ্যকৰ ঠাই, স্বাস্থ্যনিবাস বা যি ঠাইলৈ মানুহে চিকিৎসাৰ বাবে যায়।
sanc'-ti-fy, *v.* উছৰ্গা কৰা, পবিত্ৰ কৰা, পাপৰ পৰা মুক্ত কৰা। sanc-ti-fi-ca'-tion, *n.* পবিত্ৰ কৰা কাৰ্য্য, উছৰ্গা। sanc'-ti-ty, *n.* পবিত্ৰতা। sanc'-tu-a-ry, *n.* ধৰ্ম্ম মন্দিৰ, পবিত্ৰ ঠাই। sac'-tum, *n.* (L.) পবিত্ৰ ঠাই, কেৱল নিজৰ ব্যৱহাৰলৈ ৰখা নিৰ্জ্জন কোঠা।
sanc'-tion, *n.* অনুমোদন, মঞ্জুৰী; *v.* অনুমোদন বা মঞ্জুৰ কৰা।
san'-dal, *n.* (L.) খৰম। san'-dal-wood, *n.* চন্দনকাঠ।
sand'-wich, *n.* মঙহ মাজত দি তৈয়াৰ কৰা এবিধ জাপ-ৰুটি; দুটাৰ মাজত ৰখা বা ভৰোৱা।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

sane, *adj.* সুস্থ (মনৰ), প্ৰকৃতিস্থ। san'-i-ty, *n.* মনৰ সুস্থতা।

san'-gui-na-ry (*sang'-gwi-nă-ri*), *adj.* ৰক্তপাত হোৱা, ৰক্ত পিপাসু বা তেজপিবলৈ ভাল পোৱা, নিষ্ঠুৰ।

san'-guine (*sang'-gwin*), *adj.* তেজ-বৰণীয়া, ৰঙা, আশাপূৰ্ণ, প্ৰফুল্ল আৰু উৎসাহী; *n.* তেজৰ বৰণ।

san'-i-ta-ry, *adj.* স্বাস্থ্য সম্বন্ধীয়। san-i-ta'-tion, *n.* স্বাস্থ্যবিজ্ঞান, স্বাস্থ্য ভালে ৰখা ব্যবস্থা।

sap, *n.* গছৰ ৰস; *v.* উঘলা, খনা; নষ্ট বা ধ্বংস কৰা, দুৰ্ব্বল কৰা। sap'-ling, *n.* উদি গছ, কলম গছ। sap'-per, *n.* দুৰ্গ তৈয়াৰ কৰোঁতা সৈন্য।

sa'-pi-ent, *adj.* জ্ঞানী, বিজ্ঞ।

sap'-phire (*saf'-fīr*), *n.* নীলকান্তমণি।

sar'-casm (*-kazm*), *n.* ব্যঙ্গোক্তি। sar-cas'-tic, *adj.*

sar-coph'-a-gus (*-kof'-ă-gŭs*), *n.* শ থোৱা ডাঙৰ শিলৰ বাকচ।

sar-dine' (*-dēn'*), *n.* এবিধ মাছ।

sar-don'-ic, *adj.* কৃত্ৰিম, অবজ্ঞাসূচক, বিদ্ৰূপাত্মক।

Sa'-tan, *n.* চয়তান, পিশাচ। Sa-tan'-ic (-al), *adj.* পৈশাচিক।

sat'-chel, *n.* কিতাপ নিয়া এবিধ ব্যাগ।

sat'-el-lite (*-līt*), *n.* উপগ্ৰহ, লগুৱা।

sa'-ti-ate (*-shī-*), *v.* সন্তুষ্ট কৰা, হেঁপাহ পলুৱাই দিয়া। sa-ti'-e-ty, *n.* পৰিতৃপ্তি।

sat'-ire (*-īr*), *n.* ব্যঙ্গোক্তি, ঠাট্টা বিদ্ৰূপৰ বাক্য, মানৱ চৰিত্ৰৰ দোষ প্ৰকাশ কৰি দিয়া লেখা (গদ্য বা পদ্য)। sa-tir'-i-cal, *adj.* sat'-i-rize, *v.* ব্যঙ্গোক্তিৰ দ্বাৰা আক্ৰমণ কৰা।

sat'-is-fy (*-fī*), *v.* সন্তুষ্ট কৰা, সন্তোষ দিয়া। sat-is-fac'-tion, *n.* সন্তোষ, তৃপ্তি, ক্ষতি-পূৰণ, পৰিশোধ। sat-is-fac'-to-ry, *adj.* সন্তোষজনক।

sat'-u-rate, *v.* সম্পূৰ্ণভাৱে শুহি লোৱা, পূৰাকৈ ভৰোৱা, পূৰ্ণভাৱে পমি যোৱা বা লগ লগা। sat-u-ra'-tion, *n.*

Sat'-ur-day, *n.* শনিবাৰ।

Sat'-urn, *n.* শনিগ্ৰহ।

sat'-yr (*-ĕr*), *n.* বনদেৱতা—আধা মানুহ আধা ছাগলি।

sauce, *n.* আচাৰ, ছাটনি, ৰুচিকৰ বস্তু। sau'-cy, *adj.* ধৃষ্ট, অভদ্ৰ। sauce'-pan, *n.* নাল থকা এবিধ ধাতুৰ পাত্ৰ।

sau'-cer, *n.* বাটি ৰখা সৰু ঘূৰণীয়া থাল।

saun'-ter, *v.* কোনো কাজ কাম বা উদ্দেশ্য নোহোৱাকৈ ঘূৰি ফুৰা।

sav'-age, *adj.* বনৰীয়া, অসভ্য, নিষ্ঠুৰ; *n.* অসভ্য মানুহ।

sa-vant' (*-să-vän'*), *n.* (F.) বিদ্বান, পণ্ডিত।

save, *v.* ৰক্ষা কৰা, বচোৱা, উদ্ধাৰ কৰা, সাঁচা। sa'-ving, *adj.* sav'-iour (*sāv-yĕr*), *n.* ত্ৰাণকৰ্ত্তা, যীশুখ্ৰীষ্ট।

sa'-vour (*sā'-vĕr*), *n.* সোৱাদ, আস্বাদ, গোন্ধ; *v.* বিশেষ সোৱাদ বা গোন্ধ থকা, সদৃশ হোৱা, বুজোৱা, খাই ভাল পোৱা। sa'-vour-y, *adj.* ভাল গোন্ধ আৰু সোৱাদ থকা।

sa-voy', *n.* কেঁকোৰা পাতৰ এবিধ জাৰ-কালি হোৱা কবি।

saw, *n.* কৰত, প্ৰবাদ বচন; *v.* কৰতেৰে ফালা। saw'-yer, *n.* কৰতীয়া।

say, *v.* কোৱা; *n.* বাক্য। say'-ing, *n.* উক্তি, বচন।

scab, *n.* ঘাৰ চোকোৰা বা ওপৰত বন্ধা খলপ, নীহলোক; *v.*

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

scab'-bard, *n.* তৰোৱালৰ খোহা।

scaf'-fold, *n.* মঞ্চ কাঠ বা বাঁহেৰে সজা চাং, মানুহ বধ কৰা ঠাই।

scald, *v.* তপত পানীয়ে বা বাষ্পই পোৰা; *n.* তপত পানীয়ে বা বাষ্পই পোৰা ঘা।

scale, *n.* জখলা, উঠা নমা কৰা সুৰৰ ক্ৰম পৰিমাণ, তুলাচলনী বা পাল্লা, মাছৰ গা আওৰি থকা বাকলি; *v.* জখলাৰে উঠা, বগাই উঠা, জোখা, মাছৰ বাকলি পেলোৱা। sca'-ly, *adj.* বাকলি থকা।

scal'-lop *or* **scol'-lop**, *n.* এবিধ শামুক, দাঁতিত কটা দাব্; *v.* দাঁতিত দাব্ কটা।

scalp, *n.* মূৰৰ লাওখোলা, মূৰৰ চুলিযুক্ত ছাল; *v.* মূৰৰ ছাল কটা।

scamp, *n.* বদমাচ্, দগাবাজ, নীচ মানুহ; *v.* অবহেলা কৰি কাম কৰা, দগাবাজি কৰা।

scam'-per, *v.* বেগাই বা তাৰাতাৰিকৈ পলাই গুচি যোৱা।

scan', *v.* তন্নতন্নকৈ পৰীক্ষা কৰা, কবিতাৰ মাত্ৰা নিৰ্ণয় কৰা।

scan'-dal, *n.* কলঙ্ক, অপবাদ, নিন্দা। scan'-dal-ize, *v.* কুৎসা ৰটা, মিছা কলঙ্ক দিয়া। scan'-dal-ous, *adj.* কুৎসাজনক।

scant *or* **scan'-ty**, *adj.* কম, তাকৰ, অলপ।

scant'-ling, *n.* কেঁক্ৰিৰ কাঠ।

scape'-goat, *n.* আনে কৰা দোষৰ ফল ভুগা মানুহ।

scape'-grace, *n.* অকৰ্ম্মণ্য মানুহ, পাপাসক্ত লোক।

scar, *n.* দাগ, সাঁচ।

scarce (*skārs*), *adj.* দুষ্প্ৰাপ্য, অপ্ৰচুৰ। scarce'-ly, *adv.* কাচিৎ, কথমপি। scar'-ci-ty, *n.* অল্পতা, অভাব, দুৰ্ভিক্ষ।

scare, *v.* ভয় দেখুৱাই খেদি দিয়া। scare'-crow, *n.* চৰাই খেদাবলৈ শস্য-ক্ষেত্ৰৰ মাজত বান্ধি দিয়া ছোঁ।

scarf, *n.* (*pl.* scarves), *n.* গলত বন্ধা ৰুমাল।

scar'-let, *n.* ডাঠ ৰঙা ৰং, উজ্জ্বল ৰঙা বৰণ; *adj.*

scat'-ter, *v.* ছটিওৱা, সিঁচৰতি কৰা।

scav'-en-ger (*-jĕr*), *n.* মেতৰ, ৰাস্তাৰ চাফ কৰোঁতা বা সাৰোঁতা।

scene (*sēn*), *n.* ঘটনাৰ ঠাই, দৃশ্য, ভাওনা কৰা ঠাই, দৃশ্যপট, নাট্যবিষয়ক এক অংশ। sce'-ner-y, *n.* দৃশ্যসমূহ।

scent (*sent*), *n.* গোন্ধ (বিশেষকৈ সুগন্ধ), ঘ্ৰাণশক্তি; *v.* গোন্ধেৰে আমোল-মোল কৰা, গোন্ধ লোৱা বা পোৱা।

scep'-tic (*skep'-*), *n.* (ধৰ্ম্ম বিষয়ত) সন্দেহ কৰোঁতা; *adj.* scep'-tic-al, *adj.* scep'-ti-cism (*-sizm*), *n.* সন্দেহবাদ, ধৰ্ম্মত অবিশ্বাস।

scep'-tre (*sĕp'-t'r*), *n.* ৰাজদণ্ড, ৰাজশক্তি।

sched'-ule (*shed'-ūl*), *n.* তালিকা, তপচিল।

scheme (*skēm*), *n.* কল্পনা, সংকল্প, (কাৰ্য্যৰ) প্ৰণালী, মতলব, মন্ত্ৰণা; *v.* ফন্দিপতা, বুদ্ধিসজা।

schism (*sizm*), *n.* মতভেদ বা বিভিন্নতা (বিশেষকৈ ধৰ্ম্ম বিষয়ত)। schis-mat'-ic, *adj.* সাম্প্ৰদায়িক মতভেদকাৰী, মতভেদ সম্বন্ধীয়।

schol'-ar, *n.* ছাত্ৰ, শিষ্য, বিদ্বান বা পণ্ডিত, বৃত্তিধাৰী ছাত্ৰ। schol'-ar-ship, *n.* পাণ্ডিত্য, বৃত্তি। scho-las'-tic (*skō-*), *adj.* বিদ্যালয়ত অৰ্জ্জা, পণ্ডিত-সদৃশ, প্ৰাচীন পণ্ডিত বা দাৰ্শনিকে প্ৰচাৰ কৰা।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

school, *n.* পঢ়াশালি, বিদ্যালয়, ছাত্ৰবৰ্গ বা শিষ্যমণ্ডলী, বিশেষ বিশেষ দাৰ্শনিক মত, *v.* শিক্ষা দিয়া, ভৎ'সনা কৰা।

schoon'-er (*skoon'-*), *n.* দু ডাল মাস্তুল থকা বৰ বেগী সৰু জাহাজ।

sci'-ence (*sī-*), *n.* বিজ্ঞান, জ্ঞান, শৃঙ্খলা-বদ্ধ জ্ঞানৰ শাখা। sci-en-tif'-ic, *adj* বৈজ্ঞানিক। sci'-en-tist, *n.* বিজ্ঞান জনা লোক।

scim'-i-tar (*sim'-*), *n.* আগ বেঁকা সৰু তৰোৱাল।

scin'-til-late (*sin'-*), *v.* ফিৰিঙতি বাহিৰ হোৱা, জকমক কৰা।

sci'-on (*si'-un*), *n.* কলম দিয়া ঠানি, বংশধৰ।

scis'-sors (*sis'-*), *n. pl.* কেঁচি।

scoff, *v.* উপহাস কৰা, ঠাট্টা কৰা, অবহেলা কৰা।

scold (*skōld*), *v.* গালি পাৰা, ভৎ'সনা কৰা, কেট্‌কেটোৱা ; *n.* গালি, তিৰস্কাৰ, কেট্‌কেটনি, কেট্‌কেটাই থকা তিৰোতা।

sconce (*skons*), *n.* ঢাকনি, মোমবাতি ৰখা পাত্ৰ বা চুঙ্গা।

scoop, *n.* দীঘল নলীয়া হাঠা, ডাক্তৰৰ চামুচৰ নিচিনা এবিধ যন্ত্ৰ ; *v.* খোল কৰা, ঘোকা, ৰোকা, সিঁচা।

scope, *n.* লক্ষ্য, উদ্দেশ্য, অভিপ্ৰায়, স্থবিধা, দৃষ্টিৰ সীমা, কাম কৰা স্বাধীনতা।

scorch, *v.* ডেওৱা, আধা পোৰা, তাপত শুকোৱা, বৰ বেগেৰে 'চাইকেল' চলোৱা।

score, *n.* খাঁজ, গণনাৰ চিন, একুৰি, হিচাব, ধাৰ ; *pl.* খেলত হাৰা জিকাৰ সংখ্যা ; *v.* চিন কটা, হিচাব ৰখা, (আনৰ ওপৰত) স্থবিধা পোৱা, তৎক্ষণাৎ কোনো কথা কোৱা বা কৰা।

scorn, *n.* আওহেলা, নিন্দা, ঘৃণা, অশ্ৰদ্ধা ; *v.* ঘৃণা কৰা, আওহেলা কৰা, অশ্ৰদ্ধা কৰা। scorn'-ful, *adj.* ঘৃণাপূৰ্ণ।

scor'-pi-on (*-pĭ-*), *n.* বিছা।

scotch, *v.* অলপকৈ কটা বা জখম কৰা।

scoun'-drel, *n.* অধম, বদমাচ, দগাবাজ।

scour (*skour*), *v.* মাজা বা ঘঁহি পৰিষ্কাৰ কৰা, মিহি কৰা, চকচকীয়া কৰা, বেগাই যোৱা।

scourge (*skŭrj*), *n.* চাবুক, যন্ত্ৰণা, শাস্তি, আপদ, দুৰ্গতি ; *v.* কোৰোৱা, শাস্তি দিয়া।

scout, *n.* চোৰাংচোৱা, গুপ্তচৰ, স্কাউট ; *v.* অবহেলা কৰা, ঘৃণাৰে নামঞ্জুৰ কৰা, ঠাট্টা কৰা, উপহাস কৰা, বাতৰি গোটাবলৈ ফুৰা।

scowl, *n.* ভ্ৰূকুটি, মুখৰ খঙৰ ভাব, চকুৰ ঘোপ ; *v.* চকু ঘোপা কৰা, খঙত মুখ ওন্দোলোৱা।

scram'-ble, *v.* হাতভৰিৰে বগোৱা, কাঢ়াকাঢ়ি কৰা ; *n.* প্ৰতিদ্বন্দ্বিতা, কাঢ়াকাঢ়ি। scram'-bling, *adj.*

scrap, *n.* খণ্ড, এডোখৰ।

scrape, *v.* চাঁচা, ঘঁহা, খুৰোৱা, বহুত কষ্টেৰে গোটোৱা ; *n.* ভয়ানক কষ্ট, সাংঘাতিক অৱস্থা।

scratch, *v.* আঁচোৰা, তাৰাতাৰিকৈ লিখা, তালিকাৰ পৰা বাদ দিয়া ; *n.*

scrawl, *v.* বেয়াকৈ লিখা ; *n.* বেয়া লেখা।

scream, *v.* ভয়ত বা কষ্টত চিঞৰা বা আটাহ পাৰা ; *n.* আটাহ, চিঞৰ।

screech, *v.* পেঁচাৰ নিচিনা কঠুৱাকৈ চিঞৰা ; *n.* চিঞৰ।

screen, *v.* আগুৰা, ঢাকা, ৰক্ষা কৰা, চালনীৰে চালা ; *n.* ঢাকনি, পৰ্দা, ডাঙৰ চালনী।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

screw (*skroo*), *n.* 'স্ক্ৰু' পেঁচ, জাহাজ চলোৱা পিছৰ চাকা, কৃপণ বা কট্‌কিনা মানুহ; *v.* স্ক্ৰু মাৰা, অত্যাচাৰ কৰা।

scrib'-ble, *v.* তাৰাতাৰিকৈ যেনি তেনি লিখা; *n.*

scribe, *n.* লিখক।

scrip, *n.* সৰু মোনা, জোলোঙ্গা, লিখিত কাকত, চাৰ্টিফিকেট।

script, *n.* ছপাৰ নিচিনা আখৰ।

Scrip'-ture, *n.* (*usually pl.*), ধৰ্ম্ম-পুথি, বাইবেল, বেদ, কোৰাণ আদি। Scrip'-tu-ral, *adj.*

scriv'-en-er, *n.* দলিল-পত্ৰ লিখক, নকল-নবিচ, টকা ধাৰৰ দালাল।

scroll (*skrōl*), *n.* লুৰা, মেৰিয়াই থোৱা কাগজ, মন্দিৰৰ চুড়াৰ কাৰুকাৰ্য্য, বেহেলা আদিৰ মোটোকা আগ; *v.* চুড়া বা বেহালা আদিৰ আগ ভাগ ভূষিত কৰা।

scrub, *v.* ঘঁহি পৰিষ্কাৰ কৰা, মাজা, বৰ পৰিশ্ৰম কৰা; *n.* বুকজ, বৰ পৰিশ্ৰমী নীহ মানুহ, সৰু গছ বা জোপাৰন। scrub'-by, *adj.* সৰু, নীচ, নীহ।

scru'-ple (*skroo'-p'l*), *n.* ২০ গ্ৰেইন পৰিমাণ, সঙ্কোচ ভাব, দ্বিধা, সন্দেহ; *v.* বিচাৰ বা কাৰ্য্যত দ্বিধা কৰা। scru'-pu-lous, *adj.* পিছে অন্যায় হয় এনে সন্দেহ-কাৰী, অতি সাৱধান, আশঙ্কাযুক্ত।

scru'-ti-nize, *v.* সূক্ষ্মভাবে পৰীক্ষা কৰা, তন্নতন্নকৈ চোৱা। scru'-ti-ny, *n.* সূক্ষ্ম পৰীক্ষা। scru-ti-neer', *n.* তন্নতন্নকৈ পৰীক্ষা কৰি চাওঁতা।

scud, *v.* বেগাই যোৱা, (জাহাজ) পৱনসঞ্চাৰে চলা; *n.*

scuf'-fle, *n.* জোটাপোটা, হাতাহাতি, তুমুল কাজিয়া; *v.* মাৰামাৰি কৰা, জোটাপোটা বা হাতাহাতি কৰা।

scull, *n.* খাটো চৰি বা বঠা; *v.* চৰি বা ব'ঠাৰে নাও বোৱা।

scul'-ler-y, *n.* ৰান্ধনি ঘৰৰ যি কোঠাত কাঁহি বাটি বাচনবৰ্ত্তন আদি ৰাখে। scull'-ion, *n.* ৰান্ধনি ঘৰত আলপৈচান ধৰোঁতা চাকৰ।

sculp'-tor (*-tor*), *n.* কাৰিকৰ, ভাস্কৰ। sculp'-ture (*-tūr*), *n.* খনিকৰ বিদ্যা, শিলত বা ধাতুত মূৰ্ত্তি কটা বিদ্যা।

scum, *n.* ওপৰত ৰন্ধা খলপ, চামনি, গেদেৰি; *v* গেদেৰি কাটি পৰিষ্কাৰ কৰা।

scup'-per, *n.* 'ডেকৰ' পানী বাগৰি পৰিবলৈ জাহাজৰ কাষৰ গাঁত।

scurf, *n.* ফাপৰ, ওপৰত ৰন্ধা চোকোলা।

scur'-ri-lous, *adj.* অশ্লীল, অবাইচ্। scur-ril'-i-ty, *n.* অশ্লীল ভাষা, লাজলগা কথা। scur'-rile, *adj.*

scur'-vy, *n.* এবিধ ছালৰ বেমাৰ; *adj.* নীহ, নীচ, নিকৃষ্ট।

scut'-tle, *n.* কয়লা তোলা এবিধ ডাঙৰ পাত্ৰ; *v.* বেগতে পলোৱা; তলি ফুটাই জাহাজ ডুবোৱা।

scythe (*sīth*), *n.* ডাঙৰ কাচি।

sea, *n.* সাগৰ, ডাঙৰ হ্ৰদ, ডাঙৰ ঢৌ, বেচি পৰিমাণ। sea'-fa-ring, *adj.* নাবিকৰ ব্যৱসায় লওঁতা। sea'-horse, *n.* পানী ঘোঁৰা। sea'-man-ship, *n.* জাহাজ চলোৱা নিপুণতা। sea'-wor-thy, *adj.* সাগৰত চলাৰ উপযুক্ত।

seal, *n.* মোহৰ, চাপ, সাগৰত থকা এবিধ জন্তু; *v.* মোহৰ মাৰা, চাপ মাৰা, থিৰ কৰা (ভাগ্য)।

seam, *n.* সিয়নি, চিলাই কৰা জোৰা, ধাতু বা খনিজ বস্তুৰ তৰপ; *v.* চিলাই কৰা, সিয়া, জোৰা দিয়া। seam'-stress, *n.f.* চিলাইজনা তিৰোতা, তিৰোতা দৰ্জ্জী।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

seance' (*sā-āns'*), *n.* (F.) প্ৰেতৰ শক্তি দেখুৱাবলৈ পতা বৈঠক।

sear, *v.* শুকাই যোৱা; *adj.* শুকান, মৰ্ম্মৰীয়া।

search (*sērch*), *v.* অনুসন্ধান কৰা, বিচৰা; *n.* বিচাৰখোচাৰ, অনুসন্ধান। search'-ing, *adj.* তীক্ষ্ণ; *n.* অন্বেষণ। search'-light, *n.* দূৰৈত থকা বস্তু বা শত্ৰুত দেখিবলৈ জাহাজত বা আন ঠাইত ব্যৱহাৰ কৰা ডাঙৰ বিজুলী-পোহৰ।

sea'-son (*-s'n*), *n.* ঋতু, উপযুক্ত সময়; *v.* উপযুক্ত কৰা, মচলাপাতি দি সোৱাদ কৰা, (কাঠ) শুকাই টান কৰা। sea'-son-a-ble, *adj.* সময়োচিত। sea'-son-ing, *n.* মচলা দি সুস্বাদু কৰা কাৰ্য্য।

seat, *n.* আসন, ঠাই; *v.* বহুওৱা, স্থাপন কৰা।

se-cede' (*sē-sēd'*), *v.* আঁতৰি যোৱা, কোনো সমাজ এৰি দূৰ হোৱা, বেলেগ হোৱা। se-ces'-sion (*-sěsh'-*), *n.* আঁতৰ হোৱা কাৰ্য্য।

se-clude' (*-klood'*), *v.* আঁতৰাই ৰখা, সমাজাদিৰ পৰা নিলগ কৰা, বেলেগকৈ থোৱা, নিৰ্জ্জন ঠাইত থোৱা। se-clu'-sion, *n.* নিৰ্জ্জনবাস, নিৰ্জ্জনতা। se-clu'-ded, *adj.* নিৰ্জ্জন, মানুহ দুনুহ নথকা।

sec'-ond, *adj.* দ্বিতীয়; *v.* সমৰ্থন কৰা; *n.* দ্বিতীয়জন, মল্লযুদ্ধত সহায়কাৰী, ২ৰা তাৰিখ, এক মিনিটৰ ষাঠি ভাগৰ এভাগ। sec'-on-da-ry, *adj.* দ্বিতীয় স্থানীয়, অপ্ৰধান, গৌণ। sec'-on-da-ry edu-ca-tion, পাঠশালা আৰু কলেজৰ মাজৰ শিক্ষা। second-hand, *adj.* পূৰণি, আনে ব্যৱহাৰ কৰা।

se'-cret (*-krět*), *adj.* গুপ্ত, গোপনীয়, লুকাই থোৱা, ভিতৰুৱা, নিৰ্জ্জন; *n.* গোপনীয় বিষয়, ৰহস্য। se'-cre-cy, *n.* গোপন, নিৰ্জ্জনতা।

sec'-re-ta-ry (*sěk'-*), *n.* সম্পাদক, শাসন বিভাগৰ প্ৰধান বিষয়া।

se-crete' (*-krēt'*), *v.* লুকাই ৰখা, ক্ষৰণ কৰা, অলপ অলপকৈ উলিয়াই দিয়া। se-cre'-tion, *n.* ক্ষৰণ, উলিয়াই দিয়া ৰস, মল-মূত্ৰ-ঘাম আদি।

sect, *n.* (কোনো ধৰ্ম্মৰ) সম্প্ৰদায় বা দল। sec-ta'-ri-an, *adj.* সম্প্ৰদায়ভুক্ত, সাম্প্ৰদায়িক।

sec'-tion (*-shun*), *n.* ভাগ, শাখা।

sec'-u-lar, *adj.* সাংসাৰিক, বৈষয়িক।

se-cure', *adj.* নিৰাপদ, নিশ্চিন্ত; *v.* নিৰাপদ কৰা, সাবধানেৰে ৰখা, আটক কৰা, হস্তগত কৰা বা পোৱা, সংগ্ৰহ কৰা। se-cu'-ri-ty, *n.* নিশ্চয়তা, ৰক্ষা, জামিন, বন্ধক।

se-dan', *n.* এবিধ পাল্কী বা দোলা।

se-date', *adj.* শান্ত, ধীৰ, জুৰ, গম্ভীৰ। sed'-a-tive, *adj.* শান্তিদায়ক; *n.* যন্ত্ৰণা নিবাৰক ঔষধ।

sed'-en-ta-ry, *adj.* বহা অভ্যাস থকা, বহি কৰিব পৰা; *n.*

sedge (*sej*), *n.* পানীত গজা বন—নল খাগৰি আদি।

sed'-i-ment (*-ĭ-*), *n.* গেদা—যি তলত পৰে।

se-di'-tion (*-dish'-un*), *n.* ৰাজবিদ্ৰোহ, ৰাজশাসনৰ বিৰুদ্ধাচৰণ। se-di'-tious (*-dish'-us*), *adj.* ৰাজবিদ্ৰোহপূৰ্ণ।

se-duce' (*-dūs'*), *v.* ফুচুলাই কুপথে নিয়া, ধৰ্ম্মভ্ৰষ্ট কৰা, পাপত আসক্ত কৰা। se-duc'-tion, *n.* প্ৰলোভন, কুকামলৈ ফুচুলনি। se-duc'-tive, *adj.* কুকাৰ্য্যত ইচ্ছা জন্মোৱা, প্ৰলোভনজনক।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

sed′-u-lous, *adj*. পৰিশ্ৰমী, সদায় কামত লাগি থকা।

see (saw, seen, see′-ing), *v*. দেখা, চোৱা, বুজা, থিৰ কৰা, দেখা কৰা, পৰীক্ষা কৰা, মনোযোগ দিয়া ; *n*. বিচপৰ বাসস্থান বা অধিকাৰ। seer, *n*. ভবিষ্যদৰ্শী, ভবিষ্যদ্বক্তা।

seed, *n*. গুটি, বীজ, সন্তান সন্ততি। seed′-ling, *n*. গুটিৰ পৰা গজা পুলি।

seek, *v*. বিচৰা, অন্বেষণ কৰা, পাবলৈ চেষ্টা কৰা।

seem, *v*. অনুমান হোৱা, বোধ হোৱা। seem′-ing, *adj*. দেখাত অনুমান বা বোধ হোৱা ; *n*. বাহিৰৰ ভাব। seem′-ly, *adj*. উপযুক্ত।

seethe, *v*. সিজোৱা, তপতোৱা।

seg′-ment, *n*. অংশ, বৃত্তৰ অংশ।

seg′-re-gate, *v*. বেলেগ কৰা, পৃথক কৈ ৰখা। seg-re-ga′-tion, *n*.

seize (*sēz*), *v*. বলেৰে অধিকাৰ কৰা বা লোৱা, গ্ৰেপ্তাৰ কৰা, ক্ৰোক কৰা, খপকৰে ধৰা, ঘপৰাই খামোচ মাৰি ধৰা। sei′-zure, *n*. আক্ৰমণ, গ্ৰেপ্তাৰ, দখল।

seldom, *adv*. কদাচিৎ, সদায় নহয় কেতিয়াবাহে।

se-lect′, *v*. বাছি লোৱা, নিৰ্ব্বাচন কৰা ; *adj*. নিৰ্ব্বাচিত, বছা। se-lec′-tion, *n*. নিৰ্ব্বাচন।

self, *n*. (*pl*. selves), স্বয়ং, আপুনি, নিজে। self-evident, *adj*. স্বতঃসিদ্ধ। self′-ish, *adj*. আপোন পেটা, স্বাৰ্থপৰ। self′-ish-ness, *n*. স্বাৰ্থপৰতা। self′-same, *adj*. থিক একেই।

sell, *v*. বেচা, বিকা। sell′-ing, *n*.

sel′-vage *or* **-vedge** (*-vej*) *n*. কাপোৰৰ পাৰি।

sem′-blance (*-blans*), *n*. আকৃতি, সাদৃশ্য, গঠন।

sem′-i-na-ry, *n*. পঢ়াশালি, বিদ্যালয়।

sen′-ate, *n*. (প্ৰাচীন ৰোমৰ) ব্যৱস্থাপক সভা, বিশ্ববিদ্যালয়ৰ কাৰ্য্য নিৰ্ব্বাহক সভা। sen′-a-tor, *n*. এনে সভাৰ সভ্য।

send, *v*. পঠিওৱা। send-off, *n*. পঠিওৱা বিদায়।

sen′-e-schal (*-shal*), *n*. অধ্যক্ষ, দেৱান।

se′-nile (*sē′-nīl*), *adj*. জৰাগ্ৰস্ত। se-nil′-i-ty, *n*. বাৰ্দ্ধক্য, বৃদ্ধাৱস্থা।

se′-ni-or, *adj*. পদত বা বয়সত ডাঙৰ ; *n*.

sen-sa′-tion, *n*. চকু, কাণ আদিৰ পৰা পোৱা জ্ঞান, ইন্দ্ৰিয় জ্ঞান, সংজ্ঞা, অনুভূতি, উপলব্ধি, বোধ।

sense, *n*. চকু, কাণ আদি জ্ঞানেন্দ্ৰিয়, জ্ঞান, বুদ্ধি, অৰ্থ। sen′-si-ble, *adj*. চেতনা-যুক্ত, জনা, জ্ঞানী, যুক্তিযুক্ত, বুদ্ধিমান। sen-si-bil′-i-ty, *n*. সংজ্ঞা, চেতনা। sense′-less, *adj*. অজ্ঞান, অচেতন। sen′-si-tive, *adj*. অভিমানী, সচেতন, সহজে কথা লগা। sen′-so-ry, *adj*. অনুভূতি সম্বন্ধীয়।

sen′-su-al, *adj*. ইন্দ্ৰিয়সুখাভিলাষী, ইন্দ্ৰিয়পৰায়ণ। sen′-su-ous, *adj*. ইন্দ্ৰিয় সম্বন্ধীয়, ইন্দ্ৰিয় ভোগ্য।

sen′-tence, *n*. নীতি কথা, শাস্তিৰ হুকুম, বাক্য ; *v*. শাস্তিৰ হুকুম দিয়া।

sen-ten′-tious (*-shus*), *adj*. সাৰুৱা, অৰ্থপূৰ্ণ, কম আখৰীয়া।

sen′-ti-ent (*sen′-shent*), *adj*. প্ৰত্যক্ষ জ্ঞানবিশিষ্ট, সচেতন।

sen′-ti-ment, *n*. চিন্তা ভাব, আবেগ, মত। sen-ti-men′-tal, *adj*. প্ৰবল কৰুণাদি ৰসপূৰ্ণ, আবেগপূৰ্ণ।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

sen′-ti-nel *or* **sen′-try**, *n.* প্ৰহৰী, ৰখীয়া সৈন্য।

sep′-a-rate, *v.* বিভিন্ন কৰা, বেলেগ কৰা; *adj.* বিভিন্ন, বেলেগ। sep′-a-ra-ble, *adj.* বেলেগ কৰিব পৰা। sep′-a-rate-ly, *adv.* বেলেগকৈ। sep-a-ra′-tion, *n.* বিচ্ছেদ, বিভিন্নতা। sep′-a-ra-tist, *n.* নিজ সম্প্ৰদায়ৰ পৰা আলাগ হৈ অহা মানুহ। sep′-a-ra-tive, *adj.*

se′-poy, *n.* চিপাহী।

sep-ten′-ni-al, *adj.* সাতবছৰেকীয়া।

Sep′-tu-a-gint (*-jint*), *n.* ৭০ জন পণ্ডিতে গ্ৰীকভাষাত অনুবাদ কৰা বাইবেলৰ পুৰণি অংশ।

sep′-ul-chre (*-kër*), *n.* মৰিশালি, কবৰ। se-pul′-chral (*-kral*), *adj.* মৰিশালি বা কবৰ সম্বন্ধীয়।

se′-quel, *n.* পৰিণাম, ফল।

se′-quence, *n.* অনুক্ৰম।

se-ques′-ter, *v.* বেলেগ কৰা, আতৰাই ৰখা। se-ques′-tered, *adj.* নিজ্জন, অকলশৰীয়া। se-ques-tra′-tion, *n.* বিচাৰকৰ আদেশত কাজিয়ালগা সম্পত্তি আনৰ হাতত ৰখা।

se-ragl′-io (*sĕ-räl′-yō*), *n.* অন্তেসপুৰ।

ser′-aph (*-af*), *n.* (H.) (*pl.* ser′-aphs *or* ser′-aph-im), *n.* প্ৰথম শ্ৰেণীৰ স্বৰ্গীয় দূত। se-raph′-ic, *adj.* পবিত্ৰ, দেবতুল্য।

ser-e-nade′ (*-ĕ-nād′*), *n.* মুকলি ঠাইত গান বাজনা, কাকো প্ৰশংসা কৰি গোৱা গীত; *v.* মুকলি ঠাইত কাৰো প্ৰশংসা-সূচক গীত গোৱা।

se-rene′ (*-rēn′*), *adj.* নিৰ্ম্মল, স্থিৰ, শান্ত। se-ren′-i-ty, *n.* নিৰ্ম্মলতা।

serf, *n.* গোলাম, বহতীয়া। serf′-dom, *n.*

serge (*sĕrj*), *n.* টানবুটিৰ পচমী কাপোৰ।

ser′-geant *or* **ser′-jeant** (*sär′-jant*), *n.* যুদ্ধ বা পুলিচ বিভাগৰ তলতীয়া কৰ্ম্মচাৰী।

se′-ri-al, *adj.* ক্ৰমান্বয়ে প্ৰকাশ কৰা কিতাপ বা বাতৰি কাকত; *adj.* অনুক্ৰমিক। se′-ries (*-rēz*), *n.* (*s.* and *pl.*) শ্ৰেণী, অনুক্ৰম, লানি।

se′-ri-ous, *adj.* সাংঘাতিক, বিপদজনক, গম্ভীৰ, আবশ্যকীয়, দৰ্কাৰী, চিন্তাশীল।

ser′-mon, *n.* ধৰ্ম্মোপদেশ, তিৰস্কাৰ।

ser′-pent, *n.* সাপ। ser′-pen-tine (*-tīn*), *adj.* সাপৰ নিচিনা দীঘল আৰু বেঁকা।

ser′-ra-ted, *adj.* কৰতৰ দাঁতৰ নিচিনা কাঁটা থকা।

ser′-ried (*-rid*), *adj.* জনতাপূৰ্ণ।

se′-rum, *n.* এৰ্বাগাখীৰৰ পানীৰ অংশ, ছানাৰ পানী, তেজৰ ৰসভাগ।

serve, *v.* সেৱা কৰা, শুশ্ৰূষা কৰা, আল-পৈচান ধৰা, পৰিচৰ্য্যা কৰা, খাটা বা চাকৰী কৰা, উপকাৰ কৰা, ব্যবহৃত হোৱা বা কাজত লগা, জাৰি কৰা, সাধন কৰা, প্ৰচুৰ হোৱা। ser′-vant, *n.* চাকৰ, ভৃত্য। ser′-vice (*-vis*), *n.* সেৱা, পৰিচৰ্য্যা, চাকৰী, কৰ্ত্তব্যকাম, উপকাৰ, উপাসনা, টেনিচ খেলত 'বল' দিয়া কাৰ্য্য। ser′-vice-a-ble, *adj.* কাজতলগা, দৰ্কাৰী, উপকাৰী।

ser′-vile (*-vīl*), *adj.* নীচ, নীহ, গোলামৰ নিচিনা। ser′-vi-tor, *n.* সেৱক, লগুৱা, পৰিচাৰক। ser′-vi-tude, *n.* দাসত্ব। ser-vil′-i-ty, *n.* দাসত্ব, খোচামোদ।

ses′-sion (*-shun*), *n.* অধিবেশন, বিদ্যালয় আদিৰ কাৰ্য্যৰ বছৰ।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

set (set, set'-ting), *v.* থোৱা, বহুৱা, ৰখা, বোৱা, বাখৰ পতা বা খটোৱা, (পাল) টনা, খুৰ আদি ধাৰোৱা, ডুবা, জপাই দিয়া বা লগাই দিয়া, নিযুক্ত কৰা, নির্দ্দিষ্ট কৰা; *n.* ব্যবস্থা, গতি, একজোৰ, দল; *adj.* স্থিৰ, দৃঢ়, নিয়মিত, নির্দ্দিষ্ট।

set'-tle, *v.* স্থিৰ কৰা বা হোৱা, নিষ্পত্তি কৰা, মীমাংসা কৰা, দেনা পাওনা চাফ কৰা, বসতি কৰা, তলত পৰা, বহা, বিয়া কৰাই সংসাৰী হোৱা; *n.* দীঘলীয়া আৰু পিঠি থকা বেঞ্চ। set'-tle-ment, *n.* নিষ্পত্তি, মীমাংসা, উপনিবেশ, ধাৰপৰিশোধ। set'-tler, *n.* ঔপনিবেশিক।

sev'-er, *v.* পৃথক বা বেলেগ কৰা, চিগি-যোৱা, কটিপেলোৱা। sev'-er-ance, *n.*

sev'-er-al, *adj.* বেলেগ, বিভিন্ন, কেইবাটা, গোটাচেৰেক। sev'-er-al-ly, *adv.* বেলেগে।

se-vere' (*-vēr'*), *adj.* কঠোৰ, তীব্ৰ, উগ্ৰ, নিষ্ঠুৰ। se-ver'-i-ty, *n.* কঠোৰতা।

sew (*sō*), (sewed, sew'-ing), *v.* সিয়া, চিলনি দিয়া।

sew'-er (*sū'-*), *n.* মাটিৰ তলৰ খাৱৈ। sew'-age, *n.* খাৱৈ বা নৰ্দ্দমাত পঁচা পানী বা মলি। sew'-er-age, *n.* নগৰৰ মলি-পানী আদি উলিয়াবৰ বিধান বা নৰ্দ্দমা-বোৰ।

sex, *n.* স্ত্রী পুৰুষৰ চিন, লিঙ্গ। sex'-u-al, *adj.* দাম্পত্য, স্ত্রী পুৰুষ সম্বন্ধীয়।

sex'-tant, *n.* বৃত্তৰ ছয়ভাগৰ এভাগ, কোণ জোখা যতন।

sex'-ton, *n.* কবৰ খানোঁতা, গীৰ্জ্জা ঘৰৰ পৰিচাৰক।

shab'-by, *adj.* ফটা কাপোৰ পিন্ধা, কুৎসিত, নীচ।

shack'-le (*shak'-l*), *n.* শিকলি, হাত-কেৰেয়া, বাধা; *v.* শিকলিৰে বন্ধা, আটক কৰা।

shade, *n.* ছাঁ, এন্ধাৰ, গোপনীয় ঠাই, আবৰণ বা ঢাকনি, পৰ্দ্দা, প্ৰেতাত্মা, ৰঙৰ বিভিন্নতা; *v.* ছাঁ কৰা, ঢাকা, ঘোৰ কৰা। sha'-dy, *adj.* ছাঁযুক্ত, দুষিত।

shad'-ow (*-ō*), *n.* কোনো বস্তু বা প্ৰাণীৰ ছাঁ, এন্ধাৰ, ছাঁযুক্ত বা সুৰক্ষিত ঠাই, সদায় লগত থকা অনুচৰ, ছাঁৰ নিচিনা অপ্ৰকৃত বস্তু। shad'-ow-y, *adj.* অন্ধকাৰময়, অসাৰ।

shaft, *n.* শৰ, কাঁড়, নাল, খনিত সোমোৱা, সুৰঙ্গ।

shag'-gy, *adj.* বেচিকৈ নোম থকা।

shake, *v.* কঁপা, লৰা, লৰোৱা, জোকাৰা। sha'-ky, *adj.* দুৰ্ব্বল, (কাঠ) ফটা, ভগা, লৰক্ফৰক্।

shak'-o, *n.* পাখিযুক্ত এবিধ টুপী (সৈন্যৰ)।

shale, *n.* ফলিৰ নিচিনা তৰপ থকা শিল বা পাহাৰ।

shal'-low, *adj.* তৰাং, দ নোহোৱা, অলপ জ্ঞানৰ; *n.* তৰাং ঠাই।

sham, *n.* ফাঁকি, ছল, ঠগ; *adj.* কৃত্ৰিম, মিছা; *v.* ফাঁকি জোৰা, মিছা ভাও জোৰা।

sham'-ble, *v.* ধলং পলংকৈ খোজ কাঢ়া। sham'-bles, *n. pl.* যিঠাইত বেচিবলৈ পশুবধ কৰে, মঙহ বেচোঁতাৰ দোকান।

shame, *n.* লাজ, অপমান; *v.* লাজ দিয়া, অপমান দিয়া, অপদস্থ কৰা। shame'-ful, *adj.* লাজলগা, অপমানজনক। shame'-less, *adj.* নিলাজ, অপমানলৈ ভয় নথকা।

sham-poo', *v.* গা টিপা।

sham'-rock, *n.* এবিধ গছ, আয়ৰ্লণ্ডৰ পতকাৰ চিন।

shan'-ty, *n.* পঁজা, জুপুৰী ঘৰ, মদৰ দোকান।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

shape, *n.* আকৃতি, গঢ়, মূৰ্ত্তি ; *v.* গঢ়া, সজা। shape'-less, *adj.* নিৰাকাৰ, বেয়া গঢ়ৰ। shape'-ly, *adj.* স্বৰূপ, ভালগঢ়ৰ।

share, *n.* অংশ, ভাগ, নাঙ্গলৰ ফাল ; *v.* অংশ কৰা বা লোৱা, বাঁটি লোৱা। share'-hold-er, *n.* যুটীয়া কাৰবাৰৰ অংশীদাৰ।

shark, *n.* হাঙ্গৰ, এবিধ মাছ, আনক লুৰিয়াই খোৱা মানুহ।

sharp, *adj.* তীক্ষ্ণ, চোকা, প্ৰখৰ, তীব্ৰ, কঠোৰ, ব্যগ্ৰ, সাৱধান, ধূৰ্ত্ত ; *n.* উচ্চস্বৰ বা তাৰ চিন। sharp'-en, *v.* চোকা কৰা, ধাৰোৱা। sharp'-er, *n.* জুৱাচোৰ।

shat'-ter, *v.* ডোখৰ ডোখৰকৈ ভঙ্গা, নষ্ট কৰা (আশা)।

shave, *v.* খুৰোৱা, চাঁচা ; *n.* অলপৰ কাৰণে সাৰা। sha'-ving, *n.* খুৰোৱা কাৰ্য্য।

shawl, *n.* শাল কাপোৰ, কান্ধৰ আবৰণ।

sheaf (*shēf*), *n.* (*pl.* sheaves), *n.* শস্যৰ আঁটি ; *v.* আঁটি বন্ধা।

shear (sheared *or* shore, sheared *or* shorn, shear'-ing), *v.* কেঁচিৰে কটা বা ছাটা, বঞ্চিত কৰা। shears, *n. pl.* ডাঙৰ কেঁচি।

sheath (*shēth*), *n.* কোষ, খোহা। sheathe (*shēth*), *v.* খোহাত সোমোৱা (যেনে তৰোৱাল), ঢাকা।

shed, *v.* নিক্ষেপ কৰা, পেলোৱা, পাত-কৰা, এৰা ; *n.* কুটীৰ, চালি।

sheen, *adj.* উজ্জ্বল, চক্‌চকীয়া ; *n.* উজ্জ্বলতা। sheen'-y, *adj.* উজ্জ্বল, চক্‌চকীয়া, সুন্দৰ।

sheep, *n.* ভেৰা। sheep-walk, *n.* ভেৰা চৰা ঠাই।

sheer, *adj.* শুদ্ধ, কেৱল, থিয় ; *v.* অবাটে যোৱা।

sheet, *n.* চেলেং, চাদৰ, এতাও কাগজ, পাল, পালৰ ৰচি, বহল সমতল।

shelf, *n.* (*pl.* shelves), বস্তুথোৱা ঠাক ; সাগৰৰ বালিচৰ বা পাহাৰ। shelve, *v.* এচলীয়া হোৱা, ঠাকত ৰখা।

shell, *n.* বাকলি, চোকোৰা, খোলা, জকা, খাৰ বা গুলিৰ খোহা ; *v.* খোলা বা চোকোৰা পেলোৱা, গুলি বৰষা।

shel'-ter, *n.* আশ্ৰয়, ৰক্ষাৰ ঠাই, আশ্ৰয় দাতা, বা ৰক্ষক ; *v.* আশ্ৰয় দিয়া, ৰক্ষা কৰা, লুকোৱা।

shep'-herd (*-ërd*), *n.* ভেৰাৰখীয়া, যাজক।

sher'-iff, *n.* বিলাতৰ প্ৰত্যেক জিলাৰ প্ৰধান কৰ্ম্মচাৰী।

sher'-ry, *n.* এবিধ মদ।

shield, *n.* ঢাল, ৰক্ষা, আশ্ৰয় ; *v.* ঢালেৰে আগুৰা, ৰক্ষা কৰা।

shift, *v.* আঁতৰোৱা, স্থানান্তৰ কৰা, (মত আদি) পৰিবৰ্ত্তন কৰা, বুদ্ধি বা কৌশল সাজা ; *n.* উপায়, কৌশল, ছল। shif'-ty, *adj.* টেঙ্গৰ। shift'-less, *adj.* উপায়-হীন, উদ্যমহীন।

shine, *v.* পোহৰ কৰা, উজ্জ্বল কৰা, জিলিকা, বুদ্ধিৰ প্ৰখৰতা দেখুৱা ; *n.* পোহৰ, দীপ্তি। shi'-ny, *adj.* উজ্জ্বল।

shin'-gle, *n.* সৰু পাতল তক্তা (ছাল ছিয়াবলৈ) ; *v.* তক্তাৰে ঢকা।

ship, *n.* জাহাজ ; *v.* জাহাজত পঠিওৱা। ship-wreck, *n.* জাহাজ-ভাঙ্গা, ধ্বংস ; *v.* জাহাজ ভাঙ্গা, ধ্বংস কৰা। ship'-wright, *n.* জাহাজ তৈয়াৰ কৰোঁতা। ship'-ping, *n.* জাহাজ সমূহ, জাহাজত মাল পঠিওৱা।

shire, *n.* বিলাতৰ জিলা।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

shirk (*shĕrk*), *v.* গা এৰা দিয়া, এৰোৱা।
shiv'-er, *v.* বতাহত বা জাৰত কঁপা; ডোখৰ ডোখৰ কৰা বা ভাঙ্গি পেলোৱা; *n.* ডোখৰ।
shoal, *n.* মাছৰ জাক, বালিচৰ, নদী বা সাগৰৰ তৰাং অংশ; *v.* জাক বন্ধা।
shock, *n.* আঘাত, মনৰ বেজাৰ, কম্পন, পথাৰত কটা ধান আদিৰ দ'ম; *v.* ঠেলা, আঘাত কৰা, কপোঁৱা, ভয় লগোৱা, বিৰক্ত কৰা। shock'-ing, *adj.* ভীষণ, উদ্বেগকৰ।
shoe (*shoo*), (shod, shoe'-ing, shod) *v.* জোতা পিন্ধোৱা, খুৰা লগোৱা; *n.* জোতা, লোৰ খুৰা।
shoot, *v.* বেগেৰে মৰা, গুলি মৰা, বিন্ধা, গজালি মেলা, পোখা ওলোৱা; *n.* পোখা, গজালি, মৰা কাৰ্য্য।
shop, *n.* দোকান; *v.* বজাৰ কৰা।
shore, *n.* সাগৰৰ দাঁতি, ঠেকনা। shore'-less, *adj.* অসীম।
short, *adj.* হ্ৰস্ব, চুটি, চাপৰ, কম, তাকৰ, সংক্ষিপ্ত। short'-ly, *adv.* সংক্ষেপে, বেগতে, অবিলম্বে। short'-en, *v.* চুটি কৰা, কম কৰা। short'-coming, *n.* দোষ। short'-age, *n.* কমতি।
shot, *n.* গুলি, চিকাৰী; *v.*
shoul'-der (*shōl'-*), *n.* কান্ধ; *v.* কান্ধত লোৱা।
shout, *v.* চিঞ্ঁৰ মৰা, আটাহ পাৰা, জয়ধ্বনি কৰা; *n.* জয়ধ্বনি, আটাহ, চিঞ্ঁৰ।
shove (*shŭv*), *v.* ঠেলি দিয়া, হেঁচি দিয়া; *n.*
shov'-el, *n.* কোদাল; *v.* কোদলিওৱা, কোদালেৰে তুলি পেলোৱা, গোটোৱা।
show (*shō*) (showed, shown, show'-ing), *v.* দেখুওৱা, বাট দেখুৱাই নিয়া, প্ৰমাণ কৰা, ব্যাখ্যা কৰা, শিক্ষা দিয়া, বোধ হোৱা; *n.* দৃশ্য, শোভা, প্ৰদৰ্শনী, আড়ম্বৰ, জাকজমক। show'-y, *adj.* জাকজমকাল, ৰমক্ জমক, আড়ম্বৰপূৰ্ণ।
show'-er (*shou'-*), *n.* বৃষ্টি, বৰষুণৰ জাক; *v.* বৰষা, ঢালি দিয়া। show'-er-y, *adj.*
shrap'-nel, *n.* বন্দুক বা কামানৰ পৰা মাৰা গুলিপূৰ্ণ খোহা।
shred, *n.* ফালা বা কটা অংশ, সৰু ডোখৰ; *v.* ফালি বা কাটি ডোখৰ ডোখৰ কৰা।
shrew, *n.* দন্দুৰী, মুখ চোকা তিৰোতা।
shrewd, *adj.* চতুৰ, টেঙ্গৰ, বিচক্ষণ। shrewd'-ness, *n.* চতুৰালি, বিচক্ষণতা।
shriek (*shrēk*), *v.* চিঞ্ঁৰা (দুখ বা ভয়ত); *n.* আতুৰৰ চিঞ্ঁৰ।
shrill, *adj.* তীক্ষ্ণ, কঠুৱা।
shrimp, *n.* শিঙ্গৰা মাছ, কটীয়া মানুহ।
shrine, *n.* তীৰ্থ, পবিত্ৰ ঠাই, মন্দিৰ।
shrink (shrank *or* shrunk, shrink'-ing, shrunk), *v.* কোঁচ খোৱা, সঙ্কুচিত হোৱা, ভয়ত কোঁচ মোচ খোৱা। shrink'-age, *n.* কোঁচ, মূল্যৰ হ্ৰাস।
shriv'-el, *v.* টোটৰা পৰা, কোঁচখোৱা।
shroud, *n.* ঢাকোন, শ ঢকা কাপোৰ, মাস্তুল বন্ধা জৰি; *v.* ঢাকা, আৱৰা, লুকাই ৰখা।
shrub, *n.* জোপাবন, জুপুৰা গছ। shrub'-ber-y, *n.* জোপাবনৰ বাগীছা।
shrug, *v.* শিঙৰি উঠা, আশ্চৰ্য্য বা ঘৃণাৰ ভাবত কান্ধ ওপৰলৈ তোলা; *n.*
shud'-der, *v.* ভয়ত কঁপা, থৰ্থৰ্ কৈ কঁপা; *n.* কঁপনি।
shuf'-fle, *v.* বেমেজালি কৰা, খোজ-কঢ়াত ভৰি চোঁচৰাই নিয়া, একেলগ কৰা, নতুনকৈ তাচ, চতুৰালি কৰা, প্ৰতাৰণা কৰা; *n.* বেমেজালি, চতুৰালি, কৌশল।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

shun, *v.* এৰা, ত্যাগ কৰা।

shunt, *v.* ৰেলৰ গাড়ীবোৰ ইফালৰ পৰা সিফাললৈ নিয়া।

shut, *v.* বন্ধ কৰা, জপোৱা, মুজা। shut'-ter, *n.* খিড়িকিৰ ঢাকোন।

shut'-tle, *n.* মাকো। shut'-tle-cock, *n.* এবিধ খেল, পাখিযুক্ত 'বল'।

shy, *adj.* ভীৰু, লাজকুৰীয়া, লাজুক।

sib'-yl (*-il*), *n.* ভবিষ্যৎ কবপৰা তিৰোতা, যোগিনী, ডাইনী।

sick, *adj.* ৰুগীয়া, অসুস্থ, বিৰক্ত, আমনি-লগা, বাটিৰ ভাবথকা। sick'-ly, *adj.* ৰুগীয়া, কুৰীয়া।

sick'-le, *n.* কাচি।

side, *n.* কাষ, ফাল, দিশ, পক্ষ বা দল, *v.* পক্ষ লোৱা। si'-ding, *n.* গাড়ী আঁতৰাই ৰাখিবলৈ ওচৰৰ ৰেলৰ বাট। side'-board, *n.* বাচনবৰ্ত্তন ৰাখিবলৈ দাঁতিত কৰা ঠাক। side'-long, *adv.* কেৰাহিকৈ।

siege (*sēj*), *n.* অবৰোধ।

si-es'-ta (*sī-*), *n.* (Sp.) দুপৰীয়া বা ভাটি বেলাৰ টোপনি।

sieve (*siv*), *n.* চালনী।

sift, *v.* চালা, তন্নতন্নকৈ পৰীক্ষা কৰা।

sigh (*sī*), *v.* হুমুনিয়াহ কঢ়া; (*with* for) হেঁপাহ কৰা; *n.* হুমুনিয়াহ।

sight, *n.* দৃষ্টি, দৰ্শন, দৰ্শনশক্তি, চকু; *v.* চোৱা, দেখা, লক্ষ্য কৰা।

sign (*sīn*), *n.* চিন, লক্ষণ, ইঙ্গিত, সঙ্কেত, মেষ, বৃষ আদি ৰাশি। sig'-nal, *n.* সঙ্কেত, ঠাৰ, নিচান; *adj.* অসাধাৰণ।

sig'-na-to-ry, *n.* (সন্ধিপত্ৰত) চহি কৰোঁতা।

sig'-na-ture, *n.* দস্তখত, চহি।

sig'-net, *n.* মোহৰ, চাপ।

sig'-ni-fy, *v.* বুজোৱা, চিনেৰে প্ৰকাশ কৰা। sig-nif'-i-cant, *adj.* অৰ্থ-প্ৰকাশক, অৰ্থ থকা, বিবেচনাৰ যোগ্য। sig-nif-i-ca'-tion, *n.* অৰ্থ, তাৎপৰ্য্য। sig-nif'-i-cance *or* -can-cy, *n.* অৰ্থ, আৱশ্যকতা।

si'-lent, *adj.* নীৰৱ, নিমাত, স্থিৰ। si'-lence, *n.* নীৰৱতা, নিতাল; *v.* নিতাল মৰা, নীৰৱ কৰা।

silk, *n.* পাট, ৰেচম। silk'-worm, *n.* পাট, পলু। silk-cotton, *n.* শিমলুৰ তুলা।

sill, *n.* দুৱাৰ ডলি।

sil'-ly, *adj.* মূৰ্খ, নিৰ্ব্বোধ।

silt, *n.* পৈলাথ, বোকামাটি (যি পানীৰ তলত পৰে); *v.* বোকা পৰা।

sil'-ver, *n.* ৰূপ, ৰূপৰ মুদ্ৰা, বগাবৰণ; *adj.* ৰূপৰ নিচিনা বগা, উজ্জ্বল; *v.* বগা কৰা, ৰূপৰ নিচিনা কৰা। sil'-ver-y, *adj.* ৰূপৰ নিচিনা।

sim'-i-lar, *adj.* সদৃশ, তুল্য, নিচিনা। sim-i-lar'-i-ty, *n.* সাদৃশ্য।

sim'-i-le, *n.* উপমা, দৃষ্টান্ত। si-mil'-i-tude, *n.* সাদৃশ্য, তুলনা।

sim'-mer, *v.* অলপ অলপকৈ উতলা, চেঁও চেঁও কৰা।

sim'-per, *v.* মাহিমুহাকৈ মিচিকিয়াই হাঁহা; *n.* মিচিকিয়া হাঁহি।

sim'-ple, *adj.* সৰল, অমায়িক, নিভাজ, অকৃত্ৰিম, সহজ। sim'-ple-ton, *n.* মূৰ্খ, নিৰ্ব্বোধ। sim'-pli-fy, *v.* সৰল কৰা, সহজ কৰা। sim-plic'-i-ty (*-plis'-*), *n.* সৰলতা, অকৃত্ৰিমতা। sim'-ply, *adv.* সহজে, কেৱল।

sim'-u-late, *v.* ভাও ধৰা (ফাঁকি কৰা)। sim-u-la'-tion, *n.*

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

sim-ul-ta'-ne-ous, *adj*. একেলগে ঘটা।

sin, *n*. পাপ, ঈশ্বৰৰ নিয়মলঙ্ঘন ; *v*. পাপ কৰা। sin'-ful, *adj*. পাপী। sin'-less, *adj*. পবিত্ৰ, নিষ্পাপ। sin'-ner, *n*. পাপী।

since, *adj*. তাৰ পিছত ; *prep*. পৰা ; *conj*. যিহেতু।

sin-cere', *adj*. সৰল, অকৃত্ৰিম, প্ৰকৃত। sin-cer'-i-ty, *n*. সৰলতা, সাধুতা।

si'-ne-cure (*si'-ni-kur*), *n*. ভাল দৰ্মহা পোৱা অথচ বিশেষ কাজ কাম নথকা চাকৰী, সুখৰ চাকৰী ; *adj*. যি চাকৰীত বিশেষ কাজকাম নকৰাকৈ দৰ্মহা পোৱা যায়।

sin'-ew, *n*. স্নায়ু, মাংসপেশী, শক্তি। sin'-ew-y, *adj*. বলী, শকত আৱত।

sing, *v*. গান কৰা, গীত গোৱা। song, *n*. গান, গীত। sing-song, *n*. একে ৰকমৰ সুৰ।

singe (*sinj*), *v*. উপৰুৱাকৈ পোৰা।

sin'-gle (*sing'-gl*), *adj*. মাথোন এটা, অকলশৰীয়া ; *v*. বাছি উলিওৱা। sin'-gly, *adv*. এটা এটাকৈ, অকলশৰে। sin'-gu-lar, *adj*. এক, অসাধাৰণ, আচৰিত, অপূৰ্ব্ব। sin-gu-lar'-i-ty, *n*. বিশেষত্ব।

sin'-is-ter, *adj*. বাওঁ, দুষ্ট, অমঙ্গলীয়া।

sink (sank *or* sunk, sink'-ing, sunk), *v*. ডুবা, খনা, অস্তযোৱা, ডুবোৱা, ক্ষীণ হোৱা, কম: হোৱা ; *n*. চুৰা খাল, নৰ্দ্দমা।

sin'-u-ous, *adj*. বেঁকা। sin-u-os'-i-ty, *n*. মেৰ পাক।

si'-nus, *n*. ঘাঁৰ পোৰণি।

sip, *v*. অলপ অলপকৈ পিখোৱা ; *n*.

si'-phon (*si'-fon*), *n*. পনীয়া বস্তু উলিওৱা নলীযন্ত্ৰ।

sir, *n*. সম্ভ্ৰান্ত লোকৰ উপাধি, (সম্বোধনত) মহাশয়, দেউতা, ডাঙৰীয়া। sire (*sir*), *n*. পিতা, পূৰ্ব্ব পুৰুষ, (সম্বোধনত) সৰ্গদেও, মহাৰাজ।

sir'-rah, *n*. (অৱজ্ঞাসূচক সম্বোধন), হেৰ।

si'-ren, *n*. মনমোহা তিৰোতা, জলকুঁৱৰী, কুঁৱলীত সাৱধান কৰি দিয়া শিঙাৰ ফুক।

sir'-loin, *n*. গৰু আদিৰ কোমৰ।

sis'-ter, *n*. ভনী, বাই। sis'-ter-hood, *n*. ভগিনী সম্প্ৰদায়। sister-in-law, *n*. বৌ, খুলশালী। sis'-ter-ly, *adj*. বাইভনীৰ নিচিনা, মৰমিয়াল।

site (*sit*), *n*. স্থান, ঠাই, অৱস্থিতি।

sit'-u-ate, **sit'-u-a-ted**, *adj*. and *p. p*. স্থাপিত, অৱস্থিত। sit-u-a'-tion, *n*. অৱস্থান, অৱস্থা, চাকৰী, পদ।

size, *n*. আকাৰ, আকৃতি, জোখ, এবিধ কলপ ; *v*. সৰু ডাঙৰ অনুসাৰে সজোৱা, কলপ লগোৱা।

skate, *n*. বৰফৰ ওপৰে দি বেগাই কুৰিবলৈ এবিধ কাঠৰ ফানটি বা কটা, ডাঙৰ চিতলমাছ ; *v*. কাঠৰ ফানটি পিন্ধি দৌৰা।

skein, *n*. সূতাৰ লেচা।

skel'-e-ton, *n*. জকা, হাড়েছালে লগা মানুহ।

sketch, *n*. মোটামুটিকৈ লিখা বা নকৃচা কৰা, আঁচনি কৰা। sketch'-y, *adj*.

skew'-er, *n*. লোৰ বিন্ধনা।

skid, *n*. চকাৰ গতি বাধা দিয়া যতন, *v*. চকা নুঘুৰাকৈ ঘঁহাই যোৱা, চকাৰ গতি বাধা দিয়া।

skiff, *n*. সৰু নাও, ডিঙ্গা।

skill, *n*. কৌশল, নিপুণতা, দক্ষতা। skil'-ful, *adj*. নিপুণ। skilled, *adj*. সুদক্ষ।

skim, *v*. সৰ তোলা, পনীয়া বস্তুৰ ওপৰত

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

বন্ধা চামনি কটা, চকু ফুৰোৱা। skim'-milk, *n.* মাখনতোলা এঁৱা গাখীৰ।

skin, *n.* ছাল, চোকোলা ; *v.* ছাল বা চোকোলা গুচোৱা।

skip, *v.* জপিওৱা, জাপমৰা ; *n.* জাপ।

skip'-per, *n.* বাণিজ্য জাহাজৰ কাপ্তেন।

skir'-mish (*skĕr'-*), *n.* মাৰামাৰি, সৰু যুঁজ ; *v.* সৰু যুজ কৰা।

skirt, *n.* কাপোৰৰ দাঁতি, কাপোৰৰ আঁচল, আউঠি, কোটছোলাৰ তলৰ অংশ ; *v.* দাঁতিয়েদি যোৱা, সীমাত থকা।

skit, *n.* ঠাট্টা তামচা, ঠাট্টা তামচাৰ সৰু কিতাপ। skit'-tish, *adj.* ভয়াতুৰ, চঞ্চল।

skulk, *v.* লুকোৱা বা লুকাবলৈ চেষ্টা কৰা, কৰ্ত্তব্য কামত অৱহেলা কৰা।

skull, *n.* লাওখোলা।

sky, *n.* আকাশ, বতৰ ; *v.* আতালৰ কাষত (ছবি) ওলোমাই ৰখা। sky'-lark, *n.* মিঠামাতৰ এবিধ চৰাই।

slab, *n.* ছটা।

slack, *adj,* ঢিলা, শিথিল। slack'-en, *v.* ঢিলা কৰা, শিথিল কৰা। slack'-ness, *n.* শিথিলতা।

slag, *n.* ধাতুৰ মলি।

slake (*slāk*), *v.* নুমোৱা, ভিজাই (চুণ) গুড়ি কৰা।

slam, *v.* শব্দ কৰি বন্ধ কৰা বা জপোৱা ; *n.*

slan'-der, *v.* কুচ্ছা ৰটা, দুৰ্ণাম ৰটা, গ্লানি কৰা ; *n.* কুচ্ছা, গ্লানি। slan'-der-ous, *adj.* গ্লানিকৰ।

slang, *n.* ইতৰ-ভাষা, অমাৰ্জ্জিত ভাষা।

slant, *v.* একতীয়া হোৱা, এঢলীয়া হোৱা ; *n.* : *adj.* একতীয়া, এঢলীয়া।

slap, *n.* চাপৰ, চৰ ; *v.* চপৰিওৱা, চৰোৱা ; *adv.* সাউত কৰে।

slash, *v.* ঘা মৰা, কোব মৰা (তৰোৱাল আদিৰে) ; *n.* দীঘল ঘা।

slate, *n.* ফলি।

slat'-tern, *n.* কাপোৰ কাণি অপৰিষ্কাৰ কৰি থকা তিৰোতা, লেতেৰী, গেল্কেলী।

slaugh'-ter, *v.* হত্যা কৰা, বধ কৰা ; *n.* হত্যা, বধ।

slave, *n.* দাস, গোলাম, বন্দী ; *v.* দাসৰ নিচিনা খটা বা কাম কৰা। sla'-ver-y, *n.* দাসত্ব, গোলামি। sla'-vish, *adj.* দাসভাৱৰ, নীহ, নীচ।

slay (slew, slain, slay'-ing), *v.* মাৰা, বধ কৰা, অস্ত্ৰেৰে কটা।

sled, sledge (*slej*) or **sleigh** (*slā*), *n.* বৰফৰ ওপৰেদি চলা চকা নোহোৱা এবিধ গাড়ী।

sleek, *adj.* মিহি, চিকোণ, চিক্‌চিকীয়া ; *v.* মিহি বা চিকোণ কৰা।

sleep, *n.* নিদ্ৰা, টোপনি ; *v.* (slept, sleep'-ing, slept) শোৱা, টোপনি মৰা, বিশ্ৰাম লোৱা। sleep'-er, *n.* টোপনি মৰা বা এলেহুৱা মানুহ, ৰেলৰ আলিত পাৰি দিয়া কাঠ। sleep'-y, টোপনি গধুৰ, নিদ্ৰালু।

sleet, *n.* শিল-বৰষুণ।

sleeve, *n.* ছোলাৰ আস্তিন।

sleight (*slīt*), *n.* কৌশল, হাতৰ কৌশল, দক্ষতা।

slen'-der, *adj.* লাহী, সৰু, কৃশ, ক্ষীণ।

slice, *n.* চোকলা, চঁহি ; *v.* চকলিওৱা, ফঁহিওৱা, চঁহিওৱা।

slide (slid, slid'-en), *v.* পিছলি পৰা, মনে মনে গুচি যোৱা ; *n.* পিচ্ছলন, এঢলীয়া ঠাই, খহি পৰা শিল মাটি আদি, যি ঢাকনি আতৰি যায় আৰু আহে।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

slight (*slīt*), *adj.* সৰু, তুচ্ছ, সামান্য ; *v.* তুচ্ছ কৰা, অৱহেলা কৰা, অৱজ্ঞা কৰা, উপলুঙ্গা কৰা, সামান্য জ্ঞান কৰা ; *n.* নিন্দা, অৱজ্ঞা, অৱহেলা।

slim, *adj*, লাহী, কৃশ, ক্ষীণ।

slime, *n.* বোকা, শিলাজতু। sli'-my, *adj.* লেতলেতীয়া।

sling, *n.* শিলগুটি দলিওৱা এবিধ সজুলি, বস্তা ডাঙ্গা সামা কৰিবলৈ ৰচি বা শিকলি ; *v.* দলিওৱা, ওলোমাই থোৱা।

slink, *v.* মনে মনে পলোৱা, আঁতৰি যোৱা।

slip, *v.* পিছলখোৱা, পিছলি যোৱা, খহা, মনে মনে নেদেখাকৈ যোৱা, সুবিধাৰি যোৱা, ভুল কৰা, এৰি দিয়া, পাহৰা ; *n.* পতন, পিছলখোৱা কাৰ্য্য, ভুল, গাৰুৰ গিলিপ। slip'-per, *n.* চটিজোতা। slip'-per-y, *adj.* পিছল, অনিশ্চিত। slip'-shod, *adj.* লেতেৰা, অপৰিষ্কাৰ, অসাবধান।

slit, sli'-ver, *v.* ফহিওঁৱা, ফালা, কটা।

sloe (*slō*), *n.* এবিধ বনবগৰি।

slo'-gan, *n.* স্কট্‌বোৰৰ (পূৰণি কালত) যুদ্ধলৈ যতা বা যুদ্ধত ব্যৱহাৰ কৰা 'সিংহনাদ', কোনো দলৰ সঙ্কেতবাক্য বা নীতিবাক্য, জয়গীত।

sloop, *n.* এডাল মাস্তুলৰ সৰু জাহাজ।

slope, *n.* এচলীয়া ঠাই, পাহাৰৰ গা ; *v.* এচলীয়া হোৱা বা কৰা। slo'-ping, *adj.* এচলীয়া, একতীয়া।

slot, *n.* বিন্ধা (বল্টু আদি সুমুওৱা)।

sloth (*slōth*), *n.* সোৰোপালি, এলাহ। sloth'-ful, *adj.* সোৰোপা, এলেহুৱা।

slouch, *n.* কুব্জভাবে খোজ কঢ়া, তলগুজি খোজ কঢ়া, অশুৱনি মানুহ ; *v.* তলগুজি যোৱা।

slough (*slou*), *n.* বোকাময় বা পেঁকময় ঠাই বা গাওঁ। (*sluf*) সাপৰ চোকোলা, ঘাঁ আদিৰ পঁচামঙহ।

slov'-en (*sluv'-*), *n.* লেতেৰা মানুহ। slov'-en-ly, *adj.* লেতেৰা, অপৰিষ্কাৰ।

slow (*slō*), *adj.* ধীৰ, লেহেম, এলেহুৱা।

slug, *n.* চাকোন নথকা শামুখ, বন্দুকৰ এবিধ গুলি। slug'-gard, *n.* এলেহুৱা বা সোৰোপা মানুহ। slug'-gish, *adj.* এলেহুৱা সোৰোপা, লৰিব নোখোজা।

sluice (*sloos*), *n.* সোঁত বা পানীৰ নলীৰ দুৱাৰ।

slum, *n.* নগৰৰ দাঁতিত থকা লেতেৰা চুপা, ইতৰ মানুহৰ থকা ঠাই।

slum'-ber, *n.* কলাঘুমটি, চিলমিলীয়া টোপনি ; *v.* কলাঘুমটি মৰা, সোৰোপা হোৱা। slum'-ber-ous, *adj.*

slump, *v.* হঠাৎ পানীত বা বোকাত পৰা, দাম পৰা বা কমা ; *n.* হঠাৎ পতন, পূৰ্ণ বিফলতা।

slur, *n.* কলঙ্ক, নিন্দা, চেকা, দাগ ; *v.* কলঙ্কিত কৰা, চেকা দিয়া, উপহাস কৰা, ভতাতৈয়াকৈ বা অসাবধানেৰে অতিক্ৰম কৰি যোৱা।

slut, *n.* লেতেৰী, গেল্পেলী।

sly, *adj.* ধূৰ্ত্ত, টেঙৰ। sly'-ly, *adv.* টেঙৰালিকৈ। sly'-ness, *n.*

smack, *n.* কোবৰ শব্দ, ওঠৰ চহ্‌পনি, ডাঙৰ চুমা, মাছমৰা সৰু জাহাজ, সোৱাদ বা গোন্ধ ; *v.* সোৱাদ লগা বা গোন্ধযুক্ত হোৱা, চুমা খোৱাৰ নিচিনা শব্দ কৰা, ওঠেৰে চহ্‌পনি মৰা, তকলিওৱা ; *adv.* সাবৌপ কৰে শব্দ কৰি।

small, *adj.* সৰু, সামান্য, ঠেকমনা, নীচ ; *n.* কোনো বস্তুৰ সৰু অংশ। small'-pox, *n.* বসন্তৰোগ, আই।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

smart, *adj.* যন্ত্রণাদায়ক, তীব্র, চতুৰ, তৎপৰ, চটফটীয়া ; *v.* কষ্টদায়ক হোৱা, দুখ বা যন্ত্রণা অনুভব কৰা ; *n.* কষ্ট, যন্ত্রণা।

smash, *v.* ভঙ্গা, ডোখৰ ডোখৰ কৰা, ধ্বংস হোৱা ; *n.* ভঙ্গা কাৰ্য্য, ধ্বংস।

smat'-ter, *v.* নজনাৰ নিচিনা কথা কোৱা, ওপৰে ওপৰে কথা কোৱা। smat'-ter-ing, *n.* অলপীয়া জ্ঞান।

smear (*smēr*), *v.* ঘঁহা, লিপা, কলঙ্কিত কৰা, চেকা লগোৱা ; *n.* লেপ, দাগ।

smell, *v.* গোন্ধ পোৱা বা লোৱা, শুঙা ; *n.* ঘ্ৰাণশক্তি, গোন্ধ।

smelt, *n.* এবিধ সৰু মাছ ; *v.* (ধাতু) গলাই পৰিষ্কাৰ কৰা।

smile, *v.* মিচিকিয়াই হঁহা, হাঁহি উপলুঙ্গা কৰা ; (*with* on) অনুগ্রহৰ চকুৰে চোৱা ; *n.* মিচিকিয়া হাঁহি, অনুগ্রহ।

smirch (*smĕrch*), *v.* কলঙ্কিত কৰা, দাগ লগোৱা ; *n.* কলঙ্ক, দাগ, চেকা।

smirk, *v.* কৃত্রিম হাঁহি মৰা ; *n.* কৃত্রিম হাঁহি।

smite (smote, smit'-ten, smit'-ing), *v.* মাৰা, কোবোৱা, বধ কৰা, সৰ্ব্বনাশ কৰা, পৰাস্ত কৰা, মৰ্ম্মাহত কৰা।

smith, *n.* ধাতুৰ কাম কৰোঁতা, শিল্পী। smith'-y *or* smith'-er-y, *n.* কমাৰ-শালি।

smoke, *n.* ধোঁৱা ; *v.* ধোঁওৱা, ধোঁৱা ওলোৱা, ধোঁৱা খোৱা। smo'-ky, *adj.* ধুঁৱলি। smo'-ker, *n.*

smooth, *adj.* মিহি, নিমজ ; *v.* মিহি কৰা, নিমজ কৰা।

smoth'-er (*smuth'-*), *v.* উশাহ বন্ধ কৰি মাৰা, টিপি উশাহ বন্ধ কৰা।

smoul'-der (*smōl'-*) *v.* ধোঁওৱা, ধোঁৱাই পোৰা।

smug'-gle, *v.* বে-আইনিকৈ আমদানি আৰু ৰপ্তানি কৰা, লুকুৱাই অনা বা পঠিওৱা। smug'-gler, *n.* যোনে...।

smut, *n.* ছাইৰ দাগ বা চেকা। smutch, *v.* কলা কৰা, মলিয়ন কৰা ; *n.* দাগ।

snack (*snak*), *n.* অংশ, ভাগ, তাৰা-তাৰিকৈ আধাপেটী খান বা ভোজন।

snaf'f-le, *n.* ঘোঁৰা আদিৰ মুখত দিয়া লেকাম।

snail, *n.* শামুক, কুমজেলুকা, সোৰোপা মানুহ।

snake, *n.* সাপ, ধূৰ্ত্ত লোক। sna'-ky, *adj.* সাপৰ নিচিনা।

snap, *v.* মটৰকৈ ভঙ্গা, ঠনৰ কৰে ভঙ্গা, কটংকৈ কামোৰা। snap-shot, *n.* লক্ষ্য-হীন গুলি, তৎক্ষণাৎ তোলা 'ফটো'।

snare, *n.* ফান্দ, জাল; *v.* ফান্দত পেলোৱা।

snarl, *v.* গেঙ্গেৰিওৱা ; *n.* গেঙ্গেৰি।

snatch, *v.* হঠাৎ ধৰা, কাঢ়ি লোৱা ; *n.* ডোখৰ।

sneak, *v.* মনে মনে গুচি যোৱা, খুৰি মাৰি যোৱা, নীচভাৱে কাম কৰা ; *n.* নীচ, ভয়াতুৰ মানুহ। sneak'-y, *adj.*

sneer, *v.* নাক সিঁয়ৰাই বা মুখ বিকটাই অশ্ৰদ্ধা প্ৰকাশ কৰা, উপহাস কৰা, অবজ্ঞা কৰা ; *n.* উপহাস, অবজ্ঞা।

sneeze, *n.* হাঁচি, ; *v.* হাঁচা।

sniff, *v.* নাকৰ ভিতৰলৈ বতাহ টনা, এনেকৈ ঘৃণা প্ৰকাশ কৰা, শুঙ্গা ; *n.*

snig'-ger (*-ĕr*), *v.* খিলখিলোৱা ; *n.* খিলখিলনি।

snip, *v.* কটা।

snipe, *n.* এবিধ চৰাই ; *v.* বহুত দূৰৰ পৰা গুলি মৰা।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

sniv'-el, *v.* নাকেৰে সোৰসোৰাই থকা, নাকে কন্দা।

snob, *n.* আনতকৈ নিজক ডাঙৰ বুলি ভবা মানুহ, মুচি।

snore, *n.* টোপনিত নাকৰ ঘোৰ্ঘোৰণি ; *v.* টোপনিত ঘোৰ্ঘোৰোৱা।

snort, *n.* ঘোঁৰাৰ চেঁহনিৰ নিচিনা নাকৰ মাত ; *v.*

snout, *n.* পশুৰ ওলমি পৰা নাক।

snow (*snō*), *n.* বৰফ, হিম ; *v.* বৰফ পৰা। snow'-y, *adj.*

snub, *v.* ভৰ্ৎসনা কৰা, বকা, লাই নিদিয়া উপলুঙ্গা কৰা, তুচ্ছ জ্ঞান কৰি ইতিকিং কৰা ; *n.* তিৰস্কাৰ।

snuff, *v.* নাকেৰে টানিলোৱা বা উজোৱা, নস্যলোৱা, হুঙ্গা ; *n.* নস্য, নাকেৰে উজোৱা ধপাতৰ গুড়ি, মোমবাতি বা চাকিৰ সলিতাৰ পোৰা অংশ। snuf'-fle, *v.* নাকেৰে কথা কোৱা বা জোৰেৰে উশাহ নিশাহ লোৱা।

snug, *adj.* আৰামজনক, সুবিধাজনক, সুচল, লগালগিকৈ থকা। snug'-gle, *v.* লগা-লগিকৈ সুখেৰে বহা বা জিৰণিলোৱা।

soak, *v.* ভিজা বা ভিজোৱা, তিতা বা তিতোৱা, অতিকৈ পানকৰা।

soap, *n.* চাবোন ; *v.* চাবোন দিয়া।

soar (*sōr*), *v.* আকাশলৈ উৰা, (ভাব, কল্পনা, আকাঙ্ক্ষা আদি বিষয়ে) ওপৰলৈ উঠা।

sob, *n.* দুখৰ ক্ৰন্দন ; *v.*

so'-ber, *adj.* শান্ত, ধীৰ, গহীন, গম্ভীৰ, স্থিৰবুদ্ধিৰ, মিতাচাৰী ; *v.* শান্ত কৰা বা হোৱা। so-bri'-e-ty (*-brī'-*), *n* মিতাচাৰ, প্ৰশান্তভাৱ, গাম্ভীৰ্য্য।

so'-cial (*-shal*), *adj.* সামাজিক, সমাজ-সম্বন্ধীয়, সমাজপ্ৰিয়। so-ci'-e-ty, *n.* সমাজ, সভা, সমিতি, সঙ্গ। so'-cia-ble (*-shă-bl*), *adj.* সঙ্গপ্ৰিয়, লগ ভালপোৱা। so-ci-a-bil'-i-ty, *n.* so'-cial-ism (*-shăl-ism*), *n.* "সমাজত সৰু ডাঙৰ নাই, পৰিশ্ৰমৰ দ্বাৰা পোৱা ধনত সকলৰে সমান অধিকাৰ, ভূসম্পত্তি সকলৰে উমৈহতীয়া সম্পত্তি" এইমত। so'-cial-ist, *n.* এনে মতাবলম্বী মানুহ।

sock'-et, *n.* চকুৰ কোটৰ, কোনো বস্তু ৰখা গাঁত।

sod, *n.* ঘাঁহেৰে সৈতে মাটিৰ চপৰা।

sod'-den, *adj.* ভিজোৱা।

so-fa, *n.* বহা কোমল আসন (পিঠি থকা)।

soft, *adj.* কোমল, নৰম, মৃদু, মিহি। soft'-en (*sof'-n*), *v.* কোমল কৰা, শান্ত কৰা, গলোৱা, গলা, কোমল হোৱা।

soil, *n.* মাটি, দেশ, বোকাময় ঠাই, মল ; *v.* মলিয়ন কৰা, চেকালগোৱা।

soi'-rée (*swä'-rā*). *n.* (F.) ভাটিবেলা বহা সভা।

so'-journ (*-jĕrn*), *v.* প্ৰবাস খপা, অলপ দিন বা সময়ৰ কাৰণে থকা, অলপ দিন বা সময়ৰ কাৰণে প্ৰবাস।

sol'-ace (*-ăs*), *v.* সান্ত্বনা দিয়া, আশ্বাস-দিয়া ; *n.* সান্ত্বনা, জুৰণি বাক্য।

so'-lar (*-lĕr*), *adj.* সূৰ্য্য সম্বন্ধীয়, সৌৰ।

sol'-der (*sōl-*), *n.* জোৰা জালা এবিধ ধাতুৰ মিহলি বস্তু ; *v.* জোৰা জালা।

sol'-dier (*sōl'-jĕr*), *n.* সৈন্য, চিপাহী। sol'-dier-ly, *adj.* বীৰৰ উপযুক্ত, সাহসিক।

sole, *n.* ভৰিৰ বা জোতাৰ তলি, এবিধ চেপেটা মাছ ; *adj.* কেৱল, অকলশৰ ; *v.* তলা লগোৱা। sole'-ly, *adv.* কেৱল, অকলশৰে, অকলে।

sol'-e-cism (*-sism*), *n.* ভাষাৰ ৰীতি-দুষ্টতা, অশিষ্ট প্ৰয়োগ, অপব্যৱহাৰ।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

sol′-emn (*-em*), *adj.* পবিত্ৰ, গম্ভীৰ। so-lem′-ni-ty, *n.* ধৰ্ম্মকাৰ্য্য, গাম্ভীৰ্য্য, গৌৰৱ। sol′-em-nize (*-nīz*), *v.* বিধি অনুসাৰে সম্পাদন কৰা।

so-lic′-it (*-lis′-*), *v.* অনুৰোধ কৰা, সবিনয়ে প্ৰাৰ্থনা কৰা, খোজা। so-lic′-i-tor (*tēr*), *n.* উকীল। so-lic′-i-tous, *adj.* অভিলাষী, প্ৰাৰ্থী, উদ্বিগ্ন। so-lic′-i-tude, *n.* উদ্বিগ্নতা, আগ্ৰহ।

sol′-id, *adj.* শকত, টান, দৃঢ়, গধুৰ, ঘন; *n.* গোটাবস্তু। so-lid′-i-ty, *n.* দৃঢ়তা, গধুৰতা, ঘনত্ব। so-lid′-i-fy, *v.* টান কৰা বা হোৱা, গোট মৰা।

sol-id-ar′-i-ty, *n.* নিচেই ওচৰ মিলন, (জাতিৰ, সম্প্ৰদায়ৰ), সমানে সুখ দুখৰ ভাগী হবলৈ থিৰ কৰি বন্ধা একতাৰ ডোল।

so-lil′-o-quy (*-kwi*), *n.* স্বগত বচন, নিজে নিজে কোৱা কথা। so-lil′-o-quize (*-kwīz*), *v.* নিজে নিজে কথা কোৱা।

sol′-i-ta-ry, *adj.* অকলশৰীয়া, নিৰ্জ্জন, জনশূন্য। sol′-i-tude, *n.* নিৰ্জ্জনতা, নিৰ্জ্জন ঠাই।

so′-lo, *n.* (I.) এটা মাতত বা এটা মাথোন বাদ্যযন্ত্ৰত গোৱা গান। so′-lo-ist, *n.* যোনে অকলে গায়।

so-lu′-tion, *n.* টান বস্তু গলাই কৰা পানী, সমাধান, মীমাংসা। sol′-u-ble, *adj.* গলাব পৰা, সহজে সমাধান কৰিব পৰা।

solve, *v.* সন্দেহ বা সংশয় গুচোৱা, সমাধান বা মীমাংসা কৰা, বুজাই দিয়া। sol′-va-ble, *adj.*

sol′-vent, *adj.* সকলো দেনা পৰিশোধ কৰিবলৈ সক্ষম, গলাব পৰা; *n.* দ্ৰাবক পদাৰ্থ। sol′-ven-cy, *n.* দেউলীয়া নোহোৱা অৱস্থা, সকলো দেনা শুজিব পৰা অৱস্থা।

som′-bre (*-bēr*), *adj.* আন্ধাৰ, মলিন, বিষণ্ণ, বিমৰ্ষ।

some, *adj.* কিছু, কিছুমান, গোটাচেৰেক, কোনো কোনো; *pron.* কোনো কোনোৱে, কিছুমানে; *adv.* কিছু পৰিমাণে, প্ৰায়।

som′-er-sault (*-sält*) *or* **som′-er-set**, *n.* খঁৰ।

som-nam′-bu-lism, *n.* টোপনিত থাকোঁতেই সাৰে থকা মানুহৰ নিচিনা উঠা আৰু কাৰ্য্য কৰা। som-nam′-bu-list, *n.* টোপনিত থাকোঁতেই সঁচাকৈ যোনে খোজ কাঢ়ি ফুৰে।

son, *n.* পুত্ৰ; *pl.* বংশধৰ, অধিবাসী।

song, *n.* গান, গীত। song′-ster, *n.* (*fem.* -stress) সুৱদী মাতৰ চৰাই।

son′-net, *n.* চৈধ্য ফাকিৰ কবিতা।

so-no′-rous (*-rus*), *adj.* গম্ভীৰ স্বৰৰ।

soon, *adv.* সোনকালে, বেগতে, ততালিকে পলম নকৰাকৈ।

soot, *n.* এলাস্কু, ছাই।

sooth, *adj.* সঁচা, প্ৰকৃত; *n.* sooth′-say-er, *n.* ভবিষ্যত কওঁতা।

soothe (*sooth*), *v.* মিঠামাতেৰে সন্তুষ্ট কৰা, শান্ত কৰা, সান্ত্বনা কৰা।

sop, *n.* ঝোল বা মদত ভিজাই খোৱা খাদ্য।

soph′-ism (*sof′-izm*), *n.* দেখাত শুদ্ধ কিন্তু আচলতে মিছা আৰু ভুল এনে যুক্তি বা তৰ্কৰ বিদ্যা। soph′-is-try, *n.* এনে তৰ্ক। so-phis′-tic (-al), *adj.*

so-pra′-no, *n.* তিৰোতাৰ গলৰ আটাইতকৈ উচ্চস্বৰ।

sor′-cer-er (*-sēr*), *n.* (*fem.* -ess)

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

বাজীকৰ, ঐন্দ্ৰজালিক। sor'-cer-y, *n.* ইন্দ্ৰজাল, মায়া।

sor'-did, *adj.* নীচ, হীন, লুভীয়া, কৃপণ।

sore, *n.* ঘা, মনৰ দুখ; *adj.* যন্ত্ৰণাদায়ক, কষ্টজনক; *adv.* অত্যন্ত।

sor'-row (*rō*), *n.* দুখ, কষ্ট, শোক, মনৰ সন্তাপ; *v.* দুখ কৰা, খেদ কৰা। sor'-row-ful, *adj.* দুখিত, শোকজনক, দুখজনক। sor'-ry, *adj.* দুখিত, হীন, নীচ, অকৰ্ম্মণ্য।

sort, *n.* বিধ, প্ৰকাৰ, শ্ৰেণী; *v.* বেলেগ কৰা, বিধে বিধে থোৱা, বছা।

sor'-tie (*-tē*), *n.* (F.) অবৰোধকাৰী সৈন্যদলক অবৰোধ কৰি ৰখা সৈন্যদলে হঠাৎ ওলাই আহি কৰা আক্ৰমণ।

soul (*sōl*), *n.* আত্মা, জীৱ, প্ৰাণ, বীৰ্য্য, শক্তি, সাৰ, মানুহ। soul'-less, *adj.* প্ৰাণহীন, নীচমনৰ।

sound, *n.* শব্দ, ধ্বনি, মাছৰ হাওঁফাওঁ, ঠেক সাগৰ-প্ৰণালী; *v.* শব্দ কৰা বা হোৱা, বজাই চোৱা, জোখ লোৱা, ৰচিৰে পানীৰ দ থিৰ কৰা, জোখা, নিৰ্ণয় কৰা, পৰীক্ষা কৰা, অভিপ্ৰায় বুজা বা টিকিলিয়াই চোৱা; *adj.* নিখুঁত, সুস্থ, সবল, সম্পূৰ্ণ ভুল নথকা, ঠিক, গভীৰ, গাঢ়।

soup (*soop*), *n.* ঝোল।

sour, *adj.* টেঙ্গা, তীব্ৰ, খিটখিটীয়া; *v.* টেঙ্গোৱা, অসুখী কৰা।

source (*sōrs*), *n.* উৎপত্তি স্থান, মূল, আদি কাৰণ।

souse (*sous*), *v.* আচাৰত ডুবোৱা, পানীত ডুবোৱা, তিতোৱা, চৰাইৰ নিচিনা ছোঁ মৰা; *n.* লোণ দি কৰা আচাৰ।

south, *n.* দক্ষিণ; *adj.* দক্ষিণ-ফালে থকা, দক্ষিণৰ পৰা বোৱা। south'-ern (*suth'-*) *adj.* দক্ষিণ ফালে থকা বা দক্ষিণ-ফালৰ পৰা অহা।

sou-ve-nir' (*soo'-vĕ-nēr*), *n.* যিৰে সোঁৱৰাই দিয়ে, স্মাৰক।

sov'-er-eign (*-ĕr-in*), *n.* ৰজা, ৰাণী, ২০ চিলিং বা ১৫৲ টকা মূল্যৰ সোণৰ মুদ্ৰা; *adj.* প্ৰতাপী, স্বাধীন, প্ৰধান, অতি ফলদায়ক। -ty, *n.* একাধিপত্য, ৰাজত্ব, স্বাধীন ৰাজ্য।

sow (*sō*) (sowed, sown, sow'-ing), *v.* (গুটি) সিঁচা, বোৱা, প্ৰচাৰ কৰা।

sow (*sou*), *n.* মাইকী গাহৰি। *masc.* boar; *pl.* swine.

space, *n.* ঠাই, দূৰত্ব, সময়; *v.* সমান সমান দূৰৈত ৰখা। spa'-cious (*-shus*), *adj.* আহল বহল।

spade, *n.* কোৰ, কোদাল, তাচৰ ইস্কাবন।

span, *n.* এক বেগেত, নিৰ্দ্দিষ্ট সময়, এহাল বলদ বা ঘোঁৰা; *v.* জলে মৰা, একাৰৰ পৰা আন কাৰ চুকি পোৱা।

span'-iel (*-yĕl*), *n.* নোমাল আৰু কাণ হলা এজাতৰ কুকুৰ।

spank, *v.* বেগাই যোৱা, চৰ মাৰা, চপৰিওৱা।

spar, *n.* দীঘল কাঠ বা মাৰি, জাহাজত পাল তুলিবলৈ মাস্তুল আদি কাঠ, এবিধ বগা শিল; *v.* মল্ল যুদ্ধ কৰা।

spare, *v.* কমকৈ খৰচ কৰা, ৰখোৱা, সাঁচা, এৰি দিয়া, ক্ষমা কৰা; *adj.* অলপ, বাহিয়াল, অতিৰিক্ত, বৰ্ত্তমানত নলগা, কৃশ, কাহিল।

spark, *n.* জুইৰ ফিৰিঙ্গটি, প্ৰেমিক ডেকা। spar'-kle, *v.* জিলিকা, জকমক কৰা, জিলমিল কৰা; *n.* সৰুফিৰিঙ্গটি, তিৰবিৰণি, জিলিকণি।

spar'-row, *n.* ঘনচিৰিকা।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

sparse, *adj*. তাকৰীয়া, পাতলীয়া, পাতল পাতলকৈ থকা (ঘনকৈ নহয়)।

spasm (*spasm*), *n*. মাংসপেশীৰ সঙ্কোচন, খিলামুৰি। spas-mod'-ic (-al), *adj*. খিলা মুৰি ধৰা, মাজে মাজে প্ৰবল হোৱা।

spat'-ter, *v*. পানী বা পেঁক ছিটোৱা ; *n*. পানী বা পেঁকৰ ছিটনি।

spawn, *n*. মাছ ভেকুলি আদিৰ কণী।

speak, *v*. কথা কোৱা, উল্লেখ কৰা, উচ্চাৰণ কৰা, কোৱা, প্ৰকাশ কৰা। speak'-er, *n*. বক্তা, মুখপাত্ৰ, পাৰ্লিয়ামেণ্টৰ সভাপতি।

spear, *n*. যাঠি ; *v*. যাঠিৰে হানা বা বিন্ধা।

spe'-cial (*spesh'-al*), *adj*. বিশেষ, অসাধাৰণ, সুকীয়া ; *n*. বিশেষ কোনো লোক বা বস্তু, উচ্চপদবী লোকৰ যাতায়াতৰ ৰেলগাড়ী। spe'-cial-ize, *v*. বিশেষকৈ উল্লেখ কৰা, কোনো বিশেষ গুণ অৰ্জ্জা, কোনো বিশেষ বিদ্যা অৰ্জ্জা। spe-ci-al'-i-ty *or* spe'-cial-ty, *n*. বিশেষ চিন বা গুণ, বিশেষত্ব।

spe'-cie (-*shi*), *n*. সোণ বা ৰূপৰ মুদ্ৰা।

spe'-cies (-*shez*), *n*. জাতি, বিধ, ৰকম, শ্ৰেণী।

spec'-i-fy (*spes'*-), *v*. বিশেষকৈ উল্লেখ কৰা, নাম কৰা। spe-cif'-ic (-*sif'*-), *adj*. বিশেষ ৰকমৰ বা জাতৰ, নিৰ্দ্দিষ্ট, ঠিক, বিশেষ ফলদায়ক ; *n*. বিশেষ ফলদায়ক ঔষধ। spec-i-fi-ca'-tion, *n*. বিশেষ উল্লেখ, সবিশেষ বিৱৰণ।

spec'-i-men (*spes'*-), *n*. নমুনা, আহি।

spe'-cious (-*shus*), *adj*. দেখাত সঁচা, বাহিৰত আচল বুলি বোধ হোৱা কিন্তু প্ৰকৃততে নহয়। spe'-cious-ness, *n*.

speck, *n*. দাগ, চিন, বিন্দু, লেশমাত্ৰ ; *v*. দাগ দিয়া। spec'-kle, *v*. ফুটুকীয়া দাগ দিয়া ; *n*.

spec'-ta-cle, *n*. দৃশ্য ; *pl*. চছমা, বিতচকু।

spec-ta'-tor, *n*. (*fem*. -tress) দৰ্শক, সাক্ষী।

spec'-tre (-*tër*), *n*. ভূত প্ৰেত। spec'-tral, *adj*. ভৌতিক, প্ৰতিফলিত-পোহৰ সম্বন্ধীয়।

spec'-u-late, *v*. চিন্তা কৰা, ভবা, মনত গুণা গঁঠা, ভাও চৰিলে বেচিবলৈ বস্তু কিনা। spec-u-la'-tion, *n*. ধ্যান, চিন্তা।

speech, *n*. বাক্য, বচন, ভাষা, বক্তৃতা। speech'-less, *adj*. নীৰৱ, নিমাত।

speed, *n*. কৃতকাৰ্য্যতা, বেগ ; *v*. (sped, speed'-ing,) বেগেৰে যোৱা, বেগ দিয়া, খৰ কৰা, কৃতকাৰ্য্য হোৱা, বেগাই চলোৱা, বেগতে পঠিওৱা, কাৰো উন্নতি কামনা কৰা, নিৰাপদে গৈ পাওক এনে কামনা কৰা। speed'-y, *adj*. বেগী। speed'-i-ness, *n*. বেগ।

spell, *n*. মন্ত্ৰ, যাদু, মায়া, কামৰ পাল, অলপ সময় ; *v*. (spelled *or* spelt, spel'-ling, spelt), বানান কৰা, আখৰ জোটোৱা, মন্ত্ৰৰ বলেৰে বশ কৰা। spell'-bound, *adj*. মন্ত্ৰমুগ্ধ।

spend (spent, spend'-ing), *v*. খৰচ কৰা, ব্যয় কৰা, ক্ষয় কৰা। spend'-thrift, *n*. অপব্যয়ী, খৰচী।

sphere (*sfër*), *n*. মণ্ডল, লোক, ব্যৱসায়, সামাজিক পদ, কৰ্ম্মক্ষেত্ৰ। spher'-ic (-al), *adj*. ঘূৰণীয়া।

sphinx (*sfingks*), *n*. মানুহৰ মুখ আৰু সিংহৰ গাৰ, ভয়লগা ৰাক্ষস।

spice, মচলা, লং ডালচেনি আদি ; *v*. মচলা- দি সোৱাদ কৰা। spi'-cy, *adj*. মচলা যুক্ত, সুগন্ধি।

spi'-der, *n*. মকৰা।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

spike, *n.* ডাঙৰ গজাল, গোজ ; *v.* গজাল মৰা, গজাল বহুওৱা।

spill, *v.* বগৰোৱা, ঢালা, পেলোৱা, পাত কৰা ; *n.* পতন।

spin (span, spun, spin'-ning), *v.* সূতা কটা, কটনা কটা, মেৰ খোৱা, ঘূৰা। spin'-ner, *n.* যোনে সূতা কাটে, মকৰা।

spin'-dle, *n.* শলাকাঠি।

spine, *n.* ৰাজহাড়, কাঁইট। spi'-nal, *adj.* ৰাজহাড় সম্বন্ধীয়।

spin'-ster, *n.* কুমাৰী, বিয়া নিদিয়া ছোৱালী।

spire, *n.* মন্দিৰৰ চূড়া, ক্রমে জোঙা আগ। spi'-ral, *adj.*

spir'-it, *n.* জীৱনীশক্তি, তেজ, প্রাণ, উদ্যম, মেজাজ বা মনৰ অৱস্থা, তাৎপৰ্য্য, অৰ্থ, ভূত, প্রেত, মদ। spir'-it-ed, *adj.* সজীৱ, তেজস্বী, সাহসিক। spir'-i-tu-al, *adj*, অশৰীৰী, আধ্যাত্মিক, পাৰমাৰ্থিক, ধৰ্ম্ম সম্বন্ধীয়। spir'-i-tu-ous, *adj.* মাদক, তেজাল।

spit, *n.* শলা, ঠেক অন্তৰীপ, থু ; *v.* থু পেলোৱা। spit'-tle, *n.* থু।

spite, *n.* হিংসা, ঈৰ্ষা ; *v.* হিংসা কৰা, ঈৰ্ষা কৰা, আমনি কৰা। spite'-ful, *adj.* হিংসাপূৰ্ণ, ঈৰ্ষাপূৰ্ণ।

splash, *v.* পানী বা পেঁক ছিটিকোৱা ; *n.* ছিটিকনি।

spleen, *n.* জৰথাপৰি, প্লীহা, খঙ, ঈৰ্ষা।

spen'-did, *adj.* উজ্জ্বল, জাকজমকীয়া। splen'-dour (*-dĕr*), *n.* উজ্জ্বলতা, জাক-জমক, শোভা।

splice (*splis*), *v.* জৰীৰ দুইমূৰ জোৰা দিয়া।

splint, *n.* কাঠৰ সৰু মাৰি বা কাঠি।

splin'-ter, *n.* সৰু কাঠৰ মাৰি বা কাঠি ; *v.* সৰু কাঠি কৰি ফালা।

split, *v.* (split, split'-ting), ফালা।

splut'-ter, *v.* কথা কওঁতে থু পেলোৱা, লিখোঁতে মহী ছটিয়াই পেলোৱা।

spoil, *n.* লুট, লুটিপুটি অনা বস্তু ; *v.* লুট কৰা, নষ্ট কৰা, বেয়া কৰা।

spoke, *n.* চকাৰ নাইৰ পৰা বেৰলৈ দিয়া কাঠ, মৈৰ ডাকান বা খাপ।

spo-li-a'-tion, *n.* অপহৰণ, লুট। spo'-li-ate, *v.* লুট কৰা।

sponge (*spunj*), *n.* সাগৰৰ ফেণ ; *v.* ভিজা 'স্পঞ্জ' বা কাপোৰেৰে মচা, শুহা, নীহ উপায়ে ধন ঘটা। spon'-gy, *adj.* সাগৰৰ ফেনৰ নিচিনা, সোপৃস্পীয়া।

spon'-sor, *n.* জামিন, ধৰ্ম্মৰ পিতৃ বা মাতৃ।

spon-ta'-ne-ous (*-nē-us*), *adj.* আপোনা আপুনি উদ্ভৱ হোৱা, স্বাভাৱিক। spon-ta-ne'-i-ty, *n.*

spool, *n.* মহুৰা, টাকুৰি ; *v.* মহুৰাত ভৰোৱা বা মেৰিওৱা।

spoon, *n.* চামুচ। spoon'-ful, *n.* এচামুচ।

sport, *n.* ক্রীড়া, কৌতুক, ধেমালি, খেল, মৃগয়া আদি ; *v.* ক্রীড়া কৰা, খেলা কৰা। spor'-tive, *adj.* ধেমেলীয়া, আমোদী। sports'-man, *n.* খেলাৰু, চিকাৰী। sport'-ful, *adj.* ক্রীড়াপূৰ্ণ। sport'-ing, *adj.*

spot, *n.* দাগ, চেকা, ঠাই ; *v.* দাগ দিয়া, চিন দিয়া। spot'-less, *adj.* নিষ্কলঙ্ক, চেকা নথকা। spot'-ted, *adj.* ফুটুকা ফুটুকী।

spouse (*spous*), *n.* স্বামী বা স্ত্রী।

spout, *n.* নলী, চুঙা, মুখৰ চুঙা ; *v.*

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

নলীয়েদি বা চুঙ্গাই দি জোৰেৰে ওলোৱা, জাকজমকালকৈ কোৱা।

sprain, *n.* মোচকা ; *v.* মোচকা খোৱা।

sprawl, *v.* হাতভৰি মেলি দীঘল দি পৰা।

spray, *n.* গছৰ শাখা, সৰু ডাল, পানীৰ কণিকা।

spread (*spred*), *v.* মেলা, টনা, বিস্তীর্ণ কৰা, বিয়পি পৰা, প্রচাৰ কৰা, প্রকাশ হোৱা ; *n.* বিস্তাৰ।

sprig, *n.* গছৰ সৰু ঠানি, টুপী নোহোৱা গজাল।

spright'-ly (*sprīt-*), *adj.* প্রফুল্ল, আনন্দিত, স্ফূর্তিযুক্ত।

spring (sprang, sprung, spring'-ing), *v.* জপিওৱা, জাপ মৰা, বেগাই ওলোৱা, গজা, ওফৰা ; *n.* জাপ, বসন্তকাল, উৎপত্তি স্থান, উহ, ভুমুক। spring'-y, *adj.* বহুত ভুমুক থকা।

springe (*sprinj*), *n.* ফান্দ, জাল।

sprin'-kle, *v.* ছটিওৱা।

sprint, *n.* অলপ দূৰত্বৰ দৌৰ।

sprout, *n.* গজালি, পোখা ; *v.* পোখাধৰা, গজালি মেলা, গজা।

spruce, *adj* চাফচিকোণ, ধুনপেঁচ মৰা।

spume, *n.* ফেণ। spu'-mous, *adj.*

spur, *n.* অশ্বাৰোহীৰ জোতাত থকা কাঁটা ; উত্তেজনা, উৎসাহ, উদগনি ; *v.* উদগনি দিয়া। spurred, *adj.* উদগনি পোৱা।

spu'-ri-ous, *adj.* অপ্রকৃত, মিছা, নকল, কৃত্রিম।

spurn (*spërn*), *v.* পদাঘাতেৰে ঠেলি দিয়া, ঘিণ কৰি এৰা, তুচ্ছ জ্ঞান কৰা।

spurt, *v.* জোৰেৰে ওলোৱা ; *n.*

sput'-ter, *v.* থুৰ কণিকা পেলোৱা, খৰকৈ অস্পষ্টভাবে কথা কোৱা ; *n.* থুৰ পৰা পৰা কণিকা, খৰ উচ্চাৰণ।

spy (spied, spy'-ing), *v.* নিলগৰ পৰা দেখা, মনে মনে চোৱা বা লক্ষ্য কৰা ; *n.* গুপ্তচৰ, চোৰাংচোৱা।

squab'-ble (*skwob'-l*), *v.* দ্বন্দ্ব খৰিয়াল বা কাজিয়া কৰা ; *n.* দ্বন্দ্ব খৰিয়াল।

squad (*skwod*), *n.* সৈন্যৰ সৰু দল।

squad'-ron, *n.* অশ্বাৰোহী সৈন্যৰ সৰু দল, নৌবহৰৰ এটা ভাগ।

squal'-id (*skwol'-*), *adj.* মলিয়ন, দুর্ভগীয়া। squal'-or, *n.* মলিনতা, মলি।

squall, *n.* ডাঙৰ আটাহ বা চিঞৰ, ডাঙৰ বতাহ ; *v.* ডাঙৰকৈ চিঞৰা।

squan'-der, *v.* অপব্যয় কৰা, খৰচ কৰি উৰাই দিয়া।

square, *n.* বর্গক্ষেত্র, চাৰিও ফালে ঘৰ থকা চাৰি কোণীয়া ঠাই, বাঢ়ৈৰ কোণ জোখা যতন, বর্গ ; *adj.* চাৰিকোণীয়া, ন্যায্য, জমা-খৰচৰ মিল থকা ; *v.* চাৰিকোণীয়া কৰা, হিচাপ মিলোৱা, বর্গ কৰা।

squash, *v.* থেঁতেলোৱা, চেপি চেপেটা কৰা বা গুড়ি কৰা ; *n.* কোমলবস্তু পৰা শব্দ।

squat, *v.* লেপেটা কাঢ়ি বহা।

squeak (*skwēk*), *v.* কিচ্ কিচ্ শব্দ কৰা ; *n.* কিচ্ কিচ্ শব্দ।

squeal, *v.* কষ্টত দীঘলকৈ আটাহ পৰা।

squea'-mish, *adj.* খুঁহদুহীয়া, অলপতে সন্তুষ্ট নোহোৱা।

squeeze, *v.* চেপা, চেপি ৰস উলিওৱা, জোৰকৈ টকা উলিওৱা ; *n.*

squib, *n.* বিদ্রূপাত্মক ৰচনা ; *v.* ঠাট্টা-বিদ্রূপ কৰা।

squint, *v.* কেঁৰা কৈ চোৱা, চকুৰে একতীয়াকৈ চোৱা ; *n.* কেঁৰা চাহনি।

squire, *n.* 'নাইটৰ' লগুৱা, গাঁৱলীয়া ভদ্রলোক, ভু-সম্পত্তিৰ অধিকাৰী।

squir'-rel, *n.* কেৰ্কেটুৱা।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

squirt, *n.* এবিধ পিচকাৰী, সৰু নলী বা বিন্ধাৰে নিক্ষেপ কৰা।

stab, *v.* খোচা, জোঙা অস্ত্ৰেৰে আঘাত কৰা; *n.*

sta'-ble, *adj.* স্থায়ী, দৃঢ়; *n.* ঘোঁৰাশাল। *v.* ঘোঁৰাশালত ৰখা বা বাস কৰা। sta-bil'-i-ty, *n.* দৃঢ়তা, স্থায়িত্ব।

stack, *n.* দ'ম।

staff (*pl.* staffs *or* staves), *n.* লাঠি, অবলম্বন; (*pl.* staffs), কৰ্ম্মচাৰীৰ দল, একে কাম-কাজত নিযুক্ত লোকসকল।

stag, *n.* (*fem.* hind) এবিধ বগ্না পহু।

stage (*stāj*), *n.* মঞ্চ, থিয়েটাৰ কৰা ঠাই, জিৰণিৰ ঠাই, উন্নতিৰ ক্ৰম, অৱস্থা; *v.* অভিনয় কৰা।

stag'-ger, *v.* ধলং পলং কৈ যোৱা, থৰক্ বৰক্ কৈ যোৱা, দ্বিধা বা সন্দেহ কৰা, ভয় খোৱা; *n.*

stag'-nant, *adj.* বন্ধা, সোঁত নথকা। stag'-nate, *v.* সোঁত নোহোৱা হোৱা, গতিহীন হোৱা, অপৰিষ্কাৰ বা বেয়া হোৱা। stag-na'-tion, *n.*

staid, *adj.* গম্ভীৰ, স্থিৰ।

stain, *v.* কলঙ্কিত কৰা, কলুষিত কৰা, ৰোল বা গাব দিয়া, ৰং দিয়া; *n.* দাগ, চেকা। stain'-less, *adj.* নিষ্কলঙ্ক, চেকা নথকা।

stair, *n.* খোপ, খাপ। stairs, *n. pl.* খট খটি, জখলা। stair'-case, *n.* খটখটি সমূহ।

stake, *n.* শূলদণ্ড, খুঁটি, বাজি; *v.* খুঁটি দিয়া, বাজি ধৰা।

stale, *adj.* বাহি, পুৰণি।

stalk (*stäk*), *n.* ঠাৰি, ঠেং, অহঙ্কাৰীয়া খোজ; *v.* অহঙ্কাৰেৰে দীঘল দীঘলকৈ খোজ দি যোৱা, মনে মনে চিকাৰ কৰা।

stall (*stäl*), *n.* পশু ৰখা ঠাই, চাঙ্গি বা বিঠাইত পণ্যক থুওৱা হয়, বজাৰ বা হাটত দোকান দিয়া চালি বা সৰু ঘৰ, খনিৰ সৰু বাট।

stal'-wart, *adj.* বলী, বলবন্ত, শকত আবত, দৃঢ়প্ৰতিজ্ঞ।

stam'-i-na, *n* উৎসাহ, ধৈৰ্য্য।

stam'-mer, *n.* খোকোৱা লগাই কথা কোৱা, খোনোৱা।

stamp, *v.* মাটিত গুৰিওৱা, চাপ মৰা, মোহৰ মৰা, টিকট লগোৱা; *n.* চাপ, মোহৰ, টিকট, দলিল আদিৰ কাগজ, ধৰণ, ৰকম, চৰিত্ৰ।

stam-pede' (*-pēd'*), *n.* হঠাৎ ভয়পোৱাৰ বাবে ঘোঁৰা আদিৰ বেগাই পলায়ন; *v.* হঠাৎ ভয় পাই পলোৱা।

stanch *or* **staunch**, *adj.* দৃঢ়, স্থিৰ, অনুৰাগী; *v.* তেজৰ সোঁত বন্ধ কৰা বা হোৱা, শুকোৱা।

stan'-chion (*-shun*), *n.* হুটি, যিহে ধৰি ৰাখে।

stand, *v.* থিয় হোৱা, থমা বা ৰোৱা, অৱস্থান কৰা, স্থায়ী হোৱা, প্ৰাৰ্থী হোৱা, বলবৎ থকা, সহ্য কৰা, বাধা দিয়া; *n.* স্থান, স্থিতি, থিয়হৈ থকা অৱস্থা, বাধা, গাড়ীৰ আড্ডা, গছা আদি। stand'-ing, *adj.* স্থায়ী।

stan'-dard, *n.* নিৰ্দ্দিষ্ট নিয়ম, নিৰিখ, পতাকা, ধ্বজ; *adj.* বিধি নিৰ্দ্দিষ্ট, বৰ বঢ়িয়া।

stan'-za, *n.* কবিতাৰ ভাগ, শ্লোক।

sta'-ple, *adj.* প্ৰধান, ঘাই; *n.* দেশত উৎপন্ন হোৱা ঘাই বস্তু, পচম্ কপাহ আদিৰ আঁহ, বস্তুৰ ঘাই উপাদান।

star, *n.* তৰা, নক্ষত্ৰ, বিখ্যাত লোক। star'-board, *n.* জাহাজৰ সোঁফাল।

starch, *n.* মাড়; *v.* মাড় দিয়া।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

stare, *v.* একেঠৰে চাই থকা ; *n.* চোকা দৃষ্টি।

stark, *adj.* টান, ভেজাল, উলঙ্গ ; *adv.* তেনেই, একেবাৰে।

star'-ling, *n.* কাউৰীৰ জাতৰ এবিধ চৰাই।

start, *v.* চকি উঠা, চমকি উঠা, শিঁয়ৰি উঠা, আৰম্ভ কৰা, যাত্ৰা কৰা, চমকোৱা ; *n.* চমক, জাপ, যাত্ৰা, আৰম্ভ। star'-tle, *v.* চমক খোৱা, চকি উঠা, ভয় খোৱা, ভয় লগোৱা।

starve, *v.* ভোকত অনাহাৰে থকা, ভোকত মৰা, খাবলৈ নেপাই মৰা, আহাৰ বন্ধ কৰি বশ কৰা বা শক্তিহীন কৰা। star-va'-tion, *n.* অনাহাৰ।

state, *n.* অবস্থা, দশা, ঐশ্বৰ্য্য, সম্প্ৰদায়, চৰ্কাৰী প্ৰধান কৰ্ম্মচাৰী সমুহ, ৰাজ্য, জাতি, বৰ্ণনা কৰা, কোৱা। state'-ment, *n.* বৰ্ণনা। states'-man, *n.* ৰাজনীতিজ্ঞ লোক। state'-ly, *adj.* উচ্চ, জাক-জমকাল।

sta'-tion, *n.* থানা, আড্ডা, পদ, সামাজিক মৰ্য্যাদা ; *v.* স্থাপন কৰা, নিযুক্ত কৰা। sta'-tion-a-ry, *adj.* স্থিৰ, অচল।

sta'-tion-er, *n.* কাগজ কলমাদি বিক্ৰী কৰোঁতা। sta'-tion-er-y, *n.* কাগজ কলম আদি লিখা সজুলি।

sta-tis'-tics, *n. pl.* (সৰ্ব্বসাধাৰণৰ), সংখ্যা আৰু অবস্থাৰ তালিকা, বিবৰণ। sta-tis'-ti-cal, *adj.*

stat'-ue (*-yū*), *n.* শিলৰ মূৰ্ত্তি, প্ৰতিমা। stat'-u-a-ry, *n.* মূৰ্ত্তি তৈয়াৰ কৰা বিদ্যা, মুৰ্ত্তি কৰোঁতা, ভাস্কৰ, মুৰ্ত্তি-সমূহ। stat-u-ette', *n.* সৰু মূৰ্ত্তি।

stat'-ure (*-yūr*), *n.* (মানব দেহৰ) দৈৰ্ঘ্য বা উচ্চতা।

sta'-tus, *n.* সামাজিক মৰ্য্যাদা বা পদ।

stat'-ute (*-yūt*), *n.* আইন, স্থায়ী নিয়ম।

stave, *n.* কাঠৰ বা লোৰ কাঠি, পদ্যৰ ভাগ ; *v.* গীত কৰা, বিন্ধা কৰা, (*with* off), স্থগিত ৰখা।

stay, *v.* স্থগিত কৰা, ঠেকনা দিয়া, ধৰি ৰখা, ৰোৱা, থকা, কিছুদিনলৈ থকা, অপেক্ষা কৰা, বাট চোৱা ; *n.* অবলম্বন, ঠেকনা, থকা ঠাই, মাস্তুল বন্ধা ৰচি।

stead (*stĕd*), *n.* স্থান (আন মানুহ বা বস্তুৰ)। stead'-fast, *adj.* দৃঢ়, অচল। stead'-y, *adj.* অটল, অচল, দৃঢ় ; *v.* স্থিৰ বা অটল হোৱা বা কৰা। stead'-i-ness, *n.* স্থিৰতা।

steak (*stāk*), *n.* মঙ্গহৰ চঁহি বা ডোখৰ।

steal (stole, sto'-len, steal'-ing), *v.* চুৰ কৰা, মনে মনে সোমোৱা, সাৰি সুৰা, নোহোৱাকৈ যোৱা। stealth (*stĕlth*), *n.* চুৰি, গোপনে কৰা কাৰ্য্য। stealth'-i-ly, *adv.* মনে মনে। steal'-ing, *n.* চুৰি।

steam, *n.* বাষ্প, ভাঁপ। steam'-er, *n.* ভাঁপ নাও, জাহাজ।

steed, *n.* ঘোঁৰা।

steel, *n.* তীখা, তীখাৰে তৈয়াৰী অস্ত্ৰ ; *v.* টান কৰা। steel'-yard, *n.* এবিধ তুলাচালনী।

steep, *adj.* : *n.* ওখ, থিয়, ওখ ঠাই, থিয় শিল ; *v.* ভিজোৱা, ডুবোৱা।

stee'-ple, *n.* চূড়া, টিং। stee'-ple-chase, *n.* ঘোঁৰাৰ জাপ মৰা দৌৰ।

steer, *n.* দমৰা গৰু ; *v.* বঠা ধৰি চলোৱা (জাহাজ আদি), বাট দেখুৱাই নিয়া। steer'-age, *n.* জাহাজৰ সম্মুখভাগ, জাহাজ চলোৱা কাৰ্য্য। steers'-man, *n.* গুৰিয়াল।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

stem, *n.* ঠাবি, ঠানি, গাগছ, বংশ, জাহাজৰ আগভাগ ; *v.* বাধা দিয়া, বিপৰীত ফালে যোৱা।

stench, *n.* দুৰ্গন্ধ।

sten'-cil (*-sil*), *n.* ছাপ দিবলৈ (ওপৰত বং ঘঁহি) কটা বা সোবোঙা থকা ধাতু আদিব পাতল পাত বা ছটা।

ste-nog'-ra-pher *or* **-phist**, *n.* যোনে সংক্ষেপকৈ লিখি লব পাবে। ste-nog'-ra-phy, *n.* সংক্ষেপকৈ লিখন বিদ্যা।

sten-to'-ri-an, *adj.* (মাত) অতি ডাঙৰ, গম্ভীৰ।

step, *v.* খোজ দিয়া, খোজ কঢ়া, লাহে লাহে যোৱা ; *n.* খোজ, ধাপ, খোপ, চিন।

steppe (*step*), *n.* কচিয়াৰ গছগছনি নথকা অতি ডাঙৰ পথাৰ।

ste'-re-o-type, *n.* : *v.* আখৰ ঢালা সাঁচ। ste'-re-o-typed, *adj.* সাঁচত ঢালা, সলনি নোহোৱা, নিৰ্দ্দিষ্ট।

ster'-ile (*-il*), *adj.* বন্ধ্যা, বাজা, অফলান। ste-ril'-i-ty, *n.* অফলান অৱস্থা। ster'-il-ize, *v.*

ster'-ling, *adj.* অকৃত্ৰিম, আচল, খাঁটি ; *n.* বিলাতী মুদ্ৰা।

stern, *adj.* কঠোৰ, স্থিৰ, অনিবাৰ্য্য ; *n.* জাহাজৰ পিছ ফাল।

steth'-o-scope (*-skōp*), *n.* বুকু আৰু হাওফাও পৰীক্ষা কৰা যন্ত্ৰ।

ste'-ve-dore, *n.* যি মানুহে জাহাজত মাল বোজাই দিয়ে আৰু নমায়।

stew (*stū*), *v.* লাহে লাহে তপতোৱা ; *n.* অলপ তাপত সিজোৱা মাংস।

stew'-ard (*-ērd*), *n.* ঘৰগিৰী, ভিতৰুৱা কৰ্ম্মচাৰী, জাহাজৰ খাদ্য সামগ্ৰীৰ তত্বাবধান কৰোঁতা কৰ্ম্মচাৰী, ঘোঁৰাদৌৰ আদি খেলৰ পৰিচালক।

stick, *n.* লাঠি, টোকান, ছপাৰ আখৰ সজাবলৈ এবিধ যতন ; *v.* খুঁচা, বিন্ধা, খুঁচি মাৰা, লাগি থকা, লগোৱা, বৈ থকা, থকা। stick'-y, *adj.* এঠাযুক্ত, জেপেটীয়া।

stick'-le (*stik'-l*), *v.* সামান্য কথাৰ বাবে দ্বন্দ্ব কৰা।

stiff, *adj.* টান, ঠৰঙা, অবাধ্য। stiff'-fen, *v.* টান বা ঠৰঙা কৰা বা হোৱা।

sti'-fle, *v.* নিশ্বাস বন্ধ কৰা, নিশ্বাস বন্ধ কৰি মাৰা, উৎপীড়ন কৰা, নোহোৱা কৰা (শব্দ)।

stig'-ma, *n.* তপত লোৰে পোৰা দাগ, কলঙ্ক, দুৰ্ণাম। stig'-ma-tize, *v.* দাগ দিয়া, কলঙ্কিত কৰা।

stile, *n.* প্ৰাচীৰ বা বেৰ পাৰ হোৱা জখলা।

still, *adj.* শান্ত, নীৰৱ, স্থিৰ, গতিহীন ; *v.* শান্ত কৰা, জুৰোৱা, নিস্তব্ধ কৰা ; *n.* নিস্তব্ধতা, পনীয়া বস্তু চেকা এবিধ যন্ত্ৰ ; *adv.* তথাপি, এতিয়াও, আৰু বেচিকৈ। still'-born, *adj.* গৰ্ভত মৰা।

stilt, *n.* পেঙ্গা, যি দুডাল কাঠৰ মাৰিৰ ওপৰত ভৰি দি খোজ কাঢ়ি যায় ; *v.* অস্বাভাৱিক উপায়ে খোজ কঢ়া।

stim'-u-late, *v.* উত্তেজিত কৰা, উদগনি বা উৎসাহ দিয়া। stim'-u-lant, *adj.* উত্তেজক ; *n.* উত্তেজক বস্তু বা দৰব। stim'-u-lus, *n.* উদগনি, উৎসাহ, উত্তেজক বস্তু। stim-u-la'-tion, *n.*

sting, *n.* হুল, যন্ত্ৰণাদায়ক বস্তু ; *v.* হুলে বিন্ধা, যন্ত্ৰণা বা কষ্ট দিয়া, উত্তেজিত কৰা।

stin'-gy (*-ji*), *n.* কৃপণ, কৰাইচ।

stink, *n.* দুৰ্গন্ধ ; *v.* (stank, stunk, stink'-ing), *v.* দুৰ্গন্ধ ওলোৱা, দুৰ্গন্ধময় কৰা।

stint, *v.* সীমাবদ্ধ কৰা, কমোৱা ; *n.* সীমা।

sti'-pend (*sti-*), *n.* বৃত্তি, দৰ্মহা। sti-

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

pen'-di-a-ry, *adj.* বৃত্তিভোগী ; *n.* বৃত্তিভোগী লোক।

stip'-u-late, *v.* চুক্তি পৰা, নিয়মবন্ধা। stip-u-la'-tion, *n.*

stir (*stûr*) (stirred, stir'-ring), *v.* লৰোৱা বা লৰা, লৰচৰ কৰা, জগোৱা, উত্তেজিত কৰা ; *n.* উত্তেজনা, হাই, মনৰ চঞ্চলতা। stir'-ring, *adj.*

stir'-rup, *n.* জিনৰ ৰেকাপ।

stitch, *n.* ফোৰ, চিলনি, বেজিয়ে বিন্ধাৰ নিচিনা যন্ত্ৰণা ; *v.* ফোৰ মৰা, সিয়া, চিলাই কৰা।

stock, *n.* গছৰ গা, গুৰি, স্তম্ভ, বংশ, গোত্ৰ, যুটীয়া কাৰবাৰৰ মূলধনৰ অংশ, কোম্পানীৰ কাগজ, ভঁৰাল, ঘৰ পলা জন্তুসমূহ ; (*pl.*) কয়েদীক বন্দী কৰি ৰখা এবিধ কাঠৰ যতন ; *v.* গোটোৱা বা জমা কৰা, পূৰ্ণ কৰা। stock'-bro-ker, *n.* কোম্পানীৰ কাগজৰ আৰু যুটীয়া কাৰবাৰৰ অংশ বিক্ৰী কৰা দালাল। Stock Exchange, *n.* কোম্পানীৰ কাগজ আদিৰ বজাৰ। stock—jobber, *n.* কোম্পানীৰ কাগজ আদি কিনোঁতা।

stock-ade' (*-ād*), *n.* কাঠৰ গড় বা বেৰ ; *v.* কাঠৰ গড়েৰে আগুৰা।

Sto'-ic, *n.* বিষয় বৈৰাগী, সন্ন্যাসী, যোনে আনন্দেৰে দুখ কষ্ট সহে। sto'-i-cal, *adj.* উদাসীন। sto'-i-cism (*-sizm*), *n.* ধৈৰ্য্য, সহিষ্ণুতা, সন্ন্যাসধৰ্ম্ম।

stoke, *v.* জুই খোচৰা।

stole, *n.* মাটিত চুঁচৰি যোৱা পোছাক ; 'বিচপ' আদিৰ পোছাক।

stol'-id, *adj.* ভোদা, মূৰ্খ।

stom'-ach (*stŭm'-ak*), *n.* পাকস্থলী, পেট, ভোক, ইচ্ছা ; *v.* সহ্য কৰা। sto-mach'-ic, *adj.* ভোক লগা।

stone, *n.* শিল, মণি, সমাধি স্তম্ভ, কোনো কোনো গছৰ গুটি (শাহ থকা), মূত্ৰাশয়ত হোৱা 'পাথৰ', মূত্ৰাশয়ত পাথৰ হোৱা বেমাৰ, ১৪ পাউণ্ড পৰিমাণ ওজন ; *v.* শিলেৰে আঘাত কৰি মাৰা, শিল দলিয়াই মাৰা। sto'-ny, *adj.* শিলাময়, শিলেৰে নিৰ্ম্মিত, টান, নিষ্ঠুৰ।

stool, *n.* টুল, পেটৰ মল।

stoop, *v.* তলমূৰ কৰা, হালা, বশ্যতা বা হীনতা স্বীকাৰ কৰা।

stop, *v.* থামা, ৰোৱা, বন্ধ কৰা বা হোৱা, স্থগিত কৰা, বাধা দিয়া ; *n.* বাধা, কুটৰ চিন। stop'-per, *n.* সোঁপা, ঠিলা। stop'-page, *n.* বাধা।

store, *n.* সাঁচা বস্তু, প্ৰচুৰতা, ভঁৰাল ; *pl.* খাদ্য সামগ্ৰী, সজুলি ; *v.* গোটোৱা বা সাঁচা। store'-house, *n.* ভঁৰাল ঘৰ, গুদাম ঘৰ। sto'-rage, *n.* ভঁৰালত মাল ৰখা, গুদামভাড়া।

stork, *n.* বৰটোকোলা চৰাই।

storm, *n.* ধুমুহা বতাহ, ধুমুহা, দুৰ্গ, আক্ৰমণ হাই, ভীষণ খণ্ড ; *v.* ধুমুহা বতাহ মৰা, আক্ৰমণ কৰা, খণ্ড কৰা। stor'-my, *adj.* ধুমুহাযুক্ত, ভীষণ।

sto'-ry, *n.* গল্প, সাধু কথা। sto'-ried, *adj.* সাধু কথাত উল্লেখিত। sto'-ry *or* sto'-rey, *n.* ঘৰৰ মজিয়া বা তলা।

stout, *adj.* শকত, বলী, সাহিয়াল, লোদোৰ পোদোৰ ; *n.* যৱৰ পৰা তৈয়াৰ কৰা এবিধ মদ।

stove, *n.* 'ষ্টোভ' ; *v.* তপতে ৰখা।

stow, *v.* বান্ধি ৰখা, টোপোলা বান্ধি ৰখা কাৰ্য্য, টোপলা বান্ধি থৈ দিয়া ঠাই বা বেনাচ।

strag'-gle, *v.* সিঁচৰতি হৈ পৰা, আওবাটে যোৱা, ঘূৰি ফুৰা। strag'-gler, *n.* ৰি

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সৈন্য, দলৰ পৰা আঁতৰি অনাবনাই ফুৰে, দলভ্রষ্ট জন্তু।

straight (*strāt*), *adj.* পোন, সৰল, ন্যায্য। straight'-en, *v.* পোন কৰা। straight'-way, *adv.* ততালিকে, তৎক্ষণাৎ।

strain, *v.* টনা বা কষ্টেৰে মেলি দিয়া, অতিকৈ খটোৱা বা লগোৱা, অতিশয় পৰিশ্রম কৰা, মোচৰা বা মোটকা, টানি অৰ্থ কৰা, চেকা ; *n.* অতি চেষ্টা, মোচৰ, গীত বা গান, গীত বা গানৰ সুৰ। strain'-er, *n.* চেকনী। strained, *adj.*

strait, *adj.* সঙ্কীৰ্ণ, ঠেক, টান ; *n.* প্ৰণালী, পৰ্ব্বতীয়া ঠেক বাট ; *pl.* দুখ, কষ্ট, ক্লেশ। strait'-en, *v.* ঠেক কৰা, দুৰাবস্থাত পেলোৱা, দুখ কষ্টত পেলোৱা।

strand, *n.* সাগৰ, হ্ৰদ বা নদীৰ পাৰ বা দাঁতি, জৰী পকোৱা গুণ ; *v.* সাগৰৰ দাঁতিত লগা, তৰত লগা।

strange, *adj.* অচিনাকী, আচহুৱা, নতুন, আচৰিত, অদ্ভুত, আগেয়ে নোহোৱা নোপোজা। stran'-ger, *n.* অচিনাকী মানুহ, বিদেশী মানুহ, অতিথি, আলহি।

stran'-gle, *v.* গল চেপি মাৰা, ডিঙ্গি চেপি ধৰা। stan-gu-la'-tion, *n.* ডিঙ্গি চেপি ধৰি মাৰা কাৰ্য্য।

strap, *n.* বন্ধনী, পটী (চামড়া, কাপোৰ, ধাতু আদিৰ), সৈন্যৰ কান্ধত লোৱা সাজ বিশেষ, লোৰ ছটা, নাপিতৰ খুৰ ধৰোৱা চামড়া, লট্‌পট ; *v.* ঘঁহি ধাৰ তোলা।

strat'-a-gem, *n.* ফাঁকি, ছল, কৌশল (বিশেষকৈ শত্ৰুৰ ওপৰত সুবিধা লবলৈ কৰা)। stra-teg'-ic (*-ej'-ik*), *adj.* যুদ্ধনীতি সম্বন্ধীয়, কৌশলেৰে কৰা। strat'-e-gy, *n.* যুদ্ধ-চতুৰালি। strat'-e-gist, *n.* যুদ্ধ-কৌশল জনা লোক।

stra'-tum, *n.* (*pl.* -ta), মাটিৰ তৰপ। strat'-i-fy, *v.* তৰপ তৰপকৈ সজোৱা।

straw, *n.* খেৰ, কুটা, সামান্য বস্তু ; *adj.* তৃণেৰে নিৰ্ম্মিত, সামান্য বা সাধাৰণ। straw'-ber-ry, *n.* এবিধ ৰসাল ফল।

stray, *v.* অবাটে যোৱা, বিপথগামী হোৱা, ভুল কৰা ; *adj.* দল এৰা।

streak, *n.* ৰেখা (বেলেগ বেলেগ ৰঙৰ) ; *v.* এনে ৰেখাৰে চিহ্নিত কৰা। streak'-y, *adj.*

stream, *n.* সোঁত, সৰু নৈ, জান ; *v.* বোৱা, সোতৰ নিচিনা যোৱা। stream'-er, *n.* পতাকা বা নিচান। stream'-let, *n.* নিচেই সৰু নৈ।

street, *n.* দুয়ো কালে ঘৰ থকা ৰাস্তা।

strength, *n.* বল, শক্তি, দৃঢ়তা, গাঢ়তা। strength'-en, *v.* বলী কৰা বা হোৱা, সবল কৰা, দৃঢ় কৰা।

stren'-u-ous (*-ū-us*), *adj.* জবৰী, কঠোৰ, প্ৰবল, উৎসাহী, উদ্যোগী।

stress, *n.* বল, জোৰ।

stretch, *v.* বিস্তাৰিত হোৱা বা কৰা, বহলা, মেলা, জুৰি থকা, টানি পোন কৰা, বঢ়োৱা ; *n.* বিস্তাৰ, দৌৰ, চেষ্টা। stretch'-er, *n.* বেমাৰী আহত বা মৰা মানুহক আনিবলৈ নিবলৈ চাঙ্গি।

strew (*stroo*) (strewed, strewed *or* strewn, strew'-ing), *v.* ছটিওৱা, সিঁচা।

strict, *adj.* টান, কঠোৰ, দৃঢ়, ঠিক।

stric'-ture, *n.* বিৰুদ্ধ সমালোচনা, মন্তব্য, তিৰস্কাৰ।

stride (strode, strid'-den, strid'-ing), *v.* দীঘল দীঘল খোজ দি যোৱা ; *n.* দীঘল দীঘল খোজ।

stri'-dent, *adj.* কৰ্কশ, কঠুৱা, হটা।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

strife, *n.* চেষ্টা, যুঁজ, প্ৰাধান্য লাভৰ কাৰণে বিবাদ।

strike (struck, struck *or* strick'-en, stri'-king), *v.* কোবোৱা, আঘাত কৰা, মৰা, খুন্দিওৱা, চাপ বহুওৱা, বজোৱা বা বাজা, (পাল বা নিচান) নমোৱা, বন্দোবস্ত থিৰ কৰা (কোনো কাৰবাৰৰ), ধৰ্ম্মঘট কৰি কাম বন্ধ কৰা; *n.* কাম বন্ধ। stri'-king, *adj.* আচৰিত, মনত-লগা।

string, *n.* ডোল, জৰী, তাৰ, ধনুৰ গুণ; *v.* (বাদ্যযন্ত্ৰত) তাৰ লগোৱা, গাঁথা। stringed, *adj.* তাৰ যুক্ত।

strin'-gent (*-jent*), *adj.* টান, কঠোৰ। strin'-gen-cy, *n.*

strip, *v.* বঞ্চিত কৰা, নাঙঠ কৰা বা হোৱা, চেলোৱা, লুট কৰা; *n.* দীঘল চেপেটা খণ্ড।

stripe, *n.* : *v.* পটি, বেলেগ বেলেগ ৰঙৰ ৰেখা, বেতৰ কোব বা তাৰ চিন। striped, *adj.* পটিয়াপটি, চিত্ৰবিচিত্ৰ।

strip'-ling, *n.* কম বয়সৰ ডেকা।

strive (strove, striv'-en, stri'-ving), *v.* দৃঢ়ভাবে চেষ্টা কৰা, অৰিয়া অৰি কৰা, পৰিশ্ৰম কৰা।

stroke, *n.* আঘাত, কোব, ঘড়ীৰ কোব, কলমৰ টান বা খোচ, হঠাৎ আক্ৰমণ (বেমাৰ আদিৰ); *v.* মৰমেৰে হাতবুলোৱা বা হাতেৰে থপৰিওৱা।

stroll, *v.* মিছাতে ঘূৰি ফুৰা, গা ঘেলোৱা; *n.* গা ঘেলাই ফুৰা কাৰ্য্য।

strong, *adj.* বলী, জোৰ থকা, সুস্থ, সতেজ, দৃঢ়, যুক্তিযুক্ত, ব্যগ্ৰ। strong'-hold, *n.* দুৰ্গ, সুৰক্ষিত স্থান।

strop, *n.* নাপিতৰ লট্‌পটি।

struc'-ture (*-chĕr*), *n.* দালান, পকিঘৰ, গঠন, গঢ়। struc'-tu-ral, *adj.*

strug'-gle, *v.* জোটাপুটি কৰা, চেষ্টা কৰা, শ্ৰম কৰা; *n.* জোটাপুটি, যুঁজ, চেষ্টা।

strut, *v.* অহঙ্কাৰেৰে ফুৰা, গপত ওফন্দি খোজ কঢ়া; *n.* অহঙ্কাৰৰ খোজ, বলীকৰাৰ কাৰণে একতীয়াকৈ দিয়া কাঠ।

strych'-nine (*strik'-nīn*), *n.* এবিধ ঔষধত ব্যবহাৰ কৰা বিহ।

stub'-ble (*-l*), *n.* নাৰা, ধান আদি কাটি এৰা গুৰি। stub, *n.* : *v.* গুৰি। stub'-bly, *adj.* নাৰাৰে ঢকা বা নাৰাৰ নিচিনা, চুটি আৰু ঠৰঙা।

stub'-born (*-urn*), *adj.* দৃঢ়, নিজ মতৰ পৰা নলৰা।

stuc'-co (*stuk'-kō*), *n.* চূণ আৰু বালিৰ কাম, ধুনীয়া লেপ।

stud, *n.* মূৰডাঙৰ গজাল, কামিজৰ গুদাম, বেচিবলৈ পোহা ঘোঁৰাৰ পাল, ঘোঁৰা ৰখা ঘৰ; *v.* গুদাম আদি লগোৱা বা খুৱাই দিয়া।

stud'-y, *v.* কোনো বিষয়ে মনোযোগ দিয়া, অধ্যয়ন কৰা বা মনোযোগেৰে পঢ়া, চিন্তা কৰা, বিবেচনা কৰি চোৱা; *n.* অধ্যয়ন, চিন্তা, পঢ়া কোঠা। stud'-ied, *adj.* সুচিন্তিত। stu'-di-ous, *adj.* অধ্যয়নশীল, বৰকৈ পঢ়া। stu'-di-ous-ly, *adv.* ভাবি চিন্তি। stu'-dent, *n.* ছাত্ৰ, ছাতৰ। stu'-di-o, *n.* চিত্ৰ কৰৰ কাম কৰা ঘৰ বা কোঠা।

stuff, *n.* উপাদান, যিহেৰে কোনো বস্তু তৈয়াৰী হয়, আচল বস্তু, সাৰভাগ, কাপোৰ কানি বাচনবৰ্ত্তন আদি ঘৰৰ বস্তু, দৰব; *v.* ঠাঁহি ভৰোৱা, আন বস্তুৰে পূৰ্ণ কৰা। stuf'-fy, *adj.* ভালকৈ বতাহ নচলা, বন্ধা-বন্ধা।

stul'-ti-fy, *v.* মূৰ্খ বনোৱা।

stum'-ble, *v.* খুন্দাখোৱা, উজুতি খাই পৰা, ভুল কৰা, ভাগ্যক্ৰমে পোৱা।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

stump, *n.* ঠানি ঢলোৱা গছ বা গছৰ মূৰ, বেট বল খেলৰ খুটি ; *v.* ধীৰেৰে যোৱা।

stun, *v.* আঘাত কৰি বা কোঁহাল কৰি অজ্ঞান কৰা, চূৰ্ত্তি-নোহোৱা কৰা, আচৰিত কৰা। stun'-ning, *adj.*

stunt, *v.* বাঢ়িব নিদিয়া। stunt'-ed, *adj.* মুজুৰা, কঁটীয়া।

stu'-pe-fy (*-pē-fī*), *v.* অজ্ঞান বা বিমূঢ় কৰা। stu-pe-fac'-tion, *n.*

stu-pen'-dous (*-dus*), *adj*, আচৰিত, বিস্ময়জনক, অসাধাৰণ।

stu'-pid, *adj.* মূৰ্খ, ভেবা, ভোদা, অজ্ঞান। stu'-por, *n.* অজ্ঞান-অৱস্থা, গাতচুৰ্ত্তি ন থকা অৱস্থা। stu-pid'-i-ty, *n.* মূৰ্খতা।

stur'-dy (*-dĭ*), *adj.* বলী, দৃঢ়। stur'-di-ly, *adv.* দৃঢ়তাৰে।

stur'-geon (*-jŭn*), *n.* ইলিচা আদি ডাঙৰ মাছ।

stut'-ter, *v.* খোনোৱা, কথা কোৱাত বজা বা বোকৰা লগা।

sty *or* **stye**, *n.* চকুৰপিৰিকটিত হোৱা আজনৈ, গাহৰিৰ থোৱাৰ বা গঁৰাল।

style (*stīl*), *n.* ধৰণ, ৰীতি, নিয়ম, নাম লিখা বা থকাৰ ধৰণ, লোৰশলাৰ লিখা যতন ; *v.* নাম থোৱা, মতা। sty'-lish, *adj.* ফাটফিট্, উদ্যোগী, ৰীতিসঙ্গত।

suave (*swāv* or *swāv*), *adj.* মনোহৰ, মধুৰ (আচৰণত)। suav'-i-ty, *n.* আচৰণৰ মধুৰত্ব।

sub'-al-tern, *adj.* তলৰ থাপৰ ; *n.* তলৰ থাপৰ সৈনিক কৰ্ম্মচাৰী।

sub-di-vide', *v.* আৰু সৰু অংশত ভাগ কৰা। sub-di-vi'-sion, *n.* আৰু সৰু অংশ, মহকুমা।

sub-due' (*-dū'*), *v.* পৰাস্ত কৰা, দমন বা বশীভূত কৰা, কোমল কৰা, উজ্জ্বলতা কম কৰা।

sub'-ject, *adj.* অধীন, বাধ্য ; *n.* প্ৰজা, বিষয়, কৰ্ত্তা, কাটি চাবলৈ মৰা শ, দৰ্শন শাস্ত্ৰৰ গুণাদিৰ আধাৰ বা আত্মা। sub-ject', *v.* অধীন কৰা, বশীভূত কৰা, দমন কৰা। sub-jec'-tive, *adj.* মানসিক, আধ্যাত্মিক।

sub'-ju-gate, *v.* পৰাজয় কৰি অধীনলৈ অনা, তলতীয়া কৰা। sub-ju-ga'-tion, *n.* দমন।

sub-lime' (*-līm'*), *adj.* অতি উচ্চ, মহৎ, গম্ভীৰ। sub-lim'-i-ty, *n.* মহত্ব, শ্ৰেষ্ঠত্ব, উচ্চভাব।

sub-ma-rine' (*-rēn'*), *adj.* সাগৰৰ তলত থকা ; *n.* পানীৰ তলেদি চলা যুদ্ধৰ জাহাজ।

sub-merge' (*-mērj'*) *or* **-merse'**, *v.* পানীৰে ঢকা, পানীত ডুবোৱা।

sub-mit', *v.* বশ্যতা স্বীকাৰ কৰা, সমৰ্পণ কৰা, বিবেচনাৰ বাবে দাখিল কৰা বা দিয়া। sub-mis'-sion (*-mish'-un*), *n.* বশ্যতা স্বীকাৰ, অনুনয়-বিনয়, আত্মসমৰ্পণ। sub-mis'-sive, *adj.* বিনীত, বাধ্য।

sub-or'-di-nate, *adj.* অধীন, তলতীয়া, তলৰ থাপৰ ; *n.* তলতীয়া কৰ্ম্মচাৰী ; *v.* বল কৰা।

sub-orn', *v.* মিছা সাক্ষী দিবলৈ ওলোৱা।

sub-pœ'-na (*-pē'-*), *n.* সাক্ষীক তলব কৰা কাকত ; *v.* সাক্ষী দিবলৈ আদেশ কৰা।

sub-scribe', *v.* তলত নাম চহি কৰা, সন্মত হোৱা, বৰঙনি বা চাঁদা দিয়া। sub-scrip'-tion, *n.* চহি, চাঁদা, বৰঙনি।

sub'-se-quent, *adj.* পিছৰ।

sub-serve', *v.* তলতীয়াহৈ কাম কৰা,

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

সহায় কৰা, কামত অহা। sub-ser′-vi-ent, *adj*. অধীন, সহায়ক, কোনো কাৰ্য্য সাধনৰ উপযুক্ত।

sub-side′ (*-sīd′*), *v*. তলপৰি যোৱা, ডুবা, শান্ত হোৱা।

sub′-si-dy, *n*. সহায়, টকাৰ সাহায্য। sub-sid′-i-a-ry, *adj*. সহায়কাৰী, কৰদ। sub′-si-dize, *v*. অৰ্থ সাহায্য কৰা।

sub-sist′, *v*. থকা, জীৱনধাৰণ কৰা। sub-sis′-tence, *n*. জীৱনধাৰণৰ উপায়, জীৱিকা।

sub′-soil, *n*. ভিতৰৰ তৰপৰ মাটি ; *adj* ভিতৰৰ তৰপত থকা।

sub′-stance, *n*. বস্তু, সাৰভাগ, তাৎপৰ্য্য, উপাদান, সম্পত্তি, শৰীৰ। sub-stan′-tial (*-shal*), *adj* আচল, প্ৰকৃত, সাৰথকা, ধনী, বস্তু সম্বন্ধীয়, স্থায়ী।

sub-stan′-ti-ate (*-shi-*), *v*. সঁচা প্ৰমাণ কৰা। sub′-stan-tive, *adj*. আচল, প্ৰকৃত, স্থায়ী ; *n*. বিশেষ্য।

sub′-sti-tute, *v*. এটাৰ ঠাইত আন এটা দিয়া ; *n*. যিটো আন এটাৰ সলনি দিয়া হয়, প্ৰতিনিধি। sub-sti-tu′-tion, *n*.

sub′ter-fuge (*-fūj*), *n*. ছল, এৰাব উপায়, ফিকিৰ, কৌশল।

sub-ter-ra′-ne-an, *adj*. মাটিৰ তলৰ।

sub′-tle (*sut′-l*), *adj*. চতুৰ, টেঙৰ, কুট-নীতি জনা, সূক্ষ্মবিচাৰ কৰিব পৰা। sub′-tle-ty, sub′-tle-ness, *n*. চতুৰালি।

sub-tract′, *v*. বিয়োগ কৰা। sub-trac′-tion, *n*. বিয়োগ। sub-trac′-tive, *adj*. বিয়োগ কৰিব পৰা।

sub′-urb, *n*. নগৰৰ সীমাত বা থিক বাহিৰত থকা ঠাঁই, নগৰৰ দাঁতি-কাষৰীয়া ঠাই। sub-ur′-ban, *adj*. নগৰৰ দাঁতি-কাষৰীয়া ঠাইত থকা বা সেই সম্বন্ধীয়।

sub-ven′-tion, *n*. সহায় দান, চৰকাৰী সহায়।

sub-vert′, *v*. ওলোটাই পেলোৱা, একেবাৰে ধ্বংস কৰা বা নষ্ট কৰা। sub-ver′-sion, *n*. সম্পূৰ্ণ ধ্বংস বা বিনাশ। sub-ver′-sive (*siv*), *adj*.

suc-ceed′ (*-sēd′*), *v*. অনুসৰণ কৰা, ঠাই লোৱা, এজনৰ পিছত সিংহাসনত উঠা, সফল হোৱা, কৃতকাৰ্য্য হোৱা। suc-cess′, *n*. কৃতকাৰ্য্যতা, সৌভাগ্য। suc-cess′-ful, *adj*. কৃতকাৰ্য্য। suc-ces′-sion (*-shesh′-un*), *n*. ক্ৰম, বংশানুক্ৰম, উত্তৰাধিকাৰ। suc-ces′-sive, *adj*. এটাৰ পিছত আন এটা অহা, ক্ৰমান্বয়ে অহা। suc-ces′-sor, *n*. উত্তৰাধিকাৰী।

suc-cinct′ (*-singkt′*), *adj*. কম আখৰীয়া, সংক্ষিপ্ত।

suc′-cour (*suk′-ēr*), *v*. বিপদত সহায় কৰা, উদ্ধাৰ কৰা ; *n*. বিপদত কৰা সহায়, উপকাৰ।

suc′-cu-lent (*-kū-*), *adj*. ৰসাল।

suc-cumb′ (*-kum′*), *v*. আত্মসমৰ্পণ কৰা, অৱসন্ন হোৱা, মৰা।

suck, *v*. চোহা, চৰহা, শোহা, পিয়াহ খোৱা ; *n*. পিয়াহ। suck′-le (*-l*), *v*. পিয়াহ খুওৱা। suc′-tion, *n*. শোহা কাৰ্য্য বা শুহিব পৰা ক্ষমতা। suck′-ling, *n*. পিয়াহ খোৱা ছাৱা।

sud′-den, *adj*. হঠাৎ ঘটা, আকস্মিক। sud′-den-ly, *adv*. হঠাৎ, অকস্মাৎ, গিৰি সাই।

sue (*sū*), *v*. বিয়াকৰাবলৈ প্ৰাৰ্থনা কৰা, প্ৰণয় বিচৰা, কাৰো বিৰুদ্ধে গোচৰ কৰা। su′-er, *n*. বিবাহপ্ৰাৰ্থী, পাত্ৰ।

suf′-fer, *v*. সহ্য কৰা, কষ্ট পোৱা, দুখ ভুগা, শাস্তি ভুগা, অনুমতি দিয়া। suf′-fer-ance,

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

n. দুখভোগ, সহিষ্ণুতা, অনুমতি। suf'-fer-ing, *n.* দুখভোগ, কষ্ট, ক্ষতি বা হানি; *adj.* কষ্ট পোৱা। suf'-fer-er, *n.* যোনে কষ্ট ভুগে।

suf-fice' (*-fīs'*), *v.* যথেষ্ট হোৱা, অটা জোৰা, তুষ্ট কৰা। suf-fi'-cient (*-fĭsh'-ĕnt*), *adj.* যথেষ্ট, প্ৰচুৰ, উপযুক্ত। suf-fi'-cien-cy, *n.* প্ৰচুৰতা।

suf'-fix, *n.* বিভক্তি বা প্ৰত্যয়; *v.* শেহত যোগ দিয়া।

suf'-fo-cate, *v.* উশাহ বন্ধ কৰা বা হোৱা, উশাহ বন্ধ কৰি মাৰা। suf-fo-ca'-tion, *n.* উশাহ বন্ধ, উশাহ বন্ধৰ বাবে মৃত্যু। suf'-fo-ca-tive, *adj.*

suf'-frage (*-frāj*), *n.* ভোট, মত, ভোট দিয়াৰ ক্ষমতা, সহায়, অৱলম্বন, এবিধ চুটি উপাসনা। suf'-fra-gan, *adj* সহকাৰী; *n.* সহকাৰী 'বিচপ'।

suf-fuse' (*-fūs'*), *v.* ব্যাপ্ত কৰা, পূৰ্ণ কৰা, ঢাকা। suf-fu'-sion, *n.*

sug'-ar, *n.* চেনি।

sug-gest' (*sŭ-jest'*), *v.* ইঙ্গিত কৰা। প্ৰকাৰান্তৰে কোৱা। sug-ges'-tion, *n.* সঙ্কেত, প্ৰস্তাৱ। -tive, *adj.* সূচক।

su'-i-cide (*-ĭ-sīd*), *n.* আত্মহত্যা, যোনে আত্মহত্যা কৰে। su-i-ci'-dal, *adj.*

suit (*sūt*), *n.* প্ৰাৰ্থনা, আবেদন, বিয়া কৰাবৰ বাবে প্ৰাৰ্থনা, মোকদ্দমা, এজোৰা (পোচাক, তাচ আদিৰ); *v.* সুজা, উপযুক্ত হোৱা, উপযোগী কৰা। suit'-a-ble, *adj.* উপযোগী, উপযুক্ত। suit'-or, *n.* প্ৰণয়ী, পাত্ৰ, প্ৰাৰ্থী, আবেদনকাৰী।

suite (*swēt*), *n.* (F.) পাৰিষদবৰ্গ, এজোৰা।

sul'-ky, *adj.* পেটে পেটে খঙা উঠা আৰু মুখ-ওফোন্দা; গোঙোৰা।

sul'-len, *adj.* ৰুষ্ট অথচ নীৰৱ, বিমৰ্ষ, বিৰস, অশুভ, এন্ধাৰ।

sul'-ly, *v.* চেকা লগোৱা বা লগা, কলঙ্কিত কৰা।

sul'-phur (*-fĕr*), *n.* গন্ধক। sul-phu'-re-ous *or* sul'-phu-rous, *adj.* গন্ধকপূৰ্ণ বা গন্ধকৰ নিচিনা। sul-phu'-ric, *adj.* গন্ধক সম্বন্ধীয় বা গন্ধকৰ পৰা উৎপন্ন।

sul'-tan, *n. m.* তুৰ্কীৰ ৰজা। sul-ta'-na (*-tä'-*), *n. f.* চুলতানৰ মাইৰ; *n.* সৰু কিচ্‌মিচ্।

sul'-try (*-trĭ*), *adj.* উখৰ, গৰম আৰু বেয়ালগা।

sum, *n.* সমষ্টি, মুঠ, পৰিমাণ, অঙ্ক; *v.* যোগ কৰা, চমুকৈ কোৱা।

sum'-ma-ry, *adj.* সংক্ষিপ্ত; *n.* সংক্ষিপ্ত বিৱৰণ। sum'-ma-ri-ly, *adv.* সংক্ষেপে, ততালিকে, পলম নকৰাকৈ আৰু কোনো নিয়ম নমনাকৈ। sum'-ma-rize, *v.* চমুকৈ লিখা, সংক্ষেপ কৰা।

sum'-mer, *n.* জহকালি, গ্ৰীষ্মকাল।

sum'-mit, *n.* টিং, শৃঙ্গ।

sum'-mon (*-ŭn*), *v.* মতা, হাজিৰ হবলৈ আদেশ দিয়া। sum'-mons (*-ŭnz*), *n.* (*pl.* -mons-es), আহ্বান, 'চমন'।

sump'-ter (*sum'-*), *n.* ভাৰবোৱা জন্তু।

sump'-tu-ous, *adj.* বঢ়িয়া, মূল্যবান্, ব্যয়সাধ্য। sump'-tu-a-ry, *adj.* ব্যয় সম্বন্ধীয়।

sun, *n.* সূৰ্য্য, বেলি, ৰ'দ; *v.* ৰ'দত শুকোৱা। sun'-ny, *adj.* বেচিকৈ ৰ'দ থকা, উজ্জ্বল।

sun'-der, *v.* বেলেগ কৰা বা হোৱা; *n.* ডোখৰ।

sun'-dry (*-drĭ*), *adj.* অনেক, বিবিধ,

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

নানা তৰহৰ। sun'-dries, *n. pl.* নানা বিষয়।

sup, *v.* চামুচেৰে খোৱা, ৰাতিৰ আহাৰ খোৱা। sup'-per, *n.* ৰাতিৰ আহাৰ।

su-per-a-bound', *v.* অতি প্ৰচুৰ হোৱা, ওৱাদানি হোৱা। su-per-a-bun'-dant, *adj.* অতি প্ৰচুৰ, ওৱাদানি। su-per-a-bun'-dance, *n.*

su-per-an'-nu-ate, *v.* বয়স বেচি হোৱা বাবে বা বেচি দিন কাম কৰা বাবে পেনচন দিয়া, পেনচন দি কামৰ পৰা অবসৰ দিয়া।

su-perb', *adj.* অপূৰ্ব্ব, বিতোপন।

su-per-cil'-i-ous (*-sil'-*), *adj.* উদ্ধত, অহঙ্কাৰী।

su-per-fi'-cial (*-fish'-al*), *adj.* উপৰুৱা, অগভীৰ, বাহ্যিক।

su-per-fine', *adj.* অতি সূক্ষ্ম, বৰ সুন্দৰ।

su-per'-flu-ous, *adj.* লগাতকৈ সৰহ। su-per-flu'-i-ty, *n.*

su-per-hu'-man, *adj.* অমানুষিক, অলৌকিক।

su-per-in-tend', *v.* তত্ত্বাবধান কৰা, চোৱা মিলা কৰা। su-per-in-ten'-dent, *n.* পৰিদৰ্শক। su-per-in-ten'-dence *or* -den-cy, *n.* তত্ত্বাবধান।

su-pe'-ri-or (*-ri-ĕr*), *adj*, (মান, মৰ্য্যাদা, গুণ বা পদত) উচ্চ বা ওখ থাপৰ; *n.* গুৰুজন, উপৰিয়া কৰ্ম্মচাৰী, উপৰিৱালা, মঠৰ অধ্যক্ষ।

su-per'-la-tive, *adj.* উচ্চতম।

su-per-nat'-u-ral, *adj.* অলৌকিক, অস্বাভাৱিক, অতি আচৰিত।

su-per-nu'-mer-a-ry, *n.* নিৰ্দ্দিষ্ট সংখ্যাতকৈ অতিৰিক্ত মানুহ বা বস্তু; *adj.* উপৰুৱা।

su-per-scribe', *v.* ওপৰত লিখা, শিৰোনামা লিখা। su-per-scrip'-tion, *n.* শিৰোনামা, মুদ্ৰা বা পদকত লিখা কথা।

su-per-sede', *v.* চেৰপেলাই আগবঢ়া। su-per-ses'-sion, *n.*

su-per-sti'-tion, *n.* কুসংস্কাৰ, অন্ধ-বিশ্বাস। su-per-sti'-tious, *adj.*

su-per-vene', *v.* হঠাৎ উপস্থিত হোৱা, ঘটা।

su-per-vise' (*-vīz'*), *v.* পৰিদৰ্শন বা তত্ত্বাবধান কৰা। su-per-vi'-sion (*-vizh'-un*), *n.* পৰিদৰ্শন। su-per-vi'-sor, *n.* পৰিদৰ্শক।

su-pine', *adj.* পিছপৰা, এলেহুৱা, অসাৱধান।

sup-plant', *v.* আনৰ ঠাই অধিকাৰ কৰা, আনক আতৰাই বহা; নিজ ঠাইৰ পৰা গুচোৱা।

sup'-ple, *adj.* কোমল, সহজে হালা বা ভাঁজ-লোৱা, খোচামোদকাৰী।

sup'-ple-ment, *n.* পৰিশিষ্ট, দুই সম-কোণৰ পূৰক; *v.* যোগ দিয়া, পূৰোৱা। sup-ple-men'-ta-ry, *adj.*

sup'-pli-cate, *v.* কাকুতি মিনতি কৰা, সবিনয়ে প্ৰাৰ্থনা কৰা। sup'-pli-ant, *adj.* অনুগ্ৰহপ্ৰাৰ্থী, বিনীত; *n.* হীনভাৱে প্ৰাৰ্থনা কৰোঁতা। sup'-pli-cant, *n.* প্ৰাৰ্থনাকাৰী। sup-pli-ca'-tion, *n.* কাকুতি-মিনতি।

sup-ply' (*-plī'*), *v.* যোগোৱা, দিয়া; *n.* যোগান, সৈন্য, খাদ্য বা অৰ্থসাহায্য।

sup-port', *v.* ধৰি ৰখা, পোহপাল দিয়া, ভৰণ-পোষণ কৰা, সমৰ্থন কৰা, সহায় কৰা; *n.* অবলম্বন, যিহে ধৰি ৰাখে, সমৰ্থন, পোহপাল। sup-por'-ter, *n.* পোহপাল-দিওঁতা, সমৰ্থন কৰোঁতা।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

sup·pose' (*-pōz'*), *v.* অনুমান কৰা, মনেৰে ভাবিলোৱা। sup-po-si'-tion, *n.* অনুমান। sup-po'-sa-ble, *adj.*

sup·press', *v.* দমোৱা, দমন কৰা, লুকোৱা, বন্ধ কৰা। sup-pres'-sion, *n.* দমন। sup-press'-ive, *adj.*

sup'-pu-rate, *v.* পূঁয হোৱা, পকা।

su-preme', *adj.* শ্ৰেষ্ঠ, প্ৰধান। su-prem'-a-cy, *n.* শ্ৰেষ্ঠতা, একাধিপত্য।

sur-charge', *v.* অধিক বোজাই দিয়া, অতিৰিক্ত খৰচৰ দাবী কৰা; *n.* অতিৰিক্ত খৰচ বা বোজা।

sure (*shoor*), *adj.* নিশ্চয়, সঠিক। sure'-ly, *adv.* নিশ্চয়কৈ। sure'-ty, *n.* নিশ্চয়তা, জামিন।

surf, *n.* শিল বা পাৰত ঠেকা খোৱা ঢৌ।

sur'-face, *n.* ওপৰৰ ভাগ।

sur'-feit (*-fit*), *n.* অপৰিমিত পান আৰু ভোজন; *v.* অপৰিমিত পান আৰু ভোজন কৰা।

surge (*sërj*), *n.* ডাঙৰ ঢৌ; *v.* ওফন্দা, ঢৌ উঠা।

sur'-geon (*-jun*), *n.* অস্ত্ৰচিকিৎসক। sur'-ger-y, *n.* অস্ত্ৰ চিকিৎসা, অস্ত্ৰ-চিকিৎসালয়। sur'-gi-cal (*-ji-*), *adj.* অস্ত্ৰবিদ্যা সম্বন্ধীয়।

sur'-ly, *adj.* উগ্ৰপ্ৰকৃতিৰ, কঠুৱা।

sur-mise' (*-mīz'*), *v.* অনুমান কৰা, আন্দাজ কৰা; *n.* অনুমান।

sur-mount', *v.* অতিক্ৰম কৰা, পৰাস্ত কৰা।

sur'-name, *n.* বংশ বা পৰিয়ালৰ নাম বা পদবী; *v.* বিশেষ নাম বা পদবী দিয়া।

sur-pass', *v.* চেৰ পেলোৱা।

sur'-plice (*-plis*), *n.* (যাজকৰ) ওপৰত লোৱা বগা পোছাক।

sur'-plus, *n.* অতিৰিক্ত অংশ, উকলা ধন; *adj.* অতিৰিক্ত।

sur-prise' (*-prīz'*), *v.* হঠাৎ আক্ৰমণ কৰা, আচৰিত কৰা; *n.* হঠাৎ কৰা আক্ৰমণ, বিস্ময়, অতৰ্কিত ঘটনা।

sur-ren'-der, *v.* আনৰ হাতত অৰ্পণ কৰা, এৰি দিয়া, আত্মসমৰ্পণ কৰা; *n.* শত্ৰুৰ হাতত সমৰ্পণ, ত্যাগ।

sur-rep-ti'-tious (*-tish'-us*), *adj.* লুকাই বা শঠতাৰে কৰা, গোপনীয়।

sur-round', *v.* আগুৰা, বেঢ়িধৰা।

sur-veil'-lance, *n.* (F.) পৰিদৰ্শন।

sur-vey' (*-vā'*), *v.* চাৰিও পিনে চোৱা, মনপুতি চোৱা, জৰিপ কৰা। sur'-vey, *n.* পৰীক্ষা, পৰ্যবেক্ষণ, জৰিপ। sur-vey'-or, *n.* পৰিদৰ্শক, বস্তুৰ কৰতোলা বিষয়া, আমিন। sur-vey'-ing, *n.* জৰিপ-বিদ্যা।

sur-vive' (*-vīv'*), *v.* কোনো ঘটনাৰ বা কোনো মানুহৰ মৃত্যুৰ পাছত জীয়াই থকা, বাঁচি থকা। sur-vi'-val, *n* আনৰ মৃত্যুৰ পাছতো জীৱন-ধাৰণ। sur vi'-vor, *n.* যোনে আনৰ মৃত্যুৰ পিছতো জীয়াই থাকে।

sus-cep'-ti-ble *or* **-tive**, *adj.* সহজতে লগা, মনত সাঁচবহা বা পৰিবৰ্ত্তন হোৱা, গ্ৰহণ কৰিব পৰা।

sus-pect', *v.* দোষী বুলি ভবা, সন্দেহ কৰা, অবিশ্বাস কৰা; *n.* যাক সন্দেহ কৰে। sus-pi'-cion (*-pish'-ŭn*), *n.* সন্দেহ, অবিশ্বাস। sus-pi'-cious (*-pish'-us*), *adj.* সন্দেহজনক, সন্দেহযুক্ত।

sus-pend', *v.* ওলোমাই থোৱা, আৰি থোৱা, স্থগিত কৰা, পলম কৰা, কিছুদিনৰ নিমিত্তে আতৰ কৰা। sus-pen'-sion, *n.* ওলোমাই থোৱা কাৰ্য্য, পলম, স্থগিত ৰখা কাৰ্য্য। sus-pense',

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

n. উৎকণ্ঠিত ভাব, অনিশ্চিত অবস্থা, সন্দেহ।

sus·tain' (*-tān'*), *v.* পতনৰ পৰা ৰক্ষা কৰা, সহা, বহন কৰা, আশ্বাস দিয়া, জীয়াই ৰখা, পুষ্ট কৰা, সমৰ্থন কৰা। sus'te-nance, *n.* ভৰণ-পোষণ, খাদ্য।

su'-ze·rain (*-zĕ·rān*), *n.* চক্ৰবৰ্ত্তী ৰজা। su'-ze-rain-ty, *n.* আধিপত্য।

swag'-ger, *v.* ফিতাহি মাৰি ফুৰা, অহঙ্কাৰ কৰা, সদৰ্পে খোজ কঢ়া।

swain, *n.* খেতিয়ক, গাঁৱলীয়া ডেকা, প্ৰেমিক।

swal'-low (*swol'-*), *n.* চাতক চৰাই; *v.* গিলা, গিলি পেলোৱা, সহ্য কৰা।

swamp, *n.* পিতনি, বিল; *v.* পানীৰে পূৰ্ণ কৰা, ডুবোৱা, অভিভূত কৰা। swamp'-y, *adj.*

swan, *n.* ৰাজহাঁহ।

sward, *n.* ঘাঁহনি, বনেৰে আগুৰা ঠাই।

swarm, *n.* জাক (উৰি ফুৰা পোক আদিৰ); *v.* জাকে জাকে উৰি ফুৰা, জাক পাতি অহা।

swar'-thy (*-thi*), **swart**, *adj.* কলাছালৰ, কলা, মলিয়ন।

swath, *n.* পটি, কটা ঘাহৰ চোকোলা।

swathe, *v.* পটিৰে বন্ধা; *n.* কাপোৰৰ পটি।

sway (*swā*), *v.* ঢুলা, হালা, ৰাজত্ব কৰা, শাসন কৰা; *n.* কৰ্ত্তৃত্ব, শাসন, প্ৰবলতা, ঢুলনি।

swear (*swār*) (swore, sworn, swear'-ing), *v*, শপত খোৱা, শপত কৰোৱা। swear'-ing, *n.* শপত।

sweat (*swĕt*), *n.* ঘাম, কঠোৰ পৰিশ্ৰম; *v.* ঘাম ওলোৱা, কঠোৰ পৰিশ্ৰম কৰা, কম মজুৰীত কাম কৰা।

sweep, *v.* সাৰা, পৰিষ্কাৰ কৰা, ওপৰেদি বেগাই গুচি যোৱা, আঘাত কৰা, আড়ম্বৰেৰে যোৱা; *n.* সাৰা কাৰ্য্য, মেতৰ, চকুৰ পাক। sweep'-er, *n.* মেতৰ।

sweet, *adj.* মিঠা, মনোহৰ, মৰমিয়াল; *n.* মিঠাই; *pl.* মিঠাই, আনন্দ। sweet'-en, *v.* সোৱাদ কৰা, মিঠা কৰা, মধুৰ কৰা, নিৰ্দ্দোষ কৰা।

swell (swelled, swelled *or* swol'-len, swell'-ing), *v.* ফুলি উঠা, ওফন্দা, ফিকা, বৃদ্ধি হোৱা বা বঢ়া, অহঙ্কাৰত 'গঙ্গাটোপ' যেন হোৱা; *n.* যি কিকি বা ওফন্দি উঠে, বৃদ্ধি, স্বৰৰ পূৰ্ণতা, ক্ৰমান্বয়ে উঠা ঢৌ।

swel'-ter, *v.* গৰমৰ বাবে মূৰ্চ্ছা যোৱা।

swerve, *v.* স্খলিত হোৱা, পৰাঙ্মুখ হোৱা, ঠিক বাটৰ পৰা বাহিৰ হোৱা, লঙ্ঘন কৰা।

swim, *v.* সাঁতোৰা, সাতুৰি পাৰ হোৱা, মূৰ ঘুৰোৱা। swim'-ming, *n.*

swin'-dle, *v.* প্ৰতাৰণা কৰা, ঠগা; *n.* প্ৰতাৰণা, ঠগ। swin'-dler, *n.* ঠগ, প্ৰবঞ্চক।

swing, *n.* ঢুলা, ঢুলনি দিয়া, ওলমি থকা, ঢুলনি।

swinge, *v.* বেচিকৈ কোবোৱা বা মাৰা।

swirl (*swĕrl*), *v.* ঘুৰোৱা; *n.* পাক।

swish, *v.* চেকনীৰে কোবোৱা।

switch (*swich*), *n.* হালাব পৰা সৰু ঠানি বা ডাল, ৰেলৰ পৰা ৰেলৰ আলিত পাৰি দিয়া লো, বিজুলীৰ সোঁত খোলা আৰু বন্ধ কৰা কল; *v.* কল কল কৰি লৰা, চেকনীৰে কোবোৱা, গাড়ী আন ৰেলৰ ওপৰেদি নিয়া, সোঁতৰ গতি খোলা, বন্ধ কৰা বা পৰিবৰ্ত্তন কৰা।

swiv'-el, *n.* কল ঘুৰোৱা এবিধ যতন, চকাৰ ওপৰত ৰখা বন্দুক।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

swoon, *v.* মূৰ্চ্ছিত হোৱা, মূৰ্চ্ছা যোৱা. *n.* মূৰ্চ্ছা।
swoop, *v,* ছোঁ মৰা, থাপ মাৰি নিয়া; *n.*
sword (*sōrd*), *n.* তৰোৱাল।
syc'-a-more (*sik'-ă-*), *n.* যজ্ঞডিমৰু গছ।
syc'-o-phant (*sik'-ō-fant*), *n.* খোচামোদকাৰী, প্ৰশংসা বচনেৰে মন যোগাওঁতা।
syl'-la-ble (*sil'-ă-bl*), *n.* শব্দাংশ।
syl'-la-bus, *n.* (*pl.* -bus-es), *n.* সংক্ষিপ্ত বিবৃতি বা বিবৰণ।
sylph (*silf*), *n.* পৰী।
syl'-van, *adj.* বন সম্বন্ধীয়।
sym'-bol, *n.* চিন, সঙ্কেত।
sym'-me-try (*-ĕ-tri*), *n.* সামঞ্জস্য, কোনো বস্তুৰ প্ৰত্যেক ভাগৰ গঢ়ৰ মিল। sym-met'-ric-al, *adj.* সামঞ্জস্য থকা।
sym'-pa-thy, *n.* সহানুভূতি। sym-pa-thet'-ic (-al), *adj.* সহানুভূতি থকা। sym'-pa-thize, *v.* সহানুভূতি কৰা, পুতৌ কৰা।
sym'-pho-ny (*-fō-*), *n.* স্বৰৰ মিল, এক সুৰ।
symp'-tom, *n.* লক্ষণ, ৰোগৰ উপসৰ্গ। symp-to-mat'-ic (-al), *adj.*
syn'-a-gogue (*-gog*), *n.* ইহুদী সকলৰ ধৰ্মমন্দিৰ।
syn'-di-cate, *n.* বিশেষ কোনো কাৰ্য্য কৰিবলৈ নিযুক্ত সভা, বিশ্ববিদ্যালয়ৰ সভা, ব্যৱসায়ীবিলাকৰ সভা।
syn'-od (*sin'-od*), *n.* ধৰ্ম্মসম্বন্ধীয় প্ৰশ্নৰ মীমাংসা-সভা।
syn'-o-nym (*-nim*), *n.* একে অৰ্থৰ শব্দ, প্ৰতিশব্দ। syn-on'-y-mous, *adj.*
syn-op'-sis, *n.* (*pl.* -ses) সংক্ষিপ্ত বিবৰণ।
syn'-tax, *n.* ব্যাকৰণৰ পদবিন্যাস প্ৰকৰণ।
syn'-the-sis, *n.* (*pl.* -ses) (Gr.), সংযোজনা। syn-thet'-ic (-al), *adj.*
syr'-inge (*-inj*), *n.* পিচকাৰী; *v.* পিচকাৰী দিয়া, পিচকাৰীৰে ধোৱা।
syr'-up, *n.* মিঠাপানী, চেনিৰ ৰসত মিহলোৱা ফলৰ ৰস।
sys'-tem, *n.* প্ৰণালী, ৰীতি, নিয়ম। sys-te-mat'-ic (-al), *adj.* প্ৰণালীবদ্ধ।

T

taal (*tăl*), *n.* দক্ষিণ আফ্ৰিকাত কথিত ওলন্দাজ ভাষা।
tab'-by, *adj.* নানা বৰণেৰে চিত্ৰ বিচিত্ৰ; *n.* এবিধ মোটা ৰেচমী কাপোৰ, ফুটুকা-ফুটুকী মেকুৰী, মাইকী মেকুৰী; *v.* ইষ্ট্ৰিৰে ঢৌ-খেলা কৰা।
tab'-er-nac-le (*-nak-l*), *n.* ইহুদী সকলৰ উপাসনাৰ তম্বু বা মন্দিৰ।
ta'-ble (*-bl*), *n.* মেজ, তপচিল, তালিকা, সূচীপত্ৰ, সংক্ষিপ্ত বিবৰণ। tab'-u-lar, *adj.* মেজৰ দৰে সমান, চেপেটা, তপ-চিলত লিখা, তালিকা সম্বন্ধীয়। tab'-u-late, *v.* তালিকা কৰা, মেজত থোৱা। ta'-ble-land, *n.* অধিত্যকা।
tab-leau' (*-lō'*), *n.*; *pl.* -leaux' (*-lōz'*), (F.) সুন্দৰ দৃশ্য বা চিত্ৰ। tab-leau' vi-vant' (*vē-văn*), *n.* নাটকৰ কোনো কোনো অংশত অভিনয় কৰোঁতে

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

নীৰৱ আৰু নিশ্চলভাবে থকা ভাৱৰীয়া সকল।

tab'-let, *n.* সৰু মেজ বা চেপেটা বস্তু, লিখিবলৈ চিত্ৰ আঁকিবলৈ বা আখৰ কাটিবলৈ কাঠৰ বা শিলৰ ফলি। tab'-loid, *n.* ঔষধৰ চেপেটা বৰি।

ta-boo', *v.* চুবলৈ হাক দিয়া, সংস্ৰৱ কৰিবলৈ নিষেধ কৰা, এঘৰীয়া কৰা; *n.* নিষেধ, কোনো মানুহ বা বস্তুৰ সকলো প্ৰকাৰ সংস্ৰৱ বৰ্জ্জনৰ আদেশ।

tac'-it (*tas'-*), *adj.* নীৰৱে কৰা, নকোৱা কিন্তু বুজিপোৱা, মৌন সন্মত। tac'-i-turn (*tas'-*), *adj.* অল্পভাষী।

tack, *n.* মূৰ-ডাঙৰ আগজোঙা গজাল; *v.* গজালেৰে লগোৱা, পালেৰে জাহাজৰ গতি ঘূৰোৱা।

tack'-le (*tak'-l*), *n.* জাহাজৰ ৰচি আদি আৰু আন যতন, কোনো কাম বা খেলৰ সজুলি আদি; *v.* ৰচিৰে বন্ধা, যোটা।

tact, *n.* কৌশল, চতুৰতা। tact'-ful, *adj.* কৌশলপূৰ্ণ, চতুৰ।

tac'-tics, *n. pl.* বেহু ৰচনাৰ কৌশল, যুদ্ধৰ সময়ত সৈন্য বা জাহাজ শ্ৰেণীবদ্ধভাবে ৰখা কৌশল, কাৰ্য্য-প্ৰণালী। tac-ti'-cian, *n.*

tad'-pole, *n.* ভেকুৰ নেজাল পোৱালী।

tael (*tāl*), *n.* চীনৰ টকা, মূল্য ৩॥/০।

tail, *n.* নেজ, ফিঁচা, পিছৰ ভাগ, অনুচৰ-বৰ্গ, মুদ্ৰাৰ যি পিঠিত ৰজাৰ মুখ নাই।

tail'-or, *n.* (*f.* -or-ess) দৰ্জ্জি।

taint (*tānt*), *v.* দূষিত কৰা, দাগ লগোৱা, গাব বা বোল দিয়া, দূষিত হোৱা, পঁচি যোৱা; *n.* দোষ, কলঙ্ক।

take (took, ta'-ken, ta'-king), *v.* লোৱা, ধৰা, বন্দী কৰা, পছন্দ কৰি লোৱা, অবলম্বন কৰা, ব্যৱহাৰ কৰা, সহ্য কৰা, আহাৰ বা পান কৰা, বুজা, সফল হোৱা। ta'-king, *adj.* চিত্তাকৰ্ষক, হৃদয়গ্ৰাহী।

talc, *n.* অভ্ৰ। talc'-ose, *adj.* অভ্ৰময়।

tale, *n.* গল্প, সাধুকথা, উপাখ্যান।

tal'-ent, *n.* পূৰণি কালৰ এবিধ জোখ আৰু টকাৰ নাম, স্বাভাৱিক বুদ্ধি, গুণ, প্ৰতিভা। tal'-ent-ed, *adj.* প্ৰতিভা থকা।

tal'-is-man, *n.* কবচ।

talk (*tawk*), *v.* কথা কোৱা, আলাপ কৰা; *n.* কথাবতৰা, আলাপ। talk'-a-tive (*-tiv*), *adj.* কথকী।

tall (*tāl*), *adj.* দীঘল। tall'-ness, *n.*

tal'-low (*-lō*), *n.* চৰ্ব্বি।

tal'-ly, *n.* দাগ বা খাঁজ কাটি হিচাপ ৰখা মাৰি; *v.* মিল হোৱা, অনৰূপ হোৱা।

Tal'-mud, *n.* ইহুদী জাতিৰ ধৰ্ম্মশাস্ত্ৰ।

tal'-on, *n.* চিকাৰী চৰাইৰ হাঁতোৰা বা চোকা নখ।

tam'-a-rind, *n.* তেঁতেলি, তেঁতেলি গছ।

tam'-bour (*-boor*), *n.* সৰু ঢাক। tam-bour-ine' (*-ēn'*), *n.* খঞ্জুৰী।

tame, *adj.* শান্ত, পোহনীয়া, ঘৰচীয়া, শক্তিহীন, বশমানা; *v.* পোহা, বশ কৰা, শান্ত কৰা।

tam'-per, *v.* হাত দিয়া, অনধিকাৰ চৰ্চ্চা কৰা, বিকৃত কৰা, ভোট দিয়া।

tan, *n.* ছালৰ নিচিনা অলপ হালধীয়া বৰণ; *v.* ছালৰ নিচিনা অলপ হালধীয়া বৰণৰ কৰা, ৰ'দত ঈষৎ তাম বৰণীয় কৰা, বং লগাই পৰিষ্কাৰ ছাল তৈয়াৰ কৰা। tan'-ner-y (*-i*), *n.* য'ত পৰিষ্কাৰ ছাল তৈয়াৰ কৰে।

tan'-dem, *adv.* (L.) (ঘোঁৰা জোঁটাত) আগ-পিছ কৈ; *n.* এবিধ ঘোঁৰাগাড়ী।

tan'-gent (*-jent*), *n.* বৃত্তৰ স্পৰ্শনী ৰেখা।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

tan′-gi-ble, *adj.* চুই অনুভব কৰিব পৰা, প্ৰকৃত, আচল।

tan′-gle (*-gl*), *n.* গাঁঠি, জোঁট ; *v.* জোঁটত পেলোৱা, মেৰ পাকত পেলোৱা, জড়িত কৰা।

tank, *n.* পুখুৰী, পানীৰ পাত্ৰ। tank′-ard, *n.* পানীখোৱা ডাঙৰ পাত্ৰ।

tan′-tal-ize (*-īz*), *v.* বাৰে বাৰে আশা দি নিৰাশ কৰা, মিছা লোভ দেখুৱাই কষ্ট দিয়া বা আমনি কৰা।

tan′-ta-mount (*-tā-*), *adj.* সমান, তুল্য।

tap, *n.* অতি মৃদু আঘাত, নল, চুঙ্গা ; *v.* অতি মৃদু আঘাত কৰা, বিন্ধা কৰা, ফুটা কৰি উলিওৱা।

tape, *n.* ফিতা।

ta′-per, *n.* সৰু মমবাতি বা দ্বীপ ; *adj.* ক্ৰমে আগ সৰু ; *v.* ক্ৰমে আগজোঙা হোৱা।

tap′-es-try (*-trī*), *n.* গুণাৰ কামকৰা আৰু ফুলবছা কাপোৰ।

tar (*târ*), *n.* আলকাত্ৰা ; *v.* আলকাত্ৰা লগোৱা।

tar′-dy (*-dī*), *adj.* ধীৰ গতিৰ, পলম কৰা। tar′-di-ly, *adv.* বিলম্বে, পলমে, লাহে লাহে।

tare, *n.* ঘাঁহবন ; খেতিপথাৰৰ ঘাঁহবন আদি, কোনো বস্তু-লোৱা পাত্ৰৰ জোখ, পাত্ৰৰ জোখৰ বাবে যিখিনি বাদ দিয়ে।

tar′-get, *n.* সৰু-ঢাল ; শৰ, কাঁড় বা বন্দুকৰ লক্ষ্য। tar-get-eer′, *n.*

tar′-iff, *n.* বেপাৰৰ বস্তুৰ ওপৰত যি কৰ ধৰে তাৰ তালিকা।

tarn, *n.* পৰ্ব্বতৰ মাজত থকা সৰু হ্ৰদ।

tar′-nish, *v.* মলিয়ন কৰা বা হোৱা, চেকা বা দাগ লগোৱা, কলঙ্কিত কৰা বা হোৱা।

tar′-pau-lin, *n.* ত্ৰিপাল।

tar′-ry, *v.* বাটচোৱা, পলমকৰি থকা।

tart, *adj.* টেঙ্গা, তীব্ৰ।

tar′-tan, *n.* পটিয়াপটি এবিধ পচমী-কাপোৰ।

Tar′-tar, *n.* তাৰ্তাৰ দেশৰ মানুহ ; খঙ্গাল মানুহ, দাঁতত বহা শিলগুড়ি।

task, *n.* যিকাম কৰিবলৈ দিয়ে, নিৰ্দ্দিষ্ট কাম, পাঠ ; *v.* কোনো নিৰ্দ্দিষ্ট কাম কৰিবলৈ দিয়া, দোষী কৰা।

tas′-sel, *n.* পাট-সূতা বা আন কোনো বস্তুৰ খোপা ; *v.* এনে খোপাৰে বিভূষিত কৰা।

taste, *v.* সোৱাদ লোৱা, চাখা, জুতি চোৱা, অলপ খাই সোৱাদ বুজা ; *n.* সোৱাদ, ৰুচি, প্ৰবৃত্তি, সুৰুচি, সৌন্দৰ্য্যৰ বিচাৰ-শক্তি। taste′-ful, *adj.* সোৱাদলগা, ৰুচিকৰ, সুন্দৰ। tas′-ty, *adj.* ৰুচিসঙ্গত।

tat′-ter, *n.* ফটা কাপোৰ, ছিৰা কানি।

tat′-tle (*-tl*), *n.* বাৰে ভচহ কথা ; *v.* বাৰে ভচহ কথা কোৱা।

tat-too′, *n.* ৰাতি থকা ঠাইলৈ আহিবলৈ সঙ্কেত দি মাতা ঢাক বা বিকুলৰ ধ্বনি, কোনো ৰং দিব পৰা বস্তুৰে ছালৰ ওপৰত কটা ছবি বা আখৰ ; *v.*

taunt (*tawnt*), *n.* ঠাট্টা, বিদ্ৰূপ, ইতিকিং ; *v.* ঠাট্টা কৰা, বিদ্ৰূপ কৰা, ইতিকিং কৰা।

taut, *adj.* আঁটিবন্ধা।

tau-tol′-o-gy (*-ji*), *n.* দ্বিৰুক্তি, পুনৰ উক্তি।

tav′-ern, *n.* বাটৰুৱা থকাঘৰ ; মদৰ দোকান।

taw′-dry (*-drī*), *adj.* জাকজমকীয়া কিন্তু ভাল ৰুচিৰ নহয় ; সস্তা কিন্তু অকামিলা। taw′-dri-ness, *n.*

taw′-ny, *adj.* পিঙ্গলবৰনীয়া, ঈষৎ হালধীয়া-মুগা-বৰণৰ।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

tax, *n.* কৰ, 'ট্যাক্স', কষ্টজনক কোনো কাৰ্য্যৰ ভাৰ ; *v.* কৰ লগোৱা বা বহুওৱা, ভাৰগ্ৰস্ত কৰা, দোষী কৰা। tax-a'-tion, *n.* tax'-i-cab, *n.* মটৰ গাড়ী।

tax'i-der-mist, *n.* নোমবে সৈতে ছাল পৰিষ্কাৰ কৰোঁতা।

tea (*tē*), *n.* চাহ, চাহপানী।

teach (taught, teach'-ing), *v.* শিক্ষা দিয়া, শিকোৱা। teach'-er, *n.* শিক্ষক, অধ্যাপক। teach'-ing, *n.* শিক্ষা।

teak, *n.* চেগুন কাঠ, চেগুন গছ।

team, *n.* একে লগে টনা জন্তুবোৰ ; ঘোঁৰা বলদ আদিৰ হাল, এফালে খেলা খেলাৰু বোৰ। team'-ster, *n.* যোনে জোঁটা ঘোঁৰা গৰু আদি খেদে বা চলায়।

tear (*tēr*), *n.* চকুৰ-পানী। tear'-ful, *adj.* চকু-পানীৰে ভৰা।

tear (*tār*), (tore, torn, tear'-ing), *v.* ফলা, ছিৰা, ফালিপেলোৱা, ছিৰিপেলোৱা।

tear'-ing, *adj.* ভীষণ, প্ৰবল।

tease (*tēs*), *v.* বিৰক্ত কৰা, আমনি কৰা, ছুঁচি পৰিষ্কাৰ কৰা।

teat, *n.* পিয়াহৰ আগটো, বাঁট।

tech'-ni-cal (*tek'-ni-kăl*), *adj.* শিল্প বা ব্যৱসায় সম্বন্ধীয়, বৈজ্ঞানিক, পাৰিভাষিক। tech-ni-cal'-i-ty, *n.* শিল্প, বিজ্ঞান বা ব্যৱসায় সম্পৰ্কীয় বিষয়, পাৰিভাষিকতা। tech'-ni-cal-ly, *adv.* tech-nol'-o-gy, *n.* কোনো ব্যৱসায় সম্বন্ধীয় শিল্প বিদ্যা, পাৰিভাষিক শব্দৰ ব্যাখ্যা।

tech-nique' (*tek-nēk'*), (F.) শিল্পীৰ কলাপদ্ধতি, ভাববিকাশ প্ৰণালী।

Te De'-um, *n.* খৃষ্টান্ সকলৰ কৃতজ্ঞতা বুজোৱা ভগবানৰ স্তোত্ৰ।

te'-di-ous, *adj.* আমনি লগা, বেজাৰ লগা। te'-di-um, *n.* আমনিবোধ।

teem, *v.* প্ৰচুৰ পৰিমাণে উৎপন্ন কৰা, ফলান হোৱা, সংখ্যাত বঢ়া বা বৃদ্ধি হোৱা, পৰিপূৰ্ণ হোৱা, গলিত ধাতুৰে পুৰ কৰা। teem'-ing, *adj.* ফলান, পাৰপূৰ্ণ।

teens, *n. pl.* তেৰ বছৰৰ পৰা উনৈশ বছৰলৈ বয়স।

tee-to'-tal-ler, *n.* বাগিয়াল বস্তু এৰোঁতা।

tel'-e-graph (*-graf*), *n.* সঙ্কেতেৰে দূৰলৈ বাতৰি পঠিওৱা যন্ত্ৰ, বাতৰি পঠিওৱা বৈদ্যুতিক যন্ত্ৰ ; *v.* তাৰত বাতৰি দিয়া। tel'-e-gram, *n.* তাৰৰ বাতৰি। tel-e-graph'-ic, *adj.* সঙ্কেত বা বিজুলীৰ সহায়েৰে পঠোৱা। tel'-e-graph-y, *n.* তাৰেৰে বাতৰি পঠিওৱা বিষয়ৰ বিজ্ঞান।

tel'-e-phone (*-fōn*), *n.* দূৰৰ পৰা কথা কোৱা যন্ত্ৰ। tel'-e-phon'-ic, *adj.*

tel'-e-scope, *n.* দূৰবীক্ষণ যন্ত্ৰ, দূৰবীন যন্ত্ৰ। tel-e-scop'-ic, *adj.*

tell (told, tel'-ling), *v.* কোৱা, এটা এটাকৈ উল্লেখ কৰা, গণনা কৰা, বৰ্ণনা কৰা, প্ৰচাৰ কৰা, জনোৱা, আদেশ দিয়া, অনুৰোধ কৰা, থিৰ কৰা, হেঁচাপ দিয়া, ফল উৎপন্ন কৰা। tell'-tale, *n.* পৰৰ নিন্দা ৰটনা কৰোঁতা।

te-mer'-i-ty, *n.* দুঃসাহস, মৰসাহ।

tem'-per, *n.* বেলেগ বেলেগ গুণৰ সংমিশ্ৰণ, মানসিক অৱস্থা, স্বভাৱ, প্ৰকৃতি, ধৈৰ্য্য, ক্ৰোধ, খঙ ; *v.* উপযুক্ত পৰিমাণে মিহলি কৰা, ৰূপান্তৰ কৰা, কোমল কৰা, উপযুক্ত কৰা, উপযুক্ত পৰিমাণে টান কৰা, নিয়মিত কৰা। tem'-per-a-ment, *n.* প্ৰকৃতি, স্বভাৱ, শাৰীৰিক বা মানসিক অৱস্থা। tem'-per-ate, *adj.* পৰিমিত, নিয়মীয়া, সমশীতোষ্ণ, শান্ত, ধীৰ, মিতাচাৰী। tem'-per-ance, *n.* মিতাচাৰ। tem'-

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

per-a-ture, *n.* জহ বা শীতৰ অৱস্থা বা পৰিমাণ, প্ৰাকৃতিক অৱস্থা, তাপ।

tem'-pest, *n.* ধুমুহা। tem-pes'-tu-ous, *adj.* ধুমুহাপূৰ্ণ।

tem'-ple (*-pl*), *n.* মন্দিৰ, দেৱালয়, কুম।

tem'-po-ral, *adj.* পাৰ্থিৱ, অনিত্য। tem'-po-ra-ry, *adj.* অস্থায়ী, ক্ষন্তেকীয়া। tem'-po-rize, *v.* অৱস্থা বুজি ব্যৱস্থা কৰা, পলম কৰা।

tempt (*temt*), *v.* পৰীক্ষা কৰা, প্ৰলোভন দেখুৱা, কুকামত প্ৰবৃত্ত কৰোৱা। temp-ta'-tion, *n.* পৰীক্ষা, প্ৰলোভন, পাপত আসক্তি। temp'-ter, *n.* চলাহ দিওঁতা, লোভ দেখাওঁতা।

te-na'-cious (*-shus*), *adj.* লাগি থকা বিধৰ, লেকেতা, দৃঢ়। te-nac'-i-ty, *n.* দৃঢ়তা।

ten'-ant, *n.* জমিদাৰৰ প্ৰজা বা ৰায়ত, ভাড়া দি থাকোঁতা ; *v.* ভাড়া লোৱা, প্ৰজা-স্বত্বত দখল কৰা। ten'-a-ble, *adj.* ৰাখিব পৰা, ভোগ কৰিব পৰা। ten'-an-cy, *n.* প্ৰজাস্বত্ব। ten'-ant-ry, *n.* প্ৰজাবৰ্গ, ৰায়ত সমূহ।

tend, *v.* যত্ন লোৱা, চৰোৱা, ৰক্ষা কৰা, কোনো ফালে গতি কৰা, কোনো ফালে ঢাল খোৱা বা লোৱা। ten'-den-cy, *n.* প্ৰবৃত্তি।

ten'-der, *adj.* কোমল, দুৰ্ব্বল মৰমিয়াল, আনৰ দুখত দুখী ; *n.* দিবৰ প্ৰস্তাব বা প্ৰাৰ্থনা, কয়লা আৰু আন আৱশ্যকীয় বস্তুৰ বোজাই থকা এঞ্জিনত সংলগ্ন গাড়ী, যুদ্ধৰ জাহাজৰ লগত থকা সৰু জাহাজ বা নাও ; *v.* গ্ৰহণ কৰিবলৈ আগবঢ়োৱা। ten'-der-ness, *n.* কোমলতা, দয়া।

ten'-don, *n.* মাংসপেশী আৰু অস্থি সংযোজক শিৰ।

ten'-dril, *n.* লতাৰ সূতা বা জৰী।

ten'-e-ment, *n.* থাকিবলৈ জমিদাৰৰ পৰা লোৱা ঘৰবাৰী, ভড়াতীয়া ঘৰ।

ten'-et, *n.* মত, নীতি, বিধান।

ten'-nis, *n.* 'টেনিচ' খেল।

ten'-on, *n.* কাঠৰ যিমূৰ খাঁজত সোমাবলৈ উপযুক্ত কৰে।

ten'-or, *n.* গতি, তাৎপৰ্য্য, অৰ্থ, উদ্দেশ্য, চলি থকা অৱস্থা।

tense, *n.* ব্যাকৰণত ক্ৰিয়াৰ কাল।

tense, *adj.* টানি আঁট খুওৱা, দৃঢ়। ten'-sion, *n.* আঁট, দৃঢ়তা, জোৰ, মানসিক শ্ৰম, উত্তেজিত ভাৱ, বিবাদ।

tent, *n.* তম্বু ; *v.* পলিতাৰে ঘাৰ মুখ মুকলিকৈ ৰখা।

ten'-ta-cle (*-tă-kl*), *n.* কীটপতঙ্গৰ শুং।

ten'-ta-tive, *adj.* পৰীক্ষা কৰাৰ বাবে লোৱা, সম্প্ৰতি ব্যৱহৃত।

ten'-ter, *n.* কাপোৰ টনা হাঁকোটা যুক্ত যন্ত্ৰ বিশেষ। to be on tenter hooks, সংশয় বা উদ্বিগ্নতাৰ অৱস্থাত থকা।

ten-u'-i-ty, *n.* সূক্ষ্মতা, বিৰলতা, ক্ষীণতা।

ten'-ure, *n.* ভোগ বা দখল (মাটি বাৰী বা কোনো পদৰ), ভোগদখলৰ চৰ্ত্ত।

tep'-id, *adj.* কুহুমীয়া তপত। tep-id'-i-ty, *n.*

term, *n.* সীমা, শেষ, নিৰ্দ্দিষ্ট সময়, কলেজ, আদালত আদিৰ কাৰ্য্য কাল, শব্দ, ৰাশিৰ অংশ, চৰ্ত্ত, সম্বন্ধ ; *v.* নাম দিয়া।

ter'-ma-gant (*-gănt*), *n.* দন্দুৰী তিৰোতা, বেতালচণ্ডী ; *adj.* দন্দুৰী, উগ্ৰ, বেতাল।

ter'-min-al, *adj.* সীমা। ter'-min-ate, *v.* শেষ কৰা বা হোৱা, সমাপ্ত কৰা বা হোৱা, সীমাবদ্ধ। ter'-min-a-ble, *adj.* যি শেষ হব পাৰে। ter-min-a'-tion, *n.* শেষ, সীমা।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ter-min-ol'-o-gy (*-ji*), *n.* পৰিভাষা, সংজ্ঞা বা নাম আদি।

ter'-min-us, *n.* (*pl.* -min-i) (L.), ৰেলৰ আলিৰ আদি বা অন্ত।

ter'-race, *n.* বেদী, মাটিৰে তৈয়াৰ কৰা ওখ ঢাপ, ঘৰৰ ওপৰৰ চোঁতাল, ঘৰৰ শাৰী।

ter-res'-tri-al, *adj.* পাৰ্থিব, পৃথিৱী সম্বন্ধীয়।

ter'-ri-er, *n.* এবিধ সৰু কুকুৰ।

ter'-ri-to-ry, *n.* ৰাজ্য, দেশ। ter-ri-to'-ri-al, *adj.*

ter'-ror, *n.* অত্যন্ত ভয়, ত্ৰাস, আতঙ্ক। ter'-ri-ble, *adj.* ভয়ানক, ভীষণ; ter'-ri-fy, *v.* ভয় জন্মোৱা, ত্ৰাস লগোৱা। ter-rif'-ic, *adj.* ভীষণ ত্ৰাসজনক। ter'-ror-ize, *v.* ভয় দেখুৱাই বাধ্য বা শাসন কৰা, ভয় দেখুওৱা। ter'-ror-ist, *n.*

terse, *adj.* চুটি, সংক্ষিপ্ত, মাৰ্জ্জিত।

tes'-sel-la-ted, *adj.* সৰু সৰু চক কটা, নানা ৰঙৰ চাৰিকোণীয়া ঘাই কৰা।

test, *v.* পৰীক্ষা কৰা, চাই লোৱা, বজাই লোৱা; *n.* পৰীক্ষা, প্ৰমাণ, কষতি শিল।

test'-a-ment, *n.* মৃত্যুৰ সময়ত কৰা দানপত্ৰ বা 'উইল', বাইবেল শাস্ত্ৰৰ দুই খণ্ডৰ এক খণ্ড।

tes-ta'-tor, *n. m.* (*f.* tes-ta'-trix), যি মানুহে 'উইল' কৰি মৰাৰ সময়ত এৰি যোৱা অৰ্থ-সম্পত্তিৰ বন্দোবস্ত কৰি যায়।

tes'-ti-fy, *v.* সাক্ষীকোৱা, শপত কাঢ়ি কোৱা, সাক্ষী দি প্ৰমাণ কৰা। tes'-ti-mo-ny, *n.* প্ৰমাণ। tes-ti-mo'-ni-al, *n.* প্ৰশংসা পত্ৰ, শ্ৰদ্ধাৰ দান।

tes'-ty, *adj.* উগ্ৰপ্ৰকৃতিৰ, খঙাল, খিট্‌খিটীয়া।

tet'-a-nus (-*ă*-), *n.* ধনুষ্টঙ্কাৰ বেমাৰ।

teth'-er, *n.* দৰহ, এৰাল; *v.* দৰহ দিয়া, এৰাল দিয়া, কোনো সীমাৰ ভিতৰত বখা।

text, *n.* লিখকৰ মূল কথা, ধৰ্ম্মপুথিৰ যি বাক্য অবলম্বন কৰিলৈ উপদেশ দিয়ে। tex'-tu-al, *adj.* মূল পাঠ সম্বন্ধীয়।

tex'-tile, *adj.* বোৱা কাৰ্য্য সম্বন্ধীয়, বোৱা, বুৰ পৰা; *n.* বোৱা কাপোৰ। tex'-ture, *n.* বোৱা কাৰ্য্য, বোৱা কাপোৰ, নিৰ্ম্মাণ।

thane (*thān*), *n.* প্ৰাচীন কালৰ সম্মানসূচক উপাধি।

thank, *n.* ধন্যবাদ; *v.* ধন্যবাদ দিয়া। thank'-ful, *adj.* কৃতজ্ঞ। thank'-less, *adj.* অকৃতজ্ঞ।

thatch, *n.* খেৰ; *v.* ঘৰ ছিওৱা।

thaw, *v.* গলা, গলি যোৱা (বৰফ আদি), (বতাহ) অলপ তপত হোৱা, গলোৱা; *n.* বৰফ-গলা।

the'-a-tre (*thē'-ă-tr*), *n.* নাট্যশালা, ভাৱনা-ঘৰ, সভাঘৰ। the-at'-ri-cal, *adj.* নাট্যশালা সম্বন্ধীয়, আড়ম্বৰপূৰ্ণ, জাক-জমকাল।

theft, *n.* চুৰি, চুৰ কৰা কাৰ্য্য।

the'-ism, *n.* আস্তিকতা, একেশ্বৰবাদ। the'-ist, *n.* আস্তিক।

theme, *n.* বক্তৃতা, বা ৰচনাৰ বিষয়।

then, *adv.* তেতিয়া, তাৰ পিছত; *conj.* তেনেহলে; *adj.* তেতিয়াৰ; *n.* সেই সময়। thence, *adv.* তাৰে পৰা, সেই বাবে। thence'-forth, *adv.* তাৰে পৰা।

the-od'-o-lite, *n.* জৰীপত দূৰৈত থকা কোণ জোখা যন্ত্ৰ।

the-ol'-o-gy (*-ji*), *n.* ধৰ্ম্ম-শাস্ত্ৰ, ধৰ্ম্মতত্ত্ব। the-o-lo'-gi-an, *n.* যোনে ধৰ্ম্মতত্ত্ব আলোচনা কৰে।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

the'-o-rem, *n.* তত্ত্ব, উপপাদ্য। the'-o-ry, *n.* বৈজ্ঞানিক মত, অনুমান। the-o-ret'-i-cal, *adj.* আনুমানিক, কাল্পনিক, ভাবমূলক।

the-os'-o-phy (*-fi*), *n.* যোগৰহস্য, ব্ৰহ্মজ্ঞান।

ther-a-peu'-tics, *n. pl.* আৰোগ্য-বিজ্ঞান, চিকিৎসা বিদ্যা। ther-a-peu'-tic-al, *adj.* ৰোগ-প্ৰতিকাৰক।

ther'-mal, *adj.* উত্তাপ সম্বন্ধীয়, তপত। thermal springs, *n.* গৰমপানীৰ উহ।

ther-mom'-e-ter, *n.* তাপমান যন্ত্ৰ।

the'-sis, *n.* (*pl.* -ses) কোনো নিৰ্দ্দিষ্ট বিষয়ৰ ৰচনা, প্ৰবন্ধ।

thick, *adj.* ঘন, ডাঠ, অপৰিষ্কাৰ, গাঢ়; *n.* ঘন অংশ; *adv.* ঘনকৈ গাঢ়কৈ।

thick'-et, *n.* বনৰ চোপ বা জোপা।

thick'-skinned, নিৰ্ব্বোধ লোক।

thief (*-thēf*), *n.* চোৰ। thieve, *v.* চুৰ কৰা। thiev'-ish, *adj.* হাত-লৰ, চোৰৰ-নিচিনা, অসাধু।

thigh (*-thi*), *n.* কৰঙ্গন, উৰত।

thim'-ble, *n.* বেজীৰ কাম কৰোঁতে ব্যৱহাৰ কৰা আঙ্গুলিৰ ঢাকোন।

thin, *adj.* সূক্ষ্ম, পাতল, কৃশ।

thing, *n.* অচেতন পদাৰ্থ, বস্তু, বিষয়, ঘটনা।

think, *v.* ভাবা, চিন্তা কৰা, বোধ কৰা, অনুমান কৰা।

thirst, *n.* পিয়াহ, তৃষ্ণা, প্ৰবল আকাঙ্ক্ষা; *v.* আকাঙ্ক্ষা কৰা। thirst'-y, *adj.*

thist'-le (*this'-l*), *n.* এবিধ কাঁইটীয়া জুপুৰী গছ।

thith'-er (*thith'-ĕr*), *adv.* তালৈ।

thong, *n.* ছালৰ জৰী।

tho'-rax, *n.* বুক।

thorn, *n.* কাঁইট, কাঁইটীয়া জুপুৰী গছ, যন্ত্ৰণাদায়ক বস্তু। thorn'-y, *adj.* কাঁইটীয়া, কষ্টকৰ, বিৰক্তিকৰ।

thor'-ough (*thur'-ō*), *adj.* সম্পূৰ্ণ। thor'-ough-ly, *adv.* সম্পূৰ্ণভাৱে। thor'-ough-fare, *n.* দুয়ো মুখ খোলা আলি, ৰাজবাট।

thorp, *n.* সৰু গাঁও।

thou, *pron.* (*pl.* you) তই; *v.* তয়া-তকাকৈ মাতা।

though (*thō*), *conj.* যদিও।

thought (*thawt*), *n.* ভাব, চিন্তা, বিবেচনা, কল্পনা, অভিপ্ৰায়, মনৰভাব, উদ্বিগ্নতা। thought'-ful, *adj.* ভাবগধুৰ, মনোযোগী, উদ্বিগ্ন। thought'-less, *adj.* উতনুৱা, অমনোযোগী।

thou'-sand, *adj.* : *n.* হাজাৰ, হাজাৰ সংখ্যক।

thrall, *n.* কিনা গোলাম। thral'-dom, *n.* দাসত্ব, পৰাধীনতা।

thrash *or* **thresh**, *v.* ধান আদি শস্যৰ গুটি বাৰা, বৰকৈ প্ৰহাৰ কৰা বা কোবোৱা।

thread (*thrĕd*), *n.* সূতা, আঁহ; *v.* বেজীত সূতা দিয়া, নিজৰ বাট কৰি লোৱা। thread'-bare, *adj.* সূতা মাথোন বাকী থকা, ফটা, ছিৰা, পুৰণি।

threat (*thrĕt*), *n.* ভয় প্ৰদৰ্শন, দপালনি, ধমকী। threat'-en, *v.* ভয় দেখুওৱা। threat'-en-ing, *adj.* আশঙ্কাজনক, অমঙ্গলসূচক।

thresh'-old, *n.* দুৱাৰ দলি, আৰম্ভ।

thrill, *v.* চিৰিং কৰে উঠা, শিঁয়ৰি উঠা, শিঁয়ৰ অনুভৱ কৰা; *n.* শিঁয়ৰ, আনন্দ, উল্লাহ। thrill'-ing, *adj.* মৰ্ম্মস্পৰ্শী, নোম শিঁয়ৰি উঠা।

thrive (throve, thriv'-en, thri'-ving),

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

v. উন্নতি লাভ কৰা, বঢ়া, বৃদ্ধি হোৱা, সফল হোৱা। thrift, *n.* মিতব্যয়। thrift'-y, *adj.* মিতব্যয়ী, সৰহ খৰচ নকৰা।

throat, *n.* ডিঙ্গিৰ সন্মুখৰ ভাগ।

throb, *v.* স্পন্দন কৰা, ধৰফৰ কৰা, কঁপা, ধক্ ধক্ কৰা; *n.* স্পন্দন।

throe (*thrō*), *n.* অতিশয় বেদনা বা যন্ত্ৰণা, প্ৰসব বেদনা।

throne, *n.* সিংহাসন, ৰাজপাট; *v.* ৰাজপাটত বহুওৱা।

throng, *n.* মানুহৰ জুম; *v.* জুম বন্ধা।

thros'-tle (*thros'-l*), *n.* বুলবুলি চৰাই।

throt'-tle (*-tl*), *n.* গলৰ নলা, টেঁটু; *v.* টেঁটু চেপি ধৰা।

through (*throo*), *prep.* ভিতৰেদি, নিমিত্তে, বাবে; *adj.* গোটেই বাট বা দূৰত্বৰ বাবে; *adv.* শেষ পৰ্য্যন্ত। through'-out, *prep.* গোটেই; *adv.* সকলোতে, চাৰিও পিনে দি। through and through, পুঙ্খানুপুঙ্খৰূপে।

throw (threw, thrown, throw'-ing), *v.* দলি মৰা, নিক্ষেপ কৰা, এৰা, ত্যাগ কৰা, পেলাই দিয়া; *n.* দলি, ক্ষেপণ।

thrush, *n.* বুলবুলি, চৰাই।

thrust, *v.* ঠেলা মৰা, ভিতৰ সুমুৱাই দিয়া; *n.* ঠেলা, আঘাত, খোঁচ, আক্ৰমণ।

thud, *n.* ধপহ কৈ পৰা শব্দ।

thumb (*thum*), *n.* বুঢ়া আঙ্গুলি।

thump, *n.* ধমকৈ পৰা শব্দ; *v.* ধমকৈ পৰা, থপৰিওৱা।

thun'-der, *n.* বজ্ৰধ্বনি, ভয়ঙ্কৰ শব্দ, মেঘৰ গাজনি। thun'-der-bolt, *n.* বজ্ৰ। thun'-der-struck, *adj.* বজ্ৰাহত।

thwack, *v.* খুচি মৰা; *n.*

thwart, *v.* বাধা দিয়া, নিস্ফল কৰা, ব্যৰ্থ কৰা।

thyme (*tīm*), *n.* এবিধ সুগন্ধি উদ্ভিদ।

ti-a'-ra (*ti-ā'-*), *n.* (Gr.) মূৰ ঢাকনি, কিৰীটি, পোপৰ মুকুট।

tick, *n.* গৰু ঘোঁৰা আদিৰ চিকৰত, চিকৰা; তুলি আদি কৰা গিলিপ বা ঢাকনি, টিক্ টিক্ শব্দ; *v.* টিক্ টিক্ শব্দ কৰা। tick'-ing, *n.* তুলিৰ মোটা কাপোৰ।

tick'-et, *n.* 'টিকট'।

tick'-le, *v.* ভাকুটকুটা, সন্তুষ্ট কৰা। tick'-lish, *adj.* সহজে কাঁইকুটি উঠা, কোমল, টান, অস্থিৰ।

tide, *n.* সময়, জোঁৱাৰ ভাটা, সোঁত, গতি; *v.* জোঁৱাৰ ভাটা উঠি গতি কৰা। tide over, *v.* অতিক্ৰম কৰা। ti'-dal, *adj.* জোঁৱাৰ ভাটা সম্বন্ধীয়।

ti'-dings, *n. pl.* খবৰ।

ti'-dy, *adj.* পৰিপাটী, পৰিষ্কাৰ; *n.* মাইচাৰ ঢাকোন। ti'-di-ness, *n.*

tie (*tī*) (tied, ty'-ing), *v.* বন্ধা, গাঁঠি দিয়া, বাধা বা বন্ধ কৰা; *n.* বান্ধ, সমান সংখ্যা, বান্ধোন।

tier (*tēr*), *n.* শাৰী।

tierce, *n.* তিনি মোণ মদৰ পিপা, তাচৰ বিস্তু। tierce-major, *n.* টকা ডাঙৰ বিস্তু।

tif'-fin, *n.* ভাটিবেলাৰ জলপান।

ti'-ger, *n.* বাঘ। ti'-gress, *n. f.*

tight (*tīt*), *adj.* আটিল, টান, পৰিপাটী, কৃপণ। tight'-en, *v.* আটিল কৰা, টান কৰা, আঁটি বন্ধা।

tile, *n.* খাপৰি; *v.* খাপৰিৰে ঢকা। ti'-ling, *n.* খাপৰিৰে ঢকা ছাল। ti'-ler *n.* খাপৰি তৈয়াৰ কৰোঁতা।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

till, *adv.* : *prep.* : *conj.* যেতিয়ালৈকে ; *v.* চহ কৰা, হাল বোৱা ; *n.* দোকানৰ টকা থোৱা বাকচ। till'-age, *n.* চহ, আবাদ। ti'-ller, *n.* নাওৰ গুৰি ধৰা বখা খুটি, খেতিয়ক।

tilt, *v.* একতীয়া কৰা বা হোৱা, ঘোঁৰাত উঠি জাঠিৰে আক্ৰমণ কৰা, হাতুৰীৰে পিটা ; *n.* ঘোঁৰাত উঠি জাঠিৰে আক্ৰমণ বা যুদ্ধ, তম্বু।

tim'-ber, *n.* কাঠ, বস্তুতৈয়াৰ কৰা কামত লগোৱা কাঠ।

tim'-bre, *n.* এবিধ বাজনা।

time, *n.* সময়, ঋতু, বাৰ ; *v.* সময় নিৰ্দ্দিষ্ট কৰা বা নিয়মিত কৰা। time'-ly, *adj.* ঠিক সময়ত অহা, ঘটা বা উৎপন্ন ; *adv.* যথা সময়ত। time'-piece, *n.* ঘড়ী। time-worn, *adj.* জৰাজীৰ্ণ। time-server, *n.* যোনে সময় আৰু অৱস্থা অনুসৰি নিজৰ মত সলায়।

tim'-id, *adj.* ভীৰু, সাহহীন, ভয়াতুৰ। tim-id'-i-ty, *n.* ভীৰুতা। tim'-or-ous, *adj.* ভয়াতুৰ।

tin, *n.* ৰাং, টিন ; *adj.* টিনৰ ৰহণ দিয়া বা টিনৰ। tin'-foil, *n.* টিনৰ পাতল পাত।

tinc'-ture (*tĭnk'-chŭr*), *n.* বৰণ বা ৰঙৰ আভা, মদত মিহলি কৰা বস্তুৰ সাৰাংশ বা ঔষধ, আৰক ; *v.* অলপ ৰং দিয়া, তিতোৱা।

tin'-der, *n.* পোৰাশলা বা সূতা, যি সহজে স্ফিৰঙ্গতিত জ্বলে।

tinge (*tinj*), *v.* ৰঙচুৱা কৰা, ৰং লগোৱা ; *n.* ৰং।

tin'-gle (-*g'l*), *v.* কাণত টিঙ্গিৰকৈ লগা ; *n.* টিঙ্ টিঙ্ শব্দ।

tin'-ker, *n.* যোনে কাঁহ পিতলৰ বাচন মেৰামত কৰে ; *v.* কাঁহ পিতলৰ বাচন জালা বা মেৰামত কৰা।

tin'-kle, *v.* ঠং ঠং বা ঝুন্-ঝুন্ শব্দকৰা ; *n.*

tin'-sel, *n.* যি উজ্জ্বল আৰু চকমকীয়া, ধাতুৰ পাতল চকচকীয়া পাত, অসাৰুৱা জাকজমকীয়া বস্তু ; *adj.* চকচকীয়া, জাকজমকাল, বাহিৰত সুন্দৰ।

tint, *n.* ৰঙ, বৰণ, ৰঙৰ আভা ; *v.* ৰঙচুৱা কৰা, পাতলকৈ ৰঙ দিয়া।

ti'-ny, *adj.* (ti'-ni-er, ti'-ni-est), *adj.* অতি সৰু।

tip, *n.* আগ ভাগ (যেনে আঙ্গুলিৰ), টিকিলি, সৰু কোব বা আঘাত, খবৰ, উপহাৰ ; *v.* টিকিলোৱা, খপৰিওৱা, সৰুকৈ আঘাত কৰা, উপহাৰ দিয়া গোপনীয় খবৰ দিয়া।

tip'-pet, *n.* কান্ধত লোৱা উৰণী কাপোৰ।

tip'-ple, *v.* মদ অলপ অলপকৈ বাৰে বাৰে খোৱা।

tip'-sy, *adj.* মদৰ লাগি-হোৱা, মতলীয়া। tip'-si-ness, *n.*

tip'-toe, *n.* ভৰিৰ আঙ্গুলিৰ আগ ভাগ ; *v.* ভৰিৰ আঙ্গুলিৰ আগেৰে খোজ কঢ়া।

ti-rade' (*ti-räd'*), *n.* (F.) দীঘলীয়া বক্তৃতা বা লেখা (বিৰুদ্ধে বা কোনো লোকৰ কুচ্ছা-পূৰ্ণ)।

tire, *v.* ক্লান্ত হোৱা বা কৰা, ভাগৰলগা, দুৰ্ব্বল বা অধীৰ হোৱা, দিগ্ দিয়া, আমনি কৰা, সজ্জিত কৰা ; *n.* চাকাৰ বেষ্টনী, পোছাক। tired, *adj.* ক্লান্ত, ভাগৰুৱা। tire'-some, *adj.* ক্লান্তিজনক, আমনি-জনক।

tis'-sue (*tish'-ū*), *n.* গুণাৰ কাম কৰা ৰেচমী কাপোৰ, জীৱ-দেহৰ উপাদান, অতিসৰু মাংসপেশী, উদ্ভিদ্ শৰীৰৰ সূতা বা আঁহ।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ti-tan'-ic, *adj*. গ্ৰীক ধৰ্ম্মশাস্ত্ৰৰ কাল্পনিক দৈত্য Titans সম্বন্ধীয়, প্ৰকাণ্ড দৈত্যাকাৰ, ভীষণ।

ti'-tle (*ti'-tl*), *n*. নাম, উপাধি, খিতাপ, পদবী, স্বত্ব। tit'-u-lar, *adj*. নামত মাথোন, ক্ষমতাহীন। title-deed, *n*. স্বত্ব বা অধিকাৰ থকাৰ প্ৰমাণ-স্বৰূপ সম্পাদন কৰা দলিল। ti'-tled, *adj*. উপাধিযুক্ত।

tit'-mouse, *n*. সৰু পোক খোৱা এবিধ চৰাই।

tit'-ter, *v*. মুখ চেপি বা খিল্‌খিল্‌কৈ হাঁহা; *n*. মুখচেপি মাৰা হাঁহি।

tit'-tle (*-tl*), *n*. অনু, বিন্দু, অতি সৰু অংশ। tit'-tle—tat'-tle, *n*. বাজে গল্প বা আলাপ।

toad, *n*. চুক ভেকুলি। toad'-stool, *n*. বেঙ ছতা। toad'-y, *n*. নীহভাবে খোছা-মোদ কৰোঁতা; *v*. নীহভাবে খোছামোদ কৰা। toad'-y-ism, *n*. খোছামোদ।

toast, *v*. জুইত, সেঁকা, কোনো লোকৰ সম্মানৰ বাবে নাম কৰি মদ খোৱা; *n*. সেঁকা ৰুটি।

to-bac'-co, *n*. ধঁপাত।

to-bog'-an, *v*. টান বৰফৰ ওপৰেদি চাকা নোহোৱা গাড়ীত উঠি খেমালি কৰা।

toc'-sin (*tok'-*), *n*. বিপদসূচক ঘণ্টা।

tod'-dy, *n*. 'তাড়ি', চেনি আৰু তপত পানীত মিহলি কৰা এবিধ মদ।

tof'-fee, *n*. ঘিঁউ আৰু চেনিৰে তৈয়াৰ কৰা এবিধ মিঠাই।

to-geth'-er, *adv*. একেলগে।

toil, *v*. পৰিশ্ৰম কৰা, খাটা; *n*. শ্ৰম, জাল বা ফান্দ (*in pl*.)। toil'-some, *adj*. শ্ৰমজনক, ভাগৰ লগা।

toil'-et, **toi-lette'**, *n*. পোছাক পাতি লোৱা ধৰণ, পোছাক, সাজন কাচন কৰা টেবিল বা মেজ। to make one's toilet, *v*. সাজন কাচন কৰা।

to'-ken, *n*. চিন, বন্ধুতা, প্ৰীতি আদিৰ চিন, মুদ্ৰাৰ নিচিনা ব্যৱহাৰ কৰা ধাতুখণ্ড।

tol'-er-ate, *v*. সহ্য কৰা, সহা। tol'-er-a-ble, *adj*. সহ্য কৰিব পৰা, মধ্যম। tol'-er-ance, *n*. সহ্য গুণ, সহিষ্ণুতা। tol'-er-ant, *adj*. সহিষ্ণু। tol-er-a'-tion, *n*. সহা কাৰ্য্য, আনৰ ধৰ্ম্ম সম্বন্ধে উদাৰভাব।

toll (*tol*), *n*. ঘাট পাৰ হোৱা, বজাৰত বস্তু বেচা আদিৰ বাবে নিৰ্দ্ধাৰিত কৰ; ঘণ্টাৰ ধ্বনি; *v*. ঘণ্টা বজোৱা, (ঘণ্টা) বজা, কৰ আদায় কৰা।

tom'-a-hawk, *n*. আমেৰিকাৰ আদিম অধিবাসীবিলাকৰ যুদ্ধৰ এবিধ অস্ত্ৰ (সৰু কুঠাৰ)।

to-ma'-to (*-ma'-*), *n*. বিলাহী বেঙেনা।

tomb (*toom*), *n*. কবৰ।

tom'-cat, *n*. মতা মেকুৰী, বন্দা।

to-mor'-row, *adv*. অহা কালি।

ton (*tun*), *n*. প্ৰায় ২৭/০ মোণ, ২০ হন্দৰ। ton'-nage, *n*. জাহাজৰ বোজাই।

tone, *n*. মাত, সুৰ, শব্দৰ প্ৰকাৰ বা প্ৰকৃতি; *v*. সুৰযুক্ত কৰা।

tongs, *n*. *pl*. চিম্‌টা, সৰাহ, চেপেনা।

tongue (*tung*), *n*. জিভা, ভাষা।

ton'-ic, *adj*. বলবৰ্দ্ধক; *n*. বলবৃদ্ধি কৰা ঔষধ।

ton-neau' (*-no'*), *n*. (F.) মোটৰ গাড়ীৰ ঘাই অঙ্গ।

ton'-sil, *n*. গলৰ (জিভাৰ গোৰত থকা) গাঁউতি। ton-sil-li'-tis, *n*. গলৰ গাঁউতিৰ পোৰণি।

ton'-sure, *n*. চূড়াকৰণ সংস্কাৰ।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

too, *adv.* পৰিমাণতকৈও সৰহ; *conj.* আৰু, ও।

tool, *n.* কাম কৰা যতন বা হাতিয়াৰ।

toot, *v.* শিঙা বজোৱা।

tooth, *n.* (*pl.* teeth), *n.* দাঁত; *v.* দাঁতৰ আকৃতি কৰি কটা। tooth'-some, *adj.* ৰুচিজনক। tooth'-ful, *n.* অলপ পৰিমাণ। tooth'-ache, *n.* দাঁতৰ বিষ। tooth'-less, *adj.* দোলা।

top, *n.* আটাইতকৈ ওখভাগ, আগ, টিং, মূধ, লাটুম; *v.* অতিক্ৰম কৰা, সবাতকৈ আগত থকা, কোনো তালিকাত প্ৰথম হোৱা, ওপৰত ঢাকা। top'-ple, *v.* হঠাৎ বাগৰি পৰা।

tope, *n.* বৌদ্ধ সকলৰ সমাধিৰ স্তূপ বা স্মৃতিমন্দিৰ।

to'-paz, *n.* পীতবৰণৰ এবিধ বহুমূলীয়া বাখৰ।

top'-ic, *n.* আলোচনাৰ বিষয়।

to-pog'-ra-phy (*-rŭ-fi*), *n.* কোনো ঠাইৰ সবিশেষ বিবৰণ।

top'-sy—tur'-vy, *adv.* ওলট্ পালট্, লৰ্‌ৰা তৰ্‌বাং।

torch, *n.* জোঁৰ, মহলা।

tor'-ment, *n.* অত্যন্ত যন্ত্ৰণা বা কষ্ট, মনৰ দুখ। tor-ment', *v.* যাতনা দিয়া, দুখ দিয়া, কষ্ট দিয়া, দিগ্ দিয়া, বিৰক্ত কৰা।

tor-na'-do (*-nā'-*), *n.* প্ৰবল ঘূৰণীয়া বতাহ।

tor-pe'-do (*-pē'-*), *n.* বিদ্যুৎ শক্তি থকা এবিধ মাছ, শত্ৰুৰ জাহাজ ধ্বংস কৰিবলৈ পানীৰ তলত এৰি দিয়া এবিধ বৈদ্যুতিক যন্ত্ৰ; *v.* টৰ্পিডোৰ দ্বাৰা ধ্বংস কৰা।

tor'-pid, *adj.* অবশ, অবসন্ন, নিষ্ক্ৰিয়, মোটা বুদ্ধিৰ। tor-pid'-i-ty, tor'-pi-tude, *n.* অবশতা, অবসন্নতা। tor'-por, *n.* অবশতা, গতিশক্তি হীনতা।

tor'-rent, *n.* প্ৰবল সোঁত, ধাৰ।

tor'-rid, *adj.* তাপত শুকান, দেই পুৰি যোৱা, অতি উষ্ণ। torrid zone, গ্ৰীষ্ম মণ্ডল।

tor'-sion (*-shun*), *n.* মোকটা বা পকোৱা কাৰ্য্য, মোকটা, পাক। tor'-tu-ous, *adj.* বেঁকা, পাক থকা।

tor'-toise (*-tis*), *n.* কাছ'।

tor'-ture (*-chŭr*), *n.* বৰ কষ্ট, যাতনা, দুখ; *v.* কষ্ট দিয়া, যাতনা দিয়া, দুখ দিয়া।

To'-ry, *n.* ৰক্ষণশীল ৰাজনৈতিক, বেচি পৰিবৰ্ত্তনৰ বিৰোধী।

toss, *v.* হাতেৰে ওপৰলৈ দলিয়া, তলা ওপৰা কৰা, জোকৰা বা লৰ চৰ কৰা, ছট্‌ফট্ কৰা, অস্থিৰ কৰা।

to'-tal, *adj.* মুঠ, সম্পূৰ্ণ; *n.* মুঠ সংখ্যা বা পৰিমাণ, সমষ্টি। to-tal'-i-ty, *n.* মুঠ পৰিমাণ, সমষ্টি।

tot'-ter, *v.* কঁপা, ঠৰক্ বৰক্ কৰা।

touch (*tuch*), *n.* স্পৰ্শ, স্পৰ্শেন্দ্ৰিয়, মনৰ ভাব, চিত্ৰ অঁকা তুলিৰ টান বা ৰেখা, বাদ্যযন্ত্ৰত হাত বুলোৱা কাৰ্য্য; *pl.* সঙ্গীতৰ সুৰ, অলপ পৰিমাণ, সঙ্কেত, ইঙ্গিত; *v.* স্পৰ্শ কৰা, চোৱা, লাহে লাহে আঘাত কৰা, গাত লগা, মনত লগা, হাত দিয়া, হৃদয় কোমলোৱা, সাৱধানেৰে অঁকা। touch'-ing, *adj.* মৰ্ম্মস্পৰ্শী; *prep.* সম্বন্ধে। touch'-y, *adj.* সহজতে খং উঠা। touch'-stone, *n.* কষটি শিল।

tough (*tuf*), *adj.* টান, দৃঢ়, লেকেটা; tough'-en, *v.* টান বা দৃঢ় কৰা বা হোৱা। tough'-ness, *n.* দৃঢ়তা।

tour (*toor*), *n.*: *v.* সুখৰ ভ্ৰমণ। tour'-ist, *n.* যোনে দেশ চাবলৈ ভ্ৰমণ কৰে।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

tour'-na-ment *or* **tour'-ney,** *n.* কৃত্রিম যুঁজ, মল্লযুদ্ধ, সাহ বা অস্ত্রশস্ত্রব নিপুণতা প্রদর্শন।

tout, tout'-er, *n.* খেল যোঁৱাৰ দালাল, যোনে গ্রাহক জোটাই ফুৰে।

tow (*tō*), *n.* জৰী, গুণ-টনা নাও; *v.* জৰী বা গুণেৰে টানি নিয়া।

to'-ward (*tō'-ĕrd*), **to'-wards,** *prep.* ফালে, পিনে, প্রতি।

tow'-el, *n.* গামোছা।

tow'-er, *n.* ওখ অট্টালিকা বা দুৰ্গ; *v.* ওপৰত উঠা, আনক চেৰপেলাই উঠা।

town, *n.* চহৰ, নগৰ।

toy, *n.* লৰাছোৱালীয়ে ধেমালি কৰা বস্তু; *v.* ৰং ধেমালি কৰা।

trace, *n.* চিন, খোজৰ চিন, আঁচ, আঁক, গুং সূত্ৰ, নকল কৰা ছবি বা নক্সাৰ ওপৰত পাতল কাগজ দি অঁকা, খোজৰ চিন অনুসৰণ কৰা, অনুসন্ধান কৰা। trace'-a-ble, *adj.* tra'-cer-y, *n.* শিলৰ জাঁকজমকাল কাম।

track, *n.* এৰা চিন, খোজৰ চিন; *v.* খোজৰ চিন চাই অনুসৰণ কৰা বা পিছে পিছে যোৱা। track'-less, *adj.* খোজৰ চিন নথকা, নগছকা।

tract, *n.* কোনো দেশ বা ঠাই, সৰু কিতাপ। tract'-a-ble, *adj.* শাসনীয়, সহজে শিকাব পৰা, নম্ৰ। trac'-tile, *adj.* টানি বহল কৰিব পৰা।

trac'-tion (*-shun*), *n.* আকৰ্ষণ, টান। trac'-tion en'-gine, *n.* সাধাৰণ ৰাস্তাৰে গধূৰ বস্তু টানি নিয়া এঞ্জিন বা কল।

trade, *n.* বাণিজ্য, বেহা-বেপাৰ; *v.* বাণিজ্য কৰা, বেপাৰ কৰা, বেচা-কিনা কৰা। tra'-der, *n.* বেপাৰী। trades'-man, *n.* দোকানী। trade'-mark, *n.* কোনো বস্তুৰ ওপৰত দিয়া বেপাৰীৰ নিজা চিন।

tra'-di-tion (*-dish'-un*), *n.* পুৰুষানুক্ৰমে চলি অহা কথা, বহুকলীয়া প্ৰথা। tra-di'-tion-al, *adj.*

tra-duce' (*-dūs'*), *v.* নিন্দা কৰা, দুৰ্নাম ৰটা।

traf'-fic (*-fik*), *n.* বেহা, বেপাৰ, মানুহ বা বস্তু অনা-নিয়া কাৰ্য্য; *v.* বেচা কিনা কৰা।

trag'-e-dy (*traj'-*), *n.* শোকান্ত বা বিয়োগান্ত নাটক, দুখ লগা ঘটনা। trag-e'-di-an, *n.* বিয়োগান্ত নাটক লিখক বা অভিনয় কৰোঁতা। trag'-ic, trag'-ic-al, *adj.* বিয়োগান্ত নাটক সম্বন্ধীয়, দুখ লগা, শোক লগা।

trag-i-com'-e-dy, *n.* হৰ্ষ-বিষাদৰ নাটক।

trail, *n.* পহু আদিৰ ভৰিৰ খোজ বা গাৰ গোন্ধ, বনৰ ভিতৰত থকা সুৰসুৰীয়া বাট, ফিঁচা, নেজ (দীঘল হৈ থকা); *v.* ভৰিৰ খোজ চাই চিকাৰ অনুসন্ধান কৰা বা উলিওৱা, মাটিৰ ওপৰেদি টানি লৈ যোৱা, ছোঁচৰাই নিয়া।

train, *n.* যি ছোঁচৰাই টানি নিয়ে, পোছাকৰ ছোঁচৰি যোৱা অংশ, চৰাইৰ নেজ বা ফিঁচা; অনুচৰ সমূহ, শাৰী; ৰেলৰ ওপৰেদি চলা গাড়ীৰ শাৰী, ৰেলগাড়ী; *v.* শিক্ষা দিয়া, সংযত কৰা। train'-band, *n.* অবৈতনিক সৈন্যদল।

trait (*trā*), *n.* (F.) স্পৰ্শ, বিশেষ গুণ বা লক্ষণ।

trai'-tor, *n.* বিশ্বাসঘাতক, ৰাজদ্ৰোহী। trai'-tor-ous, *adj.*

tra-ject', *v.* নিক্ষেপ কৰা।

tram *or* **tram'-way,** *n.* 'ট্ৰাম' গাড়ী

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

চলা বাট। tram'-car, *n.* 'ট্ৰাম' গাড়ী।

tram'-mel, *n.* জাল, চুলি বান্ধনী, ঘোঁৰাৰ ভৰিত লগোৱা জৰী; *v.* বাধা দিয়া, জৰীৰে বন্ধা।

tramp, *v.* গছকা, ভৰিৰে খোজ কঢ়া; *n.* খোজকঢ়া কাৰ্য্য, নিৰ্দ্দিষ্ট থকা ঠাই নথকা মানুহ (বিশেষকৈ মগনীয়া)। tram'-ple, *v.* ভৰিৰে গছকা বা মোহাৰি পেলোৱা, অপমান কৰা।

trance, *n.* মোহ, অচৈতন্য, মূৰ্চ্ছা।

tran'-quil, *adj.* শান্ত, স্থিৰ, শান্তিপূৰ্ণ। tran-quil'-li-ty, *n.* শান্তভাব, শান্তি। tran'-quil-lize, *v.* শান্ত কৰা।

trans-act', *v.* সম্পাদন কৰা, চলোৱা। trans-ac'-tion, *n.* ব্যৱসায়, কাৰবাৰ, সম্পাদন, কাৰ্য্য, বিতৰণ।

tran-scend' (*-send'*), *v.* অতিক্ৰম কৰা, চেৰ পেলোৱা, বেচি উৎকৰ্ষতা লাভ কৰা। tran-scend'-ent, *adj.* অতি ভাল, বুদ্ধিৰ অতীত, অলৌকিক। tran-scend'-en-cy, *n.* শ্ৰেষ্ঠতা।

tran-scribe', *v.* প্ৰতিলিপি তৈয়াৰ কৰা, নকল কৰা। tran'-script, *n.* প্ৰতিলিপি, নকল। tran-scrip'-tion, *n.* নকল কৰা কাৰ্য্য।

trans-fer', *v.* আনঠাইলৈ বদলি কৰা, হস্তান্তৰ কৰা, বিক্ৰী কৰা, আঁতৰোৱা। trans'-fer, *n.* আন ঠাইলৈ বদলি, হস্তান্তৰ, ছবি তোলা। trans'-fer-ence, *n.*

trans-fig'-ure, *v.* ৰূপান্তৰ কৰা। trans-fig-u-ra'-tion, *n.* ৰূপান্তৰ।

trans-fix', *v.* বিন্ধা, ভেদ কৰা।

trans-form', *v.* ৰূপান্তৰ কৰা, ঠগ সলোৱা, আনবস্তুলৈ সলনি কৰা। trans-for-ma'-tion, *n.* গঢ়ৰ পৰিবৰ্ত্তন।

trans-fuse' (*-fūz'*), *v.* ঢালা, তেজ সঞ্চাৰিত কৰা।

trans-gress', *v.* অতিক্ৰম বা লঙ্ঘন কৰা, সীমাৰ বাহিৰে যোৱা, অমান্য কৰা, পাপ কৰা। trans-gres'-sion, *n.* লঙ্ঘন, অপৰাধ, পাপ। trans-gress'-or, *n.* যোনে...।

tran-ship', *v.* এখন জাহাজৰ পৰা আৰু আন এখন জাহাজত তোলা। tran-ship'-ment, *n.*

tran'-sient (*-shent*), *adj.* ক্ষন্তেকীয়া, অনিত্য।

tran'-sit, *n.* সঞ্চাৰ, গতি, গমন, গ্ৰহ নক্ষত্ৰৰ, মাধ্যন্দিন ৰেখাৰ অতিক্ৰম।

tran-si'-tion (*-sish'-un*), *n.* আন ঠাইলৈ গমন, অৱস্থাৰ পৰিবৰ্ত্তন, আন বিষয়লৈ যোৱা কাৰ্য্য। tran'-si-tive, *adj.* সকৰ্ম্মক। tran'-si-to-ry, *adj.* ক্ষন্তেকীয়া, অনিত্য।

trans-late', *v.* অনুবাদ্ বা তৰ্জ্জমা কৰা, এঠাইৰ পৰা আন এঠাইলৈ আঁতৰোৱা। trans-la'-tion, *n.* অনুবাদ, তৰ্জ্জমা।

trans-lu'-cent, *adj.* পোহৰ সিবিৰিৰ পৰা, ফটফটীয়া।

trans'-mi-grate, *v.* এখন দেশৰ পৰা আন এখন দেশলৈ যোৱা, (আত্মাৰ) পুনৰ্জন্ম হোৱা। trans-mi-gra'-tion, *n.* আন দেশলৈ গমন, পুনৰ্জন্ম।

trans-mit', *v.* পঠোৱা। trans-mis'-sion, *n.* পঠোৱা কাৰ্য্য। trans-mis'-si-ble, *adj.*

trans-mute', *v.* পৰিবৰ্ত্তিত বা বিকৃত কৰা। trans-mu-ta'-tion, *n.*

trans-pa'-rent, *adj.* স্বচ্ছ, ফটফটীয়া। trans-pa'-ren-cy, *n.* স্বচ্ছতা, নিৰ্ম্মলতা।

trans-pire', *v.* ঘৰি ওলোৱা, প্ৰকাশ হৈ পৰা, ঘটা। trans-pi-ra'-tion, *n.*

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

trans-plant′, *v.* এঠাইৰ পৰা তুলি নি আন এঠাইত বোৱা, স্থানান্তৰিত কৰা।

trans-port′, *v.* নিৰ্ব্বাসিত কৰা, দ্বীপান্তৰ কৰা, আন ঠাইলৈ পঠোৱা, চালান দিয়া বা পঠোৱা, আনন্দত ডুবা। trans′-port, *n.* উন্নত, আনন্দ, সৈন্য নিয়া জাহাজ, চালান, পঠোৱা কাৰ্য্য। trans-por-ta′-tion, *n.* দ্বীপান্তৰ কৰা কাৰ্য্য, নিৰ্ব্বাসন।

trans-pose′, *v.* ক্ৰমৰ পৰিবৰ্ত্তন কৰা, সলনি কৰা। trans-po-si′-tion, *n.*

trans-verse′, *adj.* কটাকটি কৈ থকা।

trap, *v.* (ঘোঁৰা আদি) সজোৱা, ভূষিত কৰা, কৌশলেৰে ধৰা, ফান্দত পেলোৱা; *n.* এবিধ গাড়ী, ফান্দ, ফন্দি, কৌশল। trap′-pings, *n.* ঘোঁৰা আদিৰ সাজ। trap-door, *n.* গোপনীয় দুৱাৰ, চোৰ-দুৱাৰ।

tra-peze′ (*trä-pēz′*), *n.* ব্যায়ামত চুলনি দিয়া মাৰি।

trash, *n.* আবৰ্জ্জনা, ভুঁহুৰা, সাধাৰণ বস্তু; *v.* আমনি কৰা, দিগ্ দিয়া।

trav′-ail (*-āl*), *n.* অতিশয় শ্ৰম, প্ৰসব বেদনা; *v.* প্ৰসব বেদনাত কষ্ট পোৱা।

trav′-el, *v.* ভ্ৰমণ কৰা, ফুৰা; *n.* ভ্ৰমণ; *pl.* ভ্ৰমণ-কাহিনী। trav′-el-ler, *n.* পৰ্য্যটক, বাটৰুৱা।

trav′-erse, *adj.* কটা কটিকৈ থকা; *v.* অতিক্ৰম কৰা, ভ্ৰমণ কৰা, ফুৰা, বাধা, প্ৰতিবন্ধক।

trawl, *v.* পানীৰ তলেদি জাল টানি মাছ মৰা; *n.* টানি নিয়া জাল; এবিধ সৰু নাও (জালেৰে ব্যৱহাৰ কৰে।)

tray (*trā*), *n.* এবিধ পাত্ৰ।

treach′-er-y (*-ĕr-i*), *n.* বিশ্বাসঘাতকতা treach′-er-ous, *adj.* বিশ্বাসঘাতকী।

trea′-cle (*trē′-kl*), *n.* লালি।

tread (*tred*), (trod, trod *or* trod′-den, tread′-ing), *v.* গছকা, খোজ কঢ়া, ভৰিৰে মোহাৰি পেলোৱা; *n.*

tread′-le *or* **tred′-dle**, *n.* যʼত ভৰি দি যন্ত্ৰ চলায়।

trea′-son, *n.* ৰাজদ্ৰোহ, বিশ্বাসঘাতকতা।

trea′-sure (*tresh′-ūr*), *n.* সাঁচা ধন, ধন-সম্পত্তি; *v.* সাঁচা, বহুত মূল্যৰ বুলি ভাবা। treas′-u-ry, *n.* ধন-ভঁৰাল। treas′-u-rer, *n.* খাজাঞ্চী।

treat, *v.* ব্যৱহাৰ কৰা, আচৰণ কৰা, অভ্যৰ্থনা কৰা, বিবেচনা কৰা, (কোনো বিষয়ে) লিখা বা কোৱা, খুওৱা, চিকিৎসা কৰা, সন্ধিৰ প্ৰস্তাব কৰা; *n.* আচৰণ, ভোজদান। treat′-ment, *n.* আচৰণ, ব্যৱহাৰ, চিকিৎসা, বিবৃতি।

trea′-tise (*-tis*), *n.* ৰচনা, কিতাপ।

trea′-ty, *n.* সন্ধি।

treb′-le (*-l*), *adj.* তিনিগুণ, তীক্ষ্ণ; *n.* তীক্ষ্ণ বা উচ্চ স্বৰ; *v.* তিনি গুণ কৰা।

tree, *n.* গছ। tree-climber, *n.* কাৱৈ মাছ।

trek, *v.* দক্ষিণ আফ্ৰিকাত গৰুৰ গাড়ীত উঠি ভ্ৰমণ কৰা।

trel′-lis, *n.* হেদালি, চাঙ্গী।

trem′-ble (*-bl*), *n.* জাৰ বা ভয়ত কঁপা, লৰা বা কঁপা। trem′-u-lous, *adj.*

tre-men′-dous (*-dus*), *adj.* ভয়ানক, ভয়-লগা, ভীষণ।

trem′-or (*-ĕr*), *n.* কঁপনি।

trench, *n.* খাৱৈ, গড়-খাৱৈ; *v.* খাৱৈ-খনা। trench′-ant, *adj.* তীব্ৰ, কঠোৰ। trench′-er, *n.* ডাঙৰ কাঠৰ থাল।

trend, *v.* কোনো ফালে হালা বা ঢাল খোৱা; *n.* ঢাল, প্ৰবৃত্তি।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

trep-i-da'-tion, *n.* কঁপনি, ত্ৰাস।

tres'-pass, *v.* অনধিকাৰ প্ৰৱেশ কৰা, সীমা পাৰ হোৱা বা অত্যাচাৰ কৰা, অপৰাধ কৰা; *n.* অনধিকাৰ প্ৰৱেশ, দোষ। tres'-pass-er, *n.* যোনে...।

tress, *n.* চুলিৰ খোপা, চুলিৰ কেঁকোৰা কোঁচা।

tres'-tle (*-l*), *n.* ঠেকনা; বেলেগে নিব পৰা, টেবিল আদিৰ তলৰ অংশ।

tri'-al, *n.* পৰীক্ষা, কষ্ট, প্ৰলোভন, বিচাৰ।

tri'-an-gle, *n.* ত্ৰিভুজ। tri-an'-gu-lar, *adj.*

tribe, *n.* বংশ, জাতি, ফৈদ। tri'-bal, *adj.* বংশসম্বন্ধীয়।

trib-u-la'-tion, *n.* অতি কষ্ট, ক্লেশ।

trib'-une, *n.* (পুৰণি ৰোমৰ) সৰ্ব্বসাধাৰণে নিৰ্ব্বাচন কৰা বিচাৰক। tri-bu'-nal, *n.* বিচাৰকৰ আসন, আদালত।

trib'-ute, *n.* তলতীয়া ৰজাই শোধোৱা কৰ, পাবলগীয়া প্ৰশংসা আদি। trib'-u-ta-ry, *adj.* কৰদ, অধীন; *n.* কৰদ বা মিত্ৰ ৰজা, উপনদী।

trice, *n.* ক্ষন্তেক, মুহূৰ্ত্ত; *v.* বলেৰে টানি অনা বা বন্ধা।

trick, *n.* কৌশল, বুদ্ধি, চতুৰালি; *v.* প্ৰতাৰণা কৰা, বিভূষিত কৰা। trick'-er-y, *n.* কৌশল, চতুৰালি।

trick'-le (*-l*), *v.* টোপাটোপে পৰা বা সৰু ধাৰেৰে পৰা।

tri'-col-our, *n.* ফৰাচীবিলাকৰ জাতীয়-পতাকা বা নিচান।

tri'-cy-cle (*-sĭ-kl*), *n.* তিনি চকাৰ ভৰি গাড়ী।

tri'-dent, *n.* ত্ৰিশূল।

tri-en'-ni-al, *adj.* ত্ৰৈ-বাৰ্ষিক, তিনি বছৰীয়া।

tri'-fle (*-fl*), *n.* তুচ্ছ বা অতি সামান্য বস্তু বা বিষয়; *v.* পাতলামি কৈ কথা কোৱা বা কাৰ্য্য কৰা, তুচ্ছ, আমোদত নিযুক্ত থকা, অবাবত নষ্ট কৰা। tri'-fling, *adj.* তুচ্ছ, সামান্য।

trig'-ger, *n.* বন্দুকৰ টিপামৰা কল।

trill, *v.* টোপাটোপে পৰা বা ওলোৱা, কঁপা মাতেৰে উচ্চাৰণ কৰা, কঁপা; *n.* স্বৰৰ কম্পন।

trim, *adj.* পৰিপাটি, পৰিষ্কাৰ; *v.* সজোৱা, পৰিষ্কাৰ পৰিচ্ছন্ন কৰা, 'ছাঁটা', আগকটা; *n.* সাজ। trim'-ming, *n.* পোছাক পাতিৰ কাৰুকাৰ্য্য কৰা অংশ।

Trin'-i-ty, *n.* ঈশ্বৰত পিতা পুত্ৰ আৰু পবিত্ৰ আত্মা এই তিনিৰ মিলন, ত্ৰিমূৰ্ত্তি।

trin'-ket, *n.* নিচেই কম মূল্যৰ অলঙ্কাৰ বা বস্তু, সামান্য বস্তু।

tri'-o (*trē'-ō*), *n.* (I.), একে লগহোৱা মানুহ তিনিজন, তিনি ভাগত বিভক্ত গীত।

trip, *v.* চুটি-খোজ দি বেগাই যোৱা, উজুতি খোৱা, অলপ ঠাই ফুৰা, ভুল কৰা; *n.* যাত্ৰা, খেপ।

trip'-le, *n.* তিনি গুণ।

tri'-pod, *n.* তিনি ডাল খুটিৰ ওপৰত থকা পাত্ৰ, গছা বা আন যতন।

trite, *adj.* পুৰণি, সাধাৰণ, বাহী।

trit'-u-rate, *v.* অতি সৰু গুড়ি কৰা। trit-u-ra'-tion, *n.* গুড়ি, চূৰ্ণ।

tri'-umph (*-umf*), *n.* জয়, জয়ধ্বনি, কৃতকাৰ্য্যতাৰ বাবে আনন্দ বা উল্লাস; *v.* জয়লাভ কৰা বাবে উৎসৱ কৰা, জয়লাভ কৰা, সফল হোৱা, প্ৰবল হোৱা। tri-umph'-al (*-al*), *adj.* জয়সূচক। tri-umph'-ant, *adj.* জয়োল্লাস পূৰ্ণ।

triv'-et, *n.* তিনি পতীয়া ঠেকনা।

triv'-i-al, *adj.* সামান্য, তুচ্ছ।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

troll, *v.* ঘূৰোৱা, বগৰোৱা, পকোৱা, গীতৰ কোনো অংশ ধৰি ঘুৰাই ঘুৰাই গোৱা, মাছ ধৰা ; *n.* ঘূৰোৱা কাৰ্য্য।

trol'-ley *or* **-ly,** *n.* ঠেলাগাড়ী।

trom'-bone, *n.* এবিধ বাদ্যযন্ত্ৰ।

troop, *n.* দল, অশ্বাৰোহী সৈন্যদল ; *v.* দলে দলে যাত্ৰা কৰা, গোট খোৱা। troop'-er, *n.* অশ্বাৰোহী সৈন্য।

tro'-phy (*-fi*), *n.* ফলি বা স্তম্ভত কটা জয়ৰ চিন, শত্ৰুৰ পৰা পোৱা অস্ত্ৰ শস্ত্ৰ আদি।

trop'-ic, *n.* অয়নান্ত বৃত্ত। trop'-ics, *n. pl.* কৰ্কট আৰু মকৰ সংক্ৰান্তি, গ্ৰীষ্মমণ্ডল। trop'-ic-al, *adj.* গ্ৰীষ্মমণ্ডলৰ ভিতৰত থকা, গ্ৰীষ্মপ্ৰধান।

trot, *v.* 'কদমত' চলা, খৰতকীয়াকৈ যোৱা ; *n.*

troth, *n.* সত্য, প্ৰতিজ্ঞা, বিশ্বাস, বিয়াৰ বাগ্‌দান।

troub'-le (*trub'-l*), *n.* দিগ্‌, বেজাৰ, কষ্ট, মনৰ দুখ ; *v.* দিগ্‌ দিয়া, কষ্ট দিয়া, বিপদত পৰা। troub'-lous, *adj.* কষ্টপূৰ্ণ, উদ্বিগ্নতা জনক। troub'-le-some, *adj.* কষ্টজনক, বেজাৰ বা দিগ্ দিয়া।

trough (*trof*), *n.* পানীৰ পাত্ৰ বিশেষ।

trounce, *v.* অতিকৈ কোবোৱা বা শাস্তি দিয়া।

troupe (*troop*), *n.* যাত্ৰাৰ দল।

trou'-sers, *n. pl.* ঠেঙ্গা 'পায়জামা'।

trous-seau' (*troos-sō'*), *n.* (*pl.* -seaux') (*-sōz*) (F.) জী বা নতুন বোৱাৰীৰ কাপোৰ আৰু অলঙ্কাৰ।

trout, *n.* ৰৌ জাতিৰ এবিধ মাছ।

trow (*trō*), *v.* বিশ্বাস কৰা, অনুমান কৰা।

trow'-el, *n.* খন্তি।

tru'-ant, *n.* স্কুলৰ পৰা পলোৱা ছাত্ৰ, কাৰ্য্যালয়ৰ পৰা পলোৱা মানুহ ; *adj.* পলৰীয়া, এলেহুৱা।

truce, *n.* অলপ সময়লৈ যুদ্ধৰ বিৰাম বা সন্ধি স্থাপন, যন্ত্ৰণা বা কষ্টাদিৰ ক্ষন্তেকীয়া নিবৃত্তি।

truck, *n.* সৰু চকাৰ গাড়ী, ৰেলৰ মাল গাড়ী ; *v.* বস্তু সলোৱা বা সলনা সলনি কৰা।

truck'-le, *n.* সৰু চকা ; *v.* বৰ অধীন বা তলতীয়া হোৱা।

truc'-u-lent, *adj.* অতি ভয়ানক, ভীষণ, নিষ্ঠুৰ। truc'-u-lence, *n.* নিষ্ঠুৰতা।

true, *adj.* সঁচা, প্ৰকৃত, ঠিক, যথাৰ্থ, অকৃত্ৰিম, আচল। tru'-ism, *n.* স্বতঃসিদ্ধ সত্য, নিশ্চিত বচন। truth, *n.* সত্যতা, তথ্য, প্ৰকৃত বৰ্ণনা, সত্য, সত্যবাদিতা। tru'-ly, *adv,* সঁচা কৈ, প্ৰকৃততে।

trump, *n.* এবিধ বাঁহী, তাচৰ খেলাৰ ৰং ; *v.* তুৰুক কৰা, ঠগা।

trum'-per-y, *n.* বাহিৰা কথা, প্ৰতাৰণা।

trum'-pet, *n.* ঢাক, এবিধ বাজনা ; *v.* প্ৰচাৰ কৰা।

trun'-cheon (*-shun*), *n.* পদ মৰ্য্যাদাৰ চিন—দণ্ড।

trun'-dle, *n.* চকাৰ ওপৰেদি চলা বা চলোৱা ; *n.* সৰু চকা, চকা থকা গাড়ী।

trunk, *n.* গছৰ গুৰি, গা গছ, গা, হাতীৰ শুৰ, এবিধ পেৰা। trunk-line, *n.* (ৰেলৰ আলি, টেলিগ্ৰাফ, টেলিফোন আদিৰ) ঘাই বাট।

truss, *n.* ঘাহঁৰ আটি, ফুলৰ থোপা ; *v.* টানি বন্ধা, আটিল কৰা।

trust, *n.* বিশ্বাস, পতিয়ন, ভৰসা, আশা, দায়িত্ব ; আনৰ সম্পত্তিৰ অধ্যক্ষতা ; *v.* ভৰসা কৰা, বিশ্বাস কৰা, কাৰ্য্যৰ দায়িত্ব

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

দিয়া। trus-tee', *n.* বিশ্বাসী লোক—যাৰ হাতত কোনো সম্পত্তি চলাবৰ ভাৰ দিয়া হয়। trust'-ful, *adj.* বিশ্বাসী। trust'-wor-thy, *adj.* বিশ্বাসৰ উপযুক্ত। trust'-y, *adj.* সাধু, বিশ্বাসৰ উপযুক্ত। trust'-less, *adj.* অবিশ্বাসী।

try (tried, try'-ing), *v.* চেষ্টা কৰা, যত্ন কৰা, কষ্ট দিয়া, আদালতত বিচাৰ কৰা। tri'-al, *n.* পৰীক্ষা, কষ্ট, বিচাৰ।

tryst, *n.* কোনো ঠাইত গোট খাবলৈ কৰা প্ৰতিজ্ঞা, গোট খাবলৈ নিৰ্দ্দিষ্ট স্থান।

Tsar, *n.* ৰুচিয়াৰ সম্ৰাট ; *see* Czar.

tub, *n.* গামলা।

tube, *n.* নলী, চুঙা, মাটিৰ তলৰ ৰেল-বাট। tu'-bu-lar, *adj.* নলীৰ আকৃতিৰ।

tu'-ber, *n.* ভাঙৰ শিপা, আলু। tu'-ber-cle, *n.* ব্ৰণ। tu-ber-cu-lo'-sis, *n.* যক্ষ্মা। tu-ber'-cu-lous, *adj.*

tuck, *v.* কাপোৰ আদিৰ চিলনিত সিয়নি মৰাত খুঁজি দিয়া, ভিতৰলৈ সোমাই দিয়া, tuck'-er, *n.* তিৰোতাৰ বুকত লোৱা কাপোৰ।

tuft, *n.* থোপা।

tug, *v.* বলেৰে টনা, *n.* টান। tug of war, *n.* জৰী টনাটনি।

tu-i'-tion, *n.* শিক্ষা দিয়া কাৰ্য্য, উপদেশ।

tu'-lip, *n.* এবিধ ফুল (নানা বৰণৰ)।

tulle (*tool*), *n.* তিৰোতাৰ ওৰণী বা মুখ ঢাকনি তৈয়াৰ কৰা এবিধ ৰেচমী জাল-কাপোৰ।

tum'-ble, *v.* বাগৰ খোৱা, উজুতি খোৱা, লুটি খাই পৰা ; *n.*

tum'-bler, *n.* পানী-খোৱা গিলাচ, কুস্তি দেখুওৱা মানুহ, এবিধ পাৰ।

tu'-mid, *adj.* উখহা, ওফন্দা, শব্দৰ আড়ম্বৰযুক্ত, জাকজমকাল। tu'-mour, *n.* টেমুনা, উখহা ফোঁহৰা।

tu'-mult, *n.* গোলমাল, হাই। tu-mul'-tu-ous, *adj.* হাইপূৰ্ণ, হুলস্থুল।

tun, *n.* ১৯ মোণ মদ ধৰা ডাঙৰ পিপা।

tune, *n.* সুৰ, সুৰ-যুক্ত গীত, ৰাগৰাগিণী ; *v.* কোনো সুৰত বন্ধা ; সুললিত স্বৰেৰে গান বা গীত গোৱা। tune'-ful, *adj.* সুললিত, সুৰীয়া।

tu'-nic, *n.* ভিতৰত পিন্ধা চোলা ; সৈন্য আৰু পুলিচ কৰ্ম্মচাৰীয়ে পিন্ধা চুটি কোট চোলা।

tun'-nel, *n.* পৰ্ব্বতৰ মাজেদি আৰু নদী, ৰাস্তবাট আদিৰ তলেদি কটা বাট, সুৰঙ্গ।

tur'-ban, *n.* পাগুৰী।

tur'-bid, *adj.* ঘোলা, মলিযুক্ত।

tur'-bot, *n.* ডাঙৰ ঘূৰণীয়া চেপেটা মাছ।

tur'-bu-lent, *adj.* উৎপতীয়া, গোলমাল কৰোঁতা, অস্থিৰ। tur'-bu-lence, *n.* উৎপাত, গোলমাল।

turf, *n.* ঘাঁহ থকা চপৰা ; *v.* ঘাঁহ থকা চপৰাৰে ঢকা। The Turf, ঘোঁৰাদৌৰ।

tur'-gid (*jid*), *adj.* ওফন্দা, অহঙ্কাৰপূৰ্ণ।

tur'-mer-ic, *n.* হালধী।

tur'-moil, *n.* গোলমাল, হাই।

turn, *v.* ঘুৰা, ঘুৰোৱা, ওভোটা, ওভোটোৱা, ৰূপান্তৰ কৰা, অনুবাদ কৰা, বাহিৰ কৰা বা উলিওৱা ; *n.* আবৰ্ত্তন, পৰিবৰ্ত্তন, ভাব, উপকাৰ। turn'-ing, *n.* ভাঁজ। turn'-key, *n.* যাৰ হাতত 'জেইলৰ' চাবি থাকে। turn'-coat, *n.* চঞ্চল মানুহ, কুন্দোৱা বাটে। turn'-o-ver, *n.* কোনো কাৰবাৰত খটোৱা এবাৰৰ মূলধন। turn'-pike, *n.* 'কৰ' তোলাৰ বাবে আলিৰ ওপৰত কৰা দুৱাৰ মুখ। turn'-stile, *n.* সোমাওঁতাৰ সংখ্যা নিৰ্ণয়

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

কৰিবলৈ পতা বাটৰ প্ৰতিবন্ধক। **turn'-table**, *n.* ৰেলগাড়ী ঘুৰুৱাবৰ ওখঠাই।

tur'-nip, *n.* শালগম।

tur'-pen-tine, *n.* তাৰ্পিন তেল।

tur'-pi-tude, *n.* নীচতা, জঘন্য নীতি বা চৰিত্ৰ।

tur-quoise' (*-koys'* or *-kēs'*), *n.* সেউজীয়া ৰঙৰ আভা থকা নীলা ৰঙৰ এবিধ বহুমূলীয়া মণি।

tur'-ret, *n.* ঘৰৰ সৰু চূড়া।

tur'-tle (*-tl*), *n.* সাগৰৰ কাচ'।

tush, *intj.* মনে মনে থাক্!

tusk, *n.* হাতীৰ দাঁত, গাহৰিৰ দাঁত।

tus'-sle (*-l*), *n.* তুমুল যুঁজ; *v.* যুঁজ কৰা

tu'-tor, *n.* শিক্ষক, অভিভাৱক; *v* শিকোৱা। **tu'-te-la-ry**, *adj.* ৰক্ষক। **tu'-te-lage**, *n.* তত্ত্বাৱধান, ৰক্ষণাবেক্ষণ। **tu-to'-ri-al**, *adj.*

twad'-dle (*twod'-l*), *n.* বাজে কথা; *v.* বাজে কথা বলকা।

twang, *v.* টঙ্কাৰ শব্দ কৰা, টঙ্কাৰ দিয়া; *n.* টঙ্কাৰ, কথা কোৱাত নাকী সুৰ।

tweak, *v.* হঠাৎ টান মৰা, চিকুটা; *n.* চিকুট, হোক্‌চা টান।

twee'-zers, *n. pl.* সৰু চেপেনা বা চিম্টা।

twid'-dle, *v.* লাহেকৈ স্পৰ্শ কৰা বা চুৱা।

twig, *n.* সৰু ঠানি, পোখা, গজালি।

twi'-light, *n.* দোকমোকালি, ছকাছন্দা।

twill, *n.* এবিধ কাপোৰ।

twin, *adj.* জঁজা; *n.* একেলগে জন্মা দুইজনৰ এজন।

twine, *n.* সৰু জৰী; *v.* মেৰিওৱা, একেলগ কৰা।

twinge (*twinj*), *n.* আকস্মিক তীব্ৰ বেদনা; *v.* হঠাৎ তীব্ৰ বেদনা অনুভৱ কৰা।

twin'-kle (*-kl*), *v.* টিমিক টামাক কৈ জ্বলা, পিৰিক পাৰাক কৈ জ্বলা, নিমিষ কৰা।

twirl, *v.* আঙুলিৰে চক্ চক্ কৈ ঘুৰোৱা, বেগেৰে ঘুৰোৱা; *n.* ঘূৰণি।

twist, *v.* মোচৰা, মেৰিওৱা, পকোৱা; *n.* পাক, মেৰ, মোচৰ।

twit, *v.* গালি পৰা, ভৰ্ৎসনা কৰা।

twitch, *n.* হোক্‌চা টান, আঁজোৰ; *v.* আঁজোৰা, হোক্‌চাকৈ টনা।।

twit'-ter, *v.* খিচ্ খিচ্ শব্দ কৰা, খেলি-মেলি শব্দ কৰা, খিল্-খিল্‌কৈ হঁাহা, উত্তেজিত হোৱা; *n.* খিচ্ খিচ্ শব্দ।

tym'-pa-num, *n.* (*pl.* -pa-na), কাণৰ সূক্ষ্ম পৰদা। **tym-pa-ni'-tis**, *n.* কাণ-পকা। **tym-pa-ni'-tes**, *n.* পেট-ওফোন্দা।

type, *n.* ছাপ, নিদৰ্শন, সাদৃশ্য, ছবি, আদৰ্শ, আহিঁ, ছপাকৰা আখৰ। **typ'-i-cal** (*tip'-ĭ-*) *adj.* আদৰ্শস্থানীয়, কোনো জাতিৰ থাই গুণ থকা। **typ'-i-fy**, *v.* ছবি বা চিনেৰে দেখুওৱা, অনুৰূপ কৰা। **ty'-pist**, *n.* টাইপ কৰোঁতা। **ty-pog'-ra-phy**, *n.* মুদ্ৰাঙ্কন বিদ্যা। **ty-pog'-ra-pher**, *n.* মুদ্ৰাকৰ।

ty-phoon', *n.* ডাঙৰ ধুমুহা বতাহ।

ty'-phus (*-fŭs*), *n.* সোঁচৰা, পোৱণি জ্বৰ। **ty'-phoid**, *adj.* সান্নিপাতিক।

ty'-rant, *n.* স্বেচ্ছাচাৰী ৰজা, নিষ্ঠুৰ গৰাকী, অত্যাচাৰী মানুহ। **tyr'-an-ny**, *n.* অত্যাচাৰ, নিষ্ঠুৰতা, কঠোৰ শাসন, উৎপীড়ন। **ty-ran'-nic-al**, **tyr'-an-nous**, *adj.* অত্যাচাৰী, নিষ্ঠুৰ। **tyr'-an-nize**, *v.* অত্যাচাৰ কৰা, উৎপীড়ন কৰা।

tyre, *n.* লৰৰ বা লোৰ চকা বেষ্টনী।

ty'-ro, **ti'-ro**, *n.* নতুন শিকাৰু, কামত নতুনকৈ সোমোৱা মানুহ।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

U

[Un-, under- বা up- উপসৰ্গযুক্ত বিবোৰ শব্দ ইয়াত পোৱা নাযায়, মুল শব্দ চাই লব লাগিব।]

u-biq'-ui-tous (*-bik'-wi-tus*), *adj.* সৰ্ব্বব্যাপী। u-biq'-ui-ty, *n.* সৰ্ব্বব্যাপিত্ব।

ud'-der, *n.* গাইগৰু আদিৰ বাঁহা, ওহাৰ।

ug'-ly, *adj.* কুৎসিত, কুৰূপ, অশুৱনী। ug'-li-ness, *n.*

u-kase', *n.* ৰুচসম্ৰাটে প্ৰচাৰ কৰা আদেশ।

ul'-cer (*-sĕr*), *n.* পুঁৰ ওলোৱা ঘা।

ul-te'-ri-or (*-tē'-*), *adj.* বাহিৰৰ; গুঢ়, গোপনীয়।

ul'-ti-mate, *adj.* শেষৰ। ul'-ti-mate-ly, *adv.* অৱশেষত। ul-ti-ma'-tum, *n.* (*pl.* ul-ti-ma'-ta), শেষ প্ৰস্তাৱ বা দাবি। ul'-ti-mo, *adv.* যোৱা মাহত।

ul'-tra, *adv.* (L.) সিফালে, বাহিৰে, শেহ, উৎকৃট।

ul-tra-ma-rine' (*-rēn'*), *adj.* সাগৰৰ সিপাৰে থকা; *n.* ডাঠ নীলা বৰণ।

ul-tro'-ne-ous, *adj.* আপোনা-আপুনি হোৱা।

um'-brage, *n.* ছাঁ, বিৰক্তি, অসন্তোষ। um-bra'-geous, *adj.* বেচি ছাঁযুক্ত।

um-brel'-la, *n.* ছাতা, ছাতি।

um'-pire, *n.* মধ্যস্থ।

un-a'-ble, *adj.* অক্ষম, অপাৰগ।

un-ad-vised', *adj.* অসঙ্গত। -ly, *adv.* অবিবেচনাৰে, আগেয়ে নভবাকৈ।

un-al'-ter-a-ble, *adj.* অপৰিবৰ্ত্তনীয়, স্থিৰ।

u-nan'-i-mous (*-i-mus*), *adj.* একমত। u-nan'-i-mous-ly, *adv.* একমতে। u-na-nim'-i-ty, *n.* মতৰ মিল।

un-a-vai'-ling, *adj.* বৃথা। un-av-ail'-a-ble, *adj.* অপ্ৰাপ্য, অনৰ্থক।

un-a-wares', *adv.* হঠাৎ, অজ্ঞাতসাৰে, নজনাকৈ।

un-bar', *v.* ডাং খোলা।

un-be-lief' (*-lēf'*), *n.* অবিশ্বাস, নাস্তিক বুদ্ধি। un-be-liev'-er, *n.* ঈশ্বৰত অবিশ্বাসী, নাস্তিক।

un-bend', *v.* পোন কৰা, ধনুৰ গুণ বা জোৰ মুকলি কৰা; জিৰণি-লোৱা বা লৰলৈ দিয়া। un-ben'-ding, *adj.* অটল।

un-blown', *adj.* নুফুটা, নুফুওৱা।

un-born', *adj.* নজন্মা, ভাবী।

un-bought', *adj.* বিনামূল্যে পোৱা, ভেঁটি খোৱা দোষ নথকা।

un-bos'-om, *v.* মনৰ কথা খুলি কোৱা।

un-bound', *adj.* নবন্ধা। un-bound'-ed, *adj.* অসীম, অনন্ত, অপৰিমিত।

un-bri'-dled, *adj.* লেকামৰ পৰা মুকলি, উদ্ধত, উচ্ছৃঙ্খল।

un-bur'-den, *v.* ভাৰ বা বোজাৰ পৰা মুক্ত কৰা; মনৰ উদ্বিগ্নতা দূৰ কৰা।

un-called' for, *adj.* উপযাচি দিয়া, অযাচিত।

un-can'-ny, *adj.* বিপদসঙ্কুল, ভৌতিক, গুৰুতৰ।

un-cared' for, *adj.* আহেলা-কৰা।

un-char'-i-ta-ble, *adj.* অনুদাৰ।

un'-cle, *n.* খুড়া, মমা, মহা, পেহা।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

un-clothe', *v.* বিবস্ত্র কৰা। un-clothed', *adj.* বিবস্ত্র।
un-com'-pro-mi-sing, *adj.* মীমাংসা কৰিব নোৱাৰা, অদম্য।
un-con-cern', *n.* উদাসীন ভাব, নিশ্চিন্ত-ভাব। un-con-cerned', *adj.*
un-con'-scious (*-shus*), *adj.* অজ্ঞান, অবিদিত, নজনা।
un-couth' (*-kooth'*), *adj.* অদ্ভুত, কুৎসিত।
un-cov'-er, *v.* ঢাকনি গুচোৱা, ফট্-ফটীয়াকৈ প্ৰকাশ কৰা।
unc'-tion, *n.* তেল ঘঁহা কাৰ্য্য, তেল, মলম। unc'-tu-ous, *adj.* তেল-সনা, মিহি, মিঠা।
un-cul'-ti-va-ted, *adj.* চহ নকৰা, অশিক্ষিত।
un-daun'-ted, *adj.* নিৰ্ভীক।
un-de-ceive', *v.* ভ্ৰান্তি বা ভুল দূৰ কৰা, চকু খোলা।
un-der, *prep.* তলত, অধীনত।
un'-der-cur-rent, *n.* তলেৰে যোৱা সোঁত, ক্ৰোধ হিংসা আদিৰ বিপৰীত গতি।
un'-der-done, *adj.* যি সম্পূৰ্ণ ভাবে সিজা নাই।
un-der-go', *v.* ভোগ কৰা, সহ্য কৰা।
un-der-grad'-u-ate, *n.* বিশ্ববিদ্যালয়ত যি ছাত্ৰে বি.এ., এম.বি. আদি উপাধি পোৱা নাই।
un'-der-growth, *n.* ডাঙৰ গছৰ তলত জন্মা সৰু গছ বা লতা আদি।
un'-der-hand, *adj.* : *adv.* মনে মনে বা গোপনে, শঠতাৰে।
un-der-lay', *v.* তলত ঢকা বা ঠেকনা দিয়া।
un'-der-ling, *n.* তলতীয়া বা নীহ মানুহ, যোনে আনৰ অন্নেৰে প্ৰতিপালিত হয়।
un-der-mine', *v.* তলত থকা মাটি তুলি পেলোৱা, গোপনে সৰ্ব্বনাশ কৰা, নষ্ট কৰা।
un-der-rate', *v.* কম মূল্যৰ বুলি ভৱা, তুচ্ছজ্ঞান কৰা।
un'-der-stand', *v.* বুজা, হৃদয়ঙ্গম কৰা। un-der-stand'-ing, *n.* বুদ্ধি, বিবেচনা বোধ, ব্যাখ্যা, সৰ্ত্ত ; *adj.* বুদ্ধিমান।
un-der-take', *v.* লোৱা, ভাৰলোৱা, প্ৰবৃত্ত হোৱা, অঙ্গীকাৰ কৰা। un-der-ta'-ker, *n.* যোনে অঙ্গীকাৰ কৰে, যোনে শ্মশানত অন্ত্যেষ্টি ক্ৰিয়া যোগাৰ কৰি দিয়ে। un-der-ta'-king, *n.* কাৰ্য্য, অঙ্গীকাৰ।
un-der-write', *v.* ক্ষতিপূৰণ-কৰিবলৈ অঙ্গীকাৰ কৰা, বীমা কৰা। un'-der-wri-ter, *n.* বীমাকৰোঁতা।
un-do', *v.* ওলোটাই দিয়া, নষ্ট কৰা, খুলি দিয়া, ভাঙ্গি দিয়া, সৰ্ব্বনাশ কৰা।
un-dress', *v.* বিবস্ত্র বা নাঙ্গঠ কৰা বা হোৱা ; ঘাত বন্ধা পটি গুচোৱা।
un'-du-late, *v.* সাগৰৰ ঢৌৰ দৰে উঠা নমা কৰা। un-du-la'-tion, *n.* un'-du-la-to-ry, *adj.* ঢৌৰ নিচিনা, উঠা-নমা।
un-earth', *v.* মাটি খানি উলিওৱা, আবিষ্কাৰ কৰা। un'-earth-ly, *adj.* অপাৰ্থিব।
un-ea'-sy (*-zĭ*), *adj.* অস্থিৰ, চিন্তিত, উদ্বিগ্ন।
un-er'-ring, *adj.* ভুল নকৰা, নিশ্চিত।
un-fail'-ing, *adj.* নিশ্চিত, অব্যৰ্থ।
un-feel'-ing, *adj.* সহানুভূতি শূন্য, নিষ্ঠুৰ, নিৰ্দ্দয়, কঠুৱা হৃদয়ৰ।
un-feigned' (*-fānd'*), *adj.* অকপট, অকৃত্ৰিম, যথাৰ্থ।
un-fet'-ter, *v.* শিকলিৰ পৰা মুকলি কৰা, স্বাধীন কৰা।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

un-fold', *v.* প্ৰকাশ কৰা বা হোৱা, বিস্তাৰ কৰা, জনাজাত কৰা।
un-for'-tu-nate, *adj.* দুৰ্ভগীয়া, হতভাগ্য।
un-furl', *v.* মেলি দিয়া, খুলি দিয়া।
un-gain'-ly, *adj.* কুৰূপ, কুৎসিৎ।
un-ge'-ni-al, *adj.* প্ৰকৃতি বিৰুদ্ধ, বুদ্ধিৰ প্ৰতিকূল।
un-gird', *v.* কঁকালৰ বান্ধোন খুলা, কোনো ভাবৰ পৰা মুক্ত কৰা।
un-god'-ly, *adj.* নাস্তিক, অধাৰ্ম্মিক।
un-grudg'-ing, *adj.* অকাতৰ। -ly, *adv.* অকাতৰে, নিজ ইচ্ছা মতে।
un'-guent (*-gwent*), *n.* লেপ, মালিচ্।
un'-guin-ous, *adj.* তেলযুক্ত।
un-hand', *v.* হাত তুলি নিয়া, এৰি দিয়া।
un-hinge', *v.* কজাৰ পৰা এৰোৱা, বিকল কৰা, ব্যাকুল কৰা।
un-horse', *v.* ঘোঁৰাৰ পিঠিৰ পৰা পেলোৱা, ঘোঁৰা এৰি দিয়া।
u'-ni-corn, *n.* কল্পিত এটা শিঙৰ ঘোঁৰা।
u'-ni-form (*-nĭ-*), *adj.* সদায় একে ৰকমৰ, সকলোতে সমান, অপৰিবৰ্ত্তনীয়; *n.* সৈন্য, পুলিচ আদিৰ একে ৰকমৰ পোছাক। u-ni-form'-i-ty (*-ĭ-tĭ*), *n.* অভিন্নতা, সাদৃশ্য।
un'-ion, *n.* মিলন, সম্মিলন, ঐক্য, মিল। Union Jack, সম্মিলিত ইংৰাজ সকলৰ জাতীয় পতাকা।
un'-ion-ist, *n.* কোনো ব্যৱসায় সমিতিৰ সভ্য, ইংলণ্ড, স্কটলণ্ড আৰু আয়াৰ্লণ্ডক একেটা ব্যৱস্থাপক সভাৰ অধীনত ৰাখিবলৈ ইচ্ছা কৰা লোক।
u-nique' (*-nēk'*), *adj.* অদ্বিতীয়, অতুলনীয়।
u'-ni-son, *n.* সুৰৰ মিল, ঐক্য, মিল।
u'-nit, *n.* এক, একক, এটা মাথোন বস্তু বা মানুহ, পৰিমাণ বা গণনাত এক সংখ্যা। u-nite', *v.* লগলগোৱা বা হোৱা, একেলগ কৰা বা হোৱা। u'-ni-ty, *n.* একতা, মিল, একক। u'-ni-fy, *v.* এটা কৰা।
u'-ni-verse, *n.* বিশ্ব, জগৎ, সংসাৰ। u-ni-ver'-sal, *adj.* সাৰ্ব্বজনীন, বিশ্বজনীন, সাধাৰণ।
u-ni-ver'-si-ty, *n.* বিশ্ববিদ্যালয়।
un-learn', *v.* পাহৰা, বিপৰীত শিক্ষা কৰা।
un-less', *conj.* যদি ন হয়, বিনা।
un-load', *v.* বোজাই নমোৱা, ভৰা গুচোৱা।
un-loose', **un-loos'-en**, *v.* সোলো-কোৱা বা সোলোকি যোৱা।
un-make', *v.* ভঙা, নষ্ট কৰা।
un-man', *v.* নিস্তেজ কৰা, নিৰুৎসাহ বা হতাশ কৰা, মানুহ নোহোৱা কৰা। un-man'-ly, *adj.* পুৰুষালিহীন, দুৰ্ব্বল, নীচ।
un-mask', *v.* মুখা খোলা, ছদ্মবেশ এৰা, প্ৰকাশ কৰা।
un-moor', *v.* লঙ্গৰ তোলা, জাহাজ মেলা।
un-nat'-u-ral, *adj.* অস্বাভাৱিক, নিষ্ঠুৰ।
un-nerve', *v.* শক্তিহীন কৰা, নিস্তেজ কৰা, নিৰুৎসাহ কৰা।
un-ob-tru'-sive, *adj.* বিনীত, নম্ৰ।
un-par'-al-leled (*-leld*), *adj.* অতুলনীয়।
un-prac'-tised, *adj.* অনভ্যস্ত, অনিপুণ।
un-prec'-e-dent-ed (*-pres'-*), *adj.* আগেয়ে নোহোৱা, নতুন।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

un-pre-tend'-ing, *adj.* অহঙ্কাৰশূন্য, নম্ৰ।

un-prin'-ci-pled (*-sĭ-pld*), *adj.* কোনো নীতি নথকা, ধৰ্ম্মহীন, নৈতিকশক্তিহীন।

un-rav'-el, *v.* জটিলতা দূৰ কৰা, সমাধান কৰা, বেলেগ কৰা, প্ৰকাশ কৰা।

un-re'-al, *adj.* অপ্ৰকৃত, মায়াময়, কল্পিত, কৃত্ৰিম।

un-re-mit'-ting, *adj.* অবিৰাম।

un-rest', *n.* অশান্তি, উদ্বিগ্নতা।

un-roll', *v.* মেৰিয়াই থোৱা বস্তু, মেলা বা মেল খোৱা, প্ৰকাশ কৰা, তালিকাৰ পৰা তুলি দিয়া।

un-ru'-ly (*-lĭ*), *adj.* অবাধ্য, দুৰ্দ্দান্ত, অশাসনীয়।

un-schooled', *adj.* অশিক্ষিত, অবিনীত।

un-search'-able, *adj.* যি অনুসন্ধান কৰি বা বিচাৰি পোৱা নেযায়, ৰহস্যপূৰ্ণ।

un-set'-tle (*-l*), *v.* বিচলিত কৰা, গোলমাল লগাই দিয়া।

un-sex', *v.* তিৰোতাৰ কোমলতা আদি গুণ নোহোৱা কৰা, পুৰুষৰ শৌৰ্য্যহীন কৰা।

un-sight'-ly, *adj.* কদাকাৰ, অশুৱনী।

un-sta'-ble, *adj.* অস্থিৰ, চঞ্চল, পৰিবৰ্ত্তনশীল।

un-stead'-y, *adj.* অস্থিৰ, চঞ্চল।

un-til', *prep.* : *conj.* যেতিয়ালৈকে নহয়।

un-time'-ly, *adj.* অসময়ত ঘটা বা হোৱা।

un-ti'-ring, *adj.* অক্লান্ত, ভাগৰ নলগা।

un'-to, *prep.* প্ৰতি, লৈ।

un-to'-ward (*-ĕrd*), *adj.* অশিষ্ট, উগ্ৰ, প্ৰতিকূল।

un-twist', *v.* মেৰ বা পাক খোলা, সমাধান কৰা।

un-u'-su-al, *adj.* অসাধাৰণ, বিৰল।

un-var'-nished (*-nisht*), *adj.* অতিৰঞ্জিত নোহোৱা, সাধাৰণ।

un-va'-ry-ing, *adj.* পৰিবৰ্ত্তন নথকা, একেৰকমৰ।

un-veil', *v.* ওৰণি গুচোৱা, প্ৰকাশ কৰা।

un-weaned', *adj.* পিয়াহ-খোৱা, বেলেগ নকৰা।

un-wield'-y, *adj.* গধুৰ, চলাব নোৱাৰা।

un-wit'-ting-ly, *adv.* অজ্ঞাতসাৰে, নজনা নুশুনাকৈ।

un-world'-ly, *adj.* বৈষয়িকবুদ্ধিহীন।

un-yoke', *v.* সাঙুৰ এৰি দিয়া, মুকলি কৰি দিয়া।

up-braid', *v.* গালি পৰা, ভৎ'সনা কৰা।

up-heave', *v.* ওফোন্দা বা ওফোন্দোৱা, ওপৰলৈ তোলা বা উঠা। up-heav'-al, *adj.* ওফন্দনি।

up'-hill, *adj.* পাহাৰৰ ওপৰলৈ উঠা, অতি শ্ৰম লগা, টান।

up-hold', *v.* ধৰা, ৰক্ষা কৰা, সমৰ্থন কৰা, সহায় কৰা।

up-hol'-ster-er, *n.* বিছনা পাতিব বয়বস্তু তৈয়াৰ কৰোঁতা বা সৰবৰাহ কৰোঁতা। up-hol'-ster-y, *n.* বিছনা পাতি আৰু ঘৰ সজ্জিত কৰা বস্তু, এনেবস্তুৰ ব্যৱসায়।

up'-keep, *n.* পালন, ৰক্ষণ।

up'-land, *n.* ওখঠাই ; *adj.* ওখঠাইত থকা।

up-lift', *v.* ওপৰলৈ তোলা বা তাঙ্গা, উন্নত কৰা।

up'-right, *adj.* পোন, সৰল, সৎ, সাধু, ন্যায়পৰায়ণ। up'-right-ness, *n.* সৰলতা, ন্যায়পৰায়ণতা।

up'-roar (*-rōr*), *n.* কোলাহল, হাই। up-roar'-i-ous, *adj.* কোলাহলপূৰ্ণ।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

up-set′, *v.* বগৰাই দিয়া, ওলোটাই দিয়া, ব্যতিব্যস্ত কৰা। up′-set, *n.*
up′-shot, *n.* শেষফল, অন্ত, শেহ।
up′-stairs, *adv.* ওপৰ মহলাত।
up′-start, *n.* হঠাৎ হোৱা ডাঙৰ বা ধনী মানুহ।
up′-ward, *adj.* & *adv.* ওপৰ ফালে যোৱা, ওপৰলৈ। up′-wards, *adv.* ওপৰৰ ফালে। upwards of, আৰু বেচি।
ur′-ban, *adj.* নগৰীয়া, নগৰবাসী। ur-bane′, *adj.* ভদ্ৰ, শিষ্ট, নম্ৰ। ur-ban′-i-ty, *n.* শিষ্টাচাৰ, ভদ্ৰব্যৱহাৰ।
ur′-chin, *n.* কেটেলা পহু, চেঙ্গেলীয়া লৰা।
u-re′-thra, *n.* মূত্ৰনলী, পেঁচাবৰ বাট।
urge (*urj*), *v.* উদগা, উত্তেজিত কৰা, তাগিদা কৰা, জোৰ কৰি ধৰা। ur′-gent, *adj.* অতি আৱশ্যকীয়, জৰুৰী। ur′-gen-cy, *n.* হেঁচা, জৰুৰী কাম, তাগিদা।
u′-rine (*ū′-rĭn*), *n.* মূত, পেঁচাব। u′-ri-nate, *v.* পেঁচাব কৰা। u′-rin-al, *n.* পেঁচাব কৰা ঠাই।
urn, *n.* পানী ৰখা পাত্ৰ, মৃত লোকৰ পোৰা ছাই ৰখা পাত্ৰ।
u′-sage (*-sāj*), *n.* ব্যৱহাৰ, ৰীতি, প্ৰথা।
us′-ance, *n.* ৰীতি, ধৰণ, সুত, হুণ্ডীৰ টকা দিয়াৰ সময়।
use (*ūz*), *v.* ব্যৱহাৰ কৰা, কামত লগোৱা, অভ্যাস থকা ; (*ūs*), *n.* ব্যৱহাৰ, প্ৰয়োজন, উপকাৰিতা, প্ৰথা, অভ্যাস, উপস্বত্ব, ফল। use′-ful, *adj.* দৰ্কাৰী, উপকাৰী। use′-less, *adj.* অনাৱশ্যকীয়, অদৰ্কাৰী, অকৰ্ম্মণ্য।
ush′-er, *n.* দুৱৰী, যোনে অভ্যাগতক সভাৰ ঠাইলৈ বা ঘৰৰ ভিতৰলৈ লৈ যায়, তলৰ শিক্ষক ; *v.* বাট দেখুৱাই লৈ যোৱা।
u′-su-al (*-shū-*), *adj.* চলিত, নিৰ্দ্দিষ্ট, ব্যৱহাৰিক।
u-surp′ (*-zurp′*), *v.* বলেৰে অধিকাৰ কৰা, অন্যায়কৈ লোৱা। u-sur-pa′-tion, *n.* বলেৰে কৰা অধিকাৰ। u-surp′-er, *n.* বলেৰে অধিকাৰ কৰোঁতা।
u′-su-ry (*-shū-*), *n.* সৰহ সুত লোৱা কাৰ্য। u′-su-rer (*-shūr*), *n.* যোনে সৰহ সুত লয়। u-su′-ri-ous, *adj.* সৰহ সুত লওতা বা সেই সম্বন্ধীয়।
u-ten′-sil, *n.* বাচনবৰ্ত্তন।
u′-ter-ine (*ū′-tĕr-ĭn*), *adj.* গৰ্ভ-সম্বন্ধীয়, বেলেগ বাপেকৰ ঔৰসত একে মাকৰ গৰ্ভত জন্মা।
u-til′-i-ty, *n.* উপকাৰিতা, সুবিধা। u′-til-ize, *v.* উপকাৰত লগোৱা, ব্যৱহাৰ কৰা।
ut′-most, *adj.* আটাইতকৈ বেচি, যিমান দূৰ সম্ভৱ, অত্যন্ত।
U-to′-pi-a, *n.* কাল্পনিক বা মনেগঢ়া সুখৰ দেশ। U-to′-pi-an, *adj.* কল্পিত, মনে গঢ়া, অসম্ভৱ।
ut′-ter, *adj.* অত্যন্ত, সম্পূৰ্ণ ; *v.* বেয়া টকা চলোৱা, কথা-কোৱা, উচ্চাৰণ কৰা, প্ৰচাৰ কৰা। ut′-ter-ance, *n.* প্ৰচলন, উচ্চাৰণ, কথা, কথাকোৱা ধৰণ, বাক্‌শক্তি। ut′-ter-ly, *adv.* সম্পূৰ্ণৰূপে। ut′-ter-most, *adj.* আটাইতকৈ বেচি, অতি দূৰৈত থকা, অত্যন্ত।
u′-vu-la (*-lă*), *n.* আলজিভা।
ux-o′-ri-ous (*ugz′-ō′-ri-us*), *adj.* তিৰোতাৰ একান্ত অধীন, তিৰোতা-সেকৰা।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

V

va'-cant (*vā'-*), *adj.* শূন্য, শুদা, খালি। va'-can-cy, *n.* শূন্যতা, খালিপদ বা কাম। va-cate', *v.* খালি বা শূন্য কৰা, এৰি দিয়া। va-ca'-tion, *n.* বন্ধ, জিৰণি।

vac'-ci-nate (*vak'-sĭ-*), *v.* ছিটা দিয়া, টিকা দিয়া। vac'-cine (*-sin*), *n.* গো-বীজ (ছিটা দিয়াত ব্যৱহাৰ কৰা)। vac-ci-na'-tion, *n.* টিকা।

vac'-il-late (*vǎs'-*), *v.* ইতস্ততঃ কৰা, অস্থিৰ হোৱা। vac-il-la'-tion, *n.* ইতস্ততঃ কৰণ, অস্থিৰভাব, সংশয়।

vac'-u-um, (*văk'-ū-*), *n.* (L.) শূন্য বা শুদা ঠাই। vac-u'-i-ty, *n.* শূন্যতা, শুদা ঠাই।

vag'-a-bond, *adj.* মিছাতে ঘুৰিফুৰা; *n.* যাৰ নিৰূপিত ঘৰবাৰী নাই, মিছাতে ঘুৰি ফুৰে; অকৰ্ম্মণ্য মানুহ, দুষ্ট লোক।

va-ga'-ry (*vă-gā'-*), *n.* বুদ্ধিৰ বিকাৰ, চিত্তভ্ৰম, অসাৰ কল্পনা।

va'-grant, *adj.* ঘৰবাৰী নোহোৱা, ফুৰি থকা; *n.* যাৰ নিৰ্দ্দিষ্ট ঘৰবাৰী নাই, ঘুৰি ফুৰি থাকে।

vague (*vāg*), *adj.* অস্পষ্ট, অঠাৱৰ, অনিৰ্দ্দিষ্ট।

vain, *adj.* বৃথা, নিষ্ফল, গপাল, দাম্ভিক।

vain-glo'-ry, *n.* মিছা ডাক্কোপ।

val'-ance, *n.* জোলোম থকা বিছনাৰ চাদৰ, খিড়িকিৰ পৰ্দ্দা আদি।

vale, *n.* ভৈয়াম, উপত্যকা।

val-e-dic'-tion, *n.* বিদায় দিয়াৰ সময়ত মঙ্গল কামনা। val-e-dic'-to-ry, *adj.*

val'-en-tine, *n.* ১৪ ফেব্ৰুৱাৰীত হোৱা চেণ্ট ভ্যালেন্টাইন পৰ্ব্বোপলক্ষে পঠোৱা প্ৰীতি উপহাৰ।

val'-et, *n.* চাকৰ।

val'-iant (*-yănt*), *adj.* নিৰ্ভীক, সাহসী। val'-our, *n.* শৌৰ্য্য, সাহস।

val'-id, *adj.* সবল, প্ৰবল, ন্যায়, বৈধ, যুক্তিসঙ্গত, নিৰ্দ্দোষ। val-id'-i-ty, *n.* বৈধতা, নিৰ্দ্দোষতা, প্ৰবলতা।

val-ise' (*-ēs'*), *n.* (F.). বাটকৰাৰ সৰু ব্যাগ।

val'-ley, *n.* (*pl.* val'-leys), উপত্যকা, ভৈয়াম।

val'-ue (*-ū*), *n.* মূল্য, গুণ, উপকাৰিতা, শ্ৰদ্ধা; *v.* মূল্য থিৰ কৰা, মূল্যবান বুলি বিবেচনা কৰা, শ্ৰদ্ধা কৰা, আদৰ কৰা। val'-u-a-ble (*-bl*), *adj.* মূল্যবান। val-u-a'-tion, *n.* মূল্য নিৰূপণ।

valve, *n.* ঢাকনি বা দুৱাৰ (একফালেদি খোলা), নলীৰ আবৰণ।

vamp, *n.* জোতাৰ ওপৰ তৰপৰ ছাল; *v.* তাপলি মৰা, কোনোৰকমে চলোৱা।

vam'-pire, *n.* তেজ পিয়া ভূত; এবিধ তেজ-পিয়া নিশাচৰাই বা বাদুলি; ধন-শোষক।

van, *n.* সৈন্যদলৰ আগভাগ, মাল পঠোৱা গাড়ী। van'-guard, *n.* অগ্ৰগামী সৈন্যদল।

Van'-dal, *n.* পঞ্চম শতিকাত ৰোমনগৰ লুট্‌পাট কৰা অসভ্য জাতি; অসভ্য বা অভদ্ৰ মানুহ। van'-dal-ism, *n.* চিত্ৰ আদি সম্পদৰ ধ্বংস সাধন।

vane, *n.* বতাহৰ গতি থিৰ কৰিবলৈ ঘৰ মুধত ৰখা 'কুক্কুটযন্ত্ৰ'।

van'-ish, *v.* অদৃশ্য হোৱা, নেদেখা হোৱা, নাইকীয়া হোৱা।

van'-i-ty, *n.* অসাৰতা, অভিমান,

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

অহঙ্কাৰ, মিছা আড়ম্বৰ, অতি তুচ্ছ বস্তু।

van'-quish, *v.* যুজত হৰুৱা, পৰাজয় কৰা।

van'-tage, *n.* সুবিধা, প্ৰাধান্য।

vap'-id, *adj.* নিস্তেজ, সোৱাদ-নলগা, আমনি-লগা।

va'-pour (*-pur*), *n.* বাষ্প, ভাঁপ, ধোঁৱা; কুঁৱলী। va'-por-ize, *v.* বাষ্পত পৰিণত কৰা, ভাঁপ হৈ উৰি যোৱা।

var'-i-cose, *adj.* ওফন্দা বা বৃদ্ধি হোৱা।

va'-ri-e-gate, *v.* নানান ৰঙেৰে ৰঞ্জিত কৰা, চিত্ৰবিচিত্ৰ কৰা।

var-i-o'-rum, *adj.* নানান টীকা থকা (সংস্কৰণ)।

var'-let, *n.* নীহ লোক, দগাবাজ।

var'-nish, *n.* ৰহণ, ৰং, বাৰ্ণিচ; *v.* বাৰ্ণিচ্ লগোৱা, ৰহণ লগোৱা, চক্‌চকীয়া কৰা।

va'-ry (*-rĭ*), *v.* সলোৱা, পৰিবৰ্ত্তন কৰা, (অঙ্কত) ক্ৰমে হ্ৰাস বা বৃদ্ধি হোৱা; পৰিবৰ্ত্তন হোৱা, ৰূপান্তৰ হোৱা। va'-ri-a-ble, *adj.* পৰিবৰ্ত্তনশীল, অথিৰ; *n.* যি ৰাশিৰ হ্ৰাস বৃদ্ধি আছে। va'-ri-ance, *n.* অমিল, বিৰোধ। va-ri-a'-tion, *n.* পৰিবৰ্ত্তন, ব্যতিক্ৰম। va-ri'-e-ty (*-rī'-*), *n.* বিভিন্নতা, বিভিন্ন বস্তুসমূহ, নানান প্ৰকাৰ, ৰকম। va'-ri ous (*-rĭ-*), *adj.* নানান, বিবিধ, বিভিন্ন।

vas'-cu-lar, *adj.* শিৰপূৰ্ণ।

vase (*vās* or *vâs*), *n.* যত্নৰ পাত্ৰ বিশেষ, নানান কাৰুকাৰ্য্য কৰা পাত্ৰ।

vas'-e-line (*-lĭn* or *-lēn*), *n.* মলমত ব্যৱহাৰ কৰা এবিধ ঘিঁউৰ নিচিনা বস্তু।

vas'-sal, *n.* তলতীয়া প্ৰজা, তলতীয়া মানুহ, অনুচৰ।

vast, *adj.* বিস্তৰ, বহুত, বৰ বহল, বিশাল।

vat, *n.* পানী, তেল, মদ আদি ৰখা ডাঙৰ পাত্ৰ।

Vat'-i-can, *n.* ৰোমনগৰৰ পোপৰ বাসস্থান।

vault, *n.* বৃত্তাংশৰ নিচিনা ঘূৰণীয়া ছাল; এনে ছালেৰে তৈয়াৰী মাটিৰ তলৰ পকিঘৰ; কবৰ বা গৰ দিয়া ঠাই, জাপ; *v.* ঘূৰণীয়া ছাল দিয়া, জাপ মাৰি পাৰ হোৱা, জাপ মৰা। vault'-ed, *adj.*

vaunt, *v.* গৰ্ব্ব কৰা, ডাক্সোপ মৰা; *n.* ডাক্সোপ, ফিতাহি।

veal (*vēl*), *n.* পোৱালী গৰুৰ মঙহ।

veer, *v.* দিশ পৰিবৰ্ত্তন কৰা, ঘূৰা, আন ফালেলৈ গতি কৰোৱা, ঘূৰোৱা।

veg'-e-ta-ble (*vej'-*), *n.* উদ্ভিদ, শাক পাঁচলি; *adj.* গছলতা আদিৰ গুণযুক্ত। veg'-e-tate, *v.* অঙ্কুৰিত হোৱা, গজা, শিপা আৰু পাতেৰে নদন বদন হৈ উঠা, মিছাকৈ জীৱন কটোৱা। veg-e-ta'-tion, *n.* গছগছনি, উদ্ভিদজাতি। veg-e-ta'-ri-an, *n.* যি মানুহে শাকপাঁচলি ফল-মূল আদি খায়—মাছ মঙহ নেখায়।

ve'-he-ment, *adj.* তীব্ৰ, প্ৰবল, ব্যগ্ৰ। ve'-he-mence, *n.* তীব্ৰতা, জোৰ, ব্যগ্ৰতা।

ve'-hi-cle (*-hĭ-kl*), *n.* যান, বাহন, গাড়ী, অনুপান, ফান্দ।

veil (*vāl*), *n.* ওৰণি, মুখঢাকনি, ছদ্মবেশ, ছল; *v.* ওৰণি লোৱা, ঢকা।

vein (*vān*), *n.* তেজ বোৱা শিৰ, ধাতুৰ ৰেখাযুক্ত খনিত উৎপন্ন শিল, মানসিক ভাব, কথাৰ ধৰণ। ve'-nous (*-nus*), *adj.* শিৰ যুক্ত। ven'-ule, *n.* অতি সৰু শিৰ।

veldt (*velt* or *felt*), *n.* দক্ষিণ আফ্ৰিকাৰ গছ গছনি নাইকীয়া মুকলি পথাৰ।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

vel'-lum, *n.* গৰু পোৱালীৰ পৰিষ্কাৰ কৰা ছাল।

ve-loc'-i-ty (*-los'-*), *n.* গতিৰ বেগ বা নিৰিখ, বেগ।

vel'-vet, *n.* মখমল কাপোৰ ; *adj.* মখমল কাপোৰেৰে তৈয়াৰী, কোমল। vel-ve-teen', *n.* মখমলৰ নিচিনা কপাহী কাপোৰ। vel'-ve-ty, *adj.* কোমল।

ve'-nal, *adj.* দৰ্ম্মহা খোৱা, দৰ্ম্মহা দিলে পোৱা, ধনৰ বশ, নীচ।

vend, *v.* বেচা। ven'-dor, *n.* বেচোঁতা। ven'-dee, *n.* কিনোঁতা।

ve-neer', *v.* ভাল কাঠৰ পাতলপাতেৰে ঢকা ; *n.* ভাল কাঠৰ পাতল পাত।

ven'-e-rate, *v.* মান কৰা, শ্ৰদ্ধা কৰা, ভক্তি কৰা। ven'-er-a-ble (*-bl*), *adj.* শ্ৰদ্ধেয়, ভক্তি ভাজন, পবিত্ৰ। ven-er-a'-tion, *n.* শ্ৰদ্ধা, ভক্তি।

ven'-geance (*-jans*), *n.* প্ৰতিশোধ, পোটক। venge'-ful, *adj.* প্ৰতিশোধ-পূৰ্ণ।

ve'-ni-al, *adj.* ক্ষমা কৰিব পৰা, সামান্য।

ven'-i-son (*ven'-zŭn* or *ven'-ĭ-zŭn*), *n.* পহুৰ মঙহ।

ven'-om, *n.* বিহ, বিষাক্ত বস্তু, হিংসা। ven'-om-ous (*-us*), *adj.* বিষাক্ত, বিহ-থকা।

vent, *n.* ছিদ্ৰ, ফুটা, বিন্ধা, ওলোৱা বাট, প্ৰকাশ ; *v.* বাহিৰ কৰা, ব্যক্ত কৰা, প্ৰকাশ কৰা।

ven'-ti-late, *v.* বতাহ চলাচল কৰিব পৰাকৈ মুকলি কৰা, পৰীক্ষা বা সমালোচনা কৰা আৰু কৰিবলৈ দিয়া, প্ৰচাৰ কৰা। ven-ti-la'-tion, *n.* বায়ু সঞ্চালন, বতাহৰ চলাচল, সমালোচনাৰ বাবে প্ৰকাশ, প্ৰচাৰ।

ven'-ti-la-tor, *n.* বিশুদ্ধ বায়ু-সঞ্চালনৰ যন্ত্ৰ।

ven'-ture (*-chūr*), *n.* দুঃসাহসিক কাম ; *v.* সাহ কৰি আগ বঢ়া, দুঃসাহসিক কাম কৰিবলৈ যোৱা। ven'-tu-rous, ven'-ture-some, *adj.* দুঃসাহসিক, ভয়-ভীতি নোহোৱা।

ven'-ue (*-ū*), *n.* নিকটবৰ্ত্তী স্থান, মোকৰ্দ্দমাৰ বিচাৰৰ স্থান।

ve-ra'-cious (*-shus*), *adj.* সত্যবাদী, সঁচা, প্ৰকৃত। ve-rac'-i-ty, *n.* সত্য-বাদিতা।

ve-ran'-dah, *n.* বাৰেণ্ডা।

verb, *n.* ক্ৰিয়াপদ, ধাতু। ver'-bal, *adj.* মৌখিক, মুখৰ। ver-ba'-tim, *adv.* প্ৰত্যেক শব্দকে দি, হুবহুকৈ। ver-bose', *adj.* বহুত শব্দ যুক্ত। ver'-bi-age, *n.* বাক্যৰ আড়ম্বৰ।

ver'-dant, *adj.* সেউজীয়া, বৃদ্ধি হোৱা, নদনবদন, অজ্ঞ, একো নজনা। ver'-dure, (*-jūr*) *n.* সেউজীয়া বৰণ, সেউজীয়া গছগছনি।

ver'-dict, *n.* বিচাৰত জুৰীৰ মত, সিদ্ধান্ত।

ver'-di-gris, *n.* তাম বা পিতলৰ দাগ বা চেকা।

verge (*vĕrj*), *n.* দাঁতি, সীমা, পৰিধি, শাসনদণ্ড ; *v.* পৰোঁ পৰোঁ অৱস্থা হোৱা, ওচৰা ওচৰি হোৱা, বেঁকা হোৱা।

ver'-ger, *n.* গীৰ্জ্জাত আলপৈচান কৰোঁতা।

ver'-i-fy, *v.* সঁচা বুলি প্ৰমাণ কৰা বা থিৰ কৰা, ঠিক হয়নে পৰীক্ষা কৰা। ver-i-fi-ca'-tion, *n.*

ver'-i-ty, *n.* সত্যতা। ver'-i-ly, *adv.* সঁচাকৈয়ে, নিশ্চয়কৈ। ver'-i-ta-ble, *adj.* প্ৰকৃত, আচল।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

ver·mil′·ion, *n.* সেন্দুৰ, ৰঙা বৰণ।
ver′-min, *n.* ক্ষতিকাৰক জন্তু বা পোক যেনে এন্দুৰ, কেঁচু, মাখি।
ver-nac′-u-lar (*-năk′-*), *adj.* নিজৰ দেশত চলিত ; *n.* মাতৃভাষা।
ver′-nal, *adj.* বসন্তকাল সম্বন্ধীয়।
ver′-sa-tile (*-til* or *til*), *adj.* চঞ্চল, নানান বিষয়ৰ উপযোগী, সকলো শাস্ত্রত নিপুণ।
verse, *n.* পদ্য, কবিতা, বাইবেলৰ অধ্যায়ৰ এক অংশ। versed (*vĕrst*), *adj.* নিপুণ। ver′-si-fy, *v.* পদ্যত ৰচনা বা বৰ্ণনা কৰা।
ver′-sion, *n.* অনুবাদ, কথা, বিবৰণ।
verst, *n.* ৰুচিয়াৰ মাইল ৩,৫০০ ফুট।
ver′-sus, (L.) বিৰুদ্ধে।
ver′-te-bra, *n.* (*pl.* -bræ) (*-brē*), (L.) মেৰুদণ্ডৰ অস্থিখণ্ড। ver′-te-bral, *adj.* মেৰুদণ্ড সম্বন্ধীয়। ver′-te-brate, *n.* মেৰুদণ্ড থকা জীৱ। ver-te-bra′-ta, *n.* মেৰুদণ্ড থকা জীৱসমূহ।
ver′-tex, *n.* শীৰ্ষ-বিন্দু, শীৰ্ষ। ver′-ti-cal, *adj.* লম্বহৈ থিয় হৈ থকা, শীৰ্ষ স্থানীয়।
ver′-ti-go (*vĕr′-ti-* or *-ti′-*), *n.* মূৰ-ঘূৰণি বা মূৰ ফুৰণি বেমাৰ।
verve, *n.* কল্পনাৰ উত্তেজনা, উৎসাহ, অনুৰাগ।
very, *adj.* প্রকৃত, একে ; *adv.* বৰ।
ves′-per, *n.* সাজতৰা, সন্ধিয়াৰ তৰা ; *adj.* সন্ধ্যাৰ, সন্ধিয়াৰ। ves′-pers, *n. pl.* সন্ধ্যা সময়ৰ উপাসনা বা স্তোত্র পাঠ।
ves′-sel, *n.* পাত্র, জাহাজ, শিৰ।
vest, *n.* তলৰ ছোলা ; *v.* ভূষিত কৰা, সজোৱা, পিন্ধোৱা, ক্ষমতা বা অধিকাৰ দিয়া।
ves′-ti-bule (*-ti-*), *n.* বাটচ'ৰা।
ves′-tige (*-tij*), *n.* খোজৰ চিন, নিদৰ্শন।
vest′-ment, *n.* কাপোৰ, পোছাক, যাজকৰ পোছাক। ves′-try, *n.* গীৰ্জাৰ যি খোটালিত পবিত্র কাপোৰ আৰু পাত্র আদি ৰাখে, স্থানীয় যজমান-সভা বা কৰ দিওঁতা-সকলৰ সভা। ves′-ture (*-tūr* or *-tchūr*), *n.* পোছাক, ঢাকনি।
vet′-er-an, *adj.* অভিজ্ঞ, পাকৈত, যুদ্ধকাৰ্য্যত নিপুণ ; *n.* অভিজ্ঞ লোক, নিপুণ যুঁজাৰু।
vet′-er-in-ar-y, *adj.* ঘৰ-পোহা জন্তুৰ চিকিৎসা সম্বন্ধীয় বা চিকিৎসাত নিপুণ।
ve′-to, *n.* (*pl.* ve′-toes), (L.) নামঞ্জুৰ, বাধা ; *v.* নামঞ্জুৰ কৰা, বাধা দিয়া।
vex, *v.* দিগ দিয়া, খংতোলা, আমনি কৰা, vex-a′-tion, *n.* আমনি, বিৰক্তি, জ্বালা-যন্ত্রণা। vex-a′-tious (*-shus*), *adj.* বিৰক্তিকৰ, ক্লেশদায়ক।
vi′-a (*vī′-ă*), *prep.* বাটেদি।
vi′-a-duct (*vī′-*), *n.* ৰেল-আলি, নৈ বা উপত্যকাৰ ওপৰেদি যাবলৈ ওখ দলং।
vi′-ands, *n. pl.* খোৱা বস্তুজাত।
vi′-brate, *v.* লৰা, কপা, কঁপোৱা। vi-bra′-tion, *n.* কম্পন।
vic′-ar (*vĭk′-*), *n.* প্রতিনিধি, গাওঁৰ ধৰ্ম্মযাজক। vic′-ar-age, *n.* ধৰ্ম্মযাজকৰ থকা ঘৰ বা বৃত্তি। vi-ca′-ri-ate, vi-ca′-ri-ous, *adj.* প্রতিনিধিৰূপে কাৰ্য্য কৰোঁতা।
vice, *n.* দোষ, পাপ, ব্যভিচাৰ। vi′-ci-ous (*vish′-us*), *adj.* কুকামত আসক্ত, দুৰাচাৰ, দুষ্ট।
vice-ge′-rent (*-jē-*), *n.* প্রতিনিধি।
vice′-roy, *n.* ৰাজপ্রতিনিধি। vice-roy′-al-ty, *n.* ৰাজপ্রতিনিধিৰ শাসন-

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

কাল বা অধিকাৰ। vice'-reine, *n.* *fem.*

vi-cin'-i-ty (*-sin'-*), *n.* ওচৰ, ওচৰ-চুবুৰী। vic'-in-age (*vĭs'-*), *n.* ওচৰ স্থান।

vi-cis'-si-tude (*vĭ-sis'-*), *n.* অৱস্থাৰ পৰিবৰ্ত্তন, ভাগ্য পৰিবৰ্ত্তন।

vic'-tim, *n.* দেৱতাৰ আগত পশু বধ, বলি, কষ্ট ভুগোঁতা। vic'-tim-ize, *v.* বলি দিয়া।

vic'-tor, *n.* জেতা, জয়লাভ কৰোঁতা। vic-to'-ri-ous, *adj.* জয়ী, জয়যুক্ত, জয়-সূচক। vic'-to-ry, *n.* জয়।

vict'-ual (*vĭt'-l*), *v.* খোৱা বস্তুজাত যোগাৰ কৰি দিয়া। vict'-uals (*vit'-ls*), *n. pl.* খোৱা বস্তুজাত, 'বছদ্'।

vie (*vī*), *v.* প্ৰতিযোগিতা কৰা, অৰিয়া অৰি কৰা।

view (*vū*), *n.* দৃশ্য, মত, পৰ্য্যবেক্ষণ; *v.* চোৱা, পৰীক্ষা কৰা, পৰ্য্যবেক্ষণ কৰা।

vig'-il (*vij'-*), *n.* উজাগৰ, উৎসৱৰ আগবাতি বা আগবাতিৰ অনুষ্ঠান। vig'-i-lant, *adj.* উজাগৰে থকা, সতৰ্ক, সাৱধান। vig'-i-lance, *n.* উজাগৰে থকা অৱস্থা, সতৰ্কতা।

vig-nette' (*vin-yet'*), *n.* (F.) মুদ্ৰাকৰৰ ফুল আদিৰ চিত্ৰ, মুখৰ ছবি বা নক্সা।

vig'-our (*-ur*), *n.* কাৰ্য্যকৰী শক্তি, বল, তেজ, স্বাস্থ্য। vig'-or-ous, *adj.* বলী, সতেজ।

vik'-ing (*vī'-king*), *n.* পশ্চিম ইয়োৰোপৰ দশম শতিকাৰ জল-দস্যু।

vile, *adj.* নীচ, অধম, ঘিণ লগা, দুষ্ট। vil'-i-fy, *v.* নিন্দা কৰা, দুৰ্নাম ৰটা।

vil'-la, *n.* গাওঁত থকা ফল বাগীচা, বস্তি।

vil'-lage, *n.* গাওঁ। vil'-la-ger, *n.*

vil'-lain (*-lan*), *n.* দুষ্ট, দগাবাজ, টেটোন। vil'-lein (*vil'-len*), *n.* আগৰ কালৰ জমিদাৰৰ খাটনীয়াৰ প্ৰজা। vil'-len-age, *n.* দাসত্ব, খাটনীয়াৰ প্ৰজাৰ অধিকাৰ। vil'-lain-ous (*-us*), *adj.* নীচ, দুষ্ট। vil'-lain-y, *n.* নীচতা, দুষ্টামি, অপৰাধ।

vin'-di-cate, *v.* সমৰ্থন কৰা, ৰক্ষা কৰা, ঠিক বা ন্যায্য বুলি প্ৰমাণ কৰা, কলঙ্কৰ পৰা মুক্ত কৰা। vin-di-ca'-tion, *n.* সমৰ্থন, দোষ-স্খালন, ঠিক বা ন্যায্য বুলি কৰা প্ৰমাণ। vin'-di-ca-tive, *adj.*

vin-dic'-tive, *adj.* প্ৰতিহিংসা-পৰায়ণ।

vine, *n.* দ্ৰাক্ষালতা, আঙুৰৰ গছ। vi'-ner-y, *n.* দ্ৰাক্ষালতা জন্মোৱা ঠাই। vine'-yard (*vin'-*), *n.* আঙুৰৰ খেতি কৰা পথাৰ। vin'-tage, *n.* এবছৰত উৎপন্ন আঙুৰ, এ বছৰত উৎপন্ন আঙুৰৰ পৰা যিখিনি মদ তৈয়াৰ হয়, আঙুৰ গোটোৱা সময়। vin'-e-gar, *n.* চিৰিকা, এবিধ মদ। vint'-ner, *n.* মদ বেঁচোতা।

vi'-o-lent, *adj.* প্ৰবল, ভীষণ। vi'-o-lence, *n.* বল বা বলপ্ৰয়োগ, অত্যাচাৰ, প্ৰবলতা। vi'-o-late, *v.* অপব্যৱহাৰ কৰা, ভঙ্গ কৰা বা লঙ্ঘন কৰা, বলাৎকাৰ কৰা, অপবিত্ৰ কৰা। vi-o-la'-tion, *n.*

vi'-o-let, *n.* এবিধ ফুল, বেঙ্গেনাফুলীয়া ৰং; *adj.* বেঙ্গেনা ফুলীয়া।

vi'-o-lin, *n.* বেহালা।

vi'-per, *n.* এবিধ বিষাক্ত সাপ, বিশ্বাস-ঘাতক দুষ্ট-মানুহ। vi'-per-ous, *adj.*

vi-ra'-go (*-rā'-*), *n.* ডাকু তিৰোতা, সাহসী মটহা তিৰোতা।

vir'-gin (*-jin*), *n.* কুমাৰী, কন্যা ৰাশি; *adj.* বিশুদ্ধ, নিৰ্ম্মল, সাধ্বী।

vir'-ile (*vĭr'-ĭl* or *-īl*), *n.* পূৰ্ণ বয়সীয়া

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

পুৰুষৰ ধৰ্ম্ম বা শক্তি থকা, পুৰুষৰ উপযুক্ত, বলী। vir-il'-i-ty, *n.* সন্তান জন্মোৱা শক্তি, পুৰুষত্ব।

vir'-tue (*-tchū*), *n.* সজগুণ, গুণ, ধৰ্ম্ম, শক্তি, উপকাৰিতা, প্ৰভাৱ, পুণ্য, সাধুতা, সতীত্ব। vir'-tu-ous, *adj.* ধাৰ্ম্মিক, সাধু, পবিত্ৰ। vir'-tu-al, *adj.* কাৰ্য্যত নহলেও ফলত থকা, আন প্ৰকাৰে নঁচা। vir'-tu-al-ly, *adv.* কাৰ্য্যত নহলেও ফলত, দৰাচলতে, প্ৰকাৰান্তৰে।

vir'-u-lent, *adj.* বিষাক্ত, হিংসাপৰায়ণ, উগ্ৰ, প্ৰবল। vir'-u-lence, *n.*

vi'-rus (*vī-*), *n.* ঘা আদিৰ বিহপানী, সোঁচৰা বিহ।

vis'-age (*viz'-*), *n.* মুখমণ্ডল, মুখৰ আকৃতি বা চেহেৰা।

vis-à-vis' (*vēz-ā-vē'*), *adv.* (F.) মুখামুখি কৈ ; *n.* যি গাড়ীত দুজন মানুহ মুখামুখিকৈ বহে।

vis'-cid (*-sid*), *adj.* এঠাল, লেতকেতীয়া।

vis'-count (*vī'-*), *n.* 'আৰ্ল'ৰ' তলৰ সম্ভ্ৰান্ত লোক।

vis'-i-ble (*viz'-i-bl*), *adj.* চকুৰে দেখিব পৰা, ফট-ফটীয়া। vis-i-bil'-i-ty, *n.* vi'-sion (*vizh'-un*), *n.* দৃশ্য, দৃষ্টিশক্তি, যি বস্তু দেখা যায়, অলৌকিক দৰ্শন, স্বপ্ন, কল্পনা। vi'-sion-ar-y, *adj.* কাল্পনিক, মিছা ; *n.* যোনে আলাসত চাং পাতে।

vis'-it (*viz'-*), *v.* আহি দেখা কৰা, চাবলৈ যোৱা, পৰিদৰ্শন কৰা, পুৰস্কাৰ বা শাস্তি দিয়া ; *n.* দেখা-কৰা, চাবলৈ-যোৱা। vis-i-ta'-tion, *n.* নিগ্ৰহ বা শাস্তি, দৈব-দুৰ্বিপাক। vis'-i-tor, *n.* চাবলৈ যাওঁতা, দেখাকৰোঁতা, পৰিদৰ্শক।

vis'-or (*viz'-ur*), *n.* মুখা, মুখৰ ঢাকনি, ছদ্মবেশ।

vis'-ta, *n.* গছৰ শাৰীৰ মাজেদি দেখা দৃশ্য, মনোৰম দৃশ্য।

vis'-u-al (*viz'-*), *adj.* দৃষ্টি সম্বন্ধীয়।

vi'-tal, *adj.* জীৱন সম্বন্ধীয়, জীৱন ধাৰণলৈ লাগতিয়াল, আৱশ্যকীয়। vi-tal'-i-ty, *n.* জীৱনী শক্তি, সজীৱতা। vi'-tal-ize, *v.* জীৱিত কৰা। vi'-tals, *n. pl.* মগজু, হৃৎপিণ্ড আদি মৰ্ম্মস্থল।

vi'-ti-ate (*vish'-*), *v.* নষ্ট কৰা, দূষিত কৰা, ব্যৰ্থ কৰা।

vit'-re-ous, vit'-ric, *adj.* কাচৰ গুণ থকা, কাচৰ নিচিনা। vit'-ri-fy, *v.* তাপৰ সহায়েৰে কাচত পৰিণত কৰা বা হোৱা। vit-ri-fac'-tion, *n.*

vit'-ri-ol, *n.* তাম আদি ধাতুৰ বিকৃত অৱস্থা, তুঁতিয়া, গন্ধকদ্ৰাৱক, হীৰাকচ আদি। vit-ri-ol'-ic, *adj.*

vi-tu'-per-ate (*vi-*), *v.* তিৰস্কাৰ কৰা, নিন্দা কৰা। vi-tu'-per-a-tive, *adj.*

vi-va'-cious (*-shus*), *adj.* আনন্দিত, প্ৰফুল্লিত, সজীৱ। vi-vac'-i-ty (*-vas'-*), *n.* সজীৱতা, আনন্দিত ভাব, প্ৰফুল্লিত ভাব, উলাহ।

viv'-id, *adj.* ফটফটীয়া, উজ্জ্বল, স্পষ্ট, জীৱন্ত। viv'-i-fy, সজীৱ বা সতেজ কৰা।

viv-i-sec'-tion, *n.* পৰীক্ষাৰ বাবে জীৱন্ত জন্তুৰ দেহ কাটি-চোৱা।

vix'-en, *n. f.* (*mas.* fox), শিয়ালী, দন্দুৰী তিৰোতা।

viz'-i-er (*vi-zēr'*), *n.* ৰজাৰ মন্ত্ৰী।

vo'-cal, *adj.* স্বৰ-সম্বন্ধীয়, বাক্য-সম্বন্ধীয়। উচ্চাৰিত, ধ্বনিত, মৌখিক। vo'-ca-ble, *n.* শব্দ, নাম। vo-cab'-u-lar-y, *n.* শব্দকোষ। vo'-cal-ist, *n.* গায়ক।

vo-ca'-tion, *n.* উপযোগী কাৰ্য্য বা ব্যৱসায়।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

vo-cif'-er-ate (*-sif'-*), *v.* চিঞঁৰা, আটাহ পাৰা। vo-cif'-er-ous, *adj.*
vogue (*vōg*), *n.* ব্যৱহাৰ, প্ৰথা, ৰীতি, চলন।
voice, *n.* মাত, স্বৰ, বাক্য, শব্দ, মতামত বা মত প্ৰকাশৰ অধিকাৰ, বাচ্য ; *v.* উচ্চাৰণ কৰা, প্ৰকাশ কৰা, কোৱা।
void, *adj.* শূন্য, খালি, নিষ্ফল, হীন, 'বাতিল' ; *n.* শূন্য ঠাই ; *v.* খালি কৰা, বাতিল কৰা ; void'-a-ble, *adj.* বাতিল কৰাৰ বা হোৱাৰ উপযুক্ত। void'-ance, *n.* শূন্য কৰা কাৰ্য্য, বাতিল।
vol'-a-tile (*-tĭl*), *adj.* যি সহজে বাষ্পৰ নিচিনা উৰি যায়, চঞ্চল, স্ফূৰ্ত্তি-যুক্ত। vol'-a-til-ize, *v.* ধোঁৱাৰ দৰে উৰি যোৱা কৰা।
vol-ca'-no, *n.* (*pl.* -noes), আগ্নেয়গিৰি। vol-can'-ic, *adj.*
vo-li'-tion (*-lish'-ŭn*), *n.* ইচ্ছাশক্তিৰ পৰিচালনা, প্ৰবৃত্তি।
vol'-ley, *n.* (*pl.* vol'-leys), *n.* শৰ, কাঁড় বা গুলি আদিৰ জাক, অস্ত্ৰবৰ্ষণ।
volt (*vōlt*), *n.* আকস্মিক আবৰ্ত্তন বা জাপ বৈদ্যুতিক গতিৰ পৰিমাণৰ একক।
vol'-u-ble (*-bl*), *adj.* কথাচেলেপু, কথকী। vol'-u-bil-i-ty, *n.*
vol'-ume (*-yūm*), *n.* আকাৰ, আয়তন, পৰিমাণ, কিতাপ বা কিতাপৰ খণ্ড। vol-u'-min-ous (*-us*), *adj.* বৰ ডাঙৰ, কেইবা খণ্ডেৰে সম্পূৰ্ণ।
vol'-un-ta-ry, *adj.* আপোন ইচ্ছামতে কৰা বা চলা। vol-un-teer', *n.* স্বেচ্ছা-সেৱক, চখৰ চিপাহী ; *v.*
vo-lup'-tu-ous (*-tchū-*), *adj.* ইন্দ্ৰিয়-সেৱী, বিলাসী। vo-lup'-tu-ar-y, *n.* আমোদ-প্ৰমোদত অতিকৈ আসক্ত মানুহ।
vom'-it, *v.* বাটিওৱা, বমি কৰা ; *n.* বাটি বা বাটি কৰা ঔষধ।
vo-ra'-cious (*-shus*), *adj.* খকুৱা, লোভী। vo-rac'-i-ty (*-ras'-*), *n.* লোভ (বিশেষকৈ খোৱাৰ), খক।
vor'-tex, *n.* (*pl.* vor'-ti-ces *or* vor-tex-es) (L.) পানীৰ চাকনৈয়া বা পাক।
vo'-ta-ry, *n.* (*n. f.* vo'-ta-ress), উপাসক, সেৱক।
vote, *n.* 'ভোট', মত, সন্মতি ; *v.* ভোট বা মত দিয়া। vo'-ter *n.* ভোট দাতা।
vo'-tive, *adj.* দেৱতাৰ উদ্দেশে সংকল্প কৰি দিয়া।
vouch, *v.* প্ৰমাণ কৰা, সমৰ্থন কৰা, নিশ্চয়কৈ কোৱা। vouch'-er, *n.* নিদৰ্শন, যিয়ে প্ৰমাণ বা সমৰ্থন কৰে।
vouch-safe', *v.* অনুগ্ৰহ কৰি দিয়া ; অনুগ্ৰহ কৰা, মঞ্জুৰ কৰা।
vow, *n.* ব্ৰত, সংকল্প, প্ৰতিজ্ঞা ; *v.* দেৱতাৰ নামে উছৰ্গা কৰা, প্ৰতিজ্ঞা কৰা।
vow'-el, *n.* স্বৰবৰ্ণ, স্বৰ, মাত।
voy'-age, *n.* সমুদ্ৰযাত্ৰা, জলপথেৰে দূৰদেশলৈ গমন ; *v.* জলপথেৰে যোৱা।
vul'-can-ite, *n.* গন্ধক মিহলাই তৈয়াৰ কৰা টান ৰবাৰ। vul'-can-ize, *v.*
vul'-gar, *adj.* নীচ, ইতৰ, সাধাৰণ। vul-gar'-i-ty, *n.* নীচতা। Vul'-gate, *n.* বাইবেলৰ এটা লেটিন অনুবাদ।
vul'-ner-a-ble, *adj.* ভেদ কৰিব পৰা, আক্ৰমণ কৰিব পৰা।
vul'-pine (*-pīn*), *adj.* শিয়ালৰ নিচিনা, ধূৰ্ত্ত, টেঙৰ।
vul'-ture (*-tchŭr*), *n.* শগুণ। vul'-tur-ine, *adj.* শগুণৰ নিচিনা।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

W

wab′-ble, *v.* হালিজুলি যোৱা, ঢলং পলং কৰা ; *n.* বেঁকা গতি।

wad (*wod*), *n.* বন্দুক, চিলৈ আদিত খাৰ খাজাত ব্যৱহাৰ কৰা, ঘাঁহ বা কাগজৰ সোপা ; *v.* সোপা কৰা, সোপাৰে ঠেলা। wad′-ding, *n.* সোপা পকোৱা, ঘাঁহ, তুলা আদি।

wad′-dle (*wod′-l*), *v.* হাঁহৰ নিচিনা, থলো থপোকৈ যোৱা।

wade, *v.* পানী বা বোকাৰে যোৱা, কষ্টেৰে আগ বঢ়া।

wa′-fer, *n.* এবিধ ৰুটি, চিঠি আদি বন্ধ কৰা এঠাৰ পাতল পাত।

waft, *v.* ওপঙা, সোঁতত উটাই নিয়া (বতাহ বা পানীত)।

wag, *n.* ৰহুৱা, খুঁহতীয়া কথা কোৱা মানুহ, লৰচৰ কৰা কাৰ্য্য ; *v.* লৰচৰ কৰা, জোকৰা। wag′-ger-y, *n.* খুঁহতীয়া কথা। wag′-gish, *adj.* খুঁহতীয়া, কৌতুকপ্ৰিয়।

wage (*wāj*), *v.* পণ কৰা, বাজি ৰখা, আৰম্ভ কৰা, (যুদ্ধ) চলোৱা। wa′-ges, *n. pl.* মজুৰী, পুৰস্কাৰ। wa′-ger, *n.* আৰি, পণ ; *v.* বাজি ৰখা, পণ কৰা, আৰি মৰা, হুৰ মৰা।

wag′-gon *or* **wag′-on,** *n.* চাৰি চকাৰ গাড়ী, মালবোৱা গাড়ী। wag-on-ette′, *n.* ছয়জন বা তাতোকৈ মানুহ বহিব পৰা চাৰি চকাৰ গাড়ী।

waif, *n.* ঘৰবাৰী নোহোৱা মানুহ, গৰাকী নোহোৱা, পোৱা-বস্তু।

wail, *v.* বিলাপ কৰা, শোক কৰা ; *n.* বিলাপ, বিননি। wail′-ing, *n.* বিলাপৰ ধ্বনি, উচ্চ বিননি।

wain, *n.* গাড়ী।

wain′-scot, *n.* দেৱালত খাঁজ কাটি লগোৱা তক্ত ; *v.* থলপা থলপাকৈ দেৱালত তক্তা লগোৱা।

waist, *n.* কঁকাল, জাহাজৰ মাজ ভাগ। waist′-coat, *n.* হাত-নথকা কঁকাললৈ পৰা চোলা।

wait, *v.* বাট চোৱা, অপেক্ষা কৰা ; (*with* on) সেৱা কৰা, আলপৈচান ধৰা, দেখা কৰিবলৈ যোৱা, অনুসৰণ কৰা। wait′-er, *n.* (*fem.* -ress) যোনে অপেক্ষা কৰে বা বাট চায়, পৰিচাৰক, চাকৰ, খাদ্যৰ থাল।

waits, *n. pl.* খৃষ্টমাচ্ বা বৰদিনৰ গায়ক দল।

waive (*wāv*), *v.* ত্যাগ কৰা, দাবি এৰি দিয়া। waiv′-er, *n.* স্বত্বত্যাগ।

wake (waked *or* woke, wa′-king), *v.* সাৰে থকা, উজাগৰে থকা, জগোৱা। wa′-ken (*-kn*), *v.* জগোৱা ; *n* জাগৰণ, জাহাজৰ যোৱা বাট বা পানীৰ ৰেখা, অনুসৰণ। wake′-ful, *adj.* জাগ্ৰত, সতৰ্ক, সাৱধান।

wale, *n.* লাঠিৰ বা চেকনীৰ কোবৰ চিন, সেৰা, উঠঙা সাঁচ। wa′-ler, *n.* অষ্ট্ৰেলিয়াৰ নিউচাউথ্ ওৱেল্‌চৰ ঘোঁৰা।

walk (*wak*), *v.* ফুৰা, খোজ কঢ়া ; *n.* ভ্ৰমণ বাট, চৰণীয়া পথাৰ, কৰ্ম্মক্ষেত্ৰ, কাৰ্য্যৰ ঠাই, আচৰণ। walk′-ing, *n.*

wall, *n.* দেৱাল, বেৰ ; *v.* দেৱালেৰে আগুৰা।

wal′-let (*wol′-*), *n.* বস্তু বৈ নিয়া 'ব্যাগ' বা মোনা, ভিক্ষাৰ মোনা।

wal′-low (*wol′-lō*), *n.* বোকাত লুটি লোৱা, বোকাত লুটিপুতি হোৱা।

wal′-nut (*wal′-*), *n.* আখৰোট্।

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

wal'-rus (*wol'-*), *n.* পানী-হাতী।

waltz (*wälts*), *n.* হাতত ধৰাধৰি কৈ কৰা নাচ, এনে নাচৰ বাজনা।

wan (*won*), *adj.* বিবৰ্ণ, সেতা।

wan'-der, *v.* ঘূৰি-ফুৰা, প্ৰকৃত বিষয় এৰি আন কথা ধৰা। wan'-der-ing, *n.*

wane, *v.* ক্ষয় হোৱা, কমা ; *n.* ক্ষয়, হ্ৰাস, সৰু লাঠি।

wan'-ton (*won'-tun*), *adj.* খেলাত আসক্ত, অসংযত, উচ্ছৃঙ্খল, অশিষ্ট, লম্পট, বিবেচনা শূন্য ; *n.* লম্পট মানুহ, বেশ্যা ; *v.* আমোদ প্ৰমোদ কৰা, নাচি বাগি ফুৰা।

want, *n.* অভাব, নাটনি ; *v.* লগা, নাটনি হোৱা, আৱশ্যক হোৱা। wan-ted', *adj.* আৱশ্যকীয়।

war (*wär*), *n.* যুদ্ধ, যুঁজ, শত্ৰুতা ; *v.* যুদ্ধ কৰা বা যুদ্ধ চলোৱা, শত্ৰুতা কৰা। war'-fare, *n.* যুদ্ধ কাৰ্য্য। war'-like, *adj.* যুদ্ধপ্ৰিয়, যুদ্ধত নিপুণ। war'-ri-or (*-ĭ-ĕr*), *n.* যোদ্ধা, যুঁজাৰু।

war'-ble, *v.* (চৰাই) মতা, কঁপা মাতেৰে গান গোৱা ; *n.* চৰাইৰ মাত, কঁপা মাত। war'-bler, *n.* গায়ক চৰাই, গায়ক।

ward, *n.* পহৰা, অভিভাৱকৰ অধীন লৰা বা ছোৱালী, নগৰৰ এক অংশ, চিকিৎসালয়ৰ বিভাগ, চৌকিদাৰ, তালাৰ সিৰ ; *v.* পহৰা দিয়া, ৰক্ষা কৰা, ঢোৱা ; (*with* off) এৰোৱা। ward'-er, *n.* ৰখীয়া, প্ৰহৰী। ward'-en, *n.* ৰক্ষক, অভিভাবক, বিদ্যালয়ৰ অধ্যক্ষ, ভাৰপোৱা ঘাট কৰ্ম্মচাৰী। ward'-robe, *n.* কাপোৰৰ ভঁৰাল, পোছাকপাতি ৰখা আলমাৰি, পিন্ধা উৰা আটাই-খিনি কাপোৰ।

ware *or* **wares** (*pl.*), *n.* বেপাৰ বস্তু, বিক্ৰীৰ মাল। ware'-house, *n.* গুদাম ঘৰ। hard-ware, *n.* সাধাৰণ ধাতুৰ বস্তু।

warm, *adj.* তপত, ব্যগ্ৰ, প্ৰখৰ ; *v.* তপত কৰা, উম লোৱা, উত্তেজিত কৰা। warmth, *n.* উষ্ণতা, তাপ, আগ্ৰহ, দয়া, আন্তৰিকতা।

warn, *v.* সতৰ্ক কৰা, সাবধান কৰি দিয়া। warn'-ing, *n.* সতৰ্ক বা সাৱধান কৰি দিয়া কাৰ্য্য, যিহে সতৰ্ক কৰি দিয়ে।

warp, *v.* পকোৱা, ঘূৰুৱা, বিপথগামী হোৱা বা কৰা, *n.* দীঘ সূতা, জাহাজ বা নাও টানা ৰচি।

war'-rant (*wŏr'-*), *n.* পৰোৱানা, আদেশ-পত্ৰ, ক্ষমতা পত্ৰ, গ্ৰেপ্তাৰ বা খানাতালাচৰ হুকুম, প্ৰমাণ, শাসন ; *v.* নিৰাপদ কৰা, ক্ষতি-পূৰণৰ আশ্বাস দিয়া, ক্ষমতা দিয়া, প্ৰমাণ কৰা, ঠাৱৰকৈ কোৱা। war'-rant-a-ble, *adj.* সমৰ্থন কৰাৰ উপযুক্ত, ন্যায্য, সঙ্গত। war'-rant-y, *n.* ক্ষতিপূৰণৰ প্ৰতিজ্ঞা বা আশ্বাস, দলিল, প্ৰমাণ।

war'-ren, *n.* নিজৰ বাগীছাত বনৰীয়া জন্তু ৰাখিবলৈ অধিকাৰ, শহাপহু আদি জন্তু পালা বা ৰখা ঠাই।

wart (*wärt*), *n.* আঁচিলা।

wa'-ry, *adj.* সতৰ্ক, সাবধান।

wash, *v.* ধোৱা, গাধোৱা, ভিজোৱা, পাতলকৈ ৰং দিয়া ; *n.* ধোৱা-কাৰ্য্য, স্নান, বাঁহ, বাহিৰত দিবলৈ পনীয়া দৰব। wash'-er-man, *n.* ধোবা।

wasp (*wŏsp*), *n.* বৰল। wasp'-ish, *adj.* বেগতে হুল ফুটোৱা, খঙাল।

was'-sail (*wŏs'-al*), *n.* মদখাই কৰা মঙ্গল কামনা, মদখোৱা আমোদ বা উৎসৱ ; *v.* মঙ্গল কামনা কৰা।

waste, *adj.* ছন, অসাৰুৱা, কামত নলগা ; *v.* নষ্ট কৰা, ধ্বংস কৰা, ক্ষয় কৰা বা হোৱা, অবাবত খৰচ কৰা বা কটোৱা ; *n.* অপব্যয়, ধ্বংস, ছনমাটি,

CC-0. In Public Domain. Gurukul Kangri Collection, Haridwar

Digitized by Arya Samaj Foundation Chennai and eGangotri

মানুহজনুহ নোহোৱা ঠাই। wast'-age, *n.* ছনমাটি। waste'-ful, *adj.* অপব্যয়পূৰ্ণ, অপব্যয়ী। wast'-rel, *n.* কোনো যত্ন নোপোৱাকৈ বঢ়া সন্তান, নগণ্য মানুহ।

watch (*woch'*), *v.* পহৰা দিয়া, জুমি চোৱা, খুটচাই থকা ; *n.* পহৰা, ৰখীয়া, ৰক্ষক, চৌকিদাৰ, চৌকি, ঘড়ী। watch'-ful, *adj.* সতৰ্ক। watch'-word, *n.* ৰখীয়াৰ বা সম্মিলনৰ সঙ্কেত বাক্য।

wa'-ter (*wa'-*), *v.* পানী, চকুৰ লো, মূত, বহুমূলীয়া বস্তুৰ দীপ্তি ; *v.* পানী দিয়া, পানীৰে ভিজোৱা। water—course, *n.* পানীৰ জান বা পানী বোৱা বাট। water-fall, *n.* জলপ্ৰপাত। watering—place, *n.* গৰু ম'হ আদিক পানী খুৱোৱা ঘাট, সাগৰৰ দাঁতিৰ স্বাস্থ্যকৰ ঠাই। wa'-ter-man, *n.* নাওৰীয়া। wa'-ter-proof, *adj.* পানী সোমাব নোৱাৰা। wa'-ter-shed, *n.* দুই নৈৰ মাজৰ ওখ ঠাই। wa'-ter-y, *adj.* পনীয়া, সোৱাদ নলগা।

wat'-tle (*wot'-l*), *n.* গছৰ সৰু ডাল, ছালৰ ৰুৱা, ঠানিৰ বেৰা।

wave, *v.* ঢৌখেলা, ঢৌতোলা, ঘূৰোৱা, লৰা, হাত বা নিচান আদিৰে সঙ্কেত দিয়া ; *n.* ঢৌ, ঢৌৰ নিচিনা গতি, ভাবৰ আবেগ। wa'-vy, *adj.* ঢৌ-উঠা।

wa'-ver, *v.* লৰা, ইফাল সিফাল হৈ লৰা, ইফাল সিফাল কৰা, দ্বিধা কৰা।

wax, *n.* মোম, কানমাকড়ি ; *v.* বঢ়া, ডাঙৰ হোৱা, মোম লগোৱা। wax'-en, *adj.* মোম-লিপা, কোমল, বঢ়া। wax'-y, *adj.* এঠাল, কোমল।

way, *n.* বাট, দূৰত্ব, দিশ, উপায়, ৰীতি, ধৰণ, আওভাও, কাৰ্য্য-প্ৰণালী। way'-fa-rer, *n.* বাটৰুৱা। way-lay', *v.* বাটত ৰখা বা খাপ পাতি থকা।

way'-ward, *adj.* মইমত, অবাধ্য।

weak, *adj.* দুৰ্ব্বল, কেঁচা, কোমল, পাতল, নিস্তেজ, চঞ্চল, অক্ষম। weak'-en, *v.* দুৰ্ব্বল কৰা, নিস্তেজ কৰা। weak'-ness, *n.* দুৰ্ব্বলতা। weak'-ling, *n.* দুৰ্ব্বল প্ৰাণী। weak'-ly, *adj.* দুৰ্ব্বল, ক্ষীণ, চেবেলা, ৰুগীয়া।

weal (*wēl*), *n.* স্বাস্থ্য বা সমৃদ্ধি, মঙ্গল, সুখ, লাঠিৰ কোবৰ চিন।

weald, *n.* জঙ্গলী ঠাই, মুকলি ঠাই।

wealth (*wělth*), *n.* ধন সম্পত্তি, ঐশ্বৰ্য্য। wealth'-y, *adj.* ধনী, ধনসম্পত্তি থকা।

wean, *v.* লৰা বা ছোৱালীক মাকৰ পিয়াহ এৰুৱা, অভ্যাস গুচুৱা।

weap'-on (*wěp-*), *n.* অস্ত্ৰ, উপায়।

wear (*wār*) (wore, worn, wear'-ing), *v.* পিন্ধা, গাতলোৱা, ঘঁহি ক্ষয় কৰা, ক্ষয় নিওৱা ; *n.* ব্যৱহাৰ, পিন্ধাকাৰ্য্য, পোছাক।

wea'-ry (*wē'-ri*), *adj.* ক্লান্ত, ভাগৰুৱা, বিৰক্ত ; *v.* ক্লান্ত কৰা, ভাগৰ লগোৱা। wea'-ri-ness, *n.* ভাগৰ। wea'-ri-some, *adj.* ভাগৰজনক, বিৰক্তিকৰ।

wea'-sel (*wē'-sl*), *n.* বন চেঁপা।

